The claims of art and public utility were not ignored. Dramatic performances or *bhawanas* were held for the entertainment of distinguished visitors. The absence of the comic element or of a *bahua* rendered a *bhawana* dull and insipid. Tanks were excavated, roads and temples were erected for the convenience of the public.

The buranji also throws accurate side-lights into the machinery of the Ahom Government, the nature of the Ahom kingship, the administration of criminal law, international relations, diplomacy and warfare. Social casuistry, rivalry between one noble and another, precedence and exclusive claims to high appointments, can be studied in all their details and intricacies. In the list of presents exchanged between the Ahom and other states we get an idea of the economic products of the time.

By virtue of one dominating theme pervading the whole book Srinath Barbarua's buranji has been raised to the rank of a historical monograph of rare and unique importance. There are digressions from the main subject, but they give reality to the central picture by supplying the appropriate background and canvas. In short Srinath Barbarua's buranji constitutes an invaluable mine of materials with the help of which the political,

constitutional, economic, religious and social history of the Assamese people can be reconstructed.

The value of the preliminary chapters prefixed to Srinath Barbarua's chronicle should not be ignored. We get there an idea how the ministerial usurpation of the royal power led to the loss of stability of the sovereign's position on the throne. Laluksola Barphukan became all-powerful in the state, and it was he, and not Sulikpha, a stripling of fourteen years, who was responsible for the chastisement and death of Princess Jaymati. We have inserted in that connection, in paragraph 26, the two statements about Jaymati's punishment, which are the only ones we have been able to discover hitherto in old buranjis. Gadadhar Singha on assuming the reins of government punished the sedition-mongers and put an end to all possibilities of the recurrence of disloyal manœuvres. Gadadhar Singha looked with concern at the growing influence and wealth of the monks, and instituted a vigorous campaign to effect their undoing. His son Rudra Singha was out for military glory; he subdued Cachar and Jayantia and launched preparations to invade Bengal. Rudra Singha's son Siva Singha preferred the pleasures of the seraglio to the dangers of the battle-field, and was unfit to prosecute the daring aims of his gallant father. Pramatta Singha was more or less a non-entity; and the comparative insignificance of his reign has been redeemed only by the erection of a number of beautiful edifices and temples. The chronicler has, however, made up by recording a graphic description of Pramatta Singha's coronation ceremony.

The extreme importance of an old chronicle which has preserved so much factlore and afforded such faithful glimpses of the past need not be emphasised at this stage of Indian historical research. We hope the day will soon come when scholars will study and interpret every name and sentence that occurs in this historical and literary masterpiece.

## LITERARY FEATURES.

The historical value of Srinath Barbarua's buranji should not lead us to minimise its importance as an Assamese prose classic of the highest order. Compared with the antiquity of Assamese prose Bengali prose is a plant of yesterday's growth.[1]

---

[1] 'Assamese prose literature developed to a stage in the far distant sixteenth century which no other literature of the world reached except the writings of Hooker and Latimer in England. The *Kathā-Gitā* shows clearly that the Assamese literature developed to a standard in the sixteenth century which the Bengali literature had reached only in the time of Iswar Chandra and Bankim Chandra. In fact, if some Assamese scholars now get up and say that it is the Bengalee who has borrowed his prose from Assamese literature and enriched his own, it will be very difficult to dislodge him.'—*Sir P. C. Roy's Presidential Address at the Tezpur Session of the Assam Students' Conference*, 1919.

Assamese prose literature is varied and profuse; it deals with equal vigour the immutable character of the godhead as well as the details of a military encounter. It is curious how the Assamese intellect, nurtured on the extravagance of Vaisnava poetry, could pin itself down to the chronicling of grim realities and hard facts in a colourless and impersonal fashion. The bridge between the two phases of the intellect labouring in the realm of fiction or of fact was afforded by the model set forth in the buranjis written in the Ahom language, the chroniclers of which enjoyed immunity from the influence of imaginative poetry and who were subjected to rigorous discipline and supervision as their works were compiled as a matter of official routine. In the absence of a written constitution the chronicles embodied the precedents with the help of which the government was conducted, pedigrees ascertained, and titular distinctions and offices conferred. The compilation of chronicles was thus a matter of official necessity rather than an intellectual recreation of leisured dilettantes. There was established a tradition of fidelity to truth and accurate representation of facts, and any one who took the chronicler's pen imposed upon himself the rigorous standard of truth and faithfulness.

The ideal was obviously a strenuous one. It is much easier to select a few apposite instances from history to propound one's favourite political doctrines; but the task of setting forth the details of a reign duly preserving the sequence of events, the dates and the names of persons and places, and filling up the missing links by collating particulars from several originals and inserting them at the appropriate places, keeping a close eye on the chronology, is an extremely arduous one and puts a severe strain on the chronicler. In his trying ordeal the conscientious buranjist sought the intervention of the immortals and the forgiveness of the critic, openly confessing the limitations of human endeavours.

Srinath Barbarua, conscious of his strength as well as his fallibility, has penned the following apology in the preamble to his chronicle which correctly represents the fears and misgivings of all buranjists,—

'Salutation to Srikrishna! Salutation to Ganesa! Salutation to the Goddess Parvati! This is the Buranji caused to be written in *saka* 1725 by the Duara Barbarua. Keep it secretly. Do not give it even to your son if you have no confidence in him. Show it to one who is unhostile and well-disposed towards you. Pandits have prohibited the betrayal of princes: and if trust is violated it amounts to an insult shown to one's mother. So keep it in confidence; more specially it is an unfathomable Sastra, who ever finds its bottom? Even great sages become victims of confusion in such matters which I have handled with whatever judgment I can command. So pandits should

not at random find fault with this book. If one is bent upon detecting blemishes he will find many. This is the Vamsavali or history of the Swargadeos or Kings of the Tunkkhungia Dynasty. This history is caused to be written on Thursday, the twenty-second of Phalgun, on the Panchami *tithi*.'

This feeling of imperfection is also recorded in Sanskrit verse in another old chronicle,—

'After due salutation at the lotus-feet of Srikrishna, which are drunk by the hearts of the righteous like so many honey-sucking bees, the origin and deeds of the Kings sprung from the line of Indra are here described. Oh learned ones! In the recital of the history of those Kings who are credited with varied and brilliant achievements one is not to be an object of laughter (if mistakes and discrepancies creep in), as the accounts exist in diverse places, and in their unification whose powers are not strained?'[1]

The apology offered by the Barbarua is not in extenuation of any wilful mistake or misrepresentation: it only evinces his consciousness of his grave responsibility as a historian. We have had access to numerous contemporary sources, Assamese, Ahom, Manipuri and English, dealing with one phase or other of the events of the period covered by Srinath's chronicle, and the Barbarua's account has received corroboration in all material particulars.[2] He has acted up to the standard imposed upon himself and the expectations which he has raised in the hearts of his readers in view of his eminent and responsible personality.

The reason why he has enjoined upon the strict secrecy of his chronicle is not far to seek. The actors of the events or their immediate descendants were still living; and as the author's object was *bona fide* narration of facts, and not vilification of any individual, he did not desire his contemporary document to bring into disrepute any personage by giving publicity to his untoward actions which the Barbarua was compelled to record as an impartial and unsparing historian. He remembered very well the destruction of all suspected buranjis by Kirtichandra Barbarua because one of them, which was compiled by Numali Bargohain Rajmantri, attributed to Kirtichandra a low and non-Ahom origin. The secrecy would also immune the author from the animosity provoked by the bitterness of contemporary revelations. The passage of time will enable us to study Srinath's contemporary portraits in their true perspectives.

---

[1] These beautiful Sanskrit verses, the translation of which is here given, constitute the preamble to a chapter devoted to the history of the earliest Ahom monarchs, forming part of the buranji lent to the D.H.A.S. by the Ahom Juvak Sanmilani. The original slokas are inserted on the back of the title-page of this book.

[2] To realise the extreme truthfulness of Srinath Barbarua's chronicle the reader is referred to my *History of the Reign of Rajeswar Singha* and *Early British Relations with Assam*.

A chronicler drawing his materials from virgin sources finds very little opportunity for literary flourish or embellishment; and in fact the value of a chronicle diminishes proportionately as ornamentation increases. Srinath's one ambition was to record facts and not to indulge in emotional effusions and imageries. His style is therefore direct and unambiguous. He used the right and inevitable expression best suited to the context. He regarded chronicle-writing as a sacred function, and he has maintained uniform chasteness and restraint in his language and thought. There is not a single touch of puerility or flippancy, and everywhere he is serious, dignified and respectful. His language reminds us of what would drop from the lips of an Assamese grandee of the present day, living in his ancestral estates in Charing or Majuli, clad in his ceremonial muga dhuti, cloak and turban, visiting the town once or twice a year on some unavoidable business at the cutcherry. The times are fast changing, and though we are separated from Srinath only by a hundred years, we have moved through the track of centuries. The Assamese language has now become a cosmopolitan brogue; and those effective and pointed expressions with the help of which the ancestors of the present Assamese race ran their estates, conducted international pourparlers, pursued their commerce and expounded their philosophy, have been thrown into neglect and oblivion. Even our lexicons embody only a slender fraction of the total output of our nation's vocabulary. Srinath's chronicle was written sufficiently before his country was swept by the irresistible avalanche of changes; and as such it has conserved the basic structure and vocabulary of the Assamese language. In any scheme of literary progression one will have to draw his inspiration from a close and retrogressive survey of all available pre-British models.

A number of episodes of Srinath's chronicle have intrinsic literary merits as they are punctuated by human touches:—the assault on Kirtichandra Barbarua and the trial of the offenders, paragraphs 87–88; Raja Jay Singha in Assam, 89–104; Harnath Phukan's encounter with the Morans, 112–114; the heroism of Baroi Dualia Paniphukan, 120; Kuranganayani's slaughter of the Moran leader, 131–135; the rise and fall of Kalita Phukan, 156–163; the gallantry of Patkowanr, 205-206; Purnananda Buragohain's measures to save his country, 209, 215, 217, 233; Raja Jay Singha again in Assam, 223–224, 230–232; Gaurinath Singha's stay in Nowgong, 225; the interview between Captain Welsh and Purnananda Buragohain, 241; up-country jugglers in Assam, 86, 273, 324; the excavation of the Bhogdai, 279; deposal of and instructions to the Darangi Raja, 316–318, 331; Birabar Kusai, 335; punishment of Abetha Kakati, 338. Of the newly collated portion prefixed to Srinath's chronicle the following episodes possess literary finish: the leadership of Bahgaria

Buragohain, and the death of Debera, paras. 8–9; the flight and wanderings of Gadapani, 25, 26, 27; dismissal of Alan Barbarua, 38–40; Gadadhar Singha's harassment of Vaisnava Mahantas, 48–50; the synod of Gargaon, 59; Rudra Singha's military exploits, 60–65; Siva Singha's paramours and queens, 68–70, 72; the Tipam Raja's bid for the throne, 75; advice to the new King Pramatta Singha, 77; coronation of Pramatta Singha, 79.

The buranji also contains certain touches on poetry and art. Bhawanas or dramatic performances were held on distinguished occasions: *Ravan-badh* bhawana on the occasion of the visit of the Rajas of Cachar and Manipur to the Ahom court, where the son of Kirtichandra Barbarua served as master of the revels, with a party of 700 actors and musicians, para. 94; *Padmavati-haran* bhawana performed before Gaurinath Singha by the son of the Nagosain, 180; *Rukmini-haran* bhawana before Kamaleswar Singha, on the lines of the *ankia* dramas, accompanied by the exhibition of the images of a black serpent, a bear and a pair of elephants, 329; *Akruragaman* bhawana before the same King, where no comic interludes were provided and the parts were not properly acted, 332. To be a successful comic actor or *bahua* was a matter of some distinction, and an important personage of the time of Gaurinath Singha has been described as the son of a *bahua* named Bhumuk, para 182. Recent investigations have brought to light many relics in the Kapili valley proving the existence of an extensive Hindu colony there in past ages. Kirtichandra Barbarua recovered from the Kachari country a stone image of Hara and Gauri which was taken to Rangpur and properly worshipped. During the Moamaria ravages the image was reported to have perspired which augured disaster and calamity; it was therefore restored to its old place in the Cachar forests.

There are six historical letters exchanged between the Ahom, Jayantia and Cachar courts, of the years 1795 to 1805 A.D. The preambles are in Sanskrit and consist of strings of epithets describing the addressor and the addressee which reveal the religion and creed they professed. The business portion of the letters is in Bengali, mutilated to a great extent by the influence of Assamese syntax and vocabulary. Anyhow they are good specimens of Bengali as it was used for court purposes outside Bengal; and in the absence of any extant Bengali prose writing of that period and even much later, these letters can be regarded as an extremely valuable acquisition to Bengali literature.[1]

*September* 15, 1932. S. K. BHUYAN.

[1] The other buranjis in our possession contain several dozens of diplomatic epistles written in corrupt Bengali, Hindi and Persian, belonging to much earlier dates than the six letters inserted in *Tungkhungia Buranji*. Our *Kamrupar Buranji* contains 18 historical letters exchanged between the Ahom and the Mogul courts.

# সূচীপত্ৰ।


| | Page |
|---|---|
| Preface .. .. .. .. | iii |
| Introduction .. .. .. | ix |
| সম্পাদকৰ পাতনি .. .. .. | xxxv |


## তুংখুঙীয়া বুৰঞ্জী।

### ১ম আধ্যা। আৰম্ভণ।

পিঠি ১—৩ ॥


১। প্ৰস্তাৱনা।
২। সাৰাংশ।


### ২য় আধ্যা। পাত্ৰৰ অধীনত স্বৰ্গদেৱ।

পিঠি ৩—১৫ ॥


৩। উদয়াদিত্য ৰজা বধ।
৪। ৰামধ্বজ ৰজা বধ।
৫। প্ৰথম তুংখুঙীয়া ৰজা।
৬। চামগুৰীয়া চুহুং ৰজা।
৭। দ্বিতীয় তুংখুঙীয়া ৰজা।
৮। বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ নেতৃত্ব।
৯। ডেবেৰা বধ।
১০। চুজিন্‌ফা দিহিঙীয়া ৰজা।
১১। দিহিঙীয়া ৰজা বধ।
১২। চুডৈংফা পৰ্ব্বতীয়া ৰজা।
১৩। স্বৰ্গদেৱক বধিবৰ চেষ্টা।
১৪। বুঢ়াফুকনৰ বঙালৰ সহায় ভিক্ষা।
১৫। চিত্তাৰথি-গড়।
১৬। বঙালক গুৱাহাটী এৰি দিয়া প্ৰস্তাৱ।
১৭। বিন-যুদ্ধে বঙালৰ গুৱাহাটী অধিকাৰ।
১৮। বাঁহগড়ীয়া বুঢ়াগোহাঁই বন্দী।
১৯। স্বৰ্গদেৱলৈ অভয় দান।
২০। চুডৈংফা ৰজা বন্দী।
২১। চুলিক্‌ফা লৰাৰজা।
২২। বাঁহগড়ীয়া বুঢ়াগোহাঁই বধ।
২৩। ৰাজবেশে বুঢ়াফুকন।
২৪। বুঢ়াফুকন বধ।
২৫। লেশাগুৱী গদাপাণি।
২৬। দক্ষিণপাট সত্ৰত গদাপাণি কোঁৱৰ।
২৭। কলীয়াবৰত গদাপাণি ৰজা বৰণ।

## ৩য় আধ্যা। স্বৰ্গদেৱ গদাধৰসিংহ।

পিঠি ১৬—২৭ ॥


২৮। স্বৰ্গদেৱ পাটত উঠে।
২৯। অমঙ্গল।
৩০। শাস্তি বিধান।
৩১। ইটাখুলিৰ ৰণ।
৩২। মমুৰ-খাঁৰ পৰাজয়।
৩৩। ডাফলীয়া আৰু মিৰিয়াৰ ষড়যন্ত্ৰ।
৩৪। তিংখাঙ্গত পুথুৰী।
৩৫। পুনৰ ষড়যন্ত্ৰ।
৩৬। স্বৰ্গদেৱৰ গড়গাওঁ প্ৰত্যাগমন।
৩৭। বিদ্ৰোহী দমন।
৩৮। বৰবৰুৱাৰ বিদায়।
৩৯। ভগা-বৰবৰুৱাৰ ৰাজভক্তিৰ প্ৰমাণ।
৪০। পানীফুকনৰ দ্ৰোহ-ভাব।
৪১। বিবিধ ঘটনা।
৪২। মিৰি বিদ্ৰোহ দমন।
৪৩। কোঁৱৰ পোহা।
৪৪। সকসুৰা ঘটনা।
৪৫। উৎপাত-অমঙ্গল।
৪৬। নগা-অভিযান।
৪৭। স্বৰ্গদেৱৰ নগা কুঁৱৰী।
৪৮। বৈষ্ণৱ নিৰ্য্যাতন।
৪৯। নিৰ্য্যাতনৰ কাৰণ।
৫০। সম্পত্তি হৰণ আৰু দণ্ড।
৫১। স্বৰ্গদেৱৰ স্বৰ্গাৰোহণ।


## ৪ৰ্থ আধ্যা। স্বৰ্গদেৱ কদ্ৰসিংহ।

পিঠি ২৭—৩৬ ॥


৫২। ৰাজপাটত উঠা।
৫৩। ভূঁইকঁপ।
৫৪। ষড়যন্ত্ৰ।
৫৫। জয়সাগৰ আৰু জয়দ'ল।
৫৬। লেচাই বিদ্ৰোহ।
৫৭। বিদেশী সাজপাৰৰ প্ৰচলন।
৫৮। নগাৰ আক্ৰমণ।
৫৯। গড়গাৱঁত মহাজন-সম্মিলন।
৬০। কাছাৰ আৰু জয়ন্তা অভিযান।
৬১। ৰংপুৰত ৰামসিংহৰ মৰণ।
৬২। উৎপাত।
৬৩। গুৱাহাটীত স্বৰ্গদেৱ।
৬৪। দীৰ্ঘেশ্বৰীত মৃগয়া।
৬৫। বঙ্গ আক্ৰমণ।
৬৬। মৃত্যু।


## ৫ম আধ্যা। স্বৰ্গদেৱ শিৱসিংহ।

পিঠি ৩৭—৪০ ॥


৬৭। সিংহাসন আৰোহণ।
৬৮। ৰংপুৰলৈ ওভোতনি।
৬৯। ফুলেশ্বৰী বৰকুঁৱৰী।
৭০। দ্ৰৌপদী পৰ্ব্বতীয়া কুঁৱৰী।
৭১। নতুন বুঢ়াগোহাঁই।
৭২। নতুন বৰকুঁৱৰী।
৭৩। মৃত্যু।


## ৬ষ্ঠ আধ্যা। স্বৰ্গদেৱ প্ৰমত্তসিংহ।

পিঠি ৪০—৪৫ ॥


৭৪। তিপাম-ৰজাৰ ৰজা হবৰ আয়োজন।
৭৫। ৰজা-পতা লিগিৰা দমন।
৭৬। প্ৰমত্তসিংহ ৰজা।
৭৭। নতুন ৰজালৈ উপদেশ।
৭৮। ৰাজদ্ৰোহীৰ দণ্ড।
৭৯। ৰজা-অভিষেক।
৮০। ৰাণীৰ কটকী।
৮১। গড়-মন্দিৰ নিৰ্ম্মাণ।
৮২। মৃত্যু।

## ৭ম আধ্যা। স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ।

### পিঠি ৪৫—৫৬ ॥


৮৩। স্বৰ্গদেৱ ৰাজপাটত উঠে।
৮৪। দেশভ্ৰমণ।
৮৫। নবাব কটকী।
৮৬। বঙ্গালী বাজীকৰ।
৮৭। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক হত্যাৰ চেষ্টা।
৮৮। অপৰাধীৰ বিচাৰ।
৮৯। মণিপুৰৰ ৰজা জয়সিংহ।
৯০। ৰহাত বৰবৰুৱা।
৯১। কীৰ্ত্তিচন্দ্ৰৰ কীৰ্ত্তি।
৯২। জয়সিংহৰ অভ্যৰ্থনা।
৯৩। কুৰঙ্গনয়নী।
৯৪। বাৰুণ-বধ ভাৱনা।
৯৫। জয়সিংহক সহায়-দান।
৯৬। সেনাপতি হৰনাথ ফুকন।
৯৭। জয়সিংহক বিদায়।
৯৮। বৰপাত্ৰ-গোহাঁইৰ বিদায়-বাণী।
৯৯। জয়সিংহৰ উত্তৰ।
১০০। সেনাপতি ফুকনক উপদেশ দান।
১০১। হৰনাথ ফুকনৰ উত্তৰ।
১০২। লতা-কটা ৰণ।
১০৩। হৰনাথ ফুকনৰ অপৰাধ।
১০৪। ফুকনৰ উত্তৰ।
১০৫। ৰাজেশ্বৰসিংহৰ মৃত্যু।
১০৬। কাঠসংস্কাৰ।


## ৮ম আধ্যা। স্বৰ্গদেৱ লক্ষ্মীসিংহ।

### পিঠি ৫৬—৮৪ ॥


১০৭। সিংহাসন আৰোহণ।
১০৮। মৱাণ-বিদ্ৰোহ আৰম্ভ।
১০৯। বিদ্ৰোহীৰ জয়।
১১০। হৰনাথ সেনাপতি ফুকন।
১১১। আহোম সৈন্যৰ বিলৈ।
১১২। মৱাণৰ মন্ত্ৰণা।
১১৩। মোহনমালাৰ উদ্দেশ্য।
১১৪। হৰনাথ বন্দী।
১১৫। মৱাণৰ প্ৰতিপত্তি।
১১৬। ৰবচঁৰাত মেল।
১১৭। ধূমকেতু।
১১৮। মৱাণৰ সৈতে ৰণ।
১১৯। মৱাণৰ দম্ভ।
১২০। ৰবৈ হুৰুলীয়া পানীফুকনৰ বীৰত্ব।
১২১। উজনিত ৰজা-পোৱালি।
১২২। ৰাণী আৰু লুকিৰ বিপৰ্য্যয়।
১২৩। লক্ষ্মীসিংহৰ নগৰ ত্যাগ।
১২৪। স্বৰ্গদেৱৰ লগলেৰাসকল।
১২৫। মৱাণৰ খবৰ-যোগনিয়াৰ।
১২৬। লক্ষ্মীসিংহ বন্দী।
১২৭। মৱাণৰ ৰংপুৰ অধিকাৰ।
১২৮। মৱাণৰ বিষয়া বাচনি।
১২৯। বামুণীয়া মহন্তৰ নিৰ্য্যাতন।
১৩০। মৱাণৰ অন্তৰ্বিৰোধ।
১৩১। আহোমৰ চেতন।
১৩২। মৱাণ নবাব অঙ্গীকাৰ।
১৩৩। ৰামকুলাই আৰু কুৰঙ্গনয়নী।
১৩৪। কুৰঙ্গনয়নীৰ ৰাঘ বধ।
১৩৫। ৰাঘ-হত্যা।
১৩৬। ৰংপুৰ উদ্ধাৰ।
১৩৭। খোৰা মৱাণৰ মৰণ।
১৩৮। নতুন আহোম-বিষয়া বাচনি।
১৩৯। মোৱামৰীয়া মহাজন বধ।
১৪০। গুৱাহাটীত মৱাণ দমন।
১৪১। গুৱাহাটীত কফুলী বধ।
১৪২। হৰ-গৌৰীৰ মূৰ্ত্তি।
১৪৩। চেকনী-কোবোৱা ৰণ।
১৪৪। নতুন বিষয়া।
১৪৫। পুনৰ মৱাণ-বিদ্ৰোহ।
১৪৬। প্ৰায়শ্চিত্ত।

১৪৭। নতুন বিয়া।
১৪৮। উজনি ৰণৰ বাতৰি।
১৪৯। মৰাণ দমন।
১৫০। গুৱাহাটীত পানীফুকনৰ মৃত্যু।
১৫১। কলিতা-ফুকন।
১৫২। বিষয়াৰ নিৰ্য্যাতন।
১৫৩। নগা মজিন্দাৰ-বৰুৱা।
১৫৪। হৰনাথ ফুকন সেনাপতি।
১৫৫। লক্ষ্মীসিংহৰ শিজবিষৰ আৰোহণ।
১৫৬। কলিতা-ফুকনৰ পৰাভৱ।
১৫৭। কলিতা-ফুকনৰ বিৰুদ্ধে গোচৰ।
১৫৮। স্বৰ্গদেৱৰ উত্তৰ।
১৫৯। কলিতাৰ ক্ষমা-ভিক্ষা।
১৬০। কলিতাৰ ৰণোদ্যম।
১৬১। কলিতা-ফুকনৰ বিৰুদ্ধে ৰণ।
১৬২। কলিতা-ফুকন হত্যা।
১৬৩। শদিয়ালৈ যাত্ৰা।
১৬৪। ৰাজ-পৰিয়ালত মৃত্যু।
১৬৫। ভিতৰুৱাল সমাধ।
১৬৬। লক্ষ্মীসিংহৰ মৃত্যু।

## ৯ম আধ্যা। স্বৰ্গদেৱ গৌৰীনাথসিংহ।

পিঠি ৮৪—১৩৫ ॥

১৬৭। সিংহাসন আৰোহণ।
১৬৮। বৰবৰুৱাৰ পদচ্যুতি।
১৬৯। স্বৰ্গদেৱৰ শিজবিষৰ উঠে।
১৭০। মোৱামৰীয়াই ঘৰ পোৰে।
১৭১। মোৱামৰীয়াৰ উৎপাত।
১৭২। পৰ্ব্বতীয়া গোসাঁইৰ অভিশাপ।
১৭৩। মোৱামৰীয়াক ভেঁটিবৰ আয়োজন।
১৭৪। ৰংপুৰ পুনৰুদ্ধাৰ।
১৭৫। মোৱামৰীয়া দমনৰ আয়োজন।
১৭৬। ডগা বৰবৰুৱাৰ পুতেকৰ শাস্তি।
১৭৭। পূৰ্ণানন্দ বুঢ়াগোহাঁই।
১৭৮। পাটঘৰ আৰোহণ।
১৭৯। নগা মজিন্দাৰৰ চকু উৎপাটন।
১৮০। হৰনাথৰ মৃত্যু।
১৮১। বামুণীয়া মতে স্বৰ্গদেৱৰ বিয়া।
১৮২। গড়মূৰত স্বৰ্গদেৱৰ মৃগয়া।
১৮৩। মোৱামৰীয়াৰ পুনৰ প্ৰতিপত্তি।
১৮৪। উত্তৰপাৰত মোৱামৰীয়া ৰণ।
১৮৫। মোৱামৰীয়াৰ বিৰুদ্ধে যাত্ৰা।
১৮৬। গড়মূৰৰ ৰণ।
১৮৭। ৰজা-পোহালিৰ পতন।
১৮৮। গৌৰীসাগৰৰ কোঁঠ।
১৮৯। শগুণমূৰীৰ ৰণ।
১৯০। ভটীয়াপাৰৰ ৰণ।
১৯১। সিহিৰ ভকতৰ ৰণোদ্যম।
১৯২। অকা-বাইলুং।
১৯৩। মণিপুৰলৈ সহায়ৰ অৰ্থে কটকী প্ৰেৰণ।
১৯৪। লেকেৰা বৰুৱা।
১৯৫। গুৱাহাটী যাত্ৰাৰ প্ৰস্তাব।
১৯৬। গুৱাহাটীত গৌৰীনাথসিংহ।
১৯৭। গুৱাহাটীৰ কথা।
১৯৮। ৰংপুৰৰ কথা।
১৯৯। ভোগাই সেনাপতি।
২০০। নতুন সেনাপতি নিয়োগ।
২০১। মোৱামৰীয়াৰ সৈতে সংঘৰ্ষ।
২০২। মিতংজানৰ কোঁঠ।
২০৩। নামডাঙৰ কোঁঠ।
২০৪। কুঁৱৰীসকলৰ ৰক্ষা।
২০৫। পাট-কোঁৱৰ।
২০৬। পাট-কোঁৱৰ বধ।
২০৭। পহৰ সেনাপতি।
২০৮। লক্ষীমপুৰীয়াৰ ৰণ।
২০৯। আকালৰ আবিৰ্ভাৱ।
২১০। ৰচাৰ স্বাতন্ত্ৰ্য।
২১১। জগৰা গোহাঁই।
২১২। যোৰহাটত কোঁঠ।
২১৩। বৰকান্দাজ চিপাহী।
২১৪। মোৱামৰীয়াৰ উৎপাত।
২১৫। মেল-বৰুক বুঢ়াগোহাঁই।
২১৬। ঠায়ে ঠায়ে নপতা-ৰজা।

২১৭। বুঢ়াগোহাঁইৰ দেশৰক্ষাৰ চেষ্টা।
২১৮। অসমত মণিপুৰীয়া ধৰ্ম্মাধি।
২১৯। নতুন বৰফুকন।
২২০। নতুন বৰবৰুৱা।
২২১। নতুন বিষয়া।
২২২। হৰদত্ত চৌধুৰী।
২২৩। মণিপুৰীয়া ৰজাৰ সহায়-ভিক্ষা।
২২৪। মণিপুৰীয়া ৰজা জয়সিংহৰ ঠেহ।
২২৫। নগাৱঁত ৰাজ-বিষয়াৰ অত্যাচাৰ।
২২৬। ডুবৰাৰ বৰফুকন।
২২৭। ৰবাগী ৰজা।
২২৮। স্বৰ্গদেৱৰ নগাওঁ ত্যাগ।
২২৯। দিচৈৰ কোঁঠত জয়সিংহ।
২৩০। জয়সিংহৰ সম্ভাষণ।
২৩১। জয়সিংহৰ ৰণ-যাত্ৰা।
২৩২। মণিপুৰীয়াৰ ৰণ।
২৩৩। মোৱামৰীয়াৰ দ্বাৰা দেশ লণ্ডভণ্ড।
২৩৪। মাটিৰ গড়।
২৩৫। উত্তৰকুলৰ জেজা-জঞ্জাল।
২৩৬। মোৱামৰীয়াৰ দেশ নাশ।
২৩৭। কোম্পানিৰ সহায়-ভিক্ষা।
২৩৮। ৰবাগীৰ লগত কোম্পানিৰ চিপাহীৰ যুদ্ধ।
২৩৯। অসমত কাপ্তান।
২৪০। মিহ্লগড় চাহাব।
২৪১। কাপ্তানৰ লগত বুঢ়াগোহাঁইৰ সাক্ষাৎ।
২৪২। কাপ্তানৰ ৰংপুৰ উদ্ধাৰ।
২৪৩। স্বৰ্গদেৱৰ ৰংপুৰ প্ৰবেশ।
২৪৪। কাপ্তানৰ অসম ত্যাগ।
২৪৫। দিচৈত স্বৰ্গদেৱ।
২৪৬। কোম্পানিৰ চাৰ্জেকিৰে অসমীয়া সৈন্যৰ শিক্ষা।
২৪৭। চেটিয়া বৰফুকনৰ দ্ৰোহ।
২৪৮। চেটিয়া বৰফুকনক ধৰাৰ চেষ্টা।
২৪৯। হাজাৰাসিং বৰাল।
২৫০। চেটিয়া ফুকনৰ বিচাৰ।
২৫১। চেটিয়া ফুকনৰ দণ্ড।
২৫২। দোৱানসিবিৰ গুৱাহাটী অধিকাৰ।
২৫৩। হেলিমেলি সলাল গোহাঁইৰ দণ্ড।
২৫৪। নিয়মৎ-উল্লাৰ গুৱাহাটী অধিকাৰ।
২৫৫। গৌৰীনাথসিংহৰ মৃত্যু।
২৫৬। তিনিৰভীয়া মোহৰ।

## ১০ম আধ্যা। স্বৰ্গদেৱ কমলেশ্বৰসিংহ।

### পিঠি ১৩৫—১৮৬॥

২৫৭। সিংহাসন আৰোহণ।
২৫৮। নতুন বৰবৰুৱা।
২৫৯। কলীয়াভোমোৰা বৰফুকন।
২৬০। দুন্দীয়া দমন।
২৬১। কছাৰী ৰজালৈ দিয়া চিঠি।
২৬২। ডকলা ৰণ।
২৬৩। মহন্তৰ পৰা ৰৰজণি।
২৬৪। কছাৰী ৰজাৰ চিঠি।
২৬৫। বৰবৰুৱাৰ উত্তৰ।
২৬৬। ৰোকাই সেনাপতি।
২৬৭। ৰোকাইৰ দ্ৰোহ দমন।
২৬৮। চকীহাটত মোৱামৰীয়া ৰণ।
২৬৯। খাম্‌টিৰ ৰণ।
২৭০। মুন্দাৰ কটকী ভোজা।
২৭১। পূৰ্ণানন্দৰ দ্বাৰা দেশত শান্তি স্থাপন।
২৭২। পাইকৰ বিষয়া ভঙা।
২৭৩। বঙ্গালৰ ভিকতা বাজীকৰ।
২৭৪। কদমদীঘলাৰ মৃত্যু।
২৭৫। দৰঙী ৰজাৰ ৰজাসেৱা।
২৭৬। ডুবৰাৰ শ্ৰীনাথ বৰবৰুৱা।
২৭৭। মৰাণ-চিংফৌৰ ৰণ।
২৭৮। ভৰথি ৰজাৰ মৃত্যু।
২৭৯। ‘ভোগদৈ’ নামৰ উৎপত্তি।
২৮০। ভোট-ৰজা দেৱাধৰ্ম্মাৰ কটকী।
২৮১। স্বৰ্গদেৱৰ সভাত ভোটৰ কটকী।
২৮২। ভোটৰ ৰজাৰ পৰা ৺লৈ সন্দেশ।
২৮৩। সন্মিলিত ৰণ।
২৮৪। শত্ৰুৰ জয়।
২৮৫। কছাৰীক দমাবলৈ পুনৰ সৈন্য-যাত্ৰা।
২৮৬। ভোগদৈ।

২৮৭। মোৱামৰীয়াৰ সৈতে পুনৰ ৰণ।
২৮৮। ৰজাৰৰীয়াৰ জয়।
২৮৯। যুদ্ধৰ আয়োজন।
২৯০। জয়ন্তাৰ কটকী তোলা।
২৯১। জয়ন্তা ৰজাৰ পৰা ৺দেৱলৈ চিঠি।
২৯২। মোৱামৰীয়াৰ পৰাজয়।
২৯৩। ৰাজদ্ৰোহী নগঞাৰ দণ্ড।
২৯৪। বৰবৰুৱাৰ জয়ন্তালৈ সম্বিধান।
২৯৫। বৰবৰুৱাই জয়ন্তা ৰজালৈ দিয়া চিঠি।
২৯৬। জয়ন্তা ৰজালৈ দিয়া সন্দেশ।
২৯৭। কটকীক দিয়া বঁটা।
২৯৮। জয়ন্তা কটকীৰ বিদায়।
২৯৯। ভোটৰ কটকীৰ বিদায়।
৩০০। ভোটৰ কটকীক দিয়া বঁটা।
৩০১। দেৱাধৰ্ম্মালৈ দিয়া সন্দেশ।
৩০২। পানীমূৱাৰ খবৰ।
৩০৩। কছাৰী ৰজাৰ কটকী।
৩০৪। কছাৰী কটকী তোলা।
৩০৫। কছাৰী ৰজাই বৰবৰুৱালৈ দিয়া চিঠি।
৩০৬। বৰবৰুৱাৰ সম্বিধান।
৩০৭। দুৱৰা বৰবৰুৱাই ৰজা কৃষ্ণচন্দ্ৰলৈ দিয়া পত্ৰ।
৩০৮। কছাৰী ৰজাৰ ওচৰলৈ যোৱা কটকীক দিয়া সন্দেশ।
৩০৯। কনকসিংহৰ দণ্ড।
৩১০। আউনীআটীত কমলেশ্বৰসিংহ।
৩১১। বৰবৰুৱাৰ ৺দেৱৰ অভ্যৰ্থনা।
৩১২। দক্ষিণপাটত স্বৰ্গদেৱ।
৩১৩। ডেকাফুকনৰ মৰাণ বিজয়।
৩১৪। জয়ন্তালৈ যোৱা কটকীৰ ওভোতনি।
৩১৫। চন্দ্ৰা-চিলিমি যোঁৱাৰে ৺দেৱক অভ্যৰ্থনা।
৩১৬। দৰঙী ৰজাৰ দণ্ড।
৩১৭। দৰঙী ৰজাক দিয়া উপদেশ।
৩১৮। দৰঙী ৰজাৰ উত্তৰ।
৩১৯। বুঢ়াগোহাঁয়ে মুল্‌কাজৰ কটকী তোলা।
৩২০। মুল্‌কাজৰ বাতৰি।
৩২১। মাজিও আইদেউৰ বিয়া।
৩২২। স্বৰ্গদেৱৰ ম'হ চিকাৰ।
৩২৩। স্বৰ্গদেৱে মুল্‌কাজৰ কটকী তোলা।
৩২৪। বাজী-তামচা।
৩২৫। মুল্‌কাজৰ সন্দেশ।
৩২৬। স্বৰ্গদেৱৰ মৃগয়া।
৩২৭। দৰঙী ৰজাৰ মৃত্যু।
৩২৮। বচাত ৰজাৰ বাহৰ।
৩২৯। ৰুক্মিণীহৰণ ভাওনা।
৩৩০। সমুদ্ৰনাৰায়ণলৈ দিয়া বঁটা-প্ৰসাদ।
৩৩১। দৰঙী ৰজালৈ উপদেশ।
৩৩২। অক্ৰূৰাগমন ভাওনা।
৩৩৩। স্বৰ্গদেৱৰ সমীপত জয়ন্তাৰ কটকী।
৩৩৪। জয়ন্তা কটকীৰ অপৰাধ।
৩৩৫। বীৰবৰ কুশাই।
৩৩৬। কমলেশ্বৰসিংহ ৺দেৱৰ দিনৰ বিষয়াসকল।
৩৩৭। স্বৰ্গদেৱৰ ৰংপুৰ যাত্ৰা।
৩৩৮। আবেধা চলিহাৰ দণ্ড।
৩৩৯। বৰগোহাঁই ভগন।
৩৪০। ধীৰেশ্বৰ কটকীৰ ওভোতনি।
৩৪১। নতুন দিহিঙীয়া ফুকন।
৩৪২। পূৰ-সীমান্তলৈ যুদ্ধযাত্ৰা।

---

ভুল-শুধৰণি .. .. .. .. .. ১৮৭-১৮৮ পিঠি।

---

# সম্পাদকৰ পাতনি।

শ্ৰীনাথ বৰবৰুৱাৰ তুংখুঙীয়া বুৰঞ্জী অসমীয়া বুৰঞ্জী-সাহিত্যৰ এটি বহুমূলীয়া সম্পদ। সাতামপুৰুষীয়া আহোম দুৱৰা পৰিয়ালৰ সন্তান, স্বৰ্গদেৱৰ কাৰ্য্য-কাম চলাওঁতা ৰাজ্যৰ প্ৰধান বিষয়া, দোষ-পোছ দণ্ড-বিচাৰৰ চূড়ান্ত গৰাকি বৰবৰুৱা পদবীধাৰী, আৰু নিজৰ বৰ্ণিত বিষয়ৰ অধিকাংশৰে সমসাময়িক প্ৰত্যক্ষ দৰ্শক, এনে এজন বিচক্ষণ কৃতবিদ্য পুৰুষে লিখা বুৰঞ্জী পৃথিবীৰ যেই-সেই জাতিৰে আপৰুগীয়া অভিনৱ সম্পত্তি বুলি চিৰ-আদৰণীয় নহৈ নোৱাৰে। অক্লান্ত পৰিশ্ৰম-সাপেক্ষ চিন্তা-প্ৰতিযোগিতা-সমাকুল দায়িত্বপূৰ্ণ ৰাজকাৰ্য্যৰ মাজতো মন্ত্ৰিপ্ৰবৰ শ্ৰীনাথ দুৱৰা বৰবৰুৱাই অসমৰ বেলিমাৰৰ উদ্যোগপৰ্ব্বৰ এনে এটি নিৰ্ভুল চিত্ৰ, আৰু নিজ মাতৃভাষাৰ এনে নিভাজ আৰু উন্নত চানেকি অৰ্জন কৰি দেশবাসীক দান কৰি যাব পাৰিছে সেই বাবে তেওঁ অসমীয়াৰ যুগমীয়া আন্তৰিক কৃতজ্ঞতাৰ পাত্ৰ। যি কালত প্ৰতিবেশী বঙ্গীয় সাহিত্যক প্ৰণোদিত আৰু অনুপ্ৰাণিত কৰিবলৈ কোনো স্বাধীন ৰজা, ৰাজ-বিষয়া আৰু সৈন্ত-সেনাপতিৰ কাৰ্য্য-কলাপৰ অস্তিত্ব নাছিল, সেই কালত অসমীয়া জাতিৰ পৰা এনে প্ৰাণময় বিচিত্ৰ ৰজাঘৰীয়া গদ্য-সাহিত্যৰ উদ্ভৱ হৈছিল, সিও বৰ্ত্তমান আত্মবিস্মৃত অসমীয়াৰ পক্ষে প্ৰধান গৌৰৱৰ কথা।

সতী জয়মতীৰ স্বামী গদাধৰসিংহ মহাৰাজ এই তুংখুঙীয়া ৰাজবংশৰ প্ৰতিষ্ঠাপক। তেওঁৰ পাচত অবিচ্ছিন্ন ভাৱে তেওঁৰ সতি-সন্ততিসকলে অসমৰ ৰাজপাট ভোগ কৰে। সেইমতে তুংখুঙীয়া বুৰঞ্জী অৰ্থে,—স্বৰ্গদেৱ গদাধৰসিংহ, তেওঁৰ প্ৰথম পুত্ৰ ৰুদ্ৰসিংহ, ৰুদ্ৰসিংহৰ চাৰি পুত্ৰ শিৱসিংহ, প্ৰমত্তসিংহ, ৰাজেশ্বৰসিংহ আৰু লক্ষ্মীসিংহ, লক্ষ্মীসিংহৰ পুতেক গৌৰীনাথসিংহ, গদাধৰসিংহৰ দ্বিতীয় পুত্ৰ লেচাই নামৰুপীয়া ৰজাৰ সন্ততি কমলেশ্বৰসিংহ আৰু চন্দ্ৰকান্তসিংহ, ৰাজেশ্বৰসিংহৰ সন্ততি পুৰন্দৰসিংহ, এই সকল স্বৰ্গদেৱৰ ৰাজত্ব-কাহিনীকে বুজায়। শ্ৰীনাথ বৰবৰুৱাৰ বুৰঞ্জীত কিন্তু ৰাজেশ্বৰসিংহৰ দিনৰ পৰাহে বিস্তৃত বিবৰণ সন্নিবদ্ধ আছে; গদাধৰসিংহৰ দিনৰ পৰা প্ৰমত্তসিংহৰ ৰাজত্বলৈকে এই হোৱা কাহিনী বৰবৰুৱাৰ বুৰঞ্জীৰ ভিতৰত নাই; আৰম্ভণিত অতি চমুকৈ শক-তাৰিখ দি সূচোৱা হৈছে মাথোন। তুংখুঙীয়া বুৰঞ্জীৰ সম্পূৰ্ণতা ৰক্ষা কৰিবৰ কাৰণে আমি অন্যান্য পুৰণি বুৰঞ্জীৰ পৰা সঙ্কলন কৰি এই হোৱা কাহিনী বৰ্ত্তমান পুথিত সন্নিবিষ্ট কৰি দিলোঁ। যি বিপ্লৱৰ কল-স্বৰূপে সতী জয়মতীয়ে স্বামীৰ প্ৰাণৰক্ষাৰ্থে দেহত্যাগ

কৰিছিল, আৰু তুংখুঙীয়া বংশৰ কোঁৱৰ ৰাজপাটত বহিছিল তাৰো বিৱৰণ পুৰণা বুৰঞ্জীৰ পৰা আনি "পাত্ৰৰ অধীনত স্বৰ্গদেৱ" শীৰ্ষক অধ্যায়ত দিয়া হল। এই নকৈ সঙ্কলন কৰা কেইটা অধ্যায় পৰা ববৰুৱাৰ বুৰঞ্জীৰ কথাখিনি ভালকৈ অনুসৰণ কৰিব পৰা যাব বুলি আমাৰ বিশ্বাস। স্বৰ্গদেৱ কমলেশ্বৰ-সিংহৰ ৰাজত্বৰ একাদশ বছৰ অৰ্থাৎ ১৮০৬ খ্ৰীষ্টাব্দৰ ঘটনাতে ববৰুৱাৰ বুৰঞ্জী সমাপ্ত হৈছে। ১৮০৬ খ্ৰীষ্টাব্দৰ পৰা আহোম ৰাজত্বৰ অন্ত অৰ্থাৎ ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিলৈকে এই কুৰি বছৰৰ কাহিনী থকা অসমীয়া ভাষাত লিখা কোনো পুৰণা বুৰঞ্জী নোপোৱাত আমি তাক এই পুথিত দিব নোৱাৰিলোঁ। যিসকলে এই কেইটা বছৰৰ বিষয়ে বিশেষকৈ জানিব খোজে তেওঁলোকে এই ডিপাৰ্টমেণ্টৰ পৰা প্ৰকাশিত "অসমৰ পদ্য-বুৰঞ্জী" বা সেই পুথিৰ অন্তত দিয়া ইংৰাজী সাৰাংশ আৰু বৰ্ত্তমান সম্পাদকৰ দ্বাৰা প্ৰকাশিত "বৰফুকনৰ গীত" পঢ়িলে সেই কালৰ ঘটনাবলীৰ এটি সুন্দৰ আভাস পাব।

শ্ৰীনাথ ববৰুৱা সুপ্ৰসিদ্ধ আহোম দুৱৰা পৰিয়ালৰ সন্তান। এই পৰিয়ালৰ প্ৰতিষ্ঠাপক বঙ্গাচিলা ফুকন, সেই অনুসাৰে এওঁৰ সতি-সন্ততিকো 'বঙ্গাচিলা ফুকনৰ ঘৰ' বুলি কয়। এই দুৱৰাৰে আৰু এটি ফৈদৰ নাম হৈছে তৰুণ দুৱৰা; এওঁলোকৰ কেবাজনেও গুৱাহাটীত বৰফুকনৰ বিষয় খাইছিল, যথা,—বিজয়, গদাধৰ, দশৰথ, কৃষ্ণনাথ। শিৱসিংহ, প্ৰমত্তসিংহ আৰু ৰাজেশ্বৰসিংহৰ দিনত গুৱাহাটীৰ অঞ্চলত সজা প্ৰায় সৰহভাগ মঠ-মন্দিৰতে শিলৰ ফলিৰ গদ্যত এই পৰিয়ালৰ বৰফুকনক "তৰুণ-দুৱৰা-বৃহৎ-ফুকন" বুলি বৰ্ণোৱা আছে। বঙ্গাচিলা দুৱৰাৰ ঘৰৰ মাথোন হৰনাথ সেনাপতি ফুকন, তেওঁৰ পুতেক মান-অনা বদন-চন্দ্ৰ বৰফুকন, আৰু বদনচন্দ্ৰৰ পুতেক পিয়ালি বৰফুকন হয়। ১৭৮৪ খ্ৰীষ্টাব্দৰ এখন তামৰ ফলিত হৰনাথক "পাণ্ডুৰ-যশোধাম-ষাবাষয়োদধি-ৰজনীকৰ-মন্ত্ৰিবৰ শ্ৰীসেনাপতি-বৃহৎ-ফুকনেন" বুলি বৰ্ণোৱা আছে। ১৮২৯ খ্ৰীষ্টাব্দত আনন্দৰাম ঢেকিয়াল ফুকনৰ পিতৃদেৱ হলিৰাম ফুকনে বদনচন্দ্ৰক উপৰোক্ত ফলিৰ বাক্যকে ব্যৱহাৰ কৰি "ষাবাষয়োদধিকৰ-সেনাপতি-বৰফুকনাত্মজ বদনচন্দ্ৰ বৰফুকন" বুলি চিনাকি দিছে। ইয়াৰ পৰা জনা যায় বঙ্গাচিলা ফুকনৰ ঘৰক অকল দুৱৰা বুলি কোৱা হৈছিল। কাশীনাথ তামুলী-ফুকনৰ বুৰঞ্জীত বৰফুকন হোৱা ঘৰৰ সংখ্যাত দুখৰ দুৱৰাৰ নাম আছে,—এঘৰ অকল দুৱৰা, আন ঘৰ তৰুণ দুৱৰা।

বঙ্গাচিলা ফুকনৰ ঘৰৰ বিষয়ে কেবাখনিও বুৰঞ্জীত এই দৰে আছে,—

"বুঢ়াগোহাঁই খেলৰ লাজিম হাতীমূৰৰ ভাগে ফৈদৰ কলহ ১, ঘৰপানী ১, সৰুপানী ১, ফিটি ১, সিৰকো ১, বকম ১। বকলে ৰজাক ৰাজনীতি যোগাইছিল। তাৰ পাছে বৰগোহাঁইৰ ঘৰাই লি খেলুং হাতীমূৰত হাতীমূৰীয়া পাতি থলেনি। তাৰে পুতেকক বাইজনীয়া খেলৰ অধিকাৰ পাতি দুৱাৰ ঘৰত থাকিব দিলে। সেই দিনৰ পৰাহে দুৱৰা নাম হল। কাপচান বুলিবৰ ৰজা আছিল এই ফৈদৰ, ইয়াৰে নাক দুখুৰাখুৰৰ জীয়ৰী। এই দিনিত্তেহে সেই ঘৰক দুখুৰাখুৰে

দিলে, তাৰ লৰালুৰী ফুলন্ত আহোম হয়। খুখুৰাখুন হুই হাঁম হল। চুড়াম বজাৰ দিনত কুটুকাজলীত পহু মাৰিবলৈ যাওঁতে দুৱৰা ঘৰৰ বজা কুকুৰে পহুৰ ঠেঙত কামোৰ মাৰি ধৰি পহু বাখিলে। পাচে বজা বং পাই কুকুৰৰ নাম দিলে বজাচিলা। সেই নামে এই ঘৰৰ নাম হল বজাচিলা।"

এইমতে চুৰামফা ভগাৰজাৰ (১৬৪১—৪৪) দিনত বজাচিলা দুৱৰাৰ ঘৰ সেই নামেৰে পোনপ্ৰথমে অভিহিত হয়। প্ৰথম জনা বজাচিলা ফুকনৰ পুতেক কিৰ্কিৰীয়া আৰু মেচা চুড়েফা পৰ্ব্বতীয়া বজাৰ দিনত ববৰুৱাৰ বাব পায়। চুড়েফা আৰু লৰাৰজাৰ দিনত অসম-ৰাজ্যত যি বিপ্লৱ হয় দুৱৰাৰ ৰবটো আৰু সৰুটো ববৰুৱা দুয়ো লিপ্ত আছিল। সৰ্ব্বসাধাৰণে গৰকি যোৱা ৰাজ-আলি এৰি নতুন চেউনি কাটি খোজ কঢ়াটো বজাচিলা দুৱৰাৰ ঘৰৰ কেবাজনা পুৰুষৰে গাত প্ৰমাণ পোৱা গৈছে। মেচা ববৰুৱাই ৰামধ্বজ সিংহ স্বৰ্গদেৱৰ আই-কুঁৱৰীদেৱক আনিছিল, আৰু নিজ কন্যাক চুড়েফা বজালৈ দিছিল। ই কথাৰ কাৰণে অহঙ্কাৰ বঢ়াত সেই কালৰ ৰাজ্যৰ সৰ্ব্বনিয়ন্তা বাঁহগড়ীয়া আতন বুঢ়া-গোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়াকো মেচাই তাচ্ছিল্য কৰিবলৈ ধৰিলে। বুঢ়াগোহাঁয়ে মেচাক ববৰুৱা ভাঙিলে। মেচাই গুৱাহাটীলৈ পলাই গৈ তিলকে তাল কৰি লালুক সোলা বৰফুকনৰ আগত সকলো কথা কৈ বুঢ়াগোহাঁই ডাঙৰীয়াৰ বিৰুদ্ধে গুৱাহটীয়া বিষয়াসকলক উত্তেজিত কৰিলে। ইয়াৰ পাচত মেচাই গুৱাহাটীৰ পৰা মানুহ পঠিয়াই চুড়েফা বজাক গাৰ কেবা ঠাইতো ঘৈয়ালে। তাৰ পাচত লালুক বৰফুকনৰ চক্ৰান্তৰে আতন বুঢ়াগোহাঁইৰ হত্যা, লালুক বৰফুকনে পাদ-শ্যাহজাদা আজমতৰাৰ সহায়েৰে অসমৰ "ৰাজত্ব" লাভ, লালুকৰ হাতত চুড়েফাৰ হত্যা আৰু লৰাৰজাৰ সিংহাসন আৰোহণ, গদাপাণিৰ পলায়ন, সতী জয়মতীৰ শাস্তি আৰু গদাপাণিৰ সিংহাসন লাভ, এইবোৰ কথা সকলোৱে জানে।

মেচা ববৰুৱাৰ পুতেক নন্দলাল। নন্দলালে কোনো বিষয়-বাব খাইছিল বুলি স্পষ্টকৈ ঠিৰাং কৰিব নোৱাৰিলেও তেওঁ এবাৰ ন্যায়সোধা ফুকন হৈছিল বুলি অনুমান কৰিব পাৰি। নন্দলালৰ প্ৰথম পুত্ৰ হৰনাথ সেনাপতি ফুকন আৰু সৰুজনা পুতেক শ্ৰীনাথ দুৱৰা ববৰুৱা। মণিপুৰৰ বজা জয়সিংহক সিংহাসনত বহুৱাবলৈ পঠোৱা সৈন্যৰ ওপৰে হৰনাথ ভিতৰুয়াল ফুকন সেনাপতি নিযুক্ত হৈছিল, এই অভিযান বুৰঞ্জীত "লতাকটা ৰণ" বুলি প্ৰসিদ্ধ। তেওঁ তেতিয়াৰে পৰা সেনাপতি ফুকন নামে বুৰঞ্জীত পৰিচিত। মৰাণৰ বিৰুদ্ধে ৰণ কৰি নোৱাৰাত তেওঁক মৰাণে ধৰি লৈ যায়। পাচলৈ তেওঁ মৰাণৰ হাতৰ পৰা পলাই সাৰি অসম এৰি বঙ্গদেশৰ ৰংপুৰ জিলাৰ চিলমাৰীত লুকাই আছিলগৈ। স্বৰ্গদেৱে আশ্বাস দি তেওঁক অসমলৈ ওভোতাই আনি পুনৰ ভিতৰুৱাল ফুকন পদত অধিষ্ঠিত কৰে। পাচলৈ তেওঁ বৰফুকন হয় গৈ। ১৭০৬ শকৰ ভাদৰ কৃষ্ণা সপ্তমীত সেনাপতি বৰফুকনৰ মৃত্যু হয়।

হৰনাথ বৰফুকনৰ পুতেক মান-অনা ষিণাই বা বদনচন্দ্ৰ বৰফুকন। হাজাৰাসিং বঙ্গালক তিনি কুৰি হেজাৰ টকা দিম বুলি তেওঁ হাজাৰাসিঙৰ সহায়েৰে বৰফুকনৰ বিষয় লাভ কৰে। বঙ্গালক টকা দিব নোৱাৰি কামাখ্যা, হাজো আদি দেৱালয়ৰ পৰা সোণ-ৰূপৰ কোষা-অৰ্ঘা আৰু অন্যান্য সাজ-সজুলি আনি তাকে ভাঙি বঙ্গালক দিব লগা ধন শোধায়। এইবোৰ কাৰ্য্যৰ পৰা বদন-চন্দ্ৰ বৰফুকন কামৰূপী প্ৰজাৰ অপ্ৰিয়পাত্ৰ হয়গৈ। চন্দ্ৰকান্তসিংহৰ দিনত আকৌ বৰফুকন হোৱাত বদনচন্দ্ৰৰ অন্যায় শাসন অতিৰেক বৃদ্ধি হল। তাৰ পাচত সতৰামৰ চক্ৰান্ত, বদনচন্দ্ৰৰ সহযোগিতা, বদনক ধৰাৰ চেষ্টা, বদনৰ পলায়ন, বদনৰ অনুৰোধত অসমলৈ মান অহা আদি কথা নজনা মানুহ অসমীয়াৰ মাজত নাই। আহোমৰ শাসনৰ শেষ হোৱাত বদনচন্দ্ৰৰ পুতেক পিয়ালি বৰফুকন আৰু জগ্নি বৰবৰুৱা হৈছিল।

বঙ্গাচিলা ছুৱৰাৰ পৰিয়াল আহোমৰ মাজত শিৰফুটা আৰু প্ৰাচীন। জয়-সিংহ ৰজাৰ লগত সৈন্য-সেনা লৈ মণিপুৰলৈ যাত্ৰা কৰাৰ কালত লেচেঙিয়াৰ বৰপাত্ৰ-গোহাঁই ডাঙৰীয়াই হৰনাথ ফুকনক কৈছিল,—"ফুকন, তুমি ছুৱৰাৰ ঘৰৰ লৰা; প্ৰাচীন, এদিনীয়া নোহোৱা।" তাৰ কিছু বছৰৰ পাচত সেনাপতি ফুকনে মৰাণৰ বিৰুদ্ধে ৰণলৈ যোৱাত মৰাণ-মিত্ৰ মোহনমালা বাটঘৰীয়া গোহাঁয়ে কলে,— "ফুকন, তই ছুৱৰাৰ ঘৰৰ, এদিনীয়া নহ; তোৰ সপ্তমপুৰুষে আমাক সেৱা কৰি গৈছে, মিত্ৰ-সম্বন্ধো আছে। সম্প্ৰতি মইহে ৰজা।"

হৰনাথ সেনাপতি ফুকনৰ ভায়েক শ্ৰীনাথ কেবা তবপ ৰাজবিষয় খোৱাৰ পাচত বৰবৰুৱা হয়গৈ। তেওঁ পোনতে ছুৱলীয়া ফুকন আছিল। লক্ষ্মীসিংহৰ দিনত তেওঁ মৰাণৰ বিৰুদ্ধে যুদ্ধত জয়লাভ কৰি ৰজাৰ পৰা বঁটা-প্ৰসাদ পায় সেই ৰাজত্বতে তেওঁ ৰাজ্যৰ প্ৰধান বিচাৰক ন্যায়সোধা ফুকনৰ বাব পায় গৌৰীনাথসিংহৰ দিনত শ্ৰীনাথে ৰজাৰ নগৰৰ সৈন্য-সামন্তৰ পৰিচালক বিষয় ভিতৰুৱাল ফুকন পদত নিযুক্ত হয়। তাৰ পাচত কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত ১৮০০ খ্ৰীষ্টাব্দত সন্দিকৈৰ ভদৰি বৰবৰুৱা লোকান্তৰ হোৱাত শ্ৰীনাথ বৰবৰুৱা হয়। তেওঁৰ ভতিজাক বদনচন্দ্ৰই মান আনি মন্ত্ৰী ফুকন হৈ পূৰ্ণানন্দ পিতৃ-বুঢ়া গোহাঁই ডাঙৰীয়াই পতা বিষয়াক ভাঙিবৰ বেলা ১৮১৭ খ্ৰীষ্টাব্দত শ্ৰীনাথ বৰবৰুৱাই বিষয় হেৰুৱায়। তেওঁৰ পাচত সন্দিকাইৰ ধনী বৰবৰুৱা হয়। তাৰ পাচত শ্ৰীনাথৰ কি হল, তেওঁ কলৈ গল, কি কৰিলে সেই বিষয় জানিব নোৱাৰি মানৰ আক্ৰমণৰ প্ৰলয়ত আন আন অসমীয়া মানুহ বিস্মৃতিৰ সোঁতপানীত উটি যোৱাৰ দৰে শ্ৰীনাথৰ অস্তিত্বৰো কোনো চিন-চাব নোহোৱা হলগৈ। তেওঁ অপুত্ৰক আছিল।

শ্ৰীনাথে ১৮০০ খ্ৰীষ্টাব্দৰ পৰা ১৮১৭ খ্ৰীষ্টাব্দলৈকে এই সোতৰ বছৰ কাল বৰবৰুৱাৰ বিষয় খায়। তেওঁ পূৰ্ণানন্দ পিতৃ-বুঢ়াগোহাঁই ডাঙৰীয়াৰ সপক্ষ লোক

আছিল, আৰু ডাঙৰীয়াই মোৱামৰীয়া বিদ্ৰোহৰ পৰা দেশ উদ্ধাৰ কৰিবলৈ চেষ্টা কৰাৰ বাবে বৰবৰুৱাই ডাঙৰীয়াৰ কাৰ্য্যাৱলীৰ শলাগ লৈছিল। বৰ্ত্তমান বুৰঞ্জীৰ কেবা ঠাইতো বৰবৰুৱাই মহামতি পূৰ্ণানন্দৰ দেশ ৰক্ষাৰ প্ৰশংসা কৰিছে, যথা,—

"এইৰূপে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া দিচৈৰ কোঁঠতে থাকি অনেক মন্ত্ৰণা কৰি মানুহক খুৱাই-পিয়াই কোনোক বটা-বাহন দি উৎসাহ বঢ়াই ৰণ কৰাই আৰু কূটাৰ, ৰবণী, এই-বোৰ নানাবিধ ভয়-ভ্ৰান্তি দেখাই মানুহ বশবৰ্ত্তী কৰি ৰণ কৰাই আছিল। কিৰূপে দেশ-ৰাজ্য সুস্থ হৈ পূৰ্ব্বৱতে ৰক্ষা পৰিব আকে ৰাত্ৰি-দিনে ভাব কৰি থাকে ৮ক চিন্তি। আৰু ভাগি যি মানুহ দেশ-দেশান্তৰে সোমাই আছিল উপায় কৰি সেইবোৰ লগত ললে। সেই-বোৰে লৈতে মিলি মোৱামৰীয়াক অনেক ৰূপে ৰণ কৰি মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া দিচৈৰ কোণত কোঁঠ কৰি ৰ'ল।" ২১৫ ছেদ।

"মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই অত্যন্ত চেষ্টা কৰি বচা, নৈৱাং, এই খলখলি ৰাখিছিল। পাচে মহা-আৰ্ত্ত হৈ ভগনীয়া তাতে সোমাই ৰ'লহি। পাচে ডাঙৰীয়াই সেই লোকসকলক প্ৰবৰ্ত্তিবৰ বৃত্তি দি ৰাখে। কোনো খুৱাই-বুৱাই ৮ৰ লগলৈ পঠাই দিয়ে। সেইবেলা মহা-মন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই পক্ষীয়ে যেনেকৈ শিশু-চটকক পখাৰে আবৰি ৰাখে সেইৰূপে ডাঙৰীয়াই ৰক্ষা কৰিছিল। অনেক ভাৱে মোৱামৰীয়াকো ৰণ কৰি আছিল।" ২১৭ ছেদ।

পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াক সেই কালৰ বহুতে স্বাৰ্থপৰ আৰু পৰশ্ৰী-কাতৰ বুলি ভাবিছিল। পাচলৈ তেওঁৰ বিৰুদ্ধে এটি ভয়ঙ্কৰ ষড়যন্ত্ৰও হৈছিল। বৰবৰুৱাৰ বুৰঞ্জীৰ পৰা ডাঙৰীয়াৰ দেশ-প্ৰেম, ৰণ-কৌশল, ৰাজ্য-পৰিচালনাৰ ক্ষমতা, এই সকলোবোৰৰ বিষয়ে সম্যক জানিব পাৰি। তেওঁৰ আকস্মিক মৃত্যুত অসমৰ অৱস্থা যে পানীত-হাঁহে-নচৰা হল, আৰু সেই দুৰ্য্যোগৰ পৰা যে অসমীয়াই মুৰ ডাঙ্গিব নোৱাৰিলে, ইয়াৰ পৰা ডাঙৰীয়াৰ পৰিপক্ক বুদ্ধিৰ অভাৱত অসমৰ দুৰৱস্থা মিলিল বুলি ধৰিব পাৰি।

ৰাজেশ্বৰসিংহৰ দিনৰে পৰা কমলেশ্বৰসিংহৰ ৰাজত্বৰ এঘাৰ বছৰলৈকে ঘটনাৱলী বৰবৰুৱাৰ বুৰঞ্জীত পোৱা যায়। এই গোটেইখিনি কাল বৰবৰুৱাই নিজ চকুৰে দেখিছিল, তেওঁ নিজে আৰু তেওঁৰ ভাইপোসকলে এই ঘটনাৱলীৰ লগত বিশেষৰূপে সংশ্লিষ্ট আছিল। ৰাজ-ভঁৰালৰ চিঠি-পত্ৰ চাবৰ কাৰণে বৰবৰুৱাৰ অবাৰিত দ্বাৰ আছিল। তেওঁৰ লিখিত সমসাময়িক বিৱৰণ বুৰঞ্জীৰ সঁজুলি স্বৰূপে অমূল্য সম্পত্তি হব, তাক কোনেও দুই কৰিব নোৱাৰে। দুখৰ বিষয় এই যে, ১৮০৬ খ্ৰীষ্টাব্দৰ ঘটনাতে আমি পোৱা পুথিৰ শেষ হৈছে। ইয়াৰ পাচত আৰু গোটাচেৰেক পাত নিশ্চয় আছিল। সম্পূৰ্ণ বুৰঞ্জীখন কৰবাত ওলালে এটি বৰ মূল্যবান আবিষ্কাৰ হব।

বৰবৰুৱাৰ বুৰঞ্জীত এঠাইত কাটিলে সাত ঠাইত পজা মোৱামৰীয়া বিদ্ৰোহৰ এটি ভাল চিত্ৰ পোৱা যায়। স্বৰ্গদেৱৰ সেনাপতিয়ে এঠাইত জেদা-জঞ্জাল ভাঙি আহিছে, আন ঠাইত আকৌ বিদ্ৰোহৰ অগ্নি জ্বলি উঠিছে। খেনো বিৰয়া ৰণত পৰিছে, খেনোৱে ৰণ এৰি বিভজে পলাইছে, খেনোৱে মৰাপৰ লগ লৈছে, খেনোৱে

আকৌ দেশ এৰি বিদেশত আশ্ৰয় লৈছেগৈ। দেশৰ নানান ঠাইত স্বয়ম্ভু ৰজা আৰু নগতা-ফুকন ওলোৱাত ইন্দ্ৰবংশী স্বৰ্গদেৱৰ শাসনৰ অন্ত পৰাৰ উদ্যোগ হৈছে। বিদেশী সৈন্যৰ সহায়েৰে এই বিভ্ৰাত দমোৱাৰ চেষ্টা কৰা হৈছে। এই বিপ্লৱৰ পৰিণাম স্বৰূপে ওচৰ-চুবুৰীয়া জাতিৰ লগতো অসমৰ মনোবিবাদৰ আগন্তুক হৈছে। স্বৰ্গদেৱে উপায় নাপাই পুলিন-পুথাও ৰজাসকলৰ দিনৰ ৰাজধানী এৰি পলাতক হৈ ৰাজ্যৰ সিমূৰত কাল কটাবলৈ বাধ্য হৈছে, নাইবা আওঁৰত নতুন ৰাজধানী পাতি লৈছে। ৰজাই উপায় নেপাই শান্তিৰ কোলাত পোহপাল যোৱা সন্ত্ৰীয়া অধিকাৰসকলৰ পৰা যুদ্ধ চলাবলৈ পচা-ৰৰঙ্গণি গ্ৰহণ কৰিছে, কোনো পুৰুষে ৰণৰ মুখ নেদেখা মহন্ত আৰু ভকতক ৰণ কৰিবলৈ পঠিয়াইছে, নাইবা বিদ্ৰোহীজনক প্ৰশ্ৰয় নিদিবলৈ প্ৰভুসকলক গোহাৰি জনাইছে। ইমান চেষ্টা কৰিও বিপ্লৱ শাম নকটাত সেই কালৰ এজনা প্ৰধান বিষয়াই স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল,—

"এই কাঁড়ী-বাকৰ্ত্তীবেই ৺এ যুদ্ধ কৰি অনেকবাৰ বঙ্গালকো জিনিছে। তথাপি এই কাঁড়ী-বাকৰ্ত্তীয়ে মোৱামৰীয়াক দেখিলে মাত্ৰকে পৰাঙ্মুখ হৈ বিভঙ্গে পলায়। ঈশ্বৰ-ঈশ্বৰীৰ ইচ্ছাতেই এইৰূপ হল। এতেকে কালচক্ৰ বলৱন্ত বটে, বুজন নাযায়।" ২০০ ছেৱ।

বঙ্গালৰ লগত হোৱা ৰণ আৰু মোৱামৰীয়া বিদ্ৰোহ এই দুয়োৰে মাজত বহুত পাৰ্থক্য আছিল। মোগল-শত্ৰুৰ বিৰুদ্ধে গোটেই অসমীয়া জাতিৰ শক্তি আৰু বুদ্ধি একগোট হৈ কাম কৰিছিল। ৰজাৰ বিৰুদ্ধে অস্ত্ৰধাৰী মোৱামৰীয়া আছিল অসমীয়া প্ৰজা। তেওঁলোকৰ লগত বহুত কোঁৱৰ আৰু মুখিয়াল আহোমে যোগ দিছিল। ৰজা বা ৰজাৰ কোনো কৰ্ম্মচাৰীৰ প্ৰতি যি সকলৰ পেটে ভাল নাছিল তেওঁলোকে মোৱামৰীয়াৰ লগত যোগ দিবলৈ সুবিধা পাইছিল। মোৱামৰীয়াৰ বিৰুদ্ধে ৰণ কৰিবলৈ যোৱাত ৰজাঘৰীয়া সৈন্যই নিজৰ ভাই-ককাইৰ সৈতে ৰণ কৰা যেন পাইছিল। সেইদেখি কেবাবাৰো কেবাঠাইটো ৰজাঘৰীয়া সৈন্যই ৰণ নকৰি পলাই আহিছিল বা বিপক্ষৰ লগ লৈছিল। গৌৰীনাথসিংহ স্বৰ্গদেৱৰ গুৱাহাটীত থকাত সেনাপতি পানীফুকনে কৈছিল,—

"গড়গঞা গুৱাহাটীয়া এইসকলেও যুদ্ধ কৰি মোৱামৰীয়াক ৰণে পৰা নাই। তথাপি মই বন্দীয়ে নাই মোৱামৰীয়াকে মাৰিম নতু মইয়ে মৰিম।" ছেৱ ১৯৭।

গৌৰীনাথসিংহই বঙ্গাল চিপাহীৰ সহায়েৰে গুৱাহাটীৰ পৰা উজনিলৈ যাব খোজাত নামতিয়াল বৰবৰুৱাই নিঃসঙ্কোচে কৈছিল,—

"মই বন্দীয়ে বঙ্গাল আনিবও নোৱাৰো, মোৱামৰীয়া জীয়াই থকাত স্বৰ্গদেৱকো উজাই নিব নোৱাৰো। এতেকে ৺ক যেয়ে উজাই নিব পাৰে, তাকে ৺এ বৰবৰুৱাও পাতক।" ২২০ ছেৱ।

ৰাজ-কৰ্ম্মচাৰীয়ে শৰীৰ আৰু জীৱৰ গৰাকী স্বৰ্গদেৱক মুখে মুখে এনে উত্তৰ দিয়া

অতি বিৰল। আকৌ ৰচাৰ মানুহক বুঢ়াগোহাঁই ডাফলীয়াই মোৱামৰীয়াৰ বিৰুদ্ধে ৰণ কৰিবলৈ কোৱাত ৰচাইঁতে কলে,—

"আমি নৰা-তিৰতা এৰি যাবও নোৱাৰো, মোৱামৰীয়াৰে ৰণো নকৰোঁ। বুঢ়াগোহাঁই ডাফলীয়াই যেইৰূপে আছিছে সেইৰূপে গুচি যাওকগৈ, আমি যাব নোৱাৰোঁ।" ছেদ ২০৯।

তাৰ পৰা ৰজাৰ শক্তিহীনতা আৰু মোৱামৰীয়াৰ প্ৰতিপত্তিৰ কথা প্ৰমাণিত হয়। ৰজাঘৰীয়া অৰু মোৱামৰীয়া দুয়োৰে মাজত পৰস্পৰ অত্যাচাৰৰ মাত্ৰা বাঢ়ি অহাত দুয়োৰে অসূয়া আৰু শত্ৰুতা সুমাৰ নোৱাৰা হৈ আহিল। কালক্ৰমে, এটি ধৰ্ম্মপ্ৰাণ সম্প্ৰদায় পুলি-পোখা বাঢ়ি এদল দুৰ্জ্জয় ৰাজবিৰোধী অস্ত্ৰধাৰী প্ৰজাসমষ্টি হৈ পৰিল। ইংলণ্ডত প্ৰথম চাৰ্লচৰ দিনত কেভেলিয়াৰ আৰু ৰাউণ্ডহেড্ এই দুই দলত প্ৰজা বিভক্ত হোৱাৰ দৰে অসমতো, ইন্দ্ৰবংশী আহোম স্বৰ্গদেৱৰ ৰাজ্য প্ৰবৰ্ত্তনৰ পক্ষপাতী ৰজাঘৰীয়াৰ দল, আৰু আহোমৰ ৰাজক্ষমতা ধ্বংস কৰিবলৈ উৎসুক হোৱা মোৱামৰীয়াৰ দল, এই দুই শ্ৰেণীত তদানীন্তন অসমীয়া প্ৰজাসমষ্টি থাইকৈ বিভক্ত হল। তাৰ উপৰিও, কাৰ পেটত কি আছে, এইটো জানিব নোৱাৰাত বহুত ৰজাঘৰীয়াক মোৱামৰীয়াৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পঠোৱাত তেওঁলোকে গৈ মোৱামৰীয়াৰ লগ লৈছিল। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই এবাৰ লক্ষ্মীসিংহ স্বৰ্গদেৱক কৈছিল,—

"আমাৰ মানুহৰ মন-বুদ্ধি বিষম দেখোঁ। ৰণলৈ যাকে দিয়া হয় সেয়ে গৈ মৰাণত ৰবেগৈ, কোনো পলায়।" ১২১ ছেদ।

শ্ৰীনাথ দুৱৰা বৰবৰুৱা অৱশ্যে ৰজাঘৰীয়া দলৰ এজন প্ৰধান বিষয়া আছিল। তেওঁ নিৰপেক্ষ ভাবে সেই কালৰ ঘটনা বিৱৰণ কৰিছে। ঘটনাৰ সত্যতা ৰক্ষা কৰাই বুৰঞ্জী-লিখকৰ কৰ্ত্তব্য। শত্ৰু-মিত্ৰ, আত্মীয়স্বজন সকলোৰে কাৰ্য্যকলাপ বৰবৰুৱাই যেনে ঘটিছিল হুবহু তেনেকৈ বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ ভতিজাক বদনচন্দ্ৰই হাজাৰাসিং বঙালৰ সহায়েৰে গুৱাহাটীত বৰফুকন হ'ল।

"পাচে বঙালে দিয় বোলা ধনলৈ ধৰিলে। পাচে বৰফুকনে দিবলৈ নাইকিয়াত উপায় নেপাই কামাক্ষা, মাধৱ আদি কৰি দেৱালয়লৈ গৈ গোসাঁইৰ সোণৰ কোৱা-অৰ্ঘা আদি কৰি সোণৰ ৰূপৰ পাত্ৰসকল আনি তাকে জনাই বঙালক ৰূপ ৬০,০০০ হাজাৰ টকা দিলে।" ২৪৯ ছেদ।

লক্ষ্মীসিংহ ৰজাৰ দিনত দুৱলীয়া পানীফুকনক মৰাণৰ বিৰুদ্ধে ৰণলৈ পঠোৱা হৈছিল। মৰাণৰ সেনাপতি ৰাঘই পানীফুকনক বেঢ়ি মৃত্যুৰ ভয় দেখুৱাই মৰাণৰ লগ লবলৈ কোৱাত বীৰবৰ পানীফুকন অটল-অচল হৈ থাকিল,—

"ফুকন, এতিয়াও ৰব।" ফুকনে বোলে,—"মই পূৰ্ব্বেই বুলিছোঁ,—'মৰাণ, তোত নৰওঁ'।" ফুকনৰ হাতত ধনু-কাঁড়, চোকৰ তৰোৱাল। তাম্বোলকটাৰ হাতত দা, বৰ্ছি, এবেকেই দুই-চাৰি মৰাণক মাৰিলে। পাচে মৰাণে চৌপাশে বেঢ়ি ধৰিলে, তথাপি বিমুখ নকৰিলে। পাচে কঁড়ীয়া-কঁড়ি লাগিল। ফুকনৰ কাঁড়তো মৰাণ দুই-চাৰি মৰিল। এনেতে কাঁড় ফুৰাল। পাচে ৰাঘই বোলে,—"ফুকন, এতিয়াও ৰব।" ফুকনে বোলে,—"মই পূৰ্ব্বেই বুলিছোঁ, তোত

মৰবোঁ।" এনেতে পাচকালৰ পৰা বাটীয়েৰে খোঁচ পাৰিলে। পিঠিয়ে লোমাই বুকে ভলাল। হায়-ধুৰি খাই পৰিল। পৰিলতে কাটিলেহি। তাম্বোলকটাকো কাটিলে।" ১২০ ছেদ।

ৰজাঘৰীয়াৰ বিপক্ষদলৰ নায়ক, মৰাণৰ ৰজা আৰু মায়ামৰা সত্ৰৰ ডেকাগোসাঁই ভৰথসিংহৰ বীৰত্বৰ কথাও বৰবৰুৱাই কি দৰে বৰ্ণনা কৰিছে তাক চাবলগীয়া,—

"আজু পাচে ৺এ সেই ডেকাফুকনক উজনি ৰণলৈ আজ্ঞা কৰিলে। পাচে ফুকনে ছয় কোম্পানি চিপাহী লৈতে গৈ ডাঙৰীকোথতে মৰাণক খেদি ধৰিলে। পাচে মৰাণে ঘৰ-বাৰী এৰি হাবি সোমাল। আমাৰ মানুহে বিচাৰি সেই হাবিতে লগ পালেগৈ। পাচে আমাৰ চিপাহীয়ে মৰাণক বেৰি ধৰিলে। পাচে মৰাণৰ ৰজা ভৰথিয়ে পাঁচোটা মৰাণ লগত লৈ নটিপসিঙৰ কোম্পানিত হাউহি মাৰি-ধৰি চিপাহী এটা বাটীৰে খুঁচিলে। এনেতে যোগীসিং চিপাহীয়ে গুলী দিলে। ভৰথিৰ কৰজনত লাগিল। তথাপি পাচমুখ নকৰি আহি হিলৈত থাপোচ্ মাৰি ধৰিলে। এনেতে দুই চিপাহীয়ে চাঙিলেৰে খুঁচি মাৰিলে।" ২৭৮ ছেদ।

শ্ৰীনাথ বৰবৰুৱা একালত ন্যায়সোধা ফুকন বা পাচলৈ বৰবৰুৱা হিচাবে ৰাজ্যৰ সৰ্ব্বপ্ৰধান বিচাৰক বা জজ আছিল। সেই অনুসাৰে বিচাৰকৰ নিৰপেক্ষতা গুণ বৰবৰুৱাৰ স্বভাৱগত হৈছিল। তাৰ ফলে তেওঁৰ বৰ্ণনাত হিংসা-দ্বেষ-ক্ৰোধৰ কোনো ৰকম চেকা পৰা নাই। বিচাৰকে গুচৰীয়া-পদকীয়া বাদী-ফৰিয়াদীৰ প্ৰতিদ্বন্দ্বী প্ৰমাণাৱলী শুনি স্থিতপ্ৰজ্ঞ হৈ যেনেকৈ সত্য অনুসন্ধানৰ কাৰণে যত্নবান হয়, সেই দৰে বৰবৰুৱায়ো তেওঁৰ বুৰঞ্জীত কোনো ফালৰ মুখপত্ৰ নহৈ মাথোন ঘটনাৱলী বৰ্ণনা কৰি গৈছে। তাৰ ফলে তেওঁৰ ভাষা বৰ সম্ভ্ৰম-সূচক; তাত লঘুতা বা উপলুঙা ধৰণৰ ভাব বা ঠাঁচ নাই। প্ৰাচীন তৰপৰ সম্ভ্ৰান্ত পুৰুষে ৰজাৰ ৰৱচ'ৰাত বা সত্ৰীয়া প্ৰভুসকলৰ দৰ্শন-মন্দিৰত যি ভাৱেৰে কথা কৈছিল বৰবৰুৱায়ো সেই ধৰণৰ ভাষাকে বুৰঞ্জীত ব্যৱহাৰ কৰিছে। সেই দেখি তেওঁৰ ভাষা উন্নত আৰু প্ৰদীপ্ত। মণিপুৰৰ ৰজা জয়সিংহ কৰ্ত্তা-মহাৰাজে অসমীয়া সৈন্যৰ সহায় লৈ দেশলৈ উভতি যোৱাৰ পূৰ্ব্বতে যিদৰে নিজৰ কৃতজ্ঞতা জ্ঞাপন কৰিছিল সেই ঠাঁচ সংস্কৃতীয়া যদিও অসমীয়াই শুক কাৰ্য্যত ব্যৱহাৰ কৰিছিল।—

"আমাত যি কৈছে উত্তম কৈছে। আমাৰ 'ৰাজ্য নাশ বনে বাস' এই কথা আমাতে মিলিছে। আৰু কোনো গৃহস্থে আম্ৰবৃক্ষ ৰোপণ কৰে, তাতে জল ক্ষেপণ কৰে বৃদ্ধিৰ কাৰণে। যদি দৈবাত ফল নধৰে সেই বৃক্ষক আনি গৃহস্থে কোনো কাৰ্য্যত নিয়োজন কৰে। এতেকে মোৰ পৰা কোন কাৰ্য্য হব? তথাপি ৰুদ্ৰ মোৰ পিতা হৈছে। ৺ও মোৰ সবৰি ঈশ্বৰ-প্ৰায় হৈছে। মোক সংস্থাপন কৰিলে ৺ৰ যশ-ধৰ্ম্ম চন্দ্ৰ-সূৰ্য্যে যেনেকৈ প্ৰকাশ কৰিছে সেইৰূপে ভূমণ্ডলত যশস্যা থাকিব।" ৯৯ ছেদ।

অনাহক কলিতাফুকনৰ ক্ষমতা বাঢ়ি অহাত বৰগোহাঁই ডাঙৰীয়াই স্বৰ্গদেৱক জনালে,—

"এই কলিতা-ফুকনে আমাক অনেক নিন্দা-বিতণ্ডা কৰে, মাৰিবলৈকো উপায় কৰে। বিশেষতঃ ই মোৰ মেজৰ বিলতীয়া পাইক আছিল, আমাক নিন্দা কৰিব নাপায়। এই কলিতা মহা বেতা, মন্দী; ই ৺ক পৰিব নাপায়। তাৰ জাতি-কুল নাই। এনে মানুহে ৺ৰ লগত থাকিব নাপায়।" ১৬৭ ছেদ।

পানীমূৱাৰ খবৰ বৰ্ণনা কৰোঁতে বৰবৰুৱাই লেখিছে,—

"আৰ ১৭২৪ শকৰ ফাগুন মাসত লক্ষীমপুৰীয়াৰ জাৰবে বীভিআমতে প্ৰবৰ্ত্তি মানুহ কিছু সৈতে ৮ক দ্ৰোহ চিন্তিব খুজিলে।......লক্ষপুৰীয়া খেলৰ পানীমূৱা বোলে,—'সেয়ে বাতুলতাৰ হৈ ৮ৰ বাহৰত জুই লগাবলৈ আহিছিল।' তাক ধৰি সুৱিলত সৈ কাটিলে।" ৩০২ ছেৱ।

ৰবৰুৱাৰ বুৰঞ্জীৰ ভাষা নিভাঁজ অসমীয়া। অসমীয়া ভাষাৰ বৰ্ত্তমান কালত যি বিষম পৰিবৰ্ত্তন ঘটিছে, তালৈ চাই ৰবৰুৱাৰ বুৰঞ্জীত বক্ষিত হোৱা খাচ অসমীয়া ভাষাৰ চানেকিৰ সহায়েৰে বৰ্ত্তমান ভাষাৰ ওপৰত পৰা অস্বাভাবিকতাৰ চামনি লাহে লাহে আঁতৰাব পৰা যাব। সেই দেখি অসমীয়া ভাষাৰ নিহিত শক্তি আৰু সকলো ৰকমৰ চিন্তাৰ ধাৰা ব্যক্ত কৰিব পৰা ক্ষমতাৰ আও-ভাও বুজিবলৈ হলে ৰবৰুৱাৰ বুৰঞ্জীৰ পুংখানুপুংখক্ৰমে অধ্যয়ন কৰা উচিত।

ছুৱৰা ৰবৰুৱাৰ বুৰঞ্জীত কছাৰী আৰু জয়ন্তা ৰজাৰ লগত সলনা-সলনি কৰা ছুখন চিঠি পোৱা যায়। সেইবোৰৰ পৰা অসমীয়াৰ আন্তৰ্জাতিক ৰাজনীতি আৰু দাঁতিয়লীয়া জাতিবৃন্দৰ সৈতে লেনদেনৰ বিশ্বাসযোগ্য আভাস পোৱা যায়। চিঠিৰ প্ৰশস্তিত থকা সংস্কৃতখিনি অনুপ্ৰাস আদিৰে অলঙ্কৃত আৰু প্ৰাচীন সংস্কৃত কাব্য-সাহিত্যৰ ভাব আৰু ভাষাৰ স্পন্দনজড়িত। চিঠিবোৰৰ সমাচাৰ-খণ্ডৰ ভাষা বঙ্গালী বুলিও তাত অসমীয়া শব্দাৱলী আৰু বচন-ভঙ্গীৰ প্ৰভুত্ব লক্ষ্য কৰিব লগীয়া। বৃটিচ যুগৰ আগৰ কোনো বঙ্গালী গদ্য পাবলৈ নোহোৱাত দান-বিক্ৰয়ৰ খত-পত্ৰকে প্ৰাচীন বঙ্গালীৰ গদ্যৰ নমুনা বুলি বঙ্গালী সুধীবৃন্দই বাইজৰ আগত দাঙি ধৰিছে। এনে স্থলত অসমীয়াই নিজৰ বুৰঞ্জীত বঙ্গালী গদ্যৰ প্ৰাচীন চানেকি সাঁচি থৈছে, সেইবাবে বঙ্গালী সাহিত্যই অসমীয়া সাহিত্যৰ ওচৰত কৃতজ্ঞ হোৱা উচিত। তাৰ পৰা প্ৰাচীন অসমীয়াৰ বহুমুখী প্ৰতিভা আৰু অসমীয়া সাহিত্যৰ বিবিধ ঐশ্বৰ্য্যৰ প্ৰমাণ পোৱা যায়।

শ্ৰীনাথ ৰবৰুৱাই আৰম্ভণিত দিয়া কথা কেইষাৰ চাবলগীয়া,—

"শ্ৰীকৃষ্ণায় নমঃ। গণেশায় নমঃ। দেব্যৈ নমঃ। ১৭২৫ শকত ছুৱৰাজনা ৰবৰুৱাই লেখোৱা বুৰঞ্জী। আৰু বহস্তে ৰাখিব। মন নাপালে পুত্ৰকো নিদিব। অবৈৰ মিত্ৰ হইলে তাক দেখাব। ৰজাৰ বিশ্বাস-ভঙ্গ পণ্ডিতৰ বাধা। আৰ বিশ্বাস ভাজিলে মাতৃ-পৰিহাস পাপে পায়। হেন জানি বিশ্বাসে ৰাখিব। বিশেষত অগাধ শাস্ত্ৰ, আৰ কোনে অন্তক পায়? মহা মহা মুনিয়ে যাত মহামোহক পায়, তথাপি মতি অনুসাৰে যিমান পায়, তাক লেখাইছোঁ। আন্ত পণ্ডিতে হঠাৎকাৰ দোষণ নধৰিবা। ধৰিলে দোষণ বিস্তৰো পায়।" ১ ছেৱ।

জয়ধ্বজসিংহ স্বৰ্গদেৱৰ দিনৰ পৰা লৰাৰজাৰ দিনলৈকে ৰাজমন্ত্ৰীৰ বাব খোৱা আতন বাঁহগড়ীয়া বুঢ়াগোহাঁই ডাঙৰীয়ায়ো প্ৰায় একে ধৰণে নিজৰ বুৰঞ্জী আৰম্ভ কৰিছে,—

"৺ শ্ৰীশ্ৰীস্বৰ্গমহাৰাজাৰ বংশ নিৰ্ণয়। শ্ৰীযুত মহাৰাজাৰ মহাপাত্ৰ বাঁহগড়ীয়া বুঢ়াগোহাঁইএ উদ্ধৃত ভাষি আৰু বিশ্বাসে ৰাখিব। অবৈৰ মিত্ৰ হই যদি ভাকেহে বিশ্বাসে দেখাব। ৰজাৰ বহস্য পণ্ডিতৰ বাধা।" দেওধাই অসম বুৰঞ্জী, ১০২ ছেৱ।

বুৰঞ্জীশাস্ত্ৰত বিশ্বাস ৰাখিবলৈ গ্ৰন্থকাৰ দুজনাই যি তান্ত্ৰিক বাৰুনী প্ৰয়োগ কৰিছিল তাৰ পৰা এইটোকে ধৰিব পাৰি যে নিৰপেক্ষ বুৰঞ্জীলেখকে ৰজা-প্ৰজাৰ ভাল-বেয়া কথা লিপিবদ্ধ কৰিবলৈ বাধ্য হৈছিল। তেওঁলোকৰ কাৰ্য্যাৱলীৰ তাৎপৰ্য্য ভালকৈ গ্ৰহণ কৰিব নোৱাৰা মানুহে তাৰ পৰা বিষম্বাদ আৰু মনোবিবাদৰ সূত্ৰপাত কৰিব পাৰে। তেনেহলে ইজনে সিজনে, ইঘৰে সিঘৰে, পৰস্পৰ বিৰোধী হৈ দেশত অশান্তি অনাৰ সম্ভাৱনা। যাতে দেশৰ ৰাজকাহিনী যেই সেই মানুহৰ মুখত পৰি পাতল আৰু গাম্ভীৰ্য্যবিহীন নহয় তাৰ হন্তে বুৰঞ্জীৰ আচল তাৎপৰ্য্য গ্ৰহণ কৰিব পৰা বিশ্বাসী মানুহেহে অধ্যয়ন আৰু অনুশীলন কৰা উচিত। যাৰে তাৰে আগত বুৰঞ্জীৰ কথা মেলিলে তাৰ বিপৰীত ফল পোৱাৰ সম্ভাৱনা; কথাতে কয়,—“মই কওঁ ৰাজ-ভগনৰ কথা, সি কয় কলঠোকা বাহুলিয়ে খালে।”

বৰ্ত্তমান বুৰঞ্জীৰ দ্বিতীয় অধ্যায়ত থকা কথাখিনি অতি লাগতিয়াল। * আমি সকলোৱে শুনিছোঁ যে সতী জয়মতীৰ প্ৰাণত্যাগৰ পূৰ্ব্বে দেশত মহা বিপ্লব ঘটিছিল। সেই বিপ্লব নো কি, তাৰ নায়ক কোন কোন সেই বিষয়ে অতি কম মানুহেহে জানে। পাত্ৰই ৰাজক্ষমতা লাভ কৰাৰ আদি কাৰণ হৈছে সেই কালৰ দেশপ্ৰেমিক বিষয়া আৰু সেনাপতিসকলে মোগলৰ আক্ৰমণ ভেটিবৰ নিমিত্তে গুৱাহাটীত কোঁঠ-প্ৰাপ্তি কৰি সাষ্টমে থাকিবলগীয়া হোৱাত ৰাজধানীত দ্বিতীয় থাপৰ বিষয়াসকল সৰ্ব্বেসৰ্ব্বা হৈ উঠি ৰজা ভঙ্গা ৰজা পতা লীলাত মনোনিবেশ কৰিবলৈ সুবিধা পাইছিল। এই কালত প্ৰথম নায়ক ডেবেৰা বৰবৰুৱা। ৰাজ্যত অপ্ৰতিহত ক্ষমতাৰ অধিকাৰী হৈ স্বৰ্গদেৱৰ নাম বোলাই ডেবেৰাই এবাৰ কৈছিল,—

“আহোমে ৺চেঙ্গদেৱৰ জহত ৰাজ্য খায়, আৰু কাকতৰ কালী-আখৰত সকলকে বন্দিছে আৰু বনৰ হাতীৰ লগত চয়ণ্ডা কৰি মানুহ বন্দী হৈ থাকে; এতেকে জান, নামশিলা চেঙ্গদেৱক পানীত পেলাম, হাতীচিহ্নত মেলিম, কাকতখানিহঁত জুই দিম।”

শবাইঘটীয়া বিষয়াসকলে ডেবেৰাৰ অকাৰ্য্যৰ কথা শুনি বাঁহগড়ীয়া বুঢ়াগোহাঁইক শপত খাই জননায়ক পাতি উজনিলৈ গৈ ডেবেৰাক হত্যা কৰিলে। মৰিবৰ সময়ত বুঢ়াগোহাঁইৰ পক্ষীয় লালুকসোলা বৰফুকনক মাগোন ডেবেৰাই কৈ গ'ল,—“এক দেহ। দশমৰ পদ মইহে কৰিছোঁ, তয়ো কৰিবি।”

তাৰ পাচত শবাইঘাটৰ যুদ্ধৰ মহাৰথী আতন বুঢ়াগোহাঁই ডাঙৰীয়া ৰাজ্যৰ সৰ্ব্বেসৰ্ব্বা হৈ পৰিল। ইচ্ছা কৰা হলে তেওঁ শিৰত মুকুট পিন্ধি ছত্ৰধাৰী

* আহোম ৰাজ্যৰ এই দহ-বছৰীয়া ( ১৬৭১—১৬৮১ খ্ৰীঃ ) অন্তৰ্বিপ্লৱৰ বিৱৰণ লিখোঁতে কেবাখনো পুৰণি বুৰঞ্জীত এই বাক্যৰ পোৱা যায়,—“উদয়াদিত্য ৰজাৰে পৰা স্বৰ্গদেৱ পাত্ৰৰ অধীন হল।” এই বাক্য অনুসৰি বৰ্ত্তমান দ্বিতীয় অধ্যায়ৰ শিৰোনামা “পাত্ৰৰ অধীনত স্বৰ্গদেৱ” বুলি দিয়া হল।

নৃপতি হ'ব পাৰিলেহেঁতেন। মন্ত্ৰীসকলে তেওঁক সিংহাসন যাচিছিলে কিন্তু মহানুভৱ দেশপ্ৰেমিক বুঢ়াগোহাঁয়ে সেই দান প্ৰত্যাখ্যান কৰি ক'লে,—"ৰজাৰ গোষ্ঠিয়েহে ৰজা হ'ব পাৰে, মন্ত্ৰীয়ে ৰজা হ'ব নোৱাৰোঁ। মন্ত্ৰীৰ ই কৰ্ম্ম অকাৰ্য্য।" বুঢ়াগোহাঁয়ে ৰজাৰ কোঁৱৰক বিচাৰি আনি সিংহাসনত বহুৱালে। ৰজা হৈ চুজিনফা দিহিঙীয়া ৰজা আৰু তেওঁৰ পাচত চুদৈফা পৰ্ব্বতীয়া ৰজাই বুঢ়াগোহাঁইক স্বাৰ্থত্যাগৰ বাবে যোগ্য বঁটা আৰু পাইক মানুহ দান কৰিলে। দিহিঙীয়া স্বৰ্গদেৱে ক'লে,—

"সকলে-সকলে বাজো-বাজো বাঁহগড়ীয়া বুঢ়াগোহাঁইকে ৰজা হেন মানিলে। সেই কথাক মনৈ ডাঙৰীয়াসকলেৰে সৈতে আলচি মোক যে ৰজা পাতিলে ময়ো বুঢ়াগোহাঁইক কি হয় বেথাকে দিব লাগে।"

চুদৈফা ৰজাই বুঢ়াগোহাঁইৰ অনুগ্ৰহত ৰাজপাট লাভ কৰি কৈছিল,—

"সকলেও বুঢ়াগোহাঁইকে ৰজা মানি ললে। তেওঁ বুঢ়াগোহাঁয়ে যে এই ভাৰ গাত মনৈ মোক আনি ৰজা পাতিলে ময়ো বুঢ়াগোহাঁইক কি হয় দিব লাগে।"

চুদৈফা পৰ্ব্বতীয়া ৰজাই এই বুলি বুঢ়াগোহাঁইক দোলা, হেঙ্গদান, সোণৰ বটা, টেমী, থাক, কেক, চেওমণি, আলঠি, হাতী-ঘোঁৰা, বন্দী-বেটীৰে সৈতে ফুলুঙত খাট এখন দি ক'লে,—"মোৰ গোষ্ঠী ৰজা হৈ থাকেমানলৈকে বুঢ়াগোহাঁইৰ পো-নাতিৰ হাতৰ পৰা মুগুচাব।"

আতন বুঢ়াগোহাঁইৰ প্ৰতিপত্তি বাঢ়ি অহাত গুৱাহাটীৰ বৰফুকন লালুকসোলা নিশ্চিন্ত হৈ থাকিব নোৱাৰিলে। তেওঁ নিজৰ ক্ষমতা প্ৰবল কৰিবৰ কাৰণে গুৱাহাটীত নিজ ইচ্ছা মতে বিয়ৰা ভাঙ্গি-পাতি অকাৰ্য্য কৰিবলৈ ধৰিলে। সেই সময়ত মোগলে অসমৰ হাতত শৰাইঘাটৰ ৰণত পৰাস্ত হৈ পুনৰ অসম আক্ৰমণ কৰিবৰ কাৰণে ছল বিচাৰি ফুৰিছিল। বুঢ়াগোহাঁয়ে ভাবিলে যে গুৱাহাটীৰ বৰফুকন লালুকসোলাক ধৰি শাস্তি দিলে বিদেশী মোগলে অসমৰ আত্মকন্দলৰ কথাৰ গম পাই আনন্দত মতলীয়া হ'ব। গড়গঞা বিষয়াসকলে বুঢ়াগোহাঁইক কবলৈ ধৰিলে,—"আমাৰ মনে লালুক বুঢ়াফুকনক খেদি গৈ তাক ত'তে ধৰিব খোজোগৈ।" ইয়াৰ উত্তৰত আতন বুঢ়াগোহাঁই ডাঙৰীয়াই কি ক'লে সেই বাক্য অসমীয়াৰ হাড়ে-মগজুৱে চিৰকাল লাগি থকা যুগুত। "—আমাৰ ভিতৰত লাগে যেইকি নহওক, ঠাইতে বঙ্গাল শত্ৰু আছে, আমি খেদি গৈ ধৰা কথা ভাল নহয়, শত্ৰুৰ উৎসাহ বাঢ়ে।"

ইতিমধ্যে লালুক বৰফুকনে ভিতৰি ঢাকাৰ নবাব আজমতৰা চুলতানলৈ মানুহ পঠিয়াই বিনযুদ্ধে বঙ্গালক গুৱাহাটী সমৰ্পণ কৰি উজনিলৈ যাত্ৰা কৰিলে। বুঢ়াফুকনৰ চক্ৰান্তত বাঁহগড়ীয়া বুঢ়াগোহাঁই আৰু চুদৈফা ৰজাক হত্যা কৰা হ'ল। চৈধ্য বছৰীয়া ল'ৰা চুলিকফাক লালুক বুঢ়াফুকনে সিংহাসনত বহুৱাই নিজৰ পাঁচ-বছৰীয়া জীয়েকক ৰজাৰ বৰকুঁৱৰী পাতি ৰাজ্যৰ সৰ্ব্বনিয়ন্তা হৈ পৰিল। তাৰ পাচত

ঢাকাৰ নবাব ছায়েস্তা-খাঁই বুঢ়াফুকনক অসম ৰাজ্যৰ অধিপতি পাতি গোবিন্দ-ৰায় কটকীৰ হাতত এক ফৰমান পঠিয়াই দিলে,—

"এই কথা বৰফুকনে শুনি বৰ নাওশালত কটকী তুলিবলৈ ঠাই-ঠুই আওটাবলৈ দিলে। বহিবলৈ তথকৈ ভেঁটি বান্ধিব দিলে। ওপৰতো চন্দ্ৰতাপ মুৰালীখোপ দি তৰিব দিলে। সেইবেলা বৰফুকনেও বৰজনা বৰ্জ্জানেৰৰ কিৰীটি মুৰত পিন্ধিলে, আনো ৰাজ-অলঙ্কাৰ সকলোকো পিন্ধি ৰাজ-সভাত বহি বৰ্জ্জান কটকী আনি কথাবাৰ্ত্তা হই বহালৈ বিদায় দিলে।"

বুঢ়াফুকনে বুজি পালে যে চুলিকফা লৰাৰজা সিংহাসনত থাকেমানলৈকে ফুকনৰ ৰাজ-ক্ষমতাত কোনেও হস্তক্ষেপ কৰিব নোৱাৰে। সেইদেখি তেওঁৰ শত্ৰু-পক্ষীয় লোক আৰু ৰাজপাটলৈ যোগ্য কোঁৱৰসকলক বধিবৰ কাৰণে বুঢ়াফুকনে মানুহ পঠিয়ালে,—

"সেই বেলা বৰফুকনে মহাৰাজাত জনাই বাঁহগড়ীয়া গোহাইৰ দুই ভায়েকক কলীয়াবৰত মৰালে। তাত পাচে ৰজাৰ কোঁৱৰ যিখনি পায়মানে বিচাৰি মৰালে। বুঢ়াৰজাক (গদাপাণিক) বিচাৰি নপাই ঘৰিণীয়েকক পাই শাস্তিতে মাৰিলে দক্ষিণপটীয়া হাজৰিকা গিদাগাঠিএ। তাতপাচে বৰফুকনে আপোনাৰ তামুলী-টেকেলা ৰৰুৱা আনো বিশ্বাসৰ লোকক নগৰ পৰা গুচাই সিংতক কাটিব-মাৰিবলৈ মন কৰিলে। মাথ তামুলীকে তোটাই শইকীয়াকে নেৰুৱলৈ দিবলৈ মন কৰিলে। সিংতে ভিতৰুৱাল গা-চোৰা বেটিৰ মুখে বাৰ্ত্তা পাই সবোঁএ আলচি বৰফুকনক ভিতৰতে খুঁচি মাৰিলেগৈ।"

আৰু এখন বুৰঞ্জীত আছে,—

"পূৰ্ব্বে বুঢ়াফুকনৰ ভয়ত (গদাপাণিয়ে) দুইজনা গোহাঁইক নগাচাংত থৈছিলে। গৰ্ভে সহিতে আইকুঁৱৰীদেও শাস্তিতে মৰিল। এনে দুখেৰে ফুৰি দক্ষিণপাটত বনমালী বাপুৰ সত্ৰত থাকিল।"

ওপৰত উদ্ধৃত পুৰণি বুৰঞ্জীৰ দুই ফাঁকি কথাৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে চুলিকফা বত্নধ্বজসিংহ লৰাৰজা ৰাজপাটৰ অধিকাৰী হলেও, গদাপাণিৰ পলায়ন আৰু সতী জয়মতীৰ নিৰ্য্যাতন আৰু মৃত্যুৰ মূলত মোমাই-তামুলী বৰবৰুৱাৰ পুত্ৰ আৰু লাচিত বৰফুকনৰ ককায়েক লালুকসোলা বৰফুকনহে। শাস্তি দিওঁতা-সকলৰ ভিতৰত প্ৰধান কাৰ্য্যকাৰক আছিল দক্ষিণপটীয়া হাজৰিকা গিদাগাঠি।

ডেবেৰা বৰবৰুৱা, আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী, আৰু মেটেকাতলীয়া লালুকসোলা বৰফুকন, এই তিনিজন নেতাৰ ভিতৰত আতন বুঢ়াগোহাঁয়ে নিজৰ প্ৰতিপত্তি আৰু ক্ষমতা স্বাৰ্থহীন ভাবে ৰাজ্যৰ মঙ্গলৰ কাৰণে প্ৰয়োগ কৰিছিল। তেওঁৰ নিচিনা অসমৰ ধাৰা-নীতি সম্যক জানোতা মহানুভৱ পুৰুষ ক্ষেত্ৰত উপস্থিত থকা হলে লালুক বুঢ়াফুকনেই হওক বা গিদাগাঠিয়েই হওক জয়মতী কুঁৱৰীৰ দৰে এগৰাকী সম্ভ্ৰান্ত অবলা তিৰোতাক গৰ্ভে সহিতে শাস্তিতে মাৰিব নোৱাৰিলেহেঁতেন।

গদাপাণি কোঁৱৰে ৰাজপদ লাভ কৰি পূৰ্ব্বৰ বিপ্লৱত যোগ দিয়া চক্ৰান্তকাৰী বিষয়াসকলক কাটি-মাৰি বা খেদাই ভবিষ্যত অশান্তিৰ বীজ নষ্ট কৰিলে। ভগা বৰবৰুৱা আৰু তেওঁৰ ভায়েক পানীফুকনৰ মন বুজিবৰ কাৰণে নিজৰ আপু

মানুহ পঠিয়াই ৰাজদ্ৰোহৰ প্ৰস্তাৱ কৰিলে। এই পদ্ধতি কৌটিল্যৰ অৰ্থশাস্ত্ৰ-সম্মত। ভগা-ববৰকৰা নিষ্কাম সেৱক বুলি প্ৰমাণিত হ'ল, পানীফুকন ফান্দত পৰিল। গদাধৰসিংহই তিংখাঙত পুখুৰী খানি নাম দিলে বহদৈ; লাংকুৰি-দেৱৰ পৰ্ব্বতৰ ওচৰত দৌল বান্ধি তাৰ কাষৰত পুখুৰী খানি পুখুৰীৰ নাম দিলে ভোগদৈ; লাংকাকত খনা পুখুৰীৰ নাম থলে সোণাদৈ। স্বৰ্গদেৱে নগাৰ কুঁৱৰীক নিজৰ অন্তেষপুৰত ঠাই দিলে, আৰু দিহিঙীয়াৰ ঘৰৰ পানীফুকনৰ জীয়েকক বৰকুঁৱৰী পাতিলে। গদাধৰসিংহ মহাৰাজে নিজ ভাৰ্য্যা পতিপ্ৰাণা সতী জয়মতীৰ স্মৃতি ৰক্ষা কৰিবৰ কাৰণে কোনো দৌল-পুখুৰী নাসাজিলে কিয় ইয়াৰ উত্তৰ বুৰঞ্জীয়ে দিব নোৱাৰে। জয়সাগৰ আৰু জয়দৌলৰ নিৰ্ম্মাণ কাৰ্য্য গদাধৰসিংহৰ সূচনাত হৈছিলনে নাইবা সি ৰুদ্ৰসিংহ মহাৰাজাৰ মাতৃভক্তিৰ স্মৃতি-অঞ্জলি তাকো বুৰঞ্জীয়ে থিৰাংকৈ নাজানে।

ইং ১৫ চেপ্টেম্বৰ, ১৯৩২। শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

# তুংখুঙ্গীয়া বুৰঞ্জী।

## প্ৰথম অধ্যায়।

### আৰম্ভণ।

প্ৰস্তাৱনা।—শ্ৰীকৃষ্ণায় নমঃ। গণেশায় নমঃ। দেব্যৈ নমঃ। ১৭২৫ শকত দুৰ্ব্বাজনা বৰবৰুৱাই লেখোৱা বুৰঞ্জী। আক ৰহস্যে ৰাখিব। মন নাপালে পুত্ৰকো নিদিব। অবৈৰ মিত্ৰ হইলে তাক দেখাব। ৰাজাৰ বিশ্বাস-ভঙ্গ পণ্ডিতৰ বাধা। আৰ বিশ্বাস ভাঙ্গিলে মাতৃ-পৰিহাস পাপে পায়। হেন জানি বিশ্বাসে ৰাখিব। বিশেষত অগাধ শাস্ত্ৰ, আৰ কোনে অন্তক পায়? মহা মহা মুনিয়ে যাত মহামোহক পায়, তথাপি মতি অনুসাৰে যিমান পায়, তাক লেখাইছোঁ। আত পণ্ডিতে হঠাৎকাৰ দোষণ নধৰিবা। ধৰিলে দোষণ বিস্তৰো পায়। শ্ৰীশ্ৰীতুঙ্গখঙ্গীয়া ৺ৰ বংশাৱলী। ফাল্গুন মাসৰ ২২ দিন যাওঁতে বৃহস্পতিবাৰে পঞ্চমী তিথিত বুৰঞ্জী লেখায়। ১॥

সাৰাংশ।—শ্ৰীশ্ৰীগদাধৰ সিংহ ৺ও ১৬০৩ শকত শ্ৰাৱণ মাসত গড়গ্ৰামত লৰাৰাজাক নামৰূপলৈ খেদি ৰাজা হ'লহি। তান দুই পুত্ৰ হ'ল। ১৬১৭ শকত গদাধৰ সিংহ ৺ও স্বৰ্গী হ'ল। পাচে সেই শকে মাসে বৰপুত্ৰ ৰুদ্ৰসিংহ ৺ও গড়গ্ৰামত ৰাজা হ'ল। তান ভ্ৰাতৃক নামৰূপীয়া মেল দিছিল। ১৬৩৬ শকত ৰুদ্ৰসিংহ ৺ও গুৱাহাটীত স্বৰ্গী হ'ল, ভোগ কৰিলে ১৯ বৎসৰ। পাচে সেই শকে মাসে তান বৰপুত্ৰ শিৱসিংহ স্বৰ্গদেউ গুৱাহাটীত ৰাজা হ'ল। ১৬৬৬ শকত আঘোণ মাসৰ ৬ দিন যাওঁতে শিৱসিংহ স্বৰ্গদেউ স্বৰ্গী হ'ল, ভোগ কৰিলে ৩০ বৎসৰ। পাচে সেই

শকে মাসে তাৰিখে প্ৰমত্তসিংহ ৺ও ৰংপুৰত ৰাজা হ'ল। ১৬৭৩ শকত প্ৰমত্তসিংহ স্বৰ্গী হ'ল, ভোগ ৭ বৎসৰ। ৰাজেশ্বৰ সিংহৰ ভাতৃ বাটযৰীয়া গোহাঞিৰ গাত বসন্ত ওলাল। পাচে ৰাজেশ্বৰ সিংহ ৺ও ৰাজা হই নামৰূপলৈ খেদিলে। পাচে সেই শকে মাসে তান ভাতৃ ৰাজেশ্বৰ সিংহ ৺ও আহিন মাসত ৰাজা হ'ল। তান ভাতৃ সকজনা কালশিলাত জন্মিল; এতেকে কালশিলীয়া গোহাঞিদেউ বোলে। ৰাজেশ্বৰ সিংহ ৺দেৱে ৰাজা হই নামৰূপীয়া মেল দিছিল। ৰাজেশ্বৰ সিংহ স্বৰ্গদেউ দেৰগাৱঁত স্বৰ্গী হ'ল, ভোগ ১৯ বৎসৰ। ১৬৯১ শকত তান ভাতৃ লক্ষ্মীসিংহ ৺দেও ৰাজা হ'ল। ১৭০২ শকত স্বৰ্গী হ'ল। ভোগ ১১ বৎসৰ। ১৭০২ শকত তান পুত্ৰ গৌৰীনাথ সিংহ ৰাজা হ'ল। ১৭১৭ শকত দিচৈৰ যোৰহাটৰ বাহৰত শ্ৰাৱণত স্বৰ্গী হ'ল, ভোগ ১৫ বৎসৰ।* গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ পাচত, আন কোনো কোঁৱৰক ৰাজপাট খাবলৈ উপযুক্ত বিবেচনা নকৰি পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু আনোসব পাত্ৰ-মন্ত্ৰীয়ে কিনাৰাম গোহাঁইক ৰজাৰ উপযুক্ত বুলি আনিলে। এওঁ মহাৰাজ ৰুদ্ৰসিংহ ৺দেৱৰ ভায়েক লেচাই নামৰূপীয়া ৰজাৰ পুতেক আয়ুসূত গোহাঁইৰ পুতেক কদমদীঘলাৰ সন্তান আছিল। ১৭১৭ শকৰ শাওণৰ ২৩ দিন ৰাওঁতে ডাঙৰীয়াসকলে গোহাঁইক সিংহাসনত বহুৱাই যথা নিয়মে সেৱা কৰিলে। ৰজা হৈ কিনাৰাম গোহাঁয়ে কমলেশ্বৰ সিংহ নাম ললে। এওঁৰ মৃত্যুত ভায়েক চন্দ্ৰকান্ত সিংহ চাৰিঙ্গী ৰজা ৺দেৱ হ'ল, ১৭৩২ শক, ৬ মাঘ। মানৰ আক্ৰমণৰ সময়ত ৰুচিনাথ বুঢ়াগোহাঁই প্ৰমুখ্যে অন্য বিষয়াসকলে চন্দ্ৰকান্তক ৰজা ভাঙ্গি ৰাজেশ্বৰ সিংহ ৺দেৱৰ নাতিয়েক ব্ৰজনাথ গোহাঁইদেৱৰ পুতেকক পুৰন্দৰ সিংহক ৰজা পাতে, ১৭৩৯ শকৰ ১১ ফাগুন। মানৰে সৈতে ৰণত পৰাস্ত হৈ পুৰন্দৰ সিংহ দেশ এৰি ভাগি যোৱাত মানৰ আলুংমিঙ্গি বৰগোহাঁয়ে চন্দ্ৰকান্ত সিংহক পুনৰ সিংহাসনত বহুৱায়, ১৭৪০ শক,

* কমলেশ্বৰ, চন্দ্ৰকান্ত, পুৰন্দৰ সিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ সাৰাংশ শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ বুৰঞ্জীত নাই। তাক আন বুৰঞ্জীৰ পৰা আনি ইয়াত সন্নিবিষ্ট কৰি দিয়া হ'ল।—সম্পাদক।

২৫ ফাগুন। মানৰ লগত যুদ্ধ কৰি নোৱাৰি চন্দ্ৰকান্ত সিংহ বঙ্গাল দেশলৈ গ'ল। তাৰ পাচত মানে তুংখুঙ্গীয়া বগাকোঁৱৰৰ পুতেক যোগেশ্বৰ সিংহক লোকদৰ্শক ৰজা পাতি নিজে ৰাজত্ব কৰিবলৈ ধৰে, ১৭৪২ শকৰ ৩ চ'তৰ পৰা ১৭৪৬ শকৰ ২১ মাঘলৈকে। ইয়াকে মানৰ দিন বোলে। ১৭৪৪ শকৰ জেঠত চন্দ্ৰকান্ত সিংহই ফৌজ গোটাই মানৰ লগত যোৰহাটৰ উত্তৰে ম'হগড় নামে ঠাইত ৰণ কৰিছিল। ৰণত নোৱাৰি ৺দেৱ বঙ্গাল দেশলৈ পলাই গ'ল। ১৭৪৬ শকৰ ২২ মাঘ তাৰিখে ডেভিদ্ স্কট্ চাহাবে মানৰ পৰা অসম ৰাজ্য অধিকাৰ কৰিলে। তেতিয়াৰে পৰা ইংৰাজৰ আমোল হ'ল। ১৭৫৫ শকৰ ১ বহাগ তাৰিখে অসমৰ উজনী বা জুনিয়ৰ খণ্ড ৰাজ্য পুৰন্দৰ সিংহ মহাৰাজে ইংৰাজৰ কৰতলীয়া বা লালবন্দীৰূপে শাসন কৰে। ১৭৬০ শকৰ ৩০ ভাদত পুৰন্দৰ সিংহক ৰজা গুচাই জুনিয়ৰ খণ্ডক চিনিয়ৰ বা নামনি খণ্ডৰ লগত চামিল কৰি অসম প্ৰদেশ গঠিত হয়। ২॥

---

## দ্বিতীয় অধ্যায়।

# পাত্ৰৰ অধীনত স্বৰ্গদেৱ।

### তুংখুঙ্গীয়া কোঁৱৰসকল আহোম ৰাজপাটত বহাৰ কথা।

**উদয়াদিত্য ৰজা বধ।**—১৫৯২ শকত বহাগৰ ১৫ দিন যাওঁতে জলসাৰ ব্যাধি হৈ ৺দেৱ চক্ৰধ্বজ সিংহ মহাৰাজৰ মৃত্যু হয়। "বঙ্গালৰ অধীন হৈ থাকিবতকৈ মৰণেসে যুগুত" এই বুলি ৺দেৱে বঙ্গাল মাৰিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। এওঁৰ পাচত ভায়েক চাৰিঙ্গীয়া ৰজাই উদয়াদিত্য নাম লৈ ৰাজপাটত বহে। এওঁৰে দিনত আওৰংজেব পাৎসাৰ সেনাপতি মীৰ্জা-ৰাজা জয়সিংহৰ পুতেক অম্বৰাধিপতি ৰামসিংহ

মোমাই-তামুলী বৰবৰুৱাৰ সৰুটো পুতেক লাহিত বৰফুকনৰ হাতত শৰাই-ঘাটৰ ৰণত পৰাস্ত হয়। তাৰ অলপ পাচতে লাহিত ফুকনৰ মৃত্যু হোৱাত ৰুকায়েক লালুক নিমাতী ফুকন বৰফুকন হ'ল। উদয়াদিত্য ৰজাৰ দিনত পৰমানন্দ নামে বৃন্দাবনৰ গকুলপুৰীয়া এক বৈৰাগীয়ে বন্ধ-ছন্দ কৰি ৺দেৱক প্ৰজাক সকলোকে মুহিলে। ৺দেৱে বাৰেজন ঠাকুৰকো বৈৰাগীত শৰণ লগাবলৈ আনিবলৈ দিলে। ৺দেৱে বোলে,—“বাৰে-মহন্তও বৈৰাগীৰ সমান হব নোৱাৰে।” এনেতে মকাজানৰ সেৱক লুখুৰাসনৰ লেচাই ডেবেৰায়ে মহন্তসকলক সেৱা কৰি বোলে,—“তোৰাসৱৰ চৰণে ৰাখিবা, আৰ প্ৰতিকাৰ যিৰূপে হয় কৰা যাব।” এই বুলি ডেবেৰায়ে ৺দেৱৰ ভায়েক সৰুগোহাঁইৰে কথা হৈ দুয়ো চক্ৰান্ত কৰি ৺দেৱক পৰ্ব্বতলৈ নি মাৰিলে। চাৰিঙ্গীয়া পেলন বৰবৰুৱাকো মাৰিলে; ১৫৯৪ শক, ১ আষোণ। ৩॥

**ৰামধ্বজ ৰজা বধ।**—সৰুগোহাঁয়ে ৰজা হৈ ৰামধ্বজ সিংহ নাম ললে। বৈৰাগীকো অনেক বিকৰ্ত্তনা কৰি মাৰিলে। ডেবেৰা আগেয়ে হাজৰিকা পদত আছিল, ৰামধ্বজ ৰজাই তেওঁক বৰবৰুৱা পাতিলে। আতপাচে ৺দেৱৰ জলসাৰ হ'ল, নৰিয়া টান হ'ল। আকে দেখি ৺দেৱে তঙ্গচু আদি ফুকনবোৰক মাতি আনি কলে,—“মোৰ মৃত্যুকাল উপস্থিত, মোৰ ভতিজা কলীয়া গোহাঁইক তহঁতৰ হাতত দিলোঁ, ৰজা পাতি লবি।” ডেবেৰাক সেই মেললৈ মতা নাছিল। “এনে ডাঙ্গৰ কথাত মোৰে যেখোঁ আলচ নললে?” এই বুলি ডেবেৰা সাষ্টম হৈ থাকিল, আৰু মাসুহ-দুসুহ কাটিবলৈ ধৰিলে। ডেবেৰাই বোলে,—“৺দেৱ ভাল হলে মোক কিয় শুদাই এৰিব?” এই বুলি লগত দুখন নাকৈ-দা লৈ ফুৰিবলৈ ধৰিলে। ৺দেৱে তঙ্গচুক কলে, বোলে,—“ভিতৰৰ পৰা মোৰ কথা কৰৰ ছলে ডেবেৰাক মাৰিবি।” পাচে ৺দেৱৰ খাৰছাই এজনীৰে ডেবেৰাৰ লেন-দেন আছিল। তাই আহি ডেবেৰাৰে খোৱা-বোৱা কৰি, বোলে,—“আজি বি তোৰ মুখ দেখিলোঁ এইহে; কালিলৈ তঙ্গচু ফুকনে মাৰিব, ৺দেৱে বুলিছে।” এই বুলি সকলো সম্ভেদ কলে। আকে শুনি ডেবেৰা

সাৱধান হ'ল। তজচুরে চালকঠৰ সুৰাত দা সুমুৱাই ভিতৰৰ পৰা আহোঁতে ডেবেৰাই চুড়োখৰ কৰি কাটিলে; যাকে যতে পালে তাকে তাতে কাটিলে; ফুকন, ৰাজখোৱা, হাজৰিকা পৰ্য্যন্ত কাটিলে। আৰু সেইবেলা ডেবেৰাই খৰমজু নামে বেজ এটা মাতি আনি ৺দেৱক ঔষধত বিহ দিয়াই মাৰিব দিলে। বেজেও ৺দেৱক বিহ খুৱাই মাৰিলে; ১৫৯৬ শক, আঘোণ মাহ, তাৰিখ ৩। ৪॥

**প্ৰথম তুংখুঙীয়া ৰজা।**—তাতপাচে ডেবেৰাই শুনিলে, বোলে,—ৰামধ্বজ ৰজাৰ ভায়েক তিপামৰ ৰজা নাৰাণ গোহাঁই ৰজা হবৰ মনেৰে পৰ্ব্বতৰ পৰা খেদি আহিছে। এই কথা শুনি ডেবেৰাই শুকুলা ঘোঁৰাত উঠি খেদি গৈ পৰ্ব্বতৰ আলিত গোহাঁইদেৱৰে যুদ্ধ কৰিলে; বলে নোৱাৰি তিপামৰ ৰজা আলিখাৰৈত পৰিলগৈ। ডেবেৰাই বোলে,—"দেও, চাপি আহ, ভয় নকৰিবি, তোকে ৰজা নাপাতি কাকনো ৰজা পাতিম?" ৰতন-পুৰীয়া, দক্ষিণপটীয়া নামে ডেবেৰাৰ দুটা মানুহ আছিল। ডেবেৰাই তিপামৰ ৰজাক চপাই আনি ৰাজ-যোগ্য অলঙ্কাৰ পিন্ধাই বোলে,—"ৰতনপুৰীয়া, দক্ষিণপটীয়া, কি চাইছহঁক? গোহাঁইদেৱক ৰজা পাতি থ-নি।" এই বুলি তিপামৰ ৰজাকে আদি কৰি চৈধ্যটা কোঁৱৰক মাৰিলেনি। তাতপাচে নামৰূপীয়া ৰজাকো মাৰিলে। ডেবেৰাৰ হাতত ৰামধ্বজ সিংহ ৺দেৱৰ বংশছেদ হ'ল। আতপাচে ডেবেৰায়ে তুংখুঙৰ* পৰা কোঁৱৰ আনি ৰজা পাতিলেনি, বাৰ দিনমান আছিল। মোমাই-তামুলী বৰবৰুৱাৰ জীয়েকক ডেবেৰায়ে বৰকুঁৱৰী পাতিলে। ডেবেৰাই যাক যেনেকৈ পালে নি সন্ধি কৰি কাটিবলৈ ধৰিলে। ৫॥

**চামগুৰীয়া চুহুং ৰজা।**—তুংখুঙীয়া কোঁৱৰক মাৰি চামগুৰীয়া চুহুং কোঁৱৰক ৰজা পাতিলে। পাচে মোমাই-তামুলীৰ জীয়েকে ৰজাক কলে,—"ডেবেৰাই যদি এনেকৈ থাকিব লাগিল তুমিনো কিহৰ ৰজা?" ৰজাই কুঁৱৰীৰ কথাকে লৈ ডেবেৰাক ধৰিবলৈ আলচিলে। ডেবেৰাই

* এই প্ৰথম তুংখুঙীয়া ৰজাৰ কথা আন বুৰঞ্জীত পোৱা নাই। মাথোন উত্তৰ গুৱাহাটীৰ ৺হৃকুমাৰ মহন্তৰ পৰিয়ালৰ পৰা ৺হেমচন্দ্ৰ গোস্বামীদেৱে উদ্ধাৰ কৰা পুথিতহে আছে।—সম্পাদক।

শুনি বোলে,—"জয়ধ্বজ ভগনীয়া ৰজাৰ তামুলী কুঁৱৰী আছিলি, তোক মই ৰৰকুঁৱৰী পাতিলোঁ, তই এনেখান কৰ?" পাচে চামগুৰীয়া ৰজাক মাৰিলে, কুৰি দিনমান আছিল। ৰৰবৰুৱাৰ জীয়েক আইকুঁৱৰীদেৱেকো মাৰি ৺দেৱৰ তৰিৰ তলে থলেনি। ৬॥

**দ্বিতীয় তুংখুঙ্গীয়া ৰজা।**—পাচে ডেবেৰাই গড়গঞা ৰজাৰ নাতিয়েক তুংখুঙ্গীয়া গোবৰ গোহাঁইক ৰজা পাতিলে; ১৫৯৬ শক, ১৮ পুহ। এইৰূপে ডেবেৰায়ে অনেক অকাৰ্য্য কৰিলে আৰু আপুনিয়ে ৺দেৱৰ নাম বোলাব ধৰিলে। ৭॥

**বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ নেতৃত্ব।**—এনেতে ডেবেৰায়ে আচোঁতে গুৱাহাটীত বাঁহগড়ীয়া বুঢ়াগোহাঁইক, ফুকন, ৰাজখোৱা, হাজৰিকা সকলেও এনে যুগুতি হৈ বোলে,—"দেৱ বিদ্যমান আছে, একেটা শুদা ডেবেৰায়ে ৺দেৱক মাৰে-পাতে, আমাকো মাৰে-কাটে। এনে আপদত আমাক ৰক্ষা কৰা। আমিও ৰাইজে দেৱক মোৰ বুলিলোঁ। দেৱে আমাক নেৰিব।" এই বুলি উঠি ৰাইজে সাতসেৱা কৰিলে। গোহাঁয়ে বোলে,—"ৰাইজে যে মোৰ বুলি ধৰিলে ময়ো ৰাইজক নেৰোঁ কদাচিৎ।" গুৱাহাটীত কিছু বিষয়া থৈ বুঢ়াগোহাঁই ডাঙৰীয়াই মোমাই-তামুলী বৰবৰুৱাৰ পুতেক লালুকসোলা বৰফুকনকে মুখ্য কৰি ডাঙৰীয়া, ফুকন, বৰুৱা, হাজৰিকা, শইকীয়া সহিতে উজাই গ'ল। ৮॥

**ডেবেৰা বধ।**—পাচে শৰাইঘটীয়াসকলৰ লগত বাঁহগড়তে ডেবেৰাই ৰণ কৰিলে। ৰণত নোৱাৰি ডেবেৰা ভাগি পলাল। তাক ধৰি গাহৰিৰ সজাত ভৰাই বৰঘৰিণীয়েকক মূৰত তুলি আনিলে। আৰু বৰফুকনৰ মেললৈকো সৰুঘৰিণীয়েকক কানত তুলি থৈছিল। বুঢ়াফুকনে সুধিলে,—"ডেবেৰা, কিয় এনে কৰিলি?" ডেবেৰাই বোলে,—"মুগুনিছইকনে? এক দেহ। দশমৰ পদ মইহে কৰিছোঁ, তয়ো কৰিবি।" আতপাচে ৰজাহাটত ডেবেৰাক হাৰিয়ে কুৰিলে তৰিৰ পৰা মূৰলৈকে। ৯॥

**চুজিন্‌ফা দিহিঙ্গীয়া ৰজা।**—বুঢ়াগোহাঁই প্ৰমুখ্যে সকলেও আলটি ডেবেৰাই পতা তুংখুঙ্গীয়া গোবৰ ৰজাক হাইঠাগুৰিৰ পৰা আনি

ভোগবাৰীত মাৰিলেনি, ভোগ্য কুৰি দিন। ফুকনবোৰে বুঢ়াগোহাঁইক ৰজা পাতিলে। গোহাঁয়ে বোলে,—“মন্ত্ৰীয়ে ৰজা হব নোৱাৰোঁ।” এই বুলি চাৰি পুত্ৰেৰে বিচাৰি দিহিঙ্গত ৰজাৰ গোষ্ঠী পালে। পাচে পাত্ৰ-মন্ত্ৰী সমস্তৰে ৰং হ'ল। বুঢ়াগোহাঁই দিহিঙ্গৰ পৰা আনি ৺দেৱ প্ৰতাপসিংহৰ নাতি অৰ্জ্জুন দিহিঙ্গীয়া কোঁৱৰক ৰজা পাতিলেনি। নাম ললে চুজিন্‌ফা। ৰজা হওঁতে বয়স ৪০ বছৰ। ১৫৯৬ শক, ৮ মাঘ। ১০॥

**দিহিঙ্গীয়া ৰজা বধ।**—সেহি বেলা কটকী, কাকতী, দলৈ, বৰাবুকক, সকলো বুঢ়াগোহাঁইৰ ঠাইতে খাটিছিল। বুঢ়াফুকনে ৰাজ্যক নিয়ম কৰি গুৱাহাটীলৈ আহিব খোজোঁতে দিহিঙ্গীয়া ৺দেৱে গড়গঞা ৺দেৱৰ গোষ্ঠী সবাকো মাৰিলে। পাচে দিহিঙ্গীয়া ৺দেৱৰ আইকুঁৱৰী কেঁকোৰা সন্দিকৈৰ জীয়েক আৰু চাৰি পুতেকে ক'লে, বোলে,—“আমাৰ ৰজা নামহে, সকলো বুঢ়াগোহাঁইৰহে হ'ল। তাক ধৰোঁ।” ৰজাই পোনতে এই কথাত মন নিদিলে। পাচে টুটকীয়া লগাই এজনী খাৰছাই তিকতাই ৺দেৱ আৰু বুঢ়াগোহাঁইৰ দন্দ লগালে। তাতে ৺দেৱে চাৰি পুতেকে সৈতে বুঢ়াগোহাঁইক মাৰিবলৈ মন কৰিলে। দুয়োৰে যুদ্ধ হ'ল। ৺দেৱে বৰঘাটেদি ভাগিল, চাৰি কোঁৱৰো পলাল। বুঢ়াগোহাঁয়ে শাকবাৰীত স্থিত হৈ ৺দেৱক আনি চক্ষু কাঢ়িলে মঙ্গলবাৰৰ নিশা। বুধবাৰে মৃত্যু হ'ল। খেনোৱে কয়, বুঢ়াগোহাঁয়ে ৰজাক মাৰিব খোজা হেন জানি আপুনি শিলত মূৰ আফালি ৰজাদেৱ মৰিল। আকৌ খেনোৱে কয়, বুঢ়াগোহাঁইৰ লগত ৰণে নোৱাৰি ৰজা গড়গাৱঁলৈ পলাই আহোঁতে নামনিয়ালসকলো পাচে পাচে খেদি আহি ৺দেৱক ধৰি লালুক বুঢ়াফুকনৰ ভায়েক ভাতধৰাক ৰাখিব দি ঘৰাঘৰি গ'ল। ভাতধৰায়ে ৰজাদেৱক হিলৈৰে খুন্দিয়াই মাৰিলে, ১৫৯৮ শক, শাওণৰ বাৰ দিন যাওঁতে। বুঢ়াগোহাঁয়ে তিনি কুমাৰক আনি ভোগবাৰীত মাৰিলে। কলীয়া গোহাঁই নামে এজনা কোঁৱৰক চক্ষু কাঢ়িলে। যাক মাৰিব লগা মাৰিলে, ৰাখিব লগা ৰাখিলে। ১১॥

**চুডৈফা পৰ্ব্বতীয়া ৰজা।**—এতেকে অৰাজ্য হ'ল। পাত্ৰ-মন্ত্ৰী সকলোৱে বুঢ়াগোহাঁইকে আৱৰি আছিল। গোহাঁইও তিনি পক্ষ ৰাজ্য

ৰক্ষা কৰি আছিল। পাচে বুঢ়াগোহাঁয়ে বোলে,—"মন্ত্ৰীৰ ই কৰ্ম্ম অকাৰ্য্য।" এই বুলি বুঢ়াৰজাৰ মৈদামৰ পৰা পৰ্ব্বতীয়া কোঁৱৰক আনিলে। ডেকাৰজাৰ বংশ বুলি পাত্ৰ-মন্ত্ৰী সকলোৱে সেৱা কৰিলে। আদৰ কৰি ৰজা পাতিলে, নাম ললে চুডৈফা। শৰাইঘটীয়াও শৰাইঘাটলৈ আহিল। উদয়াদিত্য ৰজাৰে পৰা ৺দেৱে পাত্ৰৰ অধীন হ'ল। ১২॥

**স্বৰ্গদেৱক বধিবৰ চেষ্টা।**—ভাতপাচে ৰঙ্গাচিলা ফুকনৰ পুতেক মেচা বৰবৰুৱাই লাহোৰ জী কুঁৱৰীক নিলে। ৺দেৱে শুনি বুঢ়াগোহাঁইক সুধিব দিলে, বোলে,—"আমাৰ কুঁৱৰী যদি নিব লাগিল সি নো কোন ৰজাৰ বংশ?" পাচে সোধ-পোচ কৰি বৰবৰুৱা ভাঙ্গি চক্ৰপাণিক বৰবৰুৱা পাতিলে। সকলোৱে মাতিলত ৺দেৱে একো নুবুলিছিল, তথাপি ভগা-বৰবৰুৱা ভয় হৈ শৰাইঘাটলৈ পলাই গ'ল। ১৬০০ শকৰ বহাগ মাহত ৰজাদেৱক চোৰে ঘালিলে; তথাপি মৃত্যু নহ'ল। বামহাতৰ বুঢ়া আঙ্গুলি ছেদ হ'ল; আৰু মুণ্ডত এঘা, হাতটো এঘা, পিঠিতো এঘা, তলুৱাতো এঘা, এই পাঁচ ঠাইত ঘালিলে, ৺দেৱ আয়ুষেহে জীলে। পৰশুৰা দাখন মৰং ঘৰতে এৰি চোৰ পলাই গ'ল। পাচে চোৰ নেপাই বুঢ়াগোহাঁই প্ৰমুখ্যে সকলো পাত্ৰ-মন্ত্ৰীয়ে সুধি, বোলে,—"ভগা-বৰবৰুৱাক যে খেদিলে, ৺দেৱক সেয়েহে কাটিলে, নোহে বা সেয়ে কটাইছে। শৰাইঘটীয়াবোৰো এই কাৰ্য্যত যোত্ৰ আছে।" সেহি বাদে জয় তামুলীক কাটিলে, আৰু দিহিঙ্গীয়া লোকসকলকো মাৰিলে, তামুলীৰ ভাই-ভতিজাকো মাৰিলে। পাত্ৰে যি কৰাৱে ৺দেৱে তাকে কৰে। দুৱৰা-ফুকনৰ সকটোৰ সলনি ৰৰটো বৰবৰুৱা হ'ল। ১৩॥

**বুঢ়াফুকনৰ বঙ্গালৰ সহায় ভিক্ষা।**—বৰফুকন, ভাতধৰা, দুৱৰাৰ পুতেক সকটো, তিনিও আহি কলীয়াবৰ পালেহি। এনেতে শৰাইঘাটৰ দপ্দৰত ডেকাফুকনে বোলে,—"ফুকনক ৺দেৱেহে ভাঙ্গিব-পাতিব পায়। ফুকনক ফুকনে ভাঙ্গে-পাতে, ই কি অযোগ্য কথা? আজি মোক ভাঙ্গিছে, কালি তোকো ভাঙ্গিব। যি ভাঙ্গে-পাতে সি নো কোন?" এই কথা কলীয়াবৰলৈ বুঢ়াফুকনলৈ কৈ পঠিয়ালে। ফুকনে সদৌ পৰিয়াল সৈতে

কলীয়াবৰৰ পৰা শৰাইঘাটলৈ আহি যুগুতি হ'ল, বোলে,—"বুঢ়াগোহাঁইৰ ভৰসাতে সমুলি ভল যাওঁ হেন দেখিলোঁ, ঈশ্বৰেহে ৰাখিলে। লোকত ভৰসাই থাকিলে পাচকালে কোনোখান হবলৈ আছে? আপুনি শকত হৈ থাকিলে কাতো ভয় নাই।" ইয়াকে আলচি পূৰ্ব্বে বঙ্গালৰ কটি-খোৱা বাছুলিৰ জৰীয়তে মনছুৰ-খাঁ নবাবলৈ বুঢ়াফুকনে তিনিটা মানুহ পঠিয়ালে। বুঢ়াফুকনৰ মানুহ গৈ নৱাবত ক'লে, বোলে,—"বৰফুকনে আমাক পঠায় এই বুলি আহিছে, উত্তৰে-দক্ষিণে দুশমান ঘোঁৰা আৰু পানীয়ে ঢুকুৰিমান নাও আহি শৰাইত দেখা দিয়োকহি। আমি গড় এৰি উজাই যাম। কিন্তু মোক অচম ৰাজ্যৰ অধিকাৰী কৰিব।" পাচে নৱাবে ফুকনৰ মানুহৰ লগত নিজৰ এটা মানুহ দি ঢাকালৈ গৈ পাৎচাৰ বেটা আজমতৰাক গৈ কব দিলে। এই কথা শুনি পাৎচাজাদাই বোলে,—"মই কবুল কৰিলোঁ। অৱশ্যে মামুক* অচমৰ ৰাজ্যৰ অধিকাৰী কৰিম।" গুৱাহাটীৰ গড় এৰি দিবৰ নিমিত্তে চাৰি লাখ ৰূপকো দিম বুলিলে। ১৪ ॥

চিন্তামণি-গড়।—সেইহি সময়ত বুঢ়াফুকনে ডুৱৰাৰ বৰটোক বৰবৰুৱা ভঙ্গাই কলীয়াবৰলৈ পলুৱাই আনিলে। বঙ্গাললৈ মানুহ পঠোৱা কথা শৰাইঘটীয়া মানুহে বুঢ়াগোহাঁইলৈ জনাই পঠালে। গোহাঁয়েও শুনি মনতে ৰাখি বেকতকৈ বুলিলে,—"বৰফুকন জানন্তা মানুহ, ই কথা কিয় কৰিব? যি মানুহে সিবোৰক কৈছে সেয়েহে মিছা কৈছে।" পাচে বুঢ়াগোহাঁয়ে ৺দেৱক বোলে,—"৺দেৱক কটা কথাত ডুৱৰাৰ বৰটো ভয় হৈ শৰাইঘাটলৈ গ'ল। সি ঠাইতো এইবোৰ শুনোঁ। গুৱাহাটী, চামধৰা, এই দুই ঠাইত হাত-ভৰি পিছলিলে বহিবৰ ঠাই নেদেখোঁ।" এই বুলি ৺দেৱক নিমিত্ত কৰি তুলসীজানৰ পৰ্ব্বতৰ পৰা দিহিঙ্গত লগাই সকলোৰে

* চুলতান আজমতৰাৰ বেগম ৰহমত বান্নু লালুক বৰফুকনৰ ভাগিনীয়েক। তেওঁ জয়ধ্বজ সিংহৰ কন্যা, আগৰ নাম আছিল ৰমণী গাভৰু। মিৰজুমলাৰ লগত মিত্ৰতা স্থাপন কৰোঁতে গাভৰুক দিল্লীৰ পাৎচাৰ মহললৈ পঠোৱা হয়। ইং ১৬৬৮, ২ মে তাৰিখে আজমতৰাৰ লগত তেওঁৰ বিয়া হয়। গাভৰুৰ মাক জয়ধ্বজ ৰজাৰ ভামুলী-কুঁৱৰী আৰু মোমাই-তামুলীৰ জীয়েক, আৰু লালুকৰ ভনীয়েক।—সম্পাদক।

দোৱাল তুলি গড় এটা বান্ধিব দিলে। গড়ৰ নাম থলে লাইমতী, কিন্তু চিন্তামণি-গড় বুলিহে প্রখ্যাত হ'ল। ১৫ ॥

**বঙ্গালক গুৱাহাটী এৰি দিয়া প্রস্তাৱ।**—পাচে লালুক বুঢ়াফুকন প্রভৃতি সকলো ফুকনে শুনি বোলে,—"আমি দেখোঁ গুৱাহাটীৰ গড়ত শত্রুক সম্মুখ হৈ ৰহিছোঁ। মাজ ৰাইজ্যত গড় বান্ধে কালে? আমালৈ-কেহে বান্ধে।" পাচে সবেও আলচি বঙ্গালেৰে কথা-বার্ত্তা হৈ গুৱাহাটী এৰিবলৈ যুক্তি কৰিলে। এনেতে বুঢ়াফুকনে যি মানুহ মনছুৰ-খাঁলৈ পঠিয়াইছিল সিও আহি পালেহি, বোলে,—"সকলো কার্য্য সিদ্ধ হ'ল। বাদুলি সহিতে লোকজন পাচত আহিব।" বুঢ়াগোহাঁইলৈ শৰাইঘটীয়াই এই কথা জনাই পঠিয়ালে। বুঢ়াগোহাঁয়ে বোলে,—"ভাল জনাইছে। নিশ্চয় হলে আমিও গুৱাহাটীলৈকে যাম, আনো সকলো যাব। পাৎচাৰ বেটাই আহক বা পাৎচাজাদাই আহক, কিয় এৰিম?" এই বুলি নিশ্চয় বুজিবৰ কাৰণে খনিকৰ বকৰাক পাঁচিলে। ১৬ ॥

**বিন-যুদ্ধে বঙ্গালৰ গুৱাহাটী অধিকাৰ।**—আতপাচে শৰাই-ঘটীয়া বুঢ়াফুকনৰে যুগুতি কৰি বুঢ়াগোহাঁইক ধৰিবলৈ বঙ্গালো আগীয়াঠুঁটি পালেহি। পাচে পানীফুকনে, মিৰি-সন্দিকৈ ফুকনে সৰশেষ সকলো কথা খনিকৰ বকৰাত কৈ বাঁহগড়ীয়া বুঢ়াগোহাঁইলৈ জনাই পঠালে, বোলে,—"বাৰম্বাৰ কেৰে নপতিয়ায়, এতিয়া বাদুলি আহি পালেহি। কি পাৰে কৰক।" পাচে বঙ্গালে তিনি দিন গুৱাহাটীত নোসোমাই বোলে,—"আচামে পাহাৰ সোমাই থাকি ছল কৰিব পাৰে।" পাচে বুকুকৰ কলীয়া বোলা মানুহটো ফুকনৰ বৰ অগু, তাকে পঠাই বঙ্গালক কোৱালত বঙ্গাল গুৱাহাটীত সোমালহি। শক ১৬০০, মাহে ফাগুনৰ ১৫ দিন যাওঁতে, বুঢ়াফুকনে মিত্রভাৱে বঙ্গালক গুৱাহাটীত গড় এৰি দিলে। উজাই গৈ কলীয়াবৰ পাই বৰফুকনে স্বয়ং প্রবর্ত্তিব ধৰিলে, বিবয়াও ভঙ্গা-পতা কৰিব ধৰিলে। পানীফুকনক ভাঙ্গি কাঁড়ী-ডেকাক ফুকন পাতিলে। মিৰি-সন্দিকৈক ভাঙ্গি চেটিয়া ৰাজখোৱাক ফুকন পাতিলে, দীঘলা গোহাঁইক বুঢ়াগোহাঁই পাতিলে। ১৭ ॥

**বাঁহগড়ীয়া বুঢ়াগোহাঁই বন্দী।**—৺দেৱে এই কথা শুনি আধা-বন্ধা চিন্তামণি-গড় এৰি দি তিনিজনা ডাঙ্গৰীয়াক গুৱাহাটীলৈ পাঁচিলে। গড়গাঞাঁৰ তিনি ডাঙ্গৰীয়া ভটীয়াই বিশ্বনাথত ৰ'ল; ফুকন, ৰাজখোৱা গৈ দুইমুনিশিলাত ৰ'ল। সেইদিনা শৰাইঘটীয়াবোবো উজাই আহি তাতে ৰ'ল। লালুক বৰফুকনে গড়গঞা ফুকন, হাজৰিকাক ধৰিলে। গিদামুকলি আতন বুঢ়াগোহাঁই ৰাজমন্ত্রী ডাঙ্গৰীয়াই বিষম হেন দেখি বিশ্বনাথৰ পৰা লুহিতৰ পাৰ হৈ তাৰ উত্তৰে গৈ লেজুবাজত বামৰায় ৰাজখোৱাৰ ঘৰৰ পৰা সাতশৈয়াইদি নগালৈ যাব ধৰিলে। তাৰেপৰা ধৰি আনিলে। পাচে বুঢ়াগোহাঁইক দুইমুনিশিলাতে নিগ্রহ কৰি ৰখীয়া দি ৰাখি থলে। ১৮॥

**স্বৰ্গদেৱলৈ অভয় দান।**—আতপাচে ফুকনবোৰ গড়গাঞাঁলৈ উজাই গ'ল। এই কথা ৺দেৱে শুনি ভয় হৈ পৰ্ব্বতলৈ ভাগি গ'ল, বোলে,—"মই হালবাই খাই আছিলোঁ, মোক আনি ৰজা নাম দি থৈছে, মই একো নাজানোঁ। যদি কোনোখান কৰিবৰ চিত্ত আছে ইয়াতে কৰকহি। পাপ-পুণ্যৰ ভাগী সিহঁতহে।" এই কথা শুনি ফুকনবোৰে বোলে,—"আমালৈ এইদৰে কৰ লগা নাই। মাজ ৰাজধনত গড়খান বান্ধি ৰাজখান মৰালে। এই কাৰণে বুঢ়াগোহাঁইক ধৰি থৈ ৺দেৱৰ দ্রোহী বিচাৰি আছিছোঁ। সোণৰ সঁফুৰা গুৱাহাটী ৰাজ্য; তাকো যে এৰি থৈ আহিছোঁ? ভিতৰত বঙ্গাল থৈ বাজ-বঙ্গালেৰে কি যুদ্ধ কৰিম? ইয়াৰে যদি বিচাৰ কৰা নেযাব, কঠনীয়া চাউল খাই তিৰী-ভাৰ্য্যা এৰি গুৱাহাটীত কি কাৰণে থাকোঁ? দ্রোহীকো বিচাৰ কৰিবলৈ, ৺দেৱকো সেৱা কৰিবলৈ আহিছোঁ। নিসংশয় হৈ ৺দেৱে গড়গ্রামলৈ আহঁক।" এই কথা পুনৰবাৰ ৺দেৱলৈ জনালত ৺দেৱ গড়গ্রামলৈ আহিল। ফুকনবোৰ গৈ ৺দেৱক সেৱা কৰিলে। মহাৰাজেও যথাযোগ্য বস্ত্র-অলঙ্কাৰ দিলে। আতপাচে শৰাইঘটীয়া যি গড়গ্রামলৈ গৈছিল সকলো কলীয়াবৰলৈ আহিল। গড়গঞা গড়গ্রামতে থাকিল ৺দেৱ সমন্বিতে। ১৯॥

**চুডেফা ৰজা বন্দী।**—কতদিন পাচে ৺দেৱে বোলে,—"অকল এক বুঢ়াফুকনে বঙ্গালক গড় এৰি বুঢ়াগোহাঁই, ফুকন সমস্তকে বন্দী কৰে,

সেয়ে তাকে পাতে। মই তুৰবাক বৰফুকন পাতিম। উপায়কৈ বুঢ়াফুকনক মাৰক। ইঠাইতে মই তায়েকক ধৰিম।” গড়গঞা সন্দিকৈৰ পুতেকক ফুকন পাতি ৺দেৱে কলীয়াবৰলৈ পঠালে। পাচে বুঢ়াফুকনৰ তায়েক তাওধৰাই ৺দেৱলৈ কৈ পঠালে, বোলে,—“মই ককাইক ধৰি দিম, মোক বৰফুকন পাতিব।” পাচে ৺দেৱে বোলে,—“মই তাওধৰাক বৰফুকন পাতিলোঁ, বুঢ়াক গুচালোঁ।” এই বুলি বুঢ়াফুকনৰ তায়েক মৰঙ্গী বৰবৰুৱাক গড়গাৱঁতে বন্দী কৰিলে। পাচে বৰবৰুৱা পলাই গৈ সকলো বৃত্তান্ত কলীয়াবৰত ককায়েকক কলেগৈ। আকে শুনি বুঢ়াফুকন গড়গাৱঁলৈ গৈ ১৬০১ শকত পৰ্ব্বতীয়া ৰজাদেৱক বন্দী কৰিলে। ২০॥

**চুলিকফা লৰাৰজা।**—পাচে বুঢ়াফুকনে চামগুৰীয়া চৈধ্য-বছৰীয়া সৰুগোহাঁইক আনি বৰনাওশালত ৰজা পাতিলে, নাম ললে চুলিকফা, হিন্দুমতে ৰত্নধ্বজ সিংহ, ১৬০১ শক, আষোনৰ পাঁচ দিন যাওঁতে বৃহস্পতিবাৰে। ন-জনা ৰজাৰ হাতে পৰ্ব্বতীয়া ৰাজাদেৱক মৰালে। লালুক বৰফুকনে তায়েক মৰঙ্গীক বৰবৰুৱা পাতিলে; লান্‌মাখৰুৰ সৰু-অভয়পুৰীয়া ৰাজখোৱা বন্দৰক ফুকন পাতিলে। লৰাৰজাদেৱে প্ৰথমে লেচাঙ্গত বাহৰ কৰিলে। বুঢ়াফুকনৰ জীয়েক বৰকুঁৱৰী হ'ল, বয়স পাঁচ বছৰ; তায়েক তাওধৰাৰ জীয়েক পৰ্ব্বতীয়া কুঁৱৰী হ'ল, বয়স বাৰ বছৰ। পাচে লেচাঙ্গৰ পৰা ৺দেৱ মেটেকালৈ আহিল। ২১॥

**বাঁহগড়ীয়া বুঢ়াগোহাঁই বধ।**—আতপাচে কলীয়াবৰত যি বুঢ়া-গোহাঁইক বন্দীকৈ থৈছিলে, ৺দেৱৰ আজ্ঞা কৈ বুঢ়াফুকনে বৰগোহাঁই-পৰীয়া খোনা গোহাঁই চাওডাঙ্গৰ বৰুৱা আৰু বৰপাত্ৰ বংশৰ বানচেঙ্গীয়া খামচং গোহাঁই, এই দুইক পঠাই, সলাল বৰগোহাঁইৰ বাৰীতে আষোণৰ শুক্লা দ্বিতীয়াৰ দিনা বুঢ়াগোহাঁইক কলীয়াবৰত সবংশে মাৰিলে। ককায়েক নাওবৈচা ফুকন, ভতিজাক, আৰু পুতেক লন্‌থাম ডেকাকো মাৰিলে। ২২॥

**ৰাজবেশে বুঢ়াফুকন।**—আতপাচে বুঢ়াফুকনৰ ঠাইলৈ পাৎচাৰ বেটা আজমতৰাই হাতৰ পঞ্জা নিছান দি কাকত দি পঠালে, বোলে,—

" তোমাৰ ৰজাক ধৰি দি পঠোৱা, তিনিজনা ডাঙৰীয়াকো। আৰু তোমাৰ যি দোচ্‌মন আছে তাকো ধৰি দি পঠোৱা। এতেকে তোমাৰ সকলো কুশল হব। বিশেষতঃ তোমাকে অচমৰ ৰাজ্যৰ ৰজা কৰিম। তোমাৰ কাক ভয় আছে?" আমাৰ কটকী চলাৰ মাধচৰণ আৰু বহুৱে অনা বঙ্গালৰ পৰা বঙ্গাল-কটকী গোবিন্দৰামে এই চিঠি আনিছিল। সেই কটকীক ফুকনে তোলোঁতে মহাৰাজে যি চন্দ্ৰতাপেৰে উকীল তুলিছিল তাকে ৰজাৰ ভণ্ডাৰৰ পৰা আনি ওপৰত সেই চন্দ্ৰতাপ তৰি ৰজাই পিন্ধা বস্ত্ৰ-অলঙ্কাৰ পিন্ধি সেই চন্দ্ৰতাপৰ তলত বহি মেটেকাৰ ঘৰত সেই বঙ্গালৰ কটকী তুলিলে। ২৩॥

বুঢ়াফুকন বধ।—আতপাচে একদিন ৰৰদেওধায়ে ৺দেৱত ক'লে, বোলে,—"শদিয়াত মানুহৰ বলি দিব লাগে, ৰাজ্যৰ দুখ সুগুচে।" ৺দেৱে বুঢ়াফুকনক মানুহ বিচাৰিব দিলে। এদিন বুঢ়াফুকনৰ ঘৰত বনৰীয়া ভালুক এটা সোমাইছিল। বুঢ়াফুকনৰ লগত থকা নগএগ্ৰা ভোটায়ে সেই ভালুকক তৰোৱালেৰে খোঁচ মাৰি মাৰিলে। ভোটাইৰ এনে সাহ-পিত দেখি বুঢ়াফুকনে তাক শদিয়াৰ দেওঘৰত বলি দিবলৈ মন কৰিলে। ইয়াতে ফুকনৰ লগৰ মাধৱ তামুলী, আযোগা কছাৰী আৰু ভোটায়ে আলচ কৰি, বোলে,—"বছৰি দেওলৈ ভাল মানুহবোৰ দিব লাগিলে হেন্দুৰ ভাল মানুহ কেনেকৈ ৰব?" এই বুলি তিনিওটাই যোত্ৰ হৈ ৰাতি বুঢ়াফুকনক খাটতে খুঁচি মাৰিলে, ১৬০২ শকত আষোণৰ দহ দিন যাওঁতে মঙ্গলবাৰে ৰাতি। আজৰা, থোলোকা, জগৰা, এই তিনি পুতেককো মাৰিলে। ৺দেৱে দিহিঙ্গীয়া আলন বুঢ়াক বৰবৰুৱা পাতিলে আৰু লান্‌মাখৰুৰ বন্দৰক বৰফুকন পাতিলে। ২৪॥

দেশান্তৰী গদাপাণি।—শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ মহাৰজাৰ বংশ শ্ৰীশ্ৰীমৎ গদাধৰ সিংহ মহাৰজা তিংখাং নামে গ্ৰামত উত্তৰ হৈ দুই ভায়েকৰ অৰ্দ্ধ-বৰিষ গ'ল। সেই কালতে চামগুৰীয়া লৰাৰজা, মোমাই-তামুলী বৰবৰুৱাৰ পুত্ৰ লালুকী বৰফুকন, সকপুত্ৰ মৰঙী বৰবৰুৱা, এই সকলো মেটেকাত থাকিতে ৰজাৰ বংশত বিচাৰ লাগিলত ভয় হৈ

ঘৰ-বাৰী, ভাৰ্য্যা-পুত্ৰ এৰি পলাই উত্তৰ-দক্ষিণ, পৰ্ব্বত-হাবি, নানা গ্ৰাম, দেশ-বিদেশত ফুৰিল। এনেতে লালুকসোলা বুঢ়াফুকনক নগঞা শইকীয়া ভোটায়ে খুঁচি মাৰিলে, স্বৰ্গদেৱে লান্‌মাখৰুৰ বন্দৰক বৰফুকন পাতিলে। তাতপাচে লান্‌মাখৰুৰ বৰফুকন, গড়গঞা সন্দিকৈৰ পুতেক নেওগফুকন, পেলন বৰবৰুৱাৰ পুতেক খাম্‌ৰাক চাৰিঙ্গীয়া ফুকন, লাইথেপেনা বৰগোহাঁই, এইসকল কলীয়াবৰলৈ বঙ্গাল মাৰিবলৈ বুলি গ'ল। ২৫॥

**দক্ষিণপাট সত্ৰত গদাপাণি কোঁৱৰ।**—পূৰ্ব্বে বুঢ়াফুকনৰ ভয়ত দুইজনা গোহাঁইক নগাচাঙ্গত থৈছিল। গৰ্ভে সহিতে আইকুঁৱৰীদেৰ শাস্তিতে মৰিলে। * গদাপাণি কোঁৱৰে এনে দুখেৰে ফুৰি পাচে ৰাজমাই ভাগৰ ৰবাটেকেলা শিলমণীয়া নিৰণ, ধনুচোঁচা ৰামধন, এই দুইক লগত সহায় লৈ গড়গঞা সন্দিকৈ-ফুকন, পেলন বৰবৰুৱাৰ পুতেক চাৰিঙ্গীয়া ফুকন, এই দুইজনাৰ সম্মতেৰে উত্তৰকোলৰ কলাবাৰীত দক্ষিণপটীয়া চোট বনমালী বাপুৰ সত্ৰত থাকিল। তাঞো সম্মত দিলে লান্‌মাখৰু চেটিয়াৰ নাতি বন্দৰ বৰফুকনক বুজাবৰ কাৰণে। তাঞি কথা-ভৰসা নিদিলে, আপোনাৰ সেৱক চামগুৰীয়া ৺ নষ্ট যায় হেন দেখি। সামান্যৰূপে বোজ-বাজ দি সোধা-পোচা কৰি উদাসীনৰ হাটীৰ বাজে ৰাখিলে। তাতে থাকিতে সমস্ত দেখিলে ভকতৰ ঐশ্বৰ্য্য। ফুকন, ৰাজখোৱা, হাজৰিকীয়া শইকীয়া, বৰা পৰ্য্যন্তে ভকতৰে পৰা হৈ যায়; সোণাৰী, কমাৰী, বহু বৃত্তিয়াল আদি। সমস্তে ৰাজ-অলঙ্কাৰ আছে, একল কেঁকোৰা-দোলা, হাতী, দুই মাত্ৰ নাই। এবং ক্ৰমে আউনীআটী প্ৰমুখে সমস্তে সত্ৰতে বুজিলে। পাচে চোট বনমালী বাপুত ভৰসা নেপাই আপুনি আগবাঢ়ি কলীয়াবৰলৈ গৈ গড়গঞা সন্দিকৈ-ফুকন, চাৰিঙ্গীয়া ফুকন, এই দুইজনাত আশ্ৰয়ে বন্দৰ বৰফুকনক উপায়-মন্ত্ৰণাৰে বশ্য কৰিলে। ২৬॥

* আক এখন বুৰঞ্জীত সতী জয়মতীৰ সম্পৰ্কে এইদৰে আছে,—"সেইবেলা বৰফুকনে মহাৰাজাত জনাই বাইগড়ীয়া গোহাঁইৰ দুই ভায়েকক কলীয়াবৰত মৰালে। তাতপাচে ৰজাৰ কোঁৱৰ বিধনি পায়ধানে বিচাৰি মাৰিলে। বুঢ়াৰজাক বিচাৰি নাপাই ঘৰণীয়েকক পাই শাস্তিতে মাৰিলে।"—সম্পাদক।

**কলীয়াবৰত গদাপাণি ৰজা বৰণ।**—এনেতে লালুক বৰফুকনৰ ভায়েক ভাতধৰায়ে গুৱাহাটীলৈ গৈ মনছুৰ-খাঁত কিছু লোক-লস্কৰ খুজিলে, বোলে,—"মই আহমক মাৰি নিশঙ্ক কৰি দিওঁ।" নবাবে ভাতধৰাক ঢকাৰ আজমতৰা চুলতানৰ তালৈ পঠিয়ালে। ভাতধৰায়ে অনেক প্ৰাৰ্থনা কৰিলে। পাৎচাজাদায়ে বোলে,—"ভাল, তই এখান থাক, পাচে মই যি হয় বুলিম।" ভাতধৰায়ে তাতে থাকিল। আতপাচে কলীয়াবৰীয়া ফুকনবোৰে আলচ কৰি বঙ্গালক গুৱাহাটীত ধৰোঁগৈ বুলি বুঢ়াগোহাঁই, বৰবৰুৱা, ফুকন, হাজৰিকীয়া, সবাকো কলীয়াবৰলৈ নিলে। বৰপাত্ৰ-গোহাঁই, মৌপিয়া ফুকন, এই দুই মাত্ৰ ৰজাদেৱৰ লগত আছিল। কলীয়াবৰীয়া আৰু গড়গঞা ডাঙ্গৰীয়া, ফুকন, ৰাজখোৱা, হাজৰিকীয়া, সমস্তে যেখন একঠাই হ'ল তেখন সকলোৰে যুক্তি হ'ল, বোলে,—"অসামৰ্থ ৰজায়ে কিকৈ ৰাজ্য ৰক্ষা কৰিব? সামৰ্থ হলেহে ৰাজ্য ৰাখিব পাৰিব।" এই বুলি আলচি, ১৬০৩ শকত শাওণৰ কুৰি দিন যাওঁতে বৃহস্পতিবাৰে আঠাৰে দণ্ড বেলি হ'লত তিংখঙ্গীয়া বুঢ়াৰজা শ্ৰীশ্ৰীগদাধৰ সিংহ মহাৰজাক কলীয়াবৰত ৰজা পাতিলে। পাচে সকলো উজাবলৈ ধৰিলে। পাচে চোট বনমালী বাপুৰে আগবাঢ়ি আহি বৰফুকনক বুজাই ওলোটাই ৰাখিবলৈ ধৰিলে। সেই শাওণৰ ২৭ দিন যাওঁতে বৃহস্পতিবাৰে চাৰি দণ্ড ৰাতি আছোঁতে উজাই আহি ক্ৰমে গড়গাওঁ পালেহি। গড়ৰ ভিতৰত পদুম-পুখুৰীৰ পাৰত থাকি চামগুৰীয়া লৰাটি স্বৰ্গদেৱক নামৰূপীয়া পাতোঁ বুলি নামৰূপলৈ নি মাৰিলে। * ২৭॥

* চক্ৰধ্বজ সিংহ স্বৰ্গদেৱৰ মৃত্যুৰ পাচৰ পৰা গদাধৰ সিংহ মহাৰাজৰ সিংহাসন আৰোহণলৈকে অসমত যি বিপ্লৱ হয় তাৰ সকলোখিনি কথা বিশদভাৱে একেঠাইতে পোৱা বৰ টান। এই কালতে তুংখুঙীয়া ৰাজবংশৰ কোঁৱৰ আহোম সিংহাসনত বহে। আৰু এই কালৰ ঘটনাৰ লগত পাচৰ ঘটনাবোৰৰ বিশেষ সম্বন্ধ। এই বিপ্লৱৰ বিৱৰণ শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ বুৰঞ্জীত নাই। সেই দৰে গদাধৰ সিংহৰ পৰা আৰম্ভ কৰি ৰুদ্ৰসিংহ, শিৱসিংহ আৰু প্ৰমত্তসিংহ স্বৰ্গদেৱৰ ৰাজত্বলৈকে এই ছোৱা বিৱৰণো দুৱৰা বৰবৰুৱাৰ বুৰঞ্জীত নাই। ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ পৰা মাথোঁ বৰবৰুৱাৰ বুৰঞ্জী আৰম্ভ হৈছে। "আৰম্ভণ" আধ্যাত দিয়া মাথোন যৎকিঞ্চিৎ সাৰাংশ বৰবৰুৱাৰ বুৰঞ্জীত পোৱা গৈছে। তুংখুঙীয়া ৰজাসকলৰ বুৰঞ্জী সম্পূৰ্ণকৈ বাহিৰৰ আগত ধৰি

# তৃতীয় অধ্যায়।

## স্বৰ্গদেৱ গদাধৰ সিংহ।

**স্বৰ্গদেৱৰ পাটত উঠে।**—সেইমতে ১৬০৩ শকত শ্ৰাৱণত শ্ৰীশ্ৰীগদাধৰ সিংহ মহাৰাজা ৰজা হ'ল। ফাগুনৰ ২১ দিন যাঞোতে শনিবাৰে মহাৰজাৰ পৰ্ব্বতৰ ঘৰত বজ্ৰপাত হ'ল। ২২ দিন যাঞোতে দেওবাৰে মহাৰাজ শিঙ্গৰিঘৰ উঠিল। সোমবাৰে ৪ দণ্ড আছোঁতে সিংহপীৰাত বহিল। ২৪ দিন যাঞোতে মঙ্গলবাৰে দহ দণ্ড বেলি হ'লত সিংহাসনত উঠিল। সিংহাসনত বহি নাম ললে চাওচুপাত্ফা। সেই দিনাএ গদাধৰ সিংহ নাম ললে। সেই নাম মজুন্দাৰে সুবৰ্ণৰ কাপেৰে লেখি পাত্ৰ-মন্ত্ৰী সমস্তকে শুনালে। ২৮ ॥

**অমঙ্গল।**—২৫ দিন যাঞোতে বুধবাৰে চুণপোৰাত মানুহ এটাক গকৰে নেজে মেৰাই ধৰিলে, পাচে লোকে একৱালে। চৈত্ৰৰ ১৬ দিন যাঞোতে লো-ভণ্ডাৰীক ঘৰৰে পৰা কিহবাই নিলে। ২৩ দিন যাঞোতে সোমবাৰে ২টা সূৰ্য্য ওলাইছিল, ৪ দণ্ড বেলি হ'লত। ১৬০৪ শকৰ বহাগত আওৰৰ কলে। ২৯ ॥

**শাস্তি বিধান।**—ভাতধৰাৰ দুই বাপেক-পুতেকৰ গাৰ মাংস কাটি খুৱালে। পুতেকৰ কুঠাৰেৰে হিয়া ফালি আগ-মাংস উলিয়াই বান্ধি বাপেকক খুৱালে। পাচে তাকো কাটিলে। আৰে ৰঙ্গহ অকা ফুকনকো কাটিলে। ইহঁতৰ যি বৈ-ৰঙ্গহ আছিল তাক বৰপাত্ৰৰ খেললৈ দিলে। ১৬০৪ শকৰ আহাৰৰ ২৭ দিন যাঞোতে সোমবাৰে ৰজাদেৱে দায় পাই অৰঙ্গ বৰগোহাঁইক মাৰিলে। আহিনা মুদৈৰ পুতেককো মাৰিলে। ৩০ ॥

ধৰাৰ মনেৰে কেৰাখনো আগৰ দিনীয়া পুৰণা বুৰঞ্জীৰ পৰা কথা গোটাই তাক জুকিয়াই যথাস্থানত থাপি দি, চক্ৰধ্বজ সিংহৰ মৃত্যুৰ পাচৰ পৰা প্ৰমত্তসিংহৰ ৰাজত্বৰ শেহলৈকে এই ছোৱা বুৰঞ্জী সঙ্কলন কৰি বৰ্ত্তমান বুৰঞ্জীত সন্নিবিষ্ট কৰি দিয়া হ'ল। প্ৰাচীন বুৰঞ্জীত নোপোৱা কোনো এটি বাক্য আমি এই ছোৱাত লিপিবদ্ধ কৰা নাই। সাঁচিপতীয়া পুৰণি অসম বুৰঞ্জীৰ বাহিৰে অন্যান্য সূত্ৰে লব্ধ কথাও আমি ইয়াত দিয়া নাই।—সম্পাদক।

**ইটাখুলিৰ ৰণ।**—আতপাচে ৺দেৱে তিনিজনা ডাঙৰীয়া ফা-ফুকনেৰে আলচ কৰি গুৱাহাটীৰ বঙ্গালক মাৰিব দিলে। সেই যুদ্ধলৈ যোৱা গড়গঞা ডাঙৰীয়া ১, দিলিহিয়াল লাঙ্গি বুঢ়াগোহাঁই ১, সলাল গোহাঁই চেংখাম ১, দিহিঙ্গীয়া আলুন বৰবৰুৱা ১, পিক্‌চাই হুলো ফুকন ১, লান্‌মাঞ্ৰু ফুকন ১, ভাটীৰ লান্‌মাঞ্ৰুৰ বন্দৰ বৰফুকন ১, খামং পানীফুকন ১, চাৰিঙ্গীয়া খাম্‌ৰাক ফুকন ১, দিলিহিয়াল বুঢ়াগোহাঁই-পোৱালি চেংৰাই ফুকন ১, লান্‌খেন্‌তৌৰ খাম্‌চিন্ ফুকন ১, আনো ৰাজখোৱা, হাজৰিকীয়া সমস্তে গ'ল। প্ৰথমে আমাৰ লোকে বাঁহবাৰী মাৰিলেগৈ। ৩১ ॥

**মণ্ডুৰ-খাঁৰ পৰাজয়।**—আতপাচে কাজলী মাৰিলে। বুঢ়াগোহাঁই, সলাল গোহাঁই, বৰফুকন কুকৰাত ৰহিলগৈ। পানীফুকন সহিতে আন ফুকনবোৰো দক্ষিণে সাঁউদৰ কোঁঠত ৰহিলগৈ। আৰু কুকৰা বাজ হৈ বৰবৰুৱা, ফুকন, দুইও ৰহিলগৈ। আৰু পিক্‌চাইৰ নাতিয়েক হুলো ফুকনো বাঁহবাৰীৰ পৰা লগ ললেগৈ। বৰনদীৰ মুখত বঙ্গালেও গছ-নাও আনি যুজিলেহি। আমাৰ লোকেও নাৱে খেদি ধৰিলেগৈ। বঙ্গালেও যুজে নোৱাৰি গছ-নাও এৰি সক নাৱেৰে পলাই গ'ল। বৰবৰুৱায়ে ইটাখুলি ললেগৈ। মণ্ডুৰ-খাঁ নবাবো ভাগি পলাল। ৰামসিংহৰ ভতিজাক দুটা পালে। আমাৰ লোকে পাচে পাচে খেদি নি মানাহা ঠেকালেগৈ। তাৰেপৰা আমাৰ লোক উজাই আহিল। পিতলীয়া বৰহিলৈ, লোৰ বৰ-সক হিলৈ, আনো অস্ত্ৰ-শস্ত্ৰ অনেক পালে। ধন-মানো, ঘোঁৰা, উট, বলধি, ম'হ অনেকো পালে। এইটো যুদ্ধত বিমান সম্ভাৰ পালে আগে একো যুদ্ধত পোৱা নাই। সেই বেলা মণ্ডুৰ-খাঁ নবাবেয়ো শ্যামসিংহ কটকীক পঠাইছিল। তাকো ৺দেৱে ৰাখি থলে। সি ই ঠাইতে মৰিল। ১৬০৪ শকত শাওণৰ দিনত এই যুদ্ধ জিনিলে। ৩২ ॥

**ডাঙ্গৰীয়া আৰু বিষয়াৰ ষড়যন্ত্ৰ।**—পুহৰ ৫ দিন যাওঁতে বুধবাৰে বৰদুৱাৰত মৌএ বাহ ললে। ২৬ দিন যাওঁতে বুধবাৰে ৰজাদেৱে তিংখাঙ্গত পুখুৰী খানিলে। ২৪ দিন যাওঁতে সোমবাৰে সন্দিকৈৰ নেওগে বিহপৰুৱা ফুকনে বাঁহবৰীয়া ৰামকৃষ্ণাই কটকীজকৈ বৈ

আহিল, বোলে,—"বঙ্গৰ বৰফুকনৰে ফুল বকৰাৰ পুতেক পানীফুকনৰে মন বিধাৰণ।" গড়গঞা সন্দিকাইৰ ফুকন ১, চাৰিঙীয়া ফুকন থাম্‌থাক ১, দিলিহিয়াল বুঢ়াগোহাঁই কৈদীয়া চেংবাই ফুকন ১, খেনুভোৰ কৈদীয়া লেচাইৰ পিতেক খাম্‌চিন ফুকন ১, এই চাৰিয়ে আলচ কৰি দুই ফুকনে ৰাজাক দ্রোহ কৰিবলৈ মন কৰে হেন জানি দুইকো ৰথা-চকা দি খৈ ৺দেৱলৈ জনাই পঠিয়াই দিলে। এই কথা চৰাইদেৱৰ সময়ত পর্ব্বতৰ ঘৰত জনালেহি। ৺দেৱে এই কথা শুনি দুই ফুকনক উজাই আহিব দিলেগৈ। গুৱাহাটীৰ বৰফুকনকে, পানীফুকনকে উজাই আহিব দিলেগৈ। গুৱাহাটীৰ বৰফুকনকে, পানীফুকনকে উজাই আনি গড়গাওঁ ঠেকালেহি। ৺দেৱে তিনিজনা ডাঙৰীয়াক সুধিব দিলে। ৺দেৱৰ আজ্ঞাৰে তিনিজনা ডাঙৰীয়ায়ে হোলোঙ্গৰ আগৰ চ'ৰালৈ দুই ফুকনক আনি বিধান হয় সোধা-পোছা কৰিলে। দুই ফুকনেও ঘাটি ললে, বোলে,—"আমাৰ অপৰাধক চাই মাৰি-কাটি পেলাবহে লাগে। ৺দেৱ ৰজাতো সাতামপুৰুষীয়া বন্দী, যেইখান কৰে।" পাচে ৺দেৱে শুনি ডাঙৰকপে দায় ধৰিলে। বৰপাত্র-গোহাঁই, বৰগোহাঁই, বুঢ়াগোহাঁই, বৰবৰুৱা, মৌপিয়া ফুকন, হুলৌ ফুকন, কিৰ্কিৰিয়াৰ পুতেক তাঙ্কেং ফুকন, এই সকলে ৺দেৱৰ চৰণত মাতিলে। ১৬০৫ শকৰ বহাগৰ তিনি দিন যাওঁতে দেৱবাৰে চাৰি দণ্ড বেলি আছোঁতে ৺দেৱে বৰফুকন, পানীফুকন, দুইৰো দায় ক্ষমা কৰি ঘৰলৈ খেদিলে। সন্দিকৈ নেওগক বৰফুকন পাতিলে। লালুকীৰ কৈদীয়া ভেৰাক ফুকন পাতিলে। দিহিঙ্গীয়া লাখেং ফুকনৰ পুতেক ভকতিক পানীফুকন পাতিলে। ৩৩॥

**তিংখাঙ্গত পুখুৰী।**—১৬০৬ শকৰ আঘণত তিংখাঙ্গত পুখুৰীৰ যজ্ঞভূমিত হাল বালে। পুখুৰী উৎসর্গালৈ আউনীআটীয়া, বেঙ্গেনাআটীয়া, কাটনীপৰীয়া, তিনিজনা মহাজনক জনাই পুখুৰী পাৰত সভা কৰাই নাগ পুতিলে। উছৰ্গি নাম থলে বৰহদৈ। চ'তত বৰদুৱাৰত শিল-ইটা লগাই বন্ধালে, একালে আমাৰ মানুহে, একালে বঙ্গালে। ১৬০৬ শকৰ জেঠৰ ১৩ দিন যাওঁতে দেৱবাৰে বৰহোলোঙ্গত সিংহাসনত ৰৰঢাক তুলিলে। ৩৪॥

**পুনৰ ষড়যন্ত্ৰ।**—আতপাচে চেংবাই ফুকন ১, খামৃবাক ফুকন ১, খেন্তোৰ খামৃচিন ফুকন ১, পানীফুকন ১, এই চাৰিয়ে আলচি ৺দেৱক দ্ৰোহ কৰিবলৈ মন কৰিলে। এই কথা বৰফুকনে জানি চাৰিও ফুকনৰ মানুহ-দুনুহ গুচাই ৰখা-ঢকা দি বন্দী কৰি থলে। এই আলচৰ ভিতৰ গড়গঞা মানুহ, দিলিহিয়াল বুঢ়াগোহাঁই, হলৌ ফুকন, আনো হাজৰকীয়া দুই-চাৰি। পাচে ৺দেৱে এই কথা শুনি তিনিজনা ডাঙৰীয়া, ফুকন-ভোৰেৰে আলচ কৰি ৺দেৱ ভটীয়াই গ'ল। গজপুৰত দুৰাতি থাকি মানুহ-দুনুহ যুগুত কৰি উত্তৰে-দক্ষিণে চামধৰা-গড় লব দিলেগৈ। আৰু ৺দেৱে বোলে,—“উত্তৰে চাৰিং-ৰজা, বৰপাত্ৰ-গোহাঁই, বৰচেটিয়া-বৰবৰুৱা, দুৱৰা-ফুকন; দখিণে বৰগোহাঁই, হলৌ ফুকন; বালিত নাওবৈচা ফুকন।” এই ক্ৰমে পাক্ষিলে। সকলো গৈ চামধৰা-গড়ত ৰহিলগৈ। পাচে ৺দেৱো চামধৰা-গড় উজনিতে, লোহিতৰ দখিণে বালিত ঘৰ সাজি ৰহিলগৈ। তাতে কতোদিন থাকি মন্ত্ৰণা কৰি উজাই কলীয়াবৰলৈ আহি বুঢ়াপাঁচনি ১, কলীয়া কটকী ১, বৰপাত্ৰ-গোহাঁইৰ টেকেলাবৰা কিচ ১, বৰগোহাঁইৰ আহম ষখৰীয়া ১, বৰবৰুৱাৰ দিহিঙ্গীয়া মাজি ১, এই-সকলক পঠাই বৰবৰুৱাৰ ভায়েক পানীফুকনক বুধি কৰি উজাই আনিলে। আৰু পাচতে বৰফুকনে খামৃবাক ফুকনকে, চেঙ্গবাই ফুকনকে, এই দুই ফুকনক ধৰিলে। ধৰা দুই ফুকনক নাৱে উজাই দি পঠালে। বৰফুকনো তৰে উজাই আহিল। ৺দেৱৰ লগ পালেহি। ৺দেৱ কলীয়াবৰলৈ আহি কলঙ্গৰ কাষৰত থাকোঁতে বুঢ়াগোহাঞিক ঘৰলৈ খেদিলে। কুঁৱৈগঞা ল'ৰা মৌ গোহাঞিক বুঢ়াগোহাঁই পাতিলে। দুই ফুকনকো উজাই লৈ পালেহি। হাতীশালত লোহা লগাই থলে। পানীফুকনক বৰবৰুৱালৈ চাই নামাৰি ঘৰলৈ খেদিলে। বৰবৰুৱাৰ লুচায়েকৰ পুতেক তাঙ্কেতক পানীফুকন পাতিলে। ১৬০৭ শকত আষাঢ়ত খামৃবাক, চেংবাই, দুই ফুকনক মাৰি কলাপটুৱাৰ ভূৰত শালত বহুৱাই ডিঙিত তামোল-হাঁচটি দি লুইতত উটাই পঠিয়ালে। ৺দেৱো উজাই গড়গাৱঁলৈ আহিল। ৩৫॥

**স্বৰ্গদেৱৰ গড়গাওঁ প্ৰত্যাগমন।**—সেই সময়ত কলীয়াবৰত

থাকোঁতে নামডঙ্গীয়া ফুকনৰ মানুহ বৰফুকনক আদিকৈ পাঁচো ফুকনক বাটি দিলে। তাৰে পৰা গুৱাহাটীত ফুকন পাঁচোটিহে হ'ল। আৰু দুলো ফুকনে বৰফুকনৰ লগ নলবৰ শুনি ভাঙ্গি ঘৰলৈ খেদিলে। তাৰ সলনি লাহন বাজনেওগক ডেকাফুকন পাতিলে। পাচে ৰজাদেৱে ৰং-আনন্দ কৰি দিনাচাৰেক থাকি কলীয়াবৰৰ বাহৰৰ মনপুৰ নাম দিলে। আৰু বৰফুকনক আদিকৈ পাঁচো ফুকনক বটা-প্ৰসাদ দি বিদায় দিলে। পাচে মহাৰাজা গড়গাৱঁলৈ উজাই আহিল। ৩৬॥

**বিদ্ৰোহী দমন।**—১৬০৬ শকৰ ফাগুনত বৰফুকনে নামডঙ্গীয়া ফুকনক বিচাৰি পাই লোৰা লগাই বন্দী কৰি থৈ মহাৰাজালৈ জনাই পঠালে। পাচে ৰজাদেৱে দোলাকাখৰীয়া বৰা, চাওডাঙ্গৰ বৰা, দা-ধৰা বৰা, এই তিনিক পঠাই নামডঙ্গীয়া ফুকনক অনাই চ'তৰ ৯ দিন যাওঁতে শনিবাৰে ৰজাহাটত টঙনিয়াই মাৰি শালত দি থলে। ১৬০৭ শকৰ জেঠৰ ১ দিন যাওঁতে ৰজাদেৱে ৰাজ্যক বাচ খুৱালে। ৩৭॥

**বৰবৰুৱাৰ বিদায়।**—বৰবৰুৱাৰ ভাএক পানীফুকনৰ পৰা বৰ ভাঙৰ অসন্তোষ পালে। তাক মাৰিবাক মনে বৰবৰুৱাক ভাঙিবলৈ মন কৰিলে। জীয়েক পৰ্ব্বতীয়া আইকুঁৱৰীকো ভাঙ্গিলে। জেঠৰ ২৯ দিন যাওঁতে পুৱাৰ চোপৰ মৰাত ওলাই আহি লুকলুকানৰ চ'ৰাত বহি কাণ্ডী, বাকৰতী, হিলৈদাৰী দি চাৰিং-ৰজাক চুণপোৰা দুৱাৰত থলে; দুৱৰাৰ দিহিঙ্গীয়া ফুকনক বৰদুৱাৰত থলে; কঠালবৰীয়া দোলাকাখৰীয়া বৰুৱাক মেঘাই দুৱাৰত থলে। পাচে ৰজাদেৱে খামুনৰ পুতেক চাউডাঙ্গৰ বৰুৱাক বৰবৰুৱাৰ ঘৰলৈ পঠালে, বোলে,—"ক'গৈ, মঞি আজি বৰুৱাক ঘৰলৈ বিদায় দিলোঁ। আৰু একৈদ মানুহ লৈ যা, বৰুৱাৰ ঘৰৰ কুটাডাল পৰ্য্যন্ত বৰুৱাৰ ঘৰত দিব নি। কাণ্ড-বাৰ, হিলৈ, দা-তৰোৱাল যি আছে তাক নিনিব। আৰু বৰবৰুৱাৰ লগৰ দিহিঙ্গৰ তিনি-শ কাণ্ডীক মোৰ এখেলৈ পঠাগৈ।" এইৰূপে শিখাই তাৰ লগত চাউডাঙ্গৰ বৰা, দোলাকাখৰীয়া বৰা, দা-ধৰা বৰা দি পঠাই দিলে। সিহঁতো গৈ বৰুৱাৰ লগৰ দিহিঙ্গীয়া কাণ্ডী তিনি-শ, শইকীয়া তিনিটা

সহিতে চাউডাং বৰা এটা দি পঠাই দিলে। পাচে চাউডাঙ্গৰ বৰুৱাও বৰবৰুৱালৈ কৈ পঠালে, বোলে,—"ওলাই আহোঁক, দেৱতাৰ কথা শুনিব লাগে।" এইৰূপে জনালত বৰুৱা বৰ ভয়যুক্ত হৈ চাউডাঙ্গৰ বৰুৱালৈ কৈ পঠালে, বোলে,—"দেৱতা যদি মোক কোনোখান কৰিব দিছে, কৈ আহোঁক, মঞি সাৱধান হব লাগে। মিছাকৈ নকব, যদি মিছা কয় ধৰ্ম্মত ঘাটিব।" চাউডাঙ্গৰ বৰুৱা কৈ পঠালে, বোলে,—"কিছু ভয় নকৰিব; দেহৰ কিছু নাই। যদি কোনোখান হুব, মঞি ধৰ্ম্মত ঘাটিম।" এই কথা শুনি বৰবৰুৱা ওলাই আহি বোলে,—"মোক নো দেৱতাৰ কোন আজ্ঞা হুইছে?" এই বুলি দেৱতাৰ আজ্ঞা শুনিবলৈ মাটিত আঠু পাৰিলে। চাউডাঙ্গৰ বৰুৱাও আঠু পাৰিলে। দেৱতাৰ আজ্ঞা কলে, বোলে,—"বৰুৱাক আজি মঞি ঘৰলৈ বিদায় দিলোঁ। আৰু একৈদ মানুহ দিছে—ঘৰৰ যি বস্তু যতে আছে, সমস্তেখানি কঢ়িয়াই দিহিঙ্গৰ ঘৰত দিব দিছে নি। আহিলা-পাতি যি আছে, তাক দি যাব দিছে।" এই কথা শুনি বৰবৰুৱা চাউডাঙ্গৰ বৰুৱাত সুধিলে, বোলে,—"মঞি ভিতৰলৈ গৈ আহিব খোজোঁ, যাব পায় নাপায়?" চাউডাঙ্গৰ বৰুৱা বোলে,—"ভাল, যাউক, কিন্তু সতকাই আহিব।" বৰুৱা ভিতৰ সোমাই গৈ কিছুমান থাকি ওলাই আহি ৰূপ এসেৰ, সোণৰ কেকএৰে কাপৰ এসাজ চাউডাঙ্গৰ বৰুৱাক দিলে। কেক-কাপৰ লৈ ৰূপ সেৰ ওলোটাই দিলে। আৰু বৰাইঁতলৈকো চাৰি টকাকৈ ৰূপ, কাপোৰ একোসাজ দি ঘৰৰে পৰা দেৱতালৈ সেৱা কৰিলে। পাচে বৰুৱা দিহিঙ্গৰ ঘৰলৈ ওলাই গ'ল। চকী-হাট পাইছেগৈ, এনেতে চাউডাং বৰা এটা লৰি গৈ বৰুৱাৰ আগত গৈ ৰ'লগৈ। পাচে বৰুৱা কিছু ভয় হৈ সুধিলে, বোলে,—"চাউডাঙ্গৰ বৰা, কি হৈছে?" সি বোলে,—"দেৱতাৰ আজ্ঞা হৈছে, বোলে, বৰুৱাৰ ক'লা ঘোঁৰাটো যে আছে, তাতে উঠি বৰুৱা ঘৰলৈ যাউক। তাক ৰাখিব, মোৰ আগতে ঘোঁৰা উঠিব দিছে।" তাক ৰূপ পাঁচ টকা দিলে। পাচে ঘোঁৰা অনাই তাতে উঠি গ'ল। জেঠৰ ৩০ দিন যাওঁতে শুক্রবাৰে লাহন ফুকনক বৰবৰুৱা পাতিলে। আৰু বৰবৰুৱাৰ

তায়েক পানীদিহিঙ্গীয়া ৰাজখোৱাক তাজি খামোনৰ পুতেক চাউডাঙ্গৰ বৰুৱাক ৰাজখোৱা পাতিলে। লাওকলিখোৱাক পানীফুকন তাজি তিংখঙ্গীয়া দোলাকাষৰীয়া বৰুৱাক পানীফুকন পাতিলে। ৩৮ ॥

**ভগা-বৰবৰুৱাৰ ৰাজভক্তিৰ প্ৰমাণ।**—১৬০৭ শকৰ ভাদৰ চাৰি দিন যাওঁতে চাৰিং-ৰজা পঁচা হেনকৈ সোণৰ কেকএৰে একোসাজ কাপৰ দি ভগা-বৰবৰুৱাৰ তলৈ, এটা ভায়েক ভগা-পানীফুকনৰ তলৈ বিশ্বাসে পঠাই দিলে, বোলে,—"চাৰিং-ৰজায়ে কেক-কাপৰ দি কৈ আছিছে—বৰুৱা মোৰ লগত সহায় ভজোঁক, মঞি ৰজা হওঁ।" এই কথা শুনি ভগা-বৰবৰুৱা সেই মানুহক ধৰি-বান্ধি দেৱতাৰ ঠাইলৈ দি পঠাই, বোলে,—"স্বৰ্গদেৱৰ চৰণত মই নিষ্কাম সেৱক। স্বৰ্গদেৱে যেইৰূপে থৈছে সেইৰূপে আছোঁ। দেৱতাক চিন্তি চাৰিং-ৰজা যে পাঁচিছে বুলি কৈছে, আকো দেৱতাহে বিচাৰ কৰোঁতা। আৰু স্বৰ্গদেৱে মঞি বন্দীক কাটিব-মাৰিবলৈ ইমান যত্ন কৰিব নেলাগে। পূৰ্ব্বেনো একাথাৰ বচন সুবুলি বন্দীক কিলৈ খেদি পঠালে?" ৩৯ ॥

**পানীফুকনৰ দ্ৰোহ-ভাৱ।**—ভগা-পানীফুকনতো সেইৰূপে কেক-কাপৰ দি কলে, বোলে,—"ভাল, বঁটাকো পিন্ধিম, স্বহায়ো ভজিম। দেৱে মন কৰোঁক।" সেই মানুহ আহি মহাৰাজাত এইৰূপে কলেহি। পাচে ৰজাদেৱে বোলে,—"বৰুৱাৰ মন শুদ্ধ।" এই বুলি পানীফুকনক ঘৰৰ পৰা আনি হাতীশালত বন্দী কৰি থৈ ৰজাদেৱে বোলে,—"পূৰ্ব্বেই মোক অনিষ্টক আচৰিলে, তেতিয়া আৰু মাৰিব লাগিল, নামাৰি ৰাখিলোঁ। ইতিয়াও দেখোঁ আশয় সেইএহে।" এই বুলি আহিনৰ তিনি দিন যাওঁতে সোমবাৰে ৰজাহাটত চেপি মাৰিলে। ৪০ ॥

**বিবিধ ঘটনা।**—সেই শকৰে ফাগুনৰ ৮ দিন যাওঁতে শুক্ৰবাৰে ৰজাদেৱে পৰ্ব্বতৰ ঘৰ উঠিল। কাতিৰ ২৯ দিন যাওঁতে দেৱবাৰে ভগা মৰঙ্গি বৰবৰুৱাক ঘৰৰ পৰা আনি মাৰিলে পূৰ্ব্বৰ দ্ৰোহক নিমিত্ত কৰি। ১৬০৮ শকৰ পুহত ৰজাদেৱে টায়কেদি গৈ দিচৈৰ কাষৰত বাহৰ কৰি হোলোঙ্গাপাৰত হাতী ধৰিলে। সেই শকতে টোকোলাইত

বচা পাতিলে। ১৬০৯ শকৰ পুহত কুঁৱৈগঞা মৌ বুঢ়াগোহাঁইক পঠাই ঢুৱলীয়া মানুহ লগত দি চামধৰা-গড় বন্ধালে। ১৬১০ শকৰ কাতিৰ ২ দিন যাওঁতে শনিবাৰে ৬ দণ্ড বেলি হ'লত বৰকলাত ঘৰ উঠিল। সেই কাতিতে উত্তৰকোলৰ বেবেজীয়া আনি টোকোলাইত পাতিলে। সেই শকৰ ফাগুনত সকলো সত্ৰৰ উদাসীনক বাখি স্ত্ৰী-লাগ ভকতক গুচালে। ১৬১১ শকৰ চৈত্ৰত ৰজাদেৱো নপৰিয়া পৰিল। পাচে সুস্থ হ'ল। ১৬১২ শকৰ পুহৰ ১২ দিন যাওঁতে শুক্ৰবাৰে ২ দণ্ড নিশা আছোঁতে ৰজাদেৱে যাত্ৰা কৰি সলালৈ গৈ ১০৮ শত ব্ৰাহ্মণৰ হাতে বিশ্বনাথত জপ-হোম কৰালে। কাত্যায়ন ভট্টাচাৰ্য্যে, মুকলিমুৰাএ তিলে-কুশে উছৰ্গি এশ ব্ৰাহ্মণৰ আয়ু দিলে। মাঘৰ ৯ দিন যাওঁতে বুধবাৰে ৰজাদেৱ গৰ্গাৱঁলৈ উজাই আহিল। ৪১ ॥

**মিৰি বিদ্ৰোহ দমন।**—আতপাচে শদিয়াত মিৰিয়ে ৰূপ-সন্দিকৈৰ ঘৰত জুই দি লৰালুৰি পুৰি মাৰিলে। গোহাঁই পলাই এৰাল। আন মানুহ দুশ কাটিলে। এই কথা ৺দেৱে শুনি মৌপিয়া ফুকনক মিৰিক মাৰিবলৈ পঠালে। ফুকনেও মিৰিক মাৰিবলৈ গৈ দুই-চাৰি কাটি মুণ্ড আনিলে। লৰা-তিৰোতাও ভালেটি আনিলে। দা, জকা, মেঠন ভালেটি পালে। ৺দেৱৰ আজ্ঞাৰে ফুকনে আমাৰ মানুহৰ গাৱঁৰ ভিতৰ কৰি মাটি-গড় বান্ধিলে; দুৱাৰ দিলে; ইমুৰে-সিমুৰে ব্ৰহ্মপুত্ৰত লগাই বান্ধি আহিল। মানুহ-দুমুহ, বস্তু-জাত যি পালে তাকো আনি ফুকনে ৺দেৱক সেৱা কৰিলেহি। ৺দেৱে বিহ গোহাঁইক বোলে,—"তই ৰূপ-সন্দিকৈৰ লগত কিয় ভৰ নিদিলি?" এই দায় ধৰি বিহ গোহাঁইক মাৰিলে। ১৬০৯ শকত শাওণত ৺দেৱে দায় ধৰি কানু গোহাঁইক ৰূপ-সন্দিকাই ভাজি মিৰি-সন্দিকৈ কৈদীয়া কাণ্ডী ডেকাক ৰূপ-সন্দিকৈ পাতিলে। ৪২ ॥

**কোঁৱৰ পোহা।**—আতপাচে দিলিহিয়াল বুঢ়াগোহাঁইৰ ঘৰ-বন্দী চুঙ্গামুৱায়ে গোচৰ দিলে বুঢ়াপাঁচনিত কৈ বোলে,—"বুঢ়াগোহাঁয়ে দিচৈয়াল কোঁৱৰক বোজ-বাজ দি পুহিছে। এই কথা গোহাঁইৰ বৈ-বজহসকলে জানে।" এই কথা শুনি ৺দেৱে গোহাঁইৰ ভাই-পো সকলকে ধৰি

আনি হাতীশালত বন্দী কৰি থৈ সোধ-পোছ কৰিলে। বুঢ়াগোহাঁইতো সুধিব দিলেগৈ ই কথা হয় নহয়। গোহাঁয়ে বোলে,—"ই কথা মিছা, মই নাজানোঁ।" পাচে ৺দেৱে বোলে,—"তাৰ বৈ-বঙ্গহে কৈছে, বন্দীয়ে কৈছে, তেৱো যে মিছা মাতে। এনে মানুহক থবলৈ ভাল নহয়।" এই বুলি ১৬১২ শকত বহাগত লাঙ্গি বুঢ়াগোহাঁইক ঘৰতে মাৰিলে; বৈ-বঙ্গহকো মাৰিলে। বৰগোহাঁইৰো বঙ্গহ লাতুং গোহাঁইৰ পুতেক তাঞ্চেক কলীয়া আৰু ভাই-পো গোটাচাৰেক, মেতেকাতলীয়া দুটা, সকলকো বাঁহগড়াতে মাৰিলে। তিনি মাহৰ পাচত দিবৈয়াল কোঁৱৰৰ দুই ভায়েক আপুনি ওলালহি, বোলে,—"আমাক কেৱে পোহা নাই, কেৱে নাজানে, লোকৰ ঘৰে-ঘৰে মাগি খাই ফুৰোঁ; দিন হলে হাবিত, ৰাতি আহমৰ মৰিশালিত থাকোঁ। আমাৰ অৰ্থে লোকক কিয় মাৰে? লোক মাৰ যাবৰ দেখি আপুনি ওলালোঁহি।" পাচে সেই দুই কোঁৱৰ স্বৰ্গদেৱে বাঠি-পোতাত মাৰিলে। ৪৩॥

**সকসুৰা ঘটনা।**—১৬১২ শকত আঘণত ৺দেৱে আপুনি গৈ চেউনীত বচা পাতিলে, নাম দিলে লাইবচা। ১৬১৩ শকত আঘণত লাংকুৰিদেৱৰ পৰ্ব্বতৰ কোখৰৰ সক পৰ্ব্বতৰ ওপৰত দৌল বান্ধিলে। সেই আঘণতে জৰাপুঙ্গত হাতী ধৰাই অনালে। ১৬১৩ শকৰ আহিনৰ ২০ দিন যাঁওঁতে দুৰ্গোৎসৱৰ একাদশীত ভাত নখাবৰ হৈ কাত্যায়নকে আদি কৰি পণ্ডিতসকলক বাঁহগড়াৰ বাজ কৰি ডিঙিত কলহ আৰি গতিয়াই খেদিলে। ২০ দিন যাঁওঁতে বৃহস্পতিবাৰে সোলাফুকনৰ বঙহ গোটা-চাৰেকক পাই মাৰিলে। কাতিৰ ১৭ দিন যাঁওঁতে সোমবাৰে পৰ্ব্বতত দ'ল বান্ধিবলৈ গাত খানিলে। ২৫ দিন যাঁওঁতে মঙ্গলবাৰে গাতত শিল পাৰিলে। আতপাচে মহঙ্গত নগায়ে মানুহ কাটিলে। পাচে ৺দেৱে এই কথা শুনি দুৱৰা-ফুকনক নামচাঙ্গৰ দুৱাৰে পঁাচিলে; ৰবহাটৰ দুৱাৰে অভয়পুৰীয়া বন্দৰ ফুকনক পঁাচিলে। দুই ফুকনে গৈ কথা-বাৰ্ত্তা হৈ নগাক খুনবাও সহিতে ধৰি আনিলে। হাতীশালত বন্দী কৰি থৈ পাচে লংকাকত নি সকলোকে কাটিলে। খুনবাওৰ ভায়েক লঠাক খুনবাও

পাতিলে। ১৬১৩ শকত ভাদত মাইবেলাত হাতী ধৰাই আনিলে। এই শকত ফাগুনৰ দিনত দৌল উছৰ্গিলে। দৌলৰ নামতে পুখুৰী খানিলে এটা, তাকো উছৰ্গি নাম থলে ভোগদৈ। আতপাচে লংকাকত পুখুৰী এটি উছৰ্গিলে, নাম সোণাদৈ। ৪৪ ॥

**উৎপাত-অমঙ্গল।**—সেই সময়তে কিহেবাই খায়হেন চক্ এটা উঠিল। আৰু সেই শকৰে শাওণত ৩ দিনৰ অগাপিচাকৈ ছুটা পানী হ'ল। হোলোঙ্গৰ বৰজখলাৰ পাঁচ খোপ তল গৈছিল। তাৰ নাম থলে সকা-সাকিনী। ১৬১৪ শকৰ আহাৰৰ ১৩ দিন যাওঁতে ৰজাদেৱে লোহিতত সঙ্কল্প কৰি জপ-হোম কৰাই ছাগ-হাঁহ বলি দি ১০০ বৎসৰ আউ খুজিলে। ৪৫ ॥

**নগা-অভিযান।**—১৬১৪ শকৰ আহাৰৰ ২৩ দিন যাওঁতে নামচঙ্গীয়া নগাই আমাৰ ২৩টা মানুহ কাটিলে। ৰজাদেৱে এই কথা শুনি নগাক মাৰিবলৈ বটা-প্ৰসাদ দি ভাদৰ ২২ দিন যাওঁতে সোমবাৰে লোকজন লগত দি দুৱৰা দিহিঙ্গীয়া ফুকনক নামচাঙ্গৰ দুৱাৰে পঠালে। অভয়পুৰীয়া চেটিয়া ভগা-বৰফুকনক ঘৰৰ পৰা আনি লোকজন লগত দি বৰদুৱাৰে পঠালে। পাচে সিবোৰো গৈ নগাক মাৰি-কাটি ৰবালে। নগা আহি মহাৰাজাৰ চৰণত সেৱা কৰিলেহি। লঠা খুনবাওক যমুনা-কাখৰত কাটিলে। যিসকলৰ আশয় শুদ্ধ তাক বঁটা-প্ৰসাদ দি পঠাই দিলে। ৪৬ ॥

**স্বৰ্গদেৱৰ নগা কুঁৱৰী।**—আতপাচে দৈয়াঙ্গৰ পোনে নগা-ৰণ হ'ল। ৺দেৱে দুৱৰাৰ পুতেক তাঙ্কেং ফুকনক নগা-ৰণলৈ পঠালে। ফুকনেও গৈ নগাক নাপালে ছুদিনো গৈ ঘৰ-দুৱাৰ বিচাৰি। পাচে নগায়ো ফুকনেৰে কথা-বাৰ্ত্তা হৈ এইখানে বুলিলে, বোলে,—"আমি সকলোদিনে ৺দেৱৰ চুৱাপাতৰ খোৱা বন্দী; আমি ই কথা কৰা নাই, আৰবেহে কৰিছে। তথাপি আমাৰ ঘাটি হ'ল। ৺দেৱলৈ আমি কুঁৱৰী দুটা দিম, বন্দী-বেটীয়ো দিম। আকে ফুকনে ৺দেৱৰ ছুই চৰণত ভেঁটি আমাক ৰক্ষা কৰোঁক।" ফুকনে বোলে,—"ভাল, সিহঁতে লৈ আহোঁক।" পাচে নগায়ো লৈ

আছিল। ফুকনো আহি ৺দেৱত কুঁৰৰী যোগালেহি, নগাকো ভেটালেহি। ৺দেৱো দায় এৰিলে, নগাকো বঁটা-বাহন দিলে। ৪৭ ॥

**বৈষ্ণৱ নিৰ্য্যাতন**।—১৬১৪ শকত ঠাকুৰীয়া ভকতৰ মেধিসকলক ভাই-পো সহিতে নামককলৈ নি সংহাৰ কৰিলে। তাৰে লেখা,—বাঁহবৰীয়া যদুমণি ১, ডাগিৰ জগবন্দন ১, এওঁৰে পুতেক শত্ৰুঘণ ১, কণ্ঠভূষণ ১, চেঁচামুখৰ ব্ৰহ্মানন্দ ১, সহদেৱ ১, জয়দেৱ ১, ৰামগোবিন্দ ১, কাটনিপৰীয়া সুন্দৰীষণ ১, বুদবৰীয়া বিজয় ১, লেংদিৰ ৰতিকান্ত ১, এওঁৰে পুত্ৰ জয়গোপাল ১, নমটীয়া বিনন্দশ্যাম ১, মোৱামৰীয়া সদায় খোৰা ১, মধাই ১, বৈকুণ্ঠ ১, পুতেক ৰঘুনন্দন ১, গজলিয়াল কেহো ১, ভায়েক ২। লৰালুৰি দুইচাৰি পলাই এৰাল। ৪৮ ॥

**নিৰ্য্যাতনৰ কাৰণ**।—১৬১৫ শকত ভকতক ধৰিলে। তাৰ এইহে কাৰণ,—পূৰ্ব্বে ৰজাদেৱে পলাই ফুৰোঁতে দখিণপাটৰ কলাবাৰী সত্ৰতে আছোঁতে ডেকাগোসাঁএৰে এক দিনা বোলাবুলি লাগিল। ডেকাগোসাঁয়ে বঢ়াকৈ বাক্য বুলিলে। সেই কথা মনতে আছিল। আৰু যেতিয়া কলীয়াবৰত ফুকনবোৰে ৰজা পাতিলে, এই কথা শুনি ফুকনবোৰত কৈ ৰজা গুচাবৰ নিমিত্তে কলাবাৰীৰ পৰা নাৱে লুইতে ভটীয়াই গৈছে। ৰজাদেৱ উজাই আহি বিশ্বনাথতে ৰহিছেহি। এনেতে নাও দেখি ৰজাদেৱে সুধিলে, বোলে,—"কোন যায় ?" বুঢ়াপাঁচনিএ বোলে,—"নাৱক চাই দখিণপাটীয় ডেকাগোসাঞি হেন দেখি।" বোলে,—"কৰ দে, মোক আশীৰ্ব্বাদ কৰি যাওঁক।" মানুহে নাও মেলি গৈ কলত নাহিল। এই এক নিমিত্ত। আৰু বনমালী গোসাঁয়ে সুবৰ্ণৰ মূৰ্ত্তি এখান কৰিলে, এয়ো কথা মনতে আছিল। ৪৯ ॥

**সম্পত্তি হৰণ আৰু দণ্ড**।—পাচে বেজদলৈ ৰঙ্গাচৰণ ভণ্ডাৰী বৰুৱাই মহাৰাজাত গোচৰ দিলে, বোলে,—"ভকতৰ ঘৰত ধন কিলেই লাগিছে, চাউল কঠাহে লাগে ? তাকো সেৱক-শৰণীয়াই দিছে। যদি ৺দেৱৰ আজ্ঞা হয়, সেই ধন আনিব পাৰোঁ।" ৰাজাদেৱে বোলে,—"মোৰো মনত আছে। ভাল, বৰুৱা, ভঞ্জি চাউভাঙ্গ দি সেই ধন অনা।

পাচে মই ভকতক যি বোলোঁ বুলিম।” এই আজ্ঞা পাই বেজদলৈএ কলা চাউডাঙ্গক দেৱতাৰ আজ্ঞা শিখাই-বুজাই কণা চেকেৰাইক, আচুবুলীয়া, এই দুইক লগত দি পাঁচিলে। সিহঁতো গৈ সকলো মহাজনসকলক অনেক লাঞ্ছনা কৰি ভাঁৰি-বান্ধি ধন আনিলে। দখিণপাটৰ সুবৰ্ণৰ মূৰ্ত্তিকো আনি ভাঙ্গি পৰ্ব্বতৰ দ’লৰ ঘট দিলে। পূৰ্ব্বৰ অপৰাধক লৈ দখিণপটীয়া ৰাম গোসাঁইৰো মৰ্য্যাদা নষ্ট কৰি চক্ষু কাঢ়িলে। ১৬১৫ শকত ভাদ্ৰত আউনীআটীয়া বাপুক ধন ডাঙি লৈ শদিয়াত থলেনি। গোবিন্দ ঠাকুৰকো মহাৰাজা পানীত পেলাব দিলে। বিশ্বাসে গোবিন্দ ঠাকুৰক লুকুৱাই থৈ গোবিন্দ ঠাকুৰৰ সদৃশ আন মূৰ্ত্তিক চাঙ্গিনীঘাটে লোহিতত পেলালে। আনো মহাজনসকলক স্থানৰ পৰা উচ্ছন্ন কৰি নামৰূপত পাতিলে, টোকো-লাইতো আৰু চেউনীতো পাতিলে। নামৰূপলৈ নিয়াসকলক আচুবুলীয়াক পঠাই ভাদৰ পূৰ্ণিমাত দণ্ড কৰালে। আনো সমস্তে মেধিৰ ধন ডাঙি লৈ মেধিসকলক চেউনীত থলেনি। সত্ৰসকলকো জুই দি পুৰিলে। এই কৰ্ম্ম কৰালে বেজদলৈ ৰঙ্গাচৰণ ভণ্ডাৰী বৰুৱাৰ হাতে। ৫০ ॥

**স্বৰ্গদেৱৰ স্বৰ্গাৰোহণ।**—১৬১৭ শকৰ মাঘত ৰজাদেৱে দিখৌৰ আগাৰিৰ বৰডুবিৰ কাখৰত পহু মাৰিবলৈ গৈ বৰশিলতে উঠি বং চাইছিল। ৰজাদেৱৰ গা চকি তেতিয়াই জ্বৰ উঠিলত ঘৰলৈ আহিল। সেই জ্বৰে নেৰিলে। আৰু ডিঙিত গাঁৰ এটা হ’ল। তাৰো ডাঙৰ বেদনা হ’ল। সেই বেদনাতে ১৬১৭ শকৰ মঙ্গলবাৰ ১৪ ফাগুনত মহাৰাজা স্বৰ্গী হ’ল। ভোগ ১৪ বছৰ, ৮ মাহ, ১ দিন। ৫১ ॥

---

## চতুৰ্থ আধ্যা।

### স্বৰ্গদেৱ ৰুদ্ৰসিংহ।

**ৰাজপাটত উঠা।**—১৬১৭ শকৰ ফাগুনত গদাধৰ সিংহ মহাৰাজাৰ পুত্ৰ শ্ৰীশ্ৰীৰুদ্ৰসিংহ মহাৰাজ হ’ল। এই শকে মাহে দিনে ৰুদ্ৰসিংহ

৺দেৱে প্ৰথমে সমস্তে মহাজনসকলক আনি স্বস্থানে স্থাপিলেহি। ১৬১৮ আহিনৰ দিনত ৺দেৱে শিঙ্গৰিঘৰ উঠিল, নাম ললে চাওচুঙ্গুংফা। যাক যেন যোগ্য হয় বঁটা-প্ৰসাদ দিলে। সাত দিন ৰং কৰিলে। ৫২॥

**ভুঁইকঁপ**।—আতপাচে ৺দেৱৰ আজ্ঞাৰে ১৬১৮ শকত পুহত চেটিয়াৰ বন্দৰ ফুকনে পুংডাঙ্গত গড় বান্ধিলেগৈ দুমাহে। এই শকতে ফাগুনৰ পৰা শাওণলৈ ছয় মাস ভূমিকম্প গ'ল। শদিয়াত মাটি ফাটি মাগুৰ-কাৱৈ মাছ ওলাল। পানীও, বালিও ওলালহঁতে ততো পৰ্ব্বতো খসিল। ৫৩॥

**ষড়যন্ত্ৰ**।—১৬১৯ শকত ভাদত মহাৰাজাৰ লুংত্যাৰেক চাৰিং-ৰজায়ে তিংখঙ্গীয়া মানুহেৰে আলচি ৺দেৱক দ্ৰোহ কৰিব খুজিলে। লগত চঙ্গটকৰ কাখৰ চুঙ্গিৰ বৰুৱাও আছিল। সেই সময়ত ৰজা চৰাইদেও কৰি পৰ্ব্বতত আছিল। চৰাই উৰুৱাই নগৰলৈ আহোঁতে সেই খনিতে ধৰিবলৈ যুক্তি হৈ আছিল। এই বাৰ্ত্তা চাৰিং-ৰজাৰ হাঁহচোৱা ডোমে গৈ জনাইছে। ৰজাদেৱো আহিবলৈ ওলাইছে। এই বাৰ্ত্তা পাই উলটি মানুহ পঠাই চাৰিং-ৰজাকো, চুঙ্গিৰ বৰুৱাকো, ধৰি বন্দী কৰিলে। আনাদিনা নগৰলৈ আহি চাৰিং-ৰজাক নামককলৈ নিয়াই ঘিলা কাঢ়ি থৰ দিলে, চুঙ্গিৰ বৰুৱাক মাৰিলে। এই শকৰে বহাগতে হিলৈদাৰী হাজাৰিকীয়া চেওখাম ১, ত্যাওবাইৰ বঙ্গহ ৰামজয় ১, আৰে ভাই-পো দুটা, নতুমীয়া দেওধাই লাঙ্গুৰ বাপেক-পুতেক ২, কাকজনীয়া আংক ধোঁৱাচোৱা ১, নামতিয়াল বামুণ ১, বৰুৱা খনিকৰৰ ফৈদীয়া ২, এই-সকলে আলচ কৰি পাপংগঞা লাহইৰ ঘৰত কোঁৱৰ এটা পোহ-পাল দি থৈছিলে। লোকে জানি এই কথা ৺দেৱত জনালেহি। ৺দেৱে এই কথা শুনি কোঁৱৰকো, লাহইৰ দুই বাপেক-পুতেককে ধৰাই আনি কোঁৱৰতো, লাহইতো সুধিলে, বোলে,—"এই আলচ কোনে কোনে জানে?" কোঁৱৰে, লাহইয়ে বোলে,—"বিতোৰ নাও কঢ়া গৈছে এইবোৰ আটায়ে জানে, পোহ-পালো দিছে।" ৺দেৱে কোঁৱৰ সহিতে সবাকে মাৰিলে। দুই দেওধাইৰ চকু কাঢ়িলে। সকলৰে লৰালুৰি নামৰূপত পাতিলেনি। লাচাই কাণ্ডীৰ নাতিয়েক পৰ্ব্বতীয়া ফুকনৰ

ঘৰোৱাহকে নামককলৈ নিলে। এই দাই ধৰি বোলে,—"তাৰ বন্দীয়ে ৰামজয় বন্দীয়ে মিতিৰ কৰিছে, সিয়ো জানে। দাই এই।" ৫৪ ॥

**জয়সাগৰ আৰু জয়দ'ল।**—১৬১৯ শকত আঘ্ৰায়ণত ৰংপুৰত ৪৫ দিনে পুখুৰী খানিলে, ফাগুনত উছৰ্গিলে সকলো মহাজনসকলক আনি, নাম থলে জয়সাগৰ। ১৬২০ শকত ফাগুনত সেই পুখুৰীপাৰত তিনিও দ'ল বান্ধিবলৈ আৰম্ভ কৰিলে। আৰু পুখুৰীৰ উত্তৰ পাৰে বাহৰ কৰি ৰংপুৰ নাম থলে। ১৬২২ শকত মাঘত তিনিও দ'ল উছৰ্গিলে। শ্ৰীবিষ্ণুমূৰ্ত্তি, শ্ৰীকেশৱৰাই, শ্ৰীশিৱ, শ্ৰীদুৰ্গা, শ্ৰীগণেশ, শ্ৰীসূৰ্য্য ইত্যাদি মূৰ্ত্তি সংস্থাপন কৰিলে। তৎপৎচাৎ ৺দেৱে নগৰো ললে, নাম দিলে ৰংপুৰ। ৫৫ ॥

**লেচাই বিদ্ৰোহ।**—১৬২২ শকত চৈত্ৰত ৺দেৱৰ ভাই সকজনা গোহাঁইদেৱে ৺দেৱক দ্ৰোহ কৰিব খুজিলে। সন্দিকৈ ভিতৰুৱাল ফুকন, লানমাখৰুৰ বন্দৰ নাওবৈচা ফুকন, বাইলুং ডেকাফুকন, ভদৰুৱা হিলৈদাৰীৰ চেখাম হাজৰিকীয়া, ঘোঁৰাচোৰাৰ লোচন বৰা, গতাগত বৰা এইসকলেৰে যুক্তি হৈ ৰাজদ্ৰোহলৈ মন দিলে। এই কথা গোহাঁইৰ কালৰ মেচা-ঘৰীয়া দামোদৰ ফুকনে চাঙত ভৰিত পইজাৰ দিওঁতে মহাৰাজাত ক'লে। ৰজাদেৱে প্ৰমাণ পাই সকলকো মাৰিবলৈ দিলে। তিনি ফুকনক ৰাখিবাক মনে তিনিজনা ডাঙৰীয়াক কুকুৰা যুজাবৰ ছলে নিয়ালে। এই আশয়ক বুজি ডাঙৰীয়াসকলে মাতিলে। তিনি ফুকনক ৰাখি ঘোঁৰাচোৰা বৰা, হিলৈদাৰী হাজৰিকীয়া, আনো দুই-চাৰিক মাৰিলে। ফুকনবোৰক ভাঙ্গি ঘৰলৈ খেদিলে। সকজনা গোহাঞিক নামককলৈ নিলে। লগৰ মানুহ দুই-চাৰিক কাটিলে, দুই-চাৰিক নাক-কাণ কাঢ়ি খেদিলে। পাচে চেৰে-গুৱাল ঘন্চাম পাঁচনিক পঠাই সকজনা গোহাঞিৰ চকু কঢ়ালে। ৫৬ ॥

**বিদেশী সাজপাৰৰ প্ৰচলন।**—আতপাচে বঙ্গালৰ হাতে ৰঙ্গপুৰত হেৱালীঘৰ সাজিলে। টেঙ্গাবাৰীত তলাতলঘৰ সজালে। ৰঙ্গনাথ গোসাঁইৰ দ'ল বন্ধালে। ফাকুযাত্ৰাৰ দ'ল বন্ধাই তাতে ১৬২৬ শকত ফাকুযাত্ৰা কৰি ৰজাদেৱে জামা, পাগ্-ইজাৰ পিন্ধিলে। সকলকো

সেইৰূপে দিলে। মাজুবিয়াল লাইথপনা বৰগোহাঁই, কুঁৱৈগঞা ৰৰবধৰা বুঢ়াগোহাঁই, কেন্দুগুৰীয়া কন্‌চেং বৰপাত্ৰ-গোহাঁই, এই তিনিজনা ডাঙৰীয়া বোলে,—“আপোনাৰ দেশৰ ধাৰাণ এৰি কেনে বঙালৰ ধাৰাণে বটা পিন্ধিম?” এই বুলি ওলোতাই দিলে। পাচে কুন্‌মিনেৰে দি আহিল, পিন্ধিলে। বুঢ়াগোহাঁঞে মহাৰজালৈ প্ৰাৰ্থি খুজি গ'লত জামা, পাগ্‌-ইজাৰো দিলে। তাৰ পৰাহে পাগ্‌-জামাৰে বটা হ'ল। ৫৭॥

**নগাৰ আক্ৰমণ**।—১৬২৩ শকত আঘণত ৺দেৱো কলীয়াবৰলৈ গ'ল। পুহত বৰহাটত বান্দৰখেলীয়া যুগী হাটখোৱায়ে কোঁঠৰ ভিতৰ সুমুৱা ৬০ মান নগা কাটিলে। পাচে নগাও লোণশালতে আমাৰ বিস্তৰ মানুহ কাটিলে। ৺দেৱো কলীয়াবৰৰ পৰা আহি বিশ্বনাথত থাকোঁতে এই নগায়ে মানুহ কাটিবৰ কথা জনালেগৈ। ৺দেৱো ফাগুনৰ শেহত উজাই আহি চৈত্ৰৰ ২ দিন যাঞোতে গড়গাওঁ পালেহি। পাচে ৺দেৱে ৰঙ্গপুৰলৈ আহি ডাঙৰীয়া, ফুকনভোৰ সহিতে আলচি সোণাপুৰীয়া গাভৰুৰ পুত্ৰ খিম্‌ৰেত্‌ পাতৰৰ ৰণংফুকনক নগাৰ ৰণলৈ পঠালে। ফুকনো গৈ বৰহাটৰ পোনে দিলিহৰ উত্তৰপাৰে ভৈয়ামতে থাকি নগাৰ গাৱঁলৈ মানুহ পঠাই নগাক ৰবাই-বুজাই আনি ৺দেৱক সেৱা কৰিলেহি। ৺দেৱেও নগাৰ দাই-দূষণ ক্ষমা কৰি বটা-প্ৰসাদ দি পঠালে। নামডাঙ্গত শিলসাঁকো বন্ধালে। ৫৮॥

**গড়গাৱঁত মহাজন-সম্মিলন**।—১৬২৪ শকৰ জেষ্ঠত ৺দেৱে শূদ্ৰ মেধিসকলক আজ্ঞা কৰিলে, বোলে,—“ব্ৰাহ্মণক শূদ্ৰে শৰণ লগাব পাই যেন একো শাস্ত্ৰত বচন পোৱা নাই; এতেকে শৰণ নলগাব। যদি পাই যেন বচন দিব পাৰে, সেই পুথিও আনিব, আপুনিও আহিব। মই বিচাৰ কৰি চাম।” আন সকলো মেধিয়ে বোলে,—“আমি কিছু নাজানোঁ, মহাৰাজাৰ যি আজ্ঞা হৈছে তাকে কৰিম।” নবোৱাৰ ৰাম ১, বৰতকতৰ নাতি ভাতনোখোৱা মাধৱানন্দ ১, বাৰেঘৰীয়া চিৰাম ১, ভনীপুৰীয়া গোপালৰ নাতি ৰমানন্দ ১, চেচামুখীয়া চতুৰ্ভুজ ১, এই পাঁচে বোলে,—“ব্ৰাহ্মণক শূদ্ৰে শৰণ লগাব পাই যেন বচন দিম, আমাক লি সোধক।” এই বুলি লেখা একোখানি দি পঠালে। এনে বোলা

পাছক ৺দেৱে গড়গাওঁৰ গড়-ভিতৰলৈ আনি অনেক পণ্ডিত ব্ৰাহ্মণকো আনি দামে দামে পুস্তক মেলি বিচাৰ কৰালে। একো পুস্তকত ব্ৰাহ্মণক শূদ্ৰে শৰণ লগাব পোৱা বচন নোলাল।

পাচে ৺দেৱে বোলে,—"এই যে পুস্তকসকলত পায় যেন বচন নাই, সিহঁতে কোন পুথিত পাইছে তাকে দেখুৱক।" পাচে পাঁকো মেথিয়ে পুথিও দেখুৱাব নোৱাৰিলে, বচনো দিব নোৱাৰিলে, কিছু বুলিবৰো নোৱাৰিলে। ব্ৰাহ্মণসকলেও বিস্তৰ অহঙ্কাৰ কৰিলে। ৺দেৱো হাতী-শালত বন্দী কৰি থৰ দিলে। সকলো বকৱা-ফুকনে মাতিলত ৺দেৱে বোলে,—"মঞিও মাৰিবহে খুজিলোঁ; বাক, সিহঁতে যে মাতিলে এইবাৰ ৰক্ষা কৰিলোঁ।" এই বুলি পঞ্চগোটা ঘট চূৰ্ণে যুক্ত কৰি পঞ্চৰো কণ্ঠত আৰি শ্ৰীৰাম ঠাকুৰক কাটনিপাৰত থৰ দিলে। চতুৰ্ভুজ ঠাকুৰক মৰামৰাত থৰ দিলে। নবোৱাৰ ৰামচন্দ্ৰক কোৱামৰাত থৰ দিলে। ভাতনোখোৱা ঠাকুৰক এলেঙ্গীত থলে। ভৱানীপুৰীয়া গোপালৰ নাতি ৰমানন্দক স্বস্থানতে থলে। ৺দেৱে আৰু সকলে শূদ্ৰ মেথিত কৰ দিলে, বোলে,—"ব্ৰাহ্মণ বি দুই-চাৰিজন আছে সিহঁতে সত্ৰত ঠাই নিদিব। গৰাঁলি ব্ৰাহ্মণকো অহা-যোৱা কৰিব নিদিব। যদি এই কথা নাৰাখে, মই দণ্ড কৰিম, ব্ৰাহ্মণকো দণ্ড কৰিম।" ১৬২৫ শকত আহিনত মোৱা-মৰাত চৰীয়ায়ে বামুণ দুটা দেখি আহি জনালেহি। ৺দেৱে মোৱামৰীয়া মেথিক ধৰি আনি খোলাতে পেলাই দণ্ড কৰিলে। দুই বামুণকো সৌকাৰে কোবাই নাক-কাণ কাটিলে। আৰু শূদ্ৰ-সেৱিত ব্ৰাহ্মণক পুনু ব্ৰাহ্মণত শৰণ লগালে। আৰু কমলাবৰীয়া মধুপুৰীয়ায়ে মূৰ্ত্তিগোসাঁই সেৱা-পূজা নকৰা বুলি সৌকাৰে কোবাই ভিত্তিভ কলহ আৰি খেদিলে। ৫৯॥

**কাছাৰ আৰু জয়ন্তা অভিযান।**—আতপাচে কছাৰীৰ জয়সিংহ ৰজা কটকী পঠাই পত্ৰ-সন্দেশ দি কৈ আছিল, বোলে,—"পূৰ্ব্বৰ আমাৰ মহন্ত সীমা কৰি ৰাজ্য, স্বৰ্গমহাৰাজা মোক এৰি দিয়োক।" ৰাজাদেৱে তাক তুলি বিধাৰণ হেন দেখি, বোলে,—"বন্দী কছাৰীয়ে এনে কথা কৰ

পাইনিকি ?” এনেতে বৰগোহাঞে আমাৰ কটকীইঁতক বোলে,—“কি চাইছ, গতাই নে।” পাচে হোলোঙ্গৰ পৰা গতিয়ালে, তাৰ ভিত্তিৰ মণিয়ো ছিগি পৰিল, পত্ৰকো ফালিলে। পাচে ৰজাদেৱে তিনিজনা ডাঙৰীয়া সহিতে বৰুৱা, ফুকন সমস্তৰে আলচ কৰি ভটীয়াই গৈ বিশ্বনাথত ৰহি তাৰে পৰা মৰঙ্গিৰ নগা-চকীৰ বাটে পাঁচিলে, কুঁৱৈগঞা দৰবধৰা বুঢ়াগোহাঞিও, মৰঙ্গিখোৱা বাঁহবৰীয়া বৰচেটিয়া-গোহাঞিক দিলে ; চাউল কঢ়িওৱাকৈ দিহিঙ্গীয়া আলুন বৰবৰুৱাৰ পুতেক ডেকা-বৰবৰুৱা দুইক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সকলকো পঠালে। কপিলীৰ বাটে শৰাই-ঘটীয়া ফুল-বৰুৱাৰ পানীফুকনক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সমস্তকে পঠালে। এইৰূপে দুয়ো বাটে গৈ ডেমেৰা, মাইবাং পালেগৈ। কছাৰী ৰজা পলাইগৈ জয়ন্তাত সোমাল। জয়ন্তা ৰজালৈ কৈ পঠালে, বোলে,—“কছাৰী ৰজা সোমাইছেগৈ ; তাক দিয়াইঁক।” জয়ন্তা ৰজা বোলে,—“শৰণাগতক এৰিব নোৱাৰোঁ।” এনেতে মাইবাঙ্গত বৰবৰুৱা নৰিয়া পৰিবৰ শুনি সমস্তকো ওলাই আহিব দিলে। সমস্তো ওলাই আহোঁতে গেলেমু-কোঁঠতে বৰুৱা মৰিল। পাচে সমস্তো ওলাই আহি কছাৰীৰ সমস্ত দ্ৰব্য দি মহাৰজাৰ চৰণত বিশ্বনাথত সেৱা কৰিলেহি।

এবছৰৰ পাচত পুনৰ্ব্বাৰ ভটীয়াই গৈ মিচাত বাহৰ কৰি কপিলীৰ বাটে বৰবৰুৱা প্ৰমুখ্যে গড়গঞা সকলকো পাঁচিলে। গোভাৰ বাটে শৰাই-ঘটীয়া বৰফুকন প্ৰমুখ্যে সকলকো পাঁচিলে। এইৰূপে সমস্তো গৈ জয়ন্তাপুৰ পালেগৈ। জয়ন্তাৰ ৰামসিংহে বৰবৰুৱাৰ ঠাইত ৰহিলহি। কছাৰী ৰজাকো পাই মহাৰাজাৰ ঠাইলৈ দি পঠালে। আগেই কছাৰী ৰজা বৰবৰুৱাত কলে বোলে,—“তোমালোকে জয়ন্তা ৰজাক উপায় কৰি মহাৰাজাৰ ঠাইলৈ দি পঠিওৱাহঁক।' যদি এনেখান নকৰিবা, ৰজাকো সকোঁৱৰে নিবহি। তোমালোকেও গা-সাৰিবলৈ টান হব। আক তোমালোকক ছলকৈ নি নগৰ সুমুৱাবলৈ মন দিছে। তাৰ কথাৰে নাৰাৰাইক।” এই কথা শুনি বৰবৰুৱা, বৰফুকনে যুক্তি হৈ, বোলে,—“জয়ন্তা ৰজাক আনি পুহিব লাগে” বুলি ছলকৈ আনি বন্দী কৰিলে।

জয়ন্তা ৰজা বোলে,—"মঞি স্ত্ৰী-মৰণে মৰিলোঁ।" বিজয়ৰাম কটকীয়ে বোলে,—"মঞি পূৰ্ব্বে কলোঁ, অচমৰ তলে-পুতল, আপই বুজিবলৈ টান। তেতিয়া মোৰ কথা নললা। এতিয়া বিজয়ৰামে কি কৰিব? বুঢ়াৰ হাতত চেঙ্গেলি পৰিলে কমনে এড়াইতে পাৰি?" পাচে ৰকৰা, ফুকনেয়ো যুক্তি হৈ মন্ত্ৰণা কৰি, বোলে,—"মহাৰাজাক দৰ্শন কৰাবলৈ জয়ন্তা ৰজাক পৰশুলৈ নিম।" এই বুলি সেই দিনাই গোভাৰ বাটে জয়ন্তা ৰজাক দি পঠালে। সককোঁৱৰেও সাৱধান হৈ আছিল। ৰজাক নিবৰ শুনি পাচে পাচে খেদি আহি সাত-কোঁঠ কাটি ৰজাক নেপাই উলটি গ'ল আৰু জয়ন্তীদেৱীক আনিবলৈ লোকজন লগত দি দেৱীঘৰীয়া ৰৰকৃষ্ণ ঠাকুৰক পাঞ্চিলে। জয়ন্তীদেৱীক আনোতে সককোঁৱৰে বাট ভেঁটি ধৰি অনা মানুহক কাটি দেৱীক নিলে। কৃষ্ণঠাকুৰ গছত উঠিল, তাক কঁড়াই মাটিলৈ পেলাই কাটিলে। পাচে দুয়ো ফুকনে জয়ন্তা ৰজাক লৈ গোভা পালেহি। এনেতে সাত-কোঁঠ কটা শুনি দিহিঙ্গীয়া ফুকনৰ হাতত জয়ন্তা ৰজাক দি মহাৰাজাৰ আজ্ঞা নোহোৱাকৈ বুঢ়া-গোহাঁই ফুকনক খেদি গৈ বাট মুকলি কৰি ৰাজ্যৰ লগ ললেগৈ। কোঁঠ কাটিলতে বাট মৰিছিল। বুঢ়াগোহাঁইকো পূৰ্ব্বে চাউল কড়িওঁৱা মানুহক নিয়ম কৰি দিবৰ কাৰণে পাঁচিলে। তেওঁ ওলাই আহিল। মহাৰজা সাত-কোঁঠ কাটিবৰ শুনি অসন্তোষ কৰি পুনৰ্ব্বাৰ বুঢ়া-গোহাঁইকো পাঁচিলে, বোলে,—"সমস্তেও গৈ সককোঁৱৰক বিচাৰি ধৰোঁক।" সকলোৱে এঠাইহৈ সককোঁৱৰক পুৰুষাৰ্থ কৰিও বিচাৰি নেপালে। মহাৰাজালৈ ওনাই আহিল। ৰজাদেৱে সকলকো ওলাই আহিব দিলে। সমস্তো ওলাই আহিল। আতপাচে মহাৰজা উজাই আহি ৰংপুৰত থাকি কছাৰী ৰজাক, জয়ন্তা ৰজাক কাকুযাত্ৰা কৰি ৰং দেখুৱালে। সেই সময়তে জয়ন্তা-কছাৰী দুয়ো ৰজা মহাৰজাক সেৱা কৰিলে। ৬০ ॥

**ৰংপুৰত ৰামসিংহৰ মৰণ।**—পাচে থকা ঠাই জানখনাতে জয়ন্তা ৰজা মৰিল। মহাৰাজা থৰি দিয়াই কৰ্ম্ম কৰালে। দুবছৰৰ পাচত ৰজাদেৱে ভটীয়াই গৈ সৰিয়হতলীত থাকি ৰৰকোঁএৰক ৰজা পাতিলে।

বৎসৰি পাল-সেৱা কৰিম হেন নিবন্ধ কৰি ললে। বাঁহবৰীয়া কৃষ্ণাই কটকীক পঠাই জয়ন্তাভ খোৱালে। আক বৰুৱা, ফুকন, সমস্তকো পাঁচিলে সককোঁৱৰক ধৰিবলৈ। তাক নাপাই উলটি আহিল। ৬১ ॥

**উৎপাত।**—আতপাচে বাঁহগড়াৰ দুয়ো দুৱাৰৰ শিলৰ ঘট বাতি কিহবাই ভাঙ্গিলে। সেই ৰাতিএ তিঙ্গখাঙ্গৰ দ'লৰো ঘট ভাঙ্গিলে। পৰ্ব্বতৰো অঙ্গদ'লৰ ঘট ভাঙ্গিলে। আতপাচে মহাৰাজা ভটীয়াই, গৈ ৰবনদী-মুখত বহি কাকুযাত্ৰা কৰি অনেক দান-দক্ষিণা কৰি মাধগোসাঁই সেৱা কৰি উজাই ৰংপুৰলৈ আহিল। ৬২ ॥

**গুৱাহাটীত স্বৰ্গদেৱ।**—আতপাচে মহাৰাজা ঢকাক মাৰিবাক মনে বহাগত ভটীয়াই গৈ শৰাইঘাটত পৰীক্ষিত ৰজাৰ গড়ৰ কোলত বাহৰ কৰি ৰহিল। তাতে একদিনা ৰজাৰ ৰবঘৰৰ কাৰেঙ্গৰ কালে নাচনীয়াৰৰ ঘৰত 'চাঙ্গতলীয়া হাৰি এটা সোমাইছিল। ওলাই যাওঁতে পৰীয়া মানুহে দেখি বোলে,—"সেইটো কোন ?" এতেকতে বৰ হু-হি লাগিল। ৰজাদেৱে উচাৰ খাই উঠি দা লৈ থিয় হৈ বাটঘৰৰ পৰা চেৰেঙ্গুৱাল ঘনচাম পাঁচনিবৰাক মতাই নি, বোলে,—"ঘনচাম, তঞি চা, কি হৈছে।" সিয়ো গৈ সমস্তকে নিজম কৰি সুধিলে, বোলে,—"তইঁতৰ কি হ'ল ? কি দেখিলি ?" সিহঁতে বোলে,—"এই পোনে মানুহ এটা গ'ল, তাক দেখিহে হু-হি লাগিল।" পাচে আৰিয়া লগাই চালে। আগে বৃষ্টি হৈছিল, দেখে তাতে খোজ পৰি গৈছে। সেই খোজ ফেটা। সকলতে সুধিলে, বোলে,—"কোন আহিছিলি ক।" সকলোৱে বোলে,— "আমি নাই বোৱা।" এইৰূপে জনালত, ৰজাদেৱে বোলে;—"ভৰি ফেটা মানুহ কোন আছে তাক চাই খোজেৰে প্ৰমাণ কৰি চা।" পাঁচনি-বৰাই বিচাৰ কৰি চাই হাৰিৰ ভিতৰত পাই আনি খোজত প্ৰমাণ কৰি প্ৰমাণত পাই ৰজাদেৱত জনালে। তাক বন্দী কৰি থৰ দিলে। বাতি পুৱালত অনেক প্ৰকাৰে সোধ-পোছ কৰি, কথা হেন জানি গোটা ভিনিএকক পৰীক্ষিত ৰজাৰ গড়ৰ কাষৰত কুঠাৰেৰে বুকু ফালি মাৰিলে। আকবোৰৰ নাক-কাণ কাটি বাজলৈ উলিয়াই বধুৱা হাৰিক ভিতৰত সুমুৱালে। ৬৩ ॥

**দীৰ্ঘেশ্বৰীত মৃগয়া।**—তাতে আৰু এক দিনা ৰজাদেৱে দীৰ্ঘেশ্বৰী পৰ্ব্বতত পছু মাৰিবলৈ যাওঁতে বাটত ম'হ এটা আহি হাতী-ঘোঁৰাৰ, কাঁড়ী-বাকৰতীৰ পালী ভাঙ্গি মানুহ এটা মাৰি দোলাকাখৰীয়াৰো পালী ভাঙ্গি ৰজাদেৱৰে, দুজনা গোহাঞিদেৱৰে দোলাৰ মাজত সোমালহি। আগেই মানুহ এটা মাৰি উত্তৰৰ পৰা দক্ষিণলৈ দীৰ্ঘেশ্বৰী পৰ্ব্বতৰ কাখৰে সেই ম'হ আহিল। পছুকটাই যাঠি এপাট লৈ খোঁচ্ মাৰিলে, লৰ মাৰি দীৰ্ঘেশ্বৰীত উঠিলগৈ। পাচে ৰজাদেৱ গৈ খাজিখোৱা সোমাই কিছুমান থাকি ওলাই গৈ দীৰ্ঘেশ্বৰীৰ পছুচোঙ্গৰ টঙ্গিত উঠি পছু মাৰিছে, এনেতে বহুত বান্দৰ আহি টঙ্গিঘৰৰ ওপৰত উঠিলহি। চন্দ্ৰাতপতো উঠিল। একোৰূপে খেদিব নোৱাৰিলে। ৰজাদেৱে টঙ্গিৰপৰা নামি গুলিয়াই মাৰিব দিলে। পাচে আহোঁতে কানাইবৰশীবোৱা গড়ত প্ৰবলচিং হাতীৰ আগে দোলাকাখৰীয়া এটা জাওপুৰ দি ধৰিলে। তাৰ দাঁতৰ মাজত সোমাল, দাম্ভ গাত নৰহিল। এৰাই লৰ মাৰোঁতে চাব দি ধৰি মুৰৰ চেলেং কাপোৰখান আনি চোবাই খাই উন্মত্ত হৈ গড়ৰ পৰা বাগৰি তললৈ মুণ্ডকৈ খাৱৈত পৰিল। পুখুৰীপৰীয়া বুঢ়াগোহাঞি সেইবেলা তাৰ মাউত, তেওঁ হুঁহঁকি তাৰ মুৰত ব'ল, নপৰিল। পাচে ৰজাদেৱে তাৰ লগত হাতী দুটা আৰু মানুহো ৰখীয়া দি বুলিলে,—"হাতী ভাল নহয় মানে সুতুলিব।" এই বুলি আহিল। ৬৪॥

**বঙ্গ আক্ৰমণ।**—আৰু পূৰ্ব্বে ৰজাদেৱে ঢকা মাৰিবলৈ ভাদৰ দিনত লাইথপনা গোহাঞিৰ পুতেক বৰগোহাঞি, কুঁৱৈগঞা ফুকন বুঢ়াগোহাঞি, কেন্দুগুৰীয়া ডেকা বৰপাত্ৰ-গোহাঞি, এই তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে বৰুৱা, ফুকন সমস্ততো সুধিলে, বোলে,—"মঞি ঢকা সীমাকৈ বঙ্গাগড়াৰ পৰা এই ৰাজ্যখানি মাৰিবলৈ মন কৰোঁ, তোমালোকে কি বোলা?" কেন্দুগুৰীয়া বৰপাত্ৰ-গোহাঁয়ে মহাৰাজাৰ কথাতে ভৰ দি বোলে,—"স্বৰ্গদেৱে উত্তমহে সুধিছে। কৰতীয়া-গঙ্গা সীমা কৰি আমাৰেহে ৰাজ্য। আমি মন-কাণ নেদিবৰ দ্বাৰাইহে শত্ৰুএ লৈছে। ৰজা হলে পৰ শত্ৰুক মাৰি আপুনাৰ সীমনা ৰাখি ৰাজ্য লৱনেসে যোগ্য। [আৰু নাও-নাৱৰা,

আহিলা-পাতি বহুতো হইছে। ৺দেৱৰ আজ্ঞা হলে তাক মৰা যাব।" কুঁৱৰিগঞা ফুকন বুঢ়াগোহাঞে বোলে,—"স্বৰ্গদেৱে উত্তমহে সুধিছে, বৰপাত্ৰ-গোহাঁয়ে উত্তমহে কৈছে। স্বৰ্গদেৱৰ পূৰ্ব্বে পুলিন ৰজাদেৱে তেজ-শক্তিৰ বলে ৰঙ্গামাটি চড়াই কৰতোয়া-গঙ্গাত খাগুা পখালি গৈছে। তেতিয়া তাক আচল হেন দেখি গুৱাহাটীত থানা কৰি মানাহা সীমাকৈ গৈছে। জয়ধ্বজ ৰাজাদেৱৰ দিনত এনে আহিলা-পাতি বহুতো আছিল, তথাপি নাম হ'ল ভগনীয়া ৰজা। অস্ত্ৰ-শস্ত্ৰ, আহিলা-পাতি সমস্তো জড়, স্বৰ্গদেৱৰ বন্দী-বেটাহে চেতন; সেয়ে চলালে চলে, তাৰো বলাবল বুজিব লাগে; শত্ৰুৰো বলাবল বুজিব লাগে। জয়-পৰাজয় দুয়ো আছে, আকো বিশেষৰূপে বুজিহে বাঢ়িবলৈ ভাল হেন দেখি। তথাপি ৺দেৱে যি বুলিব, সেয়েহে হব।"

ৰজাদেৱে খং কৰি বোলে,—"সৰ্ব্বকালে গোহাঞিবোৰৰ এনেহে কথা।" এই বুলি বিদায় দিলে। পাচত বৰুৱা, ফুকন সমস্তে বোলে,— "স্বৰ্গদেৱ, গোহাঞিবোৰক নালাগে, আমাক আজ্ঞা কৰোক, ঢকা সীমা কৰি আমি মাৰোঁগৈ।" পাচে ৰজাদেৱে বৰদুৱাৰমুখৰ পৰা লুইতলৈ আলিৰ দুইফালে খলা চিকনাই ৰাজ্যক পুহিলে। ৰজাদেৱে ওলাই গৈ আলিৰ দুয়োফালে সকলো প্ৰজাৰ আনন্দক চাবলৈ ঘৰ এটি কৰিছিলে। তাতে বহি লৈ সকলো ৰাজ্যে আশীৰ্ব্বাদ কৰিলে, তাতে ৰজাদেৱৰ গা বয়া কৰিলে, ঘৰলৈ আহিল। সেই দিনাৰে পৰা নৰিয়া টান হৈয়েহে গ'ল। আক নগৰ বহল কৰিবৰ মনে হেৰোলি পৰ্ব্বতখানি খহোৱালে। ৰাতি সপোন দেখালে, বোলে,—"বিধাতাৰ নিৰ্ম্মাণ পৰ্ব্বত, তাক যে খহালি এতেকেহে নৰৰিয়া পৰিলি।" পাচে পূৰ্ব্বৰতে পৰ্ব্বত বন্ধাই গছ-লতা এই সকলো কলে, অনেক দান-দক্ষিণাকো কৰিলে। তত্ৰাপি সুস্থ নহ'ল। ৬৫ ॥

মৃত্যু।—নৰৰিয়া পৰিবৰ পৰা আঠ দিনৰ মূৰত দেৱবাৰে এপৰ বেলি আছোঁতে শ্ৰীশ্ৰীকদ্ৰসিংহ মহাৰাজা স্বৰ্গী হ'ল, ১৬৩৬ শকৰ ভাদ্ৰৰ মাসত, তাৰিক ১৩, কৃষ্ণা দ্বিতীয়াত। ভোগ্য ১৮ বছৰ, ৬ মাস। ৬৬ ॥

## পঞ্চম অধ্যায়।

### স্বৰ্গদেৱ শিৱসিংহ।

**সিংহাসন আৰোহণ।**—সেই বেলাই বৰজনা গোহাঞিক বৰ-চ'ৰাতে হেঙ্গলাঙ্গত বহুৱাই তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে বৰুৱা, ফুকন সকলেও সেৱা কৰি ৰজা পাতিলে। পাতৰ বৰফুকনত সংশয়ে সেই বাতি সকলেও অস্ত্ৰে-শস্ত্ৰে সাৱধান হৈ বৰচ'ৰাতে ৰজাদেৱক আৱৰি উজাগৰে আছিল। আৰু বৰদুৱাৰত আছিল দুৱৰা ভিতৰুৱাল ফুকন, পানীদুৱাৰত মিৰি-সন্দিকৈৰ দিহিঙ্গীয়া ফুকন। ৬৭॥

**ৰংপুৰলৈ ওভোতনি।**—আনাদিনা উজাই আহিবলৈ যুক্তি হ'ল। এনেতে ৰজাদেৱৰ লগত যাবলৈ ওলোৱা তিনিজনী নাচনী ছোৱালী, তাৰে একনী অশুচি হ'ল। এতেকে চাৰি দিন সেই নিয়মে থাকিল। শুক্ৰবাৰে মৰাজনা ৰজাদেৱক নাৱত তুলি ঘন্‌চাম পাঁচনিবৰাক পঠাই সেই তিনি ছোৱালীক চেপি মাৰি ঠেং-ভলতে দিলে। পাচে কুঁৱৈগঞা ফুকন বুঢ়া-গোহাঞিং, জপৰজলৰ পুতেক বৰচেটিয়া গোহাঞিং, দুজনাক মুৰকৈ দি উজাই পঠালে। পাচে ৰজাদেৱে বৰফুকনক বন্দী কৰি লৈ উজাই আহি ৰংপুৰলৈ আহিল। মৰাজনা ৰজাদেৱক চুণপোৰাত থলেনি। তাতে একপক্ষৰ মূৰত আহিনত ফুকন বুঢ়াগোহাঞি মৃত্যু হ'ল। কাতিত ৰজা-দেৱৰ মৈদাম বান্ধিলে। আঘোণত কৰ্ম্ম কৰিলে পৰ্ণদাহ কৰি। সমস্তে মহাজনসৱক আনি সভা কৰি দান-দখিণা কৰিলে। ফাগুনত শিঙ্গৰিঘৰ উঠি সিংহাসনত বসিল। নাম ললে শিৱসিংহ। সাত দিন ৰং-আনন্দ কৰি তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে সকলকো বঁটা-প্ৰসাদ যোগ্যানুৰূপে দিলে। আতপাচে বহাগত আওৱৰ কলে। ৬৮॥

**ফুলেশ্বৰী বৰকুঁৱৰী।**—লাখটকীয়া কোছৰ জীয়ৰী ৰজাদেৱৰ ধাই আছিল। সেই ধাইকো চাঙ্গত তুলিলে। আৰু চিনাতলীয়া নটৰ জীয়ৰী, নাম ফুলমতী, নাচনীয়াৰ আছিল। তেওঁকে বৰকুঞৰী পাতি বৰৰজা নাম দিলে, ছত্ৰো দিলে, হস্তীতো তুলিলে। তায়েকক বৰপাত্ৰ পাতিলে,

দহাএক এটাক ভিগমীয়া ফুকন পাতিলে, এটাক ঢেকিয়াল বৰুৱা পাতিলে। আহোমবো পূৰ্ব্ব ধাৰাণ গুচাই মৰাক পোৰালে; আৰু ঠাকুৰীয়া মহাজন-সকলক আনি আউনীআটীত, গড়মূৰত সেৱা কৰাই শ্ৰীমূৰ্ত্তি ভাগৱত, শালগ্ৰাম, দেউৰী ভাগৱতী দি পূজা-সেৱা কৰিব দিলে। আৰু অনেক অপকাৰ কৰিলে, এই এক দোষ। আৰু ফুলবাৰীক ধৰি সমস্তো দেৱালয়ৰ মূৰ্ত্তিসকল অনাই সোণাৰীজানৰ বাহৰত থাকি লুইতত সেই মূৰ্ত্তিবিলাকক পেলোৱালে। পাচে শিলৰ পিতলৰ প্ৰতিমা কৰাই স্থানে স্থানে দিলে। এই এক দোষ। আৰু নামডাঙ্গৰ কোলত পুখুৰী খানি দ'ল বান্ধি নাম থলে গৌৰীসাগৰ। পাচে সেই দোষে যুক্তিহে অনেক ললাট ভুঞ্জি মৰিল। ৬৯॥

**দ্ৰৌপদী পৰ্ব্বতীয়া কুঁৱৰী।**—আভপাচে তেওঁৰে সক ভনীয়েকক দিছিল মিৰি-সন্দিকৈৰ সলাল বৰগোহাঞিত। তেওঁৰে ফালৰ দুটা লৰা হ'ল। এনেতে ৰজাদেৱে কাঢ়ি আনি পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। এখেতো লৰা এটা হ'ল, তিপাম-ৰজা পাতিলে। আগৰ দুটাৰ এটাক বৰগোহাঞি, এটাক শদিয়াখোৱা পাতিলে। আৰু কলঙ্কুপৰীয়া গোহাঞিবোৰৰ গাঁৱৰ কাষৰত পুখুৰী এটা খানি দ'ল বান্ধি মঠ-মণ্ডপ কৰি উছৰ্গি নাম থলে শিৱসাগৰ। তাৰ পাচে উত্তৰে চিনাতলী বাহৰ কৰি তালৈকে ৰজাদেৱো সহিতে গৈ মাছ-পছু মাৰি বং কৰিলে। তাতে শূল ধৰি পৰ্ব্বতীয়া আইকুঁৱৰী মৰিল। শ' আনি পৰ্ব্বতত মৈদাম বন্ধালে। চিনাতলী বাহৰত যি ঠাইখানিত মৰিল তাতো দ'ল বন্ধালে। ৭০॥

**নতুন বুঢ়াগোহাঁই।**—সেই সময়তে ব্ৰাইলুঙ্গীয়া ডেকাজনা বুঢ়া-গোহাঞি কাতিত মৰিল। আঘোণৰ ন দিন যাওঁতে দেৱবাৰে শিৱসিংহ মহাৰাজা চৰাইদেৱৰ ঘৰতে খুনমুঙ্গ্ কৰিবলৈ গৈ পুখুৰীপৰীয়া বৰা মাউত গোহাঞিক ৰজাদেৱ থকা ঘৰৰ ভিতৰলৈ সুমাই নি গোহাঞিৰ মূৰত মহাৰাজাৰ চৰণ দি আশীৰ্ব্বাদ কৰি বোলে,—"তোক মন্ত্ৰি গোহাঞি পাতিলোঁ। মোৰ আশীৰ্ব্বাদে চিৰজীৱী হৈ থাকিবি। বৃদ্ধ অৱস্থা হৈ আঠুতে মূৰ লাগোক।" এই বুলি তামোল এমুঠি দিলে। আৰু

কাপৰ ডুসাজ দি বোলে,—“এসাজ কাপৰ পিন্ধি কথা শুনি গোহাঞি হবি, যাওঁতে এসাজ পিন্ধি ঘৰলৈ যাবি।” এই বুলি ওলাই গৈ চ'ৰাৰ টুপত থাকিব দিলে। পাচে মজিন্দাৰক অনাই শিখাই গোহাঞি পাতিব দিলে। মজিন্দাৰো গৈ চ'ৰাৰ টুপতে মহাৰাজাৰ আজ্ঞা শুনাই গোহাঞি পাতি বোলে,—“গোহাঞি, তোমাক দেৱতা এইখান বুলিছে, বোলে, আগে যেনেকৈ মোত আপাহ লগালে সেই আপাহক পাইহে গোহাঞি পাতিছোঁ। পাচলৈকো যদি কোনো আপাহ পাম তেবে গোহাঞিৰ যি চাউল-কানি হ'ল পো-নাতিলৈকো ৰহিব।”

পাচে গোহাঞে বোলে,—“স্বৰ্গদেৱে যি বুলিছে, আপাহ পাইহে গোহাঞি পাতিছে, মঞি স্বৰ্গদেৱৰ চৰণত কোনোৰূপে আপাহ কৰিছোঁ, ই নহয়; কিন্তু সেৱাৰ লুব্ধ ঈশ্বৰ, সেৱাতে সন্তোষ হৈ আপোনাৰ গুণকে প্ৰকাশ কৰেহঁতে, তেহে; মোৰ পৰা কোনো আখাৰ নহয়। আৰু যি বুলিছে, পাচলৈকো আপাহ পাব লাগে, সিয়ো মোৰ পৰা নহয়। মাতৃৰ গৰ্ভত থাকোঁতে বালকক ঈশ্বৰে অনুগ্ৰহ কৰি শিখা-বোধ দি জন্ম কৰায়, সেই ঈশ্বৰে স্বৰ্গদেৱে যদি শিখাই-বুজাই লৈ কোনো কাৰ্য্য-কামত আপাহ পায়, তেবেসে মোৰ চাউল-কানি হুব, পো-নাতিলৈকো ৰহিব। মোৰ পৰা কোনোৰূপে নহয়।” পুতেককো লড়ি-গোহাঞি পাতি দুটা ঘোঁৰা দি বোলে,—“আতে উঠি দুয়ো বাপেক-পুতেক ঘৰলৈ যাউক।” ৭১ ॥

**নতুন বৰকুঁৱৰী**।—আতপাচে মাদুৰিয়াল লাইথপনা বৰগোহাঞিৰ পুতেক ভগাজনা সলাল বৰগোহাঞিৰ জীয়েক আকৰী গাভৰুক কালুগঞা বৰপাতৰে নিছিলে। এওঁকে আনি মহাৰাজা বৰকুঞৰী পাতিলে, ১৬৬১ শকত। ৭২ ॥

**মৃত্যু**।—১৬৬৫ শকৰ পুষত নেজলগা তৰা এটা ওলাইছিল, পুষ, মাঘ, ফাগুন তিনি মাস আছিল। ১৬৬৬ শকৰ আঘোণৰ ১০ দিন যাওঁতে শুক্ৰবাৰে ৪ দণ্ড ৰাতি আছোঁতে শিৱসিংহ মহাৰাজা স্বৰ্গী হ'ল।

চাৰিং-ৰজা, বাটষৰীয়া গোহাঞি, ভোবোলা গোহাঞি, কালশিলা গোহাঞি, এই চাৰি তায়েক কোষতে আছিল। পুতেক তিপাম-ৰজা অন্তৰ্জলৰ গাভত পানী দি তৰিৰ বুঢ়া আঙুলীত ধৰি আছিল। পুখুৰী-পৰীয়া বুঢ়াগোহাঞি, কালুগঞা ৰৰপাত্ৰ-গোহাঞি, মাছুৱিয়াল শলাল-গোহাঞি, তেওঁবোৰে তায়েক বিবাই ন-ফুকন, ৰজায়েক কথালোধা ফুকন, বৰভিয়াল ৰূপচন্দ্ৰ বৰবৰুৱা, লান্মাখৰুৰ ভিতৰুৱাল ফুকন, ছুৱৰা বৰফুকনৰ পুতেক অভয়পুৰীয়া ফুকন, আনো ছুই-চাৰি চমুৱা বৰুৱা, এইসকলো মহাৰাজাৰ কোলতে আছিল। মিৰি-সন্দিকৈৰ দিহিঙ্গীয়া ফুকন মাজৰ ছুৱাৰতে আছিল। হাতীবৰুৱা ডেকা ফুকন চ'ৰাৰ উজনি টুপতে আছিল। বৰভিয়াল ৰাজনেওগ চ'ৰাৰ মাজতে আছিল। ৭৩ ॥

---

## ষষ্ঠ অধ্যায়।

### স্বৰ্গদেৱ প্ৰমত্তসিংহ।

**তিপাম-ৰজাৰ ৰজা হবৰ আয়োজন।**—এনেতে কালুগঞা ৰৰপাত্ৰ-গোহাঞি, দিহিঙ্গীয়া ৰৰগোহাঞি, দিহিঙ্গীয়া নাওবৈচা ফুকন, এই তিনিয়ে তিপাম-ৰজাৰ কাল হৈ ভিতৰুৱাল মানুহ, লিগিৰা প্ৰমুখে সমস্তে এঠাই হৈ তিপাম-ৰজাক ৰজা পাতিবলৈ মন দিলে। মহাৰজা স্বৰ্গী হ'লতে তিপাম-ৰজা ৰজাদেৱৰ তৰি এৰি উঠি আহি গা ধুই দা, বাক, ৰৰচা, যাঠী, কাণ্ড, ধনু লোৱাই ওলা বুলি সাষ্টম হ'ল। ৭৪ ॥

**ৰজা-পতা লিগিৰা দমন।**—এনেতে পুখুৰীপৰীয়া বুঢ়াগোহাঞি, ৰৰথিয়াল ৰবৰৰুৱায়ে তিপাম-ৰজাক বুলিলে, বোলে,—“ ৰজাৰ ভাই ৰজা আছে, ৰজাৰ পো ৰজা আছে। তইঁতে ৰজা নুহই কোনোবা ৰজা হবনিকি ? লিগিৰা লৰাবে যে সাষ্টম হই ওলাইছা কতবা ৰণ হৈছেনিকি ?

তিনিজনা ডাঙৰীয়া, বৰুৱা, ফুকন সমস্তে পাতিলেহে ৰজা হব পায়। লিগিৰা পোৱালীএ পাতিব পাইনিকি?" বুঢ়াগোহাঞে চাৰিং-ৰজাক বুলিলে,—"কি চাইছ, তিপাম-ৰজাৰ হাতত ধৰ।" এই বুলিলতে হাতত ধৰিলে। চাৰিং-ৰজাৰ হাতত দা আছিল। তিপাম-ৰজা দা গুচা বুলি আজোৰ মাৰিলে। বুঢ়াগোহাঞে বোলে,—"দা এৰি নিদিবি।" তিপাম-ৰজা বোলে,—"মোৰো সক দাখানি দে।" বুঢ়াগোহাঞে বোলে,—"যি দা দিবি তাৰ পেটৰ লৰাকো ছিৰি কাটিম।" এই বুলি চাৰিও ভায়েকক তিপাম-ৰজা সহিতে উলিয়াই আনিলতে মিচাঙ্গত ভিতৰ-ৱাল মথায়ে ভেঁটি ধৰিলে। এনেতে বুঢ়াগোহাঞে বৰুৱাক বোলে,—"কি চাইছ, কাটিলেচোঁ।" এনেতে চাংমাই লিগিৰা লাইধনে দা এখান আনি দিলে। সেই দা হাতত লৈ টোৱালতে ভাগিল। ওলাই আহি বাটঘৰ পালেহি। তাতো তেনেকৈ বাট ভেঁটি ধৰিলে। সেইৰূপে সিহঁতকো বোলা-মতাকৈ ভঙ্গাই দোলাকাখৰীয়া চ'ৰা পালেহি। তাতে সুখুৰাসনৰ চাৰি কুৰি বাকৰতীএৰে তাৰে ভিতৰৰ দিহিঙ্গীয়া নগা লিগিৰায়ে ধৰিলে। তাকো সেইৰূপে ভঙ্গালে। ৭৫ ॥

**প্ৰমত্তসিংহ ৰজা।**—চাৰিং-ৰজাক আনি ৰৰচ'ৰা তুলি বুঢ়াগোহাঞে, ৰৰবৰুৱায়ে বুলিলে,—"চাৰিং-ৰজা, তোমাক আমি ৰজা পাতিলোঁ।" এই বুলি বুঢ়াগোহাঞে হাতত ধৰি হেঙ্গলাঙ্গত তুলি বোলে,—"ৰজাৰ ভাই ৰজা হ'ল। বৰুৱা, ফুকন প্ৰমুখ্যে সকলো ৰাজ্যে সেৱা কৰ।" পাচে সকলেও সেৱা কৰিলে। ৭৬ ॥

**নতুন ৰজালৈ উপদেশ।**—বুঢ়াগোহাঞে ৰজাদেৱক বুলিলে,—"তোমাক মহাপ্ৰভু ৰাজপদক দিলে। সন্তক পালন, দুষ্টক দণ্ডি, প্ৰাণীৰ সুখ-দুখ বিচাৰ, তোমাৰ ইহে ধৰ্ম্ম। আক ডাঙ্গৰ বৃক্ষৰ আশ্ৰয়ত যেনেকৈ তাপ আদিক নাপায়, ককাই ৰজাদেৱৰ আশ্ৰয়তে তেনেকৈ দেৱকো দেশৰ প্ৰজাৰ দোষে-গুণে নাপাইছিল। আজি ধৰি পৰমেশ্বৰে দোষ-গুণৰ আশ্ৰয় কৰালে। যি কাৰ্য্যৰ পৰা দোষ হই, যি কাৰ্য্যৰ পৰা গুণ হই আকো স্বৰ্গদেৱে নিয়ম কৰিব লাগে। আক তোমাৰ

তিনিটি ভাই আছে, ইবোৰকো পুত্ৰৰতে প্ৰতিপাল কৰিব লাগে। ইবোৰেয়ো পিতৃবোধে সেৱা কৰিব লাগে। পাচলৈকো বৰ-সৰু-ক্ৰমে প্ৰবৰ্ত্তিব লাগে। ·আৰু তিপাম-ৰজাকো নেৰিবা, পুত্ৰৰতে স্নেহ-মায়া কৰিবা।" এই বুলি বুঢ়াগোহাঞি শ' ধুৱাই কাপোৰ জাপিবলৈ চাঙ্গলৈ উঠি গ'ল। মাঘৰ ২০ দিন যাওঁতে দেৱবাৰে শিৱসিংহ ৰজাৰ বুঢ়া-গোহাঞে পৰ্ব্বতত নি মাটি দিলে। ৭৭॥

**ৰাজদ্ৰোহীৰ দণ্ড।**—যাতো ৰাজদ্ৰোহক মন কৰিলে, এতেকেহে কালুগঞা বৰপাত্ৰক ভাঙ্গি কেন্দুগুৰীয়া বৰপাত্ৰৰ পুতেকক বৰপাত্ৰ পাতিলে ; দিহিঙ্গীয়া বৰগোহাঞিক ভাঙ্গি লাইথপনা বৰগোহাঞিৰ পুতেক খাম্‌চং গোহাঞিক বৰগোহাঞি পাতিলে। আতবাজে ঢেকিয়াল বৰুৱা, তাৰে পুতেক লৰি-গোহাঞি, তিপমীয়া ফুকন, লিগিৰা বিৰহ, নগা, আনো বাকৰতী প্ৰমুখ্যে সকলকো লোৱা লগাই হাতীশালত বন্দী কৰি থলে। ফাগুনত মহাৰাজাৰ কৰ্ম্ম কৰিলে। সকলো মহাজনসৰক অনাই হৰি-সেৱা কৰাই অনেক দান-দখিণা কৰিলে। চৈত্ৰত দ্ৰোহীসকলক সোধ-পোছ কৰি অল্প দায় যিসবক পালে তাক দণ্ড কৰি ঘৰলৈ খেদিলে। তিপ-মীয়া ফুকনক, ঢেকিয়াল বৰুৱাক, তাৰে পুতেক নগা, আনো ডুৰাচাৰীক নাক-কাণ কাটি দণ্ড কৰি তেজীত পাতিলেনি। ৭৮॥

**ৰজা-অভিষেক।**—১৬৬৭ শকৰ আহাৰৰ তিনি দিন আছোঁতে শুক্ৰবাৰে পুৱাতে শিঙ্গৰিঘৰ উঠিল। ডুপৰ চাৰি ডাঁৰ মৰাত তিনিজনা ডাঙ্গৰীয়া গৈ ৰজাসেৱা কৰি তিফাইত মাটি দি ওলাই আহিল। পাচে ৰজাদেৱে মিঠাবগৰী হাতীক পম্মাই মাউতক আনিব দি টঙ্গি বন্ধাই তাক্লাকৰ পৰা উঠি চেং আনিবলৈ গ'ল। চেংঘৰতো হাতীৰ পৰা চাঙ্গলৈ উঠি ডিঙ্গিত চেং লৈ সেইৰূপে আহি তাঙ্গকাকে নামি গৈ থাইলতৰ কোঁঠাত আঁৰকাপৰ তৰি তাৰ ভিতৰতে ডিঙ্গিত চেং লৈ বহি আছিল। আঁৰকাপৰৰ বাজে উত্তৰা-দখিণাকৈ সিংহ-পীৰা পাতিছিল, তাতে উঠিবলৈ সিংহ-পহুৰ খুৰাৰে উত্তৰফালে চাপৰ-ওখ ক্ৰমে তিনিখানি পীৰা পাতি-ছিলে। তিনিৰ ওপৰতে তিনিখানি তলচা। সেই সিংহ-পীৰাতে উঠোঁতে

বুঢ়াগোহাঞে সোঁহাতৰ ফালৰ পূবৰ খুড়াত ; বৰগোহাঞে ধৰিছিল পছিমৰ খুড়াত ; বৰপাত্ৰই, বৰবৰুৱাই দখিণ দুই খুড়াত। সিংহ-পীৰাও এক সিংহেৰে ঠগাৰ নিয়মে, তাৰ ওপৰত সিংহ-পশু লগোৱা টঙ্গি-পীৰা পাৰিছিল। সেই টঙ্গি-পীৰাতে পছিমৰ ফালে সাপ এটা কৰিছিল।

ৰজাদেৱে ডিঙ্গিত চেং লৈ দখিণৰ মুখে বুঢ়াগোহাঞিৰ মূৰত হাত দি সেই সিংহ-পীৰাত উঠি পূবলৈ মুখে পছিমলৈ পিঠি দি সেই সাপতে আউজি বহিল। বাইলুঙ্গে বাখাম কৰিলে, ৯ জাই হিলৈ মাৰিলে, বৰঢাক আদি কৰি সমস্তো বাদ্য বজালে। সেই সময়ত ৰজাদেৱে তিনিজনা ডাঙ্গৰীয়া, বৰবৰুৱা, আহম ভণ্ডাৰী বৰুৱা, বাইলুঙ্গ তিনিটা, আতবাজে কেও নাই। নামোতে বুঢ়াগোহাঞিৰ মূৰত হাত দি নামিল। দেওধাই-বোৰে সোমাই গৈ বাখাম কৰিলে, ৰজাদেৱে আঁৰকাপোৰৰ ভিতৰত চেং থৈ আহি টুপৰ নৰা-পীৰাত বহিলহি। তাতে ভণ্ডাৰীবৰুৱাবোৰে তামোল, পান, চাউল, হাঁহকণি, কাপৰ লৈ লিখন কৰিলে। আঁৰকাপৰ দাঙ্গিলত তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে বৰুৱা, ফুকন সমস্তেও ৯ বাৰ সেৱা কৰিলে, সকলো ওলাই আহিল। ডাঙ্গৰীয়াসকল চটাই চ'ৰাতে বহিলহি। হোলোঙ্গত সকলেও সাজ খালে। আতবাজে দুই ডাঁৰ বেলি আছোঁতে ন-খুপীয়া সিংহাসনত বসিল। তাতে তিনিজনা ডাঙ্গৰীয়া লিখন কৰি বৰুৱা, ফুকন সমন্বিতে সাতবাৰ সেৱা কৰিলে। সিংহাসনৰ পৰা নামি হোলোঙ্গৰ উজনিফালে মথৰিৰ কাখৰত নৰা-পীৰা পাৰি তাতে উঠি থিয় হৈ ধাঠীএৰে খুঁচি শুকুলা ম'হ এটা মাৰিলে। তিনিজনা ডাঙ্গৰীয়াও ক'লা ম'হ এটা মাৰিলে। সাতো দিন এই ক্ৰমে মাৰি ৰং-আনন্দ কৰিলে।

চেঙ্গকো অনা নিয়মে আঠ দিনৰ দিনা নি দেওঘৰত থৈ আছোঁতে দোলাৰে আহিল। ডাঙ্গৰীয়াসকলো চটাই চ'ৰাতে নিয়মে বহি আছিল। সেই সময়তে ৰং-আনন্দ চাবৰ অৰ্থে জয়ন্তা-কছাৰীৰ কটকীক মহাৰাজা বৰুৱা সহিতে সমালোচন হৈ আনিব দি পাচে তিনিজনা ডাঙ্গৰীয়াত সুধিলে। বৰগোহাঞি, বৰপাত্ৰে বোলে,—"এনে সভালৈ আনিব লগা।" বুঢ়াগোহাঞি বোলে,—"জয়ন্তা-কছাৰী দুখান ৰাজ্য স্বৰ্গদেৱৰ পুথাও-পুলিনৰ

খাপিত-সাঁচিত। স্বৰ্গদেৱৰ বুপাবজা সিইতৰ অপৰাধ পাই ভুয়ো ৰাজ্য মাৰি তাৰ পাত্ৰ-মন্ত্ৰী সমন্বিতে ৰজাক ধৰি আনিলে। সেয়ে যি নিবন্ধ কৰি গ'ল, কছাৰী তাতে ৰহিল, জয়ন্তা নৰহিল। সেই অপৰাধতে ১৪ বৎসৰ বন্দী কৰি থৰা হৈছে। কছাৰীক সভা দেখাব লাগে, জয়ন্তাক দেখাবলৈ ভাল নহয়। হেন দেখি যদি দেখুৱা গ'ল এই ১৪ বৎসৰ বন্দী কৰি থবৰ একো প্ৰয়োজন নহ'ল।" তথাপি আনি সভা দেখালে। ৰজাদেৱৰ লিখনত বৰফুলাম কাপৰ কুন্‌মিনে সহিতে সাজকাপৰ এশৰাই, সোণ পাঁচ টকাৰ টেমি এটা, তিন টকাৰ বৈৰে-দিয়া কেক একযোৰ, ছুই টকাৰ কলক একযোৰ, ২৮ কপৰ বটা এটা, ছুই টকাৰ কলক এযোৰ, গাহৰি ছুটা, কুকুৰা ছুই যোৰ, ৰাজহাঁহ ছুই যোৰ, বন্দী-বেটী ছুটা, মতা ম'হ ২টা, খিৰতী গৰু এহাল। ৫ দিনৰ মূৰত মঙ্গলবাৰে ২ পৰ ৪ ডাঁৰ মৰাত তিনিজনা ডাঙ্গৰীয়া সবেও গৈ সেইদৰে বস্ত্ৰ দি টুপৰ পৰা সেৱা কৰিলে। মাঘত আওবৰ কলে। ৭৯॥

**ৰাণীৰ কটকী।**—১৬৬৭ শকৰ ফাগুনত বুঢ়াগোহাঁয়ে ৰাণীৰজাৰ কপ তুলিলে। বিদ্যানিবাস কটকীয়ে ভেটালে। পাচে বুঢ়াগোহাঁয়ে বোলে,—"বিদ্যানিবাস, ৰাণীৰ কপত সোধ, সি বেথন আছে স্বৰ্গমহাৰাজাৰ বন্দী-বেটা, থল-পৰ্ব্বতৰ সকলৰো কুশল, ই আহিবৰ বা কতদিন হ'ল, পথত আহোঁতে বা ভয়-সংশয় কি পালে?" বিদ্যানিবাসে সুধিলত ৰাণীৰ কপে বোলে,—"আমি যেতিয়া আহোঁ স্বৰ্গমহাৰাজাৰ বন্দী-বেটা, থল-পৰ্ব্বত সকলৰো কুশল। আমি আহিবৰ অহা-থকাই পাঁচ পক্ষ হ'ল। পথে-ঘাটেও ভয়-সংশয় নেপালোঁ।" গোহাঁয়ে বোলে,—"স্বৰ্গমহাৰাজাৰ বন্দী-বেটা, থল-পৰ্ব্বতৰ ইহঁতে সমন্বিতে যে কুশলে থাকিব, আমাৰো অভিমত এইএহে।" ৰাণীৰ কপে বোলে,—"গাৰো মিকিৰ আমি, পৰ্ব্বতৰ মাজত থাকোঁ, বাটৰ জেং পথৰ কুকুৰ বুলি গৰু-হাড়টো দিছিল, সেয়ে শুচিছে। আমাৰো বল টুটিল। তাকে পাই খাবৰ নিমিত্তে সিহঁতে মোক পঠাই দিছে। আমি দেৱতা-ঈশ্বৰক কিকৈ লগ পাম? তিনিজনা ডাঙ্গৰীয়াৰ পৰাহে হয়।" গোহাঞে বোলে,—"বিদ্যানিবাস,

ৰাণী-কপত ক, প্ৰভু ৰামচন্দ্ৰত বনৰ বানৰে ভক্তিৰূপে প্ৰাৰ্থনা কৰিলত তাৰো বাঞ্ছিত সিদ্ধ হৈছে।" ৮০ ॥

**গড়-মন্দিৰ নিৰ্ম্মাণ।**—পাচে এওঁ ৰজাদেৱেই বাঁহৰ, কাঠৰ ঘৰৰ দৰে দুই টুপীয়াকৈ ৰংপুৰত ৰংঘৰ পকী কৰিলে আৰু গড়গাওঁ নগৰৰ দুৱাৰঘৰ কেইটা পকী কৰিলে। গুৱাহাটীত শুক্ৰেশ্বৰ দেৱালয়ৰ দ'ল কৰি দিলে। আৰু ৰুদ্ৰসিংহ স্বৰ্গদেও স্বৰ্গী হোৱা ঠাইত গুৱাহাটীৰ উত্তৰপাৰত ১৬৭৩ শকে দৌল কৰি ৰুদ্ৰেশ্বৰ নামে শিৱ স্থাপন কৰি দেৱালয় পাতি মাটি, পাইক দেৱত্তৰ কৰি দিলে। সেই কাৰণে ৰুদ্ৰেশ্বৰ-গ্ৰাম নাম হ'ল। আৰু কামৰূপ পিয়ল কৰাই কাগজ-পত্ৰ নিবন্ধ কৰিলে। এওঁ ৰজাৰ দিনত বিশেষ কোনো কৰ্ম্ম নহ'ল। ৮১ ॥

**মৃত্যু।**—পৰে ১৬৭৩ শকৰ ২৯ আশ্বিন কৃষ্ণা নৱমী তিথিত স্বৰ্গী হ'ল। ভোগ ৬ বৎসৰ, ১০ মাহ, ৫ দিন। ৮২ ॥

---

# সপ্তম অধ্যায়।

## স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ।

**স্বৰ্গদেৱ ৰাজপাটত উঠে।**—প্ৰমত্তসিংহৰ মৃত্যুৰ পাচত, তেওঁৰ সক ভায়েক, ৰাজেশ্বৰ সিংহ নাম লৈ ৰাজপাটত উঠে। ৰাজেশ্বৰ সিংহ ৺দেৱৰ কোঁৱৰ কালতে তিনি পুত্ৰ হ'ল। বৰজনাক কান্দুৰা গোহাঁইদেউ বুলিছিল। তান ভ্ৰাতৃ মাজিউজনাক চাৰিঙ্গীয়া মেল দিছিল। তান ভ্ৰাতৃ সৰুজনা গোহাঁইদেওক সৰুমেল দিছিল। এই তিনি পুত্ৰক ৰজা হৈ তিনি মেল দিছিল। পাটত উঠিলত কোঁৱৰ এটি জন্মিল। সেইটিক পাটকোঁৱৰ বুলিছিল। পাচে কান্দুৰা গোহাঁইদেউৰ গড়গ্ৰামত মৃত্যু হ'ল। ভোগবাৰীত মৈদাম বান্ধিলে। ১৬৭৪ শকত শিঙৰিঘৰ উঠিলত সকলো মহন্তক অনাই সাত দিন উৎসৱ কৰি দান-দক্ষিণা কৰিলে।

ৰঙ্গীৰ ৰাজাসকলকো আনিছিল। তিনিজনা ডাঙ্গৰীয়াক মুখ্য কৰি গড়গঞা, গুৱাহটীয়া সকলকো যোগ্য-অনুৰূপে বঁটা দিলে। ১৬৭৫ শকত পাটঘৰ উঠিল। ৮৩॥

**দেশভ্ৰমণ**।—আতপাচে ১৬৭৮ শকত ৰাজেশ্বৰ সিংহ ৺ও গুৱাহাটীলৈ যাবলৈ ৺দেৱে বকতিয়ালৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক বাহৰ কৰিবলৈ আজ্ঞা কৰিলে। ৺ৰ আজ্ঞায় বৰবৰুৱাই কৰালে বাহৰ,—সোণাৰী নৈত ১ খান, গজপুৰত ১ খান, দেৰবগাৰঁত ১ খান, জটিয়াবাঙ্গত বিশ্বনাথৰ পোনে ১, কলীয়াবৰত ১, সৰিয়হতলীত ১, ৰবদোৱা ১, বেকী ১, কালশিলা ১, বৰনদী ১, হাজো ১। পাচে স্বৰ্গদেউ এই বাহৰে বাহৰে থাকি, পছু, মাছ, ম'হ মৰাই অনেক ৰং-ঢং কৰি গুৱাহাটী পালত বৰফুকনে লতাশিলৰ পৰা আগবাঢ়ি নিলেহি। এইৰূপে হাতীৰ তলত পৰি বহুলোক মৰিল। ক্ৰমে ১৬৭৯ শকত চৈত্ৰ মাহত ৺ও থকা বাহৰে বাহৰে থাকি উজাই আহি ৰংপুৰ পালেহি। ৮৪॥

**নবাব কটকী**।—আতপাচে ৰবনবাৰ পৰা ফুকন ৪টা আহিল। বুঢ়া চিৰিং ফুকনে ৰমণী ৰজাৰৰ বহা ঘৰতে ধাৰাণে তুলিলে। আতপৰেও কুঁৱৈগঞা বুঢ়াগোহাঁইৰ নাম ভগি, বোকা নগৰত ঘৰ আছিলে, তাতে ধাৰাণে তুলিলে। আতপৰে চটাই-অলীয়া দৌলবন্ধা ৰবগোহাঁয়েও চটাই-আলিৰ বহা ঘৰতে তুলিলে। নবাৰ কটকীক মেহেঙ্গাত তুলি ম'হৰ মুণ্ড শিঙ্গে সৈতে সিজাই তিনিও ঠাইত ভাত খুৱালে। আতপৰে ৺এ গড়-গাৰঁত হোলোঙ্গত তুলিলে। আৰু কটকী তোলাত ৺এ এইৰূপ আজ্ঞা কৰিলে, তিনিজনা ডাঙ্গৰীয়াক মোঙ্ক কৰি ৰবৰুৱা, ফুকন, ৰাজখোৱা, চমুৱা ফুকন, বৰুৱা, হাজৰিকীয়া, সকলকো যাৰ যি যোগ্যতা পাগ-জেমা, বস্ত্ৰ-অলঙ্কাৰ পিন্ধিব দিলে, আৰু কাঁড়ীৰ শইকীয়া, বৰা, পাইক পৰ্য্যন্তে সকলোকে ভাল বস্ত্ৰ পিন্ধিব দিলে। কটকীকো ৰবচুৱাৰৰ মুখৰ হাতীশালতে থৈছিল। সেইবেলা ৺দেৱৰ আজ্ঞায়ে মানুহক তিনি সাজকৈ বস্ত্ৰ দি ভিন্নে ভিন্নে সলাই পিন্ধি আৱাৰাত, ওলোৱা-সোমোৱা কৰিব দিলে, মানুহ বিস্তৰ দেখিবৰ কাৰণে। পাচে নবাৰ কটকীয়ে বোলে,—

"হয়, ভাই-বজাৰ মানুহ বহুত, তথাপি আলিৰ বন মৰাহে নাই," এনে বুলিলে। ৮৫ ॥

**বঙ্গালী বাজিকৰ।**—আতপাচে স্বৰ্গদেৱে বঙ্গালৰ পৰা বাজিকৰ এযোৰা অনালে, আৰ উপৰি বাঁহপাতি ওস্তাজ, তাইৰ লগে আৰু জনীদিয়েক। পাচে স্বৰ্গদেৱে সিহঁতক নিয়াই ৰংঘৰতে ৰং কৰিছিলে; বাজিও এই,—দুপতীয়া আমৰ পুলিত আম লগাইছিল, ত্ৰিশূলৰ ওপৰত নাচিছিল। আৰু অনেক বাজি কৰি ৺ক ৰং দেখালে। পাচে ৺দেৱে ৰং পাই সিহঁতক দিলে ৰূপ ১০০০৲ টকা। ৮৬ ॥

**কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক হত্যাৰ চেষ্টা।**—আতপৰে ৰংপুৰতে ১৬৮৫ শকৰ কাৰ্ত্তিক মাহত একদিনা প্ৰতি বৰবৰুৱা দিৱসত বহা-ঘৰতে আছিল। পাচে গধূলি ১ দণ্ড নিশা যোৱাত পৰলৈ আহিল। বুকজ সোমাইছেহি, এনেতে পাচৰ পৰা চোৰে দিঙ্গিত দাৰে ঘা মাৰিলে, কথমপি নলি নিছিগিল। পাচে সেই চোৰক টেকেলা বৰাই সাবট মাৰি ধৰিলে। বৰবৰুৱাক যাদ তামুলীৰ পুতেক ৰামকৃষ্ণায়ে সাবট মাৰি ধৰিলে, আনো মানুহ সহিতে পালীলৈ লৈ আহিল গলত কাপোৰ বান্ধি। এনেতে পুতেক চোলাধৰা ফুকনত বাৰ্ত্তা কলেগৈ চোলাধৰা ভণ্ডাৰত। চোলাধৰা ফুকনেও এই বাৰ্ত্তা পাই বিহ্বল হৈ চাঙ্গলৈ গ'ল। ৺ৰ আগত দণ্ডৱতে পৰি কান্দি কান্দি কলেগৈ, বোলে,—"স্বৰ্গদেৱৰ বন্দী বকৱাক বৰদুৱাৰৰ ভিতৰতে চোৰে ঘৈয়ালে, ঘৈয়াই বা কোনে ইয়াক বুজিব নোৱাৰি।" পাচে ৺এ বিস্ময়ী শুনি বোলে,—"বাৰু, ইয়াক বিচাৰ কৰা যাব। মই বিদ্যমানে থকাত মোৰ বকৱাক নো কোনে ঘৈয়াইছে বিচৰা যাব।" বৰবকৱাও পালী-পৰ নিবন্ধে দিয়াই থাকিল আৰু সেই ৰাতি বৰবকৱাৰ ফাললৈ হিলৈৰ মুখকৈ পাতিছিল। আৰু সিৰাত্ৰি মিৰি-সন্দিকাইৰ নাওবৈচা ফুকনৰ আপৰ বহা-ঘৰতে আছিল। পাচে গড়ৰ ভিতৰত কটাকটি লাগিছে বুলি শুনি সেই ৰাতিয়েই আহি নগৰ সোমালহি, লগত জোৰ নাই। ৮৭ ॥

**অপৰাধীৰ বিচাৰ।**—পাচে ৰাতি পুৱালত সেই ঘৈওৱা মানুহটোক

সকলেও চিনি পালে,—নাজিৰাহটীয়া গণক, নাম ৰতিকান্ত। পাচে ৺ৰ আজ্ঞাৰে ৰতিকান্ত গণকত সুধিলে, বোলে,—“এই কৰ্ম্ম কাৰ আলচেৰে কৰিলি?” সি বোলে,—“মই ঘৈয়াবৰ হয়।” লগত যি কেইটা মানুহ আহিছিল তাৰো কথা কলে, বোলে,—“চাওডাঙ্গৰ বৰচমুৱা ১টা, লুখুৰাখনৰ ঢেকিয়াল বৰুৱা মণি ১, ভাগিনেক সন্দিকৈৰ দয়ঙ্গীয়া ডেকা ১।” এই দুইকো সোধত পৰিলত বৰদুৱাৰৰ মুখৰ হাতী-শালত লোৱাদি থোৱালে। পাচে নাওবৈচা ফুকনকো আপৰত কিয় আছে বুলি বন্দীকৈ লোৱা দিলে। আৰু বাককিয়াল বৰগোঁহাই-পৰীয়া ঘৰফলীয়া বৰুৱা আছিল। তেওঁ পৰৰ পৰা ওলাই যায়, এনেতে ঢেকিয়াল বৰুৱা বন্দী কৰা ঠাইৰে পৰা মাত লগাই, বোলে,—“মোৰ মুৰত হাচটি নাই, তোমাৰ লগৰ হাচটি গছি দি পঠোৱা।” পাচে উদাৰ চিত্তে থাকি বৰুৱাৰ লগত ফুৰা সাজ-হাচটি গছি দি পঠালে। পাচে আকে ৰখীয়া টেকেলাই দেখি বৰবৰুৱাত কলেহি। শুনি এই কথাকে ৺লৈ জনালে। ৺এ শুনি “বন্দী কৰা মানুহক হাচটি কিয় দিব?” বুলি দায় ধৰি বৰবৰুৱাৰ ভিনসি ঘৰফলীয়া বৰুৱাক ভাঙ্গি খেদিলে। বৰবৰুৱাৰ আপোনাৰ বায়েকক ঘৰফলীয়া বৰুৱালৈ দিছিল। পাচে সোধ পৰিলত ঢেকিয়াল বৰুৱাক, ভাগিনীয়েক দুয়োকো শালত দি ভুৰ বান্ধি তাতে তুলি ভাগিনীয়েকৰ কান্ধত তামোলৰ হাচটি দি ওটাই পঠালে। এইৰূপে মেল কৰি ঝাবুলি আৰু নাওবৈচা ফুকনকো নাক-কাণ কাটি নিবোকত পাতিলে, আৰু বৰচমুৱা মন্দজক তৈলত ভাজি মাৰিলে। লগৰ তিনি মানুহক কুঠাৰেৰে ফালিলে। ৰতিকান্ত গণককো কুঠাৰেৰে ফালিলে। বৰবৰুৱাক ঘৈওৱা মিত গঢ়া কমাৰকো কাণ-নাক-চৈকু গুচালে। সেই সময়তেহে বৰবৰুৱা ৺লৈ জনাই কুৰিএ পতি টাঙ্গন একোডাল লগত ললে। সেই কালৰ পৰাহে বৰবৰুৱাৰ লগত টাঙ্গন হ'ল, নিত্যপৰো হ'ল। ৮৮॥

**মণিপুৰৰ ৰজা জয়সিংহ।**—আতপাচে মিৰি-সন্দিকৈৰ নাওবৈচা ফুকন পাতিলে। পুতেক থঙ্গীয়া ফুকনক ঢেকিয়াল ফুকন পাতিলে, আৰু বৰবৰুৱাও ভাল হ'ল। আতপৰে ব্ৰহ্মাৰ ৰজা মগলুৰ দেশ লগত

মগলু আছি কছাৰীত সোমালহি। তাতে থাকি আমাৰ চৌকিদাৰ বৰুৱালৈ জনাই পঠালে, বোলে,—"আমাক যদি বৰবৰুৱা নিয়াই তেবে ৺ৰ চৰণত শৰণাপন্ন হব পাৰোঁগৈ।" আৰু এইৰূপ কছাৰী ৰজাও কৈ-পঠালে। পাচে চকীয়াল বৰুৱা এই কথাকে বৰবৰুৱালৈ ৰহস্যে জনাই পঠালে। বৰবৰুৱাও শুনি এইৰূপে প্ৰাৰ্থনা কৰি ৺লৈ জনালে, বোলে,—"কছাৰী ৰজা, মণিপুৰীয়া ৰজা, দুয়ো ৰজা ৺ৰ চৰণত শৰণাপন্ন হবৰ মনে আছিব খোজে, আমালৈ কৈ পঠাইছে, এতেকেহে ৺লৈ জনাইছোঁ। যদি ৺ও মই বন্দীকে আজ্ঞা কৰে মই বন্দীয়েও দুয়ো ৰজাক আনি ৺ৰ পুণ্য-প্ৰতাপ-বলে দুয়ো ৰজাক সেৱা কৰাব পাৰি যেন দেখি; আৰু কছাৰী, মণিপুৰীয়া, দুয়ো ৰজাও বুলিছে, বোলে,—'আমাক বৰবৰুৱা আহি নিওঁকছি।' এতেকেহে মই বন্দীয়েও জনাইছোঁ।"

৺য়েও এইৰূপ শুনি বৰবৰুৱাকে দুয়ো ৰজাক আনিবলৈ আজ্ঞা কৰিলে। বৰবৰুৱাও ৺লৈ প্ৰাৰ্থনা কৰি, বোলে,—"৺ৰে মই বন্দীক আজ্ঞা কৰিছে, বন্দীয়েও যাম। ৺ৰে যেন চোলাধৰা ফুকনক ডেকা-বৰবৰুৱা নাম দিব।" পাচে ৺এ শুনি বোলে,—"ভাল, চোলাধৰা ফুকনক ডেকা-বৰবৰুৱা পতা হব।" পাচে ৺এ চোলাধৰা ফুকনক বৰফুকন বহা ঠাইতে বহিবলৈ আজ্ঞা কৰিলে, ডেকা-বৰবৰুৱা নাম দিলে। ৮৯॥

**ৰহাত বৰবৰুৱা।**—পাচে আশ্বিন মাসত বিজই দশমীৰ দিনা যাত্ৰা কৰি অনেক প্ৰজা, হাতী-ঘোঁৰা, আহিলা-পাতি সহিতে ক্ৰমে গৈ ৰহাৰ চৌকীতে থানা কৰি ৰহিল। এই বৰবৰুৱাক ঘৈয়াবৰ পাঁচ বৎসৰৰ পাচে দুয়ো ৰজাৰ ঠাইলৈ কটকী পঠাই দিলে, বোলে,—"দুয়ো ৰজা আমালৈ কোৰাত থাকি আমিও ৺ৰ চৰণত জনাই আছিছোঁ, এতেকে দুয়ো ৰজা বিলম্ব নকৰি শীঘ্ৰে আহক। এইৰূপে কটকীয়ে কলতগৈ মণি-পুৰীয়া ৰজা জয়সিংহ, পুতেক যুৱৰাজ অনুপানন্দ, কছাৰীৰো ডেকা-ৰজা সহিত জেঠ-মাসত আহি ৰহাৰ চৌকীত বৰবৰুৱা সহিতে সম্ভাষা হ'লহি। পাচে বৰবৰুৱাও ৰজাসকলক দেখি হৰ্ষযুক্ত হৈয়া সাত জাই ছিলৈ জাই কৰালে, আৰু অনেক উৎসৱ কৰালে। পাচে সেই জেঠ মাহতে

নাও-নাওৰা আনিবৰ নিমিত্তে কলঙৰ পৰা লোহিতলৈ জান এটা খনাই দুয়ো ৰজা সহিতে সেই ঝানে ওলাই উঝাই আহিল, আৰু পৰ্ব্বতত পাই হৰগৌৰীৰ মূৰ্ত্তি এখনো আনিলে। ক্রমে আহি ৰংপুৰ পালেহি। পাই ৰৰদুৱাৰৰ মুখ ৰঙনাথতে ৰ'লহি। ৰজাসকলকো মতাইমৰাত থলে, আৰু দুয়ো ৰজাৰ লগত মানুহ ৫০০ মান আহিছিল। পাচে বৰবৰুৱা ৺লৈ জনাই পঠালে, বোলে,—"৺ৰ বন্দীয়ে ৺ৰ পুণ্য-প্রতাপৰ বলে দুয়োজনা ৰজাক লৈ আহিছোঁ।" পাচে ৺এ শুনি বৰবৰুৱাক চৌৰা-লৈকে অনালে। আৰু সেইদিনা তিনিজনা ডাঙৰীয়া প্রমুখ্যে সকলো ফা-ফুকন চাপিছিল। পাচে ৺এ তিনিজনা ডাঙৰীয়া সহিতে বৰবৰুৱাক চাঙলৈকে নিয়ালে। বৰবৰুৱায়ো ৺ক সেৱা কৰিলে। ৯০ ॥

**কীৰ্ত্তিচন্দ্ৰৰ কীৰ্ত্তি।**—পাচে ৺এ সুধিলে বোলে,—"বৰুৱা, যি কাৰ্য্যে গৈছিলা, সেই কাৰ্য্য সিদ্ধি হ'ল? আৰু পথ-প্রবাসত ভয়-ভ্রান্তি কিমান পালা আৰু লোকজন বা কিমান হানি হ'ল? আহিলা বা কত দিনে, ইঠাই পাবৰ হ'ল কত বেলি?" এইৰূপে ৺এ বাক্যেৰে সুধিলত বৰবৰুৱা বোলে,—"৺ও ঈশ্বৰ, ৺ৰ পুণ্য-প্রতাপৰ বলে মই বন্দীয়ে মণিপুৰীয়া ৰজা জয়সিংহকে আৰু কচাৰীৰ ৰজাৰ মাকত চপা সন্দিকাৰী ৰজাকো অনা হৈছে, হৰ-গৌৰীৰ মূৰ্ত্তি এখানিও অনা হৈছে।" এইৰূপে ৰজা দুইক আনিবৰ শুনি ৺এ প্রশংসা বাক্য বুলি ডাঙৰীয়াবোৰকো বঁটা দিয়াই বিদায় দিলে। বৰবৰুৱাকো সাজ খুৱালে। আৰ পৰে ৺এ ফুকন, বৰুৱা, সকলকো পাগ-জেমা পিন্ধি ৰৰচ'ৰাৰ সভাত বহিবলৈ আজ্ঞা কৰিলে। ৯১ ॥

**জয়সিংহৰ অভ্যৰ্থনা।**—পাচে ৺এ ৰংপুৰৰ বাহৰৰ ৰৰচৌৰাতে কছাৰী, মণিপুৰীয়া দুয়ো ৰজাক সম্ভাষা হ'ল। দুয়ো ৰজা ৺ক সেৱা কৰিলে। সভাও অতি বিচিত্র হৈছিল। সেইবেলা জয়ানন্দৰ জোৰাই ৺ৰ আগত পাসোজ গান কৰিছিল। ৰজাবোৰে দেখি বিস্ময়। আৰু পাচে ৺এ বৰবৰুৱাক মৰ্য্যাদা দিলে। একচটীয়া মখমলৰ জলচা এখনি, আৰু সোণাৰ জাপিৰ চূলা,. আৰু ৰৰদুৱাৰৰ মুখৰ পৰা ৰহাঘৰলৈকে

আগত গায়ন, পেপা, আহোঁতে যাওঁতে গাব-বাব দিলে, এই মৰ্য্যদা দিলে। ৯২॥

**কুৰঙ্গনয়নী।**—পাচে ৺লৈ জনালে, বোলে,—"মণিপুৰীয়া ৰজাৰ জীয়েক এটি আছে, নাম কুৰঙ্গনয়নী। পূৰ্ব্বৰো মণিপুৰীয়া ৰজা বভ্ৰুবাহাৰ সন্তানহে,—ক্ষত্ৰিয়, আত সংশয় নাই। এতেকে যেন ৺এ বিবাহ কৰাব।" পাচে ৺এ শুনি বোলে,—"ভাল, বকৰা যে জনাইছে বিবাহ কৰিম।" পাচে বৰবকৰা কছাৰীৰ পৰা মণিপুৰীয়া ৰজাৰ জীয়েককো, মাক, ভায়েক, পুতেক, থঙ্গীয়া ফুকনকে, দিহিঙ্গীয়াৰ ঘুমুৰীয়া দুৱলীয়া ফুকনকে পঠাই অনালে। গোৰীসাগৰতে থলে। পাচে সোণাই নৈত ৺এ চকলং কৰি বিবাহ কৰালে। কন্যাৰ থাপেক বৰবকৰা, দ্ৰব্য-বস্তু সকলো বৰবকৰা দিলে, অলঙ্কাৰ পাতি সোণাৰ আক যৌতুকো বিধান খোৱা-চোৱা সজুলি সকলো বৰবকৰাৰ ঘৰবেহে দিলে। আতপৰে খনাত কুঁৱৰীয়ে পুখুৰী খনালে, আক দিচৈৰ নামে সকচৰাই হাবিত মনাইমাজি গাৱঁত থাট পতালে, তাতে যুতকীয়া মগলবোৰ থৈছিল। ৯৩॥

**বাৰণ-বধ ভাৱনা।**—আক সেই সময়তে মণিপুৰীয়া ৰজাকে, কছাৰী ৰজাকে দেখাই বাৰণ-বদ্ধ ভাৱনা কৰিলে, আক সেই সময়ৰ পৰাহে বৰবকৰা চোৰাৰ ফুকামৰ খুটাত ৰহে। বৰফুকনক মোক্ষ কৰি ফুকন-সকল ভাৱনাঘৰত ৰহে। সেই ভাৱনাৰ ডেকা-বৰবকৰা ওস্তাজ লাগিছিল; মানুহ ৭০০ টা; ভাৱনাও অতি বিশেষ হৈছিল। মণিপুৰীয়া, কছাৰী ৰজাও দেখি অতি বিস্ময় পালে। ৯৪॥

**জয়সিংহক সহায়-দান।**—আতপৰে ৺লৈ জনালে, বোলে,—"এই মণিপুৰীয়া ৰজা ব্ৰহ্মাৰজাৰ খেদাত আহি ৺ত শৰণাপন্ন হৈছেহি। শৰণা-গতক এৰিব নাপায় বুলি শাস্ত্ৰেও কৈছে। এতেকে সেই মণিপুৰ দেশত ৰাজাক সংস্থাপন কৰি থলে ৺ৰ যশ-ধৰ্ম্ম দুয়ো হয়।" এইৰূপে বৰবকৰা ৺লৈ জনালত ৺এও শুনি, বোলে,—"ভাল, বকৰা যে জনাইছে তিনিজনা ডাঙৰীয়াকো অনাওক, ডাঙৰীয়াবোৰতো সোধা হ'ক।" সুধিলত ডাঙৰীয়াবোৰেও বিধি দিলে। মণিপুৰীয়া জীয়েকক পৰে ৺এ ৰজনা

আইকুঁৱৰীহঁতেও পাতিলে। পাচে ৺এ তিনিজনা ডাঙ্গৰীয়াকো, বৰবৰুৱাকো চাংলৈকে নিয়ালে। ৺এ ডাঙ্গৰীয়াবোৰতো সুধিলে, বোলে,—“এই মণিপুৰীয়া ৰজা যে ব্ৰহ্মাৰ খেদাত আহি কছাৰীত আছিলহি, তাৰ পৰা আহি আমাৰ বৰুৱাৰ দ্বাৰায় শৰণাপন্ন হ’লহি, এতেকে মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিবলৈ তোমালোকে কি বোলা? কাৰ মনে কি চোৱে?” এইৰূপ ৺ৰ বাক্য শুনি ডাঙ্গৰীয়াসকলে বোলে,—“৺এ মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিলে যশ-ধৰ্ম্ম-কীৰ্ত্তি দেশদেশান্তৰে খ্যাতি হব।”

পাচে ৺এ বুলিলে,—বৰুৱা, মানুহ, আহিলা-পাতি, খাৰ-বাখৰ, গুৱাহটীয়া, গঁড়গঞা, সকলবো দোৱাল মানুহ তুলিবলৈ আজ্ঞা কৰিলে। পাচে এইৰূপ আজ্ঞা শুনি বৰবৰুৱায়ো প্ৰাৰ্থি জনালে, বোলে,—“৺এ যি আজ্ঞা কৰিছে ৺ৰ পুণ্য-প্ৰতাপৰ বলেহে সকলো হয়, আমি বন্দী-বেটাৰ পৰা কোনখান হব?” এনেতে ৺এ ডাঙ্গৰীয়াসকলক তামোল-পাণৰ বটা দিব দিলে। বৰবৰুৱাকো তামোল-পাণ দিলে। বৰবৰুৱায়ো মূৰৰ হাচটি পাতি ললে, সেৱা কৰিলে। এইৰূপে সকলো ওলাই আহিল। ৯৫॥

**সেনাপতি হৰনাথ ফুকন।**—পাচে বৰবৰুৱায়ো ৺ৰ আজ্ঞাৰে মানুহ, আহিলা-পাতি, খাৰ-বাখৰ, অস্ত্ৰ-সস্ত্ৰ, সকলকো তিয়াৰ কৰিলে। আৰু গঁড়গঞা, গুৱাহটীয়া, সকলবো কাৰ্ত্তিক মাসত দোৱাল মানুহ তুলিবলৈ আজ্ঞা কৰিলে। পাচে আঘ্ৰণ মাহত ৺এ আজ্ঞা কৰিলে,—“এদাৰৰীয়া বাহৰ সন্দিকৈৰ ডেকাফুকন আৰু লাহনৰ বাহৰ ভিতৰুৱাল ফুকন, সেনাৰ লগত যাব লাগে।” এনেতে ডেকাফুকন নৰিয়া পৰিল। তেওঁক ভাঙ্গি গজপুৰীয়া হাতীবৰুৱাৰ বাহৰ ডেকাফুকন পাতিলে। ভিতৰুৱাল ফুকনবো পেট বলে, যাব নোৱাৰাত তেওঁকো ভাঙ্গি দুৱৰা বাহৰ বৰফুকনৰ দুৱলীয়া ফুকন আছিলে, তেওঁকে সুণীয়া হেংদান্ দি সেনাপতি পাতিলে সকলোৰে ওপৰত। মানুহ গঁড়গঞা, গুৱাহটীয়া, মূলে-দোৱালে, আনো মেলভগীয়া সৈন্তে ৪০০০০ মান হব। আৰু সকলবো ভাগিয়ে ভাগিয়ে দুৱলীয়া ফুকন, ৰাজখোৱা সমস্তকে লগত দিছিলে। ৯৬॥

**জয়সিংহক বিদায়।**—পাচে সকলো লোক তৈয়াৰ হ’লত এনেতে

৺এ সোণাই নৈৰ ৰাহৰৰ ৰৰচোৰাত ওলাই মণিপুৰীয়া ৰজাক বিদায় দিলে। সেই প্ৰস্তুতত ৺এ সকলকো মণিপুৰীয়া ৰজাক শিকাব-বুজাব দিলে, ডাঙৰীয়া তিনিজনাকো, ফুকনবোলাককো। ৯৭ ॥

**ৰৰপাত্ৰ-গোহাঁইৰ বিদায়-বাণী**।—তাতে লেচেঙ্গিয়াল ৰৰপাত্ৰ ডাঙৰীয়া মণিপুৰীয়া ৰজাক বোলে,—"মণিপুৰীয়া ৰাজা, তোমাৰ দেশ-ৰাজ্য ব্ৰহ্মাই ললেহি, তুমি সি দেশত ৰক্ষা নাপাই কছাৰী ৰাজ্যত ৰ'লাহি। তাৰে পৰা ৰকৰাৰ দ্বাৰ কৰি ৺লৈ জনালা। পৰে ৺এ ৰকৰাকে পঠাই খাচম্পুৰৰ পৰা তোমাক অনালে। তুমিও ৺ত শৰণাপন্ন হ'লা। ৺ও তোমাক ডাঙৰৰূপে অনুগ্ৰহ কৰি তোমাৰ স্বদেশে সংস্থাপন কৰিবৰ নিমিত্তে অনেক সৈন্য-সেনা, ৺ৰ বন্দী-বেটা দিছে। তুমিও আপোনাৰ দেশ পাই পুৰাতন মন্ত্ৰীসকলক চপাই ল'বা। যদি কোনো মনুষ্যৰ পৰা অপকাৰ পাইছা, তাকো কাৰ্য্যক অৱলোকন কৰি ক্ষেমা দি চপাই লবা। আৰু ৺এ বিশেষ আজ্ঞা কৰিছে, তোমাক ঈশ্বৰ-ঈশ্বৰীয়ে অনুগ্ৰহ কৰিব। দেশকো পাবা, কিন্তু দেশ পাই ৺লৈ বিস্মৰণ নহবা। ৺লৈ ৰকৰাক দ্বাৰ কৰি উকীল-পত্ৰ পঠাই কুশল মঙ্গলাদি বাৰ্ত্তা বুজিবা।"—এইৰূপে শিকালে। ৯৮ ॥

**জয়সিংহৰ উত্তৰ**।—আৰু এই প্ৰকাৰে তাৰতম্যৰূপে ৰৰগোহাঁই, বুঢ়াগোহাঁই, ফুকন সকলোৱে কলে। পাচে এইৰূপে শুনি মণিপুৰীয়া ৰজা বুলিলে, বোলে,—"আমাত যি কৈছে উত্তম কৈছে। আমাৰ ৰাইজ্যো নাশ বনে বাস, এই কথা আমাতে মিলিছে। আৰু কোনো গৃহস্থে অম্ৰ-বৃক্ষ ৰোপণ কৰে, তাতে জল ক্ষেপণ কৰে বৃদ্ধিৰ কাৰণে। যদি দৈবাৎ ফল নধৰে সেই বৃক্ষক আনি গৃহস্থে কোনো কাৰ্য্যত নিয়োজন কৰে। এতেকে মোৰ পৰা কোন কাৰ্য্য হব? তথাপি ৰকৰা মোৰ পিতা হৈছে। ৺ও মোৰ সম্বন্ধি ঈশ্বৰপ্ৰায় হৈছে। মোক সংস্থাপন কৰিলে ৺ৰ যশ-ধৰ্ম্ম চন্দ্ৰ-সূৰ্য্যে যেনেৰূপে প্ৰকাশ কৰিছে সেইৰূপে ভূমণ্ডলত যশস্যা থাকিব।" মণিপুৰীয়া ৰাজাৰ এইৰূপ বাক্য ৺এও শুনিলে, পাত্ৰমন্ত্ৰী সকলোৱে শুনিলে। ৯৯ ॥

**সেনাপতি ফুকনক উপদেশ দান।**—আৰু লেচেঙ্গিয়াল বৰপাত্ৰ ডাঙ্গৰীয়াই সেনাপতি ফুকনক বোলে,—"ফুকন, তুমি চুৰবাৰ ঘৰৰ লৰা, প্ৰাচীন, এদিনীয়া নোহোৱা, এতেকে তোমাক এই মণিপুৰীয়া ৰজাক মণিপুৰ ৰাজ্যত সংস্থাপন কৰিবৰ নিমিত্তে ৺এ বিশেষ আজ্ঞা কৰিছে, আৰু ৺ৰ অনেক বন্দী-বেটা দিছে, আহিলাপাতিও দিছে। এতেকে তুমিও ৺ৰ এই সৈন্য-সেনা সমন্বিতে পথে-প্ৰবাহে দুখ নোপোৱাকৈ হানি নোপোৱাকৈ যাবা। মণিপুৰ দেশ পাই তুমি উপায়-মন্ত্ৰণাৰে বা যুদ্ধেৰে বা যিৰূপে এই মণিপুৰীয়া ৰজাক স্বদেশত সংস্থাপন কৰিব পাৰিবা তাকে প্ৰাণ-পৰিশ্ৰমে চিন্তিবা।" এইৰূপে ৰবৰুৱায়ো ৺ৰ আজ্ঞাৰে ফুকনক শিকালে। ১০০॥

**হৰনাথ ফুকনৰ উত্তৰ।**—পাচে সেনাপতি ফুকনেও এইৰূপ শুনি বোলে,—"৺ৰে যিৰূপ আজ্ঞা কৰিছে, ডাঙ্গৰীয়াসকলে যিৰূপ শিকাইছে আৰু ৰবৰুৱা ককায়ে যি শিকাইছে, যুক্তিহে শিকাইছে। তথাপি মোৰ পৰা কোন কাৰ্য্য হব? ঈশ্বৰ-ঈশ্বৰীৰ অনুগ্ৰহত ৺ৰ পুণ্য-প্ৰতাপৰ বলে যি হয় সেইহে হব। এতেকে মই কি প্ৰাৰ্থনা কৰিম! ৺দেৱেও আশীৰ্ব্বাদ কৰিব, দেওবোৱাকেও আশীৰ্ব্বাদ কৰিব, তেহে সকলো কাৰ্য্য সিদ্ধি হব।" আৰু সেইবেলা জপৰজলৰ বাহৰ বৰচেটিয়া মৰঙ্গিখোৱা কথা কব নোৱাৰাত ৺এ ভাঙ্গিলে। ১০১॥

**লতা-কটা ৰণ।**—পাচে সেনাপতি ভিতৰুৱাল ফুকনে সকল সৈন্য-সেনা সহিতে দুই নৈৰ মুখে সোমাই পৰ্ব্বত খনদিয়েক দেই তাতে বাটৰ দিঙমোহ হৈ উজাই গৈ চৰাইদেও পৰ্ব্বতৰ পোন পালেগৈ। মণিপুৰীয়া দেশলৈ পথ একোৰূপে নাপাই হাবিত ফুৰন্তে মানুহ খাবলৈ নাপাই আহু-মূৰ ডাঙ্গৰ হ'ল, বনকলৰ বসহে পানী হৈছিল। চাউলৰ টেমী-মূৰৰ জোখাত ৰূপ টকাকৈ হৈছিল। সমলীয়াও বাব নোৱাৰে, নগাই কাটে। হাবি কাটি কাটি পথ কৰি গৈছে। নগায়ো পথ নিদি বহু মানুহ কাটিলে, আৰু অনেকৰ জ্বৰ-গ্ৰহণী হৈ মৰিল। সাপ-মকৰাই খাইও অনেক মাৰিলে।

পূৰ্ব্বে মণিপুৰীয়া ৰজাই বাট পোনাই নিম বুলি গাত লৈ নিলে, পৰে হাবি সোমাই ভু হৰাল।

এনেতে সেনাপতি ফুকনকে মোক্ষ কৰি সকলো সমালোচন হৈ একোৰূপে দিশ-বিদিশ নাপাই ৺লৈ সকলো বৃত্তান্ত কথা জনাই পঠালে, বোলে,—"নগায়ো অনেক মানুহ কাটিলে আৰু অন্নৰো বৰ বিকল হ'ল। জ্বৰ-গ্ৰহণীয়েও ধৰি অনেক মৰিল। আমি বন্দীহঁতে উপায় নাপাইহে জনাইছোঁ।" এইৰূপে বৰবকৰাত কলেহি। বৰবকৰায়ো ৺লৈ জনালে। পাচে ৺এ শুনি সকলকো আনিব দিলে জেঠ মাসত। পৰে আষাঢ়ত পালেহি। মানুহ আহিলাপাতি দুই ভাগ মান হানি পালে, এভাগহে আহিল। ওলাই আহিবৰ সময়ত বাড়কা নদীত ভূৰ বান্ধি মণিপুৰীয়া ৰজাক পাৰকৈ থৈ আহিল। আষাঢ় মাহত পালেহি। ১০২॥

**হৰনাথ ফুকনৰ অপৰাধ।**—ৰংপুৰ পালত ৺এ বৰদুৱাৰৰ মুখৰ হাতীশালতে থাকিব দিলে। পৰে ৺ৰ আজ্ঞাৰে সেনাপতি ফুকনত দায় ধৰি সুধিলে, বোলে,—"মোৰ এতেখনি মানুহ, আহিলাপাতি কিয় হানি কৰিলেগৈ? আৰু নগা ৪টাকে মাৰি-কাটি বাট মোকোলাই যাব নোৱাৰিলে? অ' জানিলোঁ, মোৰ কাৰ্য্যত সি হেলা কৰিলে।" ১০৩॥

**ফুকনৰ উত্তৰ।**—এইৰূপে দায় ধৰিলত ফুকনেও ৺লৈ প্ৰাৰ্থনা কৰি জনাই পঠালে, বোলে,—"৺এ যে মই বন্দীক দায় ধৰিছে, মই বন্দী দায়ৰ ভিতৰ। ৺ৰ বুঢ়া বন্দী পিতৃ-পিতামহসকলেও দায় সাৰি যাব পৰা নাই। এতেকে মই কেনেকৈ এৰাম? তথাপি পূৰ্ব্বে মণিপুৰীয়া ৰজা বাট দেখাই নিম বুলিলে, এতেকে আমিও গলোঁ। পাচে হাবি সোমাই একোৰূপে বাট-পথ নেপালোঁ। তাতে অনেক মানুহৰ খৰ-গ্ৰহণী ধৰি মৰিল, আৰু চাউলৰো বিকল হ'ল। সমলি-নিয়াও নাই আৰু নগায়ো বাট এৰি নিদিয়ে, পৰ্ব্বতৰ পৰা শিল বগৰাই মাৰে। এক মাসৰ পথ হাবি কাটি গলোঁ, তথাপি বাট-পথৰ একো উদ্দিশ নাপালে। এতেকেহে মই বন্দী দায়ত পৰিছোঁ। যদি বাট দেখাই নিওঁতা হলহঁতে, মই নগৈ ৺ৰ কাৰ্য্যত হেলা কৰিলোঁহঁতে, তেতিয়াহে বন্দী দায়ৰ ভিতৰ।

আৰু যদি পাচত চাউল-পাত সোধাওঁতা হলহঁতে, তেও এইমান মানুহ হানি নহয়; তথাপি ৺ৰ দাই-অপৰাধ কিৰূপে এৰাম? মই কন্দী ৰণুৰ ভিতৰ।”

এইৰূপে ফুকনৰ প্ৰাৰ্থনা ৺ত জনালত ৺য়েও দাই-অপৰাধ ক্ষমা কৰি ফুকনক বহাঘৰলৈ যাব দিলে। পৰে কিছুদিন থাকি পৰো সোমাব দিলে। পাচে সেই ৰণৰ নাম হ’ল লতা-কটা। ১০৪॥

**ৰাজেশ্বৰ সিংহৰ মৃত্যু।**—পৰে এক বৎসৰ থাকি ১৬৯১ শকৰ মাস জৈষ্ঠত শ্ৰীৰাজেশ্বৰ সিংহ ৺ও দেৱৰগাঁৱত স্বৰ্গী হ’ল। ভোগ ১৯ বৎসৰ। ১০৫॥

**কাঠসংস্কাৰ।**—পাচে ৺ৰ শৰক পৰ্ব্বতলৈ বুলি উজাই আনিলে। পাচে পাত্ৰ-মন্ত্ৰী সকলো আলচ কৰি গৰগাঁৱৰ দ’লৰ গুৰিৰ পৰা ভটীয়াই আনি সোণাই নৈৰ বাহৰৰ লোহিতৰ সনিটত ৰৰশিমলুৰ গুৰিত ৺ক কাষ্ঠসংস্কাৰ কৰিলে। কোঁৱৰ চেটিয়া পাত-ফুকন এজনা সৈতে অস্থি পৰ্ব্বতলৈ নিলে। ব্ৰাহ্মণীয়া মতে কৰ্ম্ম কৰিলে। সেই দিনৰ পৰাহে ব্ৰাহ্মণীয়া মতে কৰ্ম্ম হ’ল, কাষ্ঠসংস্কাৰো কৰে। ১০৬॥

---

## অষ্টম আখ্যা।

### স্বৰ্গদেৱ লক্ষ্মীসিংহ।

**সিংহাসন আৰোহণ।**—আতপৰে সেই ১৬৯১ শকৰ জেঠ মাসতে ২১ দিন ৰোৱাত ৺ৰ ভ্ৰাতৃ নামৰূপীয়া গোহাঁইদেৱক, লেচেঙ্গিয়াল ৰৰপাত্ৰ গোহাঁই, কুঁৱৈগঞা ঘৰৰ বুঢ়াগোহাঁই, মাজুবিয়ালৰ ঘৰৰ ৰৰগোহাঁই, ৰকতিয়ালৰ ঘৰৰ গেন্ধেলা ৰৰবৰুৱা কীৰ্ত্তিচন্দ্ৰো তেওঁকে ৰোলে মগলুক আনিবৰ পৰা, দিহিঙ্গীয়াৰ ঘৰৰ ঢোলপেটা নাওবৈচা ফুকন, দুৱৰাৰ ঘৰৰ কলকলীয়া ভিতৰুৱাল ফুকন, পুথাও ডেকাফুকন, ৰূপ-সন্দিকৈৰ ঘৰৰ

দিহিঙ্গীয়া ফুকন, মাতুৰিয়ালৰ ঘৰৰ বৰীয়া জনা ন-ফুকন, বকতিয়ালৰ ঘৰৰ ৰাজনেওগ, এই পাত্ৰ-মন্ত্ৰীসকলেও সমালোচন হৈ নামৰূপীয়া গোহাঁইদেৱক দেৱৰগাৰঁৰ বাহৰতে ৰজা পাতিলে। কালশিলীয়া গোহাঁইদেও ৰজা হৈ লক্ষ্মীসিংহ নাম ললে।

আৰু সেই সময়তে ৺ৰ আজ্ঞাৰে মাজুজনা গোহাঁইদেৱক, সৰুজনা গোহাঁইদেৱকো নামৰূপলৈ খেদি নামৰূপতে খুন কৰিলে। পাট-কোঁৱৰক বৰকলাত থলে। আতপৰে প্ৰমত্তসিংহৰ ৺ৰ পুত্ৰ এজনাক তিপাম মেল দি লগত ৰাখিলে। পৰে ৺ক দেৱৰগাৰঁৰ পৰা ৰংপুৰলৈ উজাই আনিলে। ১০৭॥

**মৰাণ-বিদ্ৰোহ আৰম্ভ।**—পাচে সেই শকতে ৺ৰ আজ্ঞাৰে বৰ-বৰুৱা বৰঢাক কাটিবলৈ মানুহ দিছিল। সেই মানুহ আহি বৰবৰুৱাত বাৰ্ত্তা কলেহি,—"হাতীচুঙ্গি মৰাণে অৰীতিয়ামতে প্ৰৱৰ্ত্তি, ৰজা, বৰবৰুৱা পাতি ৰণ পাতিছে; এতেকে আমি বৰঢাক কাটিব নোৱাৰিলোঁ।" আৰু বৰবৰুৱাৰ টেকেলা মনচোকা আহিও সাৰশেষে বাৰ্ত্তা কলেহি,—"বৰবৰুৱাৰ ভাগৰ হাতীচুঙ্গিয়ে, ফুকনৰ ভাগৰ হাতীচুঙ্গি, দুয়োভাগৰ হাতীচুঙ্গি গোটখাই বৰভীয়া তুলি বাধা-ককুণী পাতি আম্বুৰী মেল পাতি ৰণ উলিয়াইছে।" এই বাৰ্ত্তা শুনি বৰবৰুৱাও ৺লৈ এইৰূপে জনালে। ৺এ শুনি বৰবৰুৱাকে বিচাৰ লবলৈ আজ্ঞা কৰিলে। পৰে ৺ৰ আজ্ঞায়ে বৰবৰুৱাইও বিচাৰ কৰি চাই ৰণ হেন জানি ভিতৰুৱাল চুটিয়া-কাঁড়ী হাজাৰৰ হাজৰিকীয়া সৈতে দি বৰবৰুৱাৰ ভাগৰো সৰুহিলৈদাৰী হাজাৰৰ হাজৰিকীয়া সৈতে দি টেকেলাবৰা বেজক মূৰ কৰি ৰণলৈ দিলে। সিহঁতো ক্ৰমে গৈ মৰাণে ৰণ পতা ঠাই পালেগৈ। তাতে বোলমাত লাগিল। ১০৮॥

**বিদ্ৰোহীৰ জয়।**—আমাৰ বেজবৰা বোলে,—"তহঁতে সামান্য মানুহ, ৺লৈ কিয় দা দাঙ্গ? কি বুলি ৰণ পাত? এতিয়া ৺এ তহঁতক ভালে ৰাখিবনে?" এইৰূপে অনেক বুলিলে। পাচে মৰাণে সেই বাধা-মানাকো মুশুনিলে, কন্দ কৰি মানুহ কাটিলে। তাতে হাজৰিকীয়া পৰিল। মানুহ দুই-চাৰিহে সাৰিল। আহিলা-পাতিও নিলে। বেজবৰা এৰাই

আছিল। বৰবৰুৱাৰ আগত দেখা-শুনা সকলো বৃত্তান্ত-কথা জনালেহি, বোলে,—"ৰণ টান, আৰু অল্প সৈন্যে ৰলে নোৱাৰি।" পাচে এইৰূপে শুনি বৰবৰুৱাও সাৰশেষ বাৰ্ত্তা ৺ত জনালে। ১০৯॥

**হৰনাথ সেনাপতি ফুকন।**—৺এ শুনি তিনিজনা ডাঙ্গৰীয়া, বৰবৰুৱা, আনো ফুকন, ৰাজখোৱা সহিতে সমালোচন কৰি দুৱৰাৰ ভিতৰুৱাল ফুকনক সেনাপতি পাতি গা-মানুহ ছয় হাজাৰ মূলে-দোৱালে দিলে। আৰু বাজুৱা, ভিমকগুৰীয়া হাজাৰ, বাজুৱা-কোঁৱৰ হাজাৰ, বাজুৱা-কোঁৱৰ হিলৈদাৰী হাজাৰ, বকলৰ দুহাজাৰ, ধাদুমৰ হাজাৰ, ভিতৰুৱাল চেকেৰাতলীয়া হাজাৰ, এই আঠ হাজাৰ মানুহৰ মূলে-দোৱালে হাজৰিকীয়া সৈন্যে দিলে। আৰু দোলাৰৰীয়া বৰা, চাওডাঙৰ বৰা, বৰবৰুৱাৰ টেকেলা বৰা, বাৰ্ত্তাকোৱা বেজবৰাকো দিলে। চাবুকধৰা বৰা তেলগজক দিলে, কলিতা বৰা আনাদৰক দিলে। দন্তাল হাতী দিলে ৮ টা, ঘোঁৰা ১২ টা, এইৰূপে সকলোৰে উপৰি ভিতৰুৱাল ফুকনক সেনাপতি পাতি সুণীয়া হেংদান দি উজনি ৰণলৈ পঠালে। শক ১৬৯১, মাস কাৰ্ত্তিক। ১১০॥

**আহোম সৈন্যৰ বিলৈ।**—ক্ৰমে সকলো গৈ ডিবুৰুৰ দক্ষিণপাৰে কোঁঠ দি ৰ'ল। পাচে ডিবুৰুত দলং কৰি পাৰ হ'ল। মনচোকাৰ বাৰীতে কোঁঠ দিবলৈ ধৰাত মৰাণ আহি ৰণ ধৰিলেহি। কথমপিহে গা ৰ'ল, মানুহ দুই-চাৰি পৰিল। পাচে সাষ্টম হৈ তাতে কোঁঠ দি ৰ'ল। পৰে দিনা-দিয়েকৰ পাচত মৰাণে আহি ডিবুৰুৰ দলং কাটিলেহি। মানুহ-দুনুহটো চলিব নোৱাৰাকৈ আগ ভেঁটিলে। চাউল-সমলীয়াও যাব নোৱাৰে। পাচে মানুহ খাবলৈ নাপাই নিৰস্ত হ'ল। ঔ টেঙ্গা, ঢেকীয়া, কচু, কাকগাজ ইয়াকে খাবলৈ ধৰিলে। আঁঠু ভাঙ্গৰ হ'ল আৰু জ্বৰ-গ্ৰহণীয়ে ধৰিলে। ১১১॥

**মৰাণৰ মন্ত্ৰণা।**—পাচে মৰাণে মন্ত্ৰণা কৰিলে। পূৰ্ব্বে খেদি থোৱা ৰাজেশ্বৰ সিংহ ৺ৰ ভ্ৰাতৃ ৰজা হৈ খেদা গোহাঁই বাটঘৰীয়া ৰৰজনা, ৰাজেশ্বৰৰ পুত্ৰ এই দুইক লক্ষ্মীসিংহ ৺ৰ দিনত খেদা মাজিউজনা সকজনাক, এই তিনিওজনাক চপাই কলে, বোলে,—"তোমালোকে আমাৰ

লগলৈ আঁহা। আৰঙ্গকে তোমালোকৰ এজনাকহে ৰজা পাতিম। ৰজা হৈ আমাকো ফুকন-বৰুৱা পাতিবা।" এই বুলি হাতীচুঙ্গি মৰাণেও, তিনি-জনা গোহাঁয়েও সপত খোৱা-খুই কৰিলে। "আৰু পূৰ্ব্বে বকতিয়াল বৰবৰুৱা বিনা দোষত ৺ত লগাই তোমালোকক নামৰূপলৈ খেদিলে, খুনো কৰালে। এতেকে বকতিয়াল বৰবৰুৱাক মাৰোঁগৈ।" এইকথা শুনি তিনি গোহাঁয়ে হৰ্ষযুক্ত হৈ হাতীচুঙ্গি মৰাণৰ কথা লৈ তিনিওজনা গোহাঁয়ো পাচ কথা নেদেখিলে। সামান্য মানুহৰ কোৱা কথা বুজি মৰাণৰ কথা ললে। পাচে বাটঘৰীয়া গোহাঁইক হাতীত তুলিলে। গাভুজনা গোহাঁই, সৰুজনা গোহাঁইকো হাতীত তুলিলে। পাচে মৰাণে সৈতে ফৌজ কৰি সেনাপতি ফুকনৰ কোঁঠলৈ খেদি আহিল। ১১২ ॥

**মোহনমালাৰ উদ্দেশ্য।**—পাচে মোহনমালা বাটঘৰীয়া গোহাঁয়ে সেনাপতি ফুকনক মাত লগালে, বোলে,—"ফুকন, তই দুৱৰাৰ ঘৰৰ, এদিনীয়া নহ, তোৰ সপ্তম পুৰুষ আমাক সেৱা কৰি গৈছে, মিত্ৰ-সম্বন্ধো আছে। সম্প্ৰতিও মইহে ৰজা। আৰু বকতিয়াল বৰবৰুৱাই কূট মন্ত্ৰণা কৰি ৺ত লগাই আমাক নামৰূপলৈ খেদালে। এতেকে বকতিয়ালৰ ঘৰক মাৰিবৰ নিমিত্তে আলচি ৰণ কৰিছোঁ। ডাঙ্গৰীয়া কেইঘৰো, আহোম কেইঘৰো যাৰ যি বিষয়-মৰ্য্যদা সেই ৰূপেই থাকিব। আৰু সামান্য পাইকান মানুহকো একো নকৰোঁ। কাকো কটা-মৰাও নকৰোঁ।" এইৰূপে সেনাপতি ফুকনকে মুখ্য কৰি সকলতো কলে। ১১৩ ॥

**হৰনাথ বন্দী।**—পাচে সেনাপতি ফুকনে বোলে,—"তোমালক খেদি-খোৱা গোহাঁই, আমি কেনেকৈ ৰজা লম? সম্প্ৰতি ৺ও পাটতে আছে। আমি ৰজা লব নোৱাৰোঁ।" পাচে গোহাঁইবোৰে বোলে,—"যদি পাৰ, আমাৰ গাত গুলি দে।" এই বুলি খেদি আহি হাতীএৰে কোঁঠ ভাঙ্গিলেহি। পাচে হাতীৰ পৰা নামি ফুকনক হাতত ধৰি লৈ গ'ল মানুহে সহিতে। পাচে নিলগত ঘৰ সাজি ৰখীয়া দি থলে। নিয়া মানুহবোৰ গোহাঁইৰ লগত ললেনি। আৰু তাৰে বেজ, তেলগজ, কলিতা, এই তিনি ৰৰাক শালত দিলে। ১১৪ ॥

**মৰাণৰ প্ৰতিপত্তি।**—আৰু মৰাণে গোহাঁইবোৰ সৈতে আলচ কৰি বাঘৰু বৰবৰুৱা পাতিলে; খোৰাক দেওগোসাঞি পাতিলে, তাৰ নাম নাহৰ। তাৰ দুই ঘৈণীয়েকক বাধা-ককুণী নাম দিলে। পাচে মৰাণে সৰু-গোহাঁই, মাজুগোহাঁই, এই দুই গোহাঁইক ৰহস্যে বিষ পান কৰাই মাৰিলে। বাটঘৰীয়া গোহাঁইহে থাকিল। তেওঁকো নিলগাই ঘৰ দি ৰখাদি থলে। পাচে খোৰাৰ পুতেক ৰমানন্দক ৰজা পাতিলে। লোকে বুজিবৰ নিমিত্তে কয়,—"বাটঘৰীয়া গোহাঁইৰ পুতেকহে ৰজা।" ৰহস্য কথা মৰাণৰ মৰাণেহে জানে। পাচে সকলোৱে বুজিবৰ নিমিত্তে কৈ ফুৰে,—"বাট-ঘৰীয়া গোহাঁইৰ পুতেকহে ৰজা," এনে বুলি মিছাকৈ কয়। ১১৫॥

**ৰৰচ'ৰাত মেল।**—পাচে ফুকনৰ কোঁঠৰ মানুহে আহি বৰবৰুৱাত বাৰ্ত্তা কলেহি বোলে,—"মৰাণে বাটঘৰীয়া গোহাঁইবোৰ সৈতে আহি ফুকনক ধৰি নিলে।" এই কথা সভাতে কলেহি। সভাৰ লোক-সকলেও শুনি নিষ্প্ৰাণ হ'ল। পাচে বৰবৰুৱাই গৈ বৰঘৰৰ টুপতে ৺ত জনালে, বোলে,—"বাটঘৰীয়া গোহাঁই, মাজুগোহাঁই, সৰুগোহাঁই, এই সকলে মৰাণ সৈতে আহি ফুকনক মানুহে সৈতে কোঁঠ ভাঙ্গি ধৰি নিলে।" এইৰূপে ৺এ শুনি অসন্তোষ কৰি বোলে,—"বৰুৱা, ইয়াৰ উপায় কি হব?" পাচে বৰুৱা বোলে,—"৺এ তিনিজনা ডাঙ্গৰীয়া, ফুকন, ৰাজ-খোৱা, এই সকলক চপাই সোধক; যাৰ যি মনে পৰ্শে জনাওক। পাচে ৺এ বুজি যাক যি আজ্ঞা কৰে তাকে আচৰা হব।"

পাচে ৺এ বৰুৱাক আজ্ঞা কৰিলে, বোলে,—"গুৱাহাটীৰ পৰা দুৱৰাৰ বৰফুকনকে, দিহিঙ্গীয়াৰ পানীফুকনকে অনোৱা।" পাচে বৰবৰুৱাই কটকী পঠাই বৰফুকন, পানীফুকন, ৰাজখোৱা দুই, আৰু ৰাণী লুকি দুই ৰজা-পোৱালি, এইসকলক শীঘ্ৰে অনালে। পাচে ৺এ তিনি জনা ডাঙ্গৰীয়া, ফুকন, বৰুৱা চপাই সকলত্তো সুধিলে। পাচে সকলেও জনালে, বোলে,—"৺ও, ভিতৰুৱাল ফুকনক ধৰি নিলে বুলি আমি কিয় ৰণ এৰিম? ৺ৰ বন্দী-বেটা অনেক আছে। ৺এ যিৰূপ আজ্ঞা যাক কৰিব তাকে আচৰিব লাগে।" ১১৬॥

**ধুমকেতু।**—পাচে ১৬৯১ শকত আশ্বিনত পাঁচ দিন যাওঁতে আকাশত নেজ-লগা তৰা এটা ওলাইছিল, অমঙ্গলসূচক। ১১৭॥

**মৰাণৰ সৈতে ৰণ।**—পাচে ৺এ বৰবৰুৱাক আজ্ঞা কৰিলে, তিনি অভয়পুৰীয়াক পঠাই নামৰূপৰ সোণ-ৰূপৰ ভঁৰাল ৰাখি মৰাণৰ ৰণ কৰিব। নাওশলীয়া ফুকনৰ পুতেক জবকিয়াল গোহাঁইক, বৰ-অভয়-পুৰীয়া ৰাজখোৱা, কোটা বৰফুকনৰ বাহৰ পানী-অভয়পুৰীয়া ৰাজখোৱা, বৰগোহাঁইপৰীয়া সৰু-অভয়পুৰীয়া ৰাজখোৱা, এইহঁত সকলো গৈ নামৰূপ নাপালেগৈ। দীঘলীঘাটতে মৰাণে সৈতে ৰণ লাগিল। ৰণ হাৰি মৰাণত ৰহিল।

আতপাচে গুৱাহটীয়া ডেকাফুকন, ঘোঁৰাৰ বৰবৰুৱা, চিকণ বঙ্গালৰ দুই পুতেক, ফুকনৰ ডাগিৰ দোৱাল মানুহ, এইহঁতো গৈ তিমোনৰ মুখতে কোঁঠ দি ৰ'লগৈ। আৰু মই বৰুৱা জাতত বুকক, আকে সেনা-পতি পাতি চাংমাই ৫০০০ লগত দি সৰিয়হহাটৰ বাটে দিলে। সিহঁতো গৈ চাংমাই পাওঁতেই ৰণ লাগিল। আৰু দিহিঙ্গীয়াৰ পানীফুকনৰ পুতেক দুৱলীয়া ফুকনক পানীফুকনৰ ডাগিৰ দোৱাল মানুহখনি সৈতে ধাই-আলিৰ বাটে দিলে। দুৱলীয়া ফুকনৰ পাচতে বৰকাকতী পৰ্ব্বতীয়া বৰুৱা হৈছিল, তাকো কিছু মানুহে সৈতে দিলে। আৰু আগে লিক্চন ৰৰা আছিল, কুলত লিক্চন আহোম, পাচে বচা ৰাজখোৱা হৈছিল, তাকো গা-মানুহে সৈতে পৰ্ব্বতৰ আলিয়ে দিলে। ১১৮॥

**মৰাণৰ ফন্দ।**—পাচে ৰাঘ মৰাণে তাৰ ৰণুৱা মানুহ সহিতে হাবিৰ পৰা ওলাই দিহিং সীমা কৰি গাওঁ-ভূঁই ৰৰালে। ৰৰজনা গোহাঁইৰ পুতেক ৰজা বুলি মিছাকৈ সকলো লোকত কৈ ফুৰে। আকে শুনি সকলো ৰহিল। আৰু মৰাণে বঁৰতীয়া তুলি হাতত টোকোন লৈ মাটিত খুন্দি এই নাম গায়,—"অষ্টভুজে সপ্তভুজে চতুৰ্ভুজে ৰাখে। তাৰে লাই তাকে কাটে, তাৰে হিলৈ তাকে মাৰে, চতুৰ্ভুজে ৰাখে।" এই নাম গাই ফুৰে। প্ৰজাসকলে ভয়-ভীত হুই ৰহে। কোঁঠৰ সামান্য মানুহবোৰ কোঁঠ ভাঙ্গি পলায়; মুখ্যসকল ৰহেগৈ।

আৰু পূৰ্ব্বে মোৱামৰীয়া মহাজন চতুৰ্ভুজ, তৎপুত্ৰ বাৱন ডেকাই কুমন্ত্ৰণা কৰি তাৰ শিচ্-ভকতক নামমূৰি খেৰ ১টা, বেতসূত ১টা, কামী ১টা, এই দৰে তুলি আৰু নামমূৰে মাটি এচপৰাকৈ তোলাই খুটিয়া-পোটাত বৰভেঁটি বান্ধি সেই তোলা বস্তুৰে ঘৰ এটা সাজিলে। এই মন্ত্ৰণাৰেই মানুহবো নিয়ম বুজিলে। ৰজা হবলৈকো আলচিলে। তাৰ সকলো সেৱক-ভকতে ৰজা পাতিম বুলিলে।

আৰু ৰৰকল্লাৰ লগত অভয় ভণ্ডাৰী বুলি এটা আছিল। তাৰ পুতেক অম্বৰীষ। ৺ৰ চাঙ্গতো দুই-চাৰি লিগিৰা পাঁচনি খাটি আছিল। আমাৰ সকলো কথা মোৱামৰীয়া মহন্তত কয়গৈ। পাচে মহন্তে সকলো কথা এইৰূপে ৰাঘত কয়। এই ৰহস্য কথা মোৱামৰীয়াৰ মোৱামৰীয়াইহে জানে। ইয়াক আন বামুণীয়াই নাজানে। ১১৯॥

**ৰবৈ দুৱলীয়া পানীফুকনৰ বীৰত্ব।**—আৰু মৰাণৰ প্ৰধান অস্ত্ৰ টোকনহে। আনো অস্ত্ৰ আছে, তথাপি তাত আস্থা নাই। পাচে সেই টোকনধৰা সৈন্য সহিতে আহি দুৱলীয়া পানীফুকনেৰে সমুখা-সমুখি হ'লহি। পাচে ৰাঘ মৰাণে পানীফুকনক মাত লগালে, বোলে,—"ফুকন, তই কাকনো ৰণ কৰ? ৰৰজনা গোহাঁইৰ পুতেকহে ৰজা। ভিতৰুৱাল ফুকন সসৈন্যে সহিতে বৰিল, তাক তই দেখা নাই? আৰু দিহিং সীমাকৈ লোকজনো বৰিল।" পাচে ফুকনে বোলে,—"৺ও পাটতে আছে, তই গান্ধী-খোৱা মৰাণৰ কথাৰে মই বৰিমনে? মই দিহিঙ্গীয়াৰ ঘৰৰ লৰা, এই মুখেৰে ৺ক সেৱা কৰিছোঁ। আনক ৰজা কিয় লম?" পাচে এই বাক্য শুনি সসৈন্যে সহিতে ৰাঘ মৰাণ খেদি আহিল। এনেতে ফুকনৰ লগৰ সকলো মানুহ ভাগিল। দুই চাৰি কাটিলে। ফুকন লগৰ তামোলকটাটিৰ সহিত পিঠীয়াপিঠিকৈ ৰ'ল।

পাচে ৰাঘই বোলে,—"ফুকন, এতিয়াও বৰ।" ফুকনে বোলে,—"মই পূৰ্ব্বেই বুলিছোঁ, 'মৰাণ, তোত নবৰোঁ'।" ফুকনৰ হাতত ধনু-কাঁড়, চোকৰ তৰোৱাল। তামোলকটাৰ হাতত দা, বৰ্চ্ছি; এয়েৰেই দুই-চাৰি

মৰাণক মাৰিলে। পাচে মৰাণে চৌপাশে বেঢ়ি ধৰিলে, তথাপি বিমুখ নকৰিলে। পাচে কঁড়ীয়া-কঁড়ি লাগিল। ফুকনৰ কাঁড়তো মৰাণ দুই-চাৰি মৰিল। এনেতে কাঁড় ধুকাল। পাচে বাঘই বোলে,—“ফুকন, এতিয়াও বৰ।” ফুকনে বোলে,—“মই পূৰ্ব্বেই বুলিছোঁ, তোত নৰবোঁ।” এনেতে পাচফালৰ পৰা বাঠীয়েৰে খোঁচ পাৰিলে। পিঠিয়ে সোমাই বুকে ওলাল। হামথুৰি খাই পৰিল। পৰিলতে কাটিলেহি। তামোলকটাকো কাটিলে। ১২০ ॥

**উজনিত ৰজা-পোৱালি।**—পাচত যি পৰ্ব্বতীয়া বৰুৱা গৈছিল, সি এই বাৰ্ত্তা পাই পলাই নগৰলৈ আহিল। পাচে ফুকনৰ লগৰ ৰণ-ভগনীয়া মানুহ আহি ৰৰবৰুৱাত বাৰ্ত্তা কলেহি। ৰৰবৰুৱাও ৺লৈ জনালে। এই বাৰ্ত্তা শুনি নগৰৰ ফুকন বৰুৱাই আৰু আগৰে পৰা বস্তু-দ্ৰব্য অস্তৰালে। আৰু ৰণলৈকো মানুহ দিলে মৰাণত ৰবেগৈ। পাচে ৰৰবৰুৱাই কাৰ্য্যত বিষঙ্গতি দেখি ৺ত জনালে, বোলে,—“আমাৰ মানুহৰ মন-বুদ্ধি বিষম দেখোঁ। ৰণলৈ যাকে দিয়া হয় সেয়ে গৈ মৰাণত ৰবে গৈ, কোনো পলায়। এনে দেখিহে বন্দীয়ে জনাইছোঁ।” পাচে ৺ও সহিতে সমালোচন হৈ,—“ইয়াত যদি ৰব নোৱাৰি গুৱাহাটী-লৈকে ভটীয়াই যাম।” এই বুলি ৰহস্যে মন্ত্ৰণা কৰি নাওঁ-নাওঁৰাকো যুক্তি কৰি থলে। আতপাচে,—“ৰাণী, লুকি, টোপাকুচীয়া, এইহঁতকো আনি থোৱা হৈছে, ইয়াকে ৰণলৈ দি চাওঁ, কি কৰিব পাৰে।” পাচে ঢুৱৰাৰ বৰফুকনে বোলে,—“এই ৰাণী প্ৰধান যোদ্ধা, পূৰ্ব্বে বঙ্গালকো মাৰিছে।” ১২১ ॥

**ৰাণী আৰু লুকিৰ বিপৰ্য্যয়।**—পাচে গড়গঞা ডেকাফুকনে সৈতে এইহঁতক ধাই-আলিৰ বাটে দিলে, আৰু সন্দিকৈৰ আঢাৰৰীয়া বাহৰ টাঙ্গনধৰা বাজখোৱাক দিহিঙ্গীয়া ফুকন পাতি গা-মানুহ সহিতে তামুলী-বজাৰৰ বাটে দিলে। আৰু লেচেঙ্গিয়াল বৰপাত্ৰ ডাঙ্গৰীয়াকো গা-মানুহ সহিতে লেচাঙ্গৰ বাটে দিলে। এনেতে বাঘ মৰাণে আহি ধাই-আলিৰ মূৰতে ৰাণী, লুকি, টোপাকুচীয়া সহিতে ৰণ লাগিলহি। পাচে ৰাণী,

লুকি তাগিল। মৰাণে খেদি বহুত কাটিলে, আৰু বৰপাত্ৰ গোহাঁই আপোন ঘৰতে ৰ'ল। ফুকনবোৰ আহি ৺ৰ লগ ললেহি। আন সামান্য লোক ঘৰে ঘৰে গ'ল। দুই-এক ৰণ-ভগনীয়া আহি বৰবৰুৱাত সকল বাৰ্ত্তা কলেহি। বৰবৰুৱাও ৺ত জনালে। ১২২ ॥

**লক্ষ্মীসিংহৰ নগৰ ত্যাগ।**—পাচে ৺এ সহিতে আলচ কৰি গুৱাহাটীলৈ বুলি ভাটীয়াই গ'ল। ১৬৯১ শকৰ আঘোণৰ আঠ দিন যাওঁতে শনিবাৰে ৪ দণ্ড বেলা থকাত সেই দিনা ৰাতি সোণাই নৈৰ বাহৰ পালেগৈ। যি নাও যুক্তি কৰাইছিল ৺ও সি নাও নাপালেগৈ। ৺ৰ লগৰ লোক দিশাদিশি গ'ল। ৺ৰ অলঙ্কাৰ সেই মানুহৰ হাতে হাতে গ'ল। ১২৩ ॥

**স্বৰ্গদেৱৰ লগনেৰাসকল।**—৺ৰ লগত থোৱা মাজুৰিয়াল বৰ-গোহাঁই, কুঁৱৰীগঞা বুঢ়াগোহাঁই, বকতিয়ালৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা, ৰাজনেওগ, দুৱৰাৰ বৰফুকন, দিহিঙ্গীয়াৰ পানীফুকন, বুঢ়াগোহাঁই-পৰীয়া জাতি ৰাজ-খোৱা, হাতীবৰুৱাৰ ডেকাফুকন, সন্দিকৈৰ ঘৰৰ দিহিঙ্গীয়া ফুকন, ডেকা বৰবৰুৱা, ঢেকিয়াল ফুকন, ৰাজমাওদেও, আইকুঁৱৰীদেও আৰু দুলীয়া কিছু। এই সকল ৺ৰ লগত গৈছিল। খনিকৰ বৰুৱা, হাবিয়াল বৰুৱা, সন্দিকৈৰ ঘোঁৰাৰ বৰুৱা, ৰজাৰ জোঁৱাই, লিগিৰা কাম, পিজলি, লাখৰ, লঠা, লানমাখুৰ শিৱনাথ, এই সকল ৺ৰ লগনেৰা। ১২৪ ॥

**মৰাণৰ খবৰ-যোগনিয়াৰ।**—পাচে অভয়ৰ পুতেক অম্বৰীষ, ভতি-জাক প্ৰদাদ, মহদা, এইইঁতে মানুহ পঠাই ৰাঘত কোৱালে, বোলে,—"ৰজা নগৰ এৰি ভটীয়াই গ'ল। সিইঁত শীঘ্ৰে আহি নগৰ লওকহি।" ১২৫ ॥

**লক্ষ্মীসিংহ বন্দী।**—এই বাৰ্ত্তা পাই ৰাঘ মৰাণ সসৈন্যে সহিতে আহি ৰাত্ৰি দুপৰ চাইদণ্ড মৰাত নগৰ উঠিলহি, হিলৈ জাঁই কৰিলে। সেই ৰাতিয়েই বৰভীয়া ৪০০ পঠাই দিবসৰ এপৰ হোৱাত সোণাই নৈৰ বাহৰৰ পৰা ৺ক সকলো সৈতে বেঢ়ি ধৰিলেগৈ। ৺ও ভয় পালে। ৺ও যাবৰ দিনা ৰাতিয়েই ডেকা-বৰবৰুৱাই লগ এৰি ডোমালী নাৱত উঠি ভটীয়াই গ'ল। পাচে চটাইজলীয়া বাহৰ কলীয়াবৰীয়া

গোহাঁয়ে ধৰি বাখিলে, সম্বন্ধতো জোঁৱায়েক হয়। পাচে ৺ও সহিতে সকলকো মৰাণে ধৰি উজাই আনিলে। পাচে জয়সাগৰৰ বৰদ'লত বখা দি থ'লে। পাচে ৺ৰ আজ্ঞায়ে বৰবৰুৱা মোৱামৰীয়া মহাজনৰ ভলৈ গ'ল সোণাই নৈৰ পৰা প্ৰাণ ৰক্ষাৰ নিমিত্তে। পাচে মহাজনে বোলে,— "বাক, যদি পাৰোঁ মই ৰাখিম।" পাচে তাৰে পৰা ধৰি আনি বৰবৰুৱাক সগোষ্ঠে সৈতে লোৱা লগালে। ন-দুৱাৰৰ মুখৰ হাতী-শালতে বখা দি থলে। আন ফুকন, ৰাজখোৱা, চমুৱা ফুকন, বৰুৱা, এইসকলক আপোনাৰ বহা ঘৰে ঘৰে থলে। পাচে দিনাদিয়েকৰ পাচত বাঘ বৰবৰুৱাই মানুহ পাঁচি অভয়পুৰৰ চিকণ বঙ্গালৰ কোঁঠ ভাঙ্গি চিকণৰ দুই পুতেক, ঘোঁৰাৰ বৰবৰাক আনি পটাঘৰৰ আলিৰ কোখত তিনিওকো বৰণী দিলে। ১২৬॥

**মৰাণৰ ৰংপুৰ অধিকাৰ।**—পাচে বাঘ বৰবৰুৱাই মানুহ পঠাই পৰমানন্দ ৰজাত বাৰ্ত্তা কলে, বোলে,—"ৰংপুৰো ললোঁ, ৰজাকো ধৰি আনি বখা দি থৈছোঁ।" এইৰূপে শুনি ৰমানন্দ হৰ্ষ-যুক্ত হৈ ৰমানন্দ, বাপেক খোৱা, ৰাধা, ককুণী, মৰাণ সসৈন্যে সহিতে শীঘ্ৰে আহি নগৰ ললেহি। তাৰ বৰুৱা ফুকনে আমাৰ বৰুৱা ফুকনক ঘৰৰ পৰা উলিয়াই সেই ঘৰে-ঘৰে সোমাই ৰ'লহি। সেই লগত ডঙ্গুৱাকৈ বৰজনা গোহাঁইকো আনিলে। সেনাপতি-ফুকনকো আনিলে। আনো বৰা, ফুকন, ৰাজখোৱা সকলকো আনিলে। এইৰূপে নগৰ লৈ হিলৈ এজাঁই জাঁই কৰিলে, ১৬৯১ শকৰ মাস আঘোণ। পাচে নগৰ পাই খোৱাই নাম ললে দেওগোসাঁই। ককুণী সহিতে ৰঙ্গনাথত দ'লত থাকিল। ৰাধা হৰগৌৰী দ'লত থাকিল। ৰজা নগৰতে থাকিল। ভায়েকে নাম ললে বেলি-ৰজা। বাঘ বৰবৰুৱা সোমাল বকতিয়াল বৰবৰুৱাৰ ঘৰত। পাচে বাঘ বৰবৰুৱা বোলে,—"মই এশ ভাৰ্য্যা আনিম।" এই বুলি মণিপুৰীয়া ৰজাৰ জী আইকুঁৱৰীকো নিলে, আনো ফুকন, বৰুৱাৰ জীয়াৰীকো নিলে। আক লিকচৌৰ খুন্দামৰা লিকচন বৰা আছিল, ৰাজমেলত লোকজন চপাইছিল; বাঘ বৰবৰুৱাও তাৰ মুখেই সকল কথা বুজিছিল। আক বাঘ বৰবৰুৱা চৌৰাত ৰহাত কাকতী চলিয়াৰ

ঘৰৰ মদন কাকতী-বৰা আছিল। সেয়েই চৌখামেৰে কথা কৈছিল। ছুয়োৰেলা বহি সোধ-পোছ কৰিছিল। পাচে বৰুভিয়ালৰ বৰবৰুৱাৰ পুতেকইঁতক মাহ-ভঁৰালতে মাৰিলে। আৰু ৰজা ৰমানন্দে ভঁৰালী বৰুৱা টাৰিমূৰাৰ জীয়েকক আনি কুঁৱৰী পাতিলে। ১২৭ ॥

**মৰাণৰ বিষয়া বাচনি।**—আৰু মৰাণৰ এটাক বৰগোহাঁই পাতিলে। তাৰে এটাক বুঢ়াগোহাঁই পাতিলে। এটাক বৰপাত্ৰ পাতিলে। এইৰূপে সকল ফুকন ৰাজখোৱা মৰাণৰে পাতিলে। আৰু লিগিৰি-কাঁড়ীক বৰ-ফুকন পাতি গুৱাহাটীলৈ পঠিলে। তাৰ কালুগাঁৱত ঘৰ আছিল। গুৱাহটীয়া ছয় ফুকন, চৌধ ৰাজখোৱা মৰাণৰে পাতিলে। আৰু সলাল গোহাঁই মাত্ৰ আগৰটোৰেই থাকিল। শদিয়াখোৱাও গকধৰীয়াৰ এটা হ'ল। কছাৰীবোৱা চেটিয়াৰ এটা মৰঙ্গিখোৱা হ'ল, সিও মোৱামৰীয়া।

আতপাচে ৰংপুৰীয়া ৰজা ৰমানন্দ, ৰাঘ, আন ফুকন, ৰাজখোৱা, সকলো সমালোচন হৈ নগৰত ৰাঘ বৰবৰুৱাক থৈ ৰজা সমন্বিতে সকলো মোৱামৰীয়া মহাজনৰ ঘৰলৈ খুটিপোতালৈ গ'ল। সেই সময়ত সেনাপতি ফুকন পলাই ভটীয়াই গ'ল। মানাহা পাৰ হৈ চিলমাৰীত সোমালগৈ। ১২৮ ॥

**বামুণীয়া মহন্তৰ নিৰ্য্যাতন।**—পাচে ৰজা ৰমানন্দে খুটীয়া-পোতালৈ গৈ আউনীআটীয়া গোসাঁই, দক্ষিণপটীয়া, গড়মূৰীয়া, কুৰুৱা-বহীয়া, আনো বামুণীয়া, ঠাকুৰীয়া সকলো মহন্তক আনি বন্দী কৰি ধন ললে। আউনীআটীৰ ললে ৰূপ ৮০০০ টকা, দক্ষিণপাটৰ ৮০০০, গড়মূৰৰ ৪০০০, কুৰুৱাবাহীৰ ৪০০০, এইৰূপে সকল মহন্তৰ তাৰতম্যৰূপে ধন ডাঁৰি ললে। আৰু আউনীআটীৰ বাগীশ বাপুৰ নাক কাণ চক্ষু গুচাই দণ্ড কৰিলে। আৰু মোৱামৰীয়া মহন্তে এনে নিবন্ধ কৰিলে, চহৰৰ সামান্ত মানুহ যুথে-যুথে অনাই শৰণ লগালে। মানুহটি মুৰি এটি এটি পাণ দি ভকত হব লাগে। এই ক্ৰমে চুই মাহলৈ লোকসকলক ভকত কৰালে। পাচে মহাজনেও কেঁকোৰা-দোলা ল'লে। ১২৯ ॥

**মৰাণৰ অন্তৰ্বিৰোধ।**—পাচে ৰংপুৰৰ পৰা ৰাঘ বৰবৰুৱাকো

নিয়ালে। সেই লগতে ৺ও, তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, বৰফুকন, আনো ফুকন, বৰুৱা সমস্থিতে সকলকো নিয়ালে। পাচে দিনাদিয়েকৰ পৰে বুঢ়াগোহাঁই, বৰগোহাঁই, বৰবৰুৱা, বৰফুকন, ডেকাফুকন, নুথুৰীৰ কাঠকটীয়া বৰুৱা, এইসকলক খুটীয়াপোতাতে মাৰিলে। আতপাচে মৰাণৰ ৰজা, বৰবৰুৱা, সকলো চৈত্র মাহত ৰংপুৰলৈ উজাই আহিল। সেই মাহতে গুৱাহাটীত ৰণ ওলাই হেন শুনি ককুণী গুৱাহাটীলৈ গ'ল। সেই মাসতে ৰাঘ বৰবৰুৱাই ৰজা ৰমানন্দক বোলে,—"এই নগৰ আগে আহি মইহে লৈছোঁহি। ৰজাকো অনাই ৰখা দি থলোঁ। সকলো কাৰ্য্যৰ কাৰবাৰী মইহে, এতেকে কেঁকোৰা-দোলা, আৰোৱান মোক দিয়ক।" তাৰ ৰজা বোলে,—"মই দিব নোৱাৰোঁ।" এই শুনি ৰাঘই অসন্তোষ কৰি খোৰা সৈতে উজাই চেপনলৈ গ'ল। পাচে ৰজাই মানুহ পঠাই অনালে। আৰু পূৰ্ব্বে বায়ন ডেকাই "মই ৰজা হম" হেন বুলি এই মন্ত্ৰণা কৰি খোৰাক পঠাই উজনি মৰাণইঁতৰ হতুৱাই ৰণ কৰাই ৰাজ্য ললে। পাচে খুটীয়াপোতালৈ সকলো গ'লত বায়ন ডেকাই বোলে,—"পূৰ্ব্বে সকলেও আমাকে ৰজা পাতোঁ বুলিছিলি, এতিয়া দেখোঁ ৰমানন্দহে ৰজা হ'ল, মোক দেখোঁ নাপাত?" পাচে ৰাঘ বৰবৰুৱাকে মোক্ষ সকলো মৰাণে বোলে,—"তোমাক ৰজা নাপাতোঁ।" এই শুনি বায়ন ডেকাই বোলে,—"বাক তহঁতে যে কথা এৰিলি মই কি কৰিব পাৰোঁ চাওঁ।" ১৩০ ॥

**আহোমৰ চেতন।**—এই বুলি গোবিন্দ গাওঁবুঢ়াকে মোক্ষ কৰি কিছু মোৱামৰীয়া উজাই গৈ শঙুণমুৰীত থানা কৰিলে। পাচে সিহঁতে হাতে হাতে চেকনী কোবাই নাম গায়। নামো এই—"প্ৰজা ঐ জবৌ বৌৱা।" আকে গাই চেকনী লৈ খেদি আহিল। ১৬৯১ শক, মাস চৈত্র। আতপাচে আমাৰ ভগা ডা-ডাঙৰীয়াসকলেও বোলে,—"আগে মৰাণে ৰজনা গোহাঁইৰ পুতেকহে ৰজা, এনে বুলি কৈছিল; এতিয়া দেখোঁ মৰাণহে ৰজা হ'ল? ৺কো গুচালে, মহন্তসকলকো ভাঁৰি-বান্ধি ধন ললে; ডাঙৰীয়া, বৰুৱা, ফুকন সকলকো মাৰি ভাঙ্গি খেদিলে,

মৰাণহে স্বতন্ত্র ৰজা হ'ল। আৰু পূৰ্ব্বে যি কালত চুকাফা ৺ও দেশলৈ আহিল সেই কাল পৰ্য্যন্তে ৰজাৰ গোষ্ঠিয়েহে ৰজা হৈ গৈছে। অন্য সামান্যে হোৱা নাই। আৰু আহোম কেইঘৰৰহে বৰুৱা, ফুকন, ৰাজ-খোৱা হৈ গৈছে। অন্য সামান্য নবো কোনোক ৺এ কৃপা কৰি ভাল কৰে, তথাপি স্বতন্ত্র নহয়।" এই বুলি সকলেও মৰাণক ধৰিবলৈ মন কৰিলে। ১৩১ ॥

**মৰাণ মৰাৰ অঙ্গীকাৰ।**—আলচ কৰা মানুহৰ লেখা,—দ'লবন্ধা বৰগোহাঁইৰ পুতেক বাইলুং গোহাঁই ১, কুঁৱৈগঞা বুঢ়াগোহাঁই-ফৈদীয়া গোহাঁই হাজৰিকা ১, মৰাণ পাতৰৰ ফৈদৰ ১, বৰুতিয়ালৰ ফৈদৰ ভদ্ৰসেনৰ দুই ভায়েক, আৰে দদায়েক দুই, লাহনৰ ফৈদীয়া নেওঁগ-গোহাঁই ঘৰৰ ডেকা ১, লাইসন্দিকৈ ফৈদীয়া বাঘমুৱা ১, বুঢ়াগোহাঁই-পৰীয়া দেওবিলীয়া পাঁচনি ১, যাদ তামুলীৰ পুতেক ৰামকৃষ্ণাই ১, দোচোৰা ৰামনাথ ১, ডফলা দুৱৰীয়াৰ ঘৰৰ মোহন ১, বৰগোহাঁই বিলতীয়া কেকেৰ হাজৰিকীয়া ১ জাতত কলিতা, কহন ১, আপইতা ১, আৰু ডাঙৰীয়া কেইঘৰ, পো-ভাই কিছু, বহতা-বন্দুৱা কিছু, এইসকলেও একত্ৰ হৈ ভোগবাৰীলৈ গৈ এৰা-এৰি নকৰিবলৈ আৰু বিশ্বাস নেভাঙ্গিবলৈ গুৰুঘৰলৈ চাই সকলেও শপত কৰিলে। ১৩২ ॥

**ৰামকৃষ্ণাই আৰু কুৰঙ্গনয়নী।**—এই ক্ৰমে দহ দিনমান আলচ কৰিলে। পাচে ৰাঘৰ ধৰিবলৈ ৰামকৃষ্ণাইক দিলে। পাচে ৰামকৃষ্ণায়ে মগলু জীয়েকেৰে আলচ হ'ল। মগলুৰ জীয়েকেও ৰাঘৰ কাটিম বুলি গাত ললে। ভেওঁক ৰাঘ মৰাণে তিৰতাকৈ লৈছিল। পাচে ৰামকৃষ্ণায়ে মগলু কিছুৰে, আন মানুহ কিছু লৈ যুক্তি হ'ল। আৰু খোৰাক মাৰিবলৈ কহনে, আপইতাই, এই দুয়ে গাত ললে মানুহ কিছুমান সহিতে। আৰু ইবোৰে গড়ৰ ভিতৰ সোমাবলৈ গাত ললে। এইৰূপে সমালোচন হৈ পাচে বৈশাখৰ সংক্ৰান্তিৰ দিনা ৰাঘৰ ধৰিবলৈ যিখনি মানুহে আলচ কৰিছিল সিহঁতে গৈ ভিতৰ দুৱাৰতে ৰ'লগৈ। পাচে ৰাঘই বাৰ্ত্তা পাই বোলে,—"শগুণমুৰীৰ গোবিন্দ গাওঁবুঢ়া সেনাপতি, চেকনী-কোবোৰা ৰণুৱা

আহিছে” বুলি শবায়েৰে তামোল-পাণ লৈ আগবাঢ়ি ওলাই আহিল। তাৰ পাচতে মগলুৰ জীয়েকে হাতত তৰোৱাল আৰু তিৰোতা কতবোৰৰ হাতে হাতে দা দি লৈ ওলাই আহিল। আন মতা মানুহ জনেকো নাই। ১৩৩ ॥

**কুৰঙ্গনয়নীৰ বাঘ বধ।**—এনেতে ৰামকৃষ্ণায়ে মাত লগালে। পাচে মগলু জীয়েকে মাত বুজি পাই বাঘৰ কান্ধনিত তৰোৱালেৰে ঘা মাৰিলে। বাঘও হাম্‌খুৰি খাই পৰিল। এনেতে যোৰা ৰামকৃষ্ণায়ে ঘা মাৰি কাটিলে। পাচে বাঘৰ ঘৰৰ পৰা সকলো ওলাই আহি ৰঙ্গনাথৰ পোন পাই খোৰাক ধৰিবলৈ যোৰা মানুহে বুজিবৰ নিমিত্তে মাত লগালে। সেই মাত বুজি পাচে কহনে, আপইতাই খোৰাৰ কৰঙ্গনত যাঠীয়েৰে খোঁচ মাৰিলে। নপৰি খোঁচ খাই পলাই গ'ল। পাচে সেই দ'লৰ ৰৰতুৰাৰমুখত পৰে। ১৩৪ ॥

**বাধা-হত্যা।**—সেই মানুহেই গৈ হৰ-গৌৰীৰ দ'লত বাধাক খুঁচি মাৰিলে। আৰু বাঘক মৰাবোৰ মানুহেই হাতীয়েৰে ৰৰতুৱাৰ ভাঙ্গি গড়ৰ ভিতৰলৈ সোমাল। দাঁৰিকা-দুৱাৰো ভাঙ্গি ভিতৰলৈ সোমাল। তাতে দুই-চাৰি মানুহো কাটিলে; মৰাণ আৰু ফুকন বৰুৱাও দুই-চাৰি মাৰিলে। ৰৰচ'ৰাতো জুই লগালে। দাঁৰিকা-দুৱাৰ ঘৰতো জুই লগালে। পাচে ৰজা ৰমানন্দে ৰৰকুঁৱৰী সৈতে ধোন্দে সৰকি পলাই গ'ল। সেই কুঁৱৰী ভণ্ডাৰী বৰুৱা টাৰিমুৱাৰ জীয়েক, জাতত কোঁচ। ১৩৫ ॥

**ৰংপুৰ উদ্ধাৰ।**—পাচে দোলাঘৰৰ পৰা দোলা এখন আনি তাতে গাঁড়ুটো ঠিয়কৈ তুলি ৰৰচোৰাৰ চাৰিওফালে ঘূৰাই লৈ ফুৰাইছিল। সেই ঢুলীয়া মানুহে আটাহ পাৰি কয়, বোলে,—“তুঙ্গখঙ্গীয়াৰ ঘৰৰ আগৰ ৰজাহে ৰজা হ'ল। ৰাজ্য, নাভাগিবি।” পাচে কাঁড়ী, বাকৰতী সকলোৱে হৰ্ষ-যুক্ত হৈ নগৰৰ লোকজনো স্থিৰ হৈ ৰ'ল। এনেতে কুঁৱৈগঞা বুঢ়া-গোহাঁইৰ ঘৰৰ গোহাঁই-হাজৰিকীয়াক মোক্ষ কৰি আৰু অনেক লোক ৰৰদ'লৰ পৰা ৺ক আনিবলৈ গ'ল। পাচে ৺এ মানুহ যাবৰ দেখি ভয় পালে। পাচে ইবোৰে সাৰশেষ বুজাই কলে। মৰাণক মাৰিলোঁ বুলি কলে, গাও চিনালে। পাচে ৺এ সত্য হেন জানি বুজিলে। পাচে

ইবোৰেও ৺ক দোলাত তুলি লৈ ৰাজমাওদেৱৰকো, আইকুঁৱৰীদেৱৰকো, গোহাঁইদেৱৰকো, সকলকো আনি দোলাঘৰতে থলেহি পালী-পৰীয়া দি। ১৬৯২ শকৰ মাস বৈশাখৰ সংক্ৰান্তিৰ দিনা, মঙ্গলবাৰে ৰাত্ৰি এক প্ৰহৰ থকাত নগৰ ললে। ১৩৬॥

**খোৰা মৰাণৰ মৰণ।**—পাচে সেই ৰাত্ৰিয়েই ৺এ আজ্ঞা কৰিলে, বোলে,—“মৰাণক যেয়ে যতে পাই ধৰি মাৰক; ধৰিও আনক।” পাচে চাৰিও আলিয়ে ৰাজ্যত ঘোঁৰা মেলি এই আজ্ঞা কলে। এই আজ্ঞা শুনি মৰাণক ধৰি ধৰি মাৰিলে। আৰু কোনোবোৰক হালে-হালে সাঙুৰি আনি হাতীশালত দিলেহি। আৰু খোৰাক চহৰীয়াই কচুদোপত পাই ধৰি দিলেহি। তাকো নানা শাস্তি কৰি মাৰিলে। ১৩৭॥

**নতুন আহোম-বিষয়া বাচনি।**—পাচে ৺এ সেই দিনাই বৰুভি-য়ালৰ ৰাজনেওগৰ পুতেক ভদ্ৰসেনক বৰবৰুৱা পাতিলে। দলবন্ধা বৰগোহাঁইৰ পুতেক বাইলুঙ্গক বৰগোহাঁই পাতিলে। কুঁৱৈগঞা বুঢ়া-গোহাঁইৰ ঘৰৰ গোহাঁই-হাজৰিকীয়াক বুঢ়াগোহাঁই পাতিলে। মৰাণ-পাতৰৰ কৈদৰ বৰপাতৰ পাতিলে। লাইসন্দিকৈৰ ঘৰৰ বাঘমুৱাক নাওবৈচা ফুকন পাতিলে। লাহনৰ ঘৰৰ ডেকাফুকন পাতিলে। সন্দিকৈৰ ঘৰৰ দিহিঙ্গীয়া ফুকন আগে পতাই আছিল। বুঢ়াগোহাঁইৰ দেওবিলীয়া ঘৰৰ ন-ফুকন পাতিলে। বৰুভিয়াল ঘৰৰ ৰাজনেওগ পাতিলে। বৰবৰুৱাৰ ভায়েকক চোলাধৰা ফুকন পাতিলে। বৰগোহাঁইৰ বিলতীয়া কেকেৰ হাজৰিকীয়াক ভণ্ডাৰী বৰুৱা পাতিলে। দিহিঙ্গীয়াৰ ঘৰৰ আগৰ বুঢ়া পানীফুকনক বৰফুকন পাতিলে। ডফলা ঢুৱৰীয়াৰ ঘৰৰ মোহনক ঘোঁৰাৰ বৰুৱা পাতিলে। ১৩৮॥

**মোৱামৰীয়া মহাজন বধ।**—পাচে পৰদিনা প্ৰভাতে ৺এ কুঁৱৈ-গঞা মহামন্ত্ৰী বুঢ়াগোহাঁইক খুটীয়াপোতাৰ পৰা মোৱামৰীয়া মহন্তক ধৰি আনিবলৈ আজ্ঞা কৰিলে। পাচে ডাঙ্গৰীয়াও লোকজন সহিতে দিনে-ৰাত্ৰিয়ে গৈ খুটীয়াপোতা পাই আমাৰ যি কাঁড়ী বাকৰতী আছিল, সিহঁতত ৰহস্যে সাৰশেষ বাৰ্ত্তা কলে। লোকজনে শুনি হৰ্ষ-যুক্ত হৈ পাচে মন্ত্ৰণা

কৰি চতুৰ্পাশে বেঢ়ি ধৰিলে। পাচে ৺এ যুদ্ধ লাগে বুলি ৰামকৃষ্ণাকে মগলু মানুহ কিছু সৈতে কোঁৱৰ দুজনাকো পাচতে পঠালে। পাচে ভাজধীয়াই ফন্দ-ফান্দ কৰি মহন্তক উলিয়াই আনি ধৰিলে। পাচে বাপেক-পুতেক দুইকো কাপৰৰ টোপোলা বান্ধি হাতীৰ ওপৰত তুকালৈ দুটাক পেলাই দিবসৰ এক পৰ থকাত খুটীয়াপোতাৰ পৰা ৰাতিয়ে-দিনে আহি পৰদিনা তিনি পৰ মৰাত ৰংপুৰ পালেহি। পাচে ৺ত যোগালে, ৺ও মহাজনত সোধালে। পাচে মহাজনেও দায় বুলি দায় পাত ললে। ৺ও দোষী হেন জানি বাপেক-পুতেক দুইকো ন-দুৱাৰৰ মুখৰ হাতীশালৰ মূৰৰ খলাত মৰালে। ১৩৯ ॥

**গুৱাহাটীত মৰাণ দমন।**—আক মৰাণক ধৰিবৰ পাচদিনাই ৺এ বাঁহবৰীয়া কটকীৰ ঘৰৰ বৰকটকী ধনেশ্বৰক গুৱাহাটীলৈ মৰাণৰ লিগিৰি-কাঁড়ী বৰফুকনক ধৰিবলৈ পঠালে। তাৰ দিনাদিয়েকৰ পাচতে বৰফুকনকো পঠালে। পাচে কটকী ধনেশ্বৰে চৰা-নাৱেৰে গৈ ৰাত্রি-দিনে গুৱাহাটী পাই গুৱাহাটীত থিবোৰ মৰাণৰ ফুকন, ৰাজখোৱা হৈছিল মন্ত্রণাৰে সকলোকো দোপদৰলৈ নি ধৰিলে। গঁৰাল দি লোৱা লগাই ৰখা দি থলে। ১৪০ ॥

**গুৱাহাটীত কৰুণী বধ।**—পৰে বৰফুকন পাই গৈ মৰাণৰ নিশেষ ফুকন ৰাজখোৱাক মাৰিলে। কৰুণীকো মাৰিলে। পাচে কটকী ধনেশ্বৰে আহি ৮ দিনে ৺ত মৰাণক মৰা বাৰ্ত্তা কলেহি। পাচে ৺এ শুনি ধনেশ্বৰক প্রশংসা কৰিলে। ১৪১ ॥

**হৰ-গৌৰীৰ মূৰ্ত্তি।**—আক পূৰ্ব্বে বকতিয়াল বৰবৰুৱাই কছাৰী দেশৰ পৰা শিলাৰ চামুণ্ডা মূৰ্ত্তি এখান আনি হৰ-গৌৰী দ'লত থৈছিল। পাচে মৰাণক মাৰিবৰ এক মাসৰ পাচত মূৰ্ত্তিখান অতি উগ্র হেন জানি পুনৰ কছাৰী দেশতে থোৱালে। ১৪২ ॥

**চেকনী-কোবোৱা ৰণ।**—আক বৈশাখৰ চাৰি দিন থাওঁতে শগুণ-মুৰীত থি গোবিন্দ গাওঁবুঢ়াই সেনাপতি হৈ চেকনী-কোবোৱা ৰণ ওলাইছিল। পাচে ৺এ বৰগোহাঁইকে, বৰপাত্র-গোহাঁইকে, বকতিয়ালৰ ঢেকিয়াল ফুকনকে বহু সৈন্য লগত দি পঁঠিলে। ভাজধীয়াবোৰ গৈ

মৰাণেৰে ৰণ লাগিল। পাচে সেই ৰণত বৰপাত্ৰ ভাঙৰীয়া পৰিল। ঢেকিয়াল ফুকন পৰিল। আন মানুহ বহু পৰিল। কথমপি বৰগোহাঁই ভাঙৰীয়াহে এৰাল। পাচে ৰণ-পলৰীয়া মানুহ আহি বৰবৰুৱাত বাৰ্ত্তা কলেহি। বৰবৰুৱাও ৺ত জনালে। এই বাৰ্ত্তা শুনি নগৰত উহমিহ লাগিল। সেই সময়তহে তিনিজনা ভাঙৰীয়া পৰ দিছিল। আৰু আহোম কেইঘৰৰ লৰা অনাই তিনিও দুৱাৰত চাৰি কুৰি চাৰি কুৰিকৈ দিছিল। সিহঁতক খাবলৈ সাজ দিছিল। পাচে ৺এ বুঢ়াগোহাঁই ভাঙৰীয়াক, বৰবৰুৱাক, এই দুইকো বহু সৈন্য লগত দি ৰণলৈ পঠালে। আৰু লগত ঘোঁৰা সৈতে মগলু কিছু দিলে। পাচে গৈ থাউৰাতে ৰণ লাগিলগৈ। মৰাণ ৰণত পৰাস্ত হৈ পলাল। মগলুৱে ঘোঁৰা মেলি খেদি কাটিলে। পাচে বুঢ়াগোহাঁই ভাঙৰীয়াই বৰবৰুৱাই ৰণ-জয় হোৱা বাৰ্ত্তা ৺লৈ জনাই পঠালে। ৺এ শুনি আনন্দ পালে। লোকজনেও শুনি হৰ্ষ-যুক্ত হ'ল। পাচে ৰণ-জয়ৰ কাৰণে চাৰিও আলি ধোল-বাদ্য কৰালে। নগৰৰ চৌপাশে হিলৈ পাতি জাঁই কৰালে। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ভাঙৰীয়া বৰবৰুৱা আহি সায়শেষ বাৰ্ত্তা ৺ত জনালেহি, সেৱাও কৰিলেহি। দুদিনৰ পাচত গোবিন্দ সেনাপতিক দিহিঙত পাই চহৰীয়াই ধৰি দিলেহি; তাকো মাৰিলে। ১৪৩॥

নতুন বিষয়া।—পাচে ৰণত হানিপৰা মৰাণ-পাত্ৰ গোহাঁইৰ পুতেককে বৰপাত্ৰ পাতিলে। আতপৰে ৺ৰ আজ্ঞায়ে কটকী গৈ গুৱাহাটীতে দুৱৰাৰ ঘৰৰ লভাবৰীয়া বাহৰ পানীফুকন পাতিলে। ধাইৰ জোঁৱায়েকক চেটিয়া ফুকন পাতিলে; জাতত কছাৰীকুমাৰ। দিহিঙীয়াৰ ঘৰৰ দিহিঙীয়া ফুকন পাতিলে। মিৰি-সন্দিকৈৰ ঘৰৰ ডেকাফুকন পাতিলে। কহনক চেকেৰাতলীয়া হাজৰিকীয়া পাতিলে। অপইতাক বকলৰ হাজৰিকীয়া পাতিলে। মোহনক ভাঙ্গি বৰগোহাঁইৰ পুতেকক ঢেকিয়াল ফুকন পাতিলে। এওঁলৈকে সকজনা আইদেওক দিলে। সন্দিকৈৰ ঘৰৰ ঘোঁৰাবৰুৱাক খাৰঘৰীয়া ফুকন পাতিলে। কুঁৱৈগঞাৰ বুঢ়াগোহাঁই-কৈজীয়া গন্ধীয়া বৰুৱা পাতিলে; তেওঁৱেই গাভৰু একনা নিছিল।

তেওঁ ককায়েককে বচা ৰাজখোৱা পাতিলে। গজপুৰীয়া হাতীবৰুৱাৰ ঘৰৰ নিবুকিয়াল ৰাজখোৱা পাতিলে। দিহিঙ্গীয়াৰ ঘৰৰ ৰংপুৰীয়া নিয়াইসোধা ফুকন পাতিলে। লাকুৱাক বকতিয়ালৰ ঘৰৰ গঁড়গঞা নিয়াইসোধা ফুকন পাতিলে। এইক্ৰমে ৺এ যোগ্যানুসাৰে পূৰ্ব্বৰ যাৰ যি বিষয় সেইৰূপে ঘৰে-ঘৰে থলে। আৰু পূৰ্ব্বে সলাল গোহাঁইয়ে চোলাধৰা ফুকনক মৰাণক ধৰি দিলে। পাচে ৺এ সেই দায়তে কলীয়াবৰৰ পৰা ঘোঁৰাত তোলা দৰে বাঁহত তুলি বিতণ্ডাকৈ অনাই গোহাঁই ভাঙ্গিলে। পাচে মাছুৰিয়ালৰ ঘৰৰ তেওঁৰ বংশৰ বৰপেটাক সলালগোহাঁই পাতি পঠালে। আৰু গৰুধৰীয়া গোহাঁইক মৰাণে শদিয়াখোৱা পাতিছিল, তাকো ধৰি আনি মাৰিলে। ১৪৪ ॥

**পুনৰ মৰাণ-বিদ্ৰোহ।**—আৰু মৰাণে নগৰ লৈয়ে আমাৰ মানুহ হাজাৰদিয়েক কুণ্ডিলত বাহৰ এখন সাজিবলৈ দিছিল। পাচে মৰাণক মাৰি আমাৰ ৺এ ৰাজ্য লবৰ হাতীচুঙ্গি মৰাণে শুনি সেই মানুহ ফন্দকৈ কাটিলে, কিছুমান মানুহ এৰাল। আতপাচে মৰাণে ৰণ পাতিলে পুনৰ। পাচে এৰাই অহা মানুহে বৰবৰুৱাত বাৰ্ত্তা কলেহি। পাচে বৰবৰুৱাই শুনি সুধিলে, বোলে,—"কোনেনো মোক্ষ হৈ ৰণ উলিয়াইছে?" সিহঁতে বোলে,—"লেকেৰা, পৰমানন্দ, ওভোতানুমীয়া, টঙ্গনাৰাম, এইহঁতেই মানুহো কাটিছে, ৰণো পাতিছে।" পাচে বৰবৰুৱাই এইৰূপে শুনি ৺ত জনালে। ৺এ শুনি বৰবৰুৱাকে ৰণলৈ মানুহ দিবলৈ আজ্ঞা কৰিলে। পাচে বৰবৰুৱাই ন-ফুকনক গা-মানুহ ছহাজাৰ সৈতে আৰু ৰাজুৱা কোঁৱৰৰ মুলে-দোৱালে দিলে। আৰু বকতিয়ালৰ ঘৰৰ নিয়াই-সোধা ফুকনকো দিলে। আৰু ছুৱৰাৰ ঘৰৰ খৰিকটীয়া বাহৰ ভগা ছুৱলীয়া ফুকনক তেওঁক আনি লাহন-বচা মানুহ হাজাৰ লগত দি ৰণলৈ দিলে। আৰু ৺এ এই আজ্ঞা কৰিলে,—"তিনিও মিলি ৰণ কৰিবি। আৰু ৺ৰ গোলাগঞ্জ ভাঙ্গি নিছে অলঙ্কাৰ, তাম, পিতল; আকো বিচাৰ কৰিবি।" এইৰূপে শিকাই পঁাচিলে। বৈশাখৰ ৮ দিন থকাত উজাই ৰণলৈ গ'ল। ১৪৫ ॥

**প্ৰায়শ্চিত্ত।**—আৰ পৰে ৺এ এই আজ্ঞা কৰিলে, বোলে,—"বহু-লোকৰ মৰাণে পূৰ্ব্বধৰ্ম্ম নষ্ট কৰিছিল, এতেকে আউনীআটী, দক্ষিণ-পাটকে মোক্ষ কৰি ব্ৰাহ্মণীয়া ঠাকুৰীয়া সকলেও প্ৰায়শ্চিত্ত হওক।" পাচে সকলেও প্ৰায়শ্চিত্ত হ'ল। ১৪৬॥

**নতুন বিষয়া।**—আতপৰে মৰাণৰ লগত যিবোৰ বিষয়া হৈছিল ৺এ তাক বিচাৰ কৰিলে। দিহিঙ্গীয়াৰ ফিচি, হাতীমূৰৰ বাইভঙ্গীয়া ফুকনৰ ভতিজাক চাওভাঙ্গৰ বৰুৱাক ভাঙ্গি খেদিলে। লিকচনৰ খুন্দামৰা বৰবৰাক ভাঙ্গি বচাৰ পামলৈ খেদিলে। কাকতী-বৰা মদনকো ভাঙ্গি ঘৰলৈ খেদিলে। সেই সময়তে দুৰৰাৰ সেনাপতি-ফুকন ভাগি গৈ চিলমাৰীত আছিল, তেওঁক আনি পূৰ্ব্বৰ ভিতৰুৱাল ফুকন বিষয়তে ৰাখিলে। আৰু মৰাণৰ যিবোৰ বিষয়া হৈছিল, তহোঁতৰ ঘৰ লুড়ি আনিলে। মোৱামৰীয়া মহন্তৰো ঘৰ লুড়িলে। এই বস্তু আনি ৰংপুৰৰ ৺ৰ ভঁড়ালত থলে। আৰু ভণ্ডাৰৰ বস্তু কি আছে নাই এই বুলি পিয়ল কৰালে। আৰু কোঁৱৰালী কালত লিগিৰা খাটিছিল, নাও পিজলী, তাক খনিকৰ বৰুৱা পাতিলে, জাতত বৰাহী বেজ। কাম লিগিৰাক তিপমীয়া ফুকন পাতিলে, তাৰ মাক লিগিৰী আছিল। বাপেক মিৰি-সন্দিকৈ বৰগোহাঁই খেল ললে। বৰপাত্ৰৰ খেলৰ লাখৰ লিগিৰা আছিল, তাক শেনচোৱা বৰুৱা পাতিলে, জাতত লুখুৰাখুন। ১৪৭॥

**উজনি ৰণৰ বাতৰি।**—১৬৯২ শকৰ মাস কাৰ্ত্তিক, উজনি ৰণৰ পৰা ফুকনবোৰে কটকী ৰঘুনাথক পঠাই বৰবৰুৱাত বাৰ্ত্তা কলে। বৰবৰুৱা বোলে,—"ৰণ কোনেনো কৰে ?" কটকীএ বোলে,—"আগৰ মৰাণেই ৰণ কৰিছে, ৰণো টান।" পাচে বৰবৰুৱাই ৺ত জনালে। ৺এ শুনি তিনিজনা ডাঙ্গৰীয়া সৈতে সমালোচন হৈ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াক প্ৰা-মানুহো আৰু মানুহ কিছু দি আগে বোৱা ফুকনবোৰৰ ওপৰত সেনাপতি পাতি উজনিৰ মৰাণৰ ৰণলৈ পঠালে। পাচে ডাঙ্গৰীয়া গৈ হাবিৰ ওচৰ পাই কোঁঠ বান্ধি ৰৈ তাৰে পৰা সৈন্টৰে হাবি সোমাই কোঁৱৰকো সেনাপতি পাতি লগত ললে। ভিমকণ্ডৰীয়া হাজাৰৰ বিহলঙ্গি বামুণক

সেনাপতি পাতি ললে। এনেতে মৰাণে কন্দকৈ পেটে ওলাই কিছু মানুহ কাটিলে। নিয়াইসোধা ফুকনকো কাটিলে। তথাপি ডাঙ্গৰীয়া লেকেৰা, পৰমানন্দলৈ ৰণ-সমুখে হ'ল। এনেতে পিচৰ মানুহেও লগ ললেগৈ। কোঁৱৰ সেনাপতিয়ে, তুৰবাৰ তুৰুঙ্গীয়া ফুকনে, এই দুই লগতে আছিল। ১৪৮॥

মৰাণ দমন।—এনেতে মৰাণেৰে ৰণ হ'ল। সেই ৰণতে লেকেৰা, পৰমানন্দ দুয়ো পৰিল। মৰাণেও বলে নোৱাৰি ভাগি পলাল। ডাঙ্গৰীয়াও ছল বুজি তাতে কোঁঠ বান্ধি ৰ'ল। তাৰ পৰা বাই হোলোঙ্গাগুৰীয়া মৰাণৰ গাওঁ মাৰিলেগৈ। বলে নোৱাৰি মৰাণ তাৰো পৰা পলাল। তাতে কোঁঠ বান্ধি ৰৈ তাৰে পৰা সকচকৰী ৰৰচকৰী গাওঁ ভাঙ্গি ওভোতা-মুখীয়াক ধৰি আনিলে। মৰাণ ভাগি হাবি সোমাল। খাবলৈ নাপাই আপুনি ওলাই ৰৰিলহি। পাচে ডাঙ্গৰীয়াই সেই ৰবা মানুহবোৰ ৺ৰ ঠাইলৈ দি পঠালে। লৰা-তিৰতা সহিত মানুহ ন হাজাৰ দহ হাজাৰমান হব। পাচে ৺এ সিহঁতক আলিকেঁকুৰীত গড় দি ৰখা দি থলে। খেলুৱাখনিহঁত খেলে খেলে দিলে। হোলোঙ্গাগুৰীয়া মৰাণখনি নি ৰঙ্গচৈ-চোঙ্গত পাতিলে। পাচে ডাঙ্গৰীয়াইও ৺ৰ গোলাগঞ্জ ভাঙ্গি যি দ্ৰব্য নিছিল বিচাৰকৈ যি পালে ওভোতানোমা সৈতে লৈ আহিল। ৰঙ্গনাথৰ হ'লছ চ'ৰাতে ৰৈ ৺লৈ জনালে। ৺এ ডাঙ্গৰীয়াকে, দুই ফুকনকে চাঙ্গলৈকে নিয়ালে। ডাঙ্গৰীয়াও সেৱা কৰিলে। ৰণৰ সকলো বেৱস্থা জনালে। ৺এ সন্তোষ পাই ডাঙ্গৰীয়াকো, ফুকন দুইজনকো যোগ্যানুসাৰে বঁটা দিলে, সাজো কৰালে। আৰু মৰাণৰ ৰণ মাৰি পাই আনিলে,—সোণ-ৰূপ, তাম-পিতল, কাপৰ; এই দ্ৰব্য মজিন্দাৰে ভেঁটালে। পাচে ৺এ ভণ্ডাৰে ভণ্ডাৰে থবলৈ আজ্ঞা কৰিলে। ১৪৯॥

গুৱাহাটীত পানীফুকনৰ মৃত্যু।—আতপৰে গুৱাহাটীৰ পৰা পানীফুকন মৃত্যু হবৰ কথা জনালেহি। ৺এ শুনি সন্দিকৈৰ টাঙ্গনধৰা দিহিঙ্গীয়া ফুকনক পানীফুকন পাতিলে। সন্দিকৈৰ ডেকাফুকন ভাগি আছিল, তেওঁকে দিহিঙ্গীয়া ফুকন পাতিলে। ১৫০॥

**কলিতা-ফুকন**।—আতপাচে শেন আক অনেক ৰং-ঢং কৰি আছে। একদিনা ৺ও কাহমৰাত শেন মেলিবলৈ গৈছিল। বৰবৰুৱা কিছু পাচত গৈছিল। সেই দিনা ৰামনাথ ভঁৰালী বৰুৱাই বৰবৰুৱাৰ আগত ঘোঁৰাত উঠিল। পাচে বৰবৰুৱাই বোলে,—“ই মোৰ ঘৰ-বন্দুৱা মানুহ, মোৰ আগত ঘোঁৰাত উঠিব নাপায়।” এই দেখি ৺ত জনালে। ৺এ শুনি ৰামনাথৰ দুয়ো ভায়েকৰ পাঁজিকটা পুখুৰীপাৰতে চকু কাঢ়িলে। সেই ৰামনাথৰে কলিতা-ফুকনেৰে সখি আছিল। কালৰ বিক্রমত কলিতা-ফুকনৰে বৰবৰুৱাৰে দুয়োৰো পেটে-পেটে দন্দ, পালে দুইকো দুয়ে নেৰে। পাচে কলিতা-ফুকনে ৺ত ৰহস্যে বুজালে, বোলে,—“নাতি-গোসাঁই দুজনাৰে আলচি বৰবৰুৱাই ৺ক দ্রোহ আচৰিব খুজিছে। ইয়াক ৺এ বুজি চ’ক।” ১৫১ ॥

**বিষয়াৰ নির্য্যাতন**।—পাচে ৺এ তিনিজনা ডাঙৰীয়াক অনাই বৰ-বৰুৱাক ভাঙ্গি সোধালে। কথা সত্য হেন জানি ভদ্রসেন ডেকা-বৰবৰুৱাকে, দদায়েক নেওগ ফুকনকে, ভায়েক চোলাধৰা ফুকনকে, দদায়েক বগা-ডেকাকে, এই চাৰিকো ৰংঘৰৰ ওচৰতে কাটিলে। গোহাঁইদেউ একনাকো সেই দিনাই ঔগুৰি পোনে মাৰিলে। তিপমীয়া গোহাঁইক বচাৰ বগাৰ পাৰ্ব্বত পাতিব দিলে। এইবোৰৰ ঘৰ লুড়িলে। পাচে ৺এ সেই দিনাই তিনিজনা ডাঙৰীয়াত সুধিলে, বোলে,—“বৰবৰুৱানো কাক পতা যাব?” ১৬৯৩ শক, মাস শ্রাৱণ। পাচে ডাঙৰীয়াবোৰে বোলে,—“দিহিঙ্গীয়া ফুকন, খাৰঘৰীয়া ফুকন, পানীফুকন, এই তিনিৰ ৺এ যাকে মন ভাল পায় তাকে পাতক।” পাচে ৺এ সন্দিকৈৰ আদাবৰীয়া বাহৰ দিহিঙ্গীয়া ফুকনকে বৰবৰুৱা পাতিলে। সেই কলিতা-ফুকনকে চোলাধৰা ফুকন পাতিলে। আতপাচে মাহদিয়েকৰ পাচত দুৱৰাৰ লভাবৰীয়া বাহৰ ৰাজনেওগ ফুকন পাতিলে। সেই মিৰি-সন্দিকৈৰ দিহিঙ্গীয়া ফুকনৰ পুতেক নেধাইকে দিহিঙ্গীয় ফুকন পাতিলে। আতপাচে জয়ন্তাৰ ৰজাৰ ত’ৰ উকীল-পত্র আহিছিল। ১৫২ ॥

**নগা মজিন্দাৰ-বৰুৱা**।—সেই সময়তে নাচিবাহটীয়া গণক, নাম

নগা, তাকে মজিন্দাৰ-বৰুৱা পাতিলে। আৰু বাইলুং বৰগোহাঁয়ে ৺ত গোচৰ দিলে, বোলে,—"মোৰ ভাই-ককাইৰ মন-বুদ্ধি ভাল নহয়। ৺ৰ ঘৰৰ কথা মই নজনাই নোৱাৰোঁ। ইয়াকে বুজি ৺এ যেই যুক্তি তাকে কৰক।" পাচে ৺এ বিচাৰ কৰি চাই কথা সত্য হেন জানি বৰগোহাঁইৰ দুই ককায়েককে, মাজুৰিয়াল ভগা ন-ফুকনকে, মৰাণক মাৰি বচা ৰাজখোৱা হৈছিল; নগা গোহাঁই ভাগি আছিল; এই চাৰিকো চকৰাইৰ মুখত মাৰিলেনি। আৰু লেচেঙ্গিয়াল বৰপাত্ৰ-গোহাঁইকে, ভায়েককে, এই দুইকো লেচাঙ্গাৰ ঘৰতে নি টঙ্গনিয়াই মাৰিলে। আৰু মৰাণৰ লগত আহিছিল কোঁৱৰ বাপী, বৰমুৰা আৰু গোটাদিয়েক; এইবোৰৰ কোনোক দণ্ড কৰিলে, কোনোক নামৰূপলৈকে নিলে। সেই সময়তে মগলুৰ মানুহ ৪০টামান মতাইমৰাত আছিলে। সিহঁতে হুৰি মাৰি দুই নৈৰ মুখে গ'ল। সিহঁতক ধৰি আনিবলৈ দিহিঙ্গীয়াৰ নকুয়া নিয়াসোধা ফুকনক পঠালে। ফুকনে গৈ আনিব নোৱাৰি উলটি আহিল। ১৫৩॥

**হৰনাথ ফুকন সেনাপতি।**—সেই সময়ত কলিতা-ফুকন প্ৰধান খাটনিয়াৰ হ'ল। সেনাপতি-ফুকনেও কলিতাতে প্ৰধান আশ্ৰয় কৰিছিল। একদিনা ৺এ কলিতা-ফুকনকে, নগা মজিন্দাৰকে বৰবৰুৱাত কবলৈ ৺এ আজ্ঞা কৰিলে, বোলে,—"সেনাপতি-ফুকন ৰণলৈ যাওঁতে মানুহ, আহিলা কিমান গৈছিল, বৰুৱাই বুজি আমালৈ জনাওক।" পাচে চাঙ্গলৈকে কাকত নি বুজি বহুত মানুহ আহিলা যোৱা পাই ৺এ বোলে,—"তেও কাৰ্য্য কৰিব নোৱাৰিলে?" পাচে এই কথা ভোবোলাৰ ভায়েক তামুলী লিগিৰাই ফুকনত ৰহস্যে কলে। কাৰণৰ আদি এই। কলিতা-ফুকনেও পাতৰ-তামুলীকটাতকৈ এইৰূপে বিশ্বাসে কলে। আৰু একদিনা কলিতা-ফুকনে সেনাপতি-ফুকনলৈ কৈ পঠালে, বোলে,—"তোমালৈ ৺ৰ মন ভাল নহয়। মৰাণত বৰিবৰ কথা কৈ থাকে। ইষ্টত থাকিছে কৈছোঁ। ইয়াকে চাই ফুকনে দিনাদিয়েকলৈ অন্তৰি থাকিলে ভাল।" সেই দিনা সেনাপতি-ফুকনৰ পৰৰ পাল। গা বিষম বুলি ৰহাতে থাকি জকয়ালৰ ডেকা নাম ভোমবিদ্যা, কাণকাইৰাগী, বহতা লবা এটা, এই

তিনিক লৈ সেই নিশাই পলাই গৈ কাইমনত ডিলিহিয়াল বুঢ়াগোহাঁই-কৈদীয়া ডুলীয়া বৰুৱাৰ ঘৰত মিত্ৰ-সম্বন্ধে ৰ'লগৈ। পাচে সাদিনৰ মূৰত বিচাৰি পাই তাৰে পৰা আনি ন-ডুৱাৰৰ মুখত হাতীশালত লোৰা লগাই ডিঙ্গৰাত ভৰাই থলে। পৰে ৺এ দাই ধৰি চাওডাঙ্গৰ হাতত দিব দিলে। এই আজ্ঞা নগা মজিন্দাৰে, বুঢ়া তামূলী-ফুকনে, কলিতা-ফুকনে বৰবৰুৱাত কলে, বোলে,—“ফুকনক ৺এ চাওডাঙ্গৰ হাতত দিছে।” চাওডাঙ্গৰ বৰুৱাতো কলে। পাচে চাওডাঙ্গে আহি ফুকনক লোৱা মেলি ললে। এনেতে ৰাজমাওদেৱে, পহুমৰীয়া ন-গোসাঁইৰ ৰৰজনে, বৰবৰুৱা, এইসকলে ৺লৈ জনাই ৰাখিলে। ৺এ দায় ক্ষমা দিলে; ফুকনকো আনিব দিলে। পাচে বৰবৰুৱাই ফুকনক নলামুখৰ পৰা অনাই বৰবৰুৱাৰ পোনে খলাত ৰাখিলে। পাচে চাঙ্গৰ পৰা ফুকন মজিন্দাৰে আহি দায় ধৰি বুলিলে। ৺এ বোলে,—“মই তাক কাটিলোঁহঁতে, ৰাতো তাৰ অৰ্থে আইচুদেৱ, গোসাঁই, বৰবৰুৱা এইসকলে মাতিলে, এতে-কেহে প্ৰাণ ৰক্ষা কৰিছোঁ।” পাচে ফুকনে প্ৰাৰ্থনা কৰিলে, বোলে,—“শত্ৰুৱে কলে তোমাক ৺এ কাটিব-মাৰিব খুজিছে। ৰণলৈ গৈ অনেক মানুহ আহিলা হানি পেলাই ৰাঘ মৰাণত ৰহিলগৈ। ইয়াকে শুনি মই ভয় পাই অন্তৰি গলোঁ। সম্প্ৰতি ৺এ পূৰ্ব্বীয় ভৃত্যৰ সন্তান বুলি মই বন্দীক ক্ষমা দিলে। আক মোৰ অৰ্থে ৰাজমাওদেৱো, গোসাঁইদেউ, বৰুৱা আপও ৺ত মাতি মোক ৰক্ষা কৰালে।” এই প্ৰাৰ্থনা ফুকনে জনালে। পাচে ৺এ ফুকনক বৰবৰুৱাৰ হাতত সোধাই দিলে। পাচে বৰবৰুৱাইও ‘মই গা কৰিছোঁ’ বুলি ৺লৈ জনালে। পাচে ফুকনৰ লগত থোৱা তিনি মানুহৰ নাক-কাণ কাটিলে। পাচে ফুকনকো কংকঙ্গৰ পামত থোৱালে। পৰে ৺লৈ প্ৰাৰ্থনা জনাই ৰংপুৰলৈ আহিল। লানমাধৱৰ বন্দৰৰ কৈদৰ তামূলী লিগিৰা শিৱনাথক তিতবৰুৱাল ফুকন পাতিলে। ১৫৪॥

**লক্ষ্মীসিংহৰ শিঙ্গৰিঘৰ আৰোহণ।**—আৰ পূৰ্ব্বে ১৬৯৩ শকত লক্ষ্মীসিংহ ৺ও গড়গাৱঁত শিঙ্গৰিঘৰ উঠিল, নাম ললে হিন্দুমতে

লক্ষ্মীসিংহ। দান-দক্ষিণাও কৰিলে। তিনিজনা ডাঙ্গৰীয়াক মুখ্য কৰি গড়গঞা, গুৱাহটীয়া সকলকো বঁটা দিলে। আৰু সকলো মহন্তক অনাই সাদিন উৎসৱ কৰিলে। মহন্তসকলক দক্ষিণা দিলে। আত-পাচে গড়গঞা সন্দিকৈৰ বৰঘৰীয়াৰ ঘৰৰ বৰকুঁৱৰী পাতিলে; চটাইঅলীয়া বৰগোহাঁইৰ ঘৰৰ খঙীয়া ফুকনৰ জীয়েকক পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। শিঙ্গৰিঘৰ উঠাৰ পাচে আওবৰ কলে। তাতো স্ত্রীসকলক দান দিলে। ১৫৫ ॥

**কলিতা-ফুকনৰ পয়োভৰ।**—সেই সময়ত কলিতা-ফুকনক ৺এ পিন্ধা সাজ-কাপৰেৰে বঁটা দিলে। ৺ত অতি বল্লভ খাটনিয়াৰ হ'ল। আতপাচে জয়ন্তীয়াৰ পৰা কটকী ধনবায় পালেহি। বৰবৰুৱাই ৺লৈ কটকী তুলিবলৈ জনালে। পাচে ৺এ বৰবৰুৱালৈ কোৱালে, বোলে,—"ধনবায় কটকী অতি চতুৰ, মহাফন্দী, এতেকে আৰু কলিতাইহে তুলিব পাৰিব।" পাচে বৰবৰুৱাইও ৺এ কোৱাত থাকি কলিতাকে তুলিবলৈ বুলিলে। পাচে কলিতাও বহাঘৰতে তুলিলে। পাচে কলিতা-ফুকন ৺ত বল্লভ হৈ চাঙ্গৰ পৰা আহি প্রধান চৌখাম কৰে। অতি প্রধান খাটনিয়াৰ হৈ একদিনা দিহিঙ্গৰ মৃদঙ্গীয়া বাপৰ জীয়েকৰ বিবাহত ৺ত খুজি গোটেই গাত বাগ্রাম কৰা সোণৰ গাম-খাৰু মকৰ-কুণ্ডল ললে। এই বঁটা পাই অতি প্রধান হ'ল। ডাঙ্গৰীয়াবোৰো পৰ মেললৈ আহোঁতে বৈ থাকি ফুকনেৰে কথা-সম্ভাষা হৈহে যায়। অনেক ফুকন বৰুৱাৰ লৰাই বিষয়ত আশায়ে বহাঘৰতে খাটেগৈ। ১৫৬ ॥

**কলিতা-ফুকনৰ বিৰুদ্ধে গোচৰ।**—কলিতা-ফুকনে এইৰূপ শ্রীসম্পত্তিক পাই অন্ধ হৈ বৰগোহাঁইকো বিমুখে ৺ত লগাই কয়। ইয়াকে ডাঙ্গৰীয়াও কৰ্ণাকৰ্ণি কৈ শুনি কুঁৱৈগঞা মহামন্ত্রী বুঢ়াগোহাঁই, মৰাণ-পাতৰৰ বৰপাত্র-গোহাঁই, বাইলুং বৰগোহাঁই, এই তিনিওজন সম্মিলিত হ'ল; দেশ-ৰাজ্যৰ কথা কব লাগিছে বুলি ৺লৈ জনালে। ৺ও আনিবলৈ বৰবৰুৱাক আজ্ঞা কৰিলে। বৰবৰুৱাও মজিন্দাৰক অনাই কটকী দিয়াই তিনিওজনা ডাঙ্গৰীয়াক অনাই চৌৰাতে বহিলহি। বৰবৰুৱা,

আনো ফুকন, বাজখোৱা বহিছে। পাচে মজিন্দাৰে ডাঙৰীয়াবোৰ আছিছে বুলি ৺ত জনালেগৈ। পাচে ৺এ চাঙলৈকে তিনিওজনাক নিয়ালে। ৺ৰ বিয়ৈয়েক বৰগোহাঁই ডাঙৰীয়াই ৺ত প্ৰাৰ্থনা কৰি জনালে, বোলে,— “৺ও, আমি পাইকবোৰ ৺ৰ এদিনীয়া পাইক নহওঁ। যি কালত চুকাফা ৺ও নামি আহে সেই কাল অবধি আমিও ৺ৰ ঘৰৰ পাইক। এতেকে আমি ৺ত মনেচোৱা জনাইছোঁ। এই কলিতা-ফুকনে আমাক অনেক নিন্দা-বিতণ্ডা কৰে, মাৰিবলৈকো উপায় কৰে। বিশেষতঃ ই মোৰ মেলৰ বিলতীয়া পাইক আছিল, আমাক নিন্দা কৰিব নাপায়। এই কলিতা মহা বেশ্যা,—মদপী; ই ৺ক পৰ্শিব নাপায়। তাৰ জাতি-কুল নাই। এনে মানুহ ৺ৰ লগত থাকিব নাপায়।” পাচে ৺এ বোলে,— “মই কলিতাক নিচিনোঁ, নাজানোঁ; পূৰ্ব্বে তোমালোকেই বুলিলা, কলিতা ভাল মানুহ, মৰাণকো মাৰিছে; এতেকে ৺এ আক ভাল মানুহ পাতক। এতেকেহে মই ভাল মানুহ কৰিছোঁ। এতিয়া যদি ডাঙৰীয়াবোৰে দুষ্ট বুলিছে মই আক সুধিম।” ১৫৭॥

**স্বৰ্গদেৱৰ উত্তৰ।**—ডাঙৰীয়াবোৰে বোলে,—“এই কলিতাক চাঙৰ পৰা নমাই ৺এ আমাৰ হাতত দিব। যদি নিদিয়ে আমি পাইকহঁতকে ভাঙ্গি খেদক।” তাতে বৰপাত্ৰ ডাঙৰীয়াই বুলিলে, বোলে,—“এই কলিতায়ে মৰাণক মাৰি সকলকো ৰাখিছে। আপ, তাক কিয় এনেকৈ বোলে?” পাচে বৰগোহাঁয়ে বুলিলে,—“আপ, তুমিও বাতুল হ'লা।” বৰপাত্ৰে বোলে,—“আমি সমান ডাঙৰীয়া, তুমি মোক এনেকৈ বুলিব নোপোৱা।” এই বুলি বৰপাত্ৰ ডাঙৰীয়া থাকিল। ৺এ শুনি নামাতি আছিল। পাচে ৺এ বোলে,—“ডাঙৰীয়াবোৰে যে ধৰিছে বাক আজিলৈ যাওক, কালিলৈ মই এই কথা সুধিম।” এই বুলি মজিন্দাৰক তামোল-পাণৰ বটা দিব দিলে। মজিন্দাৰে বটা দিয়ালে। ৺এ বিদায় দিলে। ডাঙৰীয়াবোৰো আহি বৰচ'ৰাত ৰ'লহি। তাৰে পৰা পুনৰ মজিন্দাৰক মতাই আনি কলে, বোলে,—“মজিন্দাৰ, ৺ত জনাগৈ আমি আহি চ'ৰাতে বৈ আছোঁহি। ৺এ আমাক কলিতাক দিয়ক।” এইৰূপে মজিন্দাৰে

৺ত জনালেগৈ। সেইবেলা ৰাজমাওদেৱে ৺ত পূৰ্ব্বাপৰ বুজাই কলে, বোলে,—“ বোপাইদেউ, তিনিজনা ডাঙ্গৰীয়াই ধৰাত কলিতাক দিয়াহে ভাল।” পাচে ৺এ মজিন্দাৰত কৈ পঠালে, বোলে,—“ ডাঙ্গৰীয়াবোৰ আজিলৈ ৰহালৈকে যাওক। মই কালিলৈ সুধিম। যদিহে কলিতাত ন্যায় পাওঁ তাক যোগ্যানুৰূপে দণ্ড কৰা যাব।” মজিন্দাৰে আহি এইৰূপে কলেহি। পুনৰ বৰচোৰাতে তামোলপাণৰ বটা দিয়ালে। ৺ও বিদায় দিলে। পাচে ডাঙ্গৰীয়াবোৰে এই কথা শুনি ৰহাঘৰলৈ গ’ল। ১৫৮॥

**কলিতাৰ ক্ষমা-ভিক্ষা।**—ডাঙ্গৰীয়াবোৰে যেতিয়া ৺ত জনাই কথা-বাৰ্ত্তা হয় তেতিয়া কলিতা সেই মেলতে আছিল। ডাঙ্গৰীয়াবোৰ যেতিয়া ৰহাঘৰলৈ গ’ল তেতিয়া কলিতাই বেশ-ছদ্ম কৰি দাঁৰিকা দুৱাৰৰ ভিতৰৰ পৰা ওলাই মজিন্দাৰে সৈতে বৰবৰুৱাৰ পালীঘৰলৈ আহিল। পাচে বৰবৰুৱাইও কলিতাক বৰবৰুৱাৰ ৰহাঘৰলৈ পঠাই দিলে। তাতে সাদিন পলাই আছিল। পৰে মজিন্দাৰে ৺ৰ আজ্ঞাৰে বৰচোৰালৈকে অনাই কথা শুনালে, বোলে,—“ফুকন এদিন পৰত থাকিব এদিন ৰহাঘৰতে থাকিব।” পাচে আতে ছিদ্ৰ পাই ডাঙ্গৰীয়াবোৰে ৺লৈ বাৰম্বাৰে জনাই আছিল। পাচে কলিতা-ফুকনে যাই ডাঙ্গৰীয়াবোৰৰ ঠাইত অষ্টাঙ্গে পৰিলগৈ। ডাঙ্গৰীয়াবোৰে তথাপি ক্ষমা নিদিলে। আক বৰগোহাঁই ডাঙ্গৰীয়াৰ ঠাইত আপুনি গৈ অষ্টাঙ্গে পৰিছিল, তথাপি ক্ষমা নিদিলে। পাচে ৺এ কলিতাৰ অৰ্থে ডাঙ্গৰীয়াবোৰলৈ কোৱালে, বোলে,—“ মই কলিতাৰ অৰ্থে ডাঙ্গৰীয়াবোৰক মাতিছোঁ, তাকো বিষয় ভাঙ্গি তাক তামোলবাৰীৰ ঘৰলৈকে খেদিছোঁ। উত্তৰত থাককগৈ।” পাচে ডাঙ্গৰীয়াবোৰে বোলে,—“ ভাল, ৺এ যদি ফুকন ভাঙ্গি তাক খেদিছে থাককগৈ।” পাচে ১৬৯৪ শকত মাস বৈশাখত ৺ৰ আজ্ঞায়ে নাও-মানুহ, ৰখীয়া বাবে দোলাষৰীয়া বৰা দুটা, চাওডাঙ্গৰ বৰা দুটা দি তামোল-বাৰীত থোৱালে। পাচে বনভোম আহোমৰ কৈদৰ তামুলী-ফুকনক চোলাধৰা ফুকন পাতিলে। ফুকন হৈ তিনি দিন আছিলে। পাচে

বৰগোহাঁই পুতেক ঢেকিয়াল বৰুৱা আছিল, তেওঁকে চোলাধৰা ফুকন পাতিলে। সেই তামুলী-ফুকনক ঢেকিয়াল ফুকন পাতিলে। ১৫৯॥

**কলিতাৰ ৰণোদ্যম।**—আতপাচে কলিতাই খেদি খোৱা ঠাইত ৰয়ঙ্গে অনেক মানুহ চপাই লৈ অস্ত্র-শস্ত্র ধৰাই ৰণক উদ্যমে চাৰি পালী পাতি সৈন্তৰে থাকে। তাতে কোনো ভগা ফুকন, বৰুৱাৰ লৰা সোমালগৈ। পাচে টেকেলা গৈ তাৰে পৰা কোনো মানুহটো আনিব নোৱাৰে। টেকেলাকো ধৰি ৰাখে। পাচে ভাঙ্গৰীয়াবোৰে এইৰূপে কলিতাৰ অকাৰ্য্য কৰা কথা ৺লৈ জনালে। ১৬০॥

**কলিতা-ফুকনৰ বিৰুদ্ধে ৰণ।**—পাচে ৺এ বুজি চাই কলিতাই অনেকখনি অকাৰ্য্য কৰিছে যেন জানি ৰণ কৰিবলৈ জেষ্ঠ মাসত দিহিঙ্গীয়া ফুকন নেধাইকে, লাহনৰ ডেকাফুকনকে, দেওবিলীয়া ন-ফুকন, কোঁৱৰ সেনাপতি, বৰগোহাঁইৰ লড়ি গোহাঁই, এইসকলক গা-মানুহ সৈতে কলিতা-ৰণলৈ দিলে। ইবোৰেও বান্দৰদেৱা ঘাটে দিহিঙ্গ পাৰ হ'ল। আৰু মৰঙ্গিখোৱা, সলালগোহাঁই, দুয়ো লোহিতে উজাই আহি লগ ললেহি। পাচে সকলেও গৈ কলিতাক বেঢ়ি ধৰিলে। কলিতাৰ লগ যি মানুহে লৈছিল সি ভাগিল। ১৬১॥

**কলিতা-ফুকন হত্যা।**—কলিতাও পলাই গৈ দুয়ো বাপেক-পুতেক কেচামাটি পৰ্ব্বত সোমালগৈ। পাচে কোঞৰ সেনাপতিয়ে খেদি গৈ পৰ্ব্বতত পাই বাপেক-পুতেক দুয়োকো ধৰি আনিলে, সাঙ্গুৰি আনিছিল। পাচে বাটতে ৰাত্রি চোৰে কাটিলে। পূৰ্ব্বে ৺এ ধৰি আনিবহে দিছিল। চোৰেহে মাৰিলে। পাচে সকলো আহি আষাঢ়ত পালেহি। সকল বাৰ্ত্তা ৺ত জনালে, সেৱাও কৰিলে। পাচে ৺এ কোঁৱৰ সেনাপতিক দায় ধৰাই সুধিলে, বোলে,—"ধৰি অনা মানুহকনো কোন চোৰে কাটিলে? সেই চোৰক ধৰি দিয়ক।" এই বুলি কোঁৱৰ সেনাপতিক জিৰিৰি লোৱা দিলে। চাৰি মাহৰ মুৰতহে লোৱা মেলিছে। ১৬২॥

**শদিয়ালৈ যাত্রা।**—আতপাচে খামজনীয়া নৰাৰ পৰা ৰজাৰ ভাগত ৰব নোৱাৰি নাখাম কিছু মানুহে সৈতে ভাগি আহি শদিয়াত ওলালহি।

পাচে শদিয়াখোৱাৰ ধাৰাই ৺লৈ কিছু মাটি খুজি আহিল। পাচে ৺এ ভাঙ্গৰীয়াবোৰে সৈতে সমালোচন হৈ শদিয়াৰ ওপৰে মলুকৰ মাটিতে পাতিব দিলে। তাতে কিছুদিন থাকি লক্কেকীয়া শদিয়াখোৱা গোহাঁইক মাৰিলেহি। এই কথা ৺ত জনালেহি। ৺এ শুনি মহামন্ত্ৰী বুঢ়াগোহাঁই ভাঙ্গৰীয়াক কোঁৱৰ সেনাপতিক লগত দি পঠালে। পাচে ভাঙ্গৰীয়ায়ো শদিয়া পাবৰ শুনি নাথাম পলাল। পাচে ভাঙ্গৰীয়াও লক্কেকীয়া শদিয়াখোৱাৰ পুতেককে শদিয়াখোৱা পাতিবলৈ বুলি ৺লৈ জনাই পঠালে। পাচে ৺ও তাকে পাতিব দিলে। পাচে ভাঙ্গৰীয়াও ৺ৰ আজ্ঞায়ে লক্কেকীয়াৰ পুতেককে শদিয়াখোৱা পাতি থৈ আহি ৺ক সেৱা কৰিলেহি। ১৬৩ ॥

**ৰাজ-পৰিয়ালত মৃত্যু।**—সেই সময়তে ৰাজমাওদেৱে আলিকেকুৰীত পুখুৰী খনালে, উৎসৰ্গ কৰিবলৈ নাপালে। এনেতে ৰাজমাওদেউ মৃত্যু হ'ল। দানসাগৰ কৰি কৰ্ম্ম কৰি ব্ৰাহ্মণসকলক দক্ষিণা কৰিলে। পাচে এক বছৰৰ পাচত ৺এ সেই পুখুৰী উৎসৰ্গ কৰি দান-দক্ষিণা কৰিলে। ব্ৰাহ্মণসকলৰ এক গঁৰাল, স্ত্ৰীসকলৰো এক গঁৰাল, এইৰূপে দান-দক্ষিণা কৰিলে। এই সময়তে পৰ্ব্বতীয়া আঞ্চিকুঁৱৰীদেৱৰ গাত বসন্ত ওলাল। জীয়েক আইদেউৰো ওলাল। দুইকো নি দেৰী ঘৰত থৈছিল; দুয়ো মৃত্যু হ'ল। ১৬৪ ॥

**ভিতৰুৱাল সম্বাদ।**—সেই সময়তে লুখুৰাখুনৰ জীয়াৰী নাম কৃষ্ণপুৰীয়া, তেওঁকে পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। আতপাচে ১৬৯৫ শকত আঘোণ মাসত ৺এ ভটীয়াপাৰত পুখুৰী খানিবলৈ চাব ধৰিলে। দুই বছৰৰ পাচত সেই পুখুৰী উৎসৰ্গি দান-দক্ষিণা কৰিলে। ৰৰৰুৱাৰ মাজিও তামোলকটা দাঁৰিকিয়াল হাজাৰৰ নাম মথন, সেয়েই এই পুখুৰী ওস্তাজ হৈ খনালে। পাচে ৺এ দ'লো বন্ধালে। আতপাচে দিহিঙ্গীয়াৰ নাকুৱা নিয়াসোধা ফুকন মৰিল। দুৱৰাৰ ঘৰৰ খৰিকটীয়া বাহৰ নিয়াসোধা ফুকন পাতিলে। সেই জ্যেষ্ঠ মাহত ৺ও পাটঘৰ উঠিল। ১৬৯৬ শকত ভাঙ্গৰীয়া তিনিজনাক বেগেতীয়া সোণৰ কেক, সোণৰ খাক,

পাগ-জেমা, নবা জালিচোলা, এইৰূপ বঁটা দিলে। বৰবৰুৱাক মকৰ-কুণ্ডল, সোণৰ খাৰু, কাৰচিপিৰ পাগ-জেমা; ফুকনবোৰক বৰৈঅৰা কেৰু, সোণৰ খাৰু, পাগ-জেমা, এই ক্রমে গড়গঞা, গুৱাহটীয়া সকলকো বঁটা দিলে। আৰু সকলো মহন্তক অনাই সাদিন উৎসৱ কৰি মহন্তসকলকো দক্ষিণা কৰিলে। আতপাচে ৺এ দিহিঙ্গীয়াৰ কাশী বৰফুকনক ভাঙ্গি লাহনৰ ঘৰৰ ডেকাফুকনক বৰফুকন পাতিলে। চিৰিঙ্গৰ ঘৰৰ ভিবোৱালৰ বাহৰ ডেকাফুকন পাতিলে। আতপাচে জেষ্ঠ মাসত ঠাইসাৰীৰ পিঠি কালে কাপৰৰ আঞ্চলত চাকীৰ জুইয়ে সৈতে শলাকানি লাগি আহি কাপৰত জুই লাগিল। পাচে তাই এছাৰ মাৰিলে। সেই জুই গৈ বৰঘৰৰ টুপৰ বানত পৰি চালত জুই লাগিল। ৺এ গৈ কোঁৱৰ কালত থকা বাহৰ খনিত সোমালগৈ। পৰদিনা বৰচোৰাৰ কাষৰতে ঘৰ কৰি ৺ তালৈকে আহি আছিল। এই জুই অদ্ভুতৰ হেতু। ১৬৫॥

**লক্ষ্মীসিংহৰ মৃত্যু।**—আতপাচে ১৬৯৯ শকত ৺ৰ গ্রহণী টান কৰিলে। পাচে ৺ৰ পুত্রক যুৱৰাজ পাতিলে। তিনিজনা ডাঙ্গৰীয়া মুখ্য কৰি বৰুৱা ফুকন এইসকলক চাৰিখনীয়া সাজ কাপৰেৰে বঁটা দিলে। আতপৰে এক বছৰৰ পাচে পৌষ মাসত ৺ও স্বৰ্গী হ'ল, শক ১৭০২। হাতীখোকৰ ঘাটতে দিখৌৰ কোষত ৺ক কাঠ-সংস্কাৰ কৰিলে। অস্থি পৰ্ব্বতলৈ নিলে। লগত গৈছিল চিৰিঙ্গৰ ডেকাফুকন, মাচুৰিয়ালৰ ঘৰৰ চেটিয়া-পাতৰৰ বৰুৱা। ১৬৬॥

---

## নবম অধ্যায়।

### স্বৰ্গদেৱ গৌৰীনাথ সিংহ।

**সিংহাসন আৰোহণ।**—লক্ষ্মীসিংহ ৺ৰ মৃত্যু হবৰ দিনাই সেই পাত্র-মন্ত্রীসকলে তান পুত্র যুৱৰাজক আনি ৰজা পাতিলে। ৺ও পিতৃ

৺ৰ দানসাগৰ মতে কৰ্ম্ম-ধৰ্ম্ম কৰিলে, দান-দক্ষিণাও কৰিলে। সকলো মহন্তসকল অনাই হৰি-কীৰ্ত্তন কৰালে। সেই সভাতহে বেঙ্গেনাঅটীয়া মহন্তক কুকুৰাবাহী নামে বহালে। সেই ঠাইতে পূৰ্ব্বে বকতিয়ালজন বৰবৰুৱাই দিহিঙ্গৰ মহন্তক বহুৱাইছিল। আতপাচে আদাবৰীয়া বৰবৰুৱা ৺ত প্ৰধান হ'ল। ৺লৈ যেইৰূপে জনাই ৺ও তাকে আচৰে। সেই সময়ত দুৱৰাৰ লভাবৰীয়া ৰাজনেওগ ফুকনক ৰাইজে গোচৰ দি ভাঙ্গিলে। বৰবৰুৱাৰ পুতেকক নেওগ ফুকন পাতিলে। বৰবৰুৱাৰে, বৰগোহাঁই ডাঙ্গৰীয়াৰে, দুইৰো লক্ষ্মীসিংহ ৺ৰ দিনৰে পৰা পেটে-পেটে অসূয়া। পাচে ছিদ্ৰ পাই ৺ত দ্বেষভাৱে বৰবৰুৱাই লগালে। পাচে ৺এ বুজি চাই বিষম চিত যেন জানি মাঘৰ ভীষ্মাষ্টমীৰ দিনা বাইলুং বৰগোহাঁই, পুতেক লড়ি গোহাঁই, পুং হাতী বৰুৱা, এই তিনিক ৺ৰ আজ্ঞায়ে আনি পকীঘৰ কোষতে কাটিলে। আৰু পুতেক ৰজাযোৰা চোলাধৰা ফুকনক উৰণৰ চকীৰ বাজকৈ কাটিলে। ঘৰৰ বস্তু-দ্ৰব্য লুড়ি ৺ৰ ঘৰলৈ আনিলে। পাচে বৰবৰুৱাৰ বৰপুতেকক চোলাধৰা ফুকন পাতিলে। ফুকন হৈ ৺ত বল্লভ খাটনিয়াৰ হ'ল। তেওঁৰে মোমায়েক মাদুৰিয়ালৰ বাহৰ ৰংপুৰীয়া চেটিয়া পাতৰ-বৰুৱা আছিল; তেওঁকে বৰগোহাঁই পাতিলে। আৰু পৰ্ব্বতীয়া কুঁৱৰী কৃষ্ণপুৰীয়াৰ ভনীয়েকৰ লৰা এটি পুত্ৰবোধে তুলিছিল। তেওঁকে খুন কৰি আইকুঁৱৰী সহিতে বৰকলালৈ খেদিলে। এনেতে লাহনৰ বৰফুকন গুৱাহাটীত মৃত্যু হ'ল। ১৬৭ ॥

**বৰবৰুৱাৰ পদচ্যুতি।**—পাচে দুৱৰাৰ ঘৰৰ সেনাপতি ভগা ফুকনক বৰফুকন পাতিলে। আৰু তংচু আলিৰ মূৰত বৰবৰুৱা পুখুৰী এটা খনালে, কুৰি হাতমান দ হ'ল, তথাপি তাত পানী নোলাল। পাচে তাত নিসন্ধি হৈ ধান গজি বোৱা যেন হ'ল। এই এক অমঙ্গল। আৰু বৰবৰুৱাৰ ৰংপুৰৰ বহাঘৰৰ আগফালে বাৰীত জাতিবাঁহ এধাৰি ফুলিল। ইও এক অমঙ্গল। আতপাচে বৰবৰুৱাই শিঙ্গৰিঘৰ সজালে। এই মতে স্বতন্ত্ৰে দেশ-ৰাজ্য শ্ৰেষ্টা কৰি আছিল। পাচে ৺এ দেখে,—"মোৰ স্বতন্ত্ৰ ভাও গুচাই সকল কাৰ্য্য বৰবৰুৱাৰহে হ'ল।" এই বুলি ৺এ বৰবৰুৱাক

ভাঙিলে। পুতেক চোলাধৰা ফুকন নেওগ ফুকনকো তাজি পাক পুত্ৰ সহিতে আদাবাৰীৰ ঘৰলৈ খেদিলে। সেই দিনাই ৺ৰ তিনিহি সন্দিকৈৰ ঘৰৰ খাৰঘৰীয়া ফুকন আছিল, তেওঁকে বৰবৰুৱা পাতিলে। পাচে ভগা বৰবৰুৱাই হোৱা বৰবৰুৱাক বুলিলে,—"ভাই, তুমি বৰবৰুৱা হৈছা, আত মোৰ কি সংশয় আছে?" এই বুলি অনেক প্ৰবোধ বচন বুলিলে। পাচে ভগা বৰবৰুৱাক বৰফুকনাৰ মুখৰ হাতীশালত ৰখাদি থলেনি। সেই ৰাতিয়েই ঘোঁৰাত তুলি নি পুতেকহঁতে সৈতে আদাবাৰীত থলেনি। পাচে বৰবৰুৱাৰ ৰংপুৰৰ ঘৰ লুড়ি ৺ৰ ঘৰলৈ আনিলে, শক ১৭০৩, মাস ফাগুন। সেই ফাল্গুন মাসত, পহুমৰাত ঘৰ, ৰমানন্দ আচাৰ্য্য বুলিছিল। তেওঁৰে তিনিপুত্ৰ, তাৰে মাজিওজনাত ৺এ দীক্ষা ললে। পাচে ব্ৰাহ্মণ-বৰ্গত অতি বিনীত দাতা হ'ল। ১৬৮॥

**স্বৰ্গদেৱ শিঙ্গৰিঘৰ উঠে।**—আতপাচে ১৭০৪ শকৰ বৈশাখত নামতিয়াল বৰবৰুৱাই ৺ক শিঙ্গৰিঘৰ তুলিলে। তাতে হেন্দুৱান মতে গৌৰীনাথ সিংহ নাম ললে। দান-দখিণা কৰি সকল মহন্তক অনাই সাদিন উৎসৱ কৰিলে। তিনিজনা ডাঙৰীয়াক মোক্ষ কৰি গড়গঞা, গুৱাহটীয়া সকলকো যোগ্যানুসাৰে বঁটা দিলে। পাচে আওৰৰ কলে। তাতো দান-দক্ষিণা কৰিলে। সেই দিনাই ৺ৰ বায়েক বৰ-আইদেউ নামস্তিয়াল বৰবৰুৱালৈ দিছিল। তেওঁৰ আবোৱানত ৰঙ্গা গিলিপ দিলে। পাচে আহোঁতে চৰাইদেওৰ ঘৰত চৈজৰি খৈ ৰাটবৰ কই আছিল। আতো দান-দক্ষিণা কৰিলে। ১৬৯॥

**মোৱামৰীয়াই ঘৰ পোৰে।**—আতপাচে সন্দিকৈৰ এদাবৰীয়া বাহৰ জীয়াৰী এটি এদাখাতী ৰাজমাওদেৱে তুলিছিল; তেওঁকে গড়গাৱঁত বৰকুঁৱৰী পাতিলে। চটাইঅলীয়া দ'লবন্ধা বৰগোহাঁইৰ নাতিনীয়েক তেওঁক পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। আতপাচে চৈত্ৰ মাসত ৺ও গড়গ্ৰামলৈ গ'ল। পাচে ১৭০৫ শকৰ বৈশাখৰ দহ দিন ৰাওঁতে ৺ও বৰকলা দুৱাৰে ওলাই নাজিৰাঘাটলৈ আহি নাও খেলাইছিল। পাচে তাতে ৰাত্ৰি হ'ল। ৺ গৈ বৰদুৱাৰে নগৰ সোমাল। সেই জোৰধৰা

মানুহৰ লগত জোৰধৰি মোৱামৰীয়া সোমাই গৈ দাঁৰিকা দুৱাৰৰ ভিতৰ হৈ সেই মোৱামৰীয়াই দোলাৰৰীয়া চৌৰাত জুই লগালে। দোলাৰৰীয়া বকৱা লেকেৰাক কপালতে ঘৈয়ালে, কথমপিহে জীলে। ঢেকিয়াল ফুকনকো ঘৈয়ালে। পাচে ৺এ জুই দেখি ভয় পাই গন্ধীয়া ভণ্ডাৰৰ শালৰ পৰা মজিন্দাৰৰ ভাগৰ মাথুন্দী হাতী সককলীক অনাই পাচকালে বাহৰৰ গড় ভঙ্গাই পুৰণি ৰৰঘৰত সোমালগৈ। লগত গৈছিল নগা মজিন্দাৰ-বকৱা, সন্দিকৈৰ দুলীয়া বকৱা আৰু দুই-চাৰি লা-লিগিৰা। আইকুঁৱৰীদেওবোৰৰ লগত লিগিৰী কিছু সৈতে সোমালগৈ। মোৱা-মৰীয়াই ভৰ্কিব নোৱাৰিলে, দাঁৰিকাৰ ভিতৰতে কিছু মানুহ কাটিলে। পাচে চমক লাগি মানুহ ভাগিল। পাচে মোৱামৰীয়াই ওলাই আহি ৰৰচৌৰাত জুই লগালে। চ'ৰাৰ পৰা ফুকন, ৰাজখোৱা ভাগিল। ৰৰ-বকৱাইও পালীঘৰৰ পৰা ওলাই গ'ল। আনো পাইকান মানুহো ভাগিল। পাচে মৰাণে তাৰ পৰা ওলাই হোলোং ঘৰত জুই লগালে। পাচে এই কথা কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই পুতেক লড়ি গোহাঁইৰ মুখে শুনি দুৱৰাৰ সেনাপতি ৰৰফুকনক লগত লৈ আহি মৰাণে সৈতে ৰৰদুৱাৰৰ মুখতে খোঁচাখুঁচি লগালে। মোৱামৰীয়া দুই-চাৰি পৰিল। আমাৰো দুই-চাৰি পৰিল। পাচে বুঢ়াগোহাঁই ডাঙৰীয়াই, ৰৰফুকন দুয়ো লগৰ মানুহেৰেই মোৱামৰীয়াক হোঁহোঁকাই নগৰৰ ভিতৰ সোমাই ৺ক বিচাৰি গ'ল। ১৭০ ॥

**মোৱামৰীয়াৰ উৎপাত।**—৺এ মোৱামৰীয়া আহিল বুলি কিছু ভয় পালে। পাচে বুঢ়াগোহাঁই ডাঙৰীয়া ৰৰফুকন হেন জানি স্থিৰ হ'ল। পাচে ৺এ দুইবো আগত অনেক দুখ-বিষাদ কৰিলে। বুঢ়াগোহাঁই ডাঙৰীয়া, ৰৰফুকন, দুয়ো ৺ক পাই অনেক খেদ-বিষাদ কৰিলে। পাচে ৰৰবকৱাক বিচাৰি অনাই সেই ৰাত্ৰি পালী-পৰ নিৰন্ধে দিয়াই থাকিল। "৺ও আছে, মানুহ নেভাগিব।" এই বুলি মানুহ আটপৰাই কলে। পাচে নিৰ্ভয় হৈ চাৰিও আলিয়ে পৰ ধৰিলে। আতপাচে মোৱামৰীয়াই গৈ মাদুৰিয়াল ৰৰগোহাঁই ডাঙৰীয়াৰ ঘৰত জুই লগালে। ৰৰগোহাঁই

তাগিল। মিৰি সন্দিকৈৰ দিহিঙীয়া ফুকনে ৮ৰ বাহৰত জুই দেখি বহাঘৰৰ পৰা আহোঁতে বাটতে মৰাণে কাটিলে। লগৰ মানুহ এৰি পলাল। এনেতে কেন্দুগুৰীয়া বৰপাত্ৰ ডাঙৰীয়াৰ ঘৰত জুই লগালে। ডাঙৰীয়াইও চ'ৰা নাৱত উঠি গুৱাহাটীলৈ গ'ল। পাচে মোৱামৰীয়াই পানীচকীৰ বাটে ভটীয়াই ৰংপুৰলৈ গ'ল। যেন এই মোৱামৰীয়াৰ লগত আদাবৰীয়া ভগা বৰবৰুৱাৰ পুতেকহঁতো আহিছিল। পাচে ৮এ নিয়ম কৰিব নোৱাৰি দোলাবৰীয়া বৰা এটা এদাবৰীয়া ভগা বৰবৰুৱাৰ তালৈ পঠালে, বোলে,—"যদি বৰবৰুৱা ঘৰতে আছে তই বন্দী কৰি ৰাখি থাকিবি, পুতেকহঁতক লোৱা লগাবি।" পাচে সি গৈ ঘৰতে বৰবৰুৱাক পাই যি আজ্ঞা তাকে আচৰিলে। পাচে মোৱামৰীয়াই ৰংপুৰ পাই বৰচুৱাৰৰ চুৱৰীক বোলে,—"গড়গাওঁৰ বাহৰত জুই লাগিল, ৮ও সকলো পাত্ৰ-মন্ত্ৰী সমন্বিতে আহি পাইছেহি, তইতে চুৱাৰ মেলি দে।" পাচে চুৱৰীয়ে এই বাৰ্ত্তা শুনি চুৱাৰ নিদি ফুকনত কবলৈ গ'ল। এনেতে মোৱামৰীয়া চুৱাৰ কাটি ভিতৰলৈ সোমাল। বৰচোৰাতে চুৱাৰৰ নিয়াসোধা ফুকনক পাই তেওঁক ধৰিলে। মাতুৰিয়ালৰ ঘৰফলীয়া বৰুৱা পলাল। বুঢ়া ঢেকিয়াল ফুকনৰ ঘৰৰ বাখৰ হাজৰিকীয়া দাঁৰিকা চুৱাৰত আছিল, সিও পলাল। পাচে মোৱামৰীয়াই ভিতৰত লিগিৰী নাচনীয়াৰ যি আছিল, সিহঁতক তুলি আনি দোলা-ঘৰত থলেনি। সেই ৰাত্ৰি মোৱামৰীয়া গঁড়ৰ ভিতৰতে আছিল। পাচদিনা প্ৰভাতে ওলাই গৈ ন-গোসাঁইৰ, লান্‌মাখৰুৰ ভিতৰুৱাল ফুকনৰ, বৰফুকনৰ, এইবোৰৰ ঘৰত জুই লগালে। পৰ্ব্বতীয়া ভট্টাচাৰ্য্য গোসাঁই জয়সাগৰৰ পুখুৰীপাৰৰ ঘৰত আছিল, তেওঁকো অনেক দুৰ্ব্বচন বুলিলে। ১৭১ ॥

**পৰ্ব্বতীয়া গোসাঁইৰ অভিশাপ।**—পাচে গোসাঁয়ে বুলিলে,—"এই মোৱামৰীয়া অল্পতে নষ্ট হব।" এই বুলি শাপিলে। আৰু মোৱামৰীয়াই আলি-বাটে-বাটে আটি পাৰি কৈ ফুৰে, বোলে,—"ওপৰ চাৰিঙীয়া ৰজা, আদাবৰীয়া ভগা বৰবৰুৱাই বৰবৰুৱা।" ১৭২ ॥

**মোৱামৰীয়াক ভেটিবৰ আয়োজন।**—আতপাচে গড়গাওঁত

বুঢ়াগোহাঁই-পৰীয়া খোঁচলগা মোৱামৰীয়া এটা পাই আনি সুধি তাৰ মুখে সাৰশেষ মোৱামৰীয়াৰ মন্ত্ৰণা বুজিলে। পাচে ৺এ ৰংপুৰতে মোৱা-মৰীয়াক ধৰিবলৈ কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া, মাছুৰিয়ালৰ বৰগোহাঁই ডাঙৰীয়া, ছুৱযাৰ সেনাপতি বৰফুকন, দিহিঙীয়াৰ নাওবৈচা ফুকন, বুঢ়াগোহাঁই-পৰীয়া ৰাজনেওগ ফুকন, চটাইঅলীয়া বৰুৱা, চেটিয়া পাতৰ-বৰুৱা, এইসকলক অনেক মানুহ আহিলা দি ৰণলৈ পঠালে। সিবোৰেও চটাই-আলিৰে পৰা চহৰীয়া মানুহ যাকে যতে পাই খেদি লৈ আহিল। পাচে বুঢ়াগোহাঁই ডাঙৰীয়া, বৰফুকন, নেওগ ফুকন, এই তিনিজনা উৰণৰ চকীৰ বাটে গ'ল। বৰগোহাঁই ডাঙৰীয়া, নাওবৈচা ফুকন, চেটিয়া পাতৰ-বৰুৱা, এইসকল গ'ল মেটেকাৰ আলিয়ে। ১৭৩ ॥

**ৰংপুৰ পুনৰুদ্ধাৰ।**—পাচে বৰফুকনে আগবাঢ়ি গৈ ঘোঁৰাশালৰ পোন পাওঁতে এনেতে মোৱামৰীয়াই দেখি তাৰে দুটাই খেদি আহিল। দেখি আমাৰ মানুহে হুঁহঁকিল। আমাৰ মানুহ হাতীয়ে ঠেলি আনিলে। পাচে ফুকনৰ লগৰ নগঞা বাকৰতীয়ে সেই মানুহ দুটা কাটিলে। এনেতে বুঢ়াগোহাঁই ডাঙৰীয়া নলামুখ পাওঁতে বৰদুৱাৰৰ মুখৰ পৰা মোৱামৰীয়া তিনটাই খেদি আহিল, তাৰে এটা ঘোঁৰাৰে আহিছিল, দুটা মাটিত। পাচে ডাঙৰীয়াৰ লগৰ মানুহে দুটাক খুঁচি মাৰিলে। এটা লৰ মাৰি নগৰ সোমালগৈ। পাচে মোৱামৰীয়াই তাৰ মুখে বাৰ্ত্তা পাই নদুৱাৰে ওলাই ভাগি গ'ল। পাচে আমাৰ লোকে মোৱামৰীয়া ভাগিবৰ শুনি সসৈন্যে নগৰ ললেগৈ। পাচে ডাঙৰীয়া, ফুকন, বৰুৱা, এই-সকলে ঘোঁৰাৰে চিপাহী পঠাই নগৰ লোৱা বাৰ্ত্তা বৰবৰুৱাত কোৱালে। চাৰি দণ্ড নিশা যোৱাত বৰবৰুৱাই শুনি হৰ্ষযুক্ত হৈ ৺ত জনালে। ৺এ শুনি অতি আনন্দ পালে। অন্য লোকেও প্ৰধান হৰ্ষযুক্ত হ'ল। সেই নিশা পালী-পৰ ধৰি নিবন্ধে ৰ'ল। পৰদিনা ভেৰপৰ মহাত বৰবৰুৱা চৌৰাত বহি ৺লৈ জনালে, বোলে,—"৺ৰ বন্দী দিহিঙীয়া ফুকন, নিয়ামোধা ফুকন, এই দুই ৺ৰ কাৰ্য্যতে মৰিছে। ৺এ যেন

আঁহাতৰ পুতেকহঁতকে সেই বাৰ দিবলৈ আজ্ঞা কৰিব।” ৺এ পুতেক-হঁতক দিহিঙীয়া ফুকন, নিয়াসোধা ফুকন পাতিলে। ১৭৪ ॥

**মোৱামৰীয়া দমনৰ আয়োজন।**—আতপাচে ৺এ নগৰৰ ওচৰৰ মোৱামৰীয়াবোৰ মাৰিবলৈ বৰবৰুৱাক আজ্ঞা কৰিলে। পাচে বৰবৰুৱাই যূথে-যূথে ধৰাই অনাই মৰালে। পাচে পৰদিনা ৺ও সসৈন্যে সহিতে ভটীয়াই ৰংপুৰলৈ আহিল। তাৰ পৰদিনা ৺এ তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, বৰফুকন, আনো ফুকন, ৰাজখোৱা সকলকো ভিতৰলৈকে নিয়াই ৺এ সুধিলে, বোলে,—“এই মোৱামৰীয়াবোৰে ইমান পৰাভৱ কৰিলে, আৰু পূর্ব্বেও এই মৰাণে অনেক অকার্য্য কৰিছে, এতেকে আৰু সপুত্ৰা-বান্ধৱে নষ্ট কৰিবলৈনো তোমালোকে কি বোলা ?” পাচে শুনি সকলেও মাৰিবলৈ বুলিলে। এই আলচ হৈ সেই দিনাই বৰচোৰাত ৺ৰ আজ্ঞা সকলতো শুনাই কলে, বোলে,—“মোৱামৰীয়াক যতে যেয়ে পায় ধৰি ধৰি সপুত্ৰা-বান্ধৱক মাৰক।” দোলাৰবীয়া বৰা, দাধৰা বৰা, টেকেলা বৰা, এইহঁতক পঠাই চহৰতো কথা শুনাই দিলে। ৺ৰ এইৰূপ প্ৰচণ্ড আজ্ঞা শুনি চহৰে চহৰে মোৱামৰীয়াক পুত্ৰ-ভাৰ্য্যা সমন্বিতে ধৰি ধৰি মাৰিলে। কতো পলাই ডফলা, ভোট, কছাৰী, জয়ন্তা, এই দেশে সোমাই প্ৰাণ ৰক্ষা কৰি থাকিলগৈ। ১৭৫ ॥

**ভগা বৰবৰুৱাৰ পুতেকৰ শাস্তি।**—সেই সময়ত তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, ফুকন, ৰাজখোৱা সকলেও নিতান্তে নগৰত পৰ দিছিল। আৰ পৰদিনা ৺এ তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, ফুকন, ৰাজখোৱা সকলকো অনাই বৰমেল হৈ ৺এ বোলে,—“আদাবৰীয়া ভগা বৰবৰুৱাৰ পুতেকহঁত যে মোৱামৰীয়াৰ লগত আছিছিল বুলি শুনা গৈছিল আকে বিচাৰ কৰি বৰবৰুৱাই মোলৈ জনাওক।” পাচে বৰবৰুৱাই এই আজ্ঞা শুনি—“৺লৈ তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, বৰফুকন, এইসকলেও আহিছিল” বুলি ৺লৈ জনালে। পাচে ৺এ শুনি আদাবৰীয়া ভগা বৰবৰুৱাৰ চাৰি পুতেকৰ চক্ষু কাঢ়িবলৈ আজ্ঞা কৰিলে। পাচে দোলাবৰীয়া বৰা কমলাবৰীয়াৰ চিদাএ গৈ চাৰি পুতেকৰ আদাবাৰীৰ

ঘৰতে চক্ষু কাঢ়িলে। আতপাচে জেষ্ঠ মাসত তুৰবাৰ সেনাপতি ফুকনে ৺ক সেৱা কৰিলে। ৺ও বৰফুকনক শিকাই-বুজাই গুৱাহাটীলৈ পাঠিলে। ১৭৬ ॥

**পূৰ্ণানন্দ বুঢ়াগোহাঁই।**—আৰ আষাৰ মাসত কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া মৃত্যু হ'ল। পুতেক লড়ি-গোহাঁইক বুঢ়াগোহাঁই পাতিলে। আতপাচে সন্দিকৈৰ পানীফুকনৰ নাতিয়েক গেন্ধেলাক চোলা-ধৰা বৰুৱা পাতিলে। ১৭৭ ॥

**পাটঘৰ আৰোহণ।**—আতপাচে বৰবৰুৱাই দোৱাল ধৰি পাটঘৰ সজালে। পৰে বৈশাখ মাসত ৺এ ঘৰ উঠিল। তিনিজনা ডাঙৰীয়াক মোক্ষ কৰি গড়গঞা, গুৱাহটীয়া সকলকো যোগ্যানুসাৰে বঁটা দিলে। আৰু কাঁড়ীৰ শইয়া, বৰা, ইইঁতকো যোগ্যানুসাৰে বঁটা দিলে। আৰু দৰঙ্গিৰ দুয়ো ৰজা আহিছিল। তেওঁবোৰকো ৺এ বঁটা-প্ৰসাদ দিলে। সকলো মহন্তক অনাই সাদিন উৎসৱ কৰিলে। মহন্তসকলকো দক্ষিণা কৰিলে। শক ১৭০৫। ১৭৮ ॥

**নগা মজিন্দাৰৰ চক্ষু উৎপাটন।**—আতপাচে নাজিৰাহটীয়া গণক নগা মজিন্দাৰক ৺এ দায়ে পাই গড়গাৱঁত চক্ষু কাঢ়ি ঘৰলৈ খেদিলে। তাৰ ঘৰ লুড়ি ৺ৰ ঘৰলৈ আনিলে। কাথৰ ঘৰৰ মজিন্দাৰ-বৰুৱা পাতিলে। সেই সময়তে মহন্ত চতমিয়াল বাসুদেৱৰ পৰিনাতি ব্ৰহ্মচাৰীৰ ঘৰ নগাঁৱত, জয়সাগৰৰ পুখুৰীপাৰত আছিল। তেওঁ ৺ক দ্ৰোহ চিন্তিবলৈ মন কৰিলে। পাচে ৺এ এই কথা শুনি জয়সাগৰৰ পুখুৰীপাৰৰ বহাৰ পৰা অনাই চক্ষু কাঢ়ি নগাৱঁৰ ঘৰলৈ খেদিলে। নগৰ মানুহ তিনটাক তেলত ভাজি মাৰিলে। আতপাচে ফিচিহাজাৰৰ ঢেকিয়াল ফুকন মৃত্যু হ'ল। চাংমাইৰ চাংমাই-বৰুৱা আছিল। তেওঁকে ঢেকিয়াল ফুকন পাতিলে। আতপাচে ৺ও আদাবাৰীলৈ গৈছিল। আদাবৰীয়া ভগা বৰবৰুৱাৰ পদূলিতে বৈ চাৰি পুতেক সৈতে বৰবৰুৱাক অনাই অৱস্থা দেখি ৺ৰ অতি কৰুণা জন্মিল। অনেক দায়া-বাক্য বুলি কিছু ৰূপ-কাপৰ দিলে। সিবোৰেও অনেকৰূপে স্তুতি-নিবেদন কৰি সেৱা কৰিলে। ১৭৯ ॥

**হৰনাথৰ মৃত্যু।**—পাচে ৺ও ৰংপুৰলৈ আহিল। পাচে নাফুকিয়াল সন্দিকৈৰ জীয়াৰী, তেওঁ ৺ৰ লড়ি মাতৃ, তেওঁকে খঙীয়া মেল দি ৰাজমাও নাম প্ৰখ্যাত কৰিলে। পাচে নাফুকত পুখুৰী খনাই দৌল বন্ধালে, উৎসৰ্গ কৰিলে। আতপাচে গুৱাহাটীত সেনাপতি বৰফুকন মৃত্যু হ'ল। এই বাৰ্ত্তা ৺ত জনালেহি। আতপাচে চৈত্ৰত অশোকাষ্টমী স্নান কৰিবলৈ বৰবকৰাক সোণাই নৈত বাহৰ কৰাবলৈ ৺এ আজ্ঞা কৰিলে। বৰবকৰাও ৺ৰ আজ্ঞাএ বাহৰ কৰালে। পাচে ৺ও সেই বাহৰলৈ আহি ব্ৰহ্মপুত্ৰত বিধিৰতে স্নান কৰিলে। সেই বাহৰতে ১৭০৬ শকত সন্দিকৈৰ ঘৰৰ চোলাধৰা ফুকন আছিল, নাম গেন্ধেলা, তেওঁকে বৰফুকন পাতিলে। ৺ক সেৱা কৰিলে। ৺ও ফুকনক শিকাই-বুজাই গুৱাহাটীলৈ পাঠিলে। পাচে ৺ৰ মোমায়েক সন্দিকৈৰ ভদৰিক চোলাধৰা ফুকন পাতিলে। সেই বাহৰৰ পৰা ৺ও দক্ষিণপটীয়া গোসাঁইৰ সত্ৰলৈ গৈছিল। পহুমৰাৰ ন-গোসাঁইৰ ঘৰলৈকো গৈছিল। এইমতে ৺এ ৰঙ্গ-আনন্দ কৰি পুনৰ ৰংপুৰলৈ আহিল। সেই সময়তে ন-গোসাঁইৰ পুতেকে গড়ৰ ভিতৰত পদ্মাৱতী-হৰণ ভাৱনা কৰিলে। সেই সময়তে উজিনিয়াল মানুহে বৰবকৰাত জনালে, বোলে,—"বাৰে হাতীচুঙ্গি মৰাণে বদল গাওঁবুঢ়াক সেনাপতি পাতি লৈ ৰণ উলিয়াইছে।" এইৰূপে শুনি বৰবকৰা ৺লৈ জনালে। ১৮০ ॥

**বামুণীয়া মতে স্বৰ্গদেৱৰ বিয়া।**—পাচে ৺এ ডুৰবাৰ ন-ফুকনক গা-মানুহ সৈতে পাঁচিলে। পাচে ফুকনে গৈ উপায়-মন্ত্ৰণাৰে মৰাণক বৰাই বদল, চৰাল, এইক লৈ আহি ৺ক সেৱা কৰিলেহি। ৺এ সিহঁত ছুইক লোৱাদি থব দিলে। আতপাচে ৰংপুৰত ঘৰকলীয়া পালীৰ কোখত বজ্ৰপাত কৰিলে। আতপাচে ১৭০৭ শকত ৺ও গড়গাৱঁলৈ গ'ল। পাচে আষাৰ মাসত দিহিঙ্গীয়াৰ ঘৰৰ কলীয়া ডেকাৰ জীয়েকক ব্ৰাহ্মণীয়ামতে বিধিৰৎ ৺এ বিবাহ কৰালে। তিনিজনা ডাঙ্গৰীয়া, বৰবকৰা, ফুকন, ৰাজখোৱা, কটকী, কাকতী, দলৈ, দেওধাই সকলকো যোগ্যানুসাৰে বঁটা দিলে। গুৱাহটীয়া বৰফুকনক মোক্ষ কৰি সকলকো বঁটা দিলে। ১৮১ ॥

**গড়মূৰত স্বৰ্গদেৱৰ মৃগয়া।**—আতপাচে ৺এ ৰঙ্গ-তামচা কৰিবৰ নিমিত্তে ৰৰবকৰাক গড়মূৰত বাহৰ কৰিবলৈ আজ্ঞা কৰিলে। ৰৰবকৰাইও ৺ৰ আজ্ঞাএ কলীৰাম বৰাক দি বাহৰ কৰালে। পাচে ১৭০৭ শকৰ ফাল্গুন মাসত ৺ও গড়মূৰৰ বাহৰলৈ গ'ল। তাতে থাকি ৺এ হাতী, মহ, বাঘ, পহু মাৰি ৰঙ্গ-আনন্দ কৰি আছিল। পাচে একদিনা ৺এ লোহিত পাৰ হৈ নৰোৱা মহন্তৰ সত্ৰলৈ গ'ল। সত্ৰৰ সমীপ পাওঁতে নৰোৱা আতাই গায়ন-বায়ন স্ত্ৰী সহিতে উৎসৱ কৰি ৺ক আগ বঢ়িবলৈ আহিছিল। পাচে ৺এ দেখি বোলে,—"এইখান কাৰ বিবাহ?" এই বুলি মহন্তক অনাই বহুৱা ভুমুকৰ পুতেক ১, মগুৱ ১, এই দুইক ৺এ আজ্ঞা কৰিলে। পাচে ইহঁতে মহন্তক অনেক বিকর্থনা কৰিলে। আগে এই মহন্তৰ সত্ৰতে ৰজাৰ কোঁৱৰ এটা আছে বুলি ৺এ শুনিছিল, এতেকেহে মহন্তক অনেক লাঞ্ছনা কৰালে। পাচে বিচাৰত কোঁৱৰ নহ'ল, বুঢ়াগোহাঁই-পৰীয়া ডেকাগোহাঁই এটাহে হ'ল। তাৰ তিনি দিনৰ পৰে জেঙ্গেৰাইমুখত ম'হ মাৰিবলৈ ৺ও লোহিত পাৰ হৈ গৈছিল। আহোঁতে লোহিতত পাৰ হবলৈ নাওবৈচা কঠমীয়াৰ নাৱত উঠি আহোঁতে এনেতে অতি মহৎ বতাহ হ'ল, জলত প্ৰধান ঢৌ-উৰ্ম্মি উঠিল। পাচে ৺ও পাৰ হব নোৱাৰি উভতি পুনৰ বালিলৈ উঠিল। তেতিয়াই কামাখ্যালৈ ম'হৰ বলি ১০০০০ টা আগ কৰিলে।

পাচে নিশা ৬ দণ্ড ৭ দণ্ড যাওঁতে নির্ভয়ে পাৰ হৈ বাহৰ সোমালহি। আৰ ৪ দিনৰ পৰে উত্তৰকোলৰ খকন্দৰ গুৰিলৈ ৺ও গ'ল। পাচে খকন্দৰ গুৰি পাই হিলৈ সাত জাঁই জাঁই কৰালে। সেইবেলা সকল চহৰীয়াই আৰাওকৈ ৺লৈ জনালে, বোলে,—"আমি বন্দীহঁত ডফলা-বহতীয়াৰ উপদ্ৰৱত ৰক্ষা নাপাওঁ।" পাচে ৺এ সন্দিকৈৰ নামতিয়াল ৰৰবকৰাক সুধিবলৈ আজ্ঞা কৰিলে। ৰৰবকৰাইও সুধিবলৈ আহিব দি আহিল। ৺ও ৰঙ্গ-আনন্দ কৰি বাহৰ সোমালহি। আতপাচে সন্দিকৈৰ কীয়ৰী ৺ৰ বৈমাতৃ ৰাজমাওৰেও মৃত্যু হ'ল। ব্ৰাহ্মণীয়া মতে কৰ্ম্ম কৰি

দান-দক্ষিণা কৰিলে। পাচে ৺এ দুৱৰাৰ ন-ফুকনক উত্তৰ কোলৰ জেঙ্গা-জঙ্গাল ভাঙ্গিবলৈ আজ্ঞা কৰি পাঁচিলে। ১৮২॥

**মোৱামৰীয়াৰ পুনৰ প্ৰতিপত্তি।**—আতপাচে চৈত্ৰ মাসৰ দুই-এক দিন থকাত ৺ও গড়মূৰৰ বাহৰৰ পৰা আহি সোণাই নৈৰ বাহৰত ৰ'লহি। তাতে বিহু কৰি বৈশাখত ৰংপুৰলৈ আহিল। পাচে ন-ফুকন শ্ৰাৱণ মাসত "জেঙ্গা-জঙ্গাল ভাঙ্গিলোঁ" বুলি ৺ত জনালেহি। আতপাচে ডফলাৰ ৰৰদুৱাৰৰ চহৰীয়া বকৰা আহি সাগৰ বৰাৰ দ্বাৰাই বৰবৰুৱাত জনালে, বোলে,—"ঝাপবিভিটাত মোৱামৰীয়া, ডফলা-বহতীয়া, এইহঁতে কাপৰৰ ঘৰ সাজি ৰীতীয়ামতে প্ৰবৰ্ত্তি ৰৰতি তুলি হাতত ম'হা-পাখীৰ বিচনী লৈ ফুৰি দেশ ডকা দি ভাঙ্গিছে।" এইৰূপে বৰবৰুৱাই শুনি ৺ত জনালে। ৺এ বোলে,—"বৰুৱাই আক ভালমতে বিচাৰ কৰক।" বৰবৰুৱাই ৺ৰ আজ্ঞা শুনি বুজিবৰ নিমিত্তে বেজবৰাক পাঁচিলে। সি গৈ মোৱামৰীয়া, ডফলা-বহতীয়া দুয়ে মিলি দেশত অনেক অনিৰ্ব্বন্ধ কৰি দুখন চাৰিখন গাৱোঁ ভাঙ্গিছে, এনে দেখি আহি বৰবৰুৱাত জনালে। এইৰূপে শুনি বৰবৰুৱাইও ৺লৈ জনালে, বোলে,—"মোৱামৰীয়া, ডফলা-বহতীয়া, এই দুয়ে দেশ-ৰাজ্য ভাঙ্গিছে।" এইৰূপে ৺এ শুনি তিনি-জনা ডাঙ্গৰীয়া, বৰবৰুৱা, আনো ফুকন, ৰাজখোৱা, সকলকো অনাই ৰৰমেল হই ৺এ বোলে,—"ঝাপবিভিটাত ৰণ ওলাইছে বুলি শুনিছোঁ; তালৈকে ৰণ পঠোৱা ভাল নে নপঠোৱা ভাল সকলেও মোলৈ জনাওক।" ১৮৩॥

**উত্তৰপাৰত মোৱামৰীয়া ৰণ।**—পাচে সকলেও মিলি ৺লৈ জনালে, বোলে,—"৺ও গড়মূৰলৈ যাবৰে পৰা ৰাৰম্বাৰ উত্তৰৰ চহৰীয়া লোকে ভাগোঁ যেন বুলি ৺লৈ জনাইছে। এতেকে কিছু মানুহ সেনাপতি এটা সৈতে দি ৰাজক নিৰ্ভয় দি ৰখাহে ভাল। তথাপি ৺এ যি আজ্ঞা কৰিব সেইহে হব।" এইৰূপ জনালত ৺ও সলাল গোহাঁই, মৰঙ্গি-খোৱা, মিৰিসন্দিকৈৰ দিহিঙ্গীয়া ফুকন, চাওডাঙ্গৰ বকৰা লেকেৰা, এই সকলক গা-মানুহ সৈতে ৰণলৈ পঠালে। মৰঙ্গিখোৱাৰ লগত মাজিউ-দয়ঙ্গীয়া মানুহ দিলে। সলাল গোহাঁইৰ লগত নগঞা খৰঙ্গিক দিলে।

এই সৈন্যে সৈতে গৈ লোহিত্য পাৰ হৈ তিনিও কোঁঠ বান্ধি ৰ'ল। পাচে মোৱামৰীয়াই ফন্দকৈ বঢ়াই শলমাৰি বিলৰ কোষলৈ নিলে। এনেতে সলাল গোহাঞিএ জলসাৰ টান কৰিছে বুলি ৺লৈ জনাই কলীয়া-বৰলৈ গ'ল।

পাচে মোৱামৰীয়াই ৰৰিলোঁ বুলি মিছাকৈ মৰঙ্গিখোৱা, দিহিঙ্গীয়া ফুকনক ভেঁটিলেহি। কলে,—"ঈশ্বৰৰ প্ৰজা সংহৰিবৰ ইচ্ছা হৈছিল, এতেকে মিল-ভাব নহ'ল।" পাচে একদিনা মোৱামৰীয়াই তাৰ মানুহখনি সৈতে অস্ত্ৰ-শস্ত্ৰ লৈ ৰণ কৰিবৰ মনে কোঁঠলৈ আহিছিল। আমাৰবোৰে ৰণ হেন জানি কোঁঠৰ পৰা মানুহ উলিয়াই দিলে। মোৱামৰীয়াই দেখি খেদি ধৰিলেহি। তাতে কটাকটি লাগি দুয়ো দলৰ মানুহ দুই-চাৰি পৰিল। এনেতে মোৱামৰীয়াই পাচ-তালি মাৰি কাটিব ধৰিলে। আমাৰ মানুহ ৰব নোৱাৰি হুঁহঁকি বোকা-দোপনীত পৰিলগৈ। তাতে মৰঙ্গিখোৱা গোহাঁই, দিহিঙ্গীয়া ফুকন, এই দুইক মাৰিলে। আনো সামান্য লোক বিস্তৰ মাৰিলে। কোঁঠত যি আছিল সিও ভাগি পলাল। ১৮৪ ॥

**মোৱামৰীয়াৰ বিৰুদ্ধে যাত্ৰা।**—সেই ৰণত আহিলাপাতি বিস্তৰ পাইহে অতিৰেক বল বাঢ়িল। আৰু মোৱামৰীয়াৰ নাম,—কলীয়া তোমোৰা ১, বিদুৰ ১, হাউহা ১, ভমাই ১, পৰ্মাদ ১, কোকাই ১, এইবোৰ মোক্ষ কৰি আৰু অনেক আছিল। পাচে আমাৰ ৰণ-ভগনীয়া মানুহ আহি সকল বাৰ্ত্তা বৰবৰুৱাত জনালে, বোলে,—"মৰঙ্গিখোৱা, দিহিঙ্গীয়া ফুকন, দুইকো মাৰিলে, কোঁঠো ভাঙ্গিল।" এইৰূপে বৰবৰুৱাই শুনি ৺ত জনালে। ৺ও শুনি বিষাদ পালে। আনো লোকে শুনিও বিষাদ কৰিলে। সেই সময়ত নগৰত পানী-যুদ্ধ হৈছিল, পানী খলকিছিল। বনৰীয়া হাতী এটা নগৰ সোমাই গড় দেই গ'ল। ৰৰদ'লৰ কেশৰাই গোসাঁই ঘামিছিল। আনো বিস্তৰ অমঙ্গল হৈছিল। এইৰূপ অমঙ্গল দেখি তিনিজনা ডাঙ্গৰীয়া, বৰুৱা, ফুকন, সকলেও ঘৰৰ বস্তু-দ্ৰব্য আতৰালে। পাচে ৺এ তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, ফুকন, ৰাজখোৱা সকলক চপাই ৰৰমেল কৰি দুৱৰাৰ ন-ফুকন, দিহিঙ্গীয়াৰ গুৱাহটীয়া দিহিঙ্গীয়া ফুকন,

নাওবৈচা ফুকন, এই সকলক গা-মানুহ সৈতে সেই ৰণলৈ দিলে। ইবোৰ লোহিত পাৰহৈ গৈ ন-ফুকনে, দিহিঙ্গীয়া ফুকনে মিৰি টাঙ্গনীত ফুকনহাটত সোমদিৰি নৈৰ ওচৰকৈ কোঁঠ দি ৰ'ল। নাওবৈচা ফুকনে খৰাবৰীত কোঁঠ কৰি ৰ'ল।

সেই সময়ত আষাঢ় মাসত বৰ পানী হ'ল। ফুকনবোৰ কোঁঠৰ পৰা ওলাব নোৱাৰিলে। সেইবেলা মোৱামৰীয়াই দিহিঙ্গীয়া ফুকনৰ মুগাচুঙ্গীয়া নাম দিলে। এনেতে নাওবৈচা ফুকনৰ নপৰীয়া হ'ল। ৺লৈ জনাই আছিল। পাচে দুই ফুকনে ৰণ টান বুলি ৺লৈ জনাই পঠালে। ৺এ শুনি কেন্দুগুৰীয়া বৰপাত্ৰ ডাঙ্গৰীয়াক গা-মানুহ সৈতে দিলে। সেই লগত কোঁৱৰ, হিলৈদাৰী, তিনি অভয়পুৰীয়াৰ দোৱাল, নামদয়ঙ্গীয়া বচাৰ দোৱাল, এই সৈন্য সৈতে গৈ লোহিত পাৰ হৈ কোঁঠ বান্ধি ডাঙ্গৰীয়া ৰহিল। তাৰ পৰা খৰাবৰীত নাওবৈচা ফুকনে দি অহা কোঁঠলৈ গ'ল। সকলবো উপৰি ডাঙ্গৰীয়া সেনাপতি, তথাপি পেটে ফুকনবোৰে ডাঙ্গৰীয়াৰ আজ্ঞাত নচলে। পাচে ক্ৰমে ডাঙ্গৰীয়া বাঢ়ি গৈ মোৱামৰীয়াৰে চমু হৈ গৰৈমাৰি বিলৰ কোখত কোঁঠ ৭ খান কৰি ৰৈ তাৰে পৰা ৰাণীদি ঝাপৰিভিটা গুলিয়ে পোৱাকৈ আছিল। ১৮৫ ॥

**গড়মূৰৰ ৰণ**।—পাচে একদিনা গুলীয়া-গুলি লাগিল। আতপাচে কাৰ্ত্তিক মাসত ৰণ লাগিল। সেই ৰণত তিনি অভয়াপুৰীয়াৰ মানুহ বিস্তৰ পৰিল। ডাঙ্গৰীয়াৰ কোঁঠো ভেঁটিলে। এই বাৰ্ত্তা বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰতকৈ ৺লৈ জনাই পঠালে। কটকীয়ে এই বাৰ্ত্তা চাঙ্গতে ৺ত জনালে। পাচে ৺এ কটকীৰ মুখে ৰণ টান হেন জানি বুঢ়াগোহাঁই কৈদীয়া ৰাজনেওগ ফুকনক গা-মানুহ সৈতে দিলে। পাচে ফুকনে দিহিং পাৰ হৈ গৈ গড়মূৰত কোঁঠ দি ৰ'ল। এনেতে পূৰ্ব্বে যি হোলোঙ্গাগুৰীয়া মৰাণক ৰংদৈচোঙ্গত পাতিছিল সিহঁতে ৰণ উলিয়াইছে যেন শুনি ৺এ নেওগ-ফুকনক তালৈকে অনালে। পাচে লেবাৰ যুতকীয়া বৰুৱা আছিল, চাংকঙ্গৰ বৰুৱা মই আছিল। এই দুই লগে মানুহ দুহেজাৰ দি গড়মূৰত থাকিব দিলে। এনেতে গুৱাহাটীৰ পৰা ৰাণী, লুকী, টোপাগুচীয়া পালেহি।

পাচে ইহঁতক ৰৰবকৱাৰ ৰৰা লগত দি সেই ৰণলৈকে পঠালে। ইহঁত গৈ পহুমৰাত ৰহিল। এনেতে মোৱামৰীয়াই বৰপাত্ৰ ডাঙৰীয়া, ফুকন দুজনা, এইসকলক সি ঠাইতে এৰি আহি গড়মুৰে পাৰ হৈ মোৱামৰীয়া মহন্তৰ জীয়াৰীৰ ডেকা নাম পীতাম্বৰ, তাকে ৺এ আউনীআটীৰ নামে পাতিছিল, লগত ৰখীয়া দিছিল, তাকে নি লগত ললেগৈ। আতপাচে পুনৰ সেই মোৱামৰীয়াই লোহিত পাৰ হৈ গড়মুৰৰ সত্ৰত ধৰিলেহি। তাতে ভকতইঁতৰে প্ৰধান ৰণ হ'ল। ৰণত ভকত বিস্তৰ পৰিল। মোৱামৰীয়াও কিছু পৰিল। গড়মুৰৰ গোসাঁই কথমপি এৰাই আহি নগৰ ললেহি। সত্ৰতো জুই লগালে। পাচে ৺এ শুনি কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াক গা-মানুহ সৈতে ৰণলৈ দিলে। ১৮৬ ॥

**ৰজা-পোৱালিৰ পতন।**—পাচে ডাঙৰীয়া গৈ সোণাই নৈত কোঁঠ কৰি ৰ'ল। এনেতে বৰপাত্ৰ ডাঙৰীয়া সসৈন্যে সহিতে হুইঁকি আহি লোহিত পাৰ হৈ দক্ষিণপাটৰ সত্ৰত ৰ'লহি। পাচে দক্ষিণপটীয়া গোসাঁই পৰদিনা দিহিং পাৰ হৈ ৰংপুৰলৈ আহিল। আৰ পৰদিনা পহুমৰাত যি ৰাণী, লুকী, টোপাকুচীয়া ইহঁতে মূঠ কৰি আছিল, মোৱা-মৰীয়াই আহি তাতে যুদ্ধ ধৰিলে। সেই ৰণত ৰাণী, লুকী, টোপাকুচীয়া পৰিল। ১৮৭ ॥

**গৌৰীসাগৰৰ কোঁঠ।**—যুতকীয়া বৰুৱা, মই বৰুৱা, এই দুয়ো পৰিল। তাৰে পৰা মোৱামৰীয়াৰ অতিৰেক বল বাঢ়িল। পাচে বৰপাত্ৰ ডাঙৰীয়া দিহিং পাৰ হৈ আহি বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ ললে। পাচে ৺এ শুনি বৰপাত্ৰ ডাঙৰীয়াক দিখৌমুখত কোঁঠ কৰি থাকিবলৈ আজ্ঞা কৰিলে। পাচে ডাঙৰীয়া সেই ৰাত্ৰি তাতে থাকি পৰদিনা দিখৌমুখত কোঁঠ কৰি থাকি গৈ সেই দিনা গধূলিলৈ মোৱামৰীয়া দিহিং পাৰ হৈ ৰংদৈচোঙত পতা মৰাণক নিবলৈ আহি সেই ৰাত্ৰি তাতে থাকিল। আৰু সেই দিনাই ৺এ বাঁহগড়ীয়া বুঢ়াগোহাঁই-পৰীয়া ৰংপুৰীয়া ডেকা ফুকন পাতি বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগলৈ দিলে। টেপৰতলীয়া গোহাঁইৰ গাঠলু মেধিক নাওবৈচা ফুকন পাতি ডাঙৰীয়াৰ লগলৈ দিলে। আৰু

সেই বেলা ৰৰবকৰাৰ পুতেক খাৰঘৰীয়া ফুকন, ভতিজাক ঢুলীয়া বৰুৱা, সন্দিকৈৰ ভদৰি চোলাধৰা ফুকন, কাঠকটীয়া বৰুৱা গঙ্গাই, ৰামনাথ, ভোমাই ডেকা, বকতিয়ালৰ ৰৰসাত্‌ভোলা ৺ৰ আজ্ঞাএ এইসকলে গৌৰীসাগৰত কোঁঠ দি ৰ'লগৈ।

এনেতে বসন্ত গায়ন কাৰেকৰ ঘৰত মোৱামৰীয়া আছে বুলি শুনি ইইঁতক তিনিক নগৰৰ ৰাজকৈ কুঠাৰেৰে কালিলে। আৰু দোলাষৰীয়া বৰুৱা লেকেৰাই মগলু জীয়েকৰ পুখুৰীকোৰত কোঁঠ দি আছিল। আৰু এতি সময়তে ৺এ কটকী পঠাই দিখৌমুখৰ কোঁঠৰ পৰা ৰৰপাত্ৰ ডাঙ্গৰীয়াক নিয়াই ৰংপুৰৰ ৰৰদুৱাৰৰ বুৰুজতে ৰাখি তাতে দায় ধৰাই বুলিলে, বোলে,—"ডাঙ্গৰীয়া মোৱামৰীয়াক নেমাৰি উত্তৰ-কোলৰ পৰা কিয় আহিল? মোৱামৰীয়াকো লগতে লৈ আহিল?" ৺ৰ আজ্ঞা এইৰূপে শুনি ডাঙ্গৰীয়াই প্ৰাৰ্থনা কৰি জনালে, বোলে,—"মই পাইকে ৰণে বলে নোৱাৰিহে নেমাৰিলোঁ, কথমপিহে মোৰো শৰীল ৰক্ষা পৰি আহিল।" এইৰূপ নিবেদন ৺ত জনালতগৈ ৺এ ডাঙ্গৰীয়াক চৌৰালৈকে ৰাৰলৈ আজ্ঞা কৰিলে। পাচে ৺এ এই আজ্ঞা কৰিলে, বোলে,—"ডাঙ্গৰীয়া পুনৰ লগৰ ফৌজে সৈতে শীঘ্ৰে গৌৰীসাগৰত যি ফুকন, বৰুৱাবোৰে কোঁঠ কৰি আছে তালৈকে যাওকগৈ। সিহঁতকো ৰাক্যেৰে চলাই মোৱামৰীয়াক মাৰকগৈ।" ১৮৮॥

শগুনমুৰী ৰণ।—পাচে ৺ৰ এইৰূপ আজ্ঞা ডাঙ্গৰীয়াই শুনি ৰহাঘৰলৈ গৈ ঘৰ নোসোমাই দুৱাৰ-ঘৰলৈকে মাতৃয়েকক অনাই সেৱা কৰি শীঘ্ৰে গৌৰীসাগৰৰ কোঁঠলৈ গ'ল। আৰু পৰদিনা সোণাই নৈত মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সৈতে শগুনমুৰী পথাৰত মোৱামৰীয়া সৈতে প্ৰধান ৰণ লাগিল। সেই ৰণত মোৱামৰীয়া কিছু পৰিল। আমাৰো ডেকা ফুকন পৰিল, টেকেলা নেওগ ৰগাই পৰিল। অন্য সামান্য মনুহো কিছু পৰিল, পাচে কোঁঠ নাইকিয়া, ৰণ ৰৰৰ ঠাই নাইকিয়াত হুহঁকি আহি গৌৰীসাগৰৰ কোঁঠত ৰ'লহি। ১৮৯॥

ভটীয়াপাৰৰ ৰণ।—পৰদিনা মোৱামৰীয়াই বিত্তৰ গাৰঁত জুই

লগাই পুৰি বাঢ়ি আহি গৌৰীসাগৰৰ কোঁঠৰ সমীপতে সেই ৰাত্ৰি থাকি পৰদিনা প্ৰভাতৰে পৰা বিস্তৰ গাৰঁত জুই লগালে। সেই জুই দেখি আমাৰ লোকজনৰ মনে অতি ভীত জন্মিল। পাচে ডাঙৰীয়াসকলে মানুহৰ মন বিষম দেখি হুঁইকি আহি ৰংপুৰত ৺ৰ লগ ললেহি। পাচে সেই ৰাত্ৰিএই মোৱামৰীয়াই গাওঁ-ভুঁই বিস্তৰ পুৰি আহি ভটীয়া-পাৰত ৰ'লহি। গাহৰিচোৱা বৰুৱাৰ ঘৰত জুই লগালে। সেই ৰাত্ৰি তাতে থাকিল। পৰদিনা আমাৰ জাঁজীৰে পৰা চহৰীয়া মানুহ চপাই আনি অকা-বাইলুঙ্গে ভটীয়াপাৰতে ৰণ কৰিলেহি। সেই ৰণত মৰাণ কিছু মৰিল। পাচে অকা-বাইলুঙ্গকো মোৱামৰীয়াই একোৰূপে মাৰিব নোৱাৰি সকলেও বেঢ়ি ধৰি খুঁচি মাৰিলে।

তাতে মোৱামৰীয়া তিন দিন আছিল। এনেতে নগৰত অতি উস্‌মিস্‌ লাগিল। পূৰ্ব্বে ৺ৰে দিহিঙ্গীয়া ফুকন, ন-ফুকন, নেওগ-ফুকন, এই তিনিক ভাঙ্গিবলৈ আজ্ঞা কৰিলে। পাচে সেই সময়তে দুৱৰাৰ লভাৰৰীয়া বাহৰ ডেকা পাঁচনি খাটিছিল, তেওঁকে নেওগ-ফুকন পাতিলে। বৰুভি-য়ালৰ বৰ সাত্‌তোলাৰ ভায়েকক ন-ফুকন পাতিলে। দিহিঙ্গীয়া ফুকনক পুনু তেওঁকে সেই বাৰতে ৰাখিলে। ডেকাফুকনৰ মুৰে দিহিঙ্গীয়াৰ সৰুডেকাক ডেকাফুকন পাতিলে ৰংপুৰীয়া। আতপাচে যিদিনা মোৱামৰীয়া ভটীয়াপাৰ পালেহি সেইদিনা বৰগোহাঁই ডাঙৰীয়াক ৺এ ঔগুৰি চকীত থাকিব দিলে। বৰপাত্ৰ ডাঙৰীয়াক বৰদুৱাৰত থাকিব দিলে। বুঢ়া-গোহাঁই ডাঙৰীয়াক ন-দুৱাৰত থাকিব দিলে। আৰু ন-দুৱাৰত দুৱৰাৰ আৰসোধা ফুকন, ব্ৰাহ্মণ তামুলী-ফুকন, পানীদুৱাৰত চাংকং ফুকন; আৰু ৰণ টান হৰৰ পৰ তিনিজনা ডাঙৰীয়াৰ পো-ভাই, আনো ফুকন বৰুৱা, আহোম কেইঘৰৰ পো-ভাই, সকলো ডেকাবোৰক আনি দুৱাৰে দুৱাৰে নিবন্ধে থাকিব দিলে। পাচে ৺এ ডেকাবোৰক ৰূপ কিছুও দিলে। পাচে দিহিঙ্গৰ মহাজনে ৺লৈ জনালে, বোলে,—"মই মোৱা-মৰীয়াক মাৰি দিম।" ৺এ বোলে,—"ভাল, মাৰক।" ১৯০ ॥

**দিহিঙ্গৰ ভকতৰ ৰণোদ্যম।**—পাচে মহাজনে হাতে ছুকি

পোৱালৈকে শিছ-ভকতক চপাই আনি সকলকো কপালত চুণেৰে চিন-ফোঁট একোটা দিলে। লৰ নামাৰিবি বুলি মহন্তৰ গাত ধৰাই শপত কৰালে। ভকতো দুহেজাৰমান চাপিছিল। পাচে আপোনাৰ ভকতখনিয়ে সৈতে মঠাডাঙ্গৰ আলিয়ে দিলে, আৰু দেওধাই বাইলুং মানুহ ছ-শ-মান, ফুকন, বৰুৱা সহিতে বৰগোহাঁই পথাৰে দিলে। আৰু অকা-বাইলুং, চহৰীয়া মানুহ দুহেজাৰমান সৈতে জেঙ্গেৰাৰ পঠাৰে দি আহিল। পাচে মোৱামৰীয়াই দেখি গাৰ্হঁত জুই লগাই ফুৰিছিল। সেই জুই দেখি দিহিঙ্গৰ ভকত, ন-ফুকন সহিতে আগবাঢ়ি আহিল। পাচে মোৱামৰীয়াও সমুখ হৈ খেদি গ'ল। পাচে দিহিঙ্গৰ ভকতসকলো বিভঙ্গে লৰ মাৰিলে। পাচে মোৱামৰীয়া দেওধাই, বাইলুং ফুকনৰ কালে সমুখ হৈ খেদি গ'ল। তাতে ৰণ হ'ল। সেই ৰণত দেওধাই, বাইলুং বিস্তৰ পৰিল। ১৯১॥

**অকা-বাইলুং।**—দেওধাই ফুকন, বৰুৱাও পৰিল। পাচে দেও-ধাইহঁত ভঙ্গ হুই হুঁহঁকিল। মোৱামৰীয়াও পাচতে খেদি আহি ন-দুৱাৰৰ মুখৰ ৺ৰ খাটত ওলালহি। এনেতে আমাৰ মানুহে বুকজৰ পৰা গুলিয়াব ধৰিলে। মোৱামৰীয়া উলতি জেঙ্গেৰাইৰ অকা-বাইলুঙ্গৰ ফৌজলৈ খেদি গ'ল। অকাও খেদি আহি মোৱামৰীয়াৰ মাজতে সোমাই মানুহ গোটাচাৰেক কাটিলে। এনেতে মোৱামৰীয়া গোটাচাৰেকে অকাক সাবটি ধৰি বাঠীয়েৰে খুঁচি মাৰিলে। এনেতে অকাৰ লগৰ মানুহ বিভঙ্গে ভাগিল। সেইবেলা মোৱামৰীয়াই আমাৰ হাতীৰ বৰা মাউতক ধৰি নি হাত দুটা কাটি এৰি পঠালে। আৰ পৰদিনা ৺এ ডেকাফুকনক দিলে পথাৰৰ বাটে, দিহিঙ্গীয়া ফুকনক দিলে দুবৰিয়নি আলিৰ বাটে, ৰংপুৰীয়া নিয়াসোধা ফুকনক বচাৰ মানুহখানি লগত দি পঠালে ভটীয়াপাৰৰ আলিএ। এইমতে সকলো সাজু হুই ৰণলৈ গ'ল। পাচে অনুৰূপ ৰণহে হ'ল। প্ৰধান ৰণ কাৰো ফালে নহ'ল। ১৯২॥

**মণিপুৰলৈ সহায়ৰ অৰ্থে কটকী প্ৰেৰণ।**—গধূলি সকলো নগৰলৈ আহিল। সেই সময়ত ৺ও দিনে-ৰাত্ৰিএ বৰচৌৰাতে আছিল।

পাচে পৰদিনা মোৱামৰীয়াও একোকপে আঁটিব নোৱাৰি হেন দেখি 'মাঘৰ বিহু খাই আহোঁ' বুলি ফৌজে সহিতে হুঁহঁকি সোণাই নৈত বহিলগৈ। তাতে চহৰীয়া মোৱামৰীয়া ৰণ কৰিব পৰাবোৰ আহি বিস্তৰে লগ ললেহি। আক মোৱামৰীয়া মাজুলী পাওঁতেহি ৺এ গুৱাহাটীৰ পৰা বৰফুকনক আনিবলৈ বাঁহবৰীয়া কটকী ৰামদেউক পঠালে। সেই সময়তে ৺এ বাঁহবৰীয়াৰ কটকী বিষ্ণুৰামক মণিপুৰীয়া ৰজাৰ ঠাইলৈ পঠালে পত্ৰ-সন্দেশ দি। আক ৺এ মুখজৱানে শিকালে, বোলে,— "আমাৰ দেশত মোৱামৰীয়াই বিভ্ৰাট কৰিছে। পূৰ্ব্ব প্ৰীতিলৈ চাই ৰজাই আহিব, নচেৎ কিছু যোদ্ধা মানুহকে দি পঠাব।" এই বুলি পঠালে, পত্ৰতো এই।

পাচে যেতিয়া মোৱামৰীয়া সোণাই নৈলৈ হুঁহঁকি গ'ল সেইবেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া, বৰগোহাঁই ডাঙৰীয়া, দিহিঙ্গীয়া ফুকন, লেকেৰাৰ দোলাষৰীয়া বৰুৱা, এইসকল গৈ গৌৰীসাগৰত কোঁঠ কৰি ৰ'ল। এনেতে মাঘৰ বিহু গ'ল। এনেতে মোৱামৰীয়াও পুনৰ ৰণলৈ জাঁজী নৈৰ কোষৰ বাটে উজাই আহিল। ১৯৩॥

**লেকেৰা বৰুৱা।**—পাচে মাছখোৱা গড়ত মোৱামৰীয়াক ধৰিবলৈ ৺এ আমাৰ মানুহ উলিয়াই দিলে। পাচে ৰণ এৰি আমাৰ মানুহ ভাগিল। পাচতে মোৱামৰীয়া খেদি গৈ কাকতীপাৰত সেই ৰাত্ৰি থাকি পাচদিনা গৈ নগৰৰ দক্ষিণে পাঁজিকটাৰ পুখুৰীপাৰত ৰ'লগৈ। সেইদিনা জয়সাগৰত লেকেৰা বৰুৱা সৈতে ৰণ লাগিল গুলিয়াগুলি। আৰ পৰদিনা চেখাম গাৰৈদি আহি গাৰঁত জুই লগাই আলিকেকুৰীত ৰ'ল। এনেতে আমাৰ উৰণৰ চকীৰ আলিএ, বৰবৰুৱাৰ ঘৰবাৰীএ আক মেটেকাৰ আলিয়ে চাৰি দণ্ডমান বেলা থকাত বহু সৈন্য ঘোঁৰা সৈতে দিলে। পাচে মোৱামৰীয়াও সৈন্য দেখি খেদি আহিল। আমাৰ লোকজন বিভঙ্গে ভাগিল। পাচে মোৱামৰীয়া আহি মেটেকাত সীমাকৈ পানী-ঢুৱাবলৈকে জুই লং ২ পুৰি আহি পুখুৰীচুকৰ চৌকীএ ওলালহি। জয়ঃ ।ৰত থাকিল এৰাহ, এৰাহ দিবসৰ আদ দণ্ডমান বেলি থকাত

ন-দুৱাৰ ওলালহি। আৰু বৰগোহাঁই ডাঙৰীয়া ঔগুৰি চোকীতে আছিল। ন-দুৱাৰৰ হাতীশালত মোৱামৰীয়া বৈ আমাৰ কোঁঠৰ ভাল মানুহে সৈতে কঁড়ীয়া-কঁড়ি লাগিছিল। এনেতে ৰাত্রি হ'ল। সেই ৰাত্রিয়েই মহা বাও-বৃষ্টি হৈছিল। ১৯৪ ॥

**গুৱাহাটী যাত্রাৰ প্রস্তাৱ।**—এনেতে ৺এ দুজনা ডাঙৰীয়া, বৰবৰুৱা, এই সকলে সৈতে আলচ কৰি, বোলে,—"আমি আত থকা ভাল নহয়। এতেকে আমি গুৱাহাটীলৈ যাওঁ।" ইবোৰে বোলে,—"৺ও, মানুহৰো মন-বুদ্ধি বিষম। এতেকে গুৱাহাটীলৈকে যোৱাহে যুক্তি যেন দেখি।" সেইবেলা দিহিঙ্গীয়াৰ সক ডেকাক বৰবৰুৱা পাতি থৈ পাচে ৺এ যাবলৈ নিশ্চয় কৰি সেই ৰাত্রি মধ্য নিশা ১৭০৯ শকৰ মাঘ মাসত ৮ দিন যাওঁতে শুক্রবাৰে পূর্ণিমা তিথি ৺ও পানীদুৱাৰে ওলাই গৈ আমগুড়িৰ বৰঘাটত চোলাধৰা ফুকনৰ ভাগৰ নাওবৈচা কথমীযাৰ নাৱত উঠিল। ৺ও আৰু ৺ৰ লগত যোৱা মানুহ,—৺ৰ গুৰু ন-গোসাঁই, চোলাধৰা ফুকন ভদৰি, ককায়েক গঙ্গাই, দুলীয়া বৰুৱা বিকাই, লানমাখৰৰ ভিতৰুৱাল ফুকন, পুতেক টিপমীয়া ৰাজখোৱা, চিৰিঙ্গৰ চিৰিং ফুকন, দদায়েক গোপাল তামূলী লিগিৰা, ফাপৰী তামূলী লিগিৰা, চাংমাইৰ ঢেকিয়াল ফুকন, আৰু লিগিৰা গোটাদিয়েক, এইসকলে সৈতে ৺ও ভটীয়াই গুৱাহাটীৰ বাহৰলৈ গ'ল। আৰু সেই ৰাত্রিয়েই বৰজনা আইকুঁৱৰী-দেউ, পৰ্ব্বতীয়া আইকুঁৱৰীদেউ, কিছু লা-লিগিৰী, নাচনীয়াৰ সৈতে ওলাই উজনিলৈ গ'ল। বুঢ়াগোহাঁই ডাঙৰীয়া, বৰবৰুৱা, এই দুই উজনিলৈ গ'ল। বৰপাত্র ডাঙৰীয়া লেচাঙত নাৱত উঠি ভটীয়াই গুৱাহাটীলৈ গ'ল। বৰগোহাঁই ডাঙৰীয়া ঔগুৰি চকীৰ কোঁঠত তিন দিনলৈ আছিল। তিন দিনৰ মূৰত ৰাত্রি কোঁঠ এৰি ভাগি গ'ল। আৰু আন ফুকন, বৰুৱাই যাৰ মন যেই পোনে সেই সেই পোনে গ'ল। ১৯৫ ॥

**গুৱাহাটীত গৌৰীনাথ সিংহ।**—সেইবেলা নাফুকিয়াল ৰাজ-মাওদেউৰ গা নপৰীয়া পৰিছিল, যাৰ নোৱাৰি নগৰতে থাকিল। আৰু পূৰ্ব্বে যি কটকী বৰফুকন, পানীফুকনক উজাই আনিবলৈ গৈছিল সেই

কটকীয়ে বৰফুকন, পানীফুকন, দুইকো উজাই আন লতাশিলত চৌকী পাইছিলহি। এনেতে ৺ও চ'ৰা নাৱেৰে ওলালগে। পাচে ফুকনবোৰে দেখি "কোন পালেহি" বুলি কিছু ভয় পালে। পাচে ৺ৰ নাৱৰ মানুহে কাপৰ বাউলি দিলে। এনেতে ৺ৰ নাৱ গৈ ওচৰ পালে। সেই-খনিতে বৰফুকন, পানীফুকন, দুয়ো গৈ ৺ক সেৱা কৰিলে। পাচে ৺ও, ফুকন দুজনা অনেক খেদ কৰিলে। পাচে সেইখনিতে বৰফুকনে চৈ-ঘৰ সজাই ৺ক সাজ কৰালে। আগে ৺ও অম্লান হৈ গৈছিল। পাচে দোপ্দৰত বাহৰ সজাই ৺ক ঘোঁৰাৰে তুলি সেই বাহৰলৈকে নিলে। আতপাচে বৰফুকনে ৺ক ৰাজযোগ্য অলঙ্কাৰ, সাজ, দ্ৰব্য-বস্তু যুক্তি কৰি ৺ক সেৱা কৰিলে। পাচে ৺এ আইকুঁৱৰীদেউবোৰক আনিবলৈ লান্মাখৰুৰ কলীমন ৰাজখোৱা, ডাকৰ কটকী আনন্দিৰাম, এই দুইক চ'ৰা নাৱত তুলি পঠালে। পাচে বৰপাত্ৰ ডাঙৰীয়া গৈ ৺ৰ লগ ললে। দিনাদিয়েকৰ পাচত বৰগোহাঁই ডাঙৰীয়াও লগ ললেগৈ। ১৯৬॥

**গুৱাহাটীৰ কথা।**—আতপাচে ৺এ ডাঙৰীয়াবোৰ আৰু বৰফুকনক মোক্ষ কৰি সকলো ফুকন, ৰাজখোৱা চপাই ৰাজমেল কৰি পানীফুকন, চাংমাইৰ ঢেকিয়াল ফুকন, এই দুইক উজুৱাই ৰণলৈ দিলে। লগত দিলে মানুহ, ৰাণী, লুকী, নগঞা, খৰঙ্গি; আন মানুহ অনেক দিলে। মুঠতে মানুহ ডেৰকুৰি হাজাৰমান হব। পাচে ৺এ বুলিলে,—"মোৰ যি অৱস্থা হৈছে আৰু তইঁতে দেখিছ, এতেকে তইঁতে দুয়ো মিলি ৰণ কৰিবি। মোৱামৰীয়া যিৰূপ মৰিব তাকে আচৰিবি।" এইৰূপ ৺ৰ আজ্ঞা শুনি পানীফুকনে নিবেদন জনালে, বোলে,—"৺ও, মই বন্দীৰ পৰা কোনখান হব? ৺ৰ পূণ্য-প্ৰতাপৰ বলে যি হব সেইখানহে হব। বিশেষত গড়গঞা, গুৱাহটীয়া, এই সকলেও যুদ্ধ কৰি মোৱামৰীয়াক ৰণে পৰা নাই। তথাপি মই বন্দীয়ে নাই মোৱামৰীয়াকে মাৰিম নতু মইয়ে মৰিম।" এই বুলি ৺ক সেৱা কৰিলে। ৺ও বিদায় দিলে। ফুকনেও যাত্ৰা কৰিলে। গুৱাহাটীৰ কথা। ১৯৭॥

**ৰংপুৰৰ কথা।**—আতপাচে ৰংপুৰৰ কথা। ৺ও ভটীয়াই গ'লত

মোৱামৰীয়া ৰংপুৰ নগৰ ললে। সেইবেলা চহৰীয়া, মোৱামৰীয়া সকল-বোৰে আহি লগ ললেহি। মানুহ পঠাই পুৰণিমটীয়া মহাজনকো নিয়ালে। পৰে খুটীয়াপোতাৰ পৰা পৰে কিছুদিন থাকি নমটীয়া মোৱামৰীয়া সৈতে বিবাদ লগাই নাথাকি পুৰণিমটীয়া মহন্ত ভকত সৈতে গুচি আহিল আপোনাৰ সত্ৰলৈ। আৰু ৮/৩ ভটীয়াই যাবৰ আঠ দিনৰ পাচে বৰজনা আইকুঁৱৰীদেৱে, পৰ্ব্বতীয়া আইকুঁৱৰীদেৱে লেচাঙ্গত বিশ্বাসে ৰ'লগৈ। সেইবেলা বকতিয়ালৰ ঘৰৰ নিয়াসোধা ফুকনৰ পুতেক মনুজয়ক অনাই বৰবৰুৱা পাতিলে। খঙ্গীয়া ফুকনে কথা শুনালে। তিনি অভয়াপুৰীয়াক লগত দি মোৱামৰীয়াক মাৰিবলৈ পঠালে। চহৰীয়া মানুহ সৈতে মানুহ চাৰি হাজাৰমান হব; আৰু পুৰণিমেলীয়া ডুলীয়া ভোগাইক আনি সেনাপতি পাতি লগত লৈ আহি গড়গাওঁ সোমালহি। কোঁৱৰ দুহেজাৰো আহি একেলগ হৈ পানীচকীত চালি দি ৰ'লহি। আৰু মনুজয় বৰবৰুৱা আহিবৰ দিনাই দক্ষিণৰ পৰা মেৰকাই নামে সেনাপতি এটাই মানুহ হাজাৰদিয়েক লৈ আহি জয়সাগৰৰ পুখুৰীৰ চুক পাইছিলেহি, পাচে মোৱামৰীয়াই দেখি কাটিব ধৰিলেহি। ৰব নোৱাৰি সকলো দশোদিশে ভাগি পলাল। ১৯৮॥

ভোগাই সেনাপতি।—সেই সময়ত বুঢ়াগোহাঁই ডাঙ্গৰীয়া, ককায়েক নেওগ-ফুকন, ব্ৰাহ্মণ তামুলী-ফুকন, ভায়েক খঙ্গীয়া ফুকন, এই সকলেও আহি মনুজয়ৰ লগ ললেহি। আৰু সেইবেলা দিহিঙ্গীয়াৰ বৰবৰুৱাই কুৰি হাজাৰমান মানুহে সৈতে আহি দঁৰিকা পোৱাত মোৱা-মৰীয়া সৈতে ৰণ লাগিল। সেই ৰণত মোৱামৰীয়া কিছু পৰিল। মোৱামৰীয়াই ৰব নোৱাৰি হুঁহঁকি নগৰ সোমাল। পাচে সিবোৰো আহি শিৱসাগৰত ৰ'লহি, তাতে ৰণ হ'ল। মোৱামৰীয়াক ধৰি মাৰি ঠেলি আনি দিখৌ পাৰ কৰিলেহি। সিবোৰ দিখৌৰ কোৰত এক নিশা থাকিল। পাচদিনা মোৱামৰীয়াই দিখৌৰ ইপাৰৰ পৰা গুলিয়াব ধৰিলে। সিপাৰৰ পৰা দিহিঙ্গীয়াহঁতেও গুলিয়াব ধৰিলে। এনেতে মোৱামৰীয়া এবাহ হাতীখোকৰ ঘাটে পাৰ হৈ গৈ পাচফালৰ পৰা কাটিব ধৰিলে। এবাহে

আগফালে ধৰিলে। এনেতে হতাহতিকৈ কটাকটি লাগিল। দিহিঙ্গীয়াৰ ফৌজক খচি কাটিলে। মোৱামৰীয়াও কিছু পৰিল। পাচে দিহিঙ্গীয়া ভাগিল। সেই ৰণত ভগা নাওবৈচা ফুকন পৰিল। বৰবৰুৱাও পৰিল। পাচে মনজয় বৰবৰুৱা গড়গাঁৱত আঠ দিন আছিল। এনেতে মোৱা-মৰীয়াই গাৱঁত জুই লগাই গৈ আলিকেকুৰীত ভোগাই সেনাপতিৰ কোঁঠত চতুৰ্পাশে বেড়ি ধৰিলে। এনেতে হতাহতিকৈ কটাকটি লাগিল। এনেতে মোৱামৰীয়াই ভোগাইৰ মানুহ পাচ ফালৰ পৰা কাটিব ধৰিলে। তথাপি পাচমুখ নকৰি মোৱামৰীয়াক অতিশ্ৰমে কাটিছে। এনেতে ভোগাইৰ লগৰ মানুহ ভাগিল। সেই ৰণত ভোগাইও পৰিল। ১৯৯॥

নতুন সেনাপতি নিয়োগ।—পাচে মোৱামৰীয়াই জুই লগাই অগ্নিগড় কৰি আনিলে। এনেতে মনজয় বৰবৰুৱাই গড়গ্ৰাম এৰি ভাগি বকতালৈ গ'ল। লগৰ মানুহে সোণাৰী, তাঁতীৰ পোতা ধন-বস্তু বিচাৰি খানি লৈ পলাই গ'ল। পাচে মনজয়ে এইৰূপ সাৰশেষ বাৰ্ত্তা আইকুঁৱৰীকেও দুজনাত জনালেগৈ। পাচতে মোৱামৰীয়াই নগৰখনিত জুই লগালে। আৰু দ'লগুৰি উৰণৰ চৌকী সীমাকৈ জুই লগাই পুৰিলে। তেতিয়াৰে পৰাহে মোৱামৰীয়াই গাওঁ বঢ়াব ধৰিলে। আমাৰো সামান্য লোক দুই-চাৰিকৈ ৰৰিব ধৰিলে। আতপাচে গুৱাহটীয়া ফৌজ উজাই আহি কলীয়াবৰ পাইছেহি। এনেতে বুঢ়াগোহাঁই ডাঙৰীয়া ক্ৰমে ভটীয়াই ৺ৰ লগ লবলৈ গৈ কাজিৰঙ্গা পাইছিল। তাতে পানীফুকনে পাই নামদয়ঙ্গীয়া মানুহখনি ডাঙৰীয়াৰ লগত দি উজাই লৈ আহিল। পাচে সকলো উজাই আহি দেৰগাওঁ পালেহি। এনেতে নামতিয়াল বৰবৰুৱা ৺ৰ লগলৈ ভটীয়াই যায়। এনেতে পানীফুকন আহিবৰ বাৰ্ত্তা পালে আৰু বুঢ়াগোহাঁই ডাঙৰীয়াও আহিবৰ বাৰ্ত্তা পালে। এনেতে পানীফুকনেও বৰবৰুৱা আহি-বৰ শুনি ভাগতী বাপুৰ নামঘৰলৈকে বৰবৰুৱাক নিয়াই তাতে সম্ভাষা হৈ চাৰিওজনাই দেশ-ৰাজ্যৰ বিপত্তি দেখি অনেক বিষাদ কৰিলে। পাচে বৰবৰুৱাই বুলিলে,—"এই কাঁড়ী-বাকৰতীৰেই ৺এ যুদ্ধ কৰি অনেক বাৰ বঙ্গালকো জিনিছে। তথাপি এই কাঁড়ী-বাকৰতীয়ে মোৱামৰীয়াক দেখিলে

মাত্ৰকে পৰাম্মুখ হৈ বিভঙ্গে পলায়। ঈশ্বৰ-ঈশ্বৰীৰ ইচ্ছাতেই এইৰূপ হ'ল। এতেকে কালচক্ৰ বলবন্ত বটে, বুজন নাযায়। এতেকে তুমিও বুঢ়াগোহাঁই ডাঙ্গৰীয়া সৈতে দুয়ো মিলি ৰণ কৰিবা। মোৰামৰীয়াক মাৰিব পাৰিলে সন্দিকৈৰ ঘৰৰ যশ-ধৰ্ম্ম-কীৰ্ত্তি থাকিব।" এইৰূপে পানী-ফুকনে শুনি বোলে,—"আপুনি যি কৈছে উত্তম কৈছে। বিশেষতঃ ৺ও এই মানুহ-দুনুহ লগত দি আজ্ঞা কৰি পঠাইছে। মোৰপৰা কোন কাৰ্য্য হব? ৺ৰ পূণ্য-প্ৰতাপৰ বলে যি কাৰ্য্য হয় সেইহে হব, আৰু ঈশ্বৰ-ঈশ্বৰীৰ কৃপাত যিৰূপ হয় আৱশ্যকে হব।" ২০০॥

**মোৱামৰীয়াৰ সৈতে সংঘৰ্ষণ।**—এইৰূপে বৰবৰুৱা তিনিও-জনাক শিকালে, বোলে,—"ডাঙ্গৰীয়াৰ আজ্ঞাৰে দুয়োজনা চলিবা।" ঢেকিয়াল ফুকনৰ লগত বচা, ওপৰ-দয়ঙ্গীয়া, দাধৰা, দোলাৰৰীয়া, এইখনি ঢেকিয়াল ফুকনৰ লগত; পানীফুকনৰ লগত মাজিউ-দয়ঙ্গীয়া; বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ লগত, নাম-দয়ঙ্গীয়া। পাচে বৰবৰুৱা থকা ঠাইলৈ আহিল। সেই ৰাত্ৰি থাকি ৺ৰ লগলৈ ভটীয়াই গ'ল। আৰু ৺ও গুৱাহাটীলৈ ভটীয়াই গ'লত চহৰীয়া মোৱামৰীয়া গোটখাই গাওঁ-ভূই পুৰিছিলে। এনেতে লুখুৰাখনৰ কাঁড়ী, নাম মিন, সেয়ে বাৰে চহৰ চপাই সেই মোৱামৰীয়াক মাৰি পালে হাতী তিনিটা, ঘোঁৰা দুটা। সেই লগতে পূৰ্ব্বে ৰংদৈচোঙ্গত পতা মৰাণো আহিছিল। ইহঁতে গোটখাই আগেয়ে বচাৰ দিহিঙ্গীয়া হাজাৰৰ শএক-দিয়েকৰ ঘৰ পুৰিলে।

এনেতে বচা তিনিও হাজাৰ গোটখাই আহি চৰাই-পানীখাতি নৈৰ কোৰত ৰণ কৰি মোৱামৰীয়া বিস্তৰ মাৰিলে। ৰব নোৱাৰি মোৱামৰীয়া হুঁহঁকি আহোঁতেহে মিনে বাটতে ধৰি মাৰি হাতী-ঘোঁৰা ৰাখিলে। পাচে বুঢ়া-গোহাঁই ডাঙ্গৰীয়াই সেই মিনক মানুহ সৈতে উজাই লৈ আহিল। আৰু এনেতে পানীফুকনে ঢেকিয়াল ফুকনৰ লগৰ মানুহ কিছু "মোৰ গুৱা-হটীয়া" বুলি কাঢ়ি আনিলে। পাচে ঢেকিয়াল ফুকনে ওপৰ-দয়ঙ্গীয়াৰ বাইলুং শইকীয়াক বোলে,—"এয়েহে পানীফুকনলৈ কথা দি মানুহখনি মোৰ লগৰ পৰা নিয়ালে।" এই বুলি বাইলুঙৰ নাক কাটিলে। ২০১॥

**মিতংজ্ঞানৰ কোঁঠ।**—আতপাচে বুঢ়াগোহাঁই ডাঙ্গৰীয়া, ঢেকিয়াল ফুকন, মিন সেনাপতি, এই তিনিয়ে জাঁজী পাৰ হৈ পৰ্ব্বতীয়া ফুকনৰ পুখুৰীৰ পোনে মিতংজ্ঞানৰ কোষত তিনিখান কোঁঠ কৰি ৰ'ল। পানীফুকন বৰ-আলিয়ে গৈ চিন্তামণি-গড়ৰ ওপৰে কপৌখাটত কোঁঠ কৰি ৰ'ল। এনেতে সেই ৰাত্ৰি ৪ দণ্ড মান যাওঁতে মোৱামৰীয়াই আহি অসৈষ্টত ধৰি আমাৰ মানুহ বহুত কাটিলে। হুইহি লাগি বহুত ভাগি পলাল। পানীফুকনো কোঁঠৰ পৰা ওলাই কিছু হুঁহঁকি তাতে বৈ সেই ৰাত্ৰিয়ে বাঁহবৰীয়াৰ কটকী বাচুৱাৰ পুতেক শ্ৰীনাৰায়ণক পঠাই বুঢ়াগোহাঁই ডাঙ্গৰীয়াত এইসকল বাৰ্ত্তা কলে। আৰু বোলে,—"নাই আমাক ভালৈকে নিয়ক, নতু আলৈকে ডাঙ্গৰীয়াই আহক, তেবা ৮ৰ কাৰ্য্য সিদ্ধি হয়।"

এইৰূপে শুনি বুঢ়াগোহাঁই ডাঙ্গৰীয়া বোলে,—"কটকী, ফুকনত কগৈ ইঠাইলৈকে ফুকন আহক।" পাচে ফুকনে কটকীৰ মুখে বুজি গৈ বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ কোঁঠৰ সমীপতে কোঁঠ এখনি কৰি ৰ'ল। পাচে পৰ্বদিনা সকলো ভাগি যোৱা মানুহ ওভোটাই আনিবলৈ টেকেলা বৰা, দোলাখৰীয়া বৰা পঠালে। সিহঁতে গৈ গজপুৰ, ককিলা, দিহা, তিয়ক, এই এই ঠাইত মানুহ পাইহি ওলোটাই নিছিল। এনেতে সেইবেলা মোৱামৰীয়াক চাবলৈ সকলো কোঁঠৰ মানুহ উলিয়াই দিছিল। এনেতে কোঁঠৰ ওচৰতে ওভোটাই নিয়া মানুহ দেখি আপোনাকে ঈশ্বৰৰ ইচ্ছাত মোৱামৰীয়া বুলি হুঁইহি-খাই গছকাত মানুহ দুই-চাৰি মৰিল আৰু বামুণ শইকীয়া ধৰা পৰি মৰিল।

সেই হুঁহতে ঢেকিয়াল ফুকনৰ লগৰ বচাৰ মানুহে কোঁঠ এৰি ভাগি গ'ল। সেই লগে ফুকনো গ'ল। মিনৰ কোঁঠো ভাগি গাৱঁলৈ গ'ল। এনেতে বুঢ়াগোহাঁই ডাঙ্গৰীয়াই জিজ্ঞাসা কৰি চাই দেখে মোৱামৰীয়া নহয়। আমাৰ কালৰ বিক্ৰমতহে এইৰূপ হৈছে। এই বুলি সকলো লোকক স্থিৰ কৰি ৰাখিলে। ২০২॥

**নামডাঙ্গৰ কোঁঠ।**—পাচে বুঢ়াগোহাঁই ডাঙ্গৰীয়া জিলিহীয়াল কটকী বেজীয়াক পঠাই জাঁজীৰ কোঁঠৰ পৰা ঢেকিয়াল ফুকনক নিয়াই আপোনাৰ

কোঁঠতে থলে। এনেতে দোলাবৰীয়া বৰা, দাখৰা বৰা, এইহঁতক পঠাই ভাগি অহা মানুহ কিছু ধৰাই নিয়ালে। সকলো মানুহ চপাই লৈ পাচে ফাল্গুন মাসত মিত্তঙ্গৰ পৰা কোঁঠ উজাই নামডাং নৈৰ কোষলৈ গৈ পানীফুকনে বৰআলিতে কোঁঠ কৰিলে। কুমাৰগাৱঁৰ সমীপত ৰূপচান্দ গোহাঁই থাৰ-ঘৰীয়া বৰুৱাৰ কোঁঠ, মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ কোঁঠ নামডাঙ্গৰ কোষত, পুখুৰীচুকত ঘৰফলীয়াৰ কোঁঠ, আলিকেকুৰীখনিত গুৱাহটীয়া নেওগ-ফুকনৰ কোঁঠ, এইৰূপে গুলীয়ে পোৱাপুইকৈ পাঁচখান কোঁঠ কৰি ৰ'ল।

পাচে সকলেও আলচি নামডাঙ্গত দলং দিলে। পাচে সেই দলঙ্গেই মোৱামৰীয়া পাৰ হৈ আহি কোঁঠত ৰণ ধৰিলে। পাচে আমাৰোবোৰে ধৰিল। পাচে আমাৰ মানুহ পৰাস্ত হ'ল। লুকী ৰজা-পোৱালিয়ে কিছু ৰণ কৰিলে। আমাৰ ঘৰফলীয়া কোঁঠৰ মানুহ কিছু পৰিল। মোৱা-মৰীয়াও দুই-চাৰি পাৰিল। ইখনি মানুহ পাচক কোঁঠত ৰ'লহি। ২০৩॥

**কুঁৱৰীসকলৰ ৰক্ষা।**—আতপাচে ৺এ যি কলীমন ৰাজখোৱাক আইকুঁৱৰীদেওবোৰক নিবলৈ পঠাইছিল সি গৈ বৰজনা আইকুঁৱৰীদেও, পৰ্ব্বতীয়া আইকুঁৱৰীদেও, আইদেউ, এই তিনিওজনাক অভয়পুৰত পাই থাঁতিয়েদি অনেক ফন্দ কৰি মোৱামৰীয়াক ভয়েৰে পলুৱাই আনিলে, পাট-কোঁৱৰতো ভয়। পাচে কলীমন ৰাজখোৱা আহি 'আইকুঁৱৰীদেওবোৰক আনিছোঁ' বুলি মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াত বাৰ্ত্তা কলেহি। পাচে ডাঙ্গৰীয়াই শুনি আইকুঁৱৰীদেওবোৰলৈ ভোজনৰ সামগ্ৰী দিলে। পাচে কিছু মানুহ দি সৈষ্টৰে আইকুঁৱৰীদেওবোৰক গুৱাহাটী ৺ৰ লগলৈ পঠাই দিলে। সেই লগে বহু ফুকন, বৰুৱা গৈ ৺ৰ লগ ললে।

এনেতে কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া আগৰ ডেকাফুকনক অনাই পেপেলাঘাটত কোঁঠ দিয়ালে, চাওডাঙ্গক অনাই ঘৰফলীয়াৰ কোঁঠতে দিলে। দয়ঙ্গীয়া, মিন, এই দুখন কোঁঠ বৰআলিয়ে বঢ়াই দিয়ালে। ২০৪

**পাট-কোঁৱৰ।**—এনেতে উজনিৰ নামৰূপত থেদি খোৱা ৰাজেশ্বৰ

সিংহ ৺ৰ পুত্ৰ পাট-কোঁৱৰে লগত জপৰা গোহাঁইক মোক্ষ কৰি আৰু অনেক গোহাঁইক লৈ আৰু মনজয় ৰৰবৰুৱা, লান্দাবীৰ বৰফুকন, কালুগঞাৰ বৰপাত্ৰ-গোহাঁই, ডিময়ালৰ বৰগোহাঁই, ভগা চাওডাঙ্গৰ বৰুৱাৰ নগা-মুৱাৰ পুতেক সবাতে গণ্য-মোক্ষ, এইৰূপে সকলো চাপি চহৰীয়া মানুহ লগত লৈ আহি পানীচকীত কোঁঠ ২০ খান দি ব'লহি। আৰু আঠ খেল হুতুপৰাৰ পোনে জপৰা গোহাঁয়ে মানুহ কিছু সৈতে দেওবিলৰ কোখত কোঁঠ দি ব'লহি। মোৱামৰীয়া গৈ তাতে ৰণ ধৰিলে। পাচে জপৰা গোহাঁয়ে ওলাই হতাহতিকৈ ৰণ কৰি চপৰাদলি, ফৰমুটি, এয়েৰে মোৱা-মৰীয়াক ভঙ্গাই খেদি কাটিলে। মোৱামৰীয়াই পৰাস্ত হৈ নগৰলৈ আহিল। পাচে জপৰা গোহাঁই বাঢ়ি আহি খৰিকটীয়া আলিত কোঁঠ কৰি ব'ল, আৰু গৌৰীসাগৰৰ ওপৰে নগাআলিয়ে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া, পানীফুকন, ঢেকিয়াল ফুকন, নেওগ-গোহাঁই ফুকন, এই সকলেও নামডাঙ্গৰ কোখে কোঁঠ ৭ খন কৰি ব'ল, মাস চৈত্ৰ। ২০৫ ॥

**পাট-কোঁৱৰৰ বধ।**—পাচে ১৭১০ শকত বৈশাখৰ পৰা যুদ্ধ কৰি আছে। মোৱামৰীয়াও দুই-চাৰি পৰে, আমাৰো দুই-এক পৰে। পাট-কোঁৱৰৰ ফালেও তিনি মাস যুদ্ধ কৰি আছে। এনেতে মোৱামৰীয়াই চলি ফুৰি খাবলৈ নাপাই অতি নিৰস্ত হ'ল। পাচে পাট-কোঁৱৰে কিছু কোঁঠ পানীচকীতে থৈ শিৱসাগৰত কোঁঠ দিলেগৈ। পাচে শ্ৰাৱণ মাসত মোৱামৰীয়া গৈ পাট-কোঁৱৰৰ কোঁঠ ভাঙ্গিলে। লেচাঙ্গত মোৱামৰীয়াই খাপ দি আছিল। তাতে ধৰি পাট-কোঁৱৰক মাৰিলে সেই নিশাই। আৰ দুদিনৰ পাচত পানীচকীৰ কোঁঠ ভাঙ্গি মানুহ উজাই গ'ল। খৰিকটীয়া আলিৰ জপৰা গোহাঁইৰো কোঁঠ ভাগিল। বুঢ়াগোহাঁই ডাঙ্গৰীয়া, পানীফুকন, এইসকল নামডাঙ্গৰ কোঁঠতে পূৰ্ব্বৱতে ব'ল। তাতে ফাল্গুন সীমা কৰি মোৱামৰীয়া সৈতে ৰণ কৰি আছে। এনেতে সেই ফাল্গুন মাসত ৺এ গুৱাহাটীৰ পৰা বৰপাত্ৰ ডাঙ্গৰীয়া, বৰগোহাঁই ডাঙ্গৰীয়া, এই দুজনা ডাঙ্গৰীয়াক অনেকখনি মানুহ, আহিলা দি উজাই ৰণলৈ পঠালে। ২০৬ ॥

**পহৰ সেনাপতি।**—আৰ পূৰ্ব্বতে উজনি ঘৰকলীয়াই তাৰ ভিতৰতে পহৰ নামেৰে এটাক সেনাপতি সকলেও পাতিলৈ মুঠ কৰি আছে চামগুৰিত। এনেতে মোৱামৰীয়া গৈ ৰণ ধৰিলে। পাচে ঘৰকলীয়াইঙে কন্দ কৰি ধৰি মোৱামৰীয়াক বিস্তৰ মাৰি পালে হাতী তিনিটা। পাচে মোৱামৰীয়াই পৰাস্ত হৈ নগৰলৈ আহিল। আতপাচে দুজনা ডাঙৰীয়া উজাই আহি নামতী নৈৰ কোখত ৰৰকৰাৰ ৰৰাহীবাৰীৰ সমীপত কোঁঠ পাঁচখান কৰি ৰ'ল। তাৰে পৰা পহৰ সেনাপতি সৈতে ঘৰকলীয়া মানুহ-খনি লগত ললেহি। পাচে তাৰে পৰা জেঙ্গেৰাইৰ পথাৰৰ দক্ষিণে নামতী নৈৰ কোখত কোঁঠ কৰি বৈ তাৰ পৰা খাৰঘৰৰ চুকত কোঁঠ বাঢ়ি দিয়াবলৈ ৰৰপাত্ৰ ডাঙৰীয়া সকলো মানুহখনিয়ে সৈতে গ'ল। কোঁঠবলো অল্পহে হ'ল।

এনেতে মোৱামৰীয়াই আহি তাতে ধৰিলেহি। পাচে আমাৰ মানুহ ৰব নোৱাৰি সকলো ভাগিল। ডাঙৰীয়াও কথমপিহে এৰাই আহি কোঁঠ সোমালহি। মোৱামৰীয়াই আহি সাত দিন কোঁঠ ভেঁটি আছিল। পাচে জপৰা গোহাঁইএ ঘৰকলীয়া সৈতে মিলি ধান দাওঁতে মোৱামৰীয়াক ধৰি বহু মাৰিলে। পাচে মোৱামৰীয়া পৰাস্ত হৈ নগৰলৈ গ'ল। পাচে দুজনা ডাঙৰীয়া সি কোঁঠ এৰি হুঁহঁকি পাঙ্গেৰাৰ কোঁঠত ৰ'লহি। ২০৭॥

**লক্ষীমপুৰীয়াৰ ৰণ।**—এনেতে জাঁজী নৈৰ উজনিত ৰণখামত লক্ষীমপুৰীয়াৰ দুই ভায়েকে আসুৰি মতে প্ৰবৰ্ত্তি অনেক মানুহ চপাই লৈ ৰণ পাতিলে। আমাৰ খৰি-পাত আনিবলৈ যোৱা মানুহ পালে ধৰি নি তাৰ লগত লয়। এনেতে সেই লক্ষীমপুৰীয়া সৈতে ৰৰপাত্ৰ ডাঙৰীয়া সৈতে জাঁজী কোখতে ৰণ হ'ল। সেইদিনা কাকো কেৰে নামাৰি হুঁহঁকি ৰ'ল। পাচে লক্ষীমপুৰীয়াই চহৰীয়া মানুহ অনেক চপাই অৰীতিয়া মেল পাতি মুঠ বান্ধি আছিল। এনেতে দুজনা ডাঙৰীয়া আহি বালিহাটত কোঁঠ কৰিলে। সেইবেলা মোৱামৰীয়াই বুঢ়াগোহাঁই ডাঙৰীয়াৰ কোঁঠ ভেঁটিছিল। সেই বালিহাটৰ কোঁঠৰ পৰা ৰৰগোহাঁই

ডাঙ্গৰীয়া মানুহ নিৰলৈ আহি দেৰৰগাৰঁৰ দেৱালয়তে ব'লহি। এনেতে বৰপাত্ৰ ডাঙ্গৰীয়া, মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সৈতে সম্ভাষা হৈ উজাই গ'ল। পাচে বৰগোহাঁই ডাঙ্গৰীয়া দেৰৰগাৰঁৰ পৰা গৈ নামডাঙ্গৰ কোঁঠত বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ লগ ললে।

আতপাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই সেই লক্ষীমপুৰীয়াক আনিবলৈ মন্ত্ৰণা কৰি মানুহ পঠালে। পাচে লক্ষীমপুৰীয়াৰ দুই ভায়েক পলাল। তাৰ লগৰ মোক্ষ মানুহবোৰক আনি হাত-ভৰি কাটি গাতত পুতি ওপৰত শৌচ কৰাই মাৰিলে। কোনোবোৰকৰ গাত খেৰ বান্ধি জুই লগালে, কোনোক কুঠাৰ-কৰতেৰে, এইমতে অনেক শাস্তি কৰি চৈত্ৰ মাসত মাৰিলে। ২০৮॥

**আকালৰ আবিৰ্ভাৱ।**—আতপাচে ১৭১১ শকত বৈশাখৰ বিহু দিনা মোৱামৰীয়া আহি গৌৰীসাগৰৰ কোঁঠ বেঢ়িলে। উজনিৰ ফালে মুকলিকৈ থলে। এইমতে দুই মাস বেঢ়ি আছে। আমাৰ চাউল-সমলীয়াও যাব নোৱাৰে। এতেকে মানুহৰ নানান বিপত্তি হ'ল। চাউল টেমী-মুৰ জোখাত ৰূপ এটকা হৈছিল। আম টেঙ্গাৰ গোটত ৰূপ এটকা। কচুৰ বাৰত ৰূপ এটকা ছমহাকৈ হৈছিল। এইৰূপে অনেক ললাট হ'ল, মানুহো অনেক মৰিল। সেই ৰণত মাছুৰিয়াল বৰগোহাঁই ডাঙ্গৰীয়া, সন্দিকৈৰ পানীফুকন, লাহনৰ দাছ নাওবৈচা ফুকন, লিকচনৰ বচা বাজখোৱা, এইসকল ৰণত কোঁঠতে পৰিল। অন্য মানুহো বিস্তৰ পৰিল। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই একোৰূপ ৰক্ষা পৰিবৰ উপায় নেদেখি সকলোৰে আলচি, বোলে,—"আমি আত ৰক্ষা নপৰোঁ, এতেকে হুহঁকি যাওঁ।" এই বুলি কোঁঠৰ পৰা ওলাই হুহঁকি আহি ভৰাভলিত ব'লহি। তাতে দিনদিয়েক থাকি মানুহ কিছু চপাই লগত ললে। আৰু ৮৩ ভটীয়াই গুৱাহাটীলৈ গ'লতে সকলো মানুহ অৱশ এখেত হ'ল। অতি মন্ত্ৰণা কৰিহে ভৰাভলিত মানুহ কিছু চপাই তাৰে এটাক সেনাপতি পাতি থৈ বুঢ়াগোহাঁই ডাঙ্গৰীয়া হুহঁকি দিচৈলৈ আহিল। তাতে হাতে চুকি পোৱাৰ পৰা মানুহ চপাই আনি এখন কোঁঠ কৰি

সেই কোঁঠতে জপৰা গোহাঁইকে, ব্ৰাহ্মণ কাকতীয়াৰ ঘৰৰ পৰ্ব্বতীয়া বৰুৱাকে অধিকাৰ পাতি থৈ, বুঢ়াগোহাঁই ডাঙ্গৰীয়া কছাৰীহাটলৈ গৈ তাতে থাকি তিনিও দয়ঙ্গীয়াক চপাই আনি তাতে কোঁঠ কৰিলে।

এনেতে ঘৰফলীয়াৰ বহাত চাওডাঙ্গৰ মুকুতাক ধৰি দিলেহি। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই তাক লক্ষীমপুৰীয়াৰ লগত সোমাই বিষয়া হৈ কাকো নামানি ফুৰাত নানান শাস্তি কৰি পাচে বৰশী দি মাৰিলে। পাচে ডাঙ্গৰীয়া বচা সোমাই ৰাজন-খাটত কোঁঠ দিলেগৈ। তাৰে পৰা বচা তিনিও হাজাৰ আনিবলৈ কটকী বেজীয়াক পঠালে। পাচে বেজীয়াৰ আগত বচাহঁতে বুলিলে, বোলে,—"আমি লৰা-তিৰতা এৰি যাবও নোৱাৰোঁ, মোৱামৰীয়াৰে ৰণো নকৰোঁ। বুঢ়াগোহাঁই ডাঙ্গৰীয়া যেইৰূপে আছিছে সেইৰূপে গুচি যাওকগৈ, আমি যাব নোৱাৰোঁ।" পাচে এইৰূপে শুনি মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই বোলে,—"আগে বচাকে ধৰোঁ।" এই বুলি খং হৈ কাকডঙ্গাত দলং এখন বন্ধালে। পাচে বচাহঁতে সেই দলংখন কাটি গৈ জাবৰ শইকীয়া সৈতে সকলেও মুঠ ধৰি বুঢ়াগোহাঁই ডাঙ্গৰীয়াক ধৰিবৰ চিন্ত কৰিলে। ২০৯॥

**বচাৰ স্বাতন্ত্ৰ্য।**—এনেতে ঈশ্বৰৰ ইচ্ছাত সেই বচাৰ মানুহ একাল আহি ডাঙ্গৰীয়াৰ লগ ললে। সেই মানুহখনিৰ ওপৰত ডাঙ্গৰীয়াৰ বংশৰ ডেকা এটাক বচা ৰাজখোৱা পাতি দিলে। তাৰ পৰা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া কাচজানৰ কোখত কোঁঠ কৰি ৰ'লহি। এনেতে বচাৰ সিখনি মানুহ গৈ পৰ্ব্বতৰ ওচৰত মুঠ কৰি থাকি তাৰ পৰা শইকীয়া জাবৰ, টিকুটিকি, এই দুইক মোক্ষ কৰি আৰু অনেক মানুহ আহি গজপুৰতে জপৰা গোহাঁইৰ লগ ললেহি। সেই মানুহে সৈতে জপৰা গোহাঁই গৈ বচাৰ মণিপুৰীয়া সক নামঘৰত থাকি তাতে মানুহ-দুনুহ চপাই লৈ স্বতন্ত্ৰে প্ৰবৰ্ত্তিব ধৰিলে। বচাহঁতেও জপৰাৰ লগ ললে, আৰু দেৱগএগ্ৰা বৰতী ১২০টা আনি ললে। এইৰূপ স্বতন্ত্ৰ হৈ আছে। ২১০॥

**জপৰা গোহাঁই।**—পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই মন্ত্ৰণা কৰি সেই জপৰা গোহাঁই সৈতে মিল-ভাও হ'ল। পাচে জপৰা ডাঙ্গৰীয়াৰ

তালৈ অহা-যোৱা কৰিব ধৰিলে। পাচে একদিনা খৰঙ্গী আখিৰঙ্গা বৰা, চাওডাঙ্গৰ বৰা, আৰু বৰা অনেক, এইহঁতৰ হাতে ধৰালে। পাচে কমলা-বৰীয়া দোলাবৰীয়াই চকু কাঢ়িলে এটা, আগৰে জগবাৰ চকু এটা কঢ়া। আৰু জাবৰ শইকীয়াকে মোক্ষ কৰি সকলো পলাল। সেই জাবৰ শইকীয়া পৰ্ব্বত উঠিলগৈ। পাচে কছাৰী শইকীয়া গৈ পৰ্ব্বতত বিচাৰি পাই মাৰিলে। তাৰ লৰাহঁতক আনি বৰশীত দিলে। সেই লগৰ টিকুটিকি নেওগক আনি সপুত্ৰে সৈতে শালত দিলে। জাবৰৰ ঘৰ লুড়ি আনি সকলকো বাঁটি দিলে। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া তাৰ পৰা আহি চুঙ্গিঘাটত কোঁঠ দি ৰ'লহি। তাতে ঘনশ্যাম কাকতীৰ ভায়েকক মাটি বেচি খোৱা দায়ত থাকি কুঠাৰেৰে কালি মাৰিলে। আৰু অৰীতীয়া ধৰ্ম্মত প্ৰবৰ্ত্তা গোটাচেৰেকৰো হাত-ভৰি কাটি মাৰিলে। তাতে সন্দিকৈৰ বেটীয়নীয়া ঘৰৰ নেৰায় ডেকাক ন-ফুকন নাম দি মিনৰ মুঠত সেনাপতি পাতি দিলে। ২১১ ॥

**যোৰহাটত কোঁঠ।**—পাচে তাৰ পৰা মাঘ মাসত আহি চৰাইবাহীত কোঁঠ কৰি ৰ'লহি। সেই কোঁঠতে ফাল্গুন মাসত সকলো চহৰীয়া গায়ন আনি সাত দিন সভা কৰি চৈত্ৰত দিচৈলৈ আহি যোৰহাটত কোঁঠ কৰি থাকিল।

আতপাচে ১৭১২ শকৰ বৈশাখ মাসত বচা ৰাজখোৱা, বৰগোহাঁই-পৰীয়া গজপুৰীয়া ৰাজখোৱা, টপ্‌টলো মাজিউ-দয়ঙ্গীয়া ৰাজখোৱা, ওপৰ-দয়ঙ্গীয়া ৰাজখোৱা, এই চাৰিজনা ৰাজখোৱাক গা-মানুহ সৈতে মেলেঙ্গত কোঁঠ কৰি থাকিবলৈ পঠালে। 'আৰ দিনাচাৰেকৰ পাচত লাহনৰ ঘৰৰ ডেকা-ফুকন পাতি সেই চাৰি ৰাজখোৱাৰ ওপৰত সেনাপতি নাম দি সেই মেলেঙ্গৰ কোঁঠলৈ পঠালে। পাচে সেই বৈশাখতে ফুকনক কোঁঠতে থৈ চাৰিও ৰাজখোৱা মেলেং পাৰ হৈ মোৱামৰীয়াক চাবলৈ গ'ল। এনেতে মোৱামৰীয়াই আহি মেলেঙ্গৰ কোখতে ৰণ ধৰিলেহি। পাচে আমাৰ মানুহে ৰব নোৱাৰি হুঁহঁকি আহিল। পাচে মোৱামৰীয়াই খেদি আহি বচা ৰাজখোৱাকে, মাজিউ-দয়ঙ্গীয়া ৰাজখোৱাকে মাৰিলে। পাচে সকলো

ভাগি আহি দিচৈৰ কোঁঠত ব'লহি। এইকথা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই কটকী বেজীয়াক পঠাই ৺লৈ জনালে। ২১২॥

**বৰকান্দাজ চিপাহী।**—এইৰূপে ৺এ শুনি বৰকন্দাযী চিপাহী বঙ্গাল চাৰি-শ দি দিহিঙ্গীয়াৰ মেধি বৰফুকনক উজাই পঠাই দিলে। পাচে বৰফুকনে সেই চিপাহী সৈতে ৺ক দিমৌৰ বাহৰত সেৱা কৰি উজাই আহি দিচৈত মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ ললেহি। পাচে বুঢ়াগোহাঁই ডাঙৰীয়া সেই চিপাহী লগত লৈ টীয়কত কোঁঠ কৰি ব'লগৈ জেঠ মাসত। পাচে ডাঙৰীয়া বৰ্ষা কাল দেখি পুনৰ উলতি দিচৈলৈ আহিল। আৰু ককিলাকোখত গজপুৰীয়াৰ কোঁঠ এখন আছিল। পাচে আহিন মাসত মোৱামৰীয়া আহি ভেঁটি ধৰিলেহি। ২১৩॥

**মোৱামৰীয়াৰ উৎপাত।**—পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া শুনি ৰণলৈ সেই চিপাহী পঠালে। পাচে মোৱামৰীয়াই চিপাহী যাবৰ দেখি কোঁঠ এৰি আহি চিপাহীক খেদি ধৰিলেহি। সেই ৰণত চিপাহী বিস্তৰ পৰিল। ৰব নোৱাৰি চিপাহী ভাগি আহি ডাঙৰীয়াৰ লগ ললেহি। আৰু দিচৈ নৈৰ পছিমে বৰআলিৰ কোখত বাৰে-চহৰ চপাই তাতে চহৰীয়াৰ এটাকে সেনাপতি পাতি দি কোঁঠ এখন আছিল। পাচে সেই কোঁঠতে চাৰিঙ্গীয়া ৰজাকো মোক্ষ সেনাপতি হৈ আছিল। এনেতে সেই কোঁঠতে মোৱামৰীয়াই ধৰিলেহি। পাচে আমাৰ মানুহে কোঁঠৰ ভিতৰৰ পৰা গুলিয়াই মোৱামৰীয়া কিছু মাৰিলে। পাচে মোৱামৰীয়া পুনৰ ৰংপুৰলৈ গ'ল। এইক্রমে বাৰম্বাৰ আহি গাওঁ-ভূঁই লুড়ি-পুৰি ভাঙ্গি মাৰি নিয়ে, কোনো বেলি নাৱেৰে আহি কাকডঙ্গা ধনশিৰীয়ে সোমাই গাওঁ ভাঙ্গি নাও ভৰাই নিয়ে। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই চহৰে-চহৰে মানুহ চপাই কোঁঠ দিয়ালে। মৰাণ আহিলে ঠায়ে ঠায়ে ৰণ হৈ, সেই ৰণত মোৱামৰীয়াও দুই-চাৰি মৰে, আমাৰো দুই-এক মৰে। ২১৪॥

**দেশ-ৰক্ষক বুঢ়াগোহাঁই।**—এইৰূপে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া দিচৈৰ কোঁঠতে থাকি অনেক মন্ত্ৰণা কৰি মানুহক খুৱাই-পিন্ধাই কোনোক

বঁটা-বাহন দি উৎসাহ বঢ়াই ৰণ কৰাই আৰু কুঠাৰ, কৰত, বৰশী, এইবোৰ নানাবিধ ভয়-ভ্ৰান্তি দেখাই মানুহ বশবৰ্ত্তী কৰি ৰণ কৰাই আছিল। কিৰূপে দেশ-ৰাজ্য সুস্থ হৈ পূৰ্ব্বৱতে ৰক্ষা পৰিব আকে ৰাত্ৰি-দিনে ভাব কৰি থাকে ৺ক চিন্তি। আৰু ভাগি যি ভাল মানুহ দেশ-দেশান্তৰে সোমাই আছিল উপায় কৰি সেইবোৰ লগত ললে। সেইবোৰে সৈতে মিলি মোৱামৰীয়াক অনেক ৰূপে ৰণ কৰি মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া দিচৈৰ কোখত কোঁঠ কৰি ৰ'ল। ২১৫॥

ঠায়ে ঠায়ে নপতা-ৰজা।—আৰু উত্তৰকোলে জাপৰীভিটাত এবাহ মোৱামৰীয়াই তাঁতী নামেৰে ৰজা এটা পাতি লৈ লোহিত সীমাকৈ ভোগ কৰিছিল। আৰু মাজুলীত এবাহে হাউহা নামেৰে এটাক ওস্তাজ লৈ দিহিং সীমাকৈ ভোগ কৰি আছিল। আৰু ৰংপুৰত পীতাম্বৰ মহাজন সৈতে এবাহ মোৱামৰীয়াই ভৰথি নামেৰে এটাক ৰজা পাতি লৈ, শুকুৰাক বৰবৰুৱা পাতি ভোগ কৰি আছিল। আৰু উজনিত বেংমৰাত হাতীচুঙ্গী মৰাণ সকলো গোট খাই তাৰে সৰ্ব্বানন্দ নামেৰে এটা ৰজা, গোধা নামে বৰবৰুৱা, এই দুই পাতি লৈ দিহিং সীমাকৈ ভোগ কৰিছিল। শদিয়া দেশখনি খামটিয়ে বুঢ়াৰজা, ডেকাৰজা বুলি দুটা পাতি লৈ ভোগ কৰিছিল। এইমতে সেই কালত ঠায়ে ঠায়ে ৰজা হৈছিল। ২১৬॥

বুঢ়াগোহাঁইৰ দেশ ৰক্ষাৰ চেষ্টা।—আমাৰ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই বচা, দৈয়াঙ্গী মানুহখনি চপাই লৈ কলীয়াবৰৰ পৰা উপায়েৰে হিলৈ-খাৰ অনাই ললে। সেইএৰেই মৰাণক ৰণ কৰি আছিল। সেই সময়ত উক্ত মাজুলী, অভয়পুৰ, ৰংপুৰ, এই ঠাইৰ সন্ত-মহন্ত, দেশস্থ প্ৰাণী মোৱামৰীয়াৰ উপদ্ৰৱত ভাগি দেশ-দেশান্তৰে গ'ল। প্ৰজাৰ মহৎ বিপত্তি হৈছিল। চাউলৰ কঠাত সোণ এটকাকৈ দৰ হৈছিল। পাচে খাবলৈ নাপাই যুথে-যুথে গছৰ তলত মৰিছিল। অন্নৰ বিকলত আপোনাৰ পুত্ৰ-ভাৰ্য্যাকো এৰিছিল। মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই অত্যন্ত চেষ্টা কৰি বচা, দৈয়াং, এই থল খনি বাধিছিল। পাচে মহা-আৰ্ত্ত হৈ ভগনীয়া তাতে সোমাই ৰ'লহি। পাচে ডাঙ্গৰীয়াই সেই লোকসকলক প্ৰবৰ্ত্তিবৰ

বৃত্তি দি ৰাখে। কোনো খুৰাই-বুৰাই ৺ৰ লগলৈ পঠাই দিয়ে। সেইবেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া পক্ষীয়ে যেনেকৈ শিশু-চটকক পখাৰে আবৰি ৰাখে সেইৰূপে ডাঙৰীয়াই ৰক্ষা কৰিছিল। অনেক ভাৱে মোৱামৰীয়াকো ৰণ কৰি আছিল। এনেতে যি ৰৰপাত্ৰ ডাঙৰীয়া উজনিত ৰণ কৰিবলৈ গৈ বেঙ্গেনাবাৰীত কোঁঠ কৰি আছিল, এনেতে বেংমৰাৰ পৰা মৰাণ গৈ সেই কোঁঠত ধৰিলে। ৰব নোৱাৰি আমাৰ মানুহ কোঁঠ এৰি ভাগিল। সেই ৰণতে ৰৰপাত্ৰ ডাঙৰীয়া পৰিল। এই বাৰ্ত্তা দিচৈত ডাঙৰীয়া শুনি ৺লৈ কটকী পঠাই জনালে। ৺ও শুনি খেদ কৰিলে। ২১৭॥

অসমত মণিপুৰীয়া ধৰ্ম্মাধি।—অপৰ গুৱাহাটীৰ কথা। ৺ও গুৱাহাটীত থাকিতে পূৰ্ব্বে যি বাঁহৰৰীয়াৰ কটকী বিষ্ণুৰামক মণিপুৰীয়া ৰজাক আনিবলৈ পঠাইছিল, সেয়ে মণিপুৰীয়া ৰজাৰ গুৰু ধৰ্ম্মাধিক কিছু মণিপুৰীয়া মানুহে সৈতে আনি ৰহাৰ চৌকী পাই মানুহে সৈতে ধৰ্ম্মাধিক চৌকীতে থৈ মণিপুৰীয়া ৰজাৰ উকীল গৰাঙ্গ, খগেন্দ্ৰ, অভিমন্যু, নিমাই, এই চাৰিক পত্ৰ-সন্দেশ সৈতে গুৱাহাটীৰ ৺ৰ ঠাইলৈ গ'ল। ৺এ নামভিয়াল ৰৰৰুৱাক তুলিবলৈ আজ্ঞা কৰিলে। পাচে ৰৰৰুৱা শুক্ৰেশ্বৰতে সেই মণিপুৰীয়া চাৰি উকীলক ধাৰাণে তুলিলে। সেই চাৰি উকীলে পাচে ৺ক দেখা-সাক্ষাত হ'ল। ৺এ সিহঁতক এই আজ্ঞা কৰিলে, বোলে,—"তাৰ মণিপুৰীয়া ৰজা ইহঁতক আমাৰ শত্ৰু মোৱামৰীয়াক ৰণ কৰিবলৈ পঠাইছে। এতেকে ইহঁতে ধৰ্ম্মাধি সৈতে উজাই গৈ দিচৈত মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ লৈ ৰণ কৰক।" এইৰূপ ৺ৰ আজ্ঞা শুনি সিহঁতে বোলে,—"৺ও, আমাৰ মণিপুৰীয়া ৰজা আমাক এইৰূপে শিকাই পঠাইছে, বোলে,—'তহঁতে ৺লৈ জনাই ৰৰৰুৱাৰ লগে প্ৰবৰ্ত্তি ৰণ কৰিবি।' এতেকেহে জনাইছোঁ।" পাচে ৺এ বোলে,—"সিহঁত উজাই বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ লওকগৈ।" এই আজ্ঞা আমাৰ কটকী সৈতে আহি সিহঁতে ধৰ্ম্মাধিত কলেহি। পাচে ধৰ্ম্মাধি উজাই নাহি ভটীয়াই গুৱাহাটীলৈ গ'ল। পাচে ধৰ্ম্মাধিক

বকতিয়ালৰ জয়নাথ বৰবৰুৱাই শুক্ৰেশ্বৰতে থাৰাণে তুলিলে। পাচে ৺ও নীলাচলত তুলিলে। সেইবেলা ধৰ্ম্মাধি ৺ৰ আগত বগা থগাত বহিছিল। পাচে ৺এ উজাই ৰণলৈ আহিবলৈ আজ্ঞা কৰিলে। সি বৰবৰুৱাৰ কথা জনালে। পাচে ৺এ বৰবৰুৱাক নিদি হাতীবৰুৱাৰ ঘৰৰ নিবুকিয়াল ৰাজখোৱাক ন-ফুকন পাতি, সন্দিকৈৰ ঘৰৰ তামুলী-লিগিৰা গেন্ধেলাক ওপৰ-দয়ঙ্গীয়া ৰাজখোৱা পাতি, এই দুইৰ লগে ধৰ্ম্মাধিক উজাই ৰণলৈ পঠালে। পাচে উজাই আহোঁতে বাটত আমাৰ গাওঁ বহু লুটি আনিছিল। ২১৮॥

নতুন বৰফুকন।—পাচে বহাৰ বাটে মণিপুৰীয়াই আমাৰ ফুকন, ৰাজখোৱাৰ লগ এৰি ছুৰি মাৰি দেশলৈ গ'ল। আমাৰ ফুকন, ৰাজখোৱা উজাই আহি ডাঙ্গৰীয়াৰ লগ ললেহি। আতপাচে ১৭১১ শকৰ কাৰ্ত্তিক মাসত ৺ও উজাই আহিবৰ নিমিত্তে ৰূপ-সোণৰ ভণ্ডাৰত বাহৰ কৰি যাত্ৰা লৈ চাৰি মাস থাকি পাচে গজপুৰীয়া ৰাজখোৱাৰ ভেটি বাহৰলৈ আহিল। তাতে ৺এ বৰবৰুৱা, বৰফুকন, এই দুইক মতাই অনাই বুলিলে,—"আমি উজাই যাবলৈ হ'ল। ফুকন, তোমাৰ দেখোঁ গাটি অপাও, উজায়ো যাব নোৱাৰা? এতেকে ফুকন, তুমি অসন্তোষ নকৰিবা; তোমাৰ বৈনাই দিহিঙ্গীয়াৰ শলগুৰীয়া ৰাজখোৱাক বৰফুকন পাতিবলৈ আজ্ঞা কৰিছোঁ।" পাচে বৰফুকনে এইৰূপ শুনি উচাট্ খাই ওলাই আহি বৰদুৱাৰ ওলাই চাঙ্গিত উঠি শীঘ্রে বহাঘৰলৈ গৈ ৺ত অসন্তোষ কৰি সোমাই থাকিল। পাচে দিহিঙ্গীয়াৰ শলগুৰীয়া ৰাজখোৱাক বৰফুকন পাতিলে। তিপমীয়া ৰাজখোৱা, তামুলী-ফুকন, এই দুয়ে আজ্ঞা শুনালে। সেই লগত কাঠকটীয়া বৰুৱা আহিছিল বৰফুকন হৈ। ৺ক ওপৰ-নাওশালীৰ বাহৰলৈ উজাই আনিলে। তাতে ৺এ বৰবৰুৱা, বৰফুকন, দুইক আনি বুলিলে,—"কিছু বঙ্গাল চিপাহী আনি মোক বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ কোঁঠলৈ উজাই নেহঁক।" ২১৯॥

নতুন বৰবৰুৱা।—এইৰূপে শুনি নামতিয়াৰ বৰবৰুৱাই বুলিলে,—"মই বন্দীয়ে বঙ্গাল আনিবও নোৱাৰোঁ, মোৰামৰীয়া জীয়াই থকাত

৺কো উজাই নিব নোৱাৰোঁ। এতেকে ৺ক যেয়ে উজাই নিব পাৰে, তাকে ৺এ বৰবৰুৱাও পাতক।” এই বুলি বৰবৰুৱা বহাঘৰলৈ গ'ল। সেইবেলা ৺এ বকতিয়ালৰ ডেকা বৰবৰুৱাৰ পুতেক জয়নাথক বৰবৰুৱা পাতিলে। তিপমীয়া ৰাজখোৱা, তামুলী-ফুকন, কাথৰ মজিন্দাৰ, এইবোৰে কথা শুনালে। সেইবেলা সন্দিকৈৰ গগৈ, বৰফুকন ভগা ভয়-সংশয়ত থাকি বহাঘৰৰ পৰা পলাই উজাই গ'ল। ৺এ শুনি ঘৰ লুড়ি আনিব দিলে। ঘৰ লুড়ি ৺ৰ ঘৰলৈ আনিলে। পাচে ফুকন আহি জাঁজীৰ ওপৰে দোপ্‌গড় পালে। ২২০ ॥

নতুন বিষয়া।—এনেতে ফুকনৰ লগত বহু দ্রব্য-বস্তু দেখি দোপ্‌গড়ীয়া চুটিয়া কাঁড়ীয়ে ফুকনক মাৰিলে। এই কথা দিচৈত বুঢ়াগোহাঁই ডাঙৰীয়াই শুনি সেই মানুহক ধৰাই আনি দণ্ড কৰি মাৰিলে। সেইবেলা ৺এ সন্দিকৈৰ চোলাধৰা ফুকনক নাওবৈচা ফুকন পাতিলে। চিৰিং ফুকনক চোলাধৰা ফুকন পাতিলে। লান্‌মাখৰুৰ তিপমীয়া ৰাজখোৱাক খাৰঘৰীয়া ফুকন পাতিলে। ভায়েকক শেনচোৱা বৰুৱা পাতিলে। পুতেকক তিপমীয়া ৰাজখোৱা পাতিলে। তামুলী-ফুকনক খেৰ-টুপী দিলে আৰু চামধৰীয়া মানুহ হাজাৰো দিলে। বৰবৰুৱাৰ ভায়েক পিজোক ঢেকিয়াল ফুকন পাতিলে। ভায়েক বেতমেলাক হাতীবৰুৱা পাতিলে। লাহনৰ বিজৈ ৰাজখোৱাক পৰ্ব্বতীয়া ফুকন পাতিলে। ২২১ ॥

হৰদত্ত চৌধুৰী।—আতপাচে দৰঙ্গিৰ ডেকাৰজা, ভোঁটৰ কোঁৱৰ কটি, হৰদত্ত চৌধুৰী, এইবোৰে গোট খাই ৺ক দ্রোহ চিন্তিবৰ চিত কৰিলে। ৺এ মানুহ পঠাই ডেকাৰজাক ধৰাই আনি শালত দি মাৰিলে, তাৰ লগৰ ইবোৰ পলাল। পাচে ৺এ বৰবৰুৱা, বৰফুকন, সকলোৱেৰে আলচি বৰকন্দাজী বঙ্গাল চিপাহী কিছু আনি লগত লৈ উজাই দিমৌৰ বাহৰলৈ আহিল। তাৰে পৰা ৺এ দিহিঙ্গীয়াৰ বৰফুকনক সেই চিপাহীখনি লগত দি উজাই বুঢ়াগোহাঁইৰ কোঁঠলৈ পঠালে। ফুকনেও আহি দিচৈতে বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ ললেহি। ২২২ ॥

মণিপুৰীয়া ৰজাৰ সহায়-ভিক্ষা।—পাচে ৺ও কিছু চিপাহী

সৈতে উজাই আহি নগাৱঁৰ হাঁহচৰা বাহৰত ৰ'লহি। তাৰ পৰা খুটাৰমূৰৰ বাহৰলৈ আহিল। সেই বাহৰতে থাকি ৺এ বাঁহবৰীয়াৰ কটকী গৌৰী, নীৰহৰ বাণেশ্বৰ, গজপুৰীয়াৰ কৃষ্ণহৰি, এই তিনিক পত্ৰ-সন্দেশ দি শ্ৰাৱণ মাসত মণিপুৰীয়া ৰজাক আনিবলৈ পঠালে। সিহঁত ৰহাৰ বাটে গৈ মণিপুৰীয়া ৰজাৰ ঠাই পালে। মণিপুৰীয়া ৰজাও ধাৰাণে ভুলিলে। পত্ৰ মুখ-জাৱান বুজি চাৰি হাজাৰ লোকজন সৈতে মণিপুৰীয়া বুঢ়াৰজাক লৈ আহি সেই শকৰ পৌষ মাসত পালেহি। মণিপুৰীয়া ৰজাক খুটাৰমূৰ বাহৰৰ ওচৰতে ঘৰ কৰি দিলে। তাতে থাকিল। পাচে একদিনা ৰকতিয়ালৰ ঢেকিয়াল ফুকনে মণিপুৰীয়া ৰজাত কলেগৈ, বোলে,—"৺এ ৰজাক বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগলৈ উজাই যাবলৈ ৺এ আজ্ঞা কৰিছে।" ২২৩ ॥

**মণিপুৰীয়া ৰজা জয়সিংহৰ ঠেহ।**—এইৰূপ মণিপুৰীয়া ৰজা শুনি, বোলে,—"৺ক সম্ভাষা নোহোৱাকৈ মই কেনেকৈ যাম?" এই বুলি ৰজাঘৰৰ পৰা ওলাই হুৰি মাৰি গৈ খাগৰিজানৰ নামে হাতীপৰা পালেগৈ। পাচে ৺এ ওভোতাই আনিবলৈ আমাৰ খাৰঘৰীয়া ফুকন, তামুলী-ফুকন, ঢেকিয়াল ফুকন, এইসকলক পঠালে। ইবোৰে গৈ ওভোতাই আনিলে। ২২৪ ॥

**নগাৱঁত ৰাজ-বিষয়াৰ অত্যাচাৰ।**—পাচে ৺এ ৰৰতুৱাৰৰ মুখতে দোলাতে থাকি মণিপুৰীয়া ৰজাক সম্ভাষা হৈ মহামন্ত্ৰী বুঢ়াগোহাঁইৰ লগলৈ উজাই পঠালে। পাচে মাঘ মাহত ৺এ ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ লেতেৰী-মুখত বাহৰ কৰি ৺ও গ'ল। সেই বেলা নগঞাহঁতে ৺ক দ্ৰোহ আচৰিবলৈ চিত্ত কৰি তাতে ৺ক এৰি আহি ৰূপহীৰ দলং কাটি নগঞা গাৱঁলৈ আহি মুঠ ধৰিলে। পৰ দিন ৺ও নগাৱঁৰ বাহৰলৈ আহিল। পাচে নগঞাহঁতে ওলাই আহি হাতত দা-ৰাঠী লৈ ৺ৰ বাহৰৰ চাৰিওফালে ফুকলি মাৰি বোলমাত কৰিলে, বোলে,—"৺দেও আৰ পৰা ওলাই যাওক। ৰজিবা ৺দেও নেযায়, ৰৰবৰুৱা, ৰৰফুকন মোক্ষ কৰি ফুকন, ৰৰুৱা ৺এ সলাই দিয়ক। আমি বন্দীহঁতে একোকপে ৰক্ষা নেপাইছে জনাইছোঁ।" সেই

বেলা ৺ নগাওঁত থকাত সকলো বৰুৱা ফুকনে নগঞাৰ বাৰীৰ তামোল-পাণ আপুনি পৰাই অনাইছিল। জীয়াৰী ছোৱালী ধৰাই অনাই বিলাইছিল। প্ৰায় মাটিও লৈ খাট পাতিছিল। এই উপদ্ৰৱত থাকিহে নগঞাইঁতে বিৰয়া সলাই পাতিবলৈ ৺লৈ জনালে। পাচে ৺এ বোলে,—"সিহঁতত সোধ, সিহঁতেনো কাক বৰবৰুৱা, বৰফুকন পাতিবলৈ জনাইছে?" নগঞাই পুনৰ জনালে,—"পূৰ্ব্বাপৰে বৰবৰুৱা, বৰফুকন হোৱা অনেক ঘৰ আছে, তাৰে ৺এ যাক পাতিলে আমি বন্দীহঁত ৰক্ষা পাওঁ তাকে পাতক।" ২২৫॥

**তুৱৰাৰ বৰফুকন**।—পাচে ৺এ নগঞাৰ মন বুজি তুৱৰাৰ ন-ফুকনক বৰফুকন পাতিলে, সন্দিকৈৰ ভদৰিক বৰবৰুৱা পাতিলে। পুনৰ ন-দিনৰ মূৰত নগঞাই প্ৰাৰ্থনা কৰি আগৰ বৰবৰুৱা, বৰফুকনকে ৰাখিলে। সেইবেলা ৺ৰ বৰতামুলী পাতৰৰ ঘৰৰ বৰপাত্ৰ-গোহাঁই পাতিলে। ২২৬॥

**বৰাগী ৰজা**।—আতপাচে উত্তৰকূলে পানীসাঙ্গলত বাৰে-চহৰ চাপি বৰাগী এটাক ৰজা বুলি, লাহনৰ ঘৰৰ ডেকা এটাক বৰবৰুৱা পাতি, মোৱামৰীয়াক মাৰিছিল। পাচে সেই বৰবৰুৱাই মানুহ কিছু সৈতে বিশ্বনাথলৈ গৈছিল। তাৰে পৰা সলাল গোহাঁই হেলিমেলিৰ অনুমতিএ নগঞা, খৰঙ্গী সৈতেও মিলি কলীয়াবৰে পাৰ হৈ নগাওঁৰ বাহৰতে ৺ক ধৰিবলৈ গ'ল। এই কথা ৺এ শুনি বকতিয়ালৰ বৰবৰুৱাক ৰণলৈ মানুহ কিছু দিবলৈ আজ্ঞা কৰিলে। পাচে বৰবৰুৱাই নগঞা, খৰঙ্গী, মানুহ কিছুক শপত খুৱাই ৰণলৈ পঠালে। সিহঁতে কিছু গৈ তাতে থাকি মানুহ পঠাই মিছামুখৰ পৰা সেই বৰবৰুৱাক বৰাই সুমাই নিলে। নগঞা, খৰঙ্গী সৈতে গৈ ৰাত্ৰি ৺ক বাহৰতে বেঢ়ি ধৰিলে। ২২৭॥

**স্বৰ্গদেৱৰ নগাওঁ ত্যাগ**।—পাচে ৺এ সেই ৰাত্ৰি তুই দণ্ডমান থকাত বৰুৱা ফুকন সৈতে পানীতুৱাৰে গুলাই ভটীয়াই গ'ল। পাচে বৰবৰুৱা নগঞা সৈতে গৈ ৺ক আগভেঁটি ধৰিলে। পাচে ৺এ নাথুসিং জামাদাৰক বোলে,—"গুলি দে।" ভয় পাই উভতি আহি ৺ৰ বাহৰ দ্ৰব্য-বস্তু লুট কৰি নিলে। ১৭১৪ শকৰ আষাৰৰ সংক্ৰান্তিৰ দিনা শনিবাৰে ৺ নগাওঁৰ পৰা ভাগি গৈ আউনীআটীৰ সত্ৰ পাই ৰৰজনা

ডেকা-গোসাঁইক বুলিলে, বোলে,—"ডেকা বাপু, তুমি সত্ৰতে থাকা, যদি পাৰা আমাৰ লৰা-তিকতাবোৰ চপাই আনি থবাহি।" এই বুলি ৺ও আলি এৰি জলাহৰ বাটে গৈ কছাৰীৰ দক্ষিণপটীয়া গোসাঁইৰ সত্ৰ পাই তাতে দক্ষিণপটীয়া ডেকা-গোসাঁই সৈতে নাও লৈ ক্ৰমে ভটীয়াই গুৱাহাটী ৺ পালেগৈ। ২২৮॥

**দিচৈৰ কোঁঠত জয়সিংহ।**—পাচে বাচকটীয়া বৰবৰুৱাই ৺ৰ বাহৰ সোমাই লুড়ি বস্তু-দ্ৰব্য লৈ পুনৰ বাচকটালৈ গ'ল। আতপাচে দিচৈৰ কোঁঠৰ কথা।—১৭১৩ শকত মণিপুৰীয়া বুঢ়াৰজা, পুতেক যুৱৰাজ মধুচন্দ্ৰ সৈতে আহি দিচৈত মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগ পালেহি। পাচে ডাঙৰীয়া দিচৈৰ কোথতে ঘৰ সজাই দি থাবাণে বোজ-বাজ দিলে। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া মণিপুৰীয়া ৰজাক সম্ভাষ হবৰ নিমিত্তে কোঁঠৰ ওচৰতে ডাঙৰ চৈৰ ঘৰ এটা কৰাই সেই ঘৰত ভেটি বন্ধাই ওপৰত ৰঙা চন্দ্ৰতাপ তৰি ৰহিল। মৰঙিখোৱা বৰফুকন, নাওবৈচা ফুকন, ন-ফুকন, নেওগ-ফুকন, দুৱৰাৰ নিয়াইসোধ-ফুকন, এইবোৰ ফৌজ পাতি ৰহিল, সকলো তাৰতম্যৰূপে। এনেতে মণিপুৰীয়া ৰজাৰ লগত অহা কটকী বেজীয়া, কামদেউ, এইহঁতে মণিপুৰীয়া ৰজাক সেই ঘৰতে ভেঁটি ওপৰে চন্দ্ৰতাপ তৰি ৰহালে। আঁৰকাপৰো মেৰাইছিল। ২২৯॥

**জয়সিংহৰ সম্ভাষণ।**—এনেতে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া মণিপুৰীয়া ৰজাক বুলিলে,—"মণিপুৰীয়া ৰজা, তুমি যেখন মণিপুৰ ৰাজ্য ছাৰি আহা, সেবেলা তোমাৰ দেশৰ গো-ব্ৰাহ্মণ, দেশস্থ প্ৰাণীসকল কুশলে আছে?" এইৰূপে শুনি ৰজা বোলে,—"ঈশ্বৰ-ঈশ্বৰীৰ কৃপাত কুশলে আছে, আপুনি মঙ্গলে থাকিব আমাৰো এইহে ইচ্ছা।" পুনৰ ডাঙৰীয়াই পথৰ অন্তৰায়ন সুধিলে। ৰজাও সকল কলে। পাচে ডাঙৰীয়া ৰজাক বুলিলে, বোলে,—"আমাৰ পূৰ্ব্বীয় ৺ও সকলে মণিপুৰৰ ওপৰ ৰজাবোৰ সৈতে মিত্ৰতাৰ হৈ গৈছে। সেই প্ৰীতিত থাকি ৺এ শত্ৰু-পৰাভৱত থাকি কটকী পঠাই ৰজাক অনাইছে। ৰজাও ৺ৰ শত্ৰু

নষ্ট কৰিব পাৰিলে ৰজাৰ যশ-ধৰ্ম্ম-কীৰ্ত্তি বাঢ়িব আৰু পূৰ্ব্ব-প্ৰীতিও অতিৰেক বৃদ্ধি পাব, বিশেষতঃ—

সন্ত এব সতাং নিত্যমাপদুদ্ধাৰহেতবঃ।
গজানাং পঙ্কমগ্নানাং গজ এব ধুৰন্ধৰঃ॥

এইৰূপ শুনি মণিপুৰীয়া ৰজা বুলিলে,—"মহামন্ত্ৰী ডাঙ্গৰীয়া, ৺ৰ দেশ-বিভ্ৰাট তোমাৰ কটকীৰ মুখে শুনি বহু খেদ পাই শীঘ্ৰে আহি নগাৱঁতে ৺ও দেখা-সম্ভাষা হলোঁ। তাত ৺এ আজ্ঞা কৰিলে, বোলে,—'মণিপুৰীয়া ৰজা উজাই গৈ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সৈতে মিলি আমাৰ শত্ৰু মোৱামৰীয়াক মাৰকগৈ'। এইৰূপে ৺ৰ আজ্ঞাত আহি আমি ডাঙ্গৰীয়া সৈতে সম্প্ৰতি দেখা-সম্ভাষা হৈছোঁহি। এতেকে ডাঙ্গৰীয়া, আপুনি ব্যৱস্থা কৰি ৰণ কৰালেহে হব।"

আতে ডাঙ্গৰীয়া ৰজাত সুধিলে, বোলে,—"ৰজাৰ লগত যোদ্ধা সৈতে মানুহ কিমান আছিছে?" ৰজা বোলে,—"ঘোঁৰা সৈতে মানুহ ৪০০টা, হিলৈ সৈতে ৪০০, আৰু ভাৰী-বেগাৰী হব হাজাৰদিয়েকমান।" পাচে এইৰূপে মৰঙ্গিখোৱাও কলে; বৰফুকনেও কলে। সেইবেলা লাহনৰ নাওবৈচা ফুকনে কথা কব নোৱাৰিলে। পাচে ৰজাকো বিদায় দিলে; থকা বহালৈ গ'ল। ডাঙ্গৰীয়াও কোঁঠ সোমালহি। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সেইবেলা মণিপুৰীয়া ৰজাক দিলে সোণৰ খাৰু সৈতে বস্ত্ৰ-অলঙ্কাৰ ৰজাৰ যোগ্য, আৰু এহাৰ-ব্যৱহাৰৰ শঁজুলি সৈতে ভোজনৰ সামগ্ৰীও দিলে। এইৰূপে পুতেক যুৱৰাজকো দিলে। ২৩০॥

**জয়সিংহৰ ৰণ-যাত্ৰা।**—পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া মানুহ দি টীয়ক নৈৰ ওচৰত কোঁঠ তুখন কৰাই ১৭১৩ শকত মণিপুৰীয়া ৰজা সৈতে সেই কোঁঠলৈ গ'ল। তাতে থাকি মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই মৰঙ্গিখোৱা ন-ফুকন, সন্দিকৈৰ ওপৰ-দয়ঙ্গীয়া ৰাজখোৱা, মাজিউ-দয়ঙ্গীয়া ৰাজখোৱা, এইসকলৰ লগত বহু মানুহ দি মণিপুৰীয়া ৰজা সৈতে ৰংপুৰলৈ পঠালে। পাচে ৰজা সসৈন্তে মোৱামৰীয়াক খেদি গ'ল। গৌৰীসাগৰৰ নামে ব'লগৈ। পাচদিনা প্ৰভাতে মধুচন্দ্ৰ যুৱৰাজ

যোদ্ধা মানুহ সৈতে ৰংপুৰলৈ গ'ল। পাচতে সসৈন্যে সৈতে বুঢ়াৰজাও গ'ল। ডেকাৰজা গৈ ওঁগুৰি চকী পাইছিল, এনেতে মোৱামৰীয়াই কন্দ কৰি আলিৰ দাঁতিয়ে দাঁতিয়ে অনেক বাহ হৈ হাবিত সোমাই আহি মণিপুৰীয়াক অনেক বাহ হৈ ওলাই ধৰিলে। ২৩১ ॥

**মণিপুৰীয়াৰ ৰণ।**—পাচে মণিপুৰীয়াই কিছু ৰণ কৰি ৰব নোৱাৰি অনেক পোনে ভাগিল। পাচে মোৱামৰীয়াই বুঢ়াৰজাৰে ৰণ ধৰিলে। ৰজাও দোলাৰ পৰা নামি হইবাজ নামে ঘোঁৰাত উঠিল; আনো মানুহ ঘোঁৰাত উঠিল। সেইবেলা বুঢ়াৰজা পুত্ৰ সৈতে মোৱামৰীয়াক ঘোঁৰাৰে বহু ৰণ কৰিলে, তথাপি ৰব নোৱাৰি মুখ পাতি হুঁহঁকি ভাগি আহিল। সেই ৰণত মণিপুৰীয়া মানুহ বিস্তৰ পৰিল। ৰজাৰো সৰ্ব্বস্ব সকলো মোৱামৰীয়াই ৰাখিলে। পাচে মণিপুৰীয়া ৰজা আহি টীয়কত মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াক লগ পাই সকল বৃত্তান্ত ডাঙ্গৰীয়াত কলে। পাচে সকলো হুঁহঁকি দিচৈ কোঁঠলৈ আহিল। পাচে মণিপুৰীয়া ৰজা মানুহ ১০০০ ডাঙ্গৰীয়াৰ লগত থৈ দুই নৈৰ মুখে দেশলৈ গ'ল। আতপাচে মোৱামৰীয়াই আহি দিচৈৰ সিপাৰে ৰণ ধৰিলেহি। সেই ৰণলৈ মণিপুৰীয়া মানুহখনি বাব দিলে। পাচে সিহঁত ওলাই ৰণলৈ নগৈ হুৰি মাৰি দুই নৈৰ মুখে দেশলৈ গ'ল। ২৩২ ॥

**মোৱামৰীয়াৰ দ্বাৰা দেশ লণ্ডভণ্ড।**—এইমতে মৰাণে আহি দেশ-ৰাজ্য লুড়ি-পুৰি নিয়েহি। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই ৰাৰে-চহৰে চহৰীয়া মানুহ চপাই ঠায়ে ঠায়ে কোঁঠ-মুঠ কৰাই ৰচা দৈয়াঙ্গ থলখনি ৰাখিছিল। উত্তৰে মাজালী, ৰংপুৰ, অভয়পুৰ, এই ঠাইৰ সন্ত-মহন্ত দেশ-প্ৰাণীসকলকো মোৱামৰীয়াই ভাঙ্গি উছন্ন কৰি খেদিলে। পাচে অন্নৰ বিকলত বহু প্ৰাণী মৰিল। যি লোকে আহি ৰচা পায়হি, সেই সেইটিহঁতক ডাঙ্গৰীয়াই দি-থৈ খুৱাই-বুৱাই ৰাখি-লৈ কোনোটি ৮ৰ লগলৈ পঠাই দিয়ে। সেইবেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই পক্ষীয়ে যেনেকৈ শিশু-চটকক পখাৰে আৱৰি ৰাখে সেইমতে মহাৰ্ত্ত প্ৰাণীসকলক ৰাখিলে। হেন সময়তে উজনিত যি কেন্দুগুৰীয়া ৰৰপাত্ৰ ডাঙ্গৰীয়া

বেঙ্গেনাবাৰীত কোঁঠ কৰি আছিল, সেই কোঁঠতে বেংমৰাৰ মৰাণ গৈ ধৰি ডাঙ্গৰীয়াক মাৰিলে। সি কোঁঠো ভাগিল। এই বাৰ্ত্তা বুঢ়াগোহাঁই ডাঙ্গৰীয়াই ৺লৈ কটকী পঠাই জনালে। এইবেলি মোৱামৰীয়াই ধনশিৰীযে সোমাই কছাৰীহাটত তিনি দয়ঙ্গীয়াই দিয়া কোঁঠ তিনিখনত ধৰিলে। আমাৰ মানুহ ৰব নোৱাৰি ভাগিল। ২৩৩॥

**মাটিৰ গড়।**—পাচে মৰাণে বহু মানুহ মাৰিলে। ৰাজখোৱা কেইজনা কথমপি সাৰিল। আতপাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া ১৭১৩ শকত বচাৰ নগা পৰ্ব্বতত লগাই দিচৈৰ কোঁঠ ভিতৰকৈ, চেউনীআলিৰ ৰাজে মৰঙ্গিৰ কালীয়নী পৰ্ব্বতলৈ এটা মাটিৰ গড় বন্ধালে। তাৰ ওপৰত কাঠ-গড় মাৰি সেই গড়ত মানুহে ৰাত্ৰি-দিনে পৰ ধৰি থাকি মোৱামৰীয়াক ৰণ কৰে। সেইবেলা কাপ্তানে দেশৰ ব্যৱস্থা বুজিবৰ নিমিত্তে চোটাবৰদাৰ দুটা পঠাইছিল। সিহঁতক মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া তৰাজানৰ কোঁখত তুলিলে। তথাপি সেই গড়কো ভাঙ্গি সোমাই দেশ ভাঙ্গি নিয়ে। এবেলি আহি ধনশিৰীয়ে সোমাওঁতে সেই গড়ৰ পৰা চলিহাৰ কাকতী-বৰা আলনক ধৰি নি মাৰিলে। সেইবেলিয়ে মৰঙ্গিও মোৱামৰীয়াই ভাঙ্গিলে। ২৩৪॥

**উত্তৰকূলৰ জেঙ্গা-জঞ্জাল।**—আতপাচে উত্তৰকূলৰ বাচকটাৰ পৰা সেই বাচকটীয়া ৰৰৰুৱা, মিৰি, ডফলা আনো বহু মানুহ সৈতে দেৰৰ-গান্নীত থাকি দিচৈত আহি মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াক সাক্ষাত হৈ কলে, বোলে,—"ডাঙ্গৰীয়া, আমাৰ লগত এটা সেনাপতি দিয়ক। আমাৰ যি ৰৰাগী সেনাপতি আছিল সিও মৰিল।" পাচে ডাঙ্গৰীয়াই সিহঁতৰ ৰৰৰুৱাকে, ৰৰসেনাপতিকে সোণৰ খাকএৰে বঁটা দি, বোলে,—"ৰাক, তহঁতে গৈ উত্তৰকূলৰ সকল মানুহখনি চপাই লৈ ৰংপুৰলৈ বাবলৈ সৈন্তৰে থাকগৈ, মই সেনাপতি দিম।" এই বুলি সিহঁতক উত্তৰলৈ পঠালে। সিহঁতৰ কিছু দিনৰ পাচতে চাৰিঙ্গীয়া ৰজা দিচৈৰ উজনি পাৰে স্বৰঙ্গে কোঁঠ এখনি কৰি আছিল। সেই চাৰিঙ্গীয়া ৰজাৰ লগত কিছু মানুহ দি উত্তৰকূলৰ ৰৰৰুৱাৰ কোঁঠলৈ পঠালে।

পাচে চাৰিং-ৰজা গৈ উত্তৰ পালত সেই বাচকটীয়াহঁতে নামানিলে, লগো নললে দেখি পুনৰ দিচৈৰ কৌঁঠলৈ গুচি আহিল। পাচে চাৰিং-ৰজাই সকল উত্তৰকূলৰ বাৰ্ত্তা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াত কলে। আতপাচে মোৱামৰীয়াই আহি দেৱৰগাৱঁৰ জোৰবাৰীয়ে গড় ভাঙ্গি সোমাই সেই গড়তে হাতীবৰুৱাৰ ন-ফুকনক মাৰিলে। লাহনৰ শলগুৰীয়া বাজখোৱাকো মাৰিলে। টেকেলা নেওগ, গোবিন্দ মাহৰীয়া সেনাপতি, এই দুয়ো পৰিল। অন্য মানুহ বিস্তৰ পৰিল। ২৩৫ ॥

**মোৱামৰীয়াৰ দেশ নাশ।**—পাচে মোৱামৰীয়াই সোমাই গৈ বচা দৈয়াং ভাঙ্গি নগা হাবিতো বিচাৰি মানুহ মাৰি আহি ১৭১৪ শকৰ চৈত্ৰ মাসত দিচৈত আটকৈ কৌঁঠ ভেঁটিলে। সেইবেলা তিনি পক্ষ ভেঁটি আছিল। এনেতে বৈশাখতে দিচৈত ঢল এটা আহিল। সেই পানীত খৰি, ঔটেঙ্গা বিস্তৰ আহিছিল। সেইবেলা ৰণলৈ কৌঁঠৰ মানুহ উলিয়াই দিয়ে। দুই-চাৰি মোৱামৰীয়াও পৰে, দুই-এক আমাৰো মৰে। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া মন্ত্ৰণা কৰি একদিন প্ৰভাতে মানুহ কিছু উলিয়াই দিলে। সিহঁত গৈ টোকোলাইৰ মুখতে মোৱামৰীয়াক ধৰিলেগৈ। সেই ৰণত মৰাণ বহু পৰিল। এই ভয়তে মোৱামৰীয়া বচা দৈয়াঙ্গৰ লুঁড়ি গৰু, ম'হ লৈ ৰংপুৰলৈ গ'ল। এইমতে মোৱামৰীয়াক মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াই নানা ছন্দে ৰণ কৰি মৰাণক মাৰি-ধৰি লাদৈ-গড় সীমাকৈ দেশ ৰক্ষা কৰি আছিল। ২৩৬ ॥

**কোম্পানিৰ সহায় ভিক্ষা।**—নগাৱঁৰ পৰা ৺ও গৈ গুৱাহাটী পাই কিছুদিন আছিল। এনেতে পাকড়ীগুৰীয়া, চেলেংহটীয়া ডোম শ-দিয়েকে গোটখাই লুখুৰাখনৰ হৈধন সৈতে বৰাগী এটাক ৰজা পাতি লৈ ভটীয়াই গুৱাহাটীলৈ গৈ ৺ৰ বাহৰৰ বৰদুৱাৰ ঘৰত জুই লগালে। পাচে ৺এ ৰণ বুলি ভয় পাই গড় দেই ওলাই নাৱত উঠি লোহিতে ভটীয়াই গৈ নগৰবেৰা পালে। পূৰ্ব্বে বোষ চাহাব বঙ্গালহাটত আছিল। তালৈ কৈ কলিকতাৰ পৰা চিপাহী কিছু আনিবলৈ বুলি ৺এ গুৱাহটীয়া মজিন্দাৰ বিকা, কটকী ভৰ, এই দুইক পঠাইছিল। সিহঁতে গৈ

বৰচাহাবক কৈ কাপ্তান সৈতে চিপাহী সাত কোম্পানি লৈ আহি সেই নগৰবেৰা পাইছিলহি। তাতে ৺এ পাই চাহাব এটা সৈতে চিপাহী দুই কোম্পানি পঠাই দিলে। সেই লগত খাৰঘৰীয়া ফুকন, কাথবকৰা, এই দুইকো দিছিল। সেইবেলা বৰাগীয়ে নগৰৰ চাৰিওফালে মিছাকৈ কয়, বোলে,—"মই ৺ৰ ভতিজাক, বাজ নেভাগিবি।" এইৰূপে সাত দিন নগৰ লৈ আছিল। এনেতে আহি চাহাবে চিপাহী সৈতে পালেহি। ২৩৭॥

**বৰাগীৰ লগত কোম্পানিৰ চিপাহীৰ যুদ্ধ।**—পাচে সেই বৈৰাগীয়ে খেদি ৰণ ধৰিলে। এনেতে চিপাহীয়ে হিলৈ দিলে। সেই ৰণত ডোম কিছু পৰিল। পাচে বৰাগী ৰব নোৱাৰি ভাগিল। হৈধনকে সৈতে ডোম কুৰিদিয়েক ধৰিলে। ইবোৰ ভাগি পলাল। এই বাৰ্ত্তা ৺লৈ জনাই পঠালে। ৺এ শুনি কাপ্তান সৈতে উজাই আহি গুৱাহাটী ললেহি। সেই ধৰা ডোমবোৰ মাৰিলে। হৈধনক বৰশী দিলে। বৰাগীকো কাটি ত্ৰিশূলত দিলে। তাতে ৺ও মাসদিয়েক আছিল। সকলো দেৱালয় ফুৰি সেৱা কৰিলে। সেইবেলা কাপ্তানৰ মুদিয়ে গৰু কাটি বিকিছিলে। ২৩৮॥

**অসমত কাপ্তান।**—পাচে ৺এ শুনি গৰু মাৰিবলৈ বাধা কৰিলে, তেহে নেমাৰিলে। সেইবেলা কাপ্তানে বকতিয়ালৰ বৰবৰুৱা জয়নাথ, চিৰিঙ্গৰ চোলাধৰা ফুকন, এই দুইক ধৰি কলিকতালৈ দি পঠালে। ৺লৈ জনালে, বোলে,—"দুষ্ট মন্ত্ৰী কিয় লগত লয়?" বুলি। আতপাচে কাপ্তানে ৺লৈ জনালে, বোলে,—"বৰফুকন পাতিবলৈ বৃদ্ধ মানুহ এজনা লাগে।" ৺এ শুনি দিহিঙ্গীয়াৰ মেধি বৰফুকনক ভাঙ্গি দুৱৰাৰ ন-ফুকন, নগাঁৱত বৰফুকন হৈ তিনি দিন আছিল, ভাগি আছিল, তেওঁকে বৰফুকন পাতিলে। তেওঁৰ নাম হলিৰাম। ফুকন হৈ এক বৎসৰ থাকি মৃত্যু হ'ল। চেটিয়া ফুকন আছিল, সেয়ে পূৰ্ব্বত কছাৰী-কুমাৰ, নাও ললে চেটিয়া। সেয়ে কাপ্তানত খাটিছিল। পাচে তাকে বৰফুকন পাতিবলৈ কাপ্তানে ৺লৈ জনালে। ৺ও কাপ্তানৰ কথা পেলাব নোৱাৰি তাকে বৰফুকন পাতিলে। ২৩৯॥

**মিছ্‌গড় চাহাৰ।**—পাচে ৺ও নাৱেৰে কাপ্তান সৈন্তে ১৭১৬ শকত উজাই আহি কলীয়াবৰ পালেহি। পাচে ৺এ তাৰে পৰা মিছ্‌গড়, চোট, এই দুই চাহাবক চিপাহী কিছু সৈন্তে উজনিলৈ পঠালে। কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া দিচৈত মোৱামৰীয়াক ৰণ কৰি সাত বছৰ আছিল। সেইবেলা ডাঙ্গৰীয়া দুৰ্গোৎসৱ, ফল্গুৎসৱ ইত্যাদি কৰ্ম্ম সকলো প্ৰবৰ্ত্তিছিল। অন্যত্ৰতো প্ৰবৰ্ত্তাই আছিল। সেইবেলা মোৱামৰীয়াই আহি ডাঙ্গৰীয়াৰ কোঁঠত ধৰিছিলহি। এনেতে দুই চাহাবে চিপাহী সৈন্তে আহি দিচৈত মহামন্ত্ৰী বুঢ়াগোহাঁইৰ লগ পালেহি। পাচে ডাঙ্গৰীয়া সেই চিপাহীকে দি ৰণ কৰালে। ৰণো জয় হ'ল। এইকথা মিছ্‌গড় চাহাবে, চোট চাহাবে কাপ্তানলৈ কৈ পঠালে। ডাঙ্গৰীয়াই ৺লৈ মানুহ পঠাই জনালে। পাচে ডাঙ্গৰীয়া দুই চাহাবক বোজ-বাজ দি নিবন্ধে ৰাখিলে। ২৪০॥

**কাপ্তানৰ লগত বুঢ়াগোহাঁইৰ সাক্ষাৎ।**—৺ও কলীয়াবৰত থাকোঁতে মাজুৰিয়ালৰ ভগা বৰগোহাঁইক বৰগোহাঁই পাতিলে। সেইবেলা চেটিয়া বৰফুকনে সলাল গোহাঁই হেলিমেলিয়ে সৈন্তে মিলি ৺ক অশুচিত্ত কৰিবলৈ নিশেষ কোঁৱৰবোৰ জাক পাতি চপাই আনিছিল। এই কথা কাপ্তানে শুনি দোচ্‌মন বুলি বাধা কৰিলে। সেইবেলা কাপ্তানে ৰূপ ১০০০ টকাৰ চাউল কিনি কলীয়াবৰত ভগুাৰ দুটা সজাই থলে। এনেতে দিচৈৰ ডাঙ্গৰীয়াৰ বাৰ্ত্তা পাই ৺ও কাপ্তান সৈন্তে শীঘ্ৰে নাৱেৰে উজাই আহি দিচৈৰ মুখত ৰ'লহি। তালৈকে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া গ'ল। সেইবেলা ৺এ ৰহস্যে ডাঙ্গৰীয়ালৈ কলে, বোলে,—"ডাঙ্গৰীয়া, আগে কাপ্তানৰ তলৈ য'ক।" এইৰূপ শুনি ডাঙ্গৰীয়া কাপ্তানৰ তলৈ আগে গ'ল। কাপ্তানেও ডাঙ্গৰীয়াক দেখি আনন্দযুক্ত হৈ বহিবলৈ চকী-পীৰা দিলে। পাচে কাপ্তানে বোলে,—"বুঢ়াগোহাঁইক বুঢ়া বুলিহে জানিছিলোঁ, এতিয়া দেখোঁ ডেকাহে।" পুনৰ চাহাবে বুলিলে,—"বুঢ়াগোহাঁই, বৰচাহাবৰ হুকুমেৰে আমি স্বৰ্গদেৱক ৰংপুৰ কিলা উঠাই লৈ দিবলৈ স্বৰ্গদেৱ সৈন্তে আহিছোঁ।" পাচে ডাঙ্গৰীয়া

বোলে,—"কাপ্তান চাহাব, আপুনি বহু চিপাহী সৈতে আহিছা, এতেকে ৰংপুৰ লব পাৰিবা।" এই বুলি ডাঙৰীয়া আহি ৺ক সেৱা কৰিলেহি। পাচে ৺এ ডাঙৰীয়াক দেখি বহু খেদ কৰিলে। ডাঙৰীয়াও অসন্তোষ কৰিলে। পাচে ডাঙৰীয়া ৺ত বিদায় মাগি কোঁঠলৈ আহিল। ২৪১ ॥

**কাপ্তানৰ ৰংপুৰ উদ্ধাৰ।**—পৰদিনা সোণাই নৈত ৺ৰ লগ ললেগৈ। তাতে থাকি ৺এ ৰংপুৰ লবলৈ চিপাহী ৫০টা লগত দি চাহাব দুটা পঠালে। আমাৰ মানুহো সেই লগে কিছু দিলে। ইবোৰ গৈ মগলুঙীয়েকৰ পুখুৰী পাওঁতেই মোৱামৰীয়াই ৰণ ধৰিলেহি। পাচে মোৱামৰীয়া পৰাস্ত হ'ল। এই বাৰ্ত্তা ৺লৈ জনাই পঠালে। এই বাৰ্ত্তা কাপ্তানে শুনি চিপাহী বাৰেটা লগত লৈ সেই চিপাহীৰ লগ ললেগৈ। ভটীয়াপাৰৰ সেইখনিতো কিছু ৰণ হ'ল। সেই ৰণতো মোৱামৰীয়া পৰাস্ত হৈ ৰংপুৰ এৰি উজাই ভাগি গ'ল। কাপ্তানে ৰংপুৰ ললে। এই বাৰ্ত্তা কাপ্তানে ৺লৈ জনাই পঠালে। মোৱামৰীয়াও ভাগি গৈ দিখৌ পাৰ হৈ ৰ'লগৈ। মোৱামৰীয়া ভগা কথা শুনি ৺এ আনন্দক লভিলে। আনো লোকজন সকলেও আনন্দক পালে। ২৪২ ॥

**স্বৰ্গদেৱৰ ৰংপুৰ প্ৰবেশ।**—পাচে ৺ও শীঘ্ৰে গৈ ৰংপুৰৰ নগৰ ললে, শক ১৭১৫, মাস চৈত্ৰৰ ২২ দিন যাওঁতে। কেন্দুগুৰীয়া বৰপাত্ৰ, মাজুৰীয়াল বৰগোহাঁই, এই দুজনা ডাঙৰীয়া বামে গৈ দিনাদিয়েকৰ পাচত ৺ৰ লগ ললে। আৰু বাচকটীয়া সকলো মানুহখনি সৈতে লাহনৰ বৰবকৱাই আহি সোণাই নৈতে ৺ৰ লগ ললে। ৺ও বাচকটীয়াৰ পূৰ্ব্ব দায়-অপৰাধ ক্ষমা কৰি তাকে বৰবকৱা পাতিলে। মোৱামৰীয়াও ভাগি গৈ লেচাঙৰ কোখত আছিলে। তাৰে পৰা বেংমৰীয়াবোৰক অনাই পুনৰ ৰংপুৰলৈ ৰণলৈ আহি ওঁৰিকা পালেহি। পাচে কাপ্তান, চোট চাহাব, এই দুই চিপাহী সহিতে গৈ ধৰিলে। মোৱামৰীয়া মৰাণ ইহঁতে খেদি আহি চিপাহীক চাৰিওকালে বেঢ়ি ধৰিলেহি। পাচে চিপাহীয়ে মাজৰ পৰা গুলিয়াৰ ধৰিলে। মোৱামৰীয়া বিস্তৰ পৰিল। বৰ নোৱাৰি

মোৱামৰীয়া ভাগি উজাই গ'ল। চোটচাহাবে চিপাহী সৈতে আহি ৺ৰ লগ ললেহি। ২৪৩ ॥

**কাপ্তানৰ অসম ত্যাগ।**—এনেতে কলিকতাৰ পৰা বৰচাহাবে "তাত নেথাকিব" বুলি ডাকতকৈ লিখা এখন দি পঠালে। সেই লিখাত আৰু অনেক লিখিছিল। পাচে কাপ্তানে সেই লিখা পাই যাবলৈ যুক্তি হ'ল। সেইবেলা ৺ৰ ৰংপুৰ বাহৰত যি দ্ৰব্য-বস্তু আছিল, তাক বঙ্গালে নাৱত তুলি ললে। বস্তুৰ লেখা,—সোণৰ অলঙ্কাৰ ৪০০০০০ টা, ৰূপৰ ৪০০০০০ টা, সোণ ২০০০,০০০০ টকা। আৰু তাম, কাঁহ, পিতল, বস্ত্ৰ-অলঙ্কাৰ যিমান নিলে তাক লেখি কোনে অন্ত পাব? নাও ২০০০ খন, দঁতাল হাতী ১টা, মাখুন্দী ১টা, হিলৈ ৪০০০টা, এইবোৰ লৈ ১৭১৬ শকৰ জেষ্ঠ মাস সকল চাহাব চিপাহী সৈতে ভটীয়াই কলিকতালৈ গ'ল। আৰু পূৰ্ব্বতে ৺এ চেটিয়া বৰফুকনক, দিলিহিয়ালৰ কটকী কামদেৱক লগত দি গুৱাহাটীলৈ পঠালে। কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া মন্ত্ৰণা কৰি কাপ্তানৰ লগৰ চিপাহী দিনা আৰু ফকিৰচন্দ এই দুইক ৰাখিলে। ২৪৪ ॥

**দিচৈত স্বৰ্গদেৱ।**—পাচে সেই জেষ্ঠ মাসত ৺ও দিচৈলৈ আহিল। ৰংপুৰৰ বাহৰত থৈ আহিল কেন্দুগুৰীয়া বৰপাত্ৰ ডাঙ্গৰীয়া, মাহুৰিয়াল বৰগোহাঁই ডাঙ্গৰীয়া, লাহনৰ বাচকটীয়া বৰবৰুৱা, বুঢ়াগোহাঁই-ফৈদীয়া ডেকাফুকন, গুৱাহটীয়া ডেকাফুকন আতত বৰপাত্ৰ খেলৰ লুখুৰাখুন, চয়নীয়া গোহাঁইৰ দিহিঙ্গীয়া ফুকন, বকতিয়ালৰ মঞ্জয় নাওবৈচা ফুকন, বুঢ়াগোহাঁই-ফৈদীয়া ৰাজনেওগ-ফুকন, ওকণিমৰীয়া চেটিয়াৰ চাঙ্গকন ফুকন, এইবোৰক থৈ আহি দিচৈ পালে। পাচে ডাঙ্গৰীয়া বাহৰ এখনি কৰাই দিলে। সেই বাহৰতে ৺ও থাকিল। এনেতে ৰণ-ভগনীয়া মোৱামৰীয়া হাজাৰদিয়েকে গোট খাই আহি ৰংপুৰত ধৰিলে। পাচে আমাৰবোৰে জুৰিব নোৱাৰোঁ যেন দেখি ওলাই গুচি আহি দিচৈত ৺ৰ লগ ললে। ২৪৫ ॥

**কোম্পানিৰ চানেকিৰে অসমীয়া সৈন্যৰ শিক্ষা।**—সেই-বেলা দিচৈত বহুত বাঘে মানুহ খাইছিল। পাচে ডাঙ্গৰীয়া বাঁহৰ চিলিঙ্গি

কেওবাবে ভেঁটি বাঘ মাৰি বনৰীয়া ম'হ অনাই ও ধৰাই ৺ক ৰং দেখাইছিল। সেই সময়তে কাপ্তানে গৈ কলিকতা পাই বৰুভিয়ালৰ বৰবৰুৱা, চিৰিঙৰ চোলাধৰা ফুকন, এই দুইক ৺ৰ লগলৈ পঠাই দিলে। তেওঁবোৰো আহি ধিচৈতে ৺ৰ লগ ললেহি। সেইবেলা ৺এ দুৰ্গোৎসৱ, কল্পৎসৱ কৰিলে। দেশ-ৰাজ্য চাবলৈ ভিতাৰবৰ হাটলৈ গৈছিল। এইৰূপে ৰং-আনন্দ কৰাই দিচৈৰ বাহৰতে আছিল। সেইবেলা কুঁৱৈগএগ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া বচা-দৈয়াঙ্গ আৰ মানুহ দি সেই দুই চিপাহীৰ হতুৱাই পাথৰকলাই হিলৈৰ কেৰাজ শিকালে। হিলৈ নাইকিয়াভ টাঙ্গন, কানমাৰি হাতভ দি শিকালে। হিলৈ-খাৰ আনিবৰ নিমিত্তে ধন কিছু দি কটকী বেজীয়া, ৰবাগী দত্ত এইইভক ৺এ কলিকতালৈ পঠালে। পৰ্ব্বতীয়া আইকুঁৱৰীদেও আইদেউতি সৈতে গুৱাহাটীতে আছিল। সেইবেলাৰ পৰাহে আমাৰ দেশত পাথৰকলাই হিলৈ প্ৰবৰ্ত্তিল। চেটিয়া বৰফুকনক ৺এ সোণৰ জাপি-চুলা, চন্দ্ৰতাপ, ডাঙৰীয়াবোৰৰ শাৰীত বহিবলৈ এতৰপীয়া ভলচা এই মৰ্য্যাদা দিলে। ২৪৬ ॥

**চেটিয়া বৰফুকনৰ দ্ৰোহ।**—এই মৰ্য্যদা পাই অন্ধভাও হৈ গুৱাহাটী পাই কিছুদিন থাকি ৺ক বিদ্বেষ কৰিবলৈ চিত্ত কৰি জামাদাৰ হাজাৰাচিং বঙ্গালক কিছু চিপাহী সৈতে আনি লগত ললে। পাচে মত্তভাও হৈ তুঙ্গখুঙ্গীয়া বাহৰ বাপী গোহাঁইৰ পুতেকক, দিলিহিয়ালৰ কটকী কামদেউ, মাচুৰিয়ালৰ সলাল গোহাঁই হেলিমেলি, বদল ৰাজখোৱা, এইবোৰে মন্ত্ৰণা কৰি অনাই গুৱাহাটীত ৰজা পাতিলে। সেইবেলা সন্দিকৈৰ পানীফুকন, লানমাখৰু ফুকন, আনো গুৱাহটীয়া ফুকন ৰাজখোৱা কেৱে ৰজা নললে। পাচে চেটিয়া বৰফুকনে ৺ৰ গুৰু পহুমৰীয়া ন-গোসাঁই মাজিউঙ্গনাৰ ডাঁৰি ধন কিছু ললে। পাচে গোসাঁয়ে, গুৱাহটীয়াবোৰে এই সকলো বৃত্তান্ত ৺লৈ জনাই পঠালে। পাচে ৺এ শুনি ডাঙৰীয়াবোৰে সৈতে সমালোচন হৈ চেটিয়া বৰফুকনক ধৰিবলৈ লুথুৰাখুনৰ ডেকাফুকন, লানমাখৰুৰ খাৰঘৰীয়া ফুকন, ব্ৰাহ্মণ তামুলীফুকন, এই তিনিক আনি ৺এ ৰহস্যে বুলিলে, বোলে,—“তইঁতে গৈ

গুৱাহাটী পাই কলে-কাশে ফুকনক যেনেকৈ পাৰ ধৰি মোৰ ঠাইলৈ আনিবি।” ২৪৭ ॥

**চেটিয়া বৰফুকনক ধৰাৰ চেষ্টা।**—আৰু বুঢ়াগোহাঁই-কৈদীয়া ডেকাফুকনক আনি ৺এ বুলিলে, বোলে,—“ফুকনে গা-মানুহখনি লৈ কলীয়াবৰলৈ গৈ ছল-চন্দ কৰি সলাল গোহাঁইক ধৰি আনিবা।”—এইবুলি ৺এ চাৰিকো পাঁচিলে। ডেকাফুকন কলীয়াবৰত থাকিল। ই তিনিজনা গৈ গুৱাহাটী পালে। পাচে বৰফুকনে—“মোক ধৰিবলৈকে আহিছে” বুলি জানিলে; “এতেকে ইহঁতক মই আগে ধৰোঁ।” এই কথা শুনি ফুকন দুজনা পলাল। তামুলী-ফুকনক ধৰিলে। ব্ৰাহ্মণ দেখি নেমাৰি বন্দীকৈ ৰাখিলে। ডেকাফুকনকো কলীয়াবৰৰ পৰা সলাল গোহাঁয়ে খেদি পঠালে। পাচে এই কথা ৺এ শুনি বাৰ্ত্তা অনা তাৰে বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰক পঠাই চেটিয়া ফুকনক ধৰি দিবলৈ গুৱাহটীয়া সকলো ফুকন ৰাজখোৱাত কোৱালে; সিবোৰেও গাত ললে। ২৪৮ ॥

**হাজাবাসিং বঙ্গাল।**—এনেতে ন-গোসাঁই মাজিউজনে বুঢ়াগোহাঁই-কৈদীয়া জাতি ৰাজখোৱাত মানুহ পঠাই কলে, বোলে,—“বৰফুকনক ধৰিব লাগিলে হাজাবাচিং বঙ্গালক ৰূপ কিছু দিম বুলি তুমি গাত লবা। ধন-লোভী বঙ্গাল, এতেকেহে ফুকনক সেয়ে ধৰি দিব।” পাচে ৰাজখোৱাই বঙ্গালেৰে ৰূপ ১০০০০ টকা দিম বুলি কথা হৈ সেই বঙ্গালৰে হতুৱাই বৰ-ফুকনক ধৰাই বন্দী কৰালে। সেই জাতি ৰাজখোৱাকে সকলেও বৰফুকন পাতিলে। ফুকন হৈ তিনি দিন আছিল। এতেকে দুৱৰাৰ সেনাপতি বৰ-ফুকনৰ পুতেকে সেই হাজাবাচিং বঙ্গালক ৰূপ তিনিকুৰি হাজাৰ দিম বুলিলে। পাচে বঙ্গালে সেনাপতি ফুকনৰ পুতেকক বৰফুকন পাতিলে। বৰফুকন হৈ গুৱাহটীয়া সকলো ফুকন ৰাজখোৱাৰে কথা হৈ চেটিয়া বৰ-ফুকনৰ চকু কাঢ়িলে। পাচে বঙ্গালে দিম বোলা ধনলৈ ধৰিলে। পাচে বৰফুকনে দিবলৈ নাইকিয়াত উপায় নেপাই কামাক্ষা, মাধৱ আদি কৰি দেৱালয়লৈ গৈ গোসাঁইৰ সোণৰ কোষা-অৰ্ঘা আদি কৰি সোণৰ ৰূপৰ পাত্ৰ-সকল আনি তাকে ভঙ্গাই বঙ্গালক ৰূপ ৬০০০০ হাজাৰ টকা দিলে। ২৪৯ ॥

**চেটিয়া ফুকনৰ বিচাৰ।**—এনেতে গুৱাহটীয়া সকল ফুকন বাজ-খোৱাই কটকী পঠাই ৺লৈ জনালে, বোলে,—"আমি বন্দীহঁতে চেটিয়া ফুকন আৰু কোঁৱৰটি, এই দুইক ধৰি বধা দি থৈছোঁ, ৺ৰ যি আজ্ঞা তাকে কৰা যাব।" পাচে কটকীয়ে দিন-ৰাত্রি শীঘ্রে আহি ৺ত জনালে। ৺এ শুনি আনন্দ হৈল। আনো ডাঙ্গৰীয়া, বৰুৱা, ফুকন, এইসকলেও অতি হর্ষযুক্ত হ'ল। পাচে ৺এ চেটিয়া ফুকনক আনিবলৈ লাহনৰ দোলাষৰীয়া বৰুৱা লম্বোক পঠালে। পাচে দোলাষৰীয়া বৰুৱা গৈ গুৱাহাটী পাই ৺ৰ আজ্ঞায়ে কটকী কামদেৱৰ চক্ষু কাঢ়ি হাড়ী-অন্ধ দিলে, লুখুৰাখনৰ ধোঁৱা-খোৱা ধৰাটোক কচি কাটিলে। বৰফুকন, বদন, পাঁচনি, কোঁৱৰ, এইবোৰক উজাই আনিলে। দিচৈ পাই দোলাষৰীয়া বৰুৱাই বৰফুকনকে মোক্ষ কৰি সকলকো ৺ক ভেঁটালে। সেই লগত লান্‌মাখৰুৰ দিহিঙ্গীয়া ফুকনো আহিছিল। পাচে ৺এ কুঁৱৈগঞা মহামন্ত্রী বুঢ়াগোহাঁই ডাঙ্গৰীয়া বিদ্যমানে দোলাষৰীয়া চৌৰাৰ মুখতে ফুকনক দায় ধৰি সুধিব দিলে। পাচে আহি ৺ৰ আজ্ঞায়ে ফুকনক অনাই ডাঙ্গৰীয়া বিদ্যমানে সুধিলে, বোলে,—"৺এ ফুকনত সুধিব দিছে, বোলে,—'মই তাক কি কৰিলোঁ? বিশেষতঃ ফুকন কছাৰী-কুমাৰ, তাক ফুকন পাতিবই নেপাওঁ। যিহেতু তাৰ অর্থে কাপ্তানে মোত অত্যন্তৰূপে জনালে এতেকেহে ফুকন পাতিলোঁ। সম্প্রতি তই কি নিমিত্তে ৰজা পাতিলি আৰুনো তই কি হব খুজিলি'?" এইৰূপ শুনি বৰফুকনে সকল দায় গাত ললে। ২৫০ ॥

**চেটিয়া ফুকনৰ দণ্ড।**—পাচে ৺এ অনেক বিকর্ষনা কৰি তাক গালি পৰালে। পাচে কোবেৰে কুৰি-কাটি মুণ্ডটো পিঙ্গ দিলে। পাঁচনিটোৰ চক্ষু, ঘিলা কাঢ়ি পথাৰত পেলাই থলে, দিনাদিয়েকৰ মুৰত মৰিল। কোঁৱৰটিকো দণ্ড কৰি খেদিলে। কামদেউ কটকীক হাড়ীৰ পুৰোহিত কৈ কর্ম্ম কৰাবলৈ দিলে। ২৫১ ॥

**জোগানগিৰিৰ গুৱাহাটী অধিকাৰ।**—আতপাচে জোগান-গিৰি নামেৰে বঙ্গাল এটা কিছু চিপাহী সৈতে আহি গুৱাহাটী ললে।

বৰফুকনো ৰব নোৱাৰি হুঁহকি আহি কাজলীত ব'লহি। পাচে এই কথা ৺এ শুনি বুঢ়াগোহাঁই-কৈদীয়া মৰঙ্গিখোৱা গোহাঁই, সন্ধিকৈৰ ওপৰ-দৈয়ঙ্গীয়া ৰাজখোৱা ভোমোৰাকলীয়া, এই দুইক গা-মানুহখনি সৈতে ভটীয়াই পঠালে। আৰু ৺এ এই আজ্ঞা কৰিলে, বোলে,—"সলাল গোহাঁয়ে বাৰম্বাৰ আমাক দ্ৰোহ চিন্তিবৰ মন কৰি আছে, ডেকাফুকনকো আজ্ঞা নামানি খেদি পঠালে। এতেকে তহঁতে যাওঁতে উপায় মন্ত্ৰণাৰে সলাল গোহাঁইক ধৰিহে গুৱাহাটী যাবি।" পাচে মৰঙ্গিখোৱা, ওপৰ-দৈয়ঙ্গীয়া ৰাজখোৱা, দুয়ো ৺ক সেৱা কৰি গৈ কলীয়াবৰ পাই আক্ৰুহি ভট্টাচাৰ্য্যৰ বালিতে থাকি কটকী পঠাই সলাল গোহাঁইক তালৈকে অনালে।

পাচে বাঁহবৰীয়াৰ কটকী গৌৰীয়ে সলাল গোহাঁইক ভণ্ডেৰে আজ্ঞা কলে, বোলে,—"৺এ মৰঙ্গিখোৱা, ৰাজখোৱা, এই দুইক গুৱাহাটীৰ বঙ্গালৰ ৰণলৈ পঠাইছে। তুমি সলাল গোহাঁই কলীয়াবৰতে থাকি এওঁবোৰৰ লগত মানুহ, খাৰ, আহিলা, চাউল, এইবোৰ চেষ্টাকৈ দিবলৈ ৺এ আজ্ঞা কৰিছে।" এইৰূপ শুনি 'ভাল' বুলি সলাল গোহাঁই হেলি-মেলিয়ে গাত ললে। পাচে গোহাঁই থকা বহালৈ গ'ল। পাচদিনা মৰঙ্গি-খোৱা, ৰাজখোৱা ইবোৰো ভটীয়াই মিছামুখলৈ গ'ল। তাতে তিনি দিন থাকি পাচে বাঁহবৰীয়াৰ কটকী ৰামেশ্বৰক পঠাই সলাল গোহাঁইক সৌভাগী মাধৱলৈ অনালে। সেইদিনা আহোঁতে সলাল গোহাঁইৰ বাটত আৰোয়ানৰ নাল ছিগিল। আহি মাধৱ পালে, এনেতে মৰঙ্গিখোৱা, ৰাজখোৱা ইবোৰো সেই মাধৱলৈকে গ'ল। সেইবেলা ৺ৰ আজ্ঞাৰে বাঁহবৰীয়াৰ কটকী গৌৰীয়ে আজ্ঞা শুনাই গোহাঁইক ভাঙ্গি ধৰিব দিলে। দোলাবৰীয়া বৰা, চাওডাঙ্গৰ বৰা, দা-ধৰা বৰা, এইহঁতে গোহাঁইক ধৰিলে। লগৰ মানুহো ধৰিব লগা গোটাচাৰেক ধৰিলে। ২৫২ ॥

**হেলিমেলি সলাল গোহাঁইৰ দণ্ড।**—পাচে মিছামুখলৈ আনি গোহাঁইক লোৱা দি গঁৰালত থলে। পাচদিনা গোহাঁইৰ চকু কাঢ়িলে। লগৰ মানুহ গোটাচেৰেক কাটিলে। এনেতে লাহনৰ দোলাবৰীয়া বৰুৱা লখো পালেগৈ। বৰুৱাৰ হাতত গোহাঁইক শোধাই দি ক্ৰমে ইবোৰ

ভটীয়াই গ'ল। বৰবাও গোঁহাইক কিছু উজাই আনি কেৱৰ সত্ৰত ওচৰত ৺ৰ আজ্ঞাবে গোঁহাইক টঙ্গনিয়াই মাৰিলে। ঘৰ লুড়ি ৺ৰ ঘৰলৈ আনিলে। পাচে মৰঙ্গিখোৱা, বাজখোৱা নগাওঁ পাই মাছুৰিয়ালৰ ছুৰুলীয়া গোঁহাইক কছাৰীপাবৰ পৰা অনাই আউনীআটীৰ বাগিতে ৺ৰ আজ্ঞাবে সলাল গোঁহাই পাতিলে। বাঁহবৰীয়াৰ কটকী গৌৰীয়ে আজ্ঞা শুনালে। পাচে গোঁহাই পাতি বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰক লগত দি গোঁহাইক কলীয়াবৰলৈ উজাই পঠালে। পাচে ইবোৰ ভটীয়াই গৈ কাজলীমুখ পালে। তাতে কোঁঠ কৰি আছিল। ২৫৩ ॥

**নিয়মৎ-উল্লাৰ গুৱাহাটী অধিকাৰ।**—এনেতে পূৰ্ব্বে কলিকতা-লৈ যোৱা কটকী বেজীয়া, বৰাগী দত্ত এইহঁতে নিয়মৎ-উল্লা চুপাদাৰক কিছু চিপাহী সৈতে লৈ আহি সেই চিপাহীয়ে গুৱাহাটী ললে। সেই ৰণত হাজাৰাচিং বঙ্গাল পৰিল। আনো বঙ্গাল বিস্তৰ মৰিল। বৰ-ফুকনো কাজলীৰ পৰা গুৱাহাটীলৈ গ'ল। মৰঙ্গিখোৱা, ওপৰ-দৈয়ঙ্গীয়া বাজখোৱা, উজাই আহি দিচৈত ৺ক সেৱা কৰিলেহি। পাচে কটকী বেজীয়া, বৰাগী দত্ত এই দুয়ে নিয়মৎ-উল্লা চুপাদাৰক চিপাহী সৈতে গুৱাহাটীত বৰফুকনৰ লগত থলে। হিলৈ শাৰখনি লৈ আহি দিচৈত ৺ৰ লগ ললে। পাচে মহামন্ত্ৰী বুঢ়াগোঁহাই ডাঙ্গৰীয়া সেই হিলৈ থাৰ বচা-দৈয়ঙ্গীয়াৰ শিকোৱা চিপাহীক দি কুৰ্ত্তি টুপী দি চিপাহী পাতিলে। ২৫৪ ॥

**গৌৰীনাথ সিংহৰ মৃত্যু।**—আতপাচে ১৭১৭ শকৰ শ্ৰাৱণ মাসত ৺ৰ গ্ৰহণী নৰিয়া টান কৰিলে। পাচে ৺এ কুঁৱৈগএগ্ৰা মহামন্ত্ৰী বুঢ়া-গোঁহাই ডাঙ্গৰীয়াক অনাই বুলিলে, বোলে,—"ডাঙ্গৰীয়া, ইবাৰ মোৰ গাৰ ধাৰণ ভাল পোৱা নাই, এতেকে তুমি মোৰ দেশ-ৰাজ্যখনি প্ৰতিপাল কৰি থাকিবা। আৰু মোক বাচকটীয়া বৰবৰুৱাই অনেক অকথা কহিলে, এতেকে যদি পাবা তাক মাৰি মোৰ মনৰ খেদ গুচাবা।" পাচে ডাঙ্গৰীয়া সেই দিনাই বৰবৰুৱাক অনাই ভিতৰলৈ নি ৺ৰ আজ্ঞাৱে ধৰি বন্দী কৰিলে। পৰদিনা গৌৰীনাথ সিংহ ৺ও স্বৰ্গী হ'ল, শক ১৭১৭,

মাস শ্ৰাৱণ। তগা নৈতে ৰাজ্য ভোগ ১৬ বৎসৰ। পাচে দিচৈৰ বাহৰৰ নামে নৈৰ সন্নিকটত ৺ক কাঠ-সংস্কাৰ কৰিলে। অস্থি পৰ্ব্বতত নি মৈদাম কৰিলে। অস্থিৰ লগত মিৰি-সন্দিকৈৰ দিহিঙ্গীয়া ফুকন, চেটিয়া-পাতৰ বৰুৱা গৈছিল। ২৫৫ ॥

**তিনিৰতীয়া মোহৰ।**—গৌৰীনাথ স্বৰ্গদেৱো দিচৈতে থকাত কড়ি নাইকিয়া দেখি দান-দক্ষিণা দিবলৈ তিনিৰতীয়া মৰালে। সেই সময়ৰে পৰা তিনিৰতীয়া হ'ল। পাচে ব্ৰাহ্মণীয়া মতে কৰ্ম্ম কৰি দান-দক্ষিণা কৰি মহন্তসকলক আনি সভা কৰিলে। ২৫৬ ॥

---

## দশম অধ্যায়।

### স্বৰ্গদেৱ কমলেশ্বৰ সিংহ।

**সিংহাসন আৰোহণ।**—গৌৰীনাথ সিংহ ৺ৰ মৃত্যুৰ পাচত কুঁৱৈগএগ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া, মাজুবিয়াল বৰগোহাঁই ডাঙৰীয়া, কেন্দুগুৰীয়া বৰপাত্ৰ ডাঙৰীয়া, আনো বৰুৱা ফুকন সকলেও সমালোচন হৈ কদ্ৰসিংহ ৺ৰ ভ্ৰাতৃ লেচাই নামৰূপীয়া ৰজাৰ নাতিয়েক চাহিঙ্গীয়া ৰজাৰ পুত্ৰ কমলেশ্বৰ সিংহ ৰজাক আনি সেই শকে মাসে দিচৈৰ বাহৰত ৰজা পাতিলে। কলিকতালৈ ছাব দিবৰ নিমিত্তে নাম দিলে কমলেশ্বৰ সিংহ। ২৫৭ ॥

**নতুন বৰবৰুৱা।**—৺দেৱ দিচৈৰ বাহৰত ৰজা হৈ ডাঙৰীয়াবোৰ বিদ্যমানে সেই পানীশলীয়া বৰবৰুৱাত দায় ধৰাই সোধালে। পাচে সোধত বৰবৰুৱা ঘাটি দায় গাত ললে। পাচে সেই শ্ৰাৱণ মাসতে বৰবৰুৱাক টঙ্গনীয়াই মাৰিলে। শটো পোতালে। বৰফলীয়াৰ হাতে মৈদামটি কৰালে। পাচে সেই শকৰ আশ্বিন মাসত সন্দিকৈৰ অধৰি তগা বৰবৰুৱাকে বৰবৰুৱা ৺এ পাতিলে। সেইদিনাই তুৰবাৰ নিয়াসোধা ফুকনক তিতবৰাল ফুকন পাতিলে। নবা-কোঁৱৰ চাহিঙ্গীয়া বাহৰ পুৰণা ঢুলীয়া বৰুৱা ভাগি আছিল, তেওঁকে ন-ফুকন পাতিলে। ২৫৮ ॥

**কলীয়াভোমোৰা বৰফুকন।**—আতপাচে সন্দিকৈৰ ভোমোৰা-কলীয়া ওপৰ-দৈয়ঙ্গীয়া ৰাজখোৱা আছিল। তেওঁ বঙ্গালৰ শেহ-মহীয়া ধন দিবলৈ গাত ললে। পাচে ৺এ তেওঁকে বৰফুকন পাতিলে। সেই প্ৰস্তাৱত উত্তৰকূলে ডকলাই গাওঁ ভাঙ্গিছিল, আৰু দেশভগনত মানুহো ভাগি গৈ দেশে-দেশে সোমাই আছিল। পাচে ৺এ কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সৈতে সমালোচন হৈ সেই শকৰ কাৰ্ত্তিক মাহত ৺এ সন্দিকৈ বৰবৰুৱা, ভতিজাক বৰফুকন, এই দুইক দেশৰ জঞ্জাল ভাঙ্গিবৰ নিমিত্তে ৺এ আজ্ঞা কৰিলে। সেই লগে ব্ৰাহ্মণ তামুলী-ফুকনকো দিলে। পাচে বৰবৰুৱা, বৰফুকনে ৺ক সেৱা কৰি কিছু চিপাহী লগত লৈ নাৱেৰে ভটীয়াই গ'ল। পাচে কলীয়াবৰ পাই বৰবৰুৱা চিলাবন্ধা বিলৰ কোষত কোঁঠ কৰি ৰ'ল। তাৰ পৰা বৰফুকন গুৱাহাটীলৈ গ'ল। সেই সময়তে বাপাৰ কৰাত ফিৰিঙ্গি বোৰ চাহাবক দৰঙ্গত দুন্দীয়া নাঙ্গটা বঙ্গালে মাৰি তাৰ নাও লুট কৰি নিলে। পাচে বৰফুকনে গুৱাহাটীত থাকি হৰদত্ত চৌধাৰীক ধৰি মাৰিলে। তাৰ পুতেক, ভায়েকৰ চকু কাঢ়ি ৺ৰ ঠাইলৈ দি পঠালে। ২৫৯ ॥

**দুন্দীয়া দমন।**—পাচে বৰবৰুৱা বাঁহবৰীয়াৰ কটকী ৰামদেউক পঠাই গুৱাহাটীৰ পৰা বৰফুকনত কোৱাই নিয়মৎ-উল্লা চুপাদাৰক চিপাহী সৈতে অনাই বৰবৰুৱা লগত ললে। সেই সময়তে দুন্দীয়া বঙ্গাল আহি গুৱাহাটীৰ উত্তৰপাৰ ললে। পাচে বৰফুকনে বজুচিং, আলোচিং, এই দুই জামাদাৰ সৈতে ধৰি পাৰ হৈ দক্ষিণপাৰ উঠাত কামাখ্যাৰ ঘাটত সেই দুন্দীয়াক জিনিলে। সেই ৰণত বঙ্গাল বিস্তৰ পৰিল। এই কথা ৺এ শুনি আনন্দ হৈ বৰফুকনক সোণৰ জাপি-চূলা দি প্ৰতাপবল্লভ নাম দিলে। সেইবেলা সন্দিকৈৰ পানীফুকনক ভাঙ্গি ৺এ দল চেটিয়াৰ ডেকাফুকনৰ গাত জাপি দিলে। ২৬০ ॥

**কছাৰী ৰজালৈ দিয়া চিঠি।**—আতপাচে বৰবৰুৱা চিলাবন্ধাত থাকোঁতে ৺এ কছাৰীৰ ৰজা কৃষ্ণচন্দ্ৰ নাৰাণৰ ঠাইলৈ শীতলিয়ালৰ কটকী

ফেদেলা, কটকী-বৰা লখাৰাম, এই দুইক পত্ৰ-সন্দেশ দি পঠালে। পত্ৰো এই,—

স্বস্তি শ্ৰীমৎ-পুৰন্দৰাদি-দিবিষদ্বৃন্দ-বন্দিত-নগেন্দ্ৰ-নন্দিনী-চৰণ-দ্বন্দ্বাৰবিন্দ-মকৰন্দামোদানন্দিত-স্বান্তৰালম্ব-হেড়ম্বেশ্বৰ-শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ-নৃপবৰেষু লিপি-ৰিয়ং বিৰাজতেতৰাং। চিৰমস্মাকং ভবন্তব্যং সমীহামহে।

বিশেষ সমাচাৰ এহি, আমাৰ দেশ-বিভ্ৰাট কালে শত্ৰু-পৰাভৱত থাকি দেশস্থ প্ৰাণীসকল ভাগি গৈয়া বৰমুৰা এবং ভগনীয়া প্ৰজা ও মোৱামৰীয়া আপনে দেশতে সোমাই আছিল। সম্প্ৰতি ঈশ্বৰৰ কৃপাত সেই শত্ৰু দমন কৰিয়া দেশ পাইছি; এবং আপনে দেশত ভাগি গৈ সোমাই থকা জনসকল পূৰ্ব্ব-ধৰ্ম্ম কবুল চাইয়া শীঘ্ৰে আমাৰ কটকী ফেদেলা ও বৰা লখীৰাম ইহাৰ সঙ্গেতে ছাৰি দিতে হয়। তেবেতো পূৰ্ব্ব পিতা-পুত্ৰ সম্বন্ধ ৰক্ষা হয়, সকল ধৰ্ম্মো ৰক্ষা পায়। যদিস্যাৎ সেই বৰমুৰা এবং ভগনীয়া ও মোৱামৰীয়া ছাৰি দেয় না তবে যি হবে তাহা আপনে চাক্ষু দেখিবেন। আৰ পত্ৰ-চিহ্ন দিতেছি, পশ্চিবেন। হাতীদাঁতৰ ডাবেৰে সোণৰ মলমা কৰা কটাৰী দুখান, ৰূপৰ মলমা কৰা দুখান, পিত্তলুৱা ৪ খান, মহৰ শিঙ্গৰ ডাবেৰে উকা ২০ খান, ৰঙ্গা পাটৰ ধুতি ৪ খান। ইতি, শক ১৭১৭, মাস আঘ্ৰণ, তেৰিখ ৫। ২৬১॥

ডফলা ৰণ।—এই পত্ৰ-সন্দেশ লৈ কটকী বৰবৰুৱাৰ লগাই খাচ-পুৰলৈ গ'ল। আতপাচে বৰবৰুৱা সেই চিলাবন্ধা কোঁঠত থকাতে এনেতে উত্তৰকূলৰ ডফলা-বহতীয়া, ভগনীয়া এঠাই হৈ আহি দুইমুনিশিলৰ ঘাটে লোহিত পাৰ হৈ ৰণ ধৰিলেহি। পাচে বৰবৰুৱা শুনি সেই ৰণলৈ তিনি কোম্পানি চিপাহী উলিয়াই দিলে। ইহঁতে গৈ নৈৰ ঘাটতে পাই গুলিয়াব ধৰিলে। পাচে ডফলা বৰ নোৱাৰি ভাগি গৈ নাৱত উঠিবলৈ ধৰাত আন্দোলা-আন্দুলি লাগি পানীত পৰি পৰি বিস্তৰ ডফলা মৰিল। গুলীতো কিছু পৰিল। মানুহ গোটাচাৰেক জীয়াই ধৰি আনিলে। পাচে

বৰবৰুৱা সেই কেইটা কাটি তাৰ মুণ্ড ডুইমুনিশিলৰ কোৰত পিং দি থলে। পাচে বৰবৰুৱাই এই ৰণ জয় হোৱা বাৰ্ত্তা ৵লৈ জনাই পঠালে। ২৬২ ॥

**মহন্তৰ পৰা ৰৰঙ্গণি।**—আৰু সেই কটকীতে কৈ জনাই আহিছিল, বোলে,—"বঙ্গালক মইীয়া ধন দিবলৈ নাই।" কটকীয়ে আহি বুঢ়াগোহাঁই ডাঙ্গৰীয়াত কলে। পাচে ডাঙ্গৰীয়া ৵ত জনালে। ৵এ শুনি আনন্দ লভিলে। পাচে ৵এ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সৈতে আলচি মহন্ত-সকলৰে ধন তুলি বঙ্গালক দিবলৈ আজ্ঞা কৰিলে। পাচে বৰবৰুৱা চাৰিসত্ৰকে মোক্ষ কৰি সকল মহন্তৰ খাটনিয়াৰ মহন্তক অনাই ললে ৰূপ বৰসত্ৰত ৪০০০ টকা, মজলীয়াত ৪০০ টকা, সৰুত ১০০ টকা, তাতকৈ সৰুবোৰত ৫০ টকা, এই দৰে লৈ চিপাহীক মইীয়া ধন দিলে। ২৬৩ ॥

**কছাৰী ৰজাৰ চিঠি।**—পাচে ৵এ দিহিঙ্গীয়া ফুকনক বৰবৰুৱাৰ লগলৈ পঠালে। ফুকনে গৈ কলীয়াবৰতে বৰবৰুৱাৰ লগ ললে। আত-পাচে বৰবৰুৱা, সলাল গোহাঁই, দিহিঙ্গীয়া ফুকন, তামুলী-ফুকন, এইসকলে আলচি কলীয়াবৰে লোহিত পাৰ হৈ উত্তৰে দুলিঙ্গিয়ালৰ বালিত কোঁঠ কৰি ৰ'ল। সেই কোঁঠতে নতুৰবীয়া, ছয়তুৰবীয়া এই তুয়ো খেলৰ ডকলা আহি ৰবিলহি। আৰু আমাৰ কটকী ফেদেলা ও কছাৰী ৰজা কৃষ্ণচন্দ্ৰ নাৰাণৰ কটকী সাগৰফা, ফেলা এই দুই উকীল সৈতে আহি সেই কোঁঠ পালেহি। পাচে বৰবৰুৱা কছাৰীৰ ৰজাৰ দুই উকীলক বোজবাজ দি নিৰন্ধে থৈ পাচে সেই কটকীক বৰবৰুৱা ধাৰাপে তুলিলে। পত্ৰো শুনিলে। কছাৰী ৰজাৰ ঠাইৰ সাগৰফা, ফেলায়ে অনা এই পত্ৰ :—

৵, স্বস্তি শ্ৰীমদ্বৃন্দাবন-বাস-স্থানাধিষ্ঠিত-শ্ৰীশ্ৰীমদ্ৰাধা-গোবিন্দামল-চৰণাৰবিন্দয়োঃ গলন্মকৰন্দ-নিস্পন্দমান-পানানন্দিত-মত্ত-মধুব্ৰতানুমানস শ্ৰীযুক্ত-ভদ্ৰকান্ত-বৰবৰুৱা-ৰাজধৰ্ম্মানুশালি-নিয়ম-সুব্ৰত-সচিবৰবেষু। ভৱত্তদ্ৰোমতীঃ ৵ধাৰা সমনিশং ভবেয়মৎত্ৰ ক্ষেমমাস্তেভৱাং।

বিশেষঃ যখন গাৰ শত্ৰু মধ্য হৈতে শ্ৰীকদ্ৰসিংহ ৵এ ৰাজা তাম্ৰধ্বজক উদ্ধাৰ কৰিয়া শ্ৰীশ্ৰীবিশ্বনাথ ক্ষেত্ৰে দক্ষিণ উকতে শ্ৰীশিৱসিংহ মহাৰাজাক

বৈসায়া ও ৰাজা তাম্ৰধ্বজক ৰাম উৰুতে বৈসায়া পিতা-পুত্ৰ সম্বন্ধ সত্যধৰ্ম্ম কৰিয়াছিল, অৱধি-উত্তৰদেশ-অভেদানুৰৎচিহ্ন প্ৰীতিপূৰ্ব্বকমতে গঙ্গাস্ৰোত চলি গেছেন। তদনুৰূপ ভাব-ভাবনা অন্তঃকৰণেতে আছে, কিন্তু দেশ-কাল সম্যভাৰূপে নাচলেন। অতএব পূৰ্ব্বব্যৱহাৰাদি বিপৰ্য্যয় কিঞ্চিৎ হৈয়া থাকিবে। তত্ৰাপি মমান্তঃকৰণীয় পত্ৰী দ্বাৰা বেদ্য হৈয়া কালাকালক্ষণ কৰিয়া প্ৰসাদ হৈতে হই। অতএব মম ধৰ্ম্মপুৰ দেশীয় কিয়ৎলোক শ্ৰীমদান্ধ হৈয়া অকাৰ্য্য কৰিল। মমাজ্ঞা প্ৰবলকাৰণ আত্মপিতা-পুত্ৰ সমন্ধোভয়-দেশ এক হৈল। তত্ৰাতত্ৰ জ্ঞাপন কৰিতে মমাভিমান চিত্তে নাই। মদীয় পত্ৰী প্ৰেৰণা কৰিতেছি। আপনে ৺ক জ্ঞাপন কৰিয়া মদীয় কিয়ৎ নৰকীট-শ্ৰীমদান্ধজ্ঞান পূৰ্ণ দূৰ কৰিয়া দিবেক, বিজ্ঞোত্তমেষু। ২৬৪ ॥

**বৰবৰুৱাৰ উত্তৰ।**—এই পত্ৰ শুনি বৰবৰুৱা বোলে,—"অত ক, ৰাজা পত্ৰত লেখি যি জনাইছে তাক বুজি, মুখ-জবানে কি জনাইছে তাক কৰু।" এইৰূপ শুনি সিহঁতে বোলে,—"আমাৰ ৰজা কৃষ্ণচন্দ্ৰ নাৰাণে পূৰ্ব্ব-প্ৰীতিতে আছোঁ বুলি জনাই আহিছে।" পাচে বৰবৰুৱা বোলে,—"তহঁতে যাই ৰাজাত কৰি ৰাজাই যি পূৰ্ব্ব-ধৰ্ম্মতে আছোঁ বুলি জনাইছে যদি এয়েই সত্য হয়, এতেকে আমাৰ দেশস্থ প্ৰাণী ভাগি গৈ সোমাই থাকা সকল জনখনি ৰাজা বিচাৰকৈ শীঘ্ৰে ছাৰি দিব।" এই বুলি সিহঁতক বিদায় দি দেশলৈ পঠালে। শক ১৭১৭, মাস ফাল্গুন, তেৰিখ ১০।

আতপাচে বৰবৰুৱা ক্ৰমে উজাই বিশ্বনাথলৈ আহিল। তাৰেপৰা নিয়মতুল্লা চুপাদাৰ লগৰ চিপাহীখনি সৈতে ভাটীয়াই গুৱাহাটীলৈ গ'ল। পাচে বৰবৰুৱা উজাই আহি সেলেমৰ মুখত কোঁঠ দি ৰ'ল। পাচে ৺এ কুঁৱৈগএ্গ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াক দক্ষিণে যাবলৈ আজ্ঞা কৰিলে। পাচে ৺ৰ আজ্ঞায়ে ডাঙ্গৰীয়া গৈ কুকুৰাবাহীত কোঁঠ কৰি ৰ'ল। এনেতে বৰ্ষা হ'ল। তকলাৰে ৰণো নহ'ল। বৰবৰুৱাও দক্ষিণলৈ পাৰ হৈ আহিল। পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া বৰবৰুৱা সৈতে আহি দিচৈত ৺ক সেৱা কৰিলেহি। ২৬৫ ॥

**কোকাই সেনাপতি।**—আতপাচে ১৭১৮ শকত দিচৈৰ বাহৰৰ বৰত্নৱাৰৰ মুখৰ পৰা বচালৈ আলি এটা বান্ধিলে। আতপাচে উত্তৰকূলে বাচকটাত ডকলা-বহতীয়া, ভগনীয়া, এইবোৰে গোটখাই ভাৰে বহতীয়াৰে কোকাই নামে এটাক সেনাপতি পাতি লৈ মুঠ বান্ধি থাকি তাৰে পৰা মথুৰাম বৈৰাগীক বঙ্গাললৈ পঠাই বৰকান্দাৰী বঙ্গাল চিপাহী কিছু অনাই লগত লৈ অৰশভাও হৈ গাওঁ ভাঙ্গিছিল। পাচে ৺ৰে শুনি কটকী পঠাই গুৱাহাটীৰ পৰা গুৱাহটীয়া ডেকাফুকনক কিছু চিপাহী সৈতে উজাই অনালে। ফুকনেও আহি উত্তৰে ভড়লী পাওঁতে এনেতে বাচকটীয়া চিপাহী সৈতে ভটীয়াই গৈ ভড়ৰী কোষতে ফুকনক ৰণ ধৰিলে। পাচে ফুকনেও চিপাহী উলিয়াই দিলে। সেই চিপাহীয়ে গুলিয়াব ধৰিলে। তাতে প্ৰধান ৰণ হ'ল। পাচে বাচকটীয়াবোৰ ৰব নোৱাৰি ভাগিল। তাৰ পৰা আহি বাচকটাত মুঠ ধৰিলেহি। ৺ৰ আজ্ঞায়ে তাৰেপৰা ফুকন ভটীয়াই গুৱাহাটীলৈ গ'ল।

পাচে ৺এ কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াক উত্তৰকোলৰ জঞ্জাল ভাঙ্গিবলৈ আজ্ঞা কৰিলে। পাচে ডাঙ্গৰীয়া দিহিং পাৰ হৈ গড়মূৰত কোঁঠ দি থাকি তাৰেপৰা মানুহ পঠাই উত্তৰকূলীয়া বৰসেনাপতি কোকাইকে মোক্ষ কৰি ৰণ নকৰিবলৈ সকলতো কলে। পাচে সিহঁতে এই আজ্ঞা নুশুনিলে। পাচে ডাঙ্গৰীয়া লোহিত পাৰ হৈ গ'ল। এনেতে কোকাই সেনাপতিয়ে মানুহ কিছু লগত লৈ ৰণক মনে হাৰি সোমাল। বাচকটীয়া বৰবৰুৱাৰ ককাএক ঢেকিয়াল ফুকন পলাল। পাচে ডাঙ্গৰীয়া উত্তৰকূল পাই অৰীতিয়ামতে প্ৰবৰ্ত্তা লক্ষীমপুৰীয়া লাহৰকে তাৰ ভতিজাককে ধৰি লোৱা লগাই ডিঙ্গৰাত ভৰাই ৺ৰ ঠাইলৈ দি পঠালে। পাচে ৺এ সিহঁতত সুধি দায় পাই সাত ডোখৰকৈ কটাই মুণ্ড পিং দি থলে। ২৬৬॥

**কোকাইৰ দ্ৰোহ দমন।**—পাচে ডাঙ্গৰীয়া কোপাই সেনাপতিক ধৰিবলৈ মানুহ কিছু চিপাহী ২ কুম্পানি সৈতে পঠালে। ইবোৰে গৈ হাবিত লগ পালে। কোপায়ে দেখি খেদি আহি খাওঁ বুলি ধৰিলেহি।

পাচে চিপাহীয়ে গুলী দিলে, গুলী লাগি পৰিল। তাৰ লগৰ মানুহবোৰ পলাল। কোনোক পাই চিপাহীয়ে ধৰি আনি ডাঙ্গৰীয়াক দিলেহি। ডাঙ্গৰীয়াই সুধি দায় পাই বৰশী-শালত দি মাৰিলে। পাচে ঢেকিয়াল ফুকনক পাই আনিছিল, বাটতে বিহ খাই মৰিল। অন্য মানুহ সকলো আহি ডাঙ্গৰীয়াত বৰিল। বৰসেনাপতি ঢেকিয়াল ফুকনৰ ঘৰ লুড়িলে। সেইবেলা মানুহ, ম'হ, গৰু, আনো বিস্তৰ ৺ৰ অলঙ্কাৰ পালে। পাচে ডাঙ্গৰীয়া উত্তৰকূল সুস্থিৰ কৰি আহি ৺ক সেৱা কৰিলে। পাই অহা সকলো দ্ৰব্য ৺ৰ ঘৰলৈ দিলে। ২৬৭॥

**চকীহাটত মোৱামৰীয়া ৰণ।**—আতপাচে মোৱামৰীয়া কেতবোৰ ভাগি উজাই গৈ চকীহাট শোৱালগুৰীত মুঠ বান্ধি আছিল। পাচে ৺এ কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াক সিহঁতৰ লগত ৰণ কৰিবলৈ আজ্ঞা কৰিলে। পাচে ডাঙ্গৰীয়াই মানুহ-আহিলা সৈন্ঠৱে লৈ ৺ক সেৱা কৰি নাৱে-তৰে জুৰি গৈ চকীহাটতে মোৱামৰীয়াক খেদি ধৰিলে। পাচে মোৱামৰীয়া সৈতে কিছু ৰণ হ'ল। পাচে মোৱামৰীয়া ৰব নোৱাৰি নাৱে-তৰে ভাগি উজাই গ'ল। সেই ৰণত মোৱমৰীয়াৰ পীতাম্বৰ ঠাকুৰক ধৰি আনিলে। খাবলৈ নেপাই আহি মোৱামৰীয়া বিস্তৰ ডাঙ্গৰীয়াত ৰৰিল। সেই ৰৰা মোৱামৰীয়াবোৰ খুঁটিয়াপোতাত পাতিলে। কিছু মানুহ সৈতে ভৰথি ৰজা উজাই গ'ল, তাক মাত্ৰ নেপালে। ২৬৮॥

**খামৃটিৰ ৰণ।**—সেইবেলা খামৃটিৰ বুঢ়াৰজা বহু সৈন্য সৈতে ৰণক মনে আহি উত্তৰে নিবোকত কোঁঠ কৰি আছিল। পাচে ডাঙ্গৰীয়া চিপাহী পঠাই সেই খামৃটিৰ বুঢ়াৰজাক ৰণে জিনি ধৰি সসৈন্যে সৈতে আনিলে। সেই মোৱামৰীয়াক জিনি ডাঙ্গৰীয়া বিস্তৰ দ্ৰব্য পালে। ২৬৯॥

**মুনকাঙ্গৰ কটকী তোলা।**—সেইবেলা মুনকাঙ্গৰ ৰজা পত্ৰ-সন্দেশ সৈতে কটকী পঞ্চামুক পঠাইছিল। সি আহি মহঙ্গৰ বাটে ওলাই দিচৈৰ বাহৰ পালেহি। সেই কটকীক বোজবাজ দি নিবন্ধে থৈছিল। পাচে ৺এ ৰংঘৰতে সেই কটকীক ধাৰাণে তুলিলে। সেইবেলা ৺এ পাগ-জেমা পিন্ধি ৰংঘৰত বহিছিল। তাতে ৺ৰ পিতৃ চাৰিং-ৰজাও

বহিছিল। তুকালে তুখন চাং কৰি এখন চাঙত তুজনা ডাঙৰীয়া বহিছিল। এখন চাঙত বৰবৰুৱা, ফুকনবোৰ বহিছিল। কটকী, কাকতী, দলৈ, দেওধাই, বাইলুং আনো লোকজন চিপাহী, এইবোৰে সৈতে প্ৰধান প্ৰধান ফৌজ কৰি ৺ও বহি গধূলি বেলা মুনুকাঙৰ কটকী পকাক আনি পত্ৰ-সন্দেশ সৈতে চিৰিঙৰ চোলাধৰা ফুকনে ভেটালে। পাচে ৺এ চোলাধৰা ফুকনক তাত সুধিব দিলে। পাচে ফুকনে ৺ৰ আজ্ঞায়ে তাত ৰজাৰ দেশৰ কুশল-মঙ্গলাদি, অহাৰ কাৰণ সুধিলে। সি কুশল-মঙ্গল জনালে। পাচে ৺এ পত্ৰ শুনি বোলে,—"ৰাজা যি জনাইছে আৰ সমাচাৰ সি বিদায় কালে পাব, সম্প্ৰতি থকা বহাতে থাওক গৈ।" পাচে সি বহি বহি থকা বহালৈ গ'ল। ৺ও বাহৰলৈ আহিল। সেই কটকীয়ে অনা সন্দেশ,—ঘোঁৰা ১টা, বানত হালধীয়া ১খান, বঙ্গা ১, ক'লা ১। পাচে ৺এ পত্ৰ-সন্দেশ দি সেই কটকীক আমাৰ কটকী ঘৰগোৰাৰ ৰামদেও সৈতে বুঢ়াগোহাঁই ডাঙৰীয়াৰ তলৈ দি পঠালে। পাচে ডাঙৰীয়া সেই কটকীক সম্ভাষা হৈ উজাই মুনুকাঙলৈ পঠালে। ২৭০ ॥

**পূৰ্ণানন্দৰ দ্বাৰা দেশত শান্তি-স্থাপন।**—পাচে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়া উজনি দেশ স্বস্থ কৰি আহি ৺ক সেৱা কৰিলে। পাই অহা সকল দ্ৰব্য কাকতেৰে বুজাই ৺ৰ ঘৰলৈ দিলে। পাচে ডাঙৰীয়া সেই ধৰি অনা মোৱামৰীয়াবোৰ, খুঁটিয়াপোতা, ধলী, জানখনা, উত্তৰ গহপুৰ, এই ঠায়ে ঠায়ে পাতিলে। খাম্‌টিৰ বুঢ়াৰজাক কৌঁঠৰ ওচৰতে দিচৈৰ পূৰ্ব্বপাৰে ৰখাদি থলে। তাৰ লগৰ খাম্‌টিবোৰ বাহৰৰ দক্ষিণ দিশে টোকোলাই হাবিত পাতিলে। পাচে ৺এ সেই খাম্‌টিবোৰক বুঢ়াগোহাঁই-খেলৰ লেবাং, লালিম এই তুই হাতীমুৰত দিলে। সেইবেলা ৺এ ডাঙৰীয়াক দিলে মৰ্য্যদা, ৰূপৰ কাঁহী-বেৰা, সোণৰ চিৰী দিয়া ৰূপৰ বাটি ৩টা। ২৭১ ॥

**পাইকৰ বিষয়া ভঙ্গা।**—আতপাচে মাছুৱিয়াল বৰগোহাঁইক সকলো বিলতীয়াই গোচৰ দি ভাঙ্গিলে। পাচে ৺এ মাছুৱিয়ালৰ ভাগিথকা জনাকে বৰগোহাঁই পাতিলে। ভঙ্গা বৰগোহাঁইক দোলাৰৰীয়া বৰা এটা

নৈতে বোলাবৰীয়া একুৰি লগত বখাদি কাকদজা কোঁৱৰ হ'লে। আতপাচে কেন্দুগুৰীয়া বৰপাত্ৰ ভাঙৰীয়াকো খেলুৱাসকলেও ৺ৰ গোচৰ দি ভাঙ্গিলে। তেওঁকো কাকদঙ্গাৰ কোথতে থাকিব দিলে। কেন্দুগুৰীয়া উজনিত হানি পোৱা জনাৰ পুতেকক ৺এ বৰপাত্ৰ পাতিলে। বকভিয়ালৰ মণ্ডয় নাওবৈচা ফুকন আছিল। সেবেলা ৺ৰ গোলা ভজা হায়ত ধন কিছু ললে, বিষয়ো ভাঙ্গিলে। তগা বৰপাত্ৰৰ পুতেকক নাওবৈচা ফুকন পাতিলে। ২৭২ ॥

**বঙ্গালৰ ভিকতা বাজিকৰ।**—আতপাচে ৺এ বঙ্গালৰ পৰা ভিৰতা বাজিকৰ এযোৰা অনালে। পাচে ৺এ বংঘৰলৈ ওলাই সেই বাজিকৰক বাজি কৰালে। বাজিও এই,—মানুহ এটাৰ মাথাৰ ওপৰত কলহ এটা দি তাৰ ওপৰত থাল এখন, তাৰ ওপৰত খুটা চাইটা দি চাং এখন পাতি তাৰ ওপৰত থাল এখন দিয়ে। তাৰ ওপৰত ঢাল-বাক লৈ ভিৰতা মানুহ এজনী উঠে। পাচে তলৰ মানুহটোৱে টাকুৰীৰ মতে বহল হৈ ঘূৰি ফুৰে। আক এজনীয়ে ঢাল-বাক লৈ বাঁহ এটা পুতি তাৰ ওপৰত ঘূৰি ফুৰি তাৰ পৰা দেও মাৰে। তলৰ এটাই হাত পাতি ধৰে। পাচে ৺এ আনন্দ পাই সিহঁতক দিলে ৰূপ চাৰি-শ টকা। পাচে সিহঁতক অনাই ভিতৰতো বাজি কৰাইছিল। ২৭৩ ॥

**কদমদীঘলাৰ মৃত্যু।**—আতপাচে ১৭২১ শকৰ ভাদ্ৰ মাসত, চাৰিঙ্গীয়া ৰজাৰ মাতৃ মূৰৰ দেৱতা বুলিছিল, তেওঁ মৃত্যু হ'ল। তেওঁৰ মাসান্ত শুদ্ধিৰ দিনা ৺ৰ পিতৃ চাৰিং-ৰাজা আশ্বিন মাসত ২০ দিন ৰাওঁতে মৃত্যু হ'ল। ব্ৰাহ্মণীয়া মতে কৰ্ম্ম কৰি দান-দক্ষিণা দি মহন্তসকলক অনাই সভা কৰালে। আতপাচে অস্থি পৰ্ব্বতলৈ নিলে, লগত দিহিঙ্গীয়া ফুকন দৈজনীয়া বৰগোহাঁই-ফৈদীয়া চেটিয়া পাতৰ বৰুৱা। ২৭৪ ॥

**দৰঙ্গী ৰজাৰ ৰজাসেৱা।**—চাৰিঙ্গীয়া ৰজা মৃত্যু হোৱাৰ আগেই ৺ও জগতৰ মূৰত ভৰি দিলে। দৰঙ্গী ৰাজাবোৰ আহি ৺ক সেৱা কৰিব পায়। পূৰ্ব্ব-নিৰ্ব্বন্ধে সেইবেলা দৰঙ্গী ৰাজা কৃষ্ণনাৰাণ, সৰুৰাজা হয়নাৰাণ, এই দুইজনা ৰাজা আহি কত্মৃৎসৰত ৺ক সেৱা কৰিলে।

সেৱা কৰাৰ নিয়ম,—সেইবেলা ৺ও ৰহাত তিনিজনা ডাঙৰীয়া উজনি কালে খুঁটাত ৰহিছিল। ৰাজাবোৰ আহি ডাঙৰীয়াবোৰ ৰহাৰ কিছু নামে চৌৰাৰ মাজতে ডাঙৰীয়া মৰ্য্যদাৰে ৰহিল। পাচে সন্দিকৈৰ জৰি বৰবৰুৱা ৰহা ঠাইৰে পৰা ৰাজাবোৰক ভেঁটালে। সিবোৰেও ৺ক সাতসেৱা কৰি ৰহিল। ভগাৰঙ্গা ঠঙ্গা পাৰি ৰহিল। সেৱা কৰা ভেঁটিৰ লেখা ছুই ৰাজাৰ,—সোণা ৪০ টকা, ঘোঁৰা ২টা, চামৰ ৮০ টা, সাৰ কাপৰ ৮০ খান, ঠঙ্গা ৮০ খান, দহাতী ৮০, বাৰেহাতী ৮০, পচৰঙ্গী ৮০। পাচে সভা বিসৰ্জ্জনত ৺এ বটাৰে তামোল-পাণ দিয়ালে। ৰাজাবোৰ থকা ৰহালৈ গ'ল। ২৭৫ ॥

**ডুৱৰাৰ শ্ৰীনাথ বৰবৰুৱা**।—আতপাচে ১৭২২ শকত সন্দিকৈৰ বৰবৰুৱা মৃত্যু হ'ল। সেইবেলা ডুৱৰাৰ ভিতৰুৱাল ফুকন আছিল, ৺এ তেওঁকে বৰবৰুৱা পাতিলে। ৰকতিয়ালৰ ভিতৰুৱাল ন-ফুকন পাতিলে। ২৭৬ ॥

**মৰাণ-চিংফৌৰ ৰণ**।—আতপাচে ১৭২৩ শকত ৺এ বুঢ়াগোহাঁই-কৈদীয়া ডেকাফুকনক উজনিৰ জঞ্জাল ভাঙিবৰ নিমিত্তে আজ্ঞা কৰিলে। পাচে ফুকনে পাঁচ কোম্পানি চিপাহী লগত লৈ ৺ক সেৱা কৰি গৈ বেংমৰাতে মোৱামৰীয়াক খেদি ধৰিলে। তাতে মোৱামৰীয়া সৈতে কিছু ৰণ হ'ল। পাচে মৰাণে ঠাৱৰিৰ নোৱাৰি ভাগি উজাই গৈ নামৰূপত ৰৈ মটকত চিংফৌ সৈতে মিলি ৰ'ল। পাচে আমাৰবোৰে পুনৰ তাতে খেদি ধৰিলে। তাতে মৰাণ-চিংফৌ সৈতে প্ৰধান ৰণ হ'ল। আমাৰ চিপাহী পোন্ধৰটা পৰিল। পাচে আমাৰবোৰে টানকৈ ধৰিলে। পাচে মৰাণ-চিংফৌ ছুই ডুফৌজ হৈ ডুফাললৈ ভাগিল। সেই ৰণত পালে মানুহ, আহিলা, ম'হ, গৰু, তাম, পিতল, কাপৰ। সেইবেলা চিংফৌ ৰৰাভাও হ'ল। পাচে ফুকন আহি ৺ক সেৱা কৰিলে। পাই অহা বস্তুবোৰ ৺ৰ ঘৰলৈ দিলে। ২৭৭ ॥

**ভৰথি ৰজাৰ মৃত্যু**।—আতপাচে ৺এ সেই ডেকাফুকনক উজনি ৰণলৈ আজ্ঞা কৰিলে। পাচে ফুকনে ছয় কোম্পানি চিপাহী সৈতে গৈ

ডাঙ্গৰীকোখতে মৰাণক খেদি ধৰিলে, পাচে মৰাণে বৰ-বাৰী এৰি হাবি সোমাল। আমাৰ মানুহে বিচাৰি সেই হাবিতে লগ পালেগৈ। পাচে আমাৰ চিপাহীয়ে মৰাণক বেঢ়ি ধৰিলে। পাচে মৰাণৰ ৰজা ভৰথিয়ে পাঁচোটা মৰাণ লগত লৈ নচিপসিঙ্গৰ কোম্পানিত হাউহি মাৰি ধৰি চিপাহী এটা যাঠীএৰে খুঁচিলে। এনেতে যোগীসিং চিপাহীয়ে গুলী দিলে। ভৰথিৰ কৰঙ্গনত লাগিল। তথাপি পাঁচমুখ নকৰি আহি হিলৈত খামোচ্ মাৰি ধৰিলে। এনেতে দুই চিপাহীয়ে চঙ্গিনেৰে খুঁচি মাৰিলে।

পাচে ভৰথিক পৰিবৰ দেখি মৰাণ ভাগি হাবি সোমাল। আমাৰবোৰ ওলাই আহি ডাঙ্গৰীকোখত ফুকনৰ লগ ললে। সেই ৰণত মৰাণ পৰিল ৩০টা। পাচে ফুকনে সেই ভৰথিৰ শৰটো নাৱত তুলি বাঁহৰৰীয়াৰ তৰ কটকীক দি ৺ৰ ঠাইলৈ দি পঠালে। পাচে ৺এ শৰটো খুঁটীয়া-পোতাত পতা মোৱামৰীয়া গাৰ্ৰৰ মাজত পিং দি থব দিলে। ফুকনো ডাঙ্গৰীকোখতে কোঁঠ কৰি ৰ'ল। ২৭৮॥

**'ভোগদৈ' নামৰ উৎপত্তি।**—পাচে সেই কোঁঠতে থাবলৈ নেপাই সকল মৰাণ ৰবিলহি। মানুহ, ম'হ, গৰু, তাম, পিত্তল কিছু পালে। সেই বেলা ৺এ কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ ভায়েক শিৱনাথ নামদৈয়ঙ্গীয়া ৰাজখোৱা আছিল। তেওঁকে কছাৰীৰ মানুহ উলিয়াবৰ নিমিত্তে আজ্ঞা কৰিলে, কিছু চিপাহীও লগত দিলে। পাচে ৰাজখোৱা ৺ক সেৱা কৰি নাৱে ভটীয়াই গৈ ৰহাৰ চোকীত কোঁঠ কৰি ৰ'ল। সেইবেলা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া দিচৈৰ পৰা কলিয়নীলৈ ভোগদৈ নামে নৈ এখন খনালে। সেই নৈ খনাত অধিকাৰবোৰে খেলে খেলে ৰাজক চাউল-পিঠা খুৱাইছিল। ৺ও, ডাঙ্গৰীয়া, ৰৰবৰুৱায়ো ৰাজক জলপান দিছিল। এতেকেহে নৈৰ নাম ভোগদৈ হ'ল। পাচে সেই নৈ চাবলৈ ৺ও গৈছিল। ৺ক তাওবানত কিছু শৰাই কৰি ভেঁটিলে। ৰাজ-মাওদেও গৈছিল। সেইদিনা বাটত স্ত্ৰীসকলক দান কৰিলে। ২৭৯॥

**ভোট-ৰজা দেৱাধৰ্ম্মাৰ কটকী।**—পাচে ১৭২৩ শকত ভোটৰ ৰজা দেৱাধৰ্ম্মাৰ ঠাইলৈ সন্দিকৈৰ ৰৰফুকনে পূৰ্ব্বপৰীয়া চোধাৰী ব্ৰাহ্মণ

পৰুজ, খৰাঙ্গৰ লেখাক কাণছিগা এই দুইক পঠাইছিল। পাচে ৰাজা দেৱাধৰ্ম্মাই সেই লগে পত্ৰ-সন্দেশ দি জীৱ, দিন্দু, খুপা, বুককদেৱা এই চাৰি জিকাপক পঠালে। পাচে ৰৰফুকনে সেই চাৰি জিকাপক ৺ৰ ঠাইলৈ দি পঠালে। পাচে সিইঁতক সৰ্ব্বাইবন্ধাতে থৈছিল।

একদিনা কুঁৰৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া ভৰাজানৰ নামে ডোমজানৰ চৰাইচোঙ্গৰ চৰাই মেলিছোঁতে সেইবেলা হাতী, ঘোঁৰা, মানুহ, চিপাহী প্ৰধান ফৌজ কৰি হাতীত উঠি সেই চাৰি জিংকাপক তুলিলে। ডাঙ্গৰীয়াৰ মেলৰ জকাইচুকীয়া টেকেলা ৰৰাই ভেঁটালে। পাচে ডাঙ্গৰীয়া বাঁহৰৰীয়াৰ কটকী বিশ্বম্ভৰক চৌখামে সুধিব দিলে। "কটকী! জীৱ, দিন্দু, খুপা, বুককদেৱা, তাহাঁতত সোধ, সিহঁত যেখন আছে তেখন ৰাজা দেৱাধৰ্ম্মা, লেমা, যোংপুং, জাচু', টংচুৰ-চুভা, গেলান, এইবোৰ সমন্বিতে থল-পৰ্ব্বতী লোকজন প্ৰতিপাল কৰি কুশলে আছে?"

এইৰূপে শুনি সিহঁতে বোলে,—"আমি যেখন আহোঁ, তেখন ৰাজা দেৱাধৰ্ম্মা কালী-ঠাকুৰাণীৰ কৃপাত কুশলে আছে। পৰে কোনখান হৈছে তাক কব পৰা নাই।" পাচে ডাঙ্গৰীয়া বোলে,—"ৰাজা দেৱাধৰ্ম্মা কুশলে থাকিব, আমাৰ এইহে ইচ্ছা।" "তাহাঁতত সোধ, আহিল কোন মাসে? গুৱাহাটী পালেহি কোন মাসে? ইঠাই পাবৰ হ'ল কত দিন? পথত বা ভয়-ভ্ৰান্তি কি পাই আহিল?" এইৰূপে শুনি সিহঁতে বোলে,—"আমি দেশ ছাৰি আসিলোঁ পৌষ মাসে, চৈত্ৰ মাসে ইঠাই পাইলাম। পথে কিছু ভয় পাইলাম না।" পাচে পত্ৰ শুনি বুলিলে,—"ৰাজা দেৱাধৰ্ম্মা পত্ৰত লেখি যি জনাইছে আক বুজিছোঁ। মুখ-জেৱানে কি জনাইছে তাক ক।" সিহঁতে বোলে,—"ৰাজা দেৱাধৰ্ম্মাই জনাই আহিছে,—পূৰ্ব্বে ৺লৈ জনাই সাত শ গেলানে, তামোল-পাণ খাবলৈ গোহাঁইকমলা আলি সীমাকৈ ঠাই খুজি লৈ প্ৰবৰ্ত্তি প'ল। সম্প্ৰতি সেই সীমনা ভাঙ্গি ইঠাইৰ মানুহে সেই আলি পাৰ হৈ মানুহ ধৰি ভাঙ্গি আনিছে। এতেকে ৰাজা পূৰ্ব্ব সীমনাকে ৰাখিবৰ

নিমিত্তে জনাই আহিছে।" পাচে ডাঙ্গৰীয়া বোলে,—"ভাল, ৰাজা যি লেখন মুখ-জাৱানে জনাইছে আৰু সিদ্ধান্ত সিহঁতে বিদায় কালে পাব। যদি ভাগ্য আছে ৺ৰ চৰণো কি সেৱা কৰিবলৈ পায়। সম্প্রতি থকা বহাতে থাককগৈ।" এই বুলি ফুল-চন্দন দি বহালৈ বিদায় দিলে। ডাঙ্গৰীয়াও কোঁঠলৈ আহিল। ডাঙ্গৰীয়ালৈ অনা সন্দেশ,—গোমচেঙ্গৰ থান ১টা, কিম্মিজিৰ থান ১টা, ৰাৰকা কাপৰ ৪ খান, জাতি কাষ্ঠ ১, ৰঙ্গা কাঠ ১, গান্ধ চামৰ ৪টা। ২৮০॥

**স্বৰ্গদেৱৰ সভাত ভোটৰ কটকী**।—পাচে দুৰ্গোৎসৱত সেই চাৰি জিঙ্কাপক ৺ক চিৰিঙ্গৰ চোলাধৰা ফুকনে বৰচোৰাৰ আগটুপে ভেঁটালে। পাচে ৺এ গণক মজিন্দাৰক চোখামে সুধিব দিলে। "৺ও জীৱ, দিন্দু, খুপা, বুককদেৱা, তহঁতত সুধিব দিছে,—'সিহঁত যে কালে দেশ ছাৰি আহে, তাৰ ৰাজা দেৱাধৰ্ম্মা, লেমা, বোংপুং, জাহুং, টংচুৰ-চুভা, গেলান, এইবোৰ সমম্বিতে দেশস্থ প্রাণীসকলক প্রতিপাল কৰি কুশলে আছে'?" এইৰূপ শুনি সিহঁতে বোলে,—"আমি যেখন আহোঁ, তেখন ৰাজা দেৱাধৰ্ম্মা কালা-ঠাকুৰাণীৰ কৃপাত কুশলে আছে। পৰে কোন-খানা হৈছে তাক কব পৰা নাই।" ৺এ বোলে,—"ৰাজা দেৱাধৰ্ম্মা কুশলে থাকিব আমাৰো ইচ্ছা এইহে।" পুনু সুধিব দিলে,—"সিহঁত আহিল বা কোন মাসে? গুৱাহাটী পালে কোন মাসে? ইঠাই পাবৰ বা কত দিন হৈল?" এইৰূপ শুনি সিহঁতে বোলে,—"আমি দেশ ছাৰি পৌষ মাসে আহিলোঁ। ফাল্গুন মাসে গুৱাহাটীৰ বৰপানী ৰাজাৰ ঠাই পালোঁ। চৈত্র মাসে ইঠাই পালোঁ। অহাত পথতো কিছু ভয় নেপালোঁ।" পাচে মজিন্দাৰে পত্র মাতিলে। পত্র শুনি ৺এ বোলে,—"ৰাজা পত্রত লেখি যি জনাইছে তাক বুজিছোঁ। মুখ-জেৱানে যি জনাইছে তাক কক।" এইৰূপে শুনি সিহঁতে বোলে,—"পত্রত লেখি ৰাজা যি জনাইছে কথা সেইহে। কিন্তু এইৰূপে জনাই আহিছে,—'পূৰ্ব্ব কালে সাত শ গেলানে নাম গাই তামোল-পাণ খাবলৈ ৰৰপানীৰ ৰাজাৰ ৰাৰাই ৺লৈ জনাই গোহাঁইকমলা আলি সীমা কৰি

খুজি লৈ প্ৰবৰ্ত্তি আছিল। সম্প্ৰতি ইঠাইৰ লোকে সেই সীমনা ভাঙ্গি গাওঁ লুট়ি আনে, অনেক উপদ্ৰৱ কৰিছে।' এতেকে সেই সীমনাকে ৰাখিবৰ নিমিত্তে ৰাজা নিবেদন জনাই আহিছে।" জনালত ৺এ বোলে,—"ভাল, যি জনাইছে তাৰ সমাচাৰ তাহঁতৰ বিদায় কালে মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ দ্বাৰাই পাব। সম্প্ৰতি থকা বহাতে থাওঁকগৈ।" এই বুলি ফুল-চন্দন দি পঠালে। সিহঁতো বহি বহালৈ গ'ল। ২৮১॥

**ভোটৰ ৰজাৰ পৰা ৺লৈ সন্দেশ।**—ৰাজা দেৱাধৰ্ম্মা এইহঁতৰ লগে ৺লৈ দিয়া সন্দেশ-প্ৰসাদী বস্তুৰ লেখা,—ৰূপৰ কাওঁ টেমা ১টা; লোহৰ পেচচেং ১ খন; আৰে ফাক ১, এফালে ৰূপৰ বেৱাৰ বাখৰাম মাজে মাজে সোণবহা; কাপোৰ কোচাৰ কমৰবন্ধ ১; কুচিৰ লালৰ ৰঙ্গা জেমা ১; ৰঙ্গা গোমচেং মেচি থানি ১; গাত উৰিব পৰা দ্বাৰকা লাল ৩; চকেম ২; লাল গোমচেং ১ থান; কলা গোমচেং ১; জৰদ গোমচেং ১; ফিৰিঙ্গি জৰদৰঙ্গী গোমচেং ১ থান; সত্ৰঞ্চ কাপৰ ১; নামডাঙ্গ চাৰি পটাৰে ১; কিংখিজ কাপৰ ১; দিঙ্গা কামলি ১ পটা; খুলু কামলি ১২, লাল কামলি ১৫; পিপৰঙ্গা কামলি ৯; কৰীয়াপাৰৰ চামৰ ৬০টা; কলা মেঠন গৰু ১টা; টোকা গৰু গুমুনী ২; ঘোঁৰা ১; ৰঙ্গা টাঙ্গোন ঘোঁৰা ১; জিন, জিনপোচ, লেগাম, চৰমজান সহিত ভদৰা পখৰা ঘোঁৰা ১। টংচুৰ-চুভাৰ,—পখৰা ঘোঁৰা ১; কাপৰ সোণাৱলী লাল গোমচেং ১ ডোং; লাল দ্বাৰকা ২; কমলি ১; ৰঙ্গা মিহি ঠঙ্গা ১; কঁথা ঠঙ্গা ১; ডিঙ্গাখেহ ঠঙ্গা ১; নোমাল নোম নাইকিয়া বাঘনেজী ঠঙ্গা ১; চামৰ ৩ শালিখেৰীয়া। জাতুঙ্গৰ,—টঙ্গনা ঘোঁৰা ১টা; কাপৰ নামডাং ১ খন। জীৱ, দিন্দু দুই কটকীৰ,—গোমচেং সোণৰজা ২ খন; ঠঙ্গা ৯ পটা; লাল দ্বাৰকা ১। খুপা, বুককদেৱাৰ,—নামডাঙ্গ ৩ পটা; ঠঙ্গা ৪ খন। সেইবেলা ভোটৰ কটকীক দেখাই বঙ্গালৰ বানপ্ৰস্থী এযোৰাই পিঠিত বৰা লগাই আকাশত ঘূৰিছিল। আৰু এযোৰাই লাখুটিত ম'হৰ শিং বান্ধি লেজুত বগাইছিল। আৰু অনেক ৰং-তামচা কৰিছিল। ২৮২॥

**সম্মিলিত ৰণ।**—পাচে ৰাজখোৱা বহাৰ চৌকীত থাকি সেইবেলা

কছাৰীৰ শৰণামতিকে সৈতে লস্কৰবোৰক আনি "মানুহ উলিয়াই দে" বুলি ৰখা দি থলে। এতিমধ্যে কছাৰী, মোৱামৰীয়া, ভগনীয়া, এইসকলেও মিলি ৰজাৰ কোঁৱৰ বুলি এটাক লগত লৈ ৰণক মনে মুঠ ধৰিলে। পাচে ৰাজখোৱা একদিনা লগৰ চিপাহী মানুহ কিছু কলং পাৰকৈ পঠাই যমুনামুখৰ পৰা মুঠ ভাঙ্গি সেই ৰজাৰ কোঁৱৰটিকে, দিহিঙ্গীয়াৰ ফৈদৰ বৰবকৰাকে, কিছু ভগনীয়া মানুহ সৈতে ধৰি আনি কোঁৱৰটিকে, বৰ-বকৰাকে, শৰণামতিকে, বাঁহবৰীয়াৰ দুৰ্গা কটকী, টেকেলা ৰৰা কন্ধাৰৰ গুণাই, এই দুই চিপাহী গোটাদিয়েক লগত দি ৺ৰ ঠাইলৈ উজাই দি পঠালে। এনেতে দুদিনৰ বাট আহি বৰালি গাওঁৰ পৰা ৰাত্ৰি বৰবকৰাটো পলাল। কোঁৱৰটিক শৰণামতি সৈতে দিচৈৰ বাহৰত ৺ক ভেঁটালে। বিচাৰত কোঁৱৰ নহ'লত মাৰিলে। শৰণামতিক ৰখা দি থলে। পাচে কছাৰী, মোৱামৰীয়া, ভগনীয়া, এইবোৰে পুনৰ বৰমুৰা গোহাঁইৰ পুতেক এটি লগত লৈ মুঠ ধৰিলে। পাচে ৰাজখোৱা ৰণ হৰ যেন জানি ৺লৈ জনাই পঠালে। ৺এ শুনি কিছু চিপাহীয়ে সৈতে গুৱাহটীয়া ডেকাফুকনক ৰহাৰ চোকীলৈ আহিবলৈ আজ্ঞা কৰিলে। ফুকনেও আহি ৰহাৰ চোকী পাই মানুহ চপাই মুঠ ধৰিলে। এনেতে মোৱামৰীয়া পোতনীৰ বাটে ওলাই নগঞাৰ গাওঁ কিছু পুৰিলে। পাচে নগঞাইঁতক কিছু চিপাহী লগত দি পোতনীত কোঁঠ এখন দিলে। সেই কোঁঠত মৰাণে ধৰিলে। নগঞাও ওলাই গৈ মোৱামৰীয়াৰ লগ ললে, চিপাহীও গোটাচাৰেক কাটিলে। সিমুঠো ভাগি আহি ফুকন, ৰাজখোৱাৰ লগ ললেহি। পাচে মোৱামৰীয়া প্ৰধান হ'ল। পাচে একদিনা আমাৰ ফুকন, ৰাজখোৱা, বহিয়াল বৰুৱা, সকল ফৌজ সমস্বিতে ওলাই কলং, কপিলী, এই দুই নৈ পাৰ হৈ গৈ সেই মোৱামৰীয়াক ধৰিলেগৈ। পাচে মোৱামৰীয়াও ধৰিলে। তাতে প্ৰধান ৰণ হ'ল। পাচে কোঁঠ নাইকিয়াত ৰব নোৱাৰি ভাগিল। ২৮৩॥

শত্ৰুৰ জয়।—সেই ৰণত আমাৰ পৰিল সন্দিকৈৰ দুৱৰীয়া খিলা-ধৰীয়া ৰাজখোৱা, দুৱৰাৰ বহিয়াল বৰুৱা, নগঞা হাজৰিকা ৰণজয়, ধৰজি

হাজৰিকীয়া চেংকলী, বাঁহবৰীয়া কটকী গোৰী, চিপাহী ২৪০ টা, অন্য মানুহ ৩০০ টা। ৰণ পৰাস্ত হৈ ডেকাফুকন গুৱাহাটী পালেগৈ। ৰাজখোৱাও আহি ৮ৰ লগ ললেহি। পাচত্তে মোৱামৰীয়াই ওলাই আহি কাজলী, ব্ৰহ্মপুত্ৰ, মিছামুখ সীমা কৰি দেশ ৰখালে। সেই ৰণ লগা প্ৰস্তাৱতে বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰে আহি উজনিৰ পৰা বাৰ্ত্তা ৮ত জনাইছিলহি। ২৮৪ ॥

**কছাৰীক দমাবলৈ পুনৰ সৈন্য যাত্ৰা।**—এনেতে কছাৰী ৰণৰ আমাৰ পৰাস্ত হোৱা বাৰ্ত্তা শুনি সেই কটকী ধীৰেশ্বৰক পঠাই শীঘ্ৰে উজনিৰ পৰা ডেকাফুকন কাপ্তানক আহিবলৈ আজ্ঞা কৰিলে। পাচে কটকী নাৱেৰে ৰাত্ৰি-দিনে গৈ তিনি কোম্পানি চিপাহী সৈতে কাপ্তান গোহাঁইক আনিলে। কাপ্তান নৌ পাওঁতেই ৮এ বুঢ়াগোহাঁই-পৰীয়া বচা-ৰাজখোৱাক চিপাহী তিনি কোম্পানি লগত দি ভটীয়াই ৰণলৈ পঠালে। সেই লগত টেকেলা নেওগকো দিলে। পাচে বচা-ৰাজখোৱা গৈ মিছাৰ মুখত কোঁঠ কৰি ৰ'ল। এনেতে কাপ্তান গোহাঁই আহি ৮ৰ লগ পালে। পাচে ৮এ সেই কাপ্তান গোহাঁই তিনি কোম্পানি চিপাহী লগত দি ৰণলৈ পঠালে। সেই লগে বাচকটীয়া মানুহ ৪০০ টা লগত দি হাউসাগৰ ৰৰাক পঠালে। সেই বাচকটীয়াৰ অস্ত্ৰ, দা, বৰ্চ্ছা, ধেনু, কাঁড়। সেই লগে কটকী ধীৰেশ্বৰকো দিলে। ২৮৫ ॥

**ভোগদৈ।**—পাচে কাপ্তানে নাৱে ভটীয়াই গৈ নগাঁৱত বচা-ৰাজখোৱাৰ লগ ললে। এনেতে উজনিত নামচাঙ্গতে তিনি অভয়পুৰীয়াৰে মুঠ এখনি কৰি চিপাহী ৩০ টা সৈতে থৈ ডেকাফুকন আহি ৮ক সেৱা কৰিলে। পাই অহা বস্তুবোৰ কাকতেৰে বুজাই ৮লৈ দিলে। সেইবেলা কুঁৱৈগঞা বুঢ়াগোহাঁই ডাঙ্গৰীয়া দিচৈৰ পৰা কলিয়নীলৈ নৈ এখন খনালে। সেই নৈ খনাত সকলো অধিকাৰবোৰে মানুহক জলপান কৰাইছিল। এতেকে সেই নৈৰ নাম ভোগদৈ হ'ল। ২৮৬ ॥

**মোৱামৰীয়াৰ সৈতে পুনৰ ৰণ।**—পাচে কাপ্তান, বচা-ৰাজখোৱা গৈ খাগৰিজানৰ ওপৰে কলঙ্গৰ উত্তৰপাৰে কোঁঠ কৰি ৰ'ল। সেই

কোঁঠতে কোঁৱৰটি, কছাৰী, নগঞা, ভগনীয়া, মোৱামৰীয়া সকল ফৌজ সমন্বিতে আহি দেখা দিলে। পাচে মোৱামৰীয়াই কলং পাৰ হৈ আহি গাৰঁত জুই লগাই আছিল। পাচে আমাৰবোৰেও চিপাহী বাচকটীয়া সৈতে ওলাই গৈ মোৱামৰীয়াক ধৰিলে। বঙ্গালৰ লগত কটকী ধীৰেশ্বৰ, বৰাগী জগন্নাথ; বাচকটীয়াৰ লগত সাগৰ বৰা হাউ। এনেতে মোৱামৰীয়া সৈতে প্ৰধান ৰণ লাগিল। ২৮৭ ॥

**ৰজাঘৰীয়াৰ জয়।**—সেইবেলা ৰজুপুৰী বঙ্গালে অগ্নিবাণ এটা মাৰিলে। সেই বাণ দেখি মোৱামৰীয়া ভয় হৈ ভাগিল। বাচকটীয়াই খেদি কাটিলে। ভাগি গৈ সকল ফৌজ পুনৰ কছাৰী সোমাল। পাচে আমাৰবোৰ গৈ ৰহাৰ চৌকীত কোঁঠ কৰি ৰ'ল। এই ৰণত মোৱামৰীয়াৰ পৰিল ৰৰযোগধাৰী হনুমন্ত, অন্য মানুহ ১২০ টা। এই ৰণ জয় হোৱা বাৰ্ত্তা বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰক পঠাই ৺লৈ জনালে। কটকীও আহি চাঙ্গতে ৺ত জনালে। ৺এ শুনি আনন্দ হৈ কটকীক বঁটা দিলে। ২৮৮ ॥

**যুদ্ধৰ আয়োজন।**— সেইবেলা ৺এ টেকেলা বৰা হাঁহচোৱাক লগত দি শৰণামতিক ৰহাৰ চৌকীলৈ দি পঠালে। আতপাচে ৺এ বুঢ়াগোহাঁই-পৰীয়া ডেকাফুকনক পাঁচ কোম্পানি চিপাহী লগত দি সেই কছাৰী-মোৱামৰীয়া ৰণলৈ আজ্ঞা কৰিলে। পাচে ফুকনে ৺ক সেৱা কৰি নাৱে-ভৰে ভটীয়াই গৈ ৰহাৰ চৌকীত কাপ্তান, বচা-ৰাজখোৱাৰ লগ লৈ তাতে প্ৰধান কোঁঠ কৰি ৰ'ল। আক ৺এ ৰণ টান হয় বুলি গুৱাহটীয়া ফৌজ কিছু আনিবলৈ আজ্ঞা কৰিলে। পাচে কটকী গৈ আনিলে। দৰঙ্গিৰ দুই ৰজা, সেই লগে চুটিয়া-কোঁৱৰ দুহাজাৰ, চিপাহী পাঁচ কোম্পানি সৈতে ডঢ়ীয়া ব্ৰহ্মচাৰী, আগে ভাগি যোৱা ডেকাফুকন, বৰফুকনৰ বৰ ভামোলকটা, এইবোৰ উজাই আহি জাগীৰ চৌকীত কোঁঠ কৰি ৰ'ল। সেইবেলা কলীয়াবৰত সলালগোহাঁই মৃত্যু হ'ল। গোহাঁই নহয়মানে সলালৰ মানুহখনি ডেকাফুকনকে চলাব দিলে। পাচে ফুকনে ৺ৰ আজ্ঞায়ে সলাল, চাইদুৰীয়া, দেউৰী, দিলাধৰীয়া, চামধৰীয়া,

নগএগ্রা, খৰঙ্গী, পাঁচৰজীয়া, সাতৰজীয়া, এই সকলোবোৰ চপাই প্ৰধান মুঠ কৰি ব'ল। ২৮৯ ॥

**জয়ন্তাৰ কটকী তোলা।**—এনেতে নামডঙ্গীয়া ৰাজখোৱাই ৮ৰ আজ্ঞাৰে যি জয়ন্তাৰ কটকী ৰামচন্দ্ৰক পূৰ্ব্বে জয়ন্তা ৰজা ৰামসিংহৰ ঠাইলৈ পঠাইছিল সেয়ে জয়ন্তা ৰজাৰ পত্ৰ-সন্দেশ লৈতে পালেহি। পাচে ফুকনে সেই কটকী ৰামচন্দ্ৰক ৮ৰ ঠাইলৈ দি পঠালে। সেই কটকীক সৰ্ব্বাইৰজাৰ নামে ৰোজ-বাজ দি থৈছিল। পাচে সেই কটকীক দুৱৰা ৰৰবৰুৱা বহাঘৰতে কটকী, কাকতী, দলৈ, দেওধাই, বৰা-বৰুৱ, চিপাহী, হাতী, ঘোঁৰা এইবোৰ সমন্বিতে প্ৰধান ফৌজ কৰি পাগ-জেমা পিন্ধি ভেঁটি কৰি বহি গধূলিবেলা ধাৰাণে তুলিলে। নামডঙ্গীয়া বৰা নৱমে ভেঁটালে। শৰাইত পত্ৰ থৈ চৰাৰ টুপত পাত এখনিত বহিল। সি প্ৰধানৰূপে ধৰাত ব্ৰাহ্মণ দেখিহে পাত দিলে। পাচে ৰৰবৰুৱা বাঁহৰবীয়াৰ কটকী জয়দেৱক সুধিব দিলে,—“কটকী! ৰামচন্দ্ৰত সোধ, সি যেখন আছে তেখন তাৰ ৰাজা ৰামসিংহ, গো-ব্ৰাহ্মণ, বৰা-বৰুৱ, খল-পৰ্ব্বতী লোকজনক প্ৰতিপালন কৰি কুশলে আছে?” এইৰূপে শুনি সি বোলে,—“আমি যেখন জয়ন্তীপুৰ ছাৰি আহোঁ, তেখন ৰাজা দেশ-ৰাজ্য প্ৰতিপাল কৰি কুশলে আছে। পৰে কোনখান হৈছে তাক কব নোৱাৰি।”

পাচে ৰৰবৰুৱা বোলে,—“ৰাজা যে কুশলে থাকিব আমাৰো এইহে ইচ্ছা।” পুনৰ তাত সুধিব দিলে,—“সি আহিল কোন মাসে? জাগীৰ চৌকী পালেহি কোন মাসে? ইঠাই পাবৰ বা কত দিন? পথত বা ভয়-ভ্ৰান্তি কি পালে?” এইৰূপ শুনি সি বোলে,—“আমি জয়ন্তীপুৰ ছাৰি ফাল্গুন মাসে আসিলোঁ; বৈশাখ মাসে জাগীৰ চৌকী পাইলোঁ; জেষ্ঠ মাসতে ইঠাই পশিলাম; পথতো কিছু ভয়-সংশয় পাইলোঁ না।” পাচে মজিন্দাৰ বৰুৱাই পত্ৰ মাতিলে। পত্ৰ শুনি ৰৰবৰুৱা বোলে,—“ৰাজা পত্ৰত লেখি যি জনাইছে তাক বুজিছোঁ; ৰাজা মুখ-জাৱানে কি জনাই আহিছে তাক কক।” পাচে সি বোলে,—“ৰাজা পত্ৰত যি জনাইছে কথা সেইহে। তথাপি ৰজা জনাইছে

বোলে,—'পূৰ্ব্বকালতে যি প্ৰীতি হৈ আছে, আমাৰ মনে সেই প্ৰীতি-ভাৱতে আছোঁ; তাক চিত্তে বিস্মৰণ হোৱা নাই'।" পাচে বৰবৰুৱা বোলে,—"ৰাজা যি জনাইছে পূৰ্ব্ব-প্ৰীতি যিৰূপ ইত্তৰোত্তৰে বৃদ্ধি হব, আমাৰো ইচ্ছা এয়েহে। কিন্তু আৰ সমাচাৰ সি বিদায় কালে পাব। যদি আৰ ভাগ্য আছে ৺ৰ চৰণো কি দেখা পায়। সম্প্ৰতি থকা বহাতে থাককগৈ।" এই বুলি ফুল-চন্দন দি বিদায় দিলে। বহি বহি বহালৈ গ'ল। পাচে বৰবৰুৱা সভাৰ কটকী, কাকতীকো চকৰেৰে তামোল-পাণ দিয়ালে। বহিবলৈকো পাত দিছিল। সেই দিনা জয়ন্তাৰ কটকীলৈকো কিছু খাদ্য-দ্ৰব্য দিলে। ২৯০ ॥

**জয়ন্তা ৰজাৰ পৰা ৺দেৱলৈ চিঠি।**—সেই জয়ন্তাৰ কটকী ৰামচন্দ্ৰে অনা এই পত্ৰ :—

স্বস্তি চতুৰ্ম্মুখ-শতমখ-প্ৰমুখ-বৰ্হিমুখ-মৌলি-মন্দাৰ-মাণিক্য-মণি-দ্যুতিভতি-ব্যতিকৰ-ভাস্কৰ-নীৰাজিত-নিজেষ্টদেৱতা-চৰণ-সৰোৰুহ-দ্বন্দ্বনিঃস্যন্দামন্দ-মকৰন্দ-বিন্দু-নিকৰ-ভ্ৰমৰায়মান-শ্ৰীশ্ৰীযুক্ত-স্বৰ্গদেৱ-মহাৰাজাধিৰাজেষু নিজেষ্ট-চৰণৈক-তান-মান মাদিত-প্ৰভূত-ভূতি-বৈভৱ-ৰিপুকুল-কুমুদ-দিবাকৰায়মান-সুবল-কমল-বিকাশমান-দীন-দৈন্য-দমন-শ্ৰীশ্ৰীযুক্ত-জয়ন্তী-পুৰ-পুৰন্দৰস্য প্ৰেৰিত-পত্ৰিকেয়ং বিৰাজতেতৰাং নাম এতৎ-ভূত্যং ভব্যমব্যাহতং সমীহে।

পৰং সমাচাৰ সম্প্ৰতি শুণ্ডপত্ৰী-দ্বাৰাতে জানিলাম; পূৰ্ব্বেৰ প্ৰীতি সম্বন্ধীয় যেসকল লেখিয়াছ তাহা উপযুক্ত হয়। তোমাদেৰ সুপ্ৰতুল শত্ৰু-দমন শ্ৰৱণমাত্ৰে বহু আনন্দতাক পাই। অপৰঞ্চ আপনি লিখিয়াছ জয়ন্তীপুৰে ৰংপুৰ, ৰংপুৰে জয়ন্তীপুৰ একত্তাপণ্ডি প্ৰীতেৰ অভেদতা এবং আমিহ বিস্মৃত নাহয়। সময়েৰ গতিক ঈশ্বৰী ইহাঁতে ৰাহা-বিৰোধ হেতু উকীল-পত্ৰ গতায়ত হৈতে নাপাৰে। মদ্‌ভৃত্য গাৰো কতগোটা সুস্থে কুমন্ত্ৰণা কৰিয়া ৰাহা-বিৰোধ কৰিয়াছে। দাঁতিৰ ৰাজাসকলে তত্ত-বাৰ্ত্তা নাপাই সম্প্ৰতিকত সুপ্ৰতুল হৈয়াছে, অল্পশেষ আছে, ঈশ্বৰীৰ কৃপাতে অল্প দিৱসেই সুপ্ৰতুল হবে। হয় নয় একপ্ৰকাৰ বিৰোধেৰ

শেষ দেখিবাম। আপনাতে অভেদতা কাৰণ জনাইলাম। আৰ ভগনীয়া প্ৰজাৰ কাৰণ লেখিয়াছ, ইহাৰ যথোচিত সম্বন্ধ কৰিবাম। সম্প্ৰতি মদীয় বিৰোধ-নিবৃত্তি-বাট মুক্ত কৰণাৰ্থে চেষ্টিত আছি। আৰ পূৰ্ব্বে অন্য অন্য দ্বাৰাতে শুনিয়াছি সীমা ভাঙ্গিয়া মদ্দেশাশ্ৰিত প্ৰজা নিয়াছ, তথাচ পূৰ্ব্বেৰ ধৰ্ম্মাবলে কোন কৰিয়াছি? এমন ৰীতি ভাল নাহয়। পুনশ্চ লেখি যদ্যপি ঈশ্বৰীৰ কৃপাবলে কে নহয়? পূৰ্ব্ব-ধাৰাণুসাৰে উকীল-পত্ৰ গতায়াত হয়, তবহি প্ৰণয়েৰ বৃদ্ধিতা হয়। অতঃ পৰং শ্ৰীৰামচন্দ্ৰ ভূদেৱ সবিশেষ বাচনিতে জ্ঞাত হৈবাই। ইতি, শক ১৭২৩, মাস মাঘ। কোল-পত্ৰমিতি। কিঞ্চিৎ পত্ৰচিহ্ন,—ৰক্তবৰ্ণ শাৰী ১ খান, সাধা থান ১, জাতিফল ৪ গোট, লৱঙ্গ কিঞ্চিৎ।

সেইবেলা ৺লৈ এক পত্ৰহে আহিছিল। আক বৰবৰুৱাই দিলে তাঙঁ ২ খান, বানত ২; এইয়ে সৈতে ৺ক সম্ভাষা কৰালে। ২৯১ ॥

**মোৱামৰীয়াৰ পৰাজয়।**—পাচে ডেকাফুকনে সেই কছাৰী, মোৱা-মৰীয়াক ধৰিবৰ মনে কলং পাৰ হৈ কছাৰী গাওঁ সোমাই কোঁঠ কৰি ৰ'ল। এনেতে বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰক পঠাই জাগীৰ বাটে গুৱাহটীয়া ফৌজ সুমাই দি ক্ৰমে বাঢ়ি গ'ল। এনেতে কছাৰীয়ে ভগনীয়া মানুহ দিবলৈ আক্ৰমন কৰিলে। মোৱামৰীয়া প্ৰধান হৈ নিদি ৰাখিলে। পাচে ফুকনে চাং-চকী পাওঁতে মোৱামৰীয়াই ৰণ ধৰিলে। সেই ৰণত মোৱামৰীয়া পৰাস্ত হ'ল; কিছু মানুহো পৰিল। এই ৰণৰ বাৰ্ত্তা বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰক পঠাই ৺লৈ জনালে। কটকী আহি বৰবৰুৱাত কলে। পাচে ৺এ কটকীক চাঙ্গলৈকে নি সুধিলে। ৺এ শুনি হৰ্ষযুক্ত হ'ল। পাচে ফুকনে বৰথল পৰ্য্যন্তে মোৱামৰীয়া বিচাৰিলে, গাওঁ জুই লগাই পুৰি কছাৰীৰ লস্কৰ, কছাৰী, মোৱামৰীয়া, ভগনীয়া, এনে মানুহ কিছু পাই উলিয়াই আনি পুনৰ ৰহাৰ চৌকীৰ কোঁঠতে ৰ'ল। জাগীয়ে সোমোৱা ফৌজো দাঁতিৰ চাৰি ৰজা-পোৱালিক ধৰি লৈ ওলাই জাগীৰ চৌকীত ৰ'ল। কেতবোৰ মোৱামৰীয়া, ভগনীয়া ভাগি খাচপুৰ, জয়ন্তীপুৰ সোমাল। বৰমূৰা গোহাঁইকো নেপালে। ২৯২ ॥

**ৰাজদ্ৰোহী নগপ্ৰাৰ দণ্ড।**—সেইবেলা ফুকনে মোৱামৰীয়াৰ লগ লোৱা দায়ত নগপ্ৰাৰ শইকীয়া ৭টা, সাতৰজীয়া-পাঁচৰজীয়া ৰজা-পোৱালি ৪টা, এইইঁতক শালত দি ৰৰশী দি মাৰিলে। তাতে হাতী কিছু ধৰিলে। এনেতে জয়ন্তাৰ ৰজা ৰামসিংহৰ ঠাইৰ পৰা উকীল দলৈ কপাই, লিগিৰা হৰি, এই আহি পালেহি। পাচে ফুকনে সিইঁতক ৺ৰ ঠাইলৈ পঠাই দিলে। সিইঁতো আহি দিচৈৰ ৰাহৰ পালে। সিইঁতক সৰ্ব্বাইৰন্ধাতে ৰোজ-ৰাজ দি নিবন্ধে থৈছিল। ইইঁত নৌপাওঁতেহি এই কটকী ৰামচন্দ্ৰক এইখান বুলি ডুৱৰা ৰৰবকৰা ৰহাঘৰলৈ নি বিদায় দিলে। ২৯৩॥

**ৰৰবৰুৱাৰ জয়ন্তালৈ সমিধান।**—ৰৰবকৰা বোলে,—"জয়দেউ, ৰামচন্দ্ৰত ক, তাক আজি দেশলৈ বিদায় দিলৈঁ। আজি ৰহাতে জিৰাই থাকি কালি সি জয়ন্তীপুৰে যাব। ৰাজা যি পত্ৰত লেখি জনাই আহিছিল সেই পত্ৰৰ সমাচাৰ পত্ৰত লেখি দিয়া হৈছে। কিন্তু ৰাজা পত্ৰ চাই পাব আক ই যাই ৰাজাত মুখ-জেৱানে এইৰূপ কৱ,—ৰাজা যি পূৰ্ব্ব-প্ৰীতিত আছোঁ বুলি জনাই আহিছিল। ইতিপূৰ্ব্বে মোৱামৰীয়াই ৺ৰ শিঙৰি-ঘৰত জুই লগাই দ্ৰোহ কৰিবৰ চিত্ত কৰিলে। পাচে ৺এ দেশে দেশে সেই মোৱামৰীয়াক মাৰিবলৈ আজ্ঞা কৰিলে। পাচে মোৱামৰীয়া মৰণ ভয়ে ৺ৰ গোলাগঞ্জৰ অনেকখনি ধন লৈ ভাগি গৈ সে দেশত সোমাওঁতে আমাৰ চোকীৰ লোকে সেই দেশৰ লোকক বুলিলে,—'এই মোৱামৰীয়াক তইঁতে ঠাই নিদিবি; ই ৺ৰ শত্ৰু, গোলা ভাঙ্গি ৺ৰ অনেকখনি দ্ৰব্য আনিছে।' এইৰূপ ৰাধাকো শুশুনি কোনো লোকে দ্ৰব্যাভিলাষে ঠাই দি ৰাখিলে। এনেও বুলিলে,—'যদি আৰ পৰা জঞ্জাল হয় আমাতে বুজিব।' এই বুলি ৰাখিলে। এতিয়া দেশ-বিভ্ৰাটত অন্নৰ বিকলত ভগনীয়া প্ৰজাও সেই দেশে বিস্তৰ সোমালগৈ। পাচে সেই মোৱামৰীয়া, ভগনীয়া, কছাৰী, এইবোৰে মিলি ৰহাৰ ডুৱাৰে ৰণ পাতি ৺ৰ বিস্তৰ মানুহ অ.হিলা নষ্ট কৰিলে। সেই ৰণ জিনাত কছাৰীৰ যি অৱস্থা হৈছে তাক ৰাজা শুনিব পায়; ইইঁতেও দেখিছে। এতেকে ৰাজা যদি পূৰ্ব্ব-প্ৰীতিক ইত্তৰোত্তৰে বৃদ্ধিক ইচ্ছা আছে, তেবে সেই সোমাই থকা মোৱামৰীয়া, ভগনীয়া প্ৰজা,

এই সকলোখনি ৰাজা মানুহ দি এই আমাৰ কটকী জয়দেউ, ৰৰা জয়, এইইঁতৰ লগে জাগীৰ চৌকীত উলিয়াই দিয়াব।"

এইৰূপে শুনি কটকী ৰামচন্দ্ৰই বোলে,—"ভাল, আমাক যি আজ্ঞা কৰিছে আমি গৈ সকলোখনি ৰাজাত কম; ৰাজা যি বোলে সেয়েহে হব। কিন্তু দাঁতিৰ চাৰি ৰজা-পোৱালিক আনি ৰঘাৰ চৌকীত কইদ কৰি ৰাখি থৈছে, যেন সেই ৰজা-পোৱালি কেইটাক আমাৰ হাতভে এৰি দিব।" এইৰূপ জনালত ৰৰবৰুৱা বোলে,—"ভাল, তাৰ লগতে ৰজা-পোৱালি কেইটাক দিছোঁ; আৰু তাৰ লগতে আমাৰ কটকী জয়দেউ, ৰৰা জয়, এইইঁতক পত্ৰ-সন্দেশ দি তাৰ সঙ্গেই ৰজাৰ ঠাইলৈ পঠোৱা গৈছে; ই বাই ৰজাক সম্ভাষা কৰাই শীঘ্ৰে বিদায় দিয়াব।" এই বুলি ৰহাঘৰলৈ বিদায় দিলে। ২৯৪ ॥

**ৰৰবৰুৱাই জয়ন্তা ৰজালৈ দিয়া চিঠি।**—সেই কটকী জয়দেউ, ৰৰা জয়, এইইঁতে নিয়ে জয়ন্তাৰ ৰজা ৰামসিংহলৈ আমাৰ ঢুৰবাৰ ৰৰবৰুৱা দিয়া পত্ৰ এই:—

স্বস্তি শ্ৰীমদিন্দ্ৰাদি-বৃন্দাৰক-বৃন্দ-বন্দিত-পদাৰবিন্দ-শ্ৰীগোবিন্দ-পদ-কমলা-মন্দ-মেদুৰ-মকৰন্দ-ইন্দিবৰ-সান্দ্ৰানন্দ-মন্দিৰ-নীতি-সুন্দৰী-পৰিৰক্ষিত-কলেবৰ-দ্ৰবিণ-বিতৰণ-তৃণীকৃত-গীৰ্ব্বাণ-ক্ৰমক্ষীৰ-হিণ্ডীৰ-সোদৰ-কীৰ্ত্তি-পুৰ-জয়ন্তীপুৰ শ্ৰীমদ্ৰামসিংহ-নৃপেষু। স্বস্তি শ্ৰীমদ্বিশ্বেশ্বৰ-চৰণ-শ্ৰী-পূৰ্ণ-পৰায়ণান্তঃকৰণ ধিষণাধিকৃতধিষণ-নীতি-সেতু-ৰক্ষক-শ্ৰীমদ্বৰবৰুৱা-মন্ত্ৰি-শৃঙ্গস্য লিপিৰিয়ং বিৰাজতেতৰাং। অন্বহদিনং ভৱদ্ভব্যম্-ঈহমানানাম্ অব্যাহতং ভদ্ৰং নঃ।

বিশেষ সমাচাৰ এহি,—শ্ৰীশ্ৰী৺দেৱৰ স্থানে আপনে শ্ৰীৰামচন্দ্ৰ কটকীৰ যোগে যে পত্ৰ প্ৰেৰণ কৰিয়াছিল সে পহুছিল। তাহাৰ বাচনিতে শ্ৰীশ্ৰী৺ৰ সকল সমাচাৰ জ্ঞাত হৈয়া পৰমাপ্যায়িত হৈল। তাৰ পৰ শ্ৰীশ্ৰী৺ও আপনাৰ কটকী মজকুৰকে সাক্ষাত কৰালেন। সে সময়ে যে কথোপকথন হৈয়াছিল তাহা সকল কটকী মজকুৰ জ্ঞাত হৈয়াছে। আৰ

পত্রে লেখিয়াছিলেন পূর্ব্বের প্রীতি-সম্বন্ধীয় উপযুক্ত হয়। এইরূপ কিয়ৎকাল হৈতে কথন মাত্র প্রবর্ত্তনাভাব হৈয়াছেন। সম্প্রতি যেমতে পূর্ব্ব ৺র প্রীতি রক্ষা পরা যায় তাহা করণেসে উচিত হয়। আর বলিয়াছেন সুপ্রতুল শত্রু-দমন শ্রবণ মাত্রকে বহু আনন্দভাক পাই। আপ্তজন হৈলে আপ্তজনে শুভাকাঙ্ক্ষী হয়নেসে উচিত। আর যে বলিয়াছ উভয় দেশের প্রীতি-পত্তি বিস্মৃত নাহয়, এবাক্য আপনার সত্য বটেন। তাহাতে লেখিয়াছেন,—"শ্রীশ্রী ৺৺র ইচ্ছাতে নর্থঙ্গের কতগোটা গাবো পথবিরোধ করিয়াছিল। তাহা সম্প্রতি সুপ্রতুল হৈয়াছে, অল্প শেষ আছে। তাহাও অল্প দিবসেই সুপ্রতুল হয় নহয় এক প্রকার বিরোধর শেষ দেখিবাম। আপনাতে অভেদতা কারণ জনাইলাম।" আমরাও এই-সকল জ্ঞাত আছি। কিন্তু বাহা-বিরোধ যে শেষ আছে তাহা চেষ্টিত করিয়া পথ খোলাচা করি পূর্ব্বের ৺তে থাকিয়া পূর্ব্বধারাণমতে উকীল গতায়াত হৈলে উভয়ের এবং উভয়ত রক্ষা পাই এবং প্রীতো জিয়াদা হয়। অভেদতা বাক্যো ভেবেসে উচিত হয়। 'আর ভগনীয়া প্রজার কারণ যথোচিত সবন্দ্ব করিবাম' এমত যে লিখিয়াছেন এবাক্য রক্ষা করণেসে উচিত। তথাচ কাজের দ্বারা বুজিতে না। যেকালে এদেশের শত্রু মায়া-মরীয়াক দমন করা গেল, সেকালেতে মরণ ভয়ে বহুলোক গিয়া সেখানের দাঁতি সোমাইল। সে সময়ে আমাদের লোকে সেখানের লোকক বলিয়া-ছিল,—"আমাদের শত্রুকে তোম্রাসকলে রাখিবেক না, এবং সংস্থানো দিবেক না; শত্রু হৈতে পশ্চাৎ জঞ্জাল বৃদ্ধি হৈবে এবং উভয়ের প্রীতো নষ্ট হৈবে। অতএব রাখিবেক না।" তথাচ সেখানের রাজা-পোরালি ও দাঁতিয়াল ও গাবো এইসকলে দ্রব্যাভিলাষে "কোনোরূপ অন্যথা নাহয়, যদিস্যাৎ অন্যথা হবে আমাতে বুজিবেক" এমন বলি জিম্মা করি রাখিলেক। সম্প্রতি সে দাঁতির রাজা-পোরালি ও গাবো ও কছারী এসকলেই মায়ামরীয়া সহিত সম্মিলিত হৈয়া যেরূপ মন্দ কার্য্য করিয়াছে, তাহাসকলে এমন মন্দ কার্য্য করিতে শক্য নাহয়, এমত বুজা যায়। ইহাতে আশ্চর্য্য বোধ হৈয়াছি। কোনো প্রধান জনের ঈপ্সিতত্ত নাহৈলে এমন সামান্য লোকে

গুৰুতৰ কাৰ্য্য কৰিতে পাৰে না। যাহাৰ ঈপ্সিতত এমত অকাৰ্য্য হৈয়াছে শ্ৰীশ্ৰী৺এ যে কৰাবে, তাহা আৰম্ভ হৈবেক। অতএব পূৰ্ব্ব-প্ৰীতিত থাকিয়া আমাদেৰ ভগনীয়া প্ৰজা এবং মায়ামৰীয়া সেখানে যে আছে সকল ছাৰি দিবাৰ জন্ম সে লোককে হুকুম দিবেক। সেৰূপ নাকৰি পূৰ্ব্ব-ধৰ্ম্ম-নিৰ্ব্বন্ধ-ছাড়া হৈলে এবং প্ৰীত-বাক্যো নাচৰিলে ইহাঁতে যেৰূপ হবে তাহা আপনে জানিল। পশ্চাত সে প্ৰজা এবং মায়ামৰীয়া ৰাখিতে পাৰিবেক না; অতএব লেখিতেছি। আৰ লেখিয়াছেন,—'পূৰ্ব্বে অন্যোন্যেৰ দ্বাৰা শুনিয়াছি সীমনা ভাঙ্গিয়া মদ্দেশাশ্ৰিত প্ৰজা নিয়াছ, তথাচ পূৰ্ব্ব ৺ৰ ৰাৰণ কেন কৰিয়াছি, এমত ৰীতি ভাল নাহয়।' যে বলিয়াছেন সম্প্ৰতি উপযুক্ত নয়। নিশ্চয় বুজিবেক আমি পূৰ্ব্ব ৺তে আছি, যদিস্যাৎ তাহাকে আমি ছাৰাণ হৈবাম আমাদেৰ অত প্ৰজা অত দিবস সেখানে ৰাখিতে পাৰা হৈতে না। কিন্তু সেখানেৰ আপনাৰ আজ্ঞা-নুসাৰে পাত্ৰ আসিয়া যে কিছু মায়ামৰীয়া এবং ভগনীয়া উলিয়াই দিয়াছে তাহাকে পায়াছি, আৰ বাকী যে আছে তাহা সকলকো দিতে কবুল কৰিয়া পাতৰ এবং ৰাজা-পোৱালি সেখানে গিয়াছে। সম্প্ৰতি দেই না, তথাচ আমৰাও সীমনা ভাঙ্গিয়া আনিতে না, এবং তোমৰাও দুষ্টলোকেৰ বাক্য শুনিবে না। সম্প্ৰতি সে প্ৰজা যেৰূপ তাকিদ পাৰা যায় তাহা কৰিবেন। যদিস্যাৎ দুষ্টলোকেৰ মন্ত্ৰণাত থাকিয়া ছাৰিয়া দেয় না পশ্চাত যে হবে স্বৰ্গদেৱে জানিল আমি জনা যাই না। কিঞ্চিৎ পত্ৰচিহ্ন পঠাই-তেছি, পহুঁছিবেক। বাকী সমাচাৰ ওখানেৰ শ্ৰীজয়দেউ কটকী, ও টেকেলা বৰা শ্ৰীজয়দাস, সেখানেৰ শ্ৰীৰামচন্দ্ৰ কটকী ও গাইৰহ, ইহাসকলেৰ মুখ জেৱানিতে সকল সমাচাৰ জ্ঞাত হইয়া আপনাৰ নিজ মঙ্গলাদি লিখিয়া পৰিতোষ কৰিবেন। ইতি, শক ১৭২৫, তেৰিখ ২৮, মাস মাঘ। ২৯৫॥

**জয়ন্তা ৰজালৈ দিয়া সন্দেশ।**—সন্দেশ,—তালুত সোণৰ ফুল দিয়া হাঁচটি ১; আচুৰ আছলে-পাৰিয়ে গুণাকটা, গাৰি ফুলাম পাৰি দিয়া কাপৰ ১ যোৰ; বদলা দিয়া ছেলেং ১ খন; গছবে কমৰবন্ধা ১;

চাধা বানত ১; চাটনৰ চোলা ১; পাতৰ ধুতি ১; সোণৰ মলমা-কৰা কটাৰী ৪ খন, পিতলুৱা ৬, উকা ৬ খান। ২৯৬॥

**কটকীক দিয়া বঁটা।**—এই কটকীক দিয়া বঁটা,—কটকী ৰামচন্দ্ৰৰ কুহুমবুলীয়া পাগ, আভলচৰ জেমা, ঘুৰীয়া কাপৰ, পটুকা, কৰম-ফুলা, তিনি ঠাইত সোণ-খটোৱা খাক। খৰচৰ ৰূপ ৩০৲ টকা, সোণ ১ টকা। তাৰ লগৰ পালী-কটকী দুটাৰ কপাহীৰ জেমা-পাগ, খনীয়া কাপৰ, কমৰবন্ধা, অস্তি; পাৰো এটাৰো। এবং খৰচ-ৰূপ এই তিনিত ৩৬৲ টকা। আমাৰ কটকী জয়দেৱৰ বঁটা কুহুমবুলীয়া পাগ, ঢেকেৰি দবাৰ জেমা, কুহুমবুলীয়া ঘুৰীয়া কাপৰ, কপাহী পটুকা, উকা খাক, কৰম-ফুলা; খৰচ-ৰূপ ২৪৲ টকা, সোণ ১ টকা। সক কটকী দুটাৰ ভুনি, ছেলেং, পাগুৰি, অস্তি। খৰচ-ৰূপ ২৪৲ টকা। টেকেলা বৰাৰ জৰধীয়া পাগ, খনীয়া কাপোৰ, কপাহীৰ জেমা, কেক; খৰচৰ ৰূপ ২০৲ টকা। বৰটেকেলাৰ ভুনি, ছেলেং, পাগুৰি, অস্তি। খৰচ-ৰূপ সকল টেকেলাক ২৪৲ টকা। চকীয়া বৰাক ৰূপ ৮৲ টকা। এইৰূপে বঁটা-খৰচ দি এইহঁতক জয়ন্তাৰ ৰাজা ৰামসিংহৰ ঠাইলৈ পঠালে। ২৯৭॥

**জয়ন্তা কটকীৰ বিদায়।**—ধৰি আনি ৰখা দি থোৱা দাঁতিৰ ৰজা-পোৱালি খলা, গোভা, নলী, চহৰী, এই চাৰিকো ৰহাৰ পৰা লৈ গ'ল। এনেতে এই ৰামচন্দ্ৰ কটকীৰ গালে জয়ন্তাৰ ৰজাই দলৈ কপাই, লিগিৰা হৰি, এই দুই পত্ৰ-সন্দেশ দি পঠাইছিল। সিহঁত পালেহি বোজ-বাজ দি পাচে দুৱৰা বৰবৰুৱা বহাৰৰত ধাৰাণে ভুলি পাচে বিদাই দিলে। এইহঁতো শীঘ্ৰে গৈ সেই কটকী ৰামচন্দ্ৰে সৈতে জয়ন্তা দেশলৈ গ'ল। ২৯৮॥

**ভোটৰ কটকীৰ বিদায়।**—আতপাচে ডেকাফুকন ৰহাৰ চৌকীতে থাকিল। কাপ্তান, বচা-বাগ্নখোৱা আহি ৺ৰ লগ ললে। এনেতে কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ভাঙৰীয়া চ'ৰা নাৱে ভোগদৈ নৈয়ে গৈ ভোটৰ কটকীক অনাই এইখান বুলি বিদাই দিলে,—"জীৱ, দিন্দু, খুপা, বুককদেৱা, তইতক আজি বিদাই দিছোঁ। আজি বহাৰৰত থাকি

কালিলৈ দেশলৈ যাবি। ৰাজা দেৱাধৰ্ম্মাই যি পত্ৰত লেখি জনাই আহিছিল তাৰ সমাচাৰ পত্ৰতে লেখি দিয়া হৈছে। ৰাজা পত্ৰ চাই পাব আৰু যি মুখ-জেৰানে জনাইছিল সেই কাৰ্য্য সুধিবৰ নিমিত্তে গুৱাহাটীৰ বৰপানীৰ নেবাবকে আজ্ঞা কৰা হৈছে। তাঁহঁতৰ লগে বৰফুকনক কৰৰ নিমিত্তে হৰমীয়াৰ কটকী আনৈক দিছোঁ। এই সৈতে গুৱাহাটীক যাব। বৰফুকনৰ ঠাইত দেখা কৰি বিদাই হৈ পাচে দেশলৈ যাব।” এই বুলি বিদায় দি মহামন্ত্ৰী বুঢ়াগোহাঁই ভাণ্ডৰীয়া বৰ্হাঘৰলৈ আহিল। ২৯৯॥

**ভোটৰ কটকীক দিয়া বঁটা।**—এইহঁতক দিয়া বঁটা,—জীৰক কুহুমবুলীয়া পাগ, ধলপটুকাৰ জেমা, কুহুমবুলীয়া ঘুৰীয়া কাপৰ, কমৰবন্ধা, ২॥ সোণৰ কৰমফুলা, ১২৲ টকা ৰূপৰ তিনি ঠাইত সোণখটা থাক। এইদৰে দিন্দুকো দিলে। খুপা, বুককদেৱাক দিয়া বঁটা কুহুমবুলীয়া পাগ, কপাহীৰ জেমা, কুহুমবুলীয়া খনীয়া কাপৰ, কপাহীৰ পটুকা, ১॥ সোণৰ কৰমফুলা, ১০৲ টকা ৰূপৰ থাক। এইদৰে বুককদেৱাকো দিলে। খৰচ-ৰূপ জীৰক ৩০৲ টকা, সোণ ২ টকা; এই দৰে দিন্দুবো। খুপাক ৰূপ ২০৲ টকা, সোণ ১ টকা; এইদৰে বুককদেৱাকো। ৰাজা দেৱাধৰ্ম্মালৈকো এইহঁতৰ হাতত পত্ৰ-সন্দেশ দিলে। ১৭২৪ শকৰ শ্ৰাবণত এই ভোটৰ কটকী দিচৈ-বাহৰৰ পৰা গ’ল। গুৱাহাটীলৈকে লগত হৰমীয়াৰ কটকী আনৈক দিলে। ৩০০ ॥

**দেৱাধৰ্ম্মালৈ দিয়া সন্দেশ।**—স্বৰ্গদেৱে ৰাজা দেৱাধৰ্ম্মালৈ দিয়া সন্দেশ,—পাঁচ-টকা সোণৰ বাখৰাম টেমি ১টা, চাৰি-টকা খোঁৱাপাতৰ টেমা ১টা, তিন-টকা জাপিৰ চূলা ১টা জাপি সৈতে; ৰূপৰ আহোম জৰা এযোৰ ১০৬॥০, ৭২।০ টকাৰ তামোলৰ টেমা ১টা, ৩৪৲ টকাৰ খৰাবান ১টা, ২৭৲ টকাৰ খুৰী-বাটি ১টা, তামৰ ৰূপখটা শৰাই ১ খন, পিতলৰ উকা বেলা ১, বাখৰপতা কটাৰী ১ খন, হাতীদাঁতৰ ডাবেৰে পিতলখটা ১৫ খন, ম’হৰ শিঙৰ ডাবেৰে ৰূপখটা ১৫ খন, ম’ৰাপাখীৰ বিছনি ২ খন, হাতীদাঁতৰ পেৰা ১টা, পোষ্টখাৰ ৪, হাতীদাঁতৰ মেলা

৪ থাবা। কাপোৰ,—৮৹ সূতাৰ চিকণ পাগ ১, আঁচলে-পাৰি বৰলা ছেলেং ১, লালজৰ্দ্দৰ কুঁহিয়াৰপতীয়া চাটনৰ জেমা ১, গুণাৰ পেচেৰে কপাহী কমৰবন্ধা ১, চিকণ পাতৰ চুৰিয়া ১, সোণৰ চুলাৰে বনকৰা জাপি ১টা। আৰু এসাজত সূতাৰ হাঁচটি গুণাকটা পটদিং ১, আঁচলে-পাৰিয়ে গুণাকটা বৰকাপোৰ এযোৰ, বচোৱাল ১, গুণকটা টঙ্গালি ১, পাতৰ চুৰিয়া ১, কুঁহিয়াৰপতীয়া চাটনৰ চোলা ১, কপাহী ফুলাম গামোচা ১। আৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ বাবে দিয়া,—বাৰঅনীয়া সূতাৰ ১৬ হতীয়া পাগুৰি ১, গঁৰিয়লী আঁচল-পাৰি গুণাকটা বৰকাপৰ ১, বচোৱাল ১, গুণাকটা টঙ্গালি ১, ফুটুকী দিয়া গামোচা ১, পাতৰ চুৰিয়া ১, বুটাদাৰ চাটনৰ চোলা ১, দাঁতৰ ডাবেৰে পিতলখটা কটাৰী তিনিখন। উকা শিঙ্গৰ ডাবেৰে চাৰিখন, ৰূপৰ চুলা বনকৰা জৰিয়েৰে টকৌপতীয়া জাপি ১টা, দাঁতৰ মালা ছুধাৰ, দাঁতৰ পোষ্টধাৰ ২, দাঁতৰ পেৰা ১। ৩০১ ॥

পানীমুৱাৰ খবৰ।—আৰ ১৭২৪ শকৰ ফাগুন মাসত লক্ষীমপুৰীয়াৰ জাবৰে ৰীতিয়ামতে প্ৰবৰ্ত্তি মানুহ কিছু সৈতে ৺ক দ্ৰোহ চিন্তিব খুজিলে। সেই লালচৰ মানুহ,—মিৰি-সন্দিকৈৰ দোলাবৰীয়া বকৰা ১, চাওডাঙ্গৰ খেলৰে লেকেৰাৰ ঘৰৰ চাওডাঙ্গৰ বকৰা ১, মৰাণ বকৰাৰ ঘৰৰ টিপমীয়া ফুকন ১, তায়েক ওজালিগিৰা ১, জৰাধৰা খেলৰে জৰাধৰা বকৰা বাকলি ১, চাংমাই খেলৰ চাংমাই খুটিখোৱা ১, তাৰে পুতেক ১, হৰগৌৰীৰ দেৱলীয়া ওজালিগিৰা হালোৱা ১, কলিতা হাজৰিকীয়া ১, মলখুৰচাৰ লিগিৰা লুটুম ১, খামনৰ হাজৰিকীয়া ১, লেবাং হাতীমুৰীয়া ১, কটকী বৰা ১, বৰবকৰাৰ মেলৰ লিকচন বৰা কৃষ্ণাই ১, আৰু অন্য মানুহ পাঁচ-শমান। গজপুৰীয়াৰ খেলৰ পানীমুৱা বোলে; সেয়ে বাতুলতাৰ হৈ ৺ৰ বাহৰত জুই লগাবলৈ আহিছিল, তাক ধৰি সুখিলত সৈ কাঢ়িলে। আলচ কৰা লেখাও এখন সেয়ে দিলে। সেই লেখা বুজি ধৰাই ধৰাই আনি এই মানুহবোৰ কাটি শালত বৰশী দি মাৰিলে। কোনোক দোষ বুজি চকু নাক কাণ দণ্ড কৰি এৰিলে, সেই ৰীতিয়া মতে প্ৰবৰ্ত্তা কাটনিপাৰৰ মহন্ত ব্ৰাহ্মণ সুনন্দক গাধত তুলি মদ ঢালি খেদিলে। সেই প্ৰস্তাৱতে

৺এ ৰীতিয়া নপ্ৰবৰ্ত্তিবৰ নিমিত্তে সকল মহন্তৰ গাওঁপৰীয়া মেধিবোৰক অনাই সুধিবলৈ দুৱৰাৰ বৰবৰুৱাক আজ্ঞা কৰিলে। পাচে বৰবৰুৱা সকলো মেধিবোৰ অনাই তাহঁতৈত "ৰীতিয়ামতে প্ৰবৰ্ত্তা মানুহ ধৰি দিবি" বুলি আজ্ঞা কলে। "যদি তহঁতৰ ভিতৰত আগলৈ ৰীতিয়া ওলায় কপ ১০০৲ টকা দিবি।" মেধিবোৰেও গাত ললে। সকলো মেধিবোৰৰ নাও লেখি থলে। ৩০২ ॥

**কছাৰী ৰজাৰ কটকী।**—আতপাচে ডেকাফুকন ৰণত থাকিতে ১৭২৪ বৈশাখ মাসত কছাৰী ৰাজা কৃষ্ণচন্দ্ৰনাৰাণৰ ঠাইৰ উকীল চেনাখুমডাং পত্ৰ-সন্দেশ সৈতে পালেহি। পাচে ফুকনে সেই উকীলক ৰহাৰ চৌকীতে ডাঙ্গৰ ঘৰ এটা কৰাই সেই ঘৰতে প্ৰধান ফৌজ কৰি বহি ধাৰাণে তুলি ফুকনৰ নামে দিয়া পত্ৰ শুনিলে। পাচে জেষ্ঠ মাসত ফুকনে উজাই আহি দিচৈৰ বাহৰত ৺ক সেৱা কৰিলে। ৰণত পাই অনা বস্তুবোৰ কাকতেৰে বুজাই ৺ৰ ঘৰলৈ দিলে। চেনাখুমডাং উকীলকো আনিছিল। ৰণত জিনি ধৰি আনিছিল,—ৰৰাগী ৰজা বুলি ১টা, কছাৰীৰ বৰকেঁটীয়া খুমডাং, তাৰ পুতেক চাৰি লস্কৰ, এইবোৰক সৰ্ব্বাইবন্ধাতে থৈছিল। চেনাখুমডাং উকীলকো ৰোজ-ৰাজ দি সৰ্ব্বাইবন্ধাতে থৈছিল। ৩০৩ ॥

**কছাৰী কটকী তোলা।**—পাচে ১৭২৫ শকত দুৱৰা বৰবৰুৱা বহাঘৰত চৌৰাত কটকী, কাকতী, দলৈ, দেওধাই, মজিন্দাৰ বৰুৱা, তিনি কুম্পানি চিপাহী, হাতী-ঘোঁৰা প্ৰধান ফৌজ কৰি ভেঁটি কৰাই পাগ-জেমা পিন্ধি বহি সেই কছাৰী উকীল চেনাখুমডাঙক নি হাঁহচোৱা ৰৰাই ভেঁটালে। কটকীয়েও শৰাইত পত্ৰ থৈ মাটিত বহিল। পাচে বৰবৰুৱা দিলিহিয়ালৰ কটকী নাৰায়ণক সুধিব দিলে। "কটকী, চেনাখুমডাঙত সোধ, সি যেখন খাচপুৰ ছাৰি আহে তেখন ৰাজা কৃষ্ণচন্দ্ৰনাৰাণ গো-ব্ৰাহ্মণ ৰৰা-বৰুৰ থল-পৰ্ব্বতী লোকজনক প্ৰতিপালন কৰি কুশলে আছে?" পাচে কটকী বহি গৈ এইৰূপে সুধিলত সি বোলে,—"আমি অহাত ৰাজা দেশ প্ৰতিপালন কৰি কুশলে আছে।" এইৰূপ জনালত বৰবৰুৱা বোলে,—"ৰাজা যে কুশলে

থাকিব আমাৰো ইচ্ছা এইহে। কিন্তু সিহঁত আহিল বা কোন মাসে? বহাৰ চৌকী পালে কোন মহিনা? ইঠাই পাবৰ বা কত দিন? অহাত পথত বা কি ভয়-ভ্ৰান্তি পাই আহিল?"

এইৰূপ শুনি সি বোলে,—" '২৪ শকৰ ফাগুন মাসত দেশ ছাৰি আহিলোঁ। সেই শকৰ চৈত্ৰত বহাৰ চৌকী পালোঁহি। তাতে কিছুদিন থাকি ডেকাফুকন সৈতে দেখা-সম্ভাষা হৈ সেই লগে উজাই আহি '২৫ শকৰ জৈষ্ঠত ইঠাই পালোঁহি। পথতো কিছু ভয় নেপালোঁ।" এইৰূপ জনালত পাচে মজিন্দাৰ বৰুৱাই পত্ৰ শুনালে। পত্ৰ শুনি বৰবৰুৱা বোলে,—"কটকী, চেনাখুমডাঙত সোধ, ৰাজা পত্ৰত লেখি যি জনাই আহিছে তাক বুজিছোঁ, কিন্তু ৰাজা মুখ-জেৱানে কি জনাই আহিছে তাক কক। এইৰূপ শুনি সি বোলে,—"ৰাজা পত্ৰত লেখি যি জনাইছে কথা সেইহে, তথাপি ৰাজা জনোৱাত পূৰ্ব্ব-প্ৰীতি ভাও বিস্মৰণ হোৱা নাই বুলি জনাইছে, আৰু ৰণ জিনি ধৰি অনা বৰফেঁটীয়া খুমডাং, চাৰি লস্কৰ এইহঁতক আমাৰ সঙ্গে ছাৰি দিবৰ কাৰণে জনাই আহিছে।" এইৰূপ জনালত বৰবৰুৱা বোলে,— "ভাল, ৰাজা যি জনাইছে তাৰ সমাচাৰ তাৰ বিদায় কালে পাব। যদি তাৰ ভাগ্য আছে কি ৺ৰ চৰণো দেখা পায়। সম্প্ৰতি থকা বহাতে থাকক যাই। এইবুলি ফুল-চন্দন তামোল-পাণ দিয়ালে। সেইবেলা ৰণে জিনি ধৰি অনা বৰফেঁটীয়া খুমডাং, চাৰি লস্কৰ এইহঁতকো দায় ধৰাই বুলিলে,— "ৰাজা জনোৱাত পূৰ্ব্ব-প্ৰীতিতে আছোঁ বুলি জনাইছে। এতেকে ইহঁতেনো কাৰ অনুমতিয়েৰে ৰণ কৰে? ভাগি গৈ সোমাই থকা মানুহ উলিয়াই কিয় নিদিয়ে? আৰু সিহঁতে কওক।" এইৰূপ সুধিলত সিহঁতে দায় গাত ললে। তাহঁতক চেনাখুমডাং সৈতে বহাৰৱলৈ পঠালে। পাচে বৰবৰুৱা,কটকী,কাকতী এইবোৰক চকএৰে তামোল-পাণ দিয়ালে। ৩০৪ ॥

**কছাৰী ৰজাই বৰবৰুৱালৈ দিয়া চিঠি।**—সেই চেনাখুমডাঙ্গে অনা দুৰৱাৰ ডেকা-বৰবৰুৱাৰ নামে পত্ৰো এই ঃ—

স্বস্তি শ্ৰীমন্নগেন্দ্ৰ-নন্দিনী-চৰণাৰবিন্দ-দ্বন্দ্ব-গলিত্যন্দ-মকৰন্দ-ধাৰ-পানা-

নন্দিতান্তঃকৰণ-ষট্‌চৰণামিত্র-স্থিৰ-গণ-বিৰেৰণ-পঞ্চানন-ভূ-বৃন্দাৰকানীর্ব্বাণ-ভিন্নাধিকেতন-শ্রীযুত-বৰবৰুৱা-সদ্ভাব-চৰিত্রেষু। ভবদ্-কাকণ্যং সদৈব চিন্ত্যং তেনাস্মৎ সাময়িকং কুশলমাস্তেভবাং।

পৰং বিশেষ, স্থিতিমান্ শ্রীশৰ্ণামতি যোগে আপনে যে পত্র পঠায়াছিলাম তাহা সবিশেষ জ্ঞাত হইলাম। আপনে বৰমুৰীয়া গোহাঁই ও ভগনীয়াৰ বিষয় পত্রেতে লিখেন,—যখন ৺ৰ দেশ-বিভ্রাট কালে ৺ৰ সন্ততি বুলি পৰিচয় দিলেন, সত্যাসত্য পৰিচয় নাপাই, তথাপি জীবিকাৰ সংযোগ কৰিয়া ৰাখি। তদুপশ্চাৎ জয়সিংহ ৺ মণিপুৰেশ্বৰে যখন আপনাৰ দেশে গিয়াছিলেন উহান পুত্র অনুপানন্দ যুৱৰাজেৰ সঙ্গে মিলতা কৰিয়াছিল। সেই সম্বন্ধানুসাৰে পত্র দিয়াতেই নিলেন। অকস্মাৎ কেমতৰূপে বায়া এতদ্দেশীয় ও পুৰণীয়া ভকত ও সামান্য লোকেৰ সঙ্গে কুমন্ত্রণা কৰিয়া ৺ক যুদ্ধ কৰিল। তাহা শুনি আমাদেৰ শ্রীকের্গা-খুংলাঙ্গকে ওহাকে পাশুৰি আনিতে পাঠাইলাম। একথা শুনি আমাৰ শ্রীকের্গাখুংলাঙ্গকে অমৰ্য্যাদা কৰিয়া নটুৱা লস্কৰ প্রভৃতি কতকলোক কাটিলেন এবং ৰণে ভঙ্গ দিয়া অন্নে পীড়িত হৈয়া দেশান্তৰী হৈল। ইতি, শক ১৭২৫, মাস জৈষ্ঠ। ৩০৫॥

*   *   *   *   *

ৰবৰুৱাৰ সমিধান।—(এইখিনিতে এটা পাত নাই। তলত যি কথাখিনি আছে সি ডুৱৰা ৰবৰুৱাই কছাৰী কটকীৰ জৰিয়তে কৃষ্ণচন্দ্র ৰজালৈ মুখেৰে দিয়া সমিধানৰ শেষ অংশ)। "......যত চিপাহী ফৌজ মাৰি আহিলা নিয়া অন্যথা কৰিয়া যত উন হইয়াছিল চেনাখুমডাঙ্গৰ চিঠেই জ্ঞাত। পৰে ৺৺ৰ কৃপাত সেই ৰণকে ভঙ্গ কৰি বৰমুৰাক খেদা দিয়া গ'ল। অ,' ৰাজা মানুহ দিয়াই বৰমুৰাক পলুৱাই নিয়াই দেশে ৰাখি আছে, তথাপি দেশান্তৰী হ'ল বুলি আমালৈ কপট বাক্য লেখিয়াছে। তথাপি ইমান অন্তথা অকাৰ্য্য কৰি ব্যাজ কথা কোৱাতো

তাৰ প্ৰতিকাৰ কৰিব পৰাতো আমি পূৰ্ব্বধৰ্ম্ম কবুলত থাকি কৰা নাই। সম্প্ৰতি লস্কৰ কেইটা যি ধৰি অনা গৈছে দোষানুৰূপ দণ্ড সেইহঁতকো কৰা নাই। তথাচ ৰাজা সকল কথা চিত্তে ৰাখি আমাৰ এই কটকীৰ হাতত সপুত্ৰ-বান্ধৱে ৰৰমূৰা, ভগনীয়া প্ৰজা, মোৱামৰীয়া, এইবোৰ লগে মানুহ যি ৰহাৰ চৌকীত উলিয়াই দিয়ে। এতেকে ধৰি অনা লস্কৰকো ছাৰি দিয়া যাব ; পূৰ্ব্বপ্ৰীতিও ৰক্ষা পাব। যদি এইৰূপ নাচৰি এনে বঞ্চনা কথাহে কৈ থাকিব, ইহাৰ প্ৰতিকাৰ ৺৺ৰ যে কৰাব তাকে দেখিব।” এইৰূপ শিকাই বিদায় দিলে। ৰণ জিনি ধৰি অনা লস্কৰবোৰকো ৰহাৰ চৌকীতে ৰখা দি থৰলৈ এই লগে দি পঠালে। ৩০৬ ॥

ডুৰৰা বৰবৰুৱাই ৰজা কৃষ্ণচন্দ্ৰলৈ দিয়া পত্ৰ।—এই লগে আমাৰ ডুৱৰাৰ ডেকাজনা বৰবৰুৱাই দিয়া কছাৰী ৰজা কৃষ্ণচন্দ্ৰ নাৰাণলৈ বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰে নিয়া পত্ৰো এই :—

স্বস্তি শ্ৰীচতুৰ্ম্মুখ-প্ৰমুখ-বৃন্দাৰক-বৃন্দ-বন্দিত-শ্ৰীমদীশ্বৰী-চৰণ-মহোৎপল-পৰাগ-ৰাগীকৃত-চিত্ত-মধুব্ৰত-শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰনৃপেষু। স্বস্তি শ্ৰীগোপালচৰণ-নখ-পূৰ্ণ-চন্দ্ৰিকাস্বাদ-চতুৰ-চিত্ত-চকোৰ-সকল-সদ্‌গুণাৰ্ণৱ-ডুৱৰা-বংশোদ্ভৱ-শ্ৰীশ্ৰীবৰবৰুৱাখ্য-মন্ত্ৰি-প্ৰবৰস্য পত্ৰমিদং বিৰাজতেতৰাং।

পৰং সমাচাৰ এহি,—শ্ৰীচেনাথুমডাঙ্গৰ মাৰ্ফৎ আপনাৰ পত্ৰ পাইয়া সমাচাৰ জ্ঞাত হইলাম। আৰ শ্ৰীশ্ৰী৺ৰ স্থানে পালসেৱাৰ হস্তী-ঘোঁৰা সমেত যে পত্ৰ প্ৰেৰণ কৰিতেছিল শ্ৰীশ্ৰী৺ৰ চৰণাৰবিন্দেত শ্ৰীচেনাথুমডাং সহিত সাক্ষাত কৰা গেল। সে সময়ে যে কথোপকথন হইয়াছিল শ্ৰীচেনাথুমডাঙ্গৰ মুখ-জাৱানে জ্ঞাত হইবেন। আৰ পত্ৰতে লেখিয়াছিলেন,—বৰমূৰা গোহাঁই এবং ভগনীয়াৰ বিষয় পহিলে এহি সম্বাদ পত্ৰে লেখিয়া ইঠানেৰ শ্ৰীকেদেলা কটকীক সেখানে পঠাইয়াছিলাম। সে সময়ে আপনে পত্ৰসমেত শ্ৰীফেলাই, শ্ৰীসাগৰকা, শ্ৰীকেদেলা কটকীৰ সঙ্গে পঠোৱা পত্ৰেও মুখ-জেৱানীয়েও এমত বলিয়াছিল,—“যখন ৺ৰ

দেশ-বিভ্ৰাট ছিল, তখন ৰৰমুৰা গোঁহাই ইখানে আসিছিল, সত্যাসত্য পৰিচয় নাপাই জীৱিকা সংযোগ কৰি ৰাখিয়াছিল। ইতিমধ্যে শ্ৰীমণিপুৰী ৰাজাৰ পুত্ৰ অনুপানন্দে মিত্ৰতা সম্বন্ধানুসাৰে লেখা দিয়া মণিপুৰে নিলেক। যদিস্যাৎ পুনৰ খাচপুৰে আসে তবে ধৰিয়া দিয়া যাব।” এইৰূপ পত্ৰে ও মুখ-জাৱানেও কহিয়াছিল। সম্প্ৰতি সেৰূপ বাক্য ছাৰা হৈয়া পত্ৰে লেখিয়াছেন,—“ৰৰমুৰা গোঁহাই মণিপুৰ হৈতে আসিয়া এতদ্দেশীয় পুৰণীয়া ভকত সামান্য লোকেৰ সঙ্গে কুমন্ত্ৰণা কৰিয়া ৺কে যুদ্ধ কৰিল।” তা শুনি আমাদেৰ শ্ৰীফেৰ্গাথুমডাঙ্গকে উহাকে পাকুৰি আনাইতে পাঠাইলাম। একথা শুনি ফেৰ্গাথুমডাঙ্গকে অমৰ্য্যদা কৰি নটুৱা লস্কৰ প্ৰভৃতি কতটি লোক কাটিলেন; এবং ৰণে ভঙ্গ দিয়া অন্নে পীড়িত হইয়া দেশান্তৰী হৈল।” এইৰূপ আত্মদোষ গুপ্ত কৰিয়া যে লিখিযাছেন অনুপযুক্ত। নটুৱা লস্কৰ আদি যেমত কাটিয়াছে এবং ৰৰমুৰা পুত্ৰসমেত ৰণে ভঙ্গ দিয়া পলাই গৈই আছিল, তাহা সমস্ত জানিয়াছি। সম্প্ৰতি আপনে পূৰ্ব্ববাক্য বিস্মৰণ হৈয়া, পিতা-পুত্ৰ সম্বন্ধ, ৺ত ধৰ্ম্ম-কবুল বিচ্ছেদ কৰিয়া দাসীসুত ৰৰমুৰাকে, মোৱামৰীয়া, ভগনীযা প্ৰজা এবং কছাৰী সকলকে সম্মিলিত কৰাইয়া আমাদেৰ ফৌজ সহিত যুদ্ধ কৰাইয়া ৺ৰ যত অন্যথা কাৰ্য্য কৰিয়াছেন, পত্ৰে লেখিতে পাৰি না। তথাচ পূৰ্ব্বধৰ্ম্ম-কবুল পিতা-পুত্ৰ সম্বন্ধেত থাকিয়া আমৰা তাহাৰ প্ৰতিকাৰ কৰিবাৰ মনস্থ নাই। অতএব পূৰ্ব্বপ্ৰীতি-ধৰ্ম্ম-কবুল ৰক্ষা কৰিবাৰ যদি আপনাৰ মনযোগ আছে, যেৰূপ পুত্ৰ-ভাৰ্য্যা সহিত ৰৰমুৰা এবং ভগনীয়া প্ৰজা ও মোৱামৰীয়া এসকল শীঘ্ৰে পায়া যাই তাহা কৰিবেন। যদিস্যাৎ এৰূপ বাক্যতে মনযোগ না কৰেন ৺৺এ যি কৰাৱে তাহা আৱশ্য হৈবেক, নিশ্চয় বুজিবেক। “আৰ কলিকত্তাৰ শ্ৰীযুত ৰৰচাহাবেৰ পৰামৰ্শ কৰিলাই ভালমতে তদন্ত কৰি বুজিবেক। দৈৱচক্ৰ বলৱন্ত বটে, ইহাতে কেও বাৰণা কৰিতে নাপাৰে। এৰূপ যে বলিয়াছেন শৰীৰী মাত্ৰকে দৈবাধীন। দৈবে যাহাকে যেহি কৰাৱে সেহিসে হয়; ইহাতে মনুষ্যেৰ কৰ্ত্তব্যতা নাই। তথাচ ধৰ্ম্ম প্ৰবৰ্ত্তাজনক কদাচ ৺ ধৰ্ম্ম ছাৰে না। আৰ এই দোষ গ্ৰহণ

কৰ, তবে পূৰ্ব্ব ৺৺এ ধৰ্ম্মক্ষেত্ৰেতে পিতা-পুত্ৰ সম্বন্ধ নিৰ্ব্বন্ধ ৰক্ষা হৈল না। অতএব ৺ আমাদেৰ পিতৃ হৈল। "পিতৃতে পুত্ৰৰ যদি অপৰাধ হয় তথাপি পিতৃয়ে অপৰাধ ক্ষমা কৰিবে উপযুক্ত।" একপ যে লেখিয়াছেন, আস্ত্ৰা সেৰূপ দোষ গ্ৰহণ কৰি নাই। যদিস্যাৎ গ্ৰহণীয় কৰিত সেইক্ষণে তাহাৰ প্ৰতিকাৰ ৺৺ৰ কৃপাত যে হবে তাহা হৈত। অতএব পূৰ্ব্ব ৺ৰ ধৰ্ম্ম-কবুল পিতা-পুত্ৰ সম্বন্ধেতে থাকিয়া আস্ত্ৰা ৺ৰ ধৰ্ম্ম-ছাৰা কাম কৰি নাই। আপনেও ৺ৰ ধৰ্ম্ম-ছাৰা হৈলে ৺ ধৰ্ম্মে ৰক্ষা কৰিবে না। অতএব যেৰূপ পূৰ্ব্বপ্ৰীতি ৰক্ষা পায় আপনে তাহা কৰণেসে উচিত। ইতি, সন ১৭২৬, তাৰিখ ১৪ চৈত্ৰ। ৩০৭॥

**কছাৰী বজাৰ ওচৰলৈ ঘোৰা কটকীক দিয়া সন্দেশ।**—সন্দেশ,—পাতৰ ধুতি ২ যোৰ, সোণখটা কটাৰী ২ খন, ৰূপখটা ২ খন। এইহঁতৰ হাতে শ্ৰীকুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া দিয়া পত্ৰো এইহে। সন্দেশ,—চিকণ কপাহীৰ পাগ এটা, আঁচল-পাৰিয়েৰে গুণাকটা গাঁৰি-ফুলাম-যুৰীয়া কাপৰ ১ যোৰ, মলমলৰ জেমা ১টা, গুণাৰ গছদিয়া কমৰবন্ধা ১, পাতৰ ধুতি ১ খন। এইহঁতক দিয়া বঁটা-খৰছ,—চেনা-খুমডাঙ্গক সোণ ১ টকা, ৰূপ ৩২ টকা। দুই মজলীয়া কটকীক ৰূপ ৩২ টকা, চৰকাৰ, ঘোঁৰাচোৰা, হাতী-মাউত, পত্ৰ-ভাৰী, এই চাৰিত ১০ টকীয়া দৰে ৪০ টকা; আক লগৰ মানুহ ১৩ টাত ৪ টকীয়া দৰে ৫২ টকা। আমাৰ বৰকটকী ধীৰেশ্বৰক সোণ ১ টকা, ৰূপ ২৮ টকা; দুই মজলীয়া কটকীক ১২ টকীয়া দৰে ২৪ টকা; হাঁহচোৱা বৰাৰ ১৬ টকা, ৪ টেকেলাত ৪ টকীয়া দৰে ১৬ টকা, চকীয়ালৰ বৰা ১ টাক ৬ টকা, বৰটেকেলাত ৭ টকা। বঁটা,—চেনাখুমৰ ২ টকা সোণৰ কৰমফুলা ১ যোৰ, সোণখটা ১২ টকা ৰূপৰ খাৰু ১ যোৰ, গুণাপৰা যুৰীয়া কাপৰ ১, চিকণ কপাহীৰ পাগ ১, চিৰপটুকা ১, আতলচৰ জেমা ১, কমৰবন্ধা ১; দুই মজলীয়া কটকীৰ ২ টকা সোণৰ অস্তি ২ যোৰ, বৰপাগ ২টা, কলীয়া বৰকাপৰ ২ খন, মৰঙ্গিয়াল তাৰৰ জেমা ২টা। চৰকাৰ,

হাতী-মাউত, খোঁৱাচোৱা, পত্ৰ-ভাৰী এই চাৰিক ৮০ তিনি মহা টং সোণৰ অস্থি ৪ বোৰ, পাগুৰি ৪ গছ, টেংছোল ৪ খন, জেমা ৪টা, টঙ্গালি ৪ গছ; ভাৰী ১৩ টাত পাগুৰি ১৩ গছ, ছেলেং ১৩ খন; টেকেলাবৰা হাঁহচোৱাক সোণৰ কেক ১ বোৰ, পাগ ১টা, জেমা ১, পাটুকা ১, কলীয়া বৰকাপৰ ১ খন; টেকেলা ৪টাৰ পাগুৰি ৪ গছ, ছেলেং ৪ খন; চকীয়াল বৰা ১টাৰ কলীয়া বৰকাপৰ ১ খন, পাগুৰি ১ গছ, কোঁটা ১ খান; আমাৰ বৰ-কটকী ধীৰেশ্বৰক ১।০ টং সোণৰ কৰমফুলা ১ বোৰ, ১২ টং ৰূপৰ খাক ১ বোৰ, গুণাপৰা জুৱায় কাপৰ ১ খন, বোলোৱা পাগ ১টা, ঢেকেৰী দবাৰ জেমা ১টা, কপাহীৰ পটুকা ১ গছ। মজলীয়া কটকী দুটাৰ বোলোৱা হালধীয়া খনীয়া কাপোৰ ২ খন, বোলোৱা পাগুৰি ২ গছ, ভুনি ২ খন, বৰ টেকেলাক ৮০ সোণৰ অস্থি ১ বোৰ, কলীয়া বৰকাপৰ ১ খন, কোঁটা ১ খন, বোলোৱা পাগুৰি ১ গছ। ৩০৮ ॥

**কনকসিংহৰ দণ্ড।**—এই সময়তে কণকচিং বঙ্গালক ডুৰৰা বৰ-বৰুৱা সন্তাতে সুধি পূৰ্ব্বে ডুম্বী হৈ গাওঁ ভঙ্গা পালে। সিও দায গাত ললে। পাচে সেই কনকচিঙ্গক বৰহিলৈৰ গুলী দি মৰালে। তাৰ লগৰ দুই বঙ্গালক কাকত কৰি আমগুৰি-খাটত দিলে। ৩০৯ ॥

**আউনীআটীত কমলেশ্বৰ সিংহ।**—আতপাচে ১৭২৬ শকৰ চৈত্ৰ মাসৰ ১৬ দিন যাওঁতে বৃহস্পতিবাৰে ৺ও আউনীআটীলৈ গোবিন্দ ঠাকুৰ সেৱা কৰিবলৈ গৈছিল। সেইবেলা ৺ৰ লগত কুঁৱৈগএগা মহা-মন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰপাত্ৰ ডাঙ্গৰীয়া, ডুৰৰা বৰবৰুৱা, আনো ফুকন ৰাজখোৱা গৈছিল। সেইবেলা বৰগোহাঁই ডাঙ্গৰীয়া চকুৰে নেদেখা গা অন্তাৰত যাব নোৱাৰিলে। সেইবেলা গোসাঁয়ে ৺ক দিলে তাম-পিতল ২ সাজ, শৰাইৰে সজাই কাপৰ ৩ সাজ, ৰূপ ১২ টকা, সোণ ২ টকা। এই দ্ৰব্য গুভোতাই গোসাঁইক দিলে। ৺এ দিলে সোণ ২ টকা, ৰূপ ৩০ টকা; বুঢ়াগোহাঁই ডাঙ্গৰীয়া ৰূপ ১২ টকা; বৰপাত্ৰ ডাঙ্গৰীয়া ৰূপ ১০ টকা; বৰবৰুৱা ৰূপ ৮ টকা; এইৰূপে তাৰতম্যৰূপে দিলে। গোসাঁয়ে সকল লোকক জলপান কৰালে। ৺ৰ সাজৰ দ্ৰব্য দিছিল। ৩১০ ॥

**ৰবৰুৱাৰ ৺ৰ অভ্যৰ্থনা।**—পাচে আহি গধূলি বাহৰ সোমালহি। আতপাচে সেই চৈত্ৰৰ ২৪ দিন বাওঁতে ৺ও দক্ষিণপাটলৈ গৈছিল। সেইদিনা ডুৱৰা ৰবৰুৱা তিলক নামে হাতী এটি সুসজ্জিত কৰি দাঁৰিকা ডুৱাৰৰ মুখতে ৺ক তুলিলে। হাতীৰ অলঙ্কাৰৰ লেখা,—দাঁতত সোণৰ মলমা কৰা ৰূপৰ খাৰুৱা ৬ যোৰ, বানতৰ মুখচানি তাতে ৰূপৰ ফাও ৮৯ খান, দাপোন ৬৬ খান, ৰূপৰ নাললগা শ্বেত চামৰ ৩ টা, ৰূপৰ চইজৰী ১ গছ, ৰূপৰ বিকাপী ১ যোৰ, ৰূপৰে ৪ ঠাইত বন্ধা বানত সিয়া অঁকুশ ১ গছ, কাঁহৰ নূপুৰ ১ যোৰ, চালমুগুৰা দুটা, যোৰ তলচা, আৰে কিংখাপৰ ভোগেৰে কেপকৰা ১ খন। সেইদিনা ৺এ ৰবৰুৱাক যোগ্যানুৰূপে বঁটা দিলে। ৩১১ ॥

**দক্ষিণপাটত স্বৰ্গদেৱ।**—পাচে ৺এ দিহিং পাৰ হৈ বাদৰবায় গোসাঁই সেৱা কৰিলে। সেইবেলা গোসাঁয়ে দিলে ৺ক তাম-পিতল ২ সাজ, শৰাইৰে সজাই কাপৰ ৩ সাজ, ৰূপ ১২ টকা, সোণ ২ টকা। ৺এ এই দ্ৰব্যবোৰ ওভোতাই গোসাঁইক দিলে সোণ ২ টকা, ৰূপ ৬০ টকা; বুঢ়াগোহাঁই ডাঙৰীয়া ৰূপ ১২ টকা; বৰপাত্ৰ ডাঙৰীয়া ১০ টকা; ৰবৰুৱা ৮ টকা; এইদৰে তাৰতম্যৰূপে সকলেও দিলে। পাচে আহি ৺ও খাজিখোৱা সোমাল। সাজৰ দ্ৰব্য সকলো গোসাঁয়ে দিছিল। আক ৺ৰ লগত যোৱা সকলো লোকবোৰক প্ৰধানৰূপে জলপান কৰালে। আউনীআটাতকৈ দক্ষিণপাটত খুৱান-খুৱান, ৰং-ঢং সকলো কিছু বাঢ়িল। পাচে ৺ও আহি গধূলি বাহৰ সোমালহি। ৩১২ ॥

**ডেকাফুকনৰ মৰাণ বিজয়।**—সেই ২৬ শকৰ মাঘত উজনিৰ মোৱামৰীয়া ৰণলৈ বুঢ়াগোহাঁই-কৈদীয়া ডেকাফুকনক পঠালে। সেই লগে তিতকৰাল ফুকন, কাপ্তান গোহাঁই, বচা-বাজখোৱা, মেচাঘৰীয়া তিতৰ হাউসাগৰ বৰা, চিপাহী ৫ কুম্পানি, মানুহ তিনিও দৈয়ঙ্গীয়া, তিনিও অভয়পুৰীয়া, দুইয়ে ফুকনৰ গা-দামী চুটিয়া-কাঁড়ী ১ হাজাৰ, কমলাবৰীয়া ১ হাজাৰ, মৰাণ কাঁড়ী এক হাজাৰ, চেকেৰাতলীয়া ১ হাং, তিতকৰাল মৰবন্দী ১ হাং, খাৰঘৰীয়া ১ হাং। পাচে ফুকনে ৺ক সেৱা কৰি গৈ

ডিক্র পাব হৈ ভুটীয়াটিঙ্গত মৰাণক খেদি ধৰিলে। পাচে মৰাণ ভাগি গৈ হোলোঙ্গাগুৰিত সোমাল। এনেতে প্ৰধান বৰ্ষা হ'ল। খাবৰ আটকত জ্বৰ-গ্ৰহণীএ ধৰি মৰিল মানুহ ১০০০টা। পাচে খাবলৈ নাপাই আহি মৰাণো বৰিলহি। সেই মৰাণবোৰ ডিক্র পাৰ কৈ আহি ঘিলামৰাত পাতি চিপাহী ১ কুম্পানি ৰখীয়া দি থৈ ফুকনে ১৭২৭ শকৰ ভাদ্ৰত ৺ক সেৱা কৰিলেহি। পাই অনা বস্তুবোৰ কাকজেৰে বুজাই ৺ৰ ঘৰলৈ দিলে। ৩১৩॥

**জয়ন্তালৈ যোৱা কটকীৰ ওভোতনি।**—সেই ১৭২৭ শকৰ আশ্বিন মাসত ২৯ দিন যাওঁতে জয়ন্তাৰ পৰা আমাৰ বাঁহবৰীয়া কটকী জয়দেউ, জয় বৰা পালেহি। সেইলগে জয়ন্তাৰ কটকী ৰামচন্দ্ৰ, চৰকাৰ, হৰি, এইহঁতক লৈ আহিল। এই কটকী ৰামচন্দ্ৰক ৰোজবাজ দি সৰ্ব্বাইবৰুৱাত থৈছিল। সেই জয়দেউ কটকীক জয়ন্তা বজাই দিয়া বঁটা,— সোণৰ খাক, ২ ডল কৰ্ণফুলা; মজলীয়া কটকী ২ টাক ৰূপৰ খাক, সোণৰ কুৰল; বৰা জয়ক সোণৰ কেক, ৰূপৰ খাক; কটকীক জেমা, পাগ, যুৰীয়া কাপৰ, কমৰবন্ধা: মজলীয়া কটকীক ভুনি, ছেলেং, পাগুৰি; বৰাক জেমা, পাগ, খনীয়া কাপৰ। এইৰূপে বৰটেকেলা, চকীয়াল বৰা, টেকেলা, এইবোৰক তাৰতম্যৰূপে দিলে। খৰচ,—সোণ ১ টকা, ৰূপ ৪০ টকা; মজলীয়া কটকী ২ টাক ৰূপ ৪০ টকা; বৰাক ৰূপ ৩০ টকা। এই দৰে তাৰতম্যৰূপে বৰটেকেলা, চকীয়াল বৰা, টেকেলা ইহঁতকো দিলে। ৩১৪॥

**চন্দ্ৰ-চিলিমি ঘোঁৰাৰে ৺ৰক অৰ্ভ্যথনা।**—সেই '২৭ শকৰ আশ্বিন মাসৰ ২২ দিন যাওঁতে সোমবাৰে বিজয় দশমীত ঢুৰৰা বৰবৰুৱা চন্দ্ৰ-চিলিমি ঘোঁৰা এটি সুমণ্ডিত কৰি দোলাৰবীয়া চৌৰাৰ মুৰতে ৺ক তুলিলে। সেই ঘোঁৰাতে উঠি ৺ও যাত্ৰা কৰি বৰচৌৰালৈকে আহিল। ৩১৫॥

**দৰঙ্গী ৰজাৰ দণ্ড।**—সেই '২৭ শকৰ কাৰ্ত্তিক মাসৰ ২ দিন যাওঁতে বৃহস্পতিবাৰে বিয়লী-মেলত ৺ৰ আজ্ঞাৰে মজিন্দাৰ বৰুৱা আহি ঢুৰৰা বৰবৰুৱাত কলে,—"৺এ দৰঙ্গী বৰৰজা কৃষ্ণনাৰাণ, সৰুৰজা হৰিনাৰাণ,

এই দুই ৰজাক ৺এ দায় ধৰি ভাঙ্গিছে; দোলা-হাবোৱানো কাঢ়ি আনি হাতীশালত থব দিছে।" পাচে বৰবৰুৱা বিদ্যমানে বাঁহবৰীয়াৰ কটকী ৰামদেউক এইৰূপে শিকাই পাঠিলে। কটকীৰ লগত কুকুৰাচোৱা-বৰা মিঠা, টেকেলা বৰা হৰিপদ এই দুইকো দিলে। পাচে কটকী গৈ কলীয়নী ভগাৰ মুখতে বহাঘৰত দুয়ো ৰজাক একেঠাই কৰি এইৰূপ দায় ধৰি কঠত বহুৱাই ভাঙ্গিলে,—"৺ৰ আজ্ঞা দেৱতা ঈশ্বৰে দৰঙ্গীৰ দুয়ো ৰজাত এইৰূপে দায় ধৰি কৰ দিছে,—'অ', যি কালত দৰঙ্গীৰ ৰজা বলীনাৰাণ আহি ৺ত শৰণাপন্ন হ'ল, ৺এ সেই বলীনাৰাণক দৰং দেশত ৰজা পাতি থলে। পুত্ৰ-পৌত্ৰাদি ক্ৰমে আজিলৈকে ৰজা হৈ আছে। আমাৰ দেশ-বিভ্ৰাটত আপো দেশ গুৱাহাটীলৈ গৈ আপোন সম্বন্ধে নিচাওদেউ থকাত ৰজা হংসনাৰাণে দ্ৰোহ আচৰিব খুজিলে। ৺এ ক্ষমা দি পুতেককে ৰজা পাতিলে। পুতেকেও বৰাগীৰ লগ লৈ অনিবন্ধে ফুৰিছিল। কছাৰী ৰণলৈ যি অনোৱা হ'ল তাতে ৰণ নকৰি ৰৰমূৰাৰে মিলভাৱ হৈ দেশলৈ গুচি গ'ল।' এতেকে ৺এ দুয়ো ৰজাক ভাঙ্গিছে।" এই বুলি ভাঙ্গি ওলগনি ললে ৰূপ ১২০ টকা। পাচে কুকুৰাচোৱা বৰা, টেকেলা বৰাই দোলা-আবোৱান, ৰাজ-অলঙ্কাৰ, মানুহ, এইবোৰ আনি নতুৱাৰৰ মুখত হাতীশালত থলে। তাতপাচে সেই কাৰ্ত্তিক মাসৰ ৫ দিন যাওঁতে ৰবিবাৰে বিয়লী-মেলত ৺ৰ আজ্ঞায়ে মজিন্দাৰ বৰুৱা, তামুলী-ফুকন, খাৰঘৰীয়া ফুকন, নাওশলীয়া ফুকন, এইবোৰ আহি কটকী পঠাই দৰঙ্গীৰ কোঁৱৰ সমুদ্ৰনাৰাণক সৰ্ব্বাইবন্ধাৰ পৰা আনি বৰচোৰাৰ আগটুপে কিছু পছিম ফালে দুয়োভাগে সেই সমুদ্ৰ-নাৰাণক ৰজা পাতিলে। ৩১৬॥

**দৰঙ্গী ৰজাক দিয়া উপদেশ।**—পাচে ৰজা হৈ কাপৰ এখনত বহিল। মজিন্দাৰ ফুকনবোৰো নিবন্ধে বহি মজিন্দাৰে ৰজাত এইৰূপে কলে,—"৺এ ৰজাত কৰ দিছে, বোলে,—'ৰজাৰ মঞ্চি আধুনিক কোনো আপাহ পাই এই ধূলা-মৰ্য্যাদা দিয়া হৈছে এনে নহয়। আপোন সম্বন্ধে পুথাও ৰজাবোৰৰ দিনত ৰজাৰ পূৰ্ব্বীয় ৰজাবোৰে অত্যন্তৰূপে ভাবি

সেৱা কৰি গৈছে। সেই শুদ্ধ-সেৱকৰ সন্তান জানি এইৰূপ মৰ্য্যদা দিয়া হৈছে। আকে ৰাজা শুদ্ধভাৱে আচৰিলে পুত্ৰ-পৌত্ৰাদিক্ৰমে বৃদ্ধি পাব। অবহেলা ভাৱ হলে বিৰূপ অৱস্থা হয়, তাক ৰজা দেখিছে, শুনিবও পায়। আক যি দেশত ৰজা পতা হৈছে, সেই দেশৰ মোৰ বন্দী-বেটা লোকসকলৰ খোৱা-লোৱাত মতি নিদি দুখ-সুখ বিচাৰিব। আক দেশ-বিভ্ৰাটত তাগি কোনো মানুহ স্থানান্তৰ হৈছে, তোটেও সীমা ভাঙ্গি কিছু দেশ লৈছে বুলি শুনিছে, এতেকে ৰাজা গৈ দেশ পাই সেই সেইবোৰ পূৰ্ব্ব নিবন্ধে পাতিব। যদি কোনোখান নোৱাৰে বৰফুকন, ৰবৰুৱাৰ দ্বাৰাই জনাই কৰিব'।" ৩১৭ ॥

**দৰঙ্গী ৰজাৰ উত্তৰ।**—এইৰূপ শুনি ৰজাই বোলে,—"৵এ যিৰূপ শিকাই ধুলা দিছে আক শুদ্ধৰূপে আচৰিব পাৰিলে আমাৰ কোনোখান নহব? তথাপি আমি জড়, ৵ও বায়ু, যিৰূপ চলায় সেইৰূপ প্ৰবৰ্ত্তিব লাগে। তথাপি অনেক অপৰাধ ক্ষমা কৰি শিকাই-বুজাই ললেহে কোনো কাৰ্য্যত পাব।" এইৰূপ নিবেদন কৰি গৈ ৰচা-ৰাজখোৱা ৰহা খুটাৰ ওপৰখনিত কেপকৰা-ভলচাত বহিল। সেইবেলা কটকীকে আদি কৰি সকলৈ ৰবৰুৱাৰ হাতত বাঁটি দিবলৈ দিলে ৰূপ ৩০০ টকা। পাচে ৰাজা ৰহাঘৰলৈ গ'ল, শালৰ ঘোঁৰাৰে নি থলে। ৩১৮ ॥

**বুঢ়াগোহাঁয়ে মুন্‌কাঙ্গৰ কটকী তোলা।**—আতপাচে '২৭ শকৰ কাৰ্ত্তিক মাসৰ ১৪ দিন যাওঁতে মঙ্গলবাৰে ৰঙ্গঘৰৰ কোষত ডাঙ্গৰ চৈ-ঘৰ এটা কৰাই সেই ঘৰতে ভেঁটি বান্ধি, পাটী, তাৰ ওপৰত বানত, তাৰ ওপৰত নৰাপীৰা, তাৰ ওপৰত কেপকৰা-ভলচা-গাঁক, খুটাত হালধীয়া বালিচৰী, ওপৰত ঢুখলপীয়া শেত-চন্দ্ৰতাপ। পাগ-জেমা পিন্ধি গধূলিবেলা বহিল। কটকী, কাকতী, দলৈ, দেওধাই, বাইলুং, চমুৱা, বৰুৱা, ফুকন, ৰৰা-বৰুক, কাঁড়ী, বাকৰতী, পাঁচ কুম্পানি চিপাহী, হাতী-ঘোঁৰা, ৰৰহিলৈ, এইবোৰো নিবন্ধে বহিল।

এনেতে আহোম কটকীয়ে আনি মুন্‌কাঙ্গৰ নাভি-ৰাজা কুঁৱৰীয়ে পঠোৱা কটকী হিংমুক্, হিংলিপমুংহ, হিংহ, এই তিনিক পত্ৰ-সন্দেশ লৈতে

তেঁটালে। পাচে সিহঁতে ডিঙ্গিৰ পৰা পত্ৰ নমাই শৰাইত থৈ টুপতে পাতত ৰহিল। পাচে কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া আহোম কটকীক চোখামে সুধিব দিলে। কটকীয়ে ৰহি গৈ সুধিলে। শ্ৰীমহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া হিংমুঙক, হিংলিপমুংহ, হিংহ, তহঁতত সুধিব দিছে, বোলে,—"সিহঁত যেখন আহে মুনকাঙ্গৰ নাতি ৰাজা-কুঁৱৰী পাত্ৰমন্ত্ৰী-সমন্বিতে দেশৰাজ্য প্ৰতিপালন কৰি কুশলে আছে?" এইৰূপ শুনি সিটো বোলে,—"কুশলে আছে, পৰে কোনখান হৈছে তাক নেজানি।" এইৰূপে জনালত ডাঙ্গৰীয়া বোলে,—"ৰাজা যে কুশলে থাকিব আমাৰো ইচ্ছা এইহে। কিন্তু সিহঁত আহিল বা কোন মাসে? শদিয়া পালেহি কোন মাসে? ইঠাই পাবৰ বা হ'ল কত দিন? পথে ঘাটে বা কি ভয়-ভ্ৰান্তি পাই আহিল?" এইৰূপ শুনি সিহঁতে বোলে,—"আমি '২৬ শকৰ ফাগুন মাসত আহিলোঁ, '২৭ শকৰ বৈশাখ মাসত শদিয়া পালোঁ। তাৰে পৰা ইঠাই আহোম কটকীৰ লগে আহি আষাৰ মাসত ইঠাই পালোঁহি। ৺ৰ কৃপাত পথত কিছু ভয় নেপালোঁ।" ৩১৯॥

মুন্‌কাঙ্গৰ বাতৰি।—পাচে চিৰিং-ফুকনে পত্ৰ মাতিলে। পত্ৰ শুনি ডাঙ্গৰীয়া বোলে,—"ৰাজা পত্ৰত লেখি যি জনাইছে তাক বুজিছোঁ, মুখ-জেৰানে কি কৈছে তাক কক।" এইৰূপ শুনি সিহঁতে বোলে,—"ৰাজা পত্ৰত যি লেখিছে কথা সেইহে। তথাপি জনাইছে বোলে,—আমাক মানতৰা ৰাজা ৰণে জিনি ধৰি আনি মানতৰা দেশত ৰখা দি থৈছে। শুনাত ৰাজাও ভাগি গৈ খেহৰাজ্যত আছে বুলি শুনিছোঁ। শুনাত মুংলুঙ্গিয়াৰ দেশত প্ৰধান মন্ত্ৰী এজনাই বহু বঙ্গাল চিপাহী আনি দেশ-ৰাজ্য প্ৰধানৰূপে প্ৰবৰ্ত্তাই আছে। এতেকে পূৰ্ব্ব সম্বন্ধত থাকি যদি পাৰে কিছু বণুৱা মানুহ দি সেই মুনকাঙ্গ দেশখনিক লৈ দিয়ক।" এইৰূপ জনালত বুঢ়াগোহাঁই ডাঙ্গৰীয়া বোলে,—"ভাল, ৰাজা যি জনাইছে তাৰ সমাচাৰ ইহঁতৰ বিদায় কালে পাব। যদি ভাগ্য আছে কি ৺কো সেৱা কৰিবলৈ পায়। সম্প্ৰতি থকা ৰহাতে থাওঁক গৈ। এই বুলি ফুল-চন্দন দি বিদায় দিলে। ডাঙ্গৰীয়াও কোঁঠলৈ আহিল।

আতপাচে সেই কাৰ্ত্তিক মাসৰ ২৬ দিন যাওঁতে সেই মুন্‌কাঙৰ কটকীক ৰৰপাত্ৰ ডাঙৰীয়া বহাঘৰৰ চৌৰাতে এই ধাৰণে তুলিলে। সেই কটকীক ডাঙৰীয়া দিলে,—চাউল ২ ভাৰ, কুকুৰা ৪টা, গাহৰি ১টা, লোণ-তেল কিছু। আতপাচে সেই মুন্‌কাঙৰ কটকীক মাহুৰীয়াল বৰগোহাঁই ডাঙৰীয়া বহাঘৰ ভিতৰ চৌৰাতে এই ধাৰাণে তুলিলে। সিইঁতক দিলে,—চাউল ২ ভাৰ, কুকুৰা ৪টা, গাহৰি ১টা, লোণ-তেল কিছু। সেইবেলা বৰগোহাঁই ডাঙৰীয়া চকুৰে নেদেখে, এতেকেহে ভিতৰ চৌৰাত তুলিলে। ৩২০ ॥

**মাজিও আইদেউৰ বিয়া।**—আতপাচে এই শকৰ আঘোণ মাসৰ ১৯ দিন যাওঁতে মঙ্গলবাৰে ৺ৰ ভনী আইদেউক কুঁৱৰগঞা বুঢ়াগোহাঁই ডাঙৰীয়াৰ মাজিও পুতেকলৈ চকলং মতে বিবাহ দিলে। সেই বিবাহত ন-দিন পানী তুলিছিল। সকল সত্ৰ-চহৰীয়া গায়ন-বায়ন আনিছিল। ছোৱালী উলিয়াই দিবৰ দিনা ডাঙৰীয়াবোৰ চৌৰাত বহিছিলহি; ৰৰবকৰা ফুকনবোৰো বহিছিল। সেই বিবাহত বুঢ়াগোহাঁই-ডাঙৰীয়া চমুৱা, বকৱা, ফুকন, কোনো কটকী, কাকতী, বিলতীয়া, এই-বোৰক বঁটা দিলে। ৩২১ ॥

**স্বৰ্গদেৱৰ ম'হ চিকাৰ।**—আতপাচে সেই শকৰ পৌষ মাসৰ ৪ দিন যাওঁতে ৺ও দিলশিৰিৰ মুখত ম'হ মাৰিবলৈ গৈছিল। সেইদিনা ম'হ এটা হাতীয়ে দলি মাৰি গড়ৰ বাজ কৰিলে। সেই মহে মানুহ তিনিটা মাৰি গুচি গ'ল। ম'হ মৰাই ৺ও গধূলি বাহৰলৈ আহিল। ৩২২ ॥

**স্বৰ্গদেৱে মুন্‌কাঙৰ কটকী তোলা।**—আতপাতে সেই পৌষ-মাসৰ ১৪ দিন যাওঁতে শুক্ৰবাৰে গধূলি বেলা ৰংঘৰত ৺এ সেই মুন্‌কঙীয়াৰ কটকীক তুলিলে। ৰংঘৰৰ ওচৰত দুখন চালি কৰিছিল। তাকো কাপৰেৰে চাইছিল। এখন চাঙত ডাঙৰীয়া দুজনা বহিছিল। এখনত ৰৰবকৰা ফুকনবোৰ, ৰাজখোৱা, কটকী, কাকতী, দলৈ, দেওধাই, বাইলুং, এই সকল বহিছিল। খলাতে চালি এখনত মুন্‌কঙীয়া কটকী বহিবলৈ দিছিল। পাচে চিৰিং-ফুকনে ভেঁটালে। পত্ৰ ধৰলৈ ৰূপৰ শৰাই

দিলে। টেমাত ভৰি ডিঙ্গিত বান্ধি পত্ৰ আনিছিল। শৰাইত থৈ সাত-সেৰা কৰি সেই চালিতে বহিল। পাচে ৺এ চিৰিং-ফুকনক চৌখামে সুধিবলৈ আজ্ঞা কৰিলে। পাচে ফুকনে সিহঁতৰ ৰাজাৰ কুশল সুধি জনালে। চিৰিং-ফুকনে পত্ৰ মাতি ৺ত শুনালে। পত্ৰ শুনি ৺এ বোলে,—"তাহঁতত ক, ৰাজা যি জনাই আহিছে আৰ সমাচাৰ বিদায় কালে পাব। সম্প্ৰতি থকা বহাতে থাকক।" এই বুলি ফুল-চন্দন দিলে। সিহঁতেও বহি বহি বহালৈ গ'ল। ৺ও বাহৰলৈ আহিল। সেই কটকী তোলাত ৰংঘৰটো কাপৰে চাইছিল। দাঁতিত কপৰ বৰে আৰিছিল। চাংখনত বানত পাৰিছিল। সেই ঘৰতে ৺ও চাঙ্গতে চন্দোৱাৰ তৰি পাগ-জেমা পিন্ধি বহিল। আনেও পাগ-জেমা পিন্ধিছিল। প্ৰধান ফৌজ কৰিছিল। ৩২৩ ॥

**বাজী-তামচা।**—সেইবেলা মুনুকঙ্গীয়া কটকীক দেখাই অনেক বাজী কৰাইছিল। বাজীও এই,—ম'ভা লগাইছিল, চক্ৰবাণ মাৰিছিল। চেঙ্গা-হিলৈ মাৰিছিল। আতচবাজী কৰিছিল। মেৰছাগ ওলাই খুন্দা মাৰিছিল। অপৰাজিতাও ওলাইছিল। বাঘ এটাও হাতীয়েৰে মৰাইছিল। হাতীয়ে পুৰ দিওঁতে বাঘ হাতী দুয়ো বাজলৈ জাল ফালি ওলাল। ওলাই বাঘে চিপাহী এটা কামুৰিলে। পাচে সকল চিপাহীয়ে চাপি চঙ্গিনে-তৰোৱালে খুঁচি-কাটি সেই বাঘ মাৰিলে। সেই বাঘৰ ডাঢ়ি পুৰিবলৈ জোঁৰ আনোঁতে হামখুৰি খাই পৰিয়েই দৈয়ঙ্গীয়াৰ নেওগ এটা মৰিল। ৩২৪ ॥

**মুনুকাঙ্গৰ সন্দেশ।**—সেই মুনুকাঙ্গৰ কটকীয়ে ৺লৈ অনা সন্দেশ,—৭৯ টকা সোণৰ বাখৰাম খাৰু ২ যোৰ; ১৬ টং সোণৰ জৰাপতা ১০ জাপ; গুণাৰ বনকৰা কলা বানতৰ পইজাৰ ২ যোৰ, আতে বঙ্গা বাখৰ ১২ খন খডা। সৌজ-ধল-বাং তিনি-বৰণীয়া দীঘে গোটা গুণা সি দিয়া একালে ছিঙ্গা ১৮ হতীয়া পাট কাপৰ ১ খান; বঙ্গা-বগা দুই বনকীয়া দীঘে গুণাসিয়া ১৭ হতীয়া পাতৰ কাপৰ ১ খান; বঙ্গা-বগা-সৌজ তিনি-বনকীয়া দীঘে গুণাসিয়া ৬ হতীয়া ১ খান; বঙ্গা-বগা-কমলপতীয়া মাজে কলাআজি দিয়া ৪ বনকীয়া দীঘে গুণাসিয়া ৬ হতীয়া ১ খান; ক'লা

মখমল ১৩ হতীয়া ১ খান, ১১ হতীয়া ১ খান; কপাহী তাও ৩০ হতীয়া ১ খান, ২৭ হতীয়া ১ খান; কাঁচৰ কলকবান ৪টা; জাংকাইৰ কেক ২ যোৰ, ভুখৰিয়া ১ ডোখৰ, একালে ভঙ্গা এডোখৰ; গাড়ু ২টা; হিঙ্গুল ১ তথৰি; ২টা কাকৰ চুঙ্গাত তিখাৰ বেজী ৮ টুপ; বগা চামৰ সক ১টা; বগা চামৰ ১টা; সোণৰ মলমাকৰা ৰৰকাঁহ ২ খন; মাটিৰ ভাবুকিৰে আহোম-এঠা ১ ভাবুকি, বাঁহৰ চুঙ্গাৰে ১ চুঙ্গা; তুলাপাত ২০০টা; কাপৰ ভৰাই অনা আহোম-এঠাৰে এঠোৱা বেতৰ কোক ২টা; জিম-ৰিকাবি সৈতে খোঁবা ২টা। ৩২৫ ॥

**স্বৰ্গদেৱৰ মৃগয়া।**—আতপাচে বচাৰ মানুহে গৈ পানী-বেবেজীয়াত ভাল হাতী এটা ভেঁটিছিল। তাকে চাবলৈ সেই পৌষৰ ২৫ দিন বাওঁতে মঙ্গলবাৰে ৺ও গৈছিল। সেইদিনা ৺ৰ লগত বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰপাত্ৰ ডাঙ্গৰীয়া, ছুৱৰা বৰবৰুয়া, মৰঙ্গিখোৱা, ভিতৰুৱাল ফুকন, দিহিঙ্গীয়া ফুকন এইসকল গৈছিল। বৰগোহাঁই ডাঙ্গৰীয়া চকুয়ে নেদেখাত বহা-ঘৰত আছিল। গধূলি ৺ও বাহৰলৈ আহিল। সেই পৌষৰ ২৭ দিন বাওঁতে ৺ও খুঁটিয়াপোতাত ম'হ মাৰিবলৈ গৈছিল। সেইদিনা মোৱা-মৰীয়াই ম'হৰ পোৱালি ১২ টা জায়াই ধৰি দিলে। ৺ও গধূলি বাহৰলৈ আহিল। ৩২৬ ॥

**দবঙ্গী ৰজাৰ মৃত্যু।**—সেই শকৰ ফাগুন মাসৰ ১ দিন বাওঁতে মঙ্গলবাৰে কলীয়নীৰ ভগাৰ মুখৰ বহা-ঘৰত দবঙ্গীৰ ভগা ৰৰৰাজা কৃষ্ণ-নাৰাণ মৃত্যু হ'ল। ৰাজাৰ শৱ নি ব্ৰহ্মপুত্ৰৰ তীৰত কাষ্ঠ-সংস্কাৰ কৰিলে। ৩২৭ ॥

**বচাত ৰজাৰ বাহৰ।**—সেই শকৰ মাঘৰ ২৮ দিন বাওঁতে ৺ও আমগুৰি-খাটলৈ গৈছিল। তাতে ম'হ যুঁজাই শেন মেলি গধূলি বাহৰলৈ গ'ল। সেই শকৰ ফাগুন মাসৰ ২০ দিন বাওঁতে শনিবাৰে ৺ও বচাৰ জাবৰৰ সক বাহৰলৈ গৈছিল। পূৰ্ব্বে ৺ও কোঁৱৰ কালত সেই ঠাইত আছিল। পাচে জগতৰ মুৰত ভৰি দি সেই ঠাইতে বাহৰ এখনি কৰালে, তালৈকে গৈছিল। সেইদিনা ৺এ ডাঙ্গৰীয়াবোৰ মোক্ষ কৰি বৰুৱা, ফুকন

সকলকো সাজ কৰালে। গধূলি বাহৰলৈ আহিল। আৰু পূৰ্ব্বেও ১৭২৩ শকতো একবাৰ ৺ও সেই বাহৰ চাবলৈ গৈছিল। ৩২৮॥

**ৰুক্মিণীহৰণ ভাৱনা।**—আতপাচে ১৭২৭ শকৰ ফাগুন মাসৰ ১৮ দিন যাওঁতে ৺ৰ আজ্ঞাৰে বাৰেঘৰীয়া মহন্তে দোলাবৰীয়া চৌৰাৰ কোষত চাৰি-দিনীয়াকৈ ৰুক্মিণীহৰণ ভাৱনা কৰিলে, অঙ্কৰ মতে। মহন্তৰ দুয়ো ভায়েক সেইবেলা উজনিকালে কলাপাতত বহিছিল। কালীসৰ্প ১টা, ভালুক ১টা, হাতী ১ যোৰ উলিয়াইছিল। আনো ছো-ভাৱৰ দৰে ওলাইছিল। সেইবেলা ৺এ দিলে ৰূপ ৪০ টকা, বুঢ়াগোহাঁই ডাঙ্গৰীয়া ৩০ টং, বৰবৰুৱা ৮ টং, আনো ফুকন, ৰাজখোৱাও তাৰতম্যৰূপে দিলে। পাচে মহন্তে উঠি ৺ক আশীৰ্ব্বাদ কৰিলে। বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰবৰুৱা এইসকলকো কৰিলে। ৩২৯॥

**সমুদ্ৰনাৰায়ণলৈ দিয়া বঁটা-প্ৰসাদ।**—আতপাচে '২৭ শকৰ ২৮ দিন যাওঁতে ৺ৰ আজ্ঞাৰে দিলিহিয়ালৰ কটকী নাৰায়ণ, বৰবৰুৱাৰ বৰা অগ্নি, এইহঁতক পঠাই দৰঙ্গিৰ ৰজা সমুদ্ৰনাৰাণক সৰ্ব্বাইবন্ধাৰ বহাঘৰতে বটা দিয়ালে। বঁটাও এই,—২॥ টং সোণৰ কেৰু ১ যোৰ, ১২ টং খাৰু এযোৰ, ৩ টং টেমী ১টা, ২ টং খৰিকাচুঙ্গা এটা, ২ টং তামোল এটা, হাঁচটি, ৰঙ্গা পাগজেমা, কমৰ, সোণোৱালী পটি ১ টা, বৰ ফুলাম কাপৰ ১ খান। সেইবেলা ৰাজা বঁটা নিয়া কটকীক দিলে ৰূপ ১০ টং, ঠেঙ্গা ২ খন। মজলীয়া কটকীক দিলে ৰূপ ৫ টং, ঠেঙ্গা ২ খন। বৰাক ৰূপ ৫ টং, ঠেঙ্গা ২ খন। পাচে কটকী নাৰায়ণে ৺ৰ আজ্ঞায়ে পাচদিনা ৺ক সেৱা কৰিবলৈ মাতি আহিল। ৩৩০॥

**দৰঙ্গী ৰজালৈ উপদেশ।**—পৰদিনা ৺ও ফগুৎসৱ চৌৰাত বহি উৎসৱ সময়ত সেই দৰঙ্গিৰ ৰজা সমুদ্ৰনাৰাণক কটকী নাৰায়ণে আনি ডাঙ্গৰীয়াবোৰ বহাৰ কিছু নামকৈ মূধৰ মাওলিৰ পোনে ৺ক সেৱা কৰি ডাঙ্গৰীয়া মৰ্য্যদাৰে বহিল। পাচে কটকী নাৰায়ণে থালেৰে ফুল-চন্দন নি ৰজাক দিলে। ৺ৰ নিৰ্ম্মালি জালভাৰী ফুকনে কোঁচতকৈ নি বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰপাত্ৰ ডাঙ্গৰীয়া, বৰবৰুৱা, দৰঙ্গী ৰজা, ফুকনবোৰ এই ক্ৰমে

দিলে। পাচে ডুৱৰা বৰবৰুৱাই ভেঁটালে,—"৺ৰ চৰণত দৰঙ্গী ৰাজা সমুদ্ৰনাৰায়ণে ভেঁটি সেৱা কৰিছে। বানতৰ শৰাই ১ খন, তাও ২ খন, সোণে-ৰূপে বন্ধা চামৰ ১ খন, চন্দনৰ ১ খন, লঙ্গৰ ১ খন, ঠঙ্গা ২০ খন, লঠা চামৰ ২০ টা।" পাচে ৰাজা উঠি উঠি ৺ক সাতসেৱা কৰি ৰহিল। পাচে ৺ৰ আজ্ঞায়ে মজিন্দাৰে চৌধামেৰে ৰজাত কলে,—"৺ও ঈশ্বৰে দৰঙ্গী ৰজাক দৰং দেশলৈ বিদায় দিছে, আৰু ৺এ ৰাজাত কৰ দিছে, বোলে,—'ৰাজাক পাতিবৰ দিনাই সকল কথা শিকোৱাই গৈছে। সেই কথাকে ৰাজা বিস্মৰণ নহৈ প্ৰবৰ্ত্তিলে ৰাজাৰ পুত্ৰ-পৌত্ৰাদিক্ৰমে এইৰূপ মান-মৰ্য্যদা বাঢ়িব। আমাৰ আজ্ঞাত নপ্ৰবৰ্ত্তাসকলৰ যিৰূপ অৱস্থা হৈছে তাক ৰাজা আপুনি চাক্ষুস দেখিছে।' আৰু ৺এ কৰ দিছে, বোলে,—'শুনাত মোৰ দৰং দেশৰ বন্দী-বেটাটো ভাগি গৈ দেশ-দেশান্তৰে সোমাইছে; আৰু ভোটেও পূৰ্ব্ব সীমনা ছাৰি কিছু দেশ লৈছে। তাকে বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰবৰুৱা মানুহ দি বিচাৰি অনাই দৰং দেশতে কিছু মানুহ পাতিছে। এতেকে ৰাজাও গৈ দেশ পাই বিচাৰ কৰি পূৰ্ব্ব স্থানে স্থানে পাতিব। ভোটবো পূৰ্ব্ব সীমাতে ৰাখিব। যদি ৰাজা কোনো কথা আচৰিব নোৱাৰে থলাধিকাৰ ফুকনৰ দ্বাৰাই ৰাজমন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰবৰুৱা এইসকললৈ জনাও কৰিব'।"

এইৰূপ আজ্ঞা শুনি ৰাজা নিবেদন জনালে,—"মজিন্দাৰ, ৺ৱে যি আজ্ঞা কৰিছে তাকে আচৰিব পাৰিলে আমাৰ কোনখান নহৈ থাকিব? তথাপি আমাৰ পৰা কোনখান হব? ৺ও শিকাই-বুজাই ললেহে কোনো কাৰ্য্যত পাব।" ৰাজাৰ এইৰূপ নিবেদন মজিন্দাৰে ৺ত জনালে। আৰু এইৰূপে ৰাজাক মহামন্ত্ৰী বুঢ়াগোহাই ডাঙ্গৰীয়াও, বৰবৰুৱাও শিকালে। পাচে কটকী নাৰায়ণে ৰাজাক বঁটাৰে তামোল-পাণ দিলে। পাচে ৰাজা ৺ক সেৱা কৰি উঠি ৰহাঘৰলৈ গ'ল। ৩৩১ ॥

**অক্ৰুৰাগমন ভাৱনা।**—আতপাচে সেই শকৰ চৈত্ৰ মাসৰ তিনি দিন ৰাওঁতে দিহিঙ্গৰ নমটীয়া মহন্তে ৺ৰ আজ্ঞায়ে দোলাঘৰীয়া চৌৰাৰ কোৰত তিনি-দিনীয়াকৈ অক্ৰুৰাগমন ভাৱনা কৰিলে। মহন্ত পাতত

বহিছিল। বহুৱা নাই, তাৰ ঠিক নহৈছিল। সেইবেলা ৮এ দিলে ৰূপ ৪০ টকা, বুঢ়াগোহাই ডাঙৰীয়াই ৩০ টকা, বৰবৰুৱা ১০ টং, অন্তৰেও ১০ টং, ৮ টং, এইৰূপে তাৰতম্যৰূপে দিলে। ৩৩২ ॥

**স্বৰ্গদেৱৰ সমীপত জয়ন্তাৰ কটকী।**—সেই '২৭ শকৰ ফাগুন মাসৰ ১৪ দিন যাওঁতে সোমবাৰে গধূলি বেলা দুৱৰাৰ ডেকাজনা বৰবৰুৱা বহাঘৰৰ চৌৰাত পাগ-জেমা পিন্ধি বহিছিল। কটকী, কাকতী, দলৈ, ছেওধাই, সভাপণ্ডিত, বৰাগী, আনো বৰা-বুকক, হাতী-ঘোঁৰা তিনি কুম্পানি চিপাহী, এইয়ে সৈতে প্ৰধান ফৌজ কৰি সেইবেলা জয়ন্তা ৰাজা ৰামসিংহৰ ঠাইৰ কটকী ৰামচন্দ্ৰ, চৰকাৰ, হৰি, এইহঁতক আনি নামডাঙৰীয়াৰ জয় বৰাই পত্ৰ-সন্দেশ সৈতে ভেটালে। কটকী ৰামচন্দ্ৰে শৰাইত পত্ৰ থৈ বহিল। পাচে বৰবৰুৱা বাঁহবৰীয়াৰ কটকী বিশ্বম্ভৰক চৌখামে সুধিব দিলে,—“বিশ্বম্ভৰ, কটকী ৰামচন্দ্ৰত সোধ, সিহঁত যেখন আছে, তেখন ৰাজা ৰামসিংহ গো-ব্ৰাহ্মণ বৰা-বকক সমন্বিতে থল-পৰ্ব্বতী লোকজনক প্ৰতিপালন কৰি কুশলে আছে?” পাচে কটকী বহি গৈ এইৰূপ সুধিলে। সিহঁতে বোলে,—“আমি যেখন আহোঁ তেখন ৰাজা কুশলে আছে।” এই জনালত বৰবৰুৱা বোলে,—“তাহেঁতত ক, ৰাজা যে কুশলে থাকিব আমাৰো ইচ্ছা এইহে। কিন্তু সিহঁত আহিল বা কোন মাসে? জাগীৰ চৌকী পালেহি কোন মাস? ইঠাই পাবৰ বা হৈল কত-দিন? পথত বা কি ভয়-ভ্ৰান্তি পাই আহিল?” পাচে কটকী গৈ এইৰূপ সুধিলত সিহঁতে বোলে,—“আমি '২৬ শকৰ বৈশাখ মাসে জয়ন্তীপুৰ এৰি আসিলোঁ। সেই শকৰ শ্ৰাৱণ মাসত জাগীৰ চৌকী পালোঁ। তাৰ পৰা ভাদ্ৰমাসে উজাই আহি আশ্বিন মাসৰ ২৮ দিন যাওঁতে ইঠাই পালোঁহি। জয়ন্তী ঠাকুৰাণীৰ কৃপাত পথতো কিছু ভয় নেপালোঁ।”

কটকী আহি এইৰূপ জনালত বৰবৰুৱা বোলে,—“কটকী, তাহেঁতত ক, ৰাজা পত্ৰত লেখি যি জনাইছে তাক বুজা যাব, কিন্তু ৰাজা মুখ-জেৱানে কি জনাইছিল তাক কওঁক।” কটকীয়ে এইৰূপ সুধিলত সিহঁতে বোলে,—“ৰাজা পত্ৰত লেখি যি জনাইছে কথা সেইহে। তথাপি ৰাজা

মুখ-জেৱানেও পূৰ্ব্ব-প্ৰীতি-ধৰ্ম্ম-কবুলতে আছোঁ বুলি জনাই আহিছে।” কটকীয়ে এইৰূপ জনালত পুনৰ ৰবৰুৱা বোলে,—“কটকী, তাহঁতত ক, ৰাজা যি পূৰ্ব্ব-প্ৰীতিত আছে বুলি যি সিহঁতে বচনে জনাইছে আৰু কেনেকৈ বুজা যাব? বিশেষত সিবাৰ আহি এই ৰামচন্দ্ৰ কটকীএই ‘ৰাজাৰ অভিমতে মোৱামৰীয়া, ভগনীয়া প্ৰজা যি আছে আমি যাওঁতেই উলিয়াই দি যাম, জয়ন্তাপুৰত যি আছে তাকো এই কটকী ৰবাৰ হাতে উলিয়াই দিয়া যাব’ এই বুলি গাকৈ গ’ল। তাৰ লগে ইঠাইৰ কটকী জয়দেউ, ৰবা জয়, এইহঁতক পত্ৰ-সন্দেশ দি পঠোৱা গ’ল। আৰু ধৰি আনি কয়দ কৰি থোৱা বজা-পোৱালি কেইটাকো গা কৰি লৈ গ’ল। পাচে কাৰ্য্য থাওঁক, জয়ন্তীপুৰ পাই আমাৰ কটকী ৰবা এইহঁতক তোলাত পূৰ্ব্ব নিবন্ধ ছাৰি যি অনিবন্ধে বহাই ৰাজা সম্ভাষা হ’ল, এয়েৰেই ৰাজা পূৰ্ব্ব-প্ৰীতি স্মৰণ হৈয়াছে যেন কাৰ্য্যেৰে আমাক বুজাব পাৰিছেনে? এইৰেই বুজিলোঁ,—ৰাজাৰ সভাত পূৰ্ব্বাপৰ বুজা-দেখা মানুহেই নাই।” এতেকেহে কটকী বিশস্তৰে গৈ এইৰূপে স্থখিলত সিহঁতে বোলে,—“পূৰ্ব্বে গাত লৈ যোৱা কথা আচৰিব নোৱাৰাত আমাত দায় হৈছে” বুলিলে। কটকী আহি জনালত পাচে ৰবৰুৱা মজিন্দাৰক পত্ৰ মাতিব দিলে। পত্ৰৰ মোনা ফাৰি বিযোগ চালে, দেখে পত্ৰ জয়ন্তা ৰজাৰ সেনাপতিয়ে এই পত্ৰ কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোঁহাই ডাঙৰীয়াৰ নামে লেখিছে। ৩৩৩॥

**জয়ন্তা কটকীৰ অপৰাধ।**—পাচে মজিন্দাৰে পত্ৰ নেমাতি এই কথা ৰবৰুৱাত জনালে। ৰবৰুৱা এই কথা কটকী পঠাই কটকী ৰামচন্দ্ৰত কলে, বোলে,—“এই পত্ৰত দেখোঁ, মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ শ্ৰীনামা লেখিছে। এনে পত্ৰ অনিৰ্ব্বন্ধে কিয় আনিলে?” এইৰূপ শুনি সি বোলে,—“নহয়, ৰবৰুৱা নামেহে হব।” আৰু এইৰূপে জনালত ৰবৰুৱা কটকীক শ্ৰীনামা দেখালে। কটকী ৰামচন্দ্ৰে দেখি দায় গাত লৈ বোলে,—“এই পত্ৰ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়ালৈহে দিছিল। আমি নিচিনিহে দিলোঁ। ৰবৰুৱাৰ পত্ৰ আমাৰ ৰহাতে আছে।

কালিলৈ আমি কটকী জয়দেৱৰ হাতত দিম। ই পত্ৰ আমাক ওভোতাই দিয়ক।" পাচে পত্ৰ ওভোতাই নিদি বৰবৰুৱা বোলে,—"কটকী বিশ্বম্ভৰ, কটকী ৰামচন্দ্ৰক দায় ধৰি ক, তাৰ ৰাজা ৰামসিংহে পূৰ্ব্ব-প্ৰীতিত থাকি অপৰ প্ৰীতিক ইত্তৰোত্তৰে বৃদ্ধিক ইচ্ছা কৰে। এনে মানুহৰ সঙ্গত কেনে প্ৰীতি বাঢ়িব? আঁ, যি মানুহে কাৰ পত্ৰ ক'ত দিব লাগে তাকে নেজানে সেই মানুহেৰে সঙ্গ কৰি ৰাজা-ৰাজাৰ প্ৰীতিক ইচ্ছা কৰে! এতেকে বুজিলোঁ, ৰাজাৰ লগত এনে মানুহ থকাতহে আমাৰ কটকী-বৰাই পূৰ্ব্ব-ধাৰাৰ মৰ্য্যদা নেপাই আছিল।" এইৰূপ দায় ধৰি সুধিলত সি বোলে,—"আমি ব্ৰাহ্মণ মানুহ। পূৰ্ব্বাপৰ ৰাজা-ৰাজাৰ প্ৰীতি-অনুবন্ধ একো নুবুজোঁ। ইঠাইৰ যেনেকৈ পূৰ্ব্ব কালত শিকাই-বুজাই পাতি লোৱা কটকী আছে, আমি তেনে নহওঁ। এতেকে আমাত দায় হৈছে" বুলি দায় গাত ললে।

এইৰূপ জনালত বৰবৰুৱা বোলে,—"কটকী, ৰামচন্দ্ৰত ক, সি যিৰূপ অনিৰ্ব্বন্ধে প্ৰবৰ্ত্তিলে তাক প্ৰধান দণ্ড কৰিব লগা, তথাপি ব্ৰাহ্মণ দেখিহে বোল-মাত কৰিএ ক্ষমা দিয়া হৈছে আৰু বোল-মাত কৰিব লগাও আছে। এতেকে সি গৈ থকা বহাতে থাওঁকগৈ।" এই বুলি ফুল-চন্দন দি বিদায় দিলে। কটকী বিশ্বম্ভৰে এইৰূপ দায় ধৰি বহাঘৰলৈ পঠালে। সি বোলে,—"কালিলৈ এইখান পত্ৰ ফিৰাই দিব, বৰবৰুৱাৰ নামে পত্ৰ আছে, আমি দি পঠাম।" এই বুলি বহাঘৰলৈ গ'ল। আৰু পাচদিনা বৰবৰুৱা এই পত্ৰ ফিৰাই কটকী জয়দেউক পঠাই তাৰ বহাৰ পৰা বৰবৰুৱাৰ নামে পত্ৰ অনাই চালে। সিও পত্ৰ বিধাৰণ পালে, ৺তো জনালে। পাচে ৺এ কটকী ৰামচন্দ্ৰক পত্ৰ-সন্দেশ সৈতে ফিৰাই চোকীৰ বাজকৈ খেদিব দিলে। পাচে কটকী বিশ্বম্ভৰে গৈ ৺ৰ আজ্ঞায়ে তাক বহাঘৰৰ পৰা উলিয়াই চোকী পাৰকৈ খেদিবলৈ বৰা জয়ৰ হাতত দিলে। বৰাও লৈ গ'ল। পাচে সি নিবেদন কৰি বাটৰ পৰা জনালে, বোলে,—"আমাক দেশলৈ নেখেদি চোকীতে ৰাখক। আমি তাতে থাকি ৰাজাৰ ঠাইলৈ মানুহ পঠাই পূৰ্ব্ব ধাৰাণে পত্ৰ-সন্দেশ আনি দিম।" এইৰূপ জনালত

শুনি ৺এ বোলে,—"ভাল, সিহঁতে যে জনাইছে এতেকে সিহঁতক বৰুৱা লগৰ বৰা এটা দি চৌকীতে ৰাখক।" পাচে ৰবৰুৱা সেই জয় বৰাকে দি সিহঁতক জাগীৰ চৌকীত বৰা দি থলে। ৩৩৪ ॥

**বীৰবৰ কুশাই।**—সেই সময়তে গৌৰীনাথ সিংহ ৺ৰ যৈণী পৰ্ব্বতীয়া আইকুঁৱৰীদেৱে পাঁচ-বৰ্জীয়াৰ ভিতৰৰ দলৈ ৰামনাথ, সি জাতত চুটিয়া, তাৰে জীয়েক কেতেকীক লিগিৰীকৈ লৈছিল। পাচে সেই লিগিৰীতে খঙীয়াৰ ঢুলীয়া বৰুৱা বাঁহজেঙ্গনিয়ে লৰা এটি কৰিলে। সেই লৰাটিক আইকুঁৱৰীদেৱে পুত্ৰৱতে দায়া কৰিছিল। পাচে কমলেশ্বৰ সিংহ ৺ৰ দিনত আইকুঁৱৰীদেৱে ৺ত জনাই সেই লৰাটিক লাহনৰ খেলত দিলে। লৰাৰ নাম বীৰবৰ কুশাই বুলিছিল। এই আজ্ঞা মজিন্দাৰ বৰুৱা সভাতে ঢুৰৱা বৰবৰুৱাত কলে। ৩৩৫ ॥

**কমলেশ্বৰ সিংহ ৺ৰৰ দিনৰ বিষয়াসকল।**—কমলেশ্বৰ সিংহ ৺ৰ দিনৰ পাত্ৰ-মন্ত্ৰী,—কুঁৱৈগঞা ৰাজমন্ত্ৰী বুঢ়াগোঁহাই ডাঙ্গৰীয়া; তায়েক দোলাষৰীয়া বৰুৱা; ভতিজাক মৰঙ্গিখোৱা; নিচায়েকৰ পুতেক ৰাজনেওগ ফুকন; পুৱাও বেলেগতীয়া পানীফুকন; বচা ৰাজখোৱা; নামডঙ্গীয়া ৰাজখোৱা; মৌ গোহাঁইৰ কাপ্তান গোহাঁই; দিলিহিয়াল ভিতৰুৱাল ফুকন; জৰকিয়াল চেটিয়া-পাতৰ বৰুৱা; ঘৰফলীয়া বৰুৱা; লংকেৰীয়া ৰংপুৰীয়া নিয়াসোধা ফুকন; কুঁৱৈগঞা ডেকাফুকন; কেন্দুগুৰীয়া বৰপাত্ৰ ডাঙ্গৰীয়া; নাওবৈচা ফুকন। মাতুৰিয়াল সলাল গোহাঁইৰ ভতিজাক বৰগোহাঁই ডাঙ্গৰীয়া; ঘৰফলীয়া বৰুৱা; দৈজনীয়া চেটিয়া-পাতৰ বৰুৱা; ৰাককীয়া সলাল গোহাঁই পজুৱাধৰাত খেল। খৰিকটীয়া বাহৰ ঢুৰৱাৰ নিয়াসোধা ফুকন আছিল, পাচে ভিতৰুৱাল ফুকন হ'ল, তেওঁকে বৰবৰুৱা পাতিলে। হাঁহচৰীয়া মূলত তকৰা দিহিঙ্গীয়া ৰাজখোৱা; দোৱাৰজীয়া ৰাজখোৱা। সন্দিকৈৰ এৱাৰৰীয়া বাহৰ বৰফুকন; বেতিয়নীয়া বাহৰ নিয়াসোধা ফুকন; উপৰ-দৈয়ঙ্গীয়া ৰাজখোৱা; মাজিউ-দৈয়ঙ্গীয়া ৰাজখোৱা; নাফুকীয়া বাহৰ ঢুলীয়া বৰুৱা; দিলাধৰীয়া ৰাজখোৱা; বাইডঙ্গীয়া ফুকন; দিহিঙ্গীয়াৰ ন-ফুকন; পানীদিহিঙ্গীয়া ৰাজখোৱা; লাহনৰ

ঢেকিয়াল ফুকন ; শলগুৰীয়া বাজখোৱা ; চেটিয়া ফুকন ; দিহিঙ্গীয়া ফুকন জাতত মিৰিসন্দিকৈ ; নিমুকিয়াল বাজখোৱা জাতত কুকুৰাচোৱা ; ডেকাফুকন বুঢ়াগোহাঁই-পৰীয়া ; গড়ীয়া বৰুৱা। লানমথুৰ খাৰঘৰীয়া ফুকন ; শেনচোৱা বৰুৱা ; পানী-অভয়পুৰীয়া বাজখোৱা ; টিপমীয়া ফুকন খেল চেটিয়া-পাতৰত ; গুৱাহটীয়া দিহিঙ্গীয়া ফুকন। চিৰিঙ্গৰ চোলাধৰা ফুকন ; চিৰিং-ফুকন ; নাওশলীয়া ফুকন ; ধোঁৱা-বৰুৱা ; বকতিয়ালৰ তৰ শলগুৰীয়া বাজখোৱা ; কাঠকটীয়া বৰুৱা ; পাতৰৰ বৰফুকনৰ সক অভয়পুৰীয়া বাজখোৱা ; মৰাণ বৰুৱাৰ টিপমীয়া বাজখোৱা ; কামস্তানৰ দোলাৰৰীয়া বৰুৱা। চাওডাঙ্গৰ বৰুৱা জাতত চাওভাং ; চাওডাঙ্গৰ বৰুৱা জাতত ফিচি ; বাইডঙ্গীয়া বৰুৱা জাতত সোণোৱাল কছাৰী ; ভায়েক মাজিউ-মেলীয়া ভগুৰী বৰুৱা। ব্ৰাহ্মণ কাকতীয়াৰ ঘৰৰ তামুলী-ফুকন ; ভায়েক জালভাৰী ফুকন ; পুতেক মলীয়া বৰুৱা ; ভতিজাক খঙ্গীয়া ফুকন ; ভতিজাক পৰ্ব্বতীয়া ফুকন। শূলপাণিৰ পুতেক বৰভগুৰী বৰুৱা ; ঘলৈ নাতিয়েক ভগুৰী বৰুৱা ব্ৰাহ্মণ। দেৱৰগঞা খঙ্গীয়া বৰুৱা ; বেজ গাভৰু-মেলীয়া বৰুৱা। ৰসেন্দ্ৰৰ ঘৰৰ পুৰণি-মেলীয়া বৰুৱা ; কলীচেঙ্গৰ মেলৰ বৰুৱা ; গজপুৰীয়া বাজখোৱা জাতত পাখীমৰীয়া ; দিখৌমুখীয়া বাজখোৱা জাতত তংচু ; ন-মেলীয়া বৰুৱা জাতত গায়ন ; খনিকৰ বৰুৱা জাতত বৰাহী ; চাংকন ফুকন জাতত ওকণীমৰীয়া চেটিয়া ; টিপমীয়া বৰুৱা জাতত হেন্দু-সলাল ; মজিন্দাৰ-বৰুৱা জাতত গণক ; ভায়েক গজপুৰীয়া বৰুৱা ; গুৱাহটীয়া ডেকাফুকন জাতত লুখুৰাখুন। ৩৩৬॥

**স্বৰ্গদেৱৰ ৰংপুৰ যাত্ৰা।**—১৭২৮ শকত শ্ৰাৱণ মাসৰ ১৪ দিন যাওঁতে মঙ্গলবাৰে দিচৈৰ বাহৰৰ পৰা ৺ও ৰংপুৰলৈ গ'ল। সেই দিনা ৺ও ওলাই গৈ ভোগদৈ নৈতে নাৱত উঠি কলীপঠাৰে খাহে গৈ শুকটিপোটাদি চিন্তামণি-গড় ছিগাই মিত্তঙ্গে গৈ গৌৰীসাগৰত নাৱৰ পৰা উঠি গৈ ৰংপুৰ পালে। ৺ও থাকিবলৈ বৰচোৰাৰ কোখতে বাহৰ কৰিছিল। সেই বাহৰতে থাকি পৰদিনা ৺ও ওলাই গৈ ৰংপুৰৰ বাহৰ চালে। পাচে গৈ ৰঙ্গনাথৰ দৌল, জয়সাগৰৰ বৰদৌল, মাজুদৌল, দেৱীঘৰ সেৱা কৰি নাৱেৰে

গৈ কালুগাৱঁত ম'হ মাৰি গধূলি বাহৰ সোমালহি। ৰুদ্ৰসাগৰৰ দৌল, গৌৰীসাগৰৰ দৌললৈকো ৺ও গৈছিল; শিৱসাগৰলৈকো গৈছিল। একদিনা কুঁৱৰিগাঞেদি গৈ চকলা-পঠাৰত ম'হ মাৰিলে; ভটীয়াপাৰতো ম'হ মাৰিলে। তুৰাৰত চিপাহীয়ে পৰ দিছিল। ৺ৰ লগত বোৰা বুঢ়াগোহাঁই ডাঙ্গৰীয়া, বৰপাত্ৰ ডাঙ্গৰীয়া, তুৱৰাৰ বৰবৰুৱা, ভিতৰুৱাল ফুকন, আনো চমুৱা, বৰুৱা, ফুকন, কটকী, কাকতী, দলৈ, দেওধাই, বাইলুং সকলো গৈছিল। এপলীয়া দিচৈৰ বাহৰতো আছিল। পাচে ৺এ ম'হ পুহ মাৰি ৰং-আনন্দ কৰি বাৰ দিন থাকি পুনৰ নাৱেৰে আইলামুখেদি খাহে দিচৈৰ বাহৰলৈ আহিল। ৩৩৭ ॥

**আবেথা চলিহাৰ দণ্ড।**—আতপাচে সেই শ্ৰাৱণতে কাকতী-চলিহাৰ ঘৰৰ খঙ্গীয়া কাকতী, নাম আবেথা। সেএ ৰাত্ৰিপুৱাই বহাঘৰৰ পৰা গৈ দোলাঘৰ সোমাই দোলাঘৰতে ৰাজমাওদেৱৰ কেঁকোৰা-দোলাত উঠি বহি আছিল। পাচে পৰীয়া মানুহে দেখি বন্দী কৰি ৺ওক জনালে। ৺এ লোৱা দি থৰ দিলে। পাচে তুৱৰাৰ বৰবৰুৱাক সুধিব দিলে। বৰবৰুৱাই সভাতে দায় ধৰি সুধিলে। পাচে সি বোলে,—"মই কি জনাম? কিন্তু যি কৰ্ম্ম কৰিলোঁ লোভ-মোহ-কাম-ক্ৰোধ চাৰিবো বাহিৰ, তথাপি বন্দীৰ দুৰ্দ্দশাহে ইৰূপ কৰিলে।" পাচে তাৰ কাণ, নাক, চক্ষু গুচাই বহাঘৰলৈ খেদিলে। ৩৩৮ ॥

**বৰগোহাঁই ভগন।**—আতপাচে সেই শকৰ কাৰ্ত্তিক মাসৰ পাঁচ দিন যাওঁতে ৺এ চটাই-অলীয়া বৰগোহাঁই ডাঙ্গৰীয়াক চক্ষুএ নেদেখা দাইত বহাঘৰতে ভাঙ্গিব দিলে। পাচে মজিন্দাৰ বৰুৱাই আহি তুৱৰা বৰবৰুৱা বিদ্যমানে সভাতে বাঁহবৰীয়াৰ কটকী বিশ্বম্ভৰক শিকাই দিলে। সেই লগে দোলা-আবোৱান আনিবৰ নিমিত্তে কুকুৰাচোৱা বৰা মিঠাকো দিলে। পাচে কটকীয়ে গৈ গোহাঁইক তামূলী-চোৰালৈ উলিয়াই কঠ এখনিত বহুৱাই ভাঙ্গিলে; ওলগনি ললে ৰূপ ১০০ এশ টকা। কুকুৰাচোৱা বৰাই দোলা-আবোৱান অনা বাবে ওলগনি চাৰি হাজৰিকীয়াত খালে। সেই-দিনাই লাইথেপেনা বৰগোহাঁইৰ নাতি মাতুৰিয়ালৰ চেটিয়া-পাতৰৰ বৰুৱা

ভাগি আছিল, তেওঁকে বৰচোৰাৰ ভিতৰ-টুপে উজনিকালকৈ বৰগোহাঁই পাতিলে। মজিন্দাৰ-বৰুৱাই থিয়ৈ ৺ৰ আজ্ঞা শুনালে। পাচে বহিবলৈ কাপৰ এখন দিলে। তাতে বহিলত বিবেচনা কলে। পাচে আহি নিবন্ধে বহা ঠাইত বহিলহি। সেই দিনা বৰপাত্ৰ ডাঙৰীয়া, বৰবৰুৱা, ফুকনবোৰ সভাত বহিছিল। পাচে বৰগোহাঁই ডাঙৰীয়া সাৰলোককৈ দিলে ৰূপ ১০০ এশ টকা। সেই ৰূপ বৰবৰুৱা সকলকে বাঁটি দিয়ালে। কটকী-বোৰক দিলে ২৪ টকা, সভা-পণ্ডিতক ১২ টকা; এইৰূপে তাৰতম্যৰূপে বাঁটি দিলে। ৩৩৯ ॥

**ধীৰেশ্বৰ কটকীৰ ওভোতনি।**—আতপাচে সেই কাৰ্ত্তিক মাসত বাঁহবৰীয়াৰ কটকী ধীৰেশ্বৰ কছাৰী দেশৰ পৰা পত্ৰ-সন্দেশ লৈতে পালেহি। সেই কটকীৰ হাতৰ কছাৰীৰ ৰাজা বৰবৰুৱাৰ নামে পত্ৰ নিদিলে। এক পত্ৰ বুঢ়াগোহাঁই ডাঙৰীয়াৰ নামে দিলে, ৺লৈ এক পত্ৰ দিলে; এই দুই পত্ৰহে দি আছিল। কছাৰীৰ ৰাজা কটকী ধীৰেশ্বৰক দিয়া বটা,—সোণৰ গামখাৰু, কেৰু, তাওঁৰ জেমা-পাগ, কমৰবন্ধা, যুৰীয়া বৰকাপৰ, খৰচ ৰূপ ৪০ টকা, সোণ ১ টকা। টেকেলা ৰবা কিনাৰামক ৰূপৰ খাৰু, সোণৰ কেৰু, পাগ-জেমা, কমৰবন্ধা, খনীয়াকাপৰ, খৰচ ৰূপ ২০ বিশ টকা, সোণ ॥০ অনা, দুই মজলীয়া কটকীক খাৰু, অস্তী, ভুনি, চেলেং; এইদৰে বৰটেকেলাকো দিলে। খৰচ ৰূপ তিনিক ৩০ টকা, সোণ ৸০ অনা; আৰু চৰ্কায়ালৰ বৰাহঁতক চেলেং, পাগুৰি, কেৰু, দিলে। খৰচ ৰূপ ২০ টকা দিলে। ৩৪০ ॥

**নতুন দিহিঙ্গীয়া ফুকন।**—আতপাচে লানমাখৰুৰ গুৱাহাটীয়া দিহিঙ্গীয়া ফুকনে বৰফুকনেৰে দ্বন্দ্ব-ভাৱ হৈ আছিল। পাচে সেই ফুকনে মাহ-পোহাৰী এজনী আনিও তিৰুতাকৈ ললে। পাচে ৺এ শুনি ফুকনক কটকী পঠাই অনাই এই দায়তে ভাঙ্গি বহাঘৰলৈ পঠালে। পাচে তেওঁৰ ভায়েক বৰভামুলী খাটিছিল, তেওঁকে দিহিঙ্গীয়াৰ ডাগিত ফুকন পাতি গুৱাহাটীলৈ পঠালে। ৩৪১ ॥

**পূৰ-সীমান্তলৈ যুদ্ধযাত্ৰা।**—আতপাচে ১৭২৮ শকৰ আঘোণ মাসৰ

৫ দিন থাওঁতে ৺এ তিনিজনা ডাঙ্গৰীয়া, বৰবৰুৱা, ফুকন সকল সৈতে সমালোচন হৈ উজনিৰ শদিয়া লৰলৈ খামটি, চিংফৌ, মোৱামৰীয়াক মাৰি দেশ-ৰাজ্য পাতিবৰ নিমিত্তে আজ্ঞা কৰিলে। সেই ৰণলৈ যাবৰ নিমিত্তে দুৱৰাৰ ডেকাজনা বৰবৰুৱাই ৺ৰ আজ্ঞাৰে তিনি জনা ডাঙ্গৰীয়া, বৰুৱা, ফুকন, মেলডগীয়া বৰুৱা, ফুকন, আউনীআটী, দক্ষিণপাট মোক্ষ কৰি সকলো মহন্তৰ এইসকলৰ ডাঙ্গৰ নাও এখনীয়া, দুখনীয়া, তিনিখনীয়া এইদৰে তাৰতম্যৰূপে লৈ দিলে। ৰণলৈ যোৱা বুঢ়াগোহাঁই-পৰীয়া মৰঙ্গিখোৱা; কাপ্তান বচা ৰাজখোৱা; দিহিঙ্গীয়াৰ ন-ফুকন; সন্দিকৈৰ ওপৰদয়ঙ্গীয়া ৰাজখোৱা, মাজিও-দয়ঙ্গীয়া ৰাজখোৱা; খিম-পাভৰৰ সক-অভয়পুৰীয়া ৰাজখোৱা; লান্‌মাখৰুৰ পানী-অভয়পুৰীয়া ৰাজখোৱা; মেঢ়াগড়ীয়াৰ হাও বৰা; এইসকলক কাঁৰী, বাকৰতী, ৫ কুম্পানি চিপাহী, কটকী, কাকতী, দলৈ, দেওধাই, বাইলুং, দোলাবৰীয়া বৰা এইবোৰ সকলো গৈ পচলাখোৱাৰ মুখতে থাকিতে হ'লগৈ। পাচে কুঁৱৈগঞা মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙ্গৰীয়া সেই পচলাখোৱাৰ মুখলৈ সেই আঘোণৰ ১৬ দিন যাওঁতে গৈ তাতে দুইএকদিন থাকি শিকাই-বুজাই তিনটা ফৌজ কৰি উত্তৰে-দক্ষিণে নৈয়ে জুৰি পঠাই ডাঙ্গৰীয়া ৺ৰ লগলৈ আহিল। উত্তৰে গ'ল বচা ৰাজখোৱা, হাও বৰা; দখিণে মৰঙ্গিখোৱা; লোহিতে ন-ফুকন কাপ্তান; এইৰূপে উঝাই গৈ শিলনিৰ মুৰতে উত্তৰৰ ফৌজ আহি ন-ফুকন কাপ্তানৰ লগে নাৱেৰে উঝাই গৈ শদিয়াৰ ওচৰ পাই খামন্তিক সমুখে মুঠ পাতি ৰ'ল। মৰঙ্গিখোৱাও ডিবুক পাৰ হৈ মুঠ ধৰি ৰ'ল। সকলৰে ওপৰে ন-ফুকন সেনাপতি। পাচে সেনাপতি ফুকনে কাপ্তান বচা ৰাজখোৱা সৈতে মিলি আবৰ মিৰিক আনি লগত ললে। পাচে সেই আবৰক পঠাই কুণ্ডিল......

( এই খিনিতে শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ বুৰঞ্জীৰ বৰ্ত্তমান পুথিৰ পাত অন্ত পৰিছে )। ৩৪২।

# ভুল-শুধৰণি।

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
| --- | --- | --- | --- |
| ২৩ | ২৫ | দিচৈয়াল | দিবৈয়াল |
| ২৫ | ২৩ | এইখানে | এইখান |
| ৩২ | ৬ | মৰঙ্গিখোৱা বাহবৰীয়া...... পঠালে। | মৰঙ্গিখোৱা বাহবৰীয়া বৰচেটিয়া। গোহাঞিক দিলে চাউল কঢ়িওৱা-কৈ। দিহিঙ্গীয়া আলুন বৰবৰুৱাৰ পুতেক ডেকা-বৰবৰুৱা দুইক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সকলকো পঠালে। |
| ৪৬ | ১ | তিনিজনা ডাঙ্গৰীয়াক মুখ্য কৰি | আৰু তিনিজনা ডাঙ্গৰীয়াক মুখ্য কৰি |
| ৪৭ | ৪ | ওস্তাক্ত | ওস্তাজ |
| ৫৩ | ৮ | থাচম্পুৰৰ | থাচম্পুৰৰ |
| ৫৪ | ১৫ | ৺ৰ পুণ্য-প্ৰতাপৰ বলে | ৺ৰ পুণ্য-প্ৰতাপৰ বলে |
| ৫৯ | ৮ | মাজুজনা গোহাঁই, | মাজুজনা গোহাঁইকো, |
| ৬১ | ১০ | ঘোঁৰাৰ বৰবৰুৱা, | ঘোঁৰাৰ বৰবৰা, |
| ৭০ | ৭ | ৰাজ্যত | বাউতে |
| ৭২ | ১৩ | ধোল-বাদ্য | ঢোল-বাদ্য |
| ৭৬ | ১১ | তহোঁতৰ | তাহেতৰ |
| ৭৮ | ১২-১৫ | আহি দায় ধৰি বুলিলে।... কৰিছোঁ।" | আহি দায় ধৰি বুলিলে,—"৺এ বোলে,—'মই তাক কাটিলোঁহঁতে, যাতো তাৰ অৰ্থে আইচুদেৱ, গোসাঁই, বৰবৰুৱা এইসকলে মাতিলে, এতেকেহে প্ৰাণ ৰক্ষা কৰিছোঁ'।" |
| ৮১ | ৩ | মজিন্দাৰত | মজিন্দাৰতকৈ |
| " | ২১ | তাক | তাৰ |
| ৮৪ | ১০ | টুপৰ | টুপৰ |
| " | ১৭ | কাঠ-সংস্কাৰ | কাষ্ঠ-সংস্কাৰ |
| ৮৫ | ১২ | ৰজাযোৰা | ৰজাজোৰা |
| ৮৮ | ১ | দিহিঙ্গীয় | দিহিঙ্গীয়া |
| " | ১৪ | মোৱামৰীয়া | মোৱামৰীয়াই |
| " | " | দুৱাৰৰ | দুৱাৰ |

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ৯০ | ২৪-২৫ | আজ্ঞা শুনি—" ৺লৈ তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, বৰফুকন, এইসকলেও আহিছিল " বুলি ৺লৈ জনালে। | আজ্ঞা শুনি ৺লৈ তিনিজনা ডাঙৰীয়া, বৰবৰুৱা, বৰফুকন, এইসকলেও " আহিছিল " বুলি ৺লৈ জনালে। |
| ৯৮ | ১৯ | শগুনমূৰী বণ। — | শগুনমূৰীৰ বণ।— |
| ১০১ | ৮ | পূৰ্ব্ব প্ৰীতিলৈ চাই | পূৰ্ব্ব প্ৰীতিক লৈ নাই |
| ,, | ২৫ | পাচে | পাচতে |
| ১০৩ | ১ | লতাশিলত | লতাশিলৰ |
| ১০৩ | ২২ | পূণ্য-প্ৰতাপৰ বলে | পুণ্য-প্ৰতাপৰ বলে |
| ১০৫ | ৫ | কোঁঠত | মূঠত |
| ,, | ১৬ | বড়াব | বৰাব |
| ১০৬ | ৭ | পূণ্য-প্ৰতাপৰ বলে | পুণ্য-প্ৰতাপৰ বলে |
| ১১১ | ২৩ | তৰাতলিত | তৰাতলীত |
| ১১৫ | ১৪ | মৰাণ সকলো | মৰাণ সকলোবোৰ |
| ১১৭ | ১৫ | উজাই যাবলৈ | উজাই যাবলগা |
| ,, | ২২ | বৰুৱা আহিছিল বৰফুকন হৈ | বৰুৱা আহিছিল। বৰফুকন হৈ |
| ১১৮ | ৫ | সন্দিকৈৰ গগৈ, বৰফুকন | সন্দিকৈৰ গগৈ বৰফুকন |
| ১২১ | ১৪ | নিয়াইসোধ- | নিয়াইসোধা |
| ১২৭ | ২৪ | চকী-পীৰা | চৌকী-পীৰা |
| ১৩৯ | ২০ | নিয়মতুল্লা | নিয়মত্তুল্লা |
| ১৪১ | ১০ | শোৱালগুৰীত | শোৱালুগুৰীত |
| ১৪৭ | ২৭ | ক্ষৰি | কৰি |
| ১৫২ | ৩ | নামডঙ্গীয়া | নামডয়ঙ্গীয়া |
| ১৫৪ | ৬ | যদ্যপি ঈশ্বৰীৰ কৃপাবলে | যদ্যপি ঈশ্বৰ-ঈশ্বৰীৰ কৃপাবলে |
| ১৫৭ | ২৭ | ঈপ্সিতত | ঈপ্সিত |
| ১৬৭ | ২-৩ | অতএব ৺ আমাদেৰ পিতৃ হৈল। " পিতৃতে পুত্ৰৰ যদি অপৰাধ .......উপযুক্ত। " | " অতএব ৺ আমাদেৰ পিতৃ হৈল। পিতৃতে পুত্ৰৰ যদি অপৰাধ ...... উপযুক্ত। " |
| ১৬৭ | ২৭ | কলীয়া | ফলীয়া |
| ১৭০ | ২১-২২ | চন্দ্ৰ-চিলিমি | চন্দ্ৰা-চিলিমি |
| ১৭২ | ২৭ | হিংমুঙ্ক, | হিংমুঙ্কং |
| ১৭৩ | ৪ | ,, | ,, |
| ,, | ৫ | নাতি ৰাজা-কুঁৱৰী | নাতি-ৰাজা কুঁৱৰী |
| ১৭৪ | ৮ | এই | সেই |

সমাপ্ত।

# GOVERNMENT OF ASSAM.

## DEPARTMENT OF HISTORICAL

AND

## ANTIQUARIAN STUDIES.

*Honorary Provincial Director*:

Mr. A. H. W. Bentinck, C.I.E., I.C.S., M.A. (Oxon), F.R.G.S., Commissioner of the Assam Valley Division, Gauhati.

*Honorary Assistant Directors*:

(1) For the Surma Valley Division: Mr. J. P. Mills, I.C.S., M.A. (Oxon), Honorary Provincial Director of Ethnography, Assam; and Deputy Commissioner, Naga Hills, Kohima.

(2) For the Brahmaputra Valley Division: Mr. S. K. Bhuyan, M.A., B.L., Professor, Cotton College, Gauhati; and Corresponding Member of the Indian Historical Records Commission.

*Opinions.*

*Sir George Abraham Grierson, O.M.*—I am much obliged to you for the Bulletin No. 1 of the Department of Historical and Antiquarian Studies in Assam. I have read it with the greatest pleasure and much instruction, and am happy to see the interest that is being taken in the history and antiquities of the province. Certainly your Bulletin shows that far greater progress has been made in these researches than I was previously aware of.—April 5, 1932.

*Lt.-Col. Sir Wolseley Haig, K.C.I.E., C.M.G., C.S.I., Editor of 'Cambridge History of India', Vol. II, 'Turks and Afghans'.*—I am very grateful to you for sending me the first Bulletin of the Department of Historical and Antiquarian Studies of Assam, which I have read with much interest, and which I hope to find time to review in the Bulletin of the School of Oriental Studies of the University of London. The promotion and encouragement of such studies by the Government of an Indian province, and the careful preservation and classification of historical records are a great service to students of Indian history.—April 4, 1932.

I have sent a review of the admirable publication, the first Bulletin of the Department of Historical and Antiquarian Studies, Assam, a

copy of which you so kindly sent me, to the Bulletin of the School of Oriental Studies of the University of London, and I hope that it will be published in the next number of that Bulletin.—April 17, 1932.

*Professor Dr. Max Walleser, Goethestrasse, 12, Heidelberg, Germany.*—I beg to acknowledge having received a copy of Bulletin No. 1 of the Department of Historical and Antiquarian Studies, Assam, India, and I am specially glad as to the study of Ahom language and literature by which a lamented gap in the study of Tibeto-Chinese culture will probably be filled.—April 4, 1932.

*M. Louis Finot, Chev. de la Legion d'honneur, Professor College de France, Toulon, Var, France.*—I have perused with much interest the first number of your Bulletin, which you have so kindly sent me. I was delighted to hear of this new departure in the field of Assamese studies, taken with an excellent programme and the best hopes of substantial results. It requires a true courage to launch a scientific series in these unhappy days. May the success reward your gallant enterprise.—April 6, 1932.

*Lt.-Col. L. A. Waddell.*—I thank you for the copy of the Bulletin No. 1 of your Department of Historical and Antiquarian Studies in Assam which you have so kindly sent me. I find it very interesting in recording the little known historical manuscripts of Assamese of the past few centuries. I hope you will be able to find archæological remains of two or three thousand years ago of the prehistoric period of the Ahoms in caves or shrines or elsewhere. Should you do so I trust you will kindly send me particulars.—April 16, 1932.

*Mr. E. J. Rapson, Professor of Sanskrit, Cambridge, Editor of the 'Cambridge History of India,' Vol. I, 'Ancient India'.*—Please accept my best thanks for your kindness in sending me a copy of Bulletin No. 1 of the Department of Historical and Antiquarian Studies. This first number of a publication, which will place on record the progress of research in the history and anthropology of a most interesting province, is most welcome. Sincerely wishing the Department all possible success in its efforts.—April 6, 1932.

*Mr. C. E. A. W. Oldham, C.S.I., Joint-Editor of the 'Indian Antiquary'.*—I have to acknowledge with thanks the receipt of a complimentary copy of Bulletin No. 1 of your Department. It is indeed gratifying to read the record of steady work that is being carried out in your province in furtherance of the scheme so wisely inaugurated by Sir Charles Lyall and Sir Edward Gait. With all good wishes for the work ahead.—April 9, 1932.

*Sir William Foster, C.I.E.*—I am obliged by your courtesy in sending me a copy of the first Bulletin issued by the Department of Historical Studies, Assam. I have perused it with much interest. I wish the Department all success in its praiseworthy efforts to elucidate the history of the province, and should any opportunity occur of making its work known, I shall gladly take it.—April 6, 1932.

*Mr. J. R. Cunningham, C.I.E., Lately Director of Public Instruction, Assam.*—I have been very much interested by the perusal of the first Bulletin of your Department—an impressive record—and appreciate the friendly spirit which led you to credit me with so prominent a part in its establishment; the fact is of course that had it not been for

one S. K. Bhuyan, the Department would never have come into being, and were it not for the abilities and devotion of the same S. K. Bhuyan it would have had but little to record in the way of accomplishment.—April 5, 1932.

*Srijut Hiteswar Barbarua.*—I am much delighted to have a copy of the first Bulletin of the Department of Historical and Antiquarian Studies. Here runs my heartfelt gratitude to you for the uncommon contribution you have been making to the Department. Being in the midst of academical drudgeries it is almost a wonder to me how you manage all these. The future of a country is built more or less on the plinth of the past; I am so happy to feel that in you there are makings of a good builder of our poor province.—March 7, 1932.

*Srijut Benudhar Sarma.*—Words fail to give out my admiration at the receipt of the Bulletin of the D.H.A.S. It is unique and historic. You must deserve all the congratulations for your laudable attempts and indefatigable work. The concluding paragraph of your report is unparallelly illuminating; as a matter of fact, these lines prove your fervent desire for turning the lazy and cheerless Assamese into an energetic and historical race.—March 9, 1932.

*Lt.-Col. P. R. T. Gurdon, C.S.I., I.A. (Retd.), sometime Officiating Chief Commissioner of Assam.*—I write to acknowledge, with very many thanks, receipt of your interesting Bulletin, of the Assam Department of Historical and Antiquarian Studies, from which it is evident that you and your Department are not letting the grass grow under your feet. That the Governor, Sir Laurie Hammond, has been good enough to contribute a Foreword is a specially gratifying feature. It seems that the Governor has taken a great personal interest in historical and antiquarian research work, so it is all the more to be regretted that he is so soon to leave the province. We must hope that the next Governor will be equally interested in the work.—March 21, 1932.

*J. P. Mills, I.C.S., M.A.*—The first Bulletin of the Department of Historical and Antiquarian Studies reached me on tour, and is of great interest. You have accomplished a lot and your foundations are well laid. Your programme fills me with anticipation. May I wish you all good fortune for the future and a swift emergence from the financial clouds that now engulf us.—March 23, 1932.

*Sir Wolseley Haig's review in the 'Bulletin of the School of Oriental Studies', London Institution, University of London, Vol. VI, Part 4, p.* 1085.—In the preface to this admirable publication it is modestly admitted that Assam has not hitherto been classed, in popular estimation, among the most progressive of the provinces of India. Other provinces would, however, do well to follow in its footsteps in pursuing the objects, with which the Government Department which publishes this, its first *Bulletin*, is concerned. The origin and objects of the Department are set forth at length in Part I of the *Bulletin*, and may be briefly epitomized as the preservation of what is perishable and the careful classification and study of everything perishable or imperishable, which can throw any light on the history, the archæology, and the anthropology of a most interesting and certainly no longer "benighted" province. The report in this section of the *Bulletin*

covers the period from July, 1929, to December, 1931. It is excellent and encouraging reading, for it recounts what valuable work the Department has already done, and makes it clear that it is but at the beginning of its labours. Much that is perishable and has too often in the past been regarded as negligible has been preserved, and much material for the history of Assam has been collected, and the efforts of the Local Government in this direction will be gratefully appreciated by all scholars and students.

The Department is organized on the most economical principles. The work of those who conduct its activities is a labour of love, and it has a list of distinguished honorary correspondents, ex-officials, and others, many of whom are known far beyond the limits of Assam for their scholarship.

The *Bulletin* has been compiled by Prof. S. K. Bhuyan, M.A., B.L., Honorary Assistant Director of the Department, whose illuminating preface throws much light on the antecedents and origin of the Department, and is preceded by a foreword contributed by the Governor of the Province, Sir Laurie Hammond, K.C.S.I., C.B.E., whose hope, that this first *Bulletin* will be followed by many more, all interested in the history of India will share.

**আৱাহন।—চ'ত, ১৮৫৩ শক, ৭৪০ পৃষ্ঠা।**—ভূঞাদেৱৰ অক্লান্ত পৰিশ্ৰমৰ গুণত আজি প্ৰায় আঢ়ৈ বছৰৰ ভিতৰতে ৰাজনীতি, ভূগোল, বেহা-বেপাৰ, জ্যোতিষ, ইতিহাস আদি বিষয়ে অশেষ মূল্যৱান পুথি বহুতো উদ্ধাৰ কৰা হৈছে, আক বুলেটীনত এই বিভাগৰ কাৰ্য্যাৱলী বিশদৰূপে বৰ্ণাই ৰাইজৰ আগত প্ৰকাশ কৰি ভূঞাদেৱ আমাৰ ধন্তবাদৰ পাত্ৰ হৈছে। অসমৰ অতুলনীয় বুৰঞ্জী-সম্পদৰ তুলনাত যিখিনি এতিয়ালৈকে এই বিভাগে সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে, সি অতি সামান্ত অংশ মাত্ৰ। কিন্তু এই সামান্ত অংশও কেনে সম্পদশালী, তাক চাই অনুসন্ধিৎসুসকলে ভবিষ্যত গবেষণাৰ বাবে উৎসাহ লভিব যে তাত কোনো সন্দেহ নাই। অসমত স্বকীয়া বিশ্ববিদ্যালয় নোহোৱালৈকে এই প্ৰাচীন সম্পদবোৰৰ সম্পৰ্কে আশাজনক ৰূপে গবেষণা কৰাৰ সুবিধা নাই। কিন্তু এই অসুবিধাৰ মাজতো চৰকাৰৰ পৃষ্ঠপোষকতাত শ্ৰীযুত ভূঞাদেৱে যি বস্তুবাজি উদ্ধাৰ কৰিছে, তাৰ বাবে তেওঁ কেৱল অসমীয়াৰ নহয়, ভাৰতবাসীৰো প্ৰশংসাৰ যোগ্য। অসমীয়া ৰাইজে তেওঁৰ কাৰ্য্যত সকলো প্ৰকাৰে সাহায্য দান কৰি এই বিভাগৰ কাৰ্য্যৰ পৰিসৰ বহলাবলৈ চেষ্টা কৰা উচিত। এই বিভাগেই অসমৰ ভবিষ্যত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰৰূপে বিবেচিত হব বুলি আমাৰ বিশ্বাস।

# DEPARTMENT OF HISTORICAL AND ANTI-QUARIAN STUDIES, ASSAM.

## PUBLICATIONS FOR SALE.

*Edited by Prof. S. K. Bhuyan, M.A., B.L., Honorary Assistant Director, D.H.A.S.*

1. **Assam Buranji** :—Or a history of Assam, from the commencement of Ahom rule to the British occupation of Assam in 1826, being an enlarged version of the chronicle of Kasinath Tamuli-Phukan, by the late Srijut Harakanta Sarma-Barua Chaudhuri, Sadar-Amin, pp. xxii + 152. With prefaces in English and Assamese. Prescribed as a text-book in Assamese Vernacular for the Intermediate Examinations in Art and Science of the Calcutta University. Cloth bound, with gilt letters on front and back, Rs. 2-8 per copy; and paper bound, Re. 1 per copy.

2. **Kamrupar Buranji** :—Or a history of Kamarupa, from the earliest times to the cessation of hostilities with the Moguls in 1682 A.D. The book contains a detailed contemporary account of the conflicts with the Moguls and of the early relations of the Moguls with Assam and Cooch Behar. The appendices to the book contain valuable accounts of Kamarupa compiled from the manuscript records of Buchanan-Hamilton, etc. With a contemporary portrait of Nawab Mir Jumla, and prefaces in English and Assamese, pp. xvii + 152. Prescribed as a text-book in Assamese Vernacular for the B.A. Examination of the Calcutta University. Cloth bound, with gilt letters on front and back, Rs. 2-8 per copy; and paper bound, Re. 1 per copy.

*Opinions.*

*Srijut Lakshminath Bezbaroa writes,*—I am delighted to go through a copy of *Assam Buranji* by late Harakanta Barua, Sadar-Amin, and a copy of *Kamrupar Buranji* compiled from old Assamese manuscript chronicles, both so ably edited by Professor S. K. Bhuyan, Honorary Assistant Director, and published by the Department of Historical and Antiquarian Studies, Assam. They are scholarly editions. I am sure they will be very useful to students of Assam history as well as the history of the Moghul Empire.

*Sir Jadunath Sarkar, Kt., writes,—Kamrupar Buranji* of which you have published a scholarly edition, will be very useful to students of Assam history, and to a limited extent, to those of the history of the Mughal Empire. I shall use your *Kamrupar Buranji* when I have occasion to prepare the next edition (4th) of my *History of Aurangzeb*, Vol. 3, which deals with Assam.

3. **Asamar Padya-Buranji** :—Or a metrical chronicle of Assam, comprising,—1st. Dutiram Hazarika's *Kali-bharat*, or a history of Assam from the accession of Sulikpha Ratnadhwaj Singha Lora Raja in 1679, to the transfer of the territories of the East India Company to the Crown in 1858; and 2nd. Bisweswar Vaidyadhipa's *Belimarar Buranji*, from Captain Welsh's expedition to Assam in 1792 to the victory of the Burman forces at Khagarijan or Nowgong in 1819. Assamese text with marginalia, pp. 1–278, Synopsis in English, pp. 279–308; Preface and Introduction in English; Introduction in Assamese. With four-coloured contemporary portraits of King Siva Singha and his Queen regnant Maharani Amvika Devi. Cloth bound, pr[illegible] /- per copy.

4. **Tungkhungia Buranji.** ASSAMESE VERSION :—A chronicle of the Ahom Kings of Assam of the Tungkhungia Dynasty, being the chronicle of Srinath Duara Barbarua with prefatory chapters collated by the editor. From the accession of Gadadhar Singha to the eleventh year of the reign of Kamaleswar Singha, 1681 to 1806; with an account of the period of disruption, 1671 to 1681. Contains a valuable account of the reigns of Gadadhar Singha, Rudra Singha, Siva Singha, Pramatta Singha, Rajeswar Singha, Lakshmi Singha, Gaurinath Singha, and Kamaleswar Singha. Assamese text with marginalia, pp. 1 to 186; Preface and Introduction in English, pp. iii to xxvii; Introduction in Assamese, pp. xxxv to xlvii. With four-coloured contemporary portraits of King Siva Singha and his Queen regnant Maharani Amvika Devi. Cloth bound, Rs. [illegible] per copy.

5. **Deodhai Asam Buranji** :—Or a history of Assam from the earliest times to the accession of Jayadhwaj Singha in 1648 A.D., written in conformity with Ahom traditions, being the translation of an old Ahom Buranji; with a number of shorter chronicles :— *Bahgaria Buragohain's Buranji*, compiled by Atan Buragohain Rajmantri Dangaria, Prime Minister of Assam, 1662 to 1679;

*Datiyalia Buranji* or an account of the Ahom relations with neighbouring chieftains; accounts of the ceremonies of Ahom marriages, hawk-flights and burials; an account of the official functions of Daivajnas or astrologers; early history and traditions about the Koches, Kacharis, Jayantias, Chutias, Naras; conflicts between the Nara and Mantara; the first Ahom sovereign Swarganarayan; and the Mikirs; with a complete list of Ahom Kings and a table for converting *laknis* or years of the Shan Aijepi calendar to their corresponding Hindu *sakas*. Text with marginalia, pp. 1 to 222; Preface and Introduction in English; Introduction in Assamese. Cloth bound, price **Rs. 3/- per copy.**

6. **Tungkhungia Buranji.** English Version,—being a literal English translation of the Assamese version of the *Tungkhungia Buranji*, by Prof. S. K. Bhuyan. With a critical and historical survey of the period. *In the press.*

7 **Bulletin No. 1 of the Department of Historical and Antiquarian Studies, Assam**:—Report on the work of the Department with a handlist of manuscripts and transcripts, with a Foreword by His Excellency Sir Laurie Hammond, Governor of Assam, 1927-1932. Price Re. 1 per copy.

*To be had of:*

Basudev Misra, B.A.,

*Assistant, D.H.A.S., Gauhati, Assam.*

17 FEB 1933

Published by S K. Bhuyan, for the Department of Historical and Antiquarian Studies, Assam, and Printed by P. Knight, Baptist Mission Press, Calcutta.